মহেন্দ্ৰ নাথ বৰকটকী

ব্যক্তিত্ব আৰু প্ৰতিভা

MOHENDRA NATH BORKATAKY : BYAKTITTA AARU PRATIVA : A collection of biographical articles of an eminent teacher and freedomfighter published by Mrs Kiranmayee Borkataky wife of late Borkataky on behalf of editorial board.

সম্পাদনা সমিতি :

শ্ৰীতৰুণ বৰুৱা, সভাপতি

" দ্বীপেন শইকীয়া, সম্পাদক

" পুণ্যপ্ৰসাদ শইকীয়া

" লীলা কটকী

" ৰঞ্জন ভাগৱতী, সহঃ সম্পাদক

" অঞ্জন ওজা

প্ৰচ্ছদ : পংকজজ্যোতি ভূঞা

প্ৰকাশক : সম্পাদনা সমিতিৰ হৈ
কিৰণময়ী বৰকটকী
চতিয়া, শোণিতপুৰ

মুদ্ৰক : এচ. এচ. প্ৰিণ্টাৰ্চ, তেজপুৰ
ফোন : ৮৪৪/৭৫৩

অবিহনা : ২৫·০০ টকা

যিজনৰ প্ৰাণ আছিল প্ৰেৰণাৰে দীপ্ত, মন আছিল নতুন সাধনাৰ মোহত উদ্বাউল আৰু হাতত আছিল সৃষ্টিৰ বীণা, সেইজন শ্ৰদ্ধেয় মহেন্দ্ৰ নাথ বৰবটকীদেৱৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদিতো।

কিছু কথা

আমাৰ দেশ বৰ দুৰ্ভগীয়া,

ইতিহাস চেতনা আমাৰ শূন্য, তাৰ পৰা শিক্ষা লাভ কৰি আত্ম-বিশ্লেষণ আৰু আত্ম-সংশোধনৰ পথ আমি আজিও তৈয়াৰ কৰিব পৰা নাই।

বাণিজ্যৰ চোতালত মানুহৰ বিবেক তিলতিলকৈ মৰি আছে। তাক আমাৰ ভ্ৰূক্ষেপ কৰিবলৈ সময় নাই। পুঁজিবাদী লোভ আৰু সামন্ত-যুগীয় অন্ধতাৰ মাজত খণ্ডিত হৈ আমাৰ মানবীয় ব্যক্তিত্ব আজি ভূ-লুণ্ঠিত।

এয়া দুখৰ কথা।

কিন্তু এই দুখ বেদনা, জীৱন্ত নৰকৰ যন্ত্ৰণাৰ সমান্তৰাল ভাৱে মহৎ জীৱন বোধৰ প্ৰবাহ এটাও চলি আছে। মহেন্দ্ৰনাথ বৰকটকীদেৱ এই জীৱন বোধৰ প্ৰতিনিধি আছিল।

বৰকটকীদেৱ এনে এজন লোক আছিল, যি জন অপূৰ্ব মেধাশক্তি, বহুবছৰ ধৰি গোটোৱা অভিজ্ঞতা, সৃজনীশীল প্ৰতিভা আৰু সংগ্ৰামী মনোভাৱেৰে পুষ্ট।

তেখেতৰ সমাজ চেতনা প্ৰখৰ আছিল। শিক্ষা প্ৰদানত আছিল প্ৰাণ। অন্ধ, তমসাবৃত আৰু ক্ষয়িষ্ণু সভ্যতাৰ মোহ আঁতৰাই তেখেতে হৃদয়ত প্ৰতিষ্ঠা কৰিছিল ন-সমাজ আৰু ন-মানব ৰচনাৰ এক বিৰল ভাবমূৰ্তি।

৺বৰকটকীক সকলোৱে সহৃদয় বন্ধু, বুদ্ধিদীপ্ত আলাপকাৰী, উদাৰ সমজুৱা, সাহিত্য-ৰসিক, সু-বক্তা, মহান শিক্ষাব্ৰতী, সৰ্বোপৰি প্ৰখ্যাত মুক্তি যুঁজাৰু হিচাপে জানে।

মানুহৰ ওপৰত অগাধ বিশ্বাস ৰাখি তেওঁ এক ভৱিষ্যত সৌন্দৰ্যৰ শিখৰলৈ আঙুলিয়াই দিছিল। তেখেত আছিল বহু জীৱনৰ সূৰ্যোদয়ৰ মুহূৰ্তৰ পথ প্ৰদৰ্শক।

বৰকটকীদেৱৰ কেইটিমান অপ্ৰকাশিত প্ৰবন্ধ গোটাই গ্ৰন্থখনিত সন্নিবিষ্ট কৰা হ'ল। উচ্চমান বিশিষ্ট প্ৰবন্ধ পাতি হয়তো ক'ৰবাত থাকি যোৱাতো স্বাভাৱিক। তাৰ বাবে পাঠক বৃন্দৰ ওচৰত ক্ষমা বিচাৰিছো।

এনে এক বিৰল ব্যক্তিত্বসম্পন্ন ব্যক্তিক স্মৰণ কৰিবলৈ পায় আমি ধন্য মানিছোঁ।

ইমান তৰাতৈয়াকৈ আৰু সৰু কলেৱৰত পুস্তিকাখনি উলিয়াব লগা হোৱাত তেখেতৰ জীৱনৰ বহু কথাই বাদ পৰি যোৱাটো স্বাভাৱিক। যিখিনি পাইছো তাক সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰাৰ চেষ্টা কৰিছো।

গ্ৰন্থৰ নেপথ্যত

এইজন ব্যক্তিৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ বিভিন্ন দিশ সামৰি এখন গ্ৰন্থ প্ৰকাশৰ বাবে চিন্তা কৰিবলৈ চতিয়াবাসী ৰাইজে— সৰ্বশ্ৰীতৰুণ বৰুৱা, পুণ্যপ্ৰসাদ শইকীয়া, সৰেশ্বৰ হাজৰিকা, লীলা কটকী, ত্ৰিনয়ন বৰকাকতি, দ্বীপেন শইকীয়া, হেৰম্ব হাজৰিকা, পুষ্প ভূঞা, অঞ্জন ভৰালী, ৰঞ্জন ভাগৱতী আৰু দীপক গগৈক লৈ এখনি সমিতি গঠন কৰি দিয়ে। আৰু সেই সমিতিয়ে সম্পাদনা সমিতিখন গঠন কৰে। এই গ্ৰন্থ প্ৰকাশৰ প্ৰয়োজন হোৱা সম্পূৰ্ণ অৰ্থ তেখেতৰ পৰিয়াল বৰ্গই বহন কৰে। আমি তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই সুযোগতে আমি প্ৰবন্ধ সমূহ ছপাশালৰ উপযোগীকৈ প্ৰতিলিপি কৰি দিয়াৰ বাবে অৱনী সন্দিকৈ, আন্না হাজৰিকা, কৃষ্ণা হাজৰিকা, অঞ্জনা ভৰালী, মিন্টু হাজৰিকা, পম্পি হাজৰিকা, ৰাজীৱ কটকী, বৰুণ ভৰালী, বন্টু ভট্টাচাৰ্য্য, বাচ্চু হাজৰিকা, মনোজ হাজৰিকা, অনামিকা ৰায় ভূঞা, প্ৰচ্ছদ অংকণ কৰি দিয়াৰ বাবে পংকজ জ্যোতি ভূঞা, অতি কম সময়ৰ ভিতৰতে ছপা কৰি দিয়াৰ দায়িত্ব লোৱাৰ বাবে এচ, এচ, প্ৰিন্টাচৰ স্বত্বাধিকাৰী সত্যৰঞ্জন কলিতা আৰু এই ছপাশালৰ কৰ্মীবৃন্দলৈকো কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পৰিশেষত বৰকটকীদেৱৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

দ্বীপেন শইকীয়া

সম্পাদক।

ভূমিকা

আমাৰ জিলাত বৰ্তমান শতকত যিসকল স্বনামধন্য লোক ওলাইছে, তেওঁলোকৰ ভিতৰত অন্যতম হ'ল মহেন্দ্ৰনাথ বৰকটকী (১৯১৭-৮৯)। মানুহে তেওঁক শিক্ষক বুলিয়েই জানে। জীৱনৰ তিনিকুৰি বাৰ বছৰৰ ভিতৰত ডুকুৰি আঠবছৰ তেওঁ শিক্ষকতাকে কৰিলে; বাকী ২৭ বছৰ গ'ল শৈশৱ আৰু সমাজসেৱাত। কেৱল এয়ে তেওঁৰ পৰিচয় নহয়। তেওঁৰ আন এটা পৰিচয় আছে, সেইটো হ'ল দেশসেৱা। তেওঁ আছিল স্বাধীনতা সংগ্ৰামৰ এগৰাকী অগ্ৰণী সৈনিক আৰু ইয়াৰ স্বীকৃতি স্বৰূপে তেওঁ জিলা মুক্তি যুজাৰু সন্মিলনৰ সভাপতি হৈছিলগৈ।

বৰকটকীয়ে মেট্ৰিকুলেশ্যন পৰীক্ষা ১৯৩৭ চনত পাছ কৰে। সেই কালত বুৰঞ্জী আৰু ভূগোল বিষয় দুটা আছিল। কিন্তু কোনো মেধাৱী ছাত্ৰই ইচ্ছা কৰিলে বুৰঞ্জীৰ বদলি অতি-ৰিক্ত গণিত আৰু ভূগোলৰ বদলি অতিৰিক্ত সংস্কৃত ল'ব পাৰে। এনেয়ে গণিত আৰু সংস্কৃত বিষয় দুটা বাধ্যতামূলক হৈ আছিলেই। বৰ-কটকীয়ে ডবল গণিত আৰু ডবল সংস্কৃত লৈ তাত লেটাৰ হৰি প্ৰথম বিভাগত পাছ কৰে আৰু এটা বৃত্তি লাভ কৰিবলৈ সমৰ্থ হয়। মেট্ৰি-কুলেশ্যনৰ এই সাফল্যই তেওঁক চতিয়া হাইস্কুলৰ প্ৰধান শিক্ষকৰ চাকৰিটো পোৱাত সহায় কৰে। ১৯৪৪ চনত এই পদটোৰ বাবে যেতিয়া বিজ্ঞাপন দিয়া হয়, তেতিয়া প্ৰাৰ্থী আছিল বৰকটকীকে

সদানন্দ চালিহা

ৰি তিনিজন। আটাইকেইজন স্থানীয়। মেনেজিং কমিটিয়ে দেখিলে যে বৰকটকী হেডমাষ্টৰ হ'লে অঙ্ক আৰু সংস্কৃত দুয়োটা আগুৰিব পাৰিব। এই দুয়োটা বিষয় পঢ়োৱা শিক্ষক সেই সময়ত নাছিল। সেই হিচাবেহে তেওঁক হেডমাষ্টৰ পদত অধিষ্ঠিত কৰা হয়।

বৰকটকীৰ স্মৰণ শক্তি আছিল অসাধাৰণ। পাছ-ফেল, আয়-ব্যয়, হৰণ-ভগন এইবোৰ হিচাব তেওঁৰ মুখস্থ আছিল আৰু কোনোবাই সুধিলে টপৰাই উত্তৰ দিব পাৰিছিল। ১৯৭২ চনত চতিয়াত তেজপুৰ মহকুমাৰ প্ৰাইমেৰী শিক্ষক সকলৰ এখন সন্মিলন হৈছিল। তাত মই সভাপতিত্ব কৰিব লগাত পৰিছিলো। সভাপতিৰ ভাষণ দি থাকোতে মোক হঠাৎ তেজপুৰ মহকুমাৰ প্ৰাইমেৰী স্কুলবোৰৰ সংখ্যাটো লগা হ'ল। বৰকটকী মোৰ কাষতে বহিছিল। বক্তৃতাৰ মাজতে মই তেওঁক সুধিলো, "তেজপুৰ মহকুমাত প্ৰাইমেৰী স্কুল চলমান নহ'বনে ?" বৰকটকীয়ে একে উশাহতে উত্তৰ দিলে, "৭৪১, তাৰ ভিতৰত ৬৭ খনে স্বীকৃতি পোৱা নাই। সেই কেইখন বাদ দিলে ৬৭৪।" তেওঁ কেনেকৈ এই পৰিসংখ্যা-বোৰ মনত ৰাখে, ক'ব নোৱাৰো। তেওঁৰ স্কুলৰ শিক্ষকসকলৰ জ্যেষ্ঠতাৰ ক্ৰম সম্বন্ধীয় কিবা প্ৰশ্ন তোলালেতো কথাই নাই। তেওঁ পোনেই ক'ব, "অমুকে অমুক তাৰিখে দহ বজাত জইন কৰিছিল। তমুকে সেই একেটা তাৰিখতে ১১-৩০ বজাত জইন কৰে। গতিকে অমুকহে ছিনিয়ৰ। অৱশ্যে সিহঁত দুয়োটাকে মেনেজিং কমিটিয়ে একেদিনাই এপইণ্টমেণ্ট দিয়াটো হয়।" এই প্ৰসঙ্গতে উনুকিয়াই থোৱা ভাল যে চতিয়াৰ শিক্ষক-শিক্ষয়ত্ৰী সকলোবোৰ তেওঁৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী। সেইবাবে তেওঁলোকৰ বিষয়ে কিবা উল্লেখ কৰিলে বৰকটকীয়ে সচৰাচৰ 'সি' 'সিহঁত' ইত্যাদি শব্দহে ব্যৱহাৰ কৰে।

শিক্ষকসকলৰ সভা-সমিতিবোৰত সভাপতি, নিৰ্দ্দিষ্ট বক্তা বা সন্মানিত অতিথি হিচাবে যোগদান দিয়াৰ সৌভাগ্য সেইকালত মোৰ সঘনাই হৈছিল। মই নিজৰ অভিজ্ঞতাৰ পৰা দেখিলো, ভাষণত যেতিয়া পে-স্কেল আৰু বানচৰ প্ৰসঙ্গ উত্থাপিত হয়, তেতিয়া প্ৰতিনিধিবৰ্গৰ

মুখবোৰ উজ্জ্বলি উঠে ; তেওঁলোকে মনোযোগেৰে ভাষণ শুনে ; সময়ত হাততালিও দিয়ে। যেতিয়া কোনো একাডেমিক সমস্যা বা প্রশ্নৰ উল্লেখ কৰা হয়, তেতিয়া প্রতিনিধিসকলৰ মুখবোৰ আন্ধাৰ হৈ পৰে ; অন্য-মনস্ক হৈ তেওঁলোকে তললৈ মূৰ কৰি থাকে। সেইদেখি মই থিৰ কৰিলো যে ভাষণৰ প্রায় আধা পে-স্কেল আৰু এলাউৱেন্স সম্পৰ্কে হ'ব লাগিব ; বাকী আধাত অন্যান্য কথা থাকিব। এতিয়া সমস্যা হ'ল, শিক্ষকসকলৰ পে-স্কেলবোৰ মোৰ জনা নাই। তেনেহ'লে কি কৰা যায় ? বৰকটকীক মই এদিন এই সমস্যাটোৰ কথা ক'লো আৰু পে-স্কেলবোৰ তেওঁৰ পৰা জানি ল'ব খুজিলো। মই ভাবিছিলো, তেওঁ সেইবোৰ ফাইল চাই ঠিক কৰি দিব। বৰকটকীয়ে দীঘল কাগজ এখন উলিয়াই কোনটো স্কেল কোন চনলৈকে আছিল, কোনটো স্কেল কেতিয়াৰ পৰা বলবৎ হৈছে, কোনে কোনটো নিৰ্দিষ্ট দৰমহা পাইছে, এই সকলোবোৰ ভাগে ভাগে লিখি মোৰ হাতত কাগজখন তেতিয়াই দি দিলে। মই দেখি শুনি অবাক ; দুই এটা কথাও তেওঁক সুধিও চাইছিলো। তেওঁ কাগজখন মোৰ হাতৰ পৰা আকৌ লৈ চাই ক'লে—"নাই, চব ঠিক আছে।"

এতিয়া বক্তৃতা দিয়াটো মোৰ পক্ষে উজু হৈ পৰিল। ৰিজাৰ্ভ বেঙ্কৰ ৰিপৰ্ট চাই টকাৰ ক্রয় শক্তি কিমান কমিল, সেইটো ঠিক কৰি লৈ বৰ্দ্ধিত বেতন যে সন্তোষজনক হোৱা নাই, সেইটো ভাষণত ফঁহিয়াই দেখুৱাব লাগিব। ধৰক, ১৯৫১ চনত এজন মানুহে ১০০ টকা দৰমহা পাইছিল। ১৯৭১ চনত তেওঁৰ দৰমহা ১৫০ টকা হ'ল। এই কেইবছৰত টকাৰ মূল্য ৪৭'৮ (তাৰ মানে ৪৮) কমিল। গতিকে মানুহজনৰ বেতন শতকৰা দুই টকাহে বাঢ়িল, যদিও বা দেখাত তেওঁ ৫০ টকা বেছি পালে।

বৰকটকীৰ আন এটা মহৎ গুণ হ'ল তেওঁৰ নিয়মানুবৰ্তিতা। এইটোকে আমি অনুশাসনপ্রিয়তা বুলিও ক'ব পাৰো। তেওঁ নিজে কোনো দিনে পলমকৈ স্কুললৈ গৈ নাপালে। তেওঁ সদায় বে'ল পৰাৰ আগে আগে স্কুলত উপস্থিত হয়। সহযোগী শিক্ষক সকলেও মোক কয় যে হেডমাষ্টৰে দেৰি কৰা তেওঁলোকে কোনো দিনে দেখা নাই। একেৰাহে ৩৩ বছৰ এইদৰে কৰ্ত্তব্য পালন কৰা হেডমাষ্টৰ কৰবাত দ্বিতীয়জন আছে বুলি মই নাভাবো।

স্কুলৰ শিক্ষক বা আন কৰ্মচাৰীসকল ৰাজহুৱা কাম-কাজত লিপ্ত হোৱাটোত বৰকটকীৰ আপত্তি নাই. কিন্তু সেইবুলি স্কুল ক্ষতি কৰি সেইবোৰ কামলৈ যাবলৈ তেওঁ কাকো এৰি নিদিয়ে। এনেধৰণে হকা-বধা কৰা বাবে তেওঁৰ কেইবাজনো শিক্ষকৰ সৈতে মনোমালিন্যও ঘটিছিল। তেওঁৰ মতে মুখ্য কৰ্ত্তব্য যিটো, সেইটো আগেয়ে পালন কৰি লৈ আনবোৰ কাম পিচত যেয়ে যেনেকৈ পাৰে কৰি থাকিব।

এখন বেচৰকাৰী স্কুল বা কলেজ গঢ়ি তোলাটো কিমান টান, সেইটো বহুতেই উপলব্ধি কৰিব নোৱাৰে। প্ৰথম অৱস্থাত খেৰ আৰু বাঁহেৰে ঘৰ এটা বন্ধা হয়। পিচত তাত কাঠৰ খুটা আৰু পাৰিলে টিন-পাত লগোৱা হয়। সেই সময়ত চৰকাৰী অনুদান নাই; ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি স্কুল চলাব লাগে। সমাজৰ আঢ্যৱন্ত আৰু প্ৰতিপত্তিশীল লোকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰক এনে স্কুলত পঢ়িবলৈ নিদিয়ে। সিহঁতে জিলাত থকা চৰকাৰী হাইস্কুলত নাম লগায়। ফেল কৰি অ'ৰ ত'ৰ পৰা অহা আৰু একেবাৰে নিঃসম্বল ল'ৰা-ছোৱালীবোৰক লৈ এনে ধৰণৰ ভেন্সাৰ স্কুলবোৰ চলাই থকা হয়। যদি কেনেবাকৈ চৰকাৰী অনুদান আহি পৰিল, তেন্তে কি স্ফুৰ্ত্তি, সেই অনুদান লাগে ৩০ টকাই হওক বা ৪৫ টকাই হওঁক! স্কুলখনে সগৌৰৱে ঘোষণা কৰে "গৱৰ্ণমেণ্ট এইডেদ্" (চৰকাৰী সহায্যপ্ৰাপ্ত)। গৱৰ্ণমেণ্ট এইডেদ্ হোৱাৰ অৰ্থ হ'ল স্কুলখন আৰু ৰ'বগৈ; আপোনাৰ ল'ৰা-ছোৱালীয়ে নিৰ্ভয়ে এই স্কুলত পঢ়িব পাৰে। জিলাত থকা চৰকাৰী হাইস্কুলখন গৱৰ্ণমেণ্ট আৰু আমাৰ খন গৱৰ্ণমেণ্ট এইডেদ্। কথা একে-টাই, পাৰ্থক্য মাথোন আমাৰ বেলিকা এটা শব্দ বেছি।

প্ৰকৃততে পাৰ্থক্য জানো সিমানেই? চৰকাৰী হাইস্কুলৰ সৈতে এই বেচৰকাৰী স্কুলবোৰৰ তফাৎ বহুতো। দুয়োবিধ স্কুলৰ হেডমাষ্টৰ আৰু অন্যান্য শিক্ষকসকলৰ দৰমহাৰ মাজত স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ। কিন্তু বেচৰকাৰী স্কুলৰ ছাত্ৰ ছাত্ৰীৰ মাচুল গৱৰ্ণমেণ্ট স্কুলতকৈ বেছি হ'লেও কম নহয়। মাচুল বাবদ পোৱা এই পইচা কেইটাৰেই বেচৰকাৰী স্কুল

খন চলাই থকা হয়। আৰু এটা গৌণ পাৰ্থক্য আছে। গৱৰ্ণমেণ্ট হাই-স্কুলত স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে ফী প্ৰতি মাহৰ পোন্ধৰ তাৰিখৰ আগে আগে উচল কৰি দিব লাগে। বেচৰকাৰী স্কুলত নালাগে; বছৰটোৰ মূৰত দিলেও হ'ব। শিক্ষকসকলক যি সামান্য বেতন দিয়া যায়, সেই-টোকে বা হৰৰ মানুহে উপলুঙা কৰি 'ভেন্সাৰ স্কেল' বোলে। বৰকটকী দেৱৰ কাৰ্যকালৰ বেচ বৃজন এছোৱা সময় এইদৰে ভেন্সাৰ স্কেলতে অতিবাহিত হ'ল। কিন্তু তেওঁ অলপো উদ্বিগ্ন নহ'ল। স্কুল তেওঁ গঢ়ি তুলিলেই। গৱৰ্ণমেণ্টে তেওঁক স্কাউট বাহিনীৰ প্ৰাদেশিক সংগঠকৰ চাকৰি যাচিছিল। তেওঁ নল'লে। ওপজা ঠাইখনৰ প্ৰতি তেওঁৰ এটা মোহ আছিল। সেই ঠাইখনক তেওঁ কিবা এটা বস্তু দি যাব খোজে। সেই বস্তুটো হ'ল চতিয়া গৱৰ্ণমেণ্ট এইডেড্ হাইস্কুল, বৰ্ত্তমান চতিয়া উচ্চতৰ মাধ্যমিক স্কুল।

বৰকটকীলৈ মনত পৰিলে গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক কোৱা তলত দিয়া কথা কেইষাৰলৈ মনত পৰে—

নিৰাশীৰ্যতচিত্তাত্মা ত্যক্তসৰ্ব্বপৰিগ্ৰহঃ।
শাৰীৰং কেৱলং কৰ্ম্ম কুৰ্ব্বন্নাপ্নোতি কিল্বিষম্॥

যি কামনা ত্যাগ কৰিছে, যাৰ চিত্ত আৰু ইন্দ্ৰিয় সংযত, যি সকলো প্ৰকাৰৰ দান উপহাৰ আদি বৰ্জ্জন কৰিছে, তেনেলোকে কেৱল শৰীৰৰ দ্বাৰা কৰ্ম কৰিও পাপৰ ভাগী নহয় (অৰ্থাৎ কৰ্মবন্ধনত নোসোমায়)।

বৰকটকী কৰ্মবন্ধনৰ দোষ-চক্ৰত নপৰিল। তেওঁ নিষ্কাম কৰ্ম সম্পন্ন কৰি আমাক, দেশক বিশেষকৈ চতিয়াবাসী ৰাইজক তেওঁৰ ওচৰত চিৰঋণী কৰি থৈ গৈছে। দেহী বৰকটকী নশ্বৰ; অশৰীৰী বৰকটকী অবিনশ্বৰ।

বৰকটকীৰ প্ৰাক্তন ছাত্ৰ আৰু গুণমুগ্ধ ৰাইজে তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে যি সোঁৱৰণী গ্ৰন্থ উলিয়াইছে, সি পঢ়ুৱৈ সমাজত সমাদৃত হ'ব বুলি মোৰ একান্ত বিশ্বাস। এয়েহে বৰকটকীলৈ প্ৰকৃত শ্ৰদ্ধাৰ্ঘ্য হ'ব।

সূচী

প্ৰথম খণ্ড :

মহেন্দ্ৰনাথ বৰকটকীৰ সোঁৱৰণত : বিজয় চন্দ্ৰ ভাগৱতী ॥ ১ ॥

এজন মানুহ : এটা প্ৰতিষ্ঠান : কেশৱ মহন্ত ॥ ৩ ॥

শিক্ষাগুৰু মহেন্দ্ৰনাথ বৰকটকী : পোৱাল বৰুৱা ॥ ৯ ॥

মই মাজিউদাদাক যিদৰে জানিছিলো : বীৰেন বৰকটকী ॥ ১৪ ॥

মহেন্দ্ৰ নাথ বৰকটকীৰ সোঁৱৰণত : কমলাকান্ত ভাগৱতী ॥ ২১ ॥

শান্তিৰ ৰাজ্যত বৰকটকী : ম: তৈয়ব আলী ॥ ২৭ ॥

সমাজ কৰ্মী মহেন্দ্ৰনাথ বৰকটকী : তৰুণ চন্দ্ৰ শইকীয়া ॥ ৩৫ ॥

মহেন্দ্ৰনাথ বৰকটকী : স্বৰ্ণপ্ৰভা মহন্ত ॥ ৩৭ ॥

বৰকটকী ছাৰক মই যেনেদৰে জানো : ডঃ যজ্ঞেশ্বৰ হাতীবৰুৱা ॥ ৪৭ ॥

শ্ৰদ্ধেয় মহেন্দ্ৰনাথ বৰকটকী : যতীন হাজৰিকা ॥ ৪৯ ॥

মই যিদৰে জানিছিলো : গোলোক ৰাজবংশী ॥ ৫৩ ॥

বৰকটকী—মই যিদৰে জানো : বিমল ভাগৱতী ॥ ৫৭ ॥

বৰকটকী মানুহজন : তৰুণ বৰুৱা ॥ ৬৪ ॥

এই মৃত্যু যেন : পুণ্য প্ৰসাদ শইকীয়া ॥ ৬৯ ॥

মই যেনেদৰে জানিছিলো : শৈলেন্দ্ৰ কুমাৰ শীল ॥ ৭৬ ॥

স্মৃতিৰ পাপৰিত বৰকটকী : লীলা কটকী ॥ ৮৬ ॥

মোৰ দৃষ্টিত : অঞ্জন কুমাৰ ওজা ॥ ৯১ ॥

সুখ-দুখৰ দিনবিলাক : কিৰণময়ী বৰকটকী ॥ ৯৬ ॥

দেউতা মানুহজন : মিনতি কটকী ॥১০৯॥

দেউতাৰ সোঁৱৰণত : প্ৰণতি বৰকটকী (বৰা) ॥১১১॥

মৰমৰ দেউতাৰ স্মৃতিৰে : ভাৰতী বৰকটকী ॥১১৯॥

দেউতা আৰু মই : অদিতি বৰকটকী ॥১২৮॥

বৰকটকী চাৰক মই যেনেদৰে জানো : সুশীল কুৰ্মী ॥১৩২॥

দ্বিতীয় খণ্ড :

৺মহেন্দ্ৰনাথ বৰকটকী দেৱৰ স্ব-ৰচিত ৰচনা সম্ভাৰ :

আত্মজীৱনী	॥ ১ ॥
শিক্ষকৰ ব্যক্তিত্ব	॥ ৭ ॥
ভাৰতত শিক্ষাৰ ক্ৰম বিকাশ	॥ ১২ ॥
ছাত্ৰ-ছাত্ৰীৰ উশৃংখলতা	॥ ২৫ ॥
মোৰ শিক্ষকতা জীৱনৰ অভিজ্ঞতা	॥ ৩৩ ॥
সংবাদপত্ৰ আৰু সাংবাদিকতা	॥ ৪৯ ॥
মোৰ দৃষ্টিত স্বাধীনতা	॥ ৫৭ ॥
স্বাধীনতা সংগ্ৰামত চতিযাৰ অৱদান	॥ ৬৪ ॥
অসমীয়া ভাষাৰ ক্ৰমবিকাশ	॥ ৯৩ ॥
ভূদান আন্দোলন	॥১০০॥
বিহুৰ তাৎপৰ্য্য	॥১০৭॥

Condolence massages of some eminent person

Sri Prafulla Kr. Mahanta
Chief Minister of Assam

I am deeply shocked and feeling profound grief at the demise of Mahendra Nath Borkataky. His death has created a void in the field of education and social service in Assam. His involvement in independance movement as well as contributions towards the growth of different organisation with always keep him alive in minds of people and will be a constant source of inspiration for the next generation. I pray almighty for eternal peace to the departed soul and convey my deep sympathy to the members of bereaved family

Srimati Puspalata Das
Ex. MP:

Heartfelt condolence. May his soul rest in peace.

ooo

Sri Biswadev Sarmah
Ex Minister

Deep condolence at sad demise of your father pray God for peace of the departed soul.

ooo

Sadananda Das
I A. S.

Got a great sock at the death of beloved sir. I bear the share of sorrow with the members of the family.

ooo

স্বৰ্গীয় মহেন্দ্ৰ নাথ বৰকটকীৰ সোঁৱৰণত

বিজয় চন্দ্ৰ ভাগৱতী

মানুহৰ জীৱনৰ লক্ষ্যই বা কি, কৃতকাৰ্য্যতাই বা কেনেকৈ নিৰূপণ কৰিব পাৰি, এই প্ৰশ্ন বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে তাৰ উত্তৰ বেলেগ বেলেগ হ'ব পাৰে।

ঈশ্বৰৰ সাধনাত, দাৰ্শনিক বিচাৰত, বিজ্ঞানৰ গৱেষণাত, সাহিত্যৰ সৃষ্টিত, কোনে কিমান অৱদান দিছে, তাৰ পৰা মানুহৰ জীৱনৰ কৃতকাৰ্য্যতা বিচাৰ কৰিব পাৰি। ইয়াৰ একোটা দিশতে সফল চেষ্টা কৰা জনৰ জীৱন ধন্য হয়। আকৌ, ঘৰ-সংসাৰৰ পৰিচালনাত উপাৰ্জ্জনৰ ক্ষেত্ৰত কৰা সাংসাৰিক জীৱনৰ সকলো কাম হিচাপত লৈও মানুহক বিচাৰ কৰিব পাৰি। ই সাধাৰণতে বেছিখিনি মানুহৰ জীৱন কাহিনী। সেই হিচাবে ইয়াৰ গুৰুত্বও আছে। কিন্তু ইয়াৰ একোতেই মানুহজনৰ মানুহ হিচাবে পৰিচয় পোৱা নাযাব পাৰে। মানুহজনক মানুহ হিচাবে জোখাৰ একমাত্ৰ উপায় হৈছে, তেওঁ নিজক কিমান বিলাই দিব পাৰিছে — তাৰ পৰা। "মুক্তিতো নিস্পৃহ" হৈ সাধনা বা কাম কৰাৰ কথা নকওঁ। সি এখন বেলেগ ৰাজ্যৰ কথা। কিন্তু সাধাৰণ মানুহৰ ভিতৰতো, মানুহ, মানুহ হিচাবে ভাল হোৱাৰ মূল্য নথকা নহয়। প্ৰকৃত পক্ষে, এই শ্ৰেণীৰ ভাল মানুহ হ'ব পৰাটোতেই, মানুহৰ জীৱনৰ শ্ৰেষ্ঠ কৃতিত্ব বুলি মানিব লগীয়া।

৺মহেন্দ্ৰ বৰকটকী ছাত্ৰ হিচাবে পঢ়াশুনাত ভাল আছিল। স্বাধীনতা যুদ্ধত যোগ দি তেওঁ অশেষ কষ্ট কৰিলে, বহুতো ত্যাগ স্বীকাৰ কৰিলে আৰু জেলৰ নিৰ্য্যাতনো ভোগ কৰিলে। চতিয়াৰ উচ্চ—উচ্চতৰ স্কুলখন গঢ়ি তুলিলে। সেই স্কুলখনেই তেওঁৰ জীৱটোৰ দৰে আছিল। নানা সামাজিক কামত তেওঁ আজীৱন লিপ্ত আছিল। কিন্তু এইখিনি কথাকে, তেওঁ জীৱনত কৰি যোৱা কামৰ লেখ দিবলৈ,

মই ইয়াত চেষ্টা কৰা নাই। মই সেই মানুহজনক মানুহ হিচাবে বুজিবলৈহে চেষ্টা কৰিছো। মহেন্দ্ৰক মই যি হিচাবে জানো, যি হিচাবে বুজো, তাৰ পৰা ক'ব পাৰো যে তেওঁ ব্যক্তিগত সত্ত্বা সহজ ভাৱে বিস্তাৰিত কৰি ল'ব পাৰিছিল। তেওঁৰ ভাৱনা, কথা, কাম ব্যক্তিত্বই বহুজনক তেওঁ নিজৰ কৰি ল'ব পাৰিছিল। সেয়ে, বিশেষত্ব থকা জীৱনৰ লোক সকলৰ ভিতৰত, মই মহেন্দ্ৰকো লগত লৈছো।

মহেন্দ্ৰৰ বিশেষত্ব যে, গান্ধীবাদী স্বাধীনতা আন্দোলনৰ আদৰ্শ আৰু প্ৰেৰণাতে, স্বাধীনতাৰ পিছৰ যুগতো তেওঁ কাম কৰি গৈছিল। আজীৱন তেওঁ সেই আন্দোলনৰে পতাকাখনলৈ আগবাঢ়ি গৈ থকাৰ সংকল্প লৈছিল। ৰাজনৈতিক স্বাধীনতা লাভ কৰাতেই, ভাৰতৰ গান্ধীবাদী স্বাধীনতা আন্দোলনৰ কাম শেষ হোৱা নাই। সেই কথা উপলব্ধি কৰি, সেই আন্দোলনৰে ৰচনাত্মক কামতে, তেওঁ নিজকে সদায় ব্যস্ত ৰাখিছিল।

স্বাধীনতাৰ পিছত মহেন্দ্ৰক উচ্চ পদৰ চৰকাৰী বিষয় দিয়াৰ কথাও হৈছিল। কিন্তু তেওঁ সেই প্ৰস্তাৱৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱালে। নিৰ্বাচনত নামি আইন সভালৈ যোৱাৰ কথাও, তেওঁ কেতিয়াও নেভাবিলে, যদিও তাৰ কাৰণে সকলো ফালৰ পৰাই তেওঁৰ যোগ্যতা আছিল।

মহেন্দ্ৰ বৰবটকী আজীৱন মহাত্মাগান্ধীৰ জীৱন দৰ্শনেৰে অনুপ্ৰাণিত, —এজন কৰ্মী হৈয়ে থাকিল। ইয়াতেই তেওঁৰ জীৱনৰ সফলতা প্ৰতিফলিত হৈছে। তেওঁৰ জীৱনৰ শিক্ষাও এয়ে।

মহেন্দ্ৰ মোতকৈ বয়সত বহুত সৰু। মোৰ দুখৰ কথা যে, তেওঁ বহুত আগতেই গুচি গ'ল। যি হওঁক— মৃত্যুৰ পিছত সময়ৰ বয়সৰ লেখ নাই। তেওঁ এতিয়া চিৰঞ্জীৱি হৈ আছে। তেওঁৰ স্মৃতিৰ প্ৰতি মই মোৰ শ্ৰদ্ধা নিবেদন কৰোঁ। ***

এজন মানুহ ঃ এটা প্ৰতিষ্ঠান

কেশৱ মহন্ত

চ'তিয়া হাইস্কুলৰ নবমমানত পঢ়া দিনৰ কথা। ১৯৪১ চনেই হ'ব। সেইদিনৰ চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলত শিক্ষকৰ বৰ অনাটন। আমি যি কেইগৰাকী শিক্ষক পাইছিলোঁ তেখেতসকল সকলোৱেই সকলো বিষয়ৰে পাঠদান কৰিব লগা হৈছিল। এদিন ইকাণ-সিকাণ বাগৰি আমাৰ কাণত পৰিলহি বি. এচ্, চি শিক্ষক এজনে আমাৰ স্কুলত যোগ দিব। নতুন শিক্ষক এজন আহিব বুলি জানিলে এনেয়ে মনটোত এটা উখল মাখল লাগে, তাতে অংক শিকাবলৈ শিক্ষক এজন নিগাজীকৈ পোৱা হ'ব এই বাতৰিয়ে আমাক যথেষ্ট আনন্দ দিলে। সেই ভাল দিনটোলৈ বাট চালো।

দিনটো সঁচাকৈয়ে আহিল। এজন সহজ মানুহ। গাৰ বৰণ বগা-বগা। ওখ বহল কপাল। চুলি পৰিপাটি আৰু নিমজকৈ মেলোৱা। ওখেও নহয়, চাপৰো নহয়। সাজ পাৰ খাদীৰ চুৰিয়া আৰু পাঞ্জাবী চোলা, বগটো বগা। গালে-মুখে-চকুৰে হাঁহিটো জুৰি আছিল। আমাৰ অংকৰ চাৰ। "নামটো কি অ'?" পিছৰ বেঞ্চিত ফুচফুচনি উঠিল। কোনোবা এটাই ক'লে, "ধেৎ! মহেন্দ্ৰ বৰকটকী নহয়।" সি চিনি পায়।

এইজনাই এতিয়াৰ সৰ্বাঙ্গসুন্দৰ চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীমহেন্দ্ৰ নাথ বৰকটকী। নিষ্ঠুৰ মৃত্যুৰ চেঁচাঁ হাঁতোৰাই যোৱা বেলি এনে দিনতে এই সত্য আৰু সুন্দৰ পুৰুষজনক আমাৰ মাজৰ পৰা কাঢ়ি লৈ গ'ল। অৱশ্যেই কাঢ়ি নিব নোৱাৰিলে 'অৱশেষ অমিয়া জোকাৰ।' চাৰৰ জীৱন-সঙ্গীতৰ অনুৰণন উত্তৰ-কালৰ জীৱন চৰ্চাৰ ধমনীত প্ৰবাহিত হৈ থাকিব।

প্ৰেমিক শাহজাহানৰ স্মৃতিত ৰচিত এটি সুদীৰ্ঘ কবিতাত ৰবীন্দ্ৰ নাথে কৈছে—

স্মৃতিভাৰে আমি পৰে আছি
ভাৰমুক্ত সে এখানে নাই

ভাৰমুক্ত ছাৰেও আমালৈ থৈ গ'ল মৰ্মদাহী স্মৃতিৰ ভাৰ; কিন্তু আমি তেওঁক স্মৰণ কৰিম, স্মৰণ মাত্ৰেই তেওঁক পাম, তেওঁৰ বাটটো দেখিম। এই স্মৃতি করুণ, কিন্তু জীৱনৰ বিচিত্ৰতাৰে মধুৰ। মাধৱ পুৰুষে যে গুৰু শংকৰৰ প্ৰয়াণ সুঁৱৰি চকুলোৰ আখৰেৰে এটি গীত আমাৰ কলিজাত থাপি গৈছে, তাৰে এঠাইত আছে—

হাস্য নিৰীক্ষণ তেৰি মধুৰ আলাপ
সুমৰি সুমৰি মেৰি মিলে হৃদি তাপ

তোমাৰ হাঁহি, তোমাৰ চাৱনি, তোমাৰ মৌ-সনা কথা বতৰা মনত পৰি মোৰ কলিজাত জুই জ্বলে। অৰ্থাৎ এই জুইৰ পোহৰত তোমাৰ ব্যক্তিত্বৰ মধুৰতা বোৰে ধৰা দিয়ে।

আজি ছাৰলৈ মনত পৰোতে এনে এটা মধুৰ মুহূৰ্ত্তই ভুমুকি মাৰিছেহি। আমি তেতিয়া দশমমানলৈ উত্তীৰ্ণ হৈছোঁ। আমাৰ শ্ৰেণীত অংক বিষয়টো সঁচাকৈয়ে ভাল পোৱা আৰু সেই কাৰণতে ওজা তিনিজন সহপাঠী আছিল— বলভদ্ৰ ছেত্ৰী, আনন্দ গায়ন আৰু জিতেন বৰকটকী। সিহঁতে নোৱাৰা অংক যাদৱ গণিতত নাছিলেই। মই অন্যবোৰ উদাহৰণ যহন-তহন, ইকৰ অংক থকা উদাহৰণ পালেই ভয়ত কাতৰ হৈ গৈছিলো। এদিন সেই অধ্যায়টোও ওলালহি। ছাৰে ব্ৰেক বৰ্ডত ভালেখিনি সময় বুজাই উঠি সুধিলে, "বুজিছা নহয়? হয় ছাৰ।" বোলা এটা সমবেত কণ্ঠস্বৰ ওলাই আহিল। ছাৰে ক'লে "তেন্তে এতিয়া এই উদাহৰণৰ ওপৰ অংকটো কৰা।" সিহঁত তিনিটাই কাগজ কলম চপাই লʼলেই আৰু লাগে কি, থমকি কলম কামুৰি

বোৰাৰ কোনো চিনেই নাই। তিনিও অগা পিছাকৈ উঠি গৈ ছাৰৰ মেজত বহী দাখিল কৰিলে। ছাৰ এনেয়ে প্ৰসন্ন ইইভৰ কৃতিত্বত, সেই প্ৰসন্নতাই গালে-মুখে তিৰবিৰাবলৈ ধৰিলে। বাকী বিলাকৰ দুই একৰ পাৰিম পাৰিম ভাব। মইহে বহীখনৰ ওপৰত ভলমুৰকৈ ভাবি আছোঁ যেন সেই আখ্যানৰ কালিদাস, ভাবি পাৰ পোৱা নাই। সিমান ডাঙৰ 'ক'টো ইমান সৰু হ'ল কেনেকৈ? হঠাৎ এবাৰ ছাৰৰ ফালে চকু তুলিলো, ছাৰেও এক আমোদজনক উপলব্ধিৰে মোলৈকে চাই আছে। মই চোৱা দেখি সুধিয়েই দিলে, "কেশৱ, কিবা হৈছে গৈনে?" মই মাতিম কি? হাঁহি এটা মাৰি ছাৰেই ক'লে, "কেশৱে নহলে টক ভাগ সামৰিয়েই থোৱা। সিহঁতে তোমাৰ আইধাহে পেলাব। শ্ৰেণীত হাঁহিৰ ঔ পৰিল। গুজা তিনিটাই অৱশ্যে কুটাই নাহাঁহিলে। তিতেনৰ মুখখন করুণ হৈ পৰিছিল। ছাৰে অৱশ্যে শ্ৰেণীৰ পৰা যাবৰ পৰত এই বুলিও কৈ গ'ল, "মই কিন্তু কেশৱক টকৰ অংকৰ ক্ষেত্ৰতহে কৈছো।" চোক অলপ কমিল।

কিন্তু শিক্ষায়তনিক অধ্যাপনা আৰু অধ্যয়ন আমাৰ স্কুলীয়া জীৱনৰ এটা অঙ্গহে আছিল। সমাজ আৰু ৰাজনীতিৰ বিভিন্ন ঘটনা আৰু পৰিস্থিতিৰ লগতো আমাৰ স্কুলীয়া জীৱন জড়িত হৈ পৰিছিল। আচলতে চতিয়াৰ ঐতিহ্যই এইটো জাতীয় হাইস্কুলৰ পৰা নতুনৰ হাইস্কুলৰ মাজেদি চতিয়া হাইস্কুল পোৱালৈকে ইয়াৰ ছাত্ৰ তথা শিক্ষক-সকলে কৰা পথ পৰিক্ৰমা সমাজ আৰু ৰাজনীতিৰ গভীৰেদি অতি-ক্ৰান্ত হৈছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া ৰাইজ আৰু শিক্ষকে এই প্ৰতিষ্ঠানটো পাতিছিল আৰু তাৰ গুৰি ধৰিছিল। তাৰ কাৰণে তৎকালীন ব্ৰিটিছ চৰকাৰৰ দ্বাৰা স্কুলখন বহু ধৰণে নিগৃহীতও হৈছিল। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত চৰ-কাৰী বিদ্যালয় বৰ্জন কৰি হাইস্কুল পতাতেই এই জাতীয় মুক্তি-চেতনা গঢ়ি তুপতীয়া হৈছিল। প্ৰয়াত গজানাথ বৰকটকী, ৰবি হাজৰিকা, শ্ৰীকিনমচন্দ্ৰ ভাগৱতী আদি এই স্কুলত বিভিন্ন ধৰণে জড়িত আছিল।

ঐতিহ্যৰ সেই নিছিনা ধাৰৰ মাজ সোঁতত পাই ছলো আমাৰ শিক্ষা-গুৰু সকলক। ই সকলৰ ভিতৰত বৰকটকী ছাৰ আছিল অগ্ৰণী।

১৯৪২ চনত "বৃটিছ, ভাৰত এৰ"—এই ধ্বনিৰ প্ৰেৰণাত সমগ্ৰ ভাৰত জুৰি জাগি উঠা জাতীয় মুক্তি আন্দোলনৰ জোৱাৰে চতিয়াকো কোবাই গ'ল। গহপুৰত কনকলতা শ্বহীদ হ'ল, চতিয়া থানাতো ত্ৰিৰঙ্গ পতাকা উঠিল। এই আন্দোলনত চতিয়াৰ অগনিত ৰাইজৰ লগত মিলগ'ল চতিয়া হাইস্কুলৰ ছাত্ৰ আৰু শিক্ষক। আমি কাৰাৰুদ্ধ হ'লোঁহক আমি ছাত্ৰ সকলৰ ভালে কেইজনৰ কাৰাবাস আৰু দুই এজনৰ হাজোত বাস হ'ল। ছাৰসকলোৰো কাৰাবাস হ'ল। তাৰ পিছত ৰলাই আমি ৰাইজৰ লগতে আমিও ১৯৪৩-৪৪ চনত স্কুল পুণঃ প্ৰতিষ্ঠা কৰাত সক্ৰিয় ভাগ ল'লো। আমি চন্দ্ৰবৰা, জিতেন বৰকটকী, বলোভদ্ৰ ছেত্ৰী তিলক কাকতি, সোনাথ বৰা, আনন্দ গায়ন, গোপাল বৰঠাকুৰ, গণেশ্বৰ হাজাৰিকা, নৰ হাতৰিকা, আৰু মই ১৯৪৩ চনৰ মেট্ৰিক পৰীক্ষা নিদলো। বৰকটকী ছাৰে লিখিছে "আন্দোলনত অংশ গ্ৰহণ কৰি মেট্ৰিক পৰীক্ষা বৰ্জন কৰা স্কুল অসমত মাত্ৰ এইখনেই। এই অঞ্চলৰ ছাত্ৰৰ স্বাধীনতাৰ কাৰণে এইটো কম ত্যাগ নহয়" ১৯৪৪ চনত বৰকটকী ছাৰে স্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব লয়। ইতিমধ্যে আমিও চতিয়া এৰি কলেজত পঢ়িবলৈ দিহিঙে দিপাঙে গলোঁহক।

তাৰ পিছত ছাৰ স্কুলৰ পুণৰনিৰ্মাণৰ কামত একাগ্ৰপতীয়াকৈ লাগিল আৰু সৰ্বাধুনিক অৰ্থত এখন আগশাৰীৰ বিদ্যা-নিকেতন গঢ়ি তুলিলে। আমি চতিয়ালৈ আহিলেই ছাৰক যেতিয়া লগ ধৰোঁ, সৰহখিনি সময় তেখেতে স্কুলখনক কেন্দ্ৰ কৰিয়েই কথা বতৰা কয় আৰু কৈ কৈ ক'ত কি কৰিলে আৰু তাকে কৰিবলৈ যাওঁতে কেনেকুৱা বোৰ অসুবিধা অতিক্ৰম কৰিব লগীয়া হ'ল তাৰ বিষয়ে আন্তৰিকতাৰে আৰু অৰ্থবহভাবে বৰ্ণনা কৰে। এখন স্কুলক কেন্দ্ৰ কৰি সমাজ আৰু দেশ চাবলৈ প্ৰথম ফলি-পুথি লৈছিলো ইয়াতেই আৰু বৰকটকী ছাৰ আছিল আমাৰ প্ৰেৰণা আৰু পথ প্ৰদৰ্শক।

নিয়মিত (regular) আৰু নিয়মানুবৰ্তী (punctual) শব্দ দুটাৰ সমন্বিত নিহিতাৰ্থই মনত যি এক ভাবমূৰ্তিৰ সৃষ্টি কৰে বৰকটকী

ছাৰ মানুহজনেই আছিল সেই ভাবমূৰ্ত্তি। তদুপৰি নীতি-নিষ্ঠা চাৰৰ চৰিত্ৰৰ এটা মাই উপাদান আছিল, যাৰফলত দুৰ্নীতিৰ সোমাবলৈ কোনো ছিদ্ৰেই নাছিল ছাৰৰ চৰিত্ৰত। ছাৰে স্কুলখনক 'তেখেতৰ' স্কুল বুলি ভাবিছিল, কিন্তু এই 'মই'টো 'আমিৰ' সমাৰ্থক পৰ্য্যায়লৈ উত্তৰিত হোৱাৰ কাৰণে স্কুলখন 'আমাৰ' হৈ পৰিছিল। কথা আৰু কামৰ মাজত আত্মীয়তা ছাৰৰ গুণৰ মালাগাঁথাৰ অন্য এটি মুকুতা। ছাৰক আদৰ্শ শিক্ষক স্থানে ৰাষ্ট্ৰই পুৰস্কাৰ দি স্বৰূপাৰ্থত দেশ নিজেই পুৰস্কৃত হ'ল।

ছাৰৰ সংগঠন প্ৰতিভাৰ পূৰ্ণ প্ৰস্ফুটিত শতদল এপাহ দেখা পাইছিলো স্কুলৰ সোণালী জয়ন্তীত। এই স্কুল নিৰ্মাণত অৰিহণা যোগোৱা ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা আগশাৰীৰ লোকলৈকে সকলোৱে ছবিবোৰ দেখুৱাই ছাৰে যে কি আনন্দ আৰু গৰবো' কৰিছিল তাৰ কেৱল উপলব্ধিহে কৰিব পাৰি, মই—অন্য ভাষাৰে তাক প্ৰকাশ কৰিব নোৱাৰিম। সোণালী জয়ন্তীত শ্ৰীমতী নিকুঞ্জলতাই চতিয়াৰ বোৱাৰী বুলি পৰিচয় দি বৰগীত এটা পৰিবেশন কৰোঁতে ছাৰে মোৰগাত হাত দি এনে এটা ভাব দেখুৱাইছিল, যেন নিকুঞ্জও তেওঁৰে জীয়েক। সম্পৰ্কৰ একেটা পৰ্য্যায় কেতিয়াবা ইমান নিবিড় হয় যে তেতিয়া সমষ্টি আৰু ব্যক্তি অভিন্ন হৈ যায়। এনেকৈ হোৱা আপোনৰ বান্ধ ছিগিও নিছিগা। এনেকুৱা বান্ধোন এতিয়াও আছেনে?

শিক্ষাগুৰু আৰু ৰাজনৈতিক জীৱনৰ প্ৰথম দীক্ষকৰ উপৰিও ছাৰৰ চতিয়া জুৰি থকা বৰকটকী পৰিয়ালটোৰ লগত আমাৰ ঘৰুৱা সম্পৰ্কও গঢ়ি উঠিছিল। দেউতাৰ লগত গঙ্গানাথ বৰকটকীৰ আত্মীয়তা আছিল। দেউতা ঢুকোৱাৰ পিছত তেখেতক মই অন্য এক পিতৃৰ ৰূপত পাইছিলো। তেখেতৰ দুগৰাকী পুত্ৰৰ জ্যেষ্ঠগৰাকী আছিল চতিয়াত হোৱা প্ৰত্যেকটো সমাজক অনুষ্ঠানৰে দিহা পৰামৰ্শ দাতা, জাতীয় মুক্তি আন্দোলনৰ চতিয়াৰ নেতা তেখেতৰ দেউতাকৰ যোগ্য উত্তৰাধিকাৰী

আৰু মোৰ সামাজিক ৰাজনৈতিক চকু গজাত সহায় কৰা খগেন্দ্ৰ নাথ শৰ্মা আমাৰ বহুতৰে 'কনদা'। কনিষ্ঠজন মোৰ সহপাঠী কৈতিয়াও আঁতৰ হ'ব নোৱাৰা লগ জিতেন বৰকটকী। চতিয়াৰ স্কুল পুথিভঁড়াল পত্তা অন্যান্য সমাজ-কল্যাণ মূলক অনুষ্ঠানৰ গুৰি ধৰোঁতা সকলৰ আগশাৰীত যি সকল আছিল বৰকটকী পৰিয়ালৰ সান্নিধ্যৰ মাজেদি মই ছাৰৰ পৰিয়ালৰো এজন হৈ পৰিছিলো। ছাৰৰ ভায়েক বীৰেন বৰকটকীৰ লগত একেলগে পঢ়িছিলো, সামাজিক সাংস্কৃতিক কাম কাজ কৰিছিলো একেলগে এটা পৰ্য্যায়লৈকে চাকৰিও কৰিছিলো। ইয়াৰ উপৰিও আৰু গভীৰ সম্বন্ধ ঘটিছিল। বীৰেণৰ দাদাক হোৱাৰ কাৰণে ছাৰ আনপক্ষে মোৰো অগ্ৰজোপম হৈ পৰিছিল।

ছাৰৰ কথা কৈ থাকিলে ওৰকে নপৰিব। আজি মই যি অকন-মান এই জগতখন চাব পৰা হৈছো তাৰ বাটৰ প্ৰথম হাবিডৰা কাটি দিয়া অগ্ৰজসকলৰ ভিতৰত ছাৰ আছিল অন্যতম।

আজি সেয়ে মহেন্দ্ৰনাথ বৰকটকীৰ গুণমুগ্ধ দহৰ লগতে ময়ো এটোপাল চকুলো পেলালোঁ। ইয়াতে জানোবা ছাৰৰ ৰ'দ পৰে, জানোবা আৰু আগলৈ যোৱাৰ বাটটো জিলিকি উঠে।

ছাৰ এজন মানুহ নে এটা প্ৰতিষ্ঠান? কিন্তু চাব যে আৰু নাই। ছাৰ অমৰ হওক। ***

তস্মৈ শ্ৰীগুৰবে নমঃ

শিক্ষাগুৰু মহেন্দ্ৰনাথ বৰকটকী দেৱৰ স্মৰণত

পোৱাল বৰুৱা

শাস্ত্ৰীয় গ্ৰন্থ পঢ়োতে পাইছো যে মানুহে শ্ৰেয়স পৰ্য্যায় পালে ব্ৰহ্মত্ব প্ৰাপ্ত হয় আৰু তেতিয়া দ্ৰষ্টাৰ শাৰীলৈ উপনীত হয়। সেয়ে হ'লে চাৰ, আপোনাৰ স্মৰণত আপোনাৰ অগ্ৰজ সকলে আৰু অনুজ ছাত্ৰ সকলে যিবা প্ৰকাৰে আপোনাক সুঁৱৰিছে আপুনি নিশ্চয় দেখিছে।

আত্মা অমৰ, নিত্য, সনাতন বুলিও কোৱা হয়, তেন্তে আপুনি নিশ্চয় দেখা পাইছে আপোনাৰ প্ৰতি জনোৱা শ্ৰদ্ধা তৰ্পন। হয়তো আমাৰ মাজৰ পৰাই, নাইবা দূৰ-দূৰণিৰ পৰা।

আপোনাক বহুতে চিনি পাইছিল, দেখা পাইছিল, আপোনাৰ অগ্ৰজ সকলে, আৰু আপোনাৰ শিক্ষকতাৰ মাধ্যমত তৈয়াৰ হোৱা ছাত্ৰ-ছাত্ৰী সকলে মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰিছিল আপোনাক; আপোনাৰ বিয়োগৰ বাতৰি পাই। তেওঁলোকে এটুপি চকুলোৰে আপোনাক সুঁৱৰিছিল, সঁচাকৈ এজন মানুহে জীৱন বিদায়ৰ কালত চকুলোৰে বিদায় পোৱাটো কিম সৌভাগ্যৰ কথা নহয়। সহৃদয়তাৰ অনুভূতিয়েই হৃদয় বিগলাই চকুলো উলিয়াব।

শিক্ষক মহেন্দ্ৰ বৰকটকী চাৰক জীৱন কালত একো কোৱা নহ'ল-আমাৰ দ্বাৰা। আজি কালি প্ৰশংসা কৰিলে উপঢৌকন দিয়াৰ নিচিনা হৈ পৰে কাৰণেই তেতিয়া নকলোঁহঁক। কিন্তু আন্তৰিক প্ৰশংসা

প্ৰকাশ কৰি নকলোৱেই বা, ই কিন্তু শুদ্ধ আৰু নিৰ্ম্মল। তেখেতক আমি শিক্ষক হিচাবে পাইছিলো স্বাধীনতাৰ প্ৰাক্কালত। বগৰ ডাঠ খদ্দৰ পিন্ধা মহেন্দ্ৰ বৰকটকীক আমি কেৱল শিক্ষক হিচাবেই নহয় এজন জ্যেষ্ঠ হিচাবেও দেখিছিলো। তেনেকৈ ভাবিছিলোও। সেই কালত কলেজীয়া ছাত্ৰ সকলক আমি ছাত্ৰ সকলে শ্ৰদ্ধা কৰিছিলোঁ, বহুকথা জনা যুৱক বুলি ভাবিছিলো, আগ্ৰহেৰে কথা শুনিছিলোঁ। কলেজত পঢ়িবলৈ পোৱাটো সৌভাগ্যৰ বলতহে ঘটিবলৈ পায় বুলি আমাৰ তুখীয়াৰ ঘৰৰ ল'ৰাই ভাবিবলৈ বাধ্য হৈছিলোঁ।

চাৰে আমাক পঢ়াইছিল, বেছিদিন নহয়। দশম মান শ্ৰেণীত ১৯৪১ চনত। বিয়াল্লিছৰ এপ্ৰিলত মেট্ৰিক পৰীক্ষা দি আহি আমি নৱা আন্দোলন এটা হ'ব বুলি বাট চাই আছিলোঁ। আহি গ'ল সেই দিনটো। আমাৰ গাত তেল লাগিল। উত্তপ্ত পৰিবেশত আমি যোগ দিলো। আমাৰ সাহস বাঢ়িছিল শিক্ষক কেইজনৰ কাৰণে। উদ্গনি পাইছিলোঁ ঠিক।

এতিয়া চাৰক ক'ব খুজিছো আপোনালোকে আমাক গাঁৱে গাঁৱে পঠাইছিল, আমি দলবান্ধি গাওঁ বিলাকৰ মানুহৰ মাজত প্ৰচাৰ অভিযানত নামিছিলোঁ। চতিয়া নাগশংকৰৰ এনে এঘৰ মানুহ নাই যি সকলৰ ঘৰলৈ আমি যোৱা নাছিলো। দেশ স্বাধীন হ'ব বুলি আমি সকলোকে জনাইছিলোঁগৈ, আৰু ১৯ আগষ্ট তাৰিখে আপোনালোকে মানে শ্ৰীযুত বিমান বৰা, ৺বলোৰাম বৰমুদৈ, ৺থুলেশ্বৰ হাজৰিকা আৰু আপুনি চতিয়া হাইস্কুলৰ শিক্ষকতা কাম ইস্তফা দি দেশৰ মুক্তি সংগ্ৰামলৈ সোমাই পৰিল। বিহালী স্কুলৰ পৰা শ্ৰীযুত ডিম্বেশ্বৰ হাজৰিকাও আহিল। ২০ আগষ্টৰ দিনা আমি সকলোৱে ছাত্ৰ-শিক্ষক আৰু অন্যান্য ৰাইজ, পুৰুষ-মহিলা, ডেকা-গাভৰুৱে হাতে হাতে জাতীয় পতাকা লৈ চতিয়া থানাত প্ৰৱেশ কৰিলোঁগৈ। শোভাযাত্ৰাৰ আগশাৰীত আপোনালোকেই আছিল।

ঘৰুৱা অৱস্থা আওকান কৰি দেশৰ কাৰণেই ওলাই আহোঁতেই ভাই-ককাই দুয়োজনকে ২৩ আগষ্টৰ দিনা ঢলপুৰতে গ্ৰেপ্তাৰ কৰি তেজপুৰ কাৰাগাৰত সুমুৱালেগৈ। শিক্ষক-ছাত্ৰ সকলেই বিয়াল্লিছৰ আন্দোলনত জঁপিয়াই পৰিছিল। যুৰি ধৰোঁতে মুখিয়াল শিক্ষক আৰু ছাত্ৰ কেইজনক গ্ৰেপ্তাৰ কৰিলেও আন্দোলন কিন্তু বৃদ্ধিহে হ'ল।

সংগ্ৰামত আপুনি পৰীক্ষিত হ'ল। আমাৰো এতিয়া শংকা নাই আপোনাৰ কথা মুকলি ভাৱে ক'বলৈ।

আপুনি, মহেন্দ্ৰ বৰকটকী "হেড্‌মাষ্টৰ" হিচাবেই মানুহৰ মাজত পৰিচিত হৈ থাকিল, যদিও উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষ হৈছিল।

স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰি ১৯৪৩-৪৪ চনত চতিয়া হাইস্কুলৰ হেডমাষ্টৰ হোৱা দিনৰ পৰা অৱসৰ গ্ৰহণ কৰা দিনলৈকে স্কুলখন সকলো প্ৰকাৰে জাকত-জিলিকা কৰিবলৈ যি অদম্য উৎসাহ প্ৰেৰণা আৰু সাধনা প্ৰয়োগ কৰিলে, সেইকথা সদায়েই স্বীকৃত হৈ থাকিব। বহু ছাত্ৰ-ছাত্ৰী আপোনাৰ স্কুলৰ পৰা, আপোনাৰ শিক্ষালৈ ওলাই যোৱা আপুনি দেখা পালে। চতিয়াৰ পৰা দিহিঙে-দিপাঙে যোৱা বহুতো স্নাতক, স্নাতকোত্তৰ, ডাক্তৰ, ইঞ্জিনিয়াৰ, প্ৰশাসনিক বিষয়া, শিক্ষক, ডক্টৰেট, সকলক লৈ আপুনি গৰ্ব্ববোধ কৰা আপোনাৰ মুখেও শুনিছো, আৰু ব্যক্ত কৰাও পাইছোঁ। চতিয়াৰ পৰা ওলোৱা কবি সাহিত্যিক সমাজ কৰ্মী সকলৰ যশ-গুণ গাই আপুনি সন্তুষ্ট হোৱা দেখিছো। এজন শিক্ষকৰ শিক্ষাদানৰ মাধ্যমেদি প্ৰকাশ পোৱা এনে লোক সকলৰ হৈ নিজকে যি গৌৰৱান্বিত বোধ কৰে, সেইজন প্ৰকৃত শিক্ষক। আপোনাৰ সেই বোধকন বৰ অনুভৱৰ বস্তু। আমি বয়সস্থ অৱস্থাতো সেই গুণ বেছিকৈ অনুভৱ কৰিছিলোঁ, আপোনাৰ লগত আলোচনাত বহোঁতে। দেশপ্ৰেমৰ অগ্নিস্ফুলিঙ্গৰ পৰা উদ্ভৱ হোৱা হেতুকে আপুনি মানুহ চিনি পাইছিল, মানুহক সন্মান যাচিব পাৰিছিল আৰু সেই কাৰণেই আপুনিও সন্মান পাইছিল।

সমাজৰ উন্নতিৰ দৃষ্টিকোণৰ পৰা শিক্ষাদানকে ব্ৰত হিচাবে গ্ৰহণ কৰিলে, আৰু যিজন শিক্ষকে এই দৃষ্টিভঙ্গী গ্ৰহণ কৰে, তেখেত যি পৰ্য্যায়ৰে নহওক লাগিলে সমাজে কিন্তু স্বীকাৰ কৰি লয় আৰু তাতেই তেখেতৰ সাৰ্থকতা নিজেই উপলব্ধি কৰি শেষ নিশ্বাসতো শান্তি লাভ কৰে।

নহয়নে বাৰু চাৰ? শিক্ষাজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিও স্কুলখনৰ ক্ৰমোন্নতিৰ কথাই চিন্তা কৰি আমাক কিবা-কিবি কৈ আছিলে। জানো যে মৰ্য্যাদা ৰক্ষা কৰাটো নিৰ্ভৰ কৰিব আপোনাৰ অনুগামী সকলৰ ওপৰত। ১৯২৯ চনৰ পৰা বহন কৰা ঐতিহ্য ক্ষয়িষ্ণু হ'ব নোৱাৰে বুলিয়েই আপোনাৰ দৃঢ় বিশ্বাস আছিল, আৰু আপোনাৰ ছাত্ৰ সকলেও সেই বিশ্বাস ৰাখিছে। দেৱ শক্তিৰ ওপৰত নহয়, মানুহৰ সৃষ্টি ধৰ্মী শক্তিৰ ওপৰত আছিল আপোনাৰ বিশ্বাস আৰু নিজ কৰ্মৰ আদৰ্শৰে আপোনাৰ ছাত্ৰ সকলকো উদ্বুদ্ধ কৰিছিল। এই সত্য কথা আপুনি বুজিছিল নে নাই ক'ব নোৱাৰোঁ। আমি হ'লে বুজিছিলোঁ।

বৰকটকী চাৰে শিক্ষকতাৰ সেৱাৰে সমাজখনলৈ দৃষ্টি ৰাখি চলিছিল, এক ৰাজনৈতিক মতাদৰ্শ অনুধাৱন কৰিছিল। জামিয়া মিলিয়া ইচলামিয়াত বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ লৈ ছাত্ৰ-ছাত্ৰীৰ মন গঢ়িবলৈ চাইছিল। আপোনাৰে ছাত্ৰ হৈ আমি সমাজখনলৈ চাইছিলো, ঐতিহাসিক বস্তুবাদৰ দৃষ্টিকোণেৰে। আপোনাৰ জীৱন কালতে তাৰ গতিবিধি আপুনি দূৰ-দৃষ্টিৰে লক্ষ্য নকৰাকৈ নাছিল। সামাজিক পুৰণা বিচাৰৰ ক্ষয়িষ্ণুতা ঘৰে-বাহিৰে দেখা পাইছিল। আপোনাৰ বদ্ধমূল ধাৰণা শেহতীয়াকৈ হ'লেও পৰিবৰ্ত্তিত নোহোৱাকৈ নাছিল। গতিশীলতাক হাত বাউলি দি নামাতিলেও নিজেই আহি দুৱাৰত খুন্দিওৱা আপুনি নিভৃতে গম পাইছিল। আপোনাৰ ছাত্ৰ হিচাবে যাঠিৰ উৰ্দ্ধত আপোনাৰ আগত থিয় দিওঁতে আপুনি নিশ্চয় বহুযুগৰ আগৰ পৰা সংঘটিত হোৱা বুৰঞ্জী খনৰে পাত মেলি চাইছিল।

পাৰিছে যোৱা দিনবোৰে ক্ৰমে ক্ৰমে পৰিবৰ্ত্তন সূচাই অহা আপুনি দেখি গৈছে, ভৱিষ্যত চাবলৈ দিব্যদৃষ্টিৰ প্ৰয়োজন নহলেও সমাজৰ মঙ্গলকে দেখা পোৱা যাব বুলি শিক্ষক হিচাবে আপুনি বুজি গৈছে। আজেই আপোনাৰ শান্তি! সমাজৰ পৰা পোৱা, মানুহৰ পৰা পোৱা সন্মান আৰু ভক্তিতকৈ চৰকাৰী সন্মান আৰু পত্ৰ উচ্চ হ'ব নোৱাৰে। আপুনি দেশপ্ৰেমৰ কাৰণে এখন তাম্ৰপত্ৰ পালে, সেইখন বংশানুক্ৰমে সম্পদ হৈ থাকিব। আৰু আমি ছাত্ৰ হিচাবে গৌৰব বোধ কৰোঁ আপুনি শিক্ষকতাৰ বাবে ৰাষ্ট্ৰপতিৰ পৰা সন্মান পত্ৰ পোৱাৰ বাবে।

শিক্ষকৰ ওচৰত বিনয়ী হৈ থকাতো ছাত্ৰৰ ধৰ্ম। আপোনাৰ পৰা নৈতিকতাৰ শিক্ষা পাইছিলোঁ, সামাজিক কামত উদ্‌গনি পাইছিলো, ৰাজনীতিৰ পাৰ্থক্যই আমাক বিব্ৰত কৰা নাছিল, স্বভাৱ সুলভতাৰে আমাক ভাতৃভাৱে লৈছিল, আৰু ইটো-সিটো কামত উপদেষ্টা হিচাবে আপোনাক পাইছিলো। আপোনাক স্মৰণ কৰিছো পুনৰ্বাৰ এই প্ৰথম মৃত্যু দিবসত।

॥ তস্মৈ শ্ৰীগুৰুৱে নমঃ ॥

মই মাজিউদাদাক যি দৰে জানিছিলো

—বীৰেন বৰকটকী

চতিয়াৰ প্ৰাচীন বৰকটকী পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল ১৯১৭ চনত মাজিউদাদা মহেন্দ্ৰনাথ বৰকটকীয়ে। ৰূপৰ চামোচ মুখত লৈ মাজিউদাদাই জন্ম গ্ৰহণ কৰা নাছিল সঁচা; কিন্তু মেধা শক্তিয়ে তেওঁক সৰুৰে পৰা আপোন কৰি লৈছিল। সেয়েহে চতিয়া এম, ভি স্কুলৰ পৰা প্ৰতিযোগিতাৰ বৃত্তি পাই তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়ি গণিত অতিৰিক্ত গণিত, সংস্কৃত আৰু অতিৰিক্ত সংস্কৃতত লেটাৰ লৈ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি বৃত্তি ধৰিছিল।

আমাৰ ঘৰৰ অৱস্থা টনকিয়াল নোহোৱাৰ কাৰণে মাজিউদাদাই তেজপুৰত পঢ়া কালছোৱাৰ প্ৰথম কেইবছৰমান কটাইছিল পল'ফিল্ডৰ ৺বস্তু শৰ্ম্মাদেৱৰ বাৰীত থকা এটি সৰু ঘৰত থাকি। ইয়াত থাকোতে ঘৰৰ পৰা চাউল-পাত নি নিজে ৰান্ধি-বাঢ়ি খাই পঢ়িছিল। পিছৰ কেইটামান বছৰ আমাৰ পৰিয়ালৰে দাদা ৺নিশিকান্ত বৰকটকীৰ লগত থাকি পঢ়িছিল। ৺নিশিকান্ত বৰকটকীক আমি সৰু দাদা বুলিছিলো।

তেজপুৰৰ পৰা চতিয়ালৈ জীয়া ভৰলীৰ চকী ঘাটেদি দূৰত্ব আছিল ১৮ মাইল। পা-পইচাৰ অসুবিধা হ'লে মাজিউদাদাই কেতিয়াবা এই ১৮ মাইল খোজ কাঢ়িয়েই তেজপুৰৰ পৰা ঘৰলৈ আহিছিল। গৰম বন্ধ আৰু বৰদিনৰ বন্ধত ঘৰত থাকোতে ঘৰৰ খেতি-খলাত মাজিউদাদাই পঢ়াৰ মাজতে সময় উলিয়াই লগা মোৰ মনত আছে। আমি গাঁৱৰ ল'ৰা, গাঁৱৰ ঘৰখনত দৈনন্দিন লৰাৰ ভাগত পৰা কাম আমি কৰিব লগা হৈছিল। সেয়েহে এম, ভি স্কুলত পঢ়ি থাকোতে মাজিউদাদাই প্ৰায়েই স্কুললৈ যাওঁতেই আমাৰ ঘৰৰ গৰু কেইটা নি ভকত গাঁৱৰ গৰুৰ পালত দিব লগা হৈছিল। এই আমনিদায়ক

কামত মই সৰু হলেও সহায়ক আছিলো। কিয়নো মোৰো পঢ়া আৰম্ভ হৈছিল সেই সময়ত এম, ভি স্কুলৰ তলৰ শ্ৰেণীত। গধূলি গোহালিত গৰু বন্ধা, পুৱা খুটিয়ে খুটিয়ে গৰু গাই কেইটা উলিয়াই দিয়া, খেৰৰ নেজিৰ পৰা খেৰ আনি আগে আগে দিয়া আমাৰ পঢ়া শুনাৰ লগৰে কাম আছিল। মাজিউদাদা মোতকৈ ডাঙৰ কাৰণে তেওঁৰ গাত এই দায়িত্ব বেছি পৰিছিল। সৰুৰে পৰা গৰুৰ প্ৰতি কৰ্ত্তব্য পালন কৰাৰ কাৰণেই বোধকৰো তেওঁ জীৱনৰ শেষ বয়সলৈকে গৰুৰ প্ৰতি অশেষ মৰম প্ৰদৰ্শন কৰিছিল।

পিতৃ ৺পদ্মনাথ বৰকটকীৰ ধাৰ্মিক, নিষ্ঠাবান, সৰল জীৱন আৰু মাতৃ ৺চন্দ্ৰপ্ৰভা দেৱীৰ কৰ্মই ধৰ্ম আৰু উদাৰতা গুণ তেজত আহিছিল বুলিয়েই মাজিউদাদাই আজীৱন সৰল জীৱন আৰু মানবীয় কৰ্ম্মকে প্ৰধান ধৰ্ম্ম বুলি হয়তো আকোৱালি লৈছিল।

আমাৰ ঘৰখনত সৰুৰে পৰা দুটা পৰিবেশ পাইছিলো। এটা ৰাজনৈতিক আৰু সামাজিক দিশৰ পৰোক্ষ পৰিবেশ আৰু আনটো শৈক্ষিক পৰিবেশ। মই ভবাত ৰাজনৈতিক পৰিবেশৰ প্ৰভাৱ আহি-ছিল ভাৰতৰ স্বাধীনতাৰ আন্দোলনত লাগি বহুবাৰ জেইল খোৱা আৰু জৰিমণা আদিৰে জুৰুলা হোৱা ৰৰখুৰা ৺গঙ্গানাথ বৰকটকীৰ পৰা। আমাৰ মনত পৰাৰ আগেয়ে তেখেত আমাৰ মূল ঘৰৰপৰা বেলেগ হৈ গলেও তেখেতৰ সংস্পৰ্শত অহা ৰাজনৈতিক আৰু সামা-জিক দিশত কাম কৰা বিভিন্ন লোকৰ অহা-যোৱা থকা মেলা আমাৰ ঘৰখনৰ লগতে চলি আছিল। এই প্ৰভাৱৰ কাৰণেই বোধকৰো আমাৰ পৰিয়ালৰ পৰা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গঙ্গা নাথ বৰকটকী, খগেন্দ্ৰনাথ বৰকটকী, মহেন্দ্ৰনাথ বৰকটকী, দেবেন্দ্ৰনাথ বৰকটকী, কোবেশ্বৰী দেৱী আৰু এই অভাজনক আন্দোলনৰ কাম কৰি কাৰাবৰণ কৰিবলৈ উলিয়াই দিব পাৰিছিল। জেললৈ নগলেও পিচত তাহানি এই পৰিয়ালৰে আমাৰ ৰৰখুৰী ৺ইন্দুপ্ৰভা বৰকটকী আৰু

পিচত ৺জিতেন বৰকটকী, বীণা আদিয়েও দেশৰ কাৰণে বৰঙণি আগবঢ়াইছিল।

আমাৰ পৰিয়ালটোত শিক্ষাৰ পৰিবেশ এটা গঢ়ি তোলাত আমাৰ লগত শেষলৈকে থকা আমাৰ খুৰাদেউ চতিয়া এম, ভি স্কুলৰ হেড্ পণ্ডিত পূৰ্ণকান্ত বৰকটকী আৰু চতিয়া বালিকা এম, ভি স্কুলৰ শিক্ষয়িত্ৰী আমাৰ খুৰী কোমেশ্বৰী দেৱীৰ অৱদান বিশেষ উল্লেখযোগ্য। আমাৰ মনত আছে খুৰীয়ে আমাক 'আৱাহন' 'বাঁহী' আদি আলোচনী লৈ দিছিল। তাৰ পৰা মাজিউদাদাকে প্ৰমুখ্য কৰি আমাৰ ঘৰত সেই সময়ত থকা ল'ৰা ছোৱালী বিলাকৰ পাঠ্যপুথিৰ বাহিৰেও অন্য কিতাপ পঢ়াৰ আগ্ৰহ বাঢ়িছিল। খুৰাদেউ পূৰ্ণকান্ত বৰকটকীয়ে সদায় গুৰুত্ব দিছিল দোকমোকালিতে আৰু সন্ধিয়া লগাৰ লগে লগে আমি পঢ়াৰ মেজৰ কাষত বহাত। মাজিউদাদা সেই সময়ত চতিয়াত নেথাকিলেও বন্ধত আহিলে তেওঁকো ইয়াৰ ব্যতিক্ৰম হ'বলৈ নিদিছিল। ইয়াৰ উপৰিও সভাই সমিতিয়ে আবৃত্তি কৰিবলৈ সংস্কৃত স্তোত্ৰ আদি আমাক মুখস্থ কৰাইছিল। আমাৰ পিতৃ আৰু খুৰাদেউৰ ধৰ্মনিষ্ঠ ভাবধাৰাই মাজিউদাদাৰেই নহয় আমাৰ সকলোটিৰে নৈতিক আৰু ধাৰ্মিক ভাবধাৰা গঢ়াত সহায় কৰিছিল।

মাজিউদাদা মেট্ৰিক পৰীক্ষা দিয়া বছৰ মই হাইস্কুলৰ ৬ষ্ঠ নে সপ্তম শ্ৰেণীৰ ছাত্ৰ। আমাৰ ঘৰত খুৰীৰ উৰণ মাকোৰ তাঁতশাল আছিল। শিক্ষয়িত্ৰী খুৰী আৰু বোৱা কটা প্ৰদৰ্শক শ্ৰীমুলি ভূঞাৰ শিক্ষাৰে উৰণ মাকোৰ তাঁতশালৰ তাত বাটি কৰা, হাকোতাৰে বত সূতা ভৰোৱা' বিভিন্ন মোৰত গৰকা বন্ধা, তাত বোৱা, আদি কামৰ শিক্ষা লৈ মাজিউদাদা আৰু মই বহুতো কাপোৰ বৈছিলো। মেট্ৰিক দি উঠিছে গতিকে মাজিউদাদাৰ এই কাম কৰিবলৈ অফুৰন্ত সময়।

সুখ্যাতিৰে লেটাৰ লৈ মেট্ৰিক পাচ কৰিলে যদিও ঘৰৰ

অৱস্থা টকিয়াল নোহোৱাত মেট্ৰিকতে মাজিউদাদাৰ ছাত্ৰ জীৱনৰ সামৰণি পৰিব খুজিছিল। লিখা-পঢ়া মাজানিলেও ল'ৰা-ছোৱালীৰ শিকাৰ প্ৰতি ধাউতি থকা ৺বোৰ (মাতৃ) একান্ত চেষ্টাত চাৰিআলিৰ লেহুগাঁৱৰ আমাৰ মোমাইদেউৰ ঘৰ ভাগৱতী পৰিয়াল, খুৰাদেউ ৰামেশ্বৰ বৰকটকী, পূৰ্ণকান্ত বৰকটকী আৰু খুৰীদেউ কোমেশ্বৰী দেৱীৰ আৰ্থিক সাহায্যত মাজিউদাদাই কটন কলেজত নাম ভৰ্ত্তি কৰিলে। প্ৰতিযোগিতামূলক বৃত্তি পোৱাত মাজিউদাদাই কটন কলেজত পঢ়াত আৰ্থিক দিশত সুবিধা হ'ল। ১৯৩৯ চনত তেওঁ প্ৰথম বিভাগত আই এছ ছি পাচ কৰিলে। কলিকতা মেডিকেল কলেজত পঢ়িবলৈ সুবিধা পোৱা অসমৰ তিনিজন ছাত্ৰৰ ভিতৰত মাজিউদাদাও আছিল যদিও ঘৰুৱা আৰ্থিক অৱস্থাৰ কাৰণে ডাক্তৰী পঢ়িবলৈ যাব নোৱাৰিলে। কটন কলেজত পঢ়ি সুখ্যাতিৰে বি, এছ, ছি, পাচ কৰি সেই চনতে চতিয়া হাইস্কুলৰ বিজ্ঞান শিক্ষক পদত নিযুক্তি পাই শিক্ষকতা জীৱন আৰম্ভ কৰে।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত চতিয়া হাইস্কুল আৰু বিহালী হাইস্কুলৰ কেইবাজনো শিক্ষকৰ লগতে চাকৰি ইস্তফা দি চতিয়া হাইস্কুলৰ ভালেকিজন ছাত্ৰৰে সৈতে আন্দোলনত লাগি মাজিউ-দাদাই ডেৰ বছৰ কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই ১৯৪৪ চনত অন্যান্য শিক্ষানুষ্ঠান আৰু চতিয়া হাইস্কুলত শিক্ষকতা কৰি সেই চনৰেই ১৫ আগষ্টত এই স্কুলৰে প্ৰধান শিক্ষক ৰূপে নিযুক্তি পায়। চতিয়া হাইস্কুলকে ভালকৈ গঢ় দিম বুলি মনে প্ৰাণে লাগি এই স্কুলখন অসমৰ ভিতৰতে এখন জাকত জিলিকা হাইস্কুল কৰি গঢ়ি তুলিছিল। ১৯৭৭ চনত এই হাইস্কুল উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত হোৱাত অধ্যক্ষ ৰূপে থাকি ষাঠি বছৰ বয়সত ১৯৭৯ চনৰ ৩০ জুলাইত তেওঁ অৱসৰ লয়।

স্কুলত থাকোতে প্ৰথম অৱস্থাত প্ৰশাসনীয় কামৰ উপৰিও

তেওঁ অষ্টম শ্ৰেণী লোৱাৰ বাহিৰেও মাজে মাজে শিক্ষকৰ অভাৱ হোৱাত ইংৰাজী, সংস্কৃত আদিও পঢ়াব লগীয়া হৈছিল।

জেলৰ পৰা ওলাই আহি ঘৰ খনৰো আৰ্থিক দায়িত্ব মাজিউ-দাদাই মূৰ পাতি লব লগা হৈছিল। জেলৰ পৰা ময়ো ওলাই কিছুদিন জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সম্পাদনাত ওলোৱা সাদিনীয়া অসমীয়াৰ সহকাৰী সম্পাদক হিচাবে কাম কৰি সহপাঠী গোলোক ৰাজবংশীৰ সৈতে কাশী হিন্দু বিশ্ববিদ্যালয়ত পঢ়িবলৈ গ'লো। আমাৰ ঘৰখনত গোলোক ঘৰৰে লৰাৰ দৰে। গোলোকেও মাজিউদাদাৰ পৰা মোৰ দৰে সমানেই দিহা-পৰামৰ্শ, শাসন, উপদেশ পাইছিল। একে সময়তে পঢ়া-শুনা কৰিছিলো কাৰণে পোৱাল, চন্দ্ৰ, গোলোক কেশৱ, মন্মথ আদিয়ে আমাৰ দৰেই ১৯৪২ চনৰ আন্দোলনত লাগি কাৰাবৰণ কৰিছিল।

শিক্ষকতাক আদৰ্শ হিচাবে লোৱা মাজিউ দাদা মোৰ কলেজীয়া জীৱনৰ আৰ্থিক সহায় কৰোতাই নহয় দশম শ্ৰেণীত মোৰ অঙ্ক শিক্ষকো আছিল। দশম শ্ৰেণীত অতিৰিক্ত গণিতৰ বহু অঙ্ক বুজি পোৱা নাছিলো মাজিউদাদাই সহজ-সৰলকৈ বুজাই দিয়াতহে আয়ত্ব কৰিব পাৰিছিলো। মোৰ শিক্ষক আছিল কাৰণেই বোধকৰো মোৰ গোটেই জীৱনতে মাজিউদাদাৰ প্ৰতি ভয় আৰু ভক্তিৰ ভাৱ এটা মৃত্যুৰ আগলৈকে থাকি গ'ল। ঘৰলৈ গ'লে একেখন মেজতে ভাত খাওঁ যদিও শিক্ষকৰ ঘৰত ছাত্ৰই ভাত খোৱা যেন লাগে। মাজিউদাদাই জেলৰ পৰা ওলাই ঘৰখন কষ্টৰে চলাই মোক পা-পইচা দি কলেজত নপঢ়ুৱালেহেঁতেন। জেলৰ পৰা ওলোৱাৰ পিচত মোৰ পঢ়া নহ'ল হেঁতেন। আজি জীৱনত জ্ঞানৰ বন্তিৰ যি এধানি পোহৰ পাইছো সেই পোহৰ নাপালোহেঁতেন।

বিদ্যালয়ৰ নিয়ম শৃংখলাৰ প্ৰতি কঠোৰতা অৱলম্বন কৰা

আৰু সময়ৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা তেওঁৰ জীৱনৰ আদৰ্শৰ ভিতৰুৱা আছিল। চতিয়া হাইস্কুলৰ কোনো অনুষ্ঠান তেওঁৰ নিমিত্ত নিৰ্দিষ্ট সময়তকৈ পিচত নবহিছিল। সময় মতে বিশিষ্ট অতিথি আহি নোপোৱাত স্কুলৰ সভা-সমিতি আৰম্ভ কৰি দিয়া উদাহৰণ ভালেকেইটা আছে। নিজেও সদায় মেল মিটিঙলৈ আৰু স্কুললৈ সময়তকৈ আগতেই গৈছিল। বিদ্যালয়ৰ নিয়ম শৃংখলাত মাজিউদাদা যেনে কঠোৰ আছিল তেনেকৈ তেওঁ, ল'ৰা-ছোৱালী আৰু শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰতি মৰমিয়ালো আছিল। মৃত্যুৰ আগলৈকে চাইকলৰে গৈ হ'লেও ভালকৈ পাচ কৰা ল'ৰা-ছোৱালীৰ খবৰ লোৱাটো তেওঁৰ শিক্ষক জীৱনৰ প্ৰধান কৰ্তব্য বুলি ভাবিছিল। মই ঘৰলৈ গ'লে ঘৰৰ কথাতকৈ চতিয়াৰ কোন ল'ৰা-ছোৱালীয়ে ভালকৈ পাচ কৰিছে তাৰহে খা-খবৰ আগতে দিয়ে। নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নাম ঠিকনা মোমায়েক কোন বংশ পৰিয়াল ইত্যাদিৰ কথা মাজিউদাদা নখ দৰ্পণত আছিল।

তেওঁৰ জীৱনত আটাইতকৈ আকৰ্ষণীয় কথা আছিল নিষ্ঠাৰে কৰ্ম কৰাৰ হেঁপাহ, সহজ সৰল সাজপাৰ আৰু সময়ৰ প্ৰতি সচেতনতা গীতাৰ কৰ্মৰ বানীৰে উদ্বুদ্ধ হৈ কৰ্মকে ধৰ্ম জ্ঞান কৰিছিল। কৰ্ম আৰু সময়ৰ প্ৰতি ময়ো সচেতন। এই সচেতনতা মই মাজিউদাৰ জীৱনৰ পৰাই গ্ৰহণ কৰিছিলো।

মাজিউদাদাই মই 'নতুন অসমীয়া'ত সহকাৰী সম্পাদক হিচাবে কাম কৰি থকা সময়তে ১৯৪৯ চনত দিল্লীৰ জামিয়া মিলিয়া বিশ্ব-বিদ্যালয়ত পঢ়ি বুনিয়াদী শিক্ষাত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। সেই সময়ত তাৰ উপাচাৰ্য্য আছিল ডঃ জাকিৰ হুচেইন। ১৯৬২ চনত কৃতী শিক্ষক ৰূপে তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰৰে সম্মানিত হয়।

মাজিউদাদাৰ জীৱন আছিল সামাজিক জীৱন। সেয়েহে চতিয়াৰ কলেজ, চতিয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আৰু অন্যান্য অনু-

টাল প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ ক্ষেত্ৰত শ্ৰীকমলা ভাগৱতী আৰু অন্যান্য উদ্যোক্তা সকলৰ লগত দেহে-কেহে খাটিছিল। ইয়াৰ উপৰিও তেওঁ মৰুৱাৰ অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ লগতো জড়িত আছিল। তেজপুৰ প্ৰাথমিক শিক্ষা পৰিষদৰ একালৰ সভাপতি হৈ থকাৰ উপৰিও তেওঁ অসম হাইস্কুল শিক্ষক সন্থাৰ বহু বছৰ ধৰি কাৰ্য্য নিৰ্বাহক সদস্য, ৰাজ্যিক বুনিয়াদী শিক্ষা পৰিষদৰ সদস্য, ৰাজ্যিক অধিবক্তা পৰিষদৰ কাৰ্য্যকৰী সভাপতি, অসম মাধ্যমিক শিক্ষা পৰিষদৰ সদস্য, তেজপুৰ জিলা মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি, ৰাজ্যিক মুক্তি যুঁজাৰু পেঞ্চন উপদেষ্টা পৰিষদৰ সদস্য আছিল। মুক্তি যুঁজাৰু ৰূপে ডেৰ বছৰ সশ্ৰম কাৰাদণ্ড ভোগাৰ কাৰণে তেওঁ তাম্ৰপত্ৰ আৰু মুক্তিযুঁজাৰুৰ পেঞ্চন লাভ কৰিছিল।

শ্ৰমৰ মৰ্য্যাদা দিছিল কাৰণেই তেওঁ নিজেই কোৰ কটাৰী মাৰী বাৰীত চালে চকুৱোৱা কৰি আৰু অন্যান্য শাক-পাচলি কৰিছিল। ধানখেতি কৰোৱা আৰু চপোৱাত পথাৰলৈ গৈ চকু দিছিল।

মাজিউদাদাৰ ল'ৰা সন্তান নাই। চাৰিজনী ছোৱালী, মিনতি, প্ৰণতি, ভাৰতী আৰু অদিতি। আটায়ে উচ্চ শিক্ষিতা। আজি-কালি পুৰুষ-মহিলাৰ সমান অধিকাৰৰ দিনত এওঁলোকৰ উচ্চ শিক্ষাৰ মাজেদিয়েই পুত্ৰ সন্তানৰ অভাৱ নকৰিবলৈ তেওঁ যত্ন কৰিছিল।

মাজিউদাদা আজি ইহ সংসাৰত নাই। সমাজ জীৱন আৰু শিক্ষা জীৱনত বিশেষ আদৰ্শ প্ৰতিষ্ঠা কৰি যোৱা এইজন ব্যক্তিৰ গুণাৱলীয়ে নতুন চামক নিষ্ঠাৰে কৰ্ম কৰিবলৈ উদগণি দিব বুলি আশা কৰিছোঁ। ***

মহেন্দ্ৰনাথ বৰকটকীৰ সোঁৱৰণত

কমলাকান্ত ভাগৱতী

মহেন্দ্ৰ বৰকটকীক মই শৈশৱৰে পৰা জানো। তেওঁ মোতকৈ চাৰিবছৰ মানৰ সৰু। হলেও আমি একেখন গাৱঁতে ওচৰা-ওচৰিকৈ থাকি, একেটা পৰিবেশতে ডাঙৰ দীঘলহৈ একেখন ঠাইৰ, একেখন সমাজৰ হকে, একেলগে কাম কৰি বুঢ়া হলোঁহি। তেওঁ মোতকৈ বয়সত সৰু আছিল যদিও, আজি এবছৰৰ আগেয়ে তেওঁ গ'লগৈ! পুৰা-গধূলি ওলাওঁতে সোমাওঁতে সদায় দেখি থকা—লগ পাই থকা, মানুহজনক নেদেখা হ'লো। মহেন্দ্ৰৰ নিচিনা ভাবে গতিয়ে কথাই কামে মোৰ লগত মিলা, সুখে দুখে, বিপদে সম্পদে আটাইতকৈ আগতে পোৱা সঙ্গীজনক চিৰকাললৈ হেৰুৱালোঁ।

স্কুলৰ চাকৰীৰ পৰা অৱসৰ লোৱাৰ পাছত, তেওঁ ৰাজহুৱা কামত আগতকৈয়ো বেছিকৈহে জড়িত হৈ পৰিছিল। পুৱাৰে পৰা গধূলি লৈকে অ'ত মেল, ত'ত মিটিং নানা সভা সমিতি কৰি ঘূৰি ফুৰা দেখিছিলোঁ। এইদৰে ঘূৰিপকি ফুৰিব পৰা অৱস্থাতেই, এই জীয়া মানুহটো হঠাতে আমাৰ মাজৰ পৰা নাইকিয়া হ'ল। তেওঁক অসুখ হৈ পৰিথকা নেদেখিলোৱেই। মাজতে কিবা অসুখ দেখুৱাবলৈ, ডাক্তৰ জীয়েকৰ তাড়নাত এবাৰ নে দুবাৰ গুৱাহাটী দিল্লীলৈ যোৱা জানো। কিনো অসুখ হৈছিল ভালকৈ একো নোলালেই। শেষৰ বাৰ মাদ্ৰাজৰ 'এপল' হস্পিটেললৈ জীয়েক ভাৰতীয়ে মাকক দেখুৱাবলৈহে নিছিল। মাকৰ হিয় বেমাৰ এটা বহুতদিনৰে পৰা আছে। হাৰ্টো দুৰ্ব্বল। লগতে দেউতাক মহেন্দ্ৰকো ভাৰতীয়ে লৈ গ'ল; তেওঁকো ভালকৈ দেখুৱাইমেলি thorough checkup এটা কৰাই আনো বুলি।

মহেন্দ্রই আনন্দেৰে হাঁহি মাতি যোৱাৰ সকলো যা-জোগাৰ কৰি, গাৱঁৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে মাত বোল লগাই ২৩ এপ্ৰিল ৮১ তাৰিখে গ'লগৈ। যোৱাৰ পৰা চাৰি কি পাচদিন মানহে মাথোন হৈছিল সেই নিদাৰুণ খবৰটো আহিল, মহেন্দ্ৰ বৰকটকী আৰু ইহসংসাৰত নাই! উস্ কি অসহনীয় বতৰা! বিশ্বাস কৰিবলৈকে টান! কিন্তু যিমানেই অসহনীয় বা অবিশ্বাস্য যেন নেলাগক কিয়, নিষ্ঠুৰ সত্য এইটোৱেই হে যে মহেন্দ্ৰ বৰকটকীৰ মৃত্যুহল ১৯৮১ চনৰ ৩০ এপ্ৰিল তাৰিখে। সেই সৎ,সাধু নিষ্ঠাবান মানুহজন চাটি কৰে আমাৰ মাজৰ পৰা নোহোৱা হল!

শোনিতপুৰ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত নাগশঙ্কৰ মৌজাৰ বগলীবাৰী গাৱঁত ১৯১৭ চনৰ ৯ মাৰ্চ তাৰিখে ফাগুৱাৰ পূৰ্ণিমা তিথিত মহেন্দ্ৰ বৰকটকীৰ জন্ম হয়। পিতৃৰ নাম ৺পদ্মনাথ বৰকটকী আৰু মাতৃৰ নাম ৺চন্দ্ৰপ্ৰভাদেৱী। মহেন্দ্ৰ বৰকটকীৰ ককাই ভাই তিনিজন। ডাঙৰ জন শ্ৰীৰামেন্দ্ৰ বৰকটকী, মাজিৰ জন মহেন্দ্ৰ বৰকটকী আৰু সৰুজন অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিৱসাগৰ ছোৱালী কলেজৰ ভূতপূৰ্ব্ব অধ্যক্ষ শ্ৰীবীৰেন বৰকটকী। তেওঁলোকৰ বাইভনীও আছিল তিনিগৰাকী। তিনিও গৰাকীৰে ইতিপূৰ্ব্বে মৃত্যু হৈছে। ল'ৰা তিনিওজনে শিক্ষকতা কৰিছিল।

মহেন্দ্ৰ বৰকটকী সৰুৰে পৰা অতি তীক্ষ্ণবুদ্ধিৰ ল'ৰা আছিল। ১৯৩০ চনত চতিয়া চৰকাৰী মজলীয়া স্কুলৰ শেষ পৰীক্ষাত, অসম উপত্যকাৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰি প্ৰতিযোগিতা মূলক বৃত্তি লাভ কৰে। তাৰ পাছত তেজপুৰ চৰকাৰী হাইস্কুলত পঞ্চম মান শ্ৰেণীত নাম ভৰ্ত্তি কৰে। ১৯৩৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সেই পৰীক্ষাত তেওঁ গণিত, অতিৰিক্ত গণিত, সংস্কৃত

আৰু অতিৰিক্ত সংস্কৃত, মুঠ এই চাৰিটা বিষয়ত লেটাৰ পায়। সেইবছৰ কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা সকলো অসমীয়া ছাত্ৰৰ ভিতৰত সপ্তম স্থান অধিকাৰ কৰি প্ৰতি-যোগিতামূলক বৃত্তিও লাভ কৰিবলৈ সক্ষম হৈছিল। এই বৃত্তি সেই কালত আছিল মাহে ১৫ টকা মাত্ৰ। মহেন্দ্ৰই তেজপুৰৰ চৰকাৰী হাইস্কুলত নাম ভৰ্ত্তি কৰা দিনৰে পৰা কটন কলেজৰ পৰা বি.এছ.ছি. পাছ কৰা দিনলৈকে বৃত্তিৰ টকা কেইটাৰেও নিজৰ পঢ়া শুনাৰ খৰছ উলিয়াইছিল। এইদৰে তেওঁ ছাত্ৰ জীৱনতে আত্মনিৰ্ভৰশীলতা, মিতব্যয়িতা আৰু শ্ৰম প্ৰিয়তা আদি গুণ বোৰ অৰ্জ্জন কৰিছিল। ১৯৩৯ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই, এছ. ছি. আৰু ১৯৪১ চনত বি.এছ.ছি. পৰীক্ষাত উত্তীৰ্ণ হয়।

তাৰ পাছত ১৯৪১ চনত চতিয়া হাইস্কুলত মাত্ৰ ৪০ টকা দৰমহাত বিজ্ঞান শিক্ষক হিচাবে নিযুক্তি পায়। কিন্তু এই কামত তেওঁ সৰহ দিন নিটিকিল। সেই সময় ছোৱা দেশৰ চাৰিও ফালে প্ৰবল ভাবে স্বাধীনতা আন্দোলনৰ বাতাবৰণ বৰ্ত্তিছিল। ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বোম্বে অধিবেশনত ঐতিহাসিক 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তাৰ পিছদিনা ৯ আগষ্ট তাৰিখে নিজেই পুৱাতে গান্ধী আৰু কংগ্ৰেছৰ বহুতো মুখিয়াল নেতাক চৰকাৰে গ্ৰেপ্তাৰ কৰি নিয়ে। গ্ৰেপ্তাৰ হোৱাৰ আগতে গান্ধীজীয়ে দেশবাসীৰ উদ্দেশ্যে দিয়া বাণীত কৈছিল: "হয় মুক্তি নহয় মৃত্যু"। এই বাণী সাৰোগত কৰি দেশবাসী বিয়াল্লিছৰ গণবিপ্লৱত জপিয়াই পৰিল। দেশৰ সকলো ঠাইতে প্ৰবল আন্দোলন আৰম্ভ হ'ল। মহেন্দ্ৰ বৰকটকীয়েও ১৯৪২ চনৰ ১৮ আগষ্ট তাৰিখে তেওঁৰ শিক্ষকতা পদ ইস্তফাদি এই স্বাধীনতা আন্দোলনত জপিয়াই পৰিল। ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে ছাত্ৰ-ছাত্ৰী শিক্ষক কংগ্ৰেছ কৰ্ম্মী আৰু ৰাইজ লগ লাগি চতিয়া থানা দখল কৰি তাৰ চৌহদত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা

উত্তোলন কৰে। এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰাৰ লগে লগে আৰু পাচ গৰাকী শিক্ষকৰ লগতে মহেন্দ্ৰ বৰকটকীকো গ্ৰেপ্তাৰ কৰি ৯ মাহ জেল হাজোতত ৰাখে। তাৰ পাছত দেৰ বছৰ তেওঁৰ নজৰবন্দী হয়। জেলৰ পৰা ওলাই আহি ধান কাক গোহোৰাত ৯ মাহ কলিয়াবৰ হাইস্কুলত আৰু ৯ মাহ তেজপুৰ একাডেমী স্কুলত শিক্ষকতা কৰিব লগা হয়। তাৰ পাছত ১৯৪৪ চনৰ ১৫ আগষ্ট তাৰিখে চতিয়া হাইস্কুলত প্ৰধান শিক্ষক হিচাবে নিযুক্তি পায়। চতিয়া হাইস্কুল, ১৯৭৭ চনত চতিয়া উচ্চতৰ মাধ্যমিক' স্কুললৈ উন্নীত হোৱাত তাৰ অধক্ষ্য পদো তেওঁ লাভ কৰে। প্ৰধান শিক্ষক আৰু অধ্যক্ষ হিচাবে স্কুলখনৰ উন্নতিৰ কামত তেওঁ মন-প্ৰাণ ঢালি দিছিল। মুঠতে প্ৰায় ত্ৰিশ বছৰ কাল দক্ষতাৰে নিজৰ পদ চম্ভালি আৰু স্কুলখনৰো বিশেষ উন্নতি সাধন কৰি ১৯৭৯ চনৰ ৩০ জুন তাৰিখে তেওঁ অৱসৰ লয়। শিক্ষক জীৱনত সুদীৰ্ঘকাল কৰি অহা সেৱাৰ স্বীকৃতি হিচাবে ১৯৬২ চনৰ ২৫ অক্টোবৰ তাৰিখে, সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ হাতৰ পৰা ভাৰত চৰকাৰৰ শিক্ষকক দিয়া ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে।

তেওঁৰ দিনতে শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, অভিভাৱক আৰু ৰাইজৰ সহযোগত চতিয়া হাইস্কুলৰ পুৰণি ভগা ছুৱাৰৰ ঠাইত সুন্দৰ আহল বহল ঘৰ গঢ়ি উঠে। চৰকাৰৰ আৰ্থিক মঞ্জুৰী আৰু চতিয়া বাসী ৰাইজৰ দান বৰঙণি, সহায় সহযোগ আছিল যদিও এই কামত মূল প্ৰাণ বস্তু আছিল স্বৰ্গীয় মহেন্দ্ৰনাথ বৰকটকী। তেওঁৰ আপ্ৰাণ চেষ্টাতে এনে এটি সুন্দৰ অনুষ্ঠান গঢ় লৈ উঠে। তাৰ উপৰি অসমৰ মাত্ৰ ৫ খন স্কুলত কেন্দ্ৰীয় চৰকাৰে ১৯৬০ চনত প্ৰেক্ষাগৃহ আৰু ৰঙ্গমঞ্চ সাজিবলৈ প্ৰত্যেককে ৩৫ হাজাৰ টকাকৈ মঞ্জুৰী দিছিল। তাৰ বাহিৰেও ২০ হেজাৰ টকা স্কুল পুঁজিৰ পৰা খৰছ কৰি প্ৰায় এহেজাৰ দৰ্শক বহিব পৰা সুন্দৰ আহল বহল প্ৰেক্ষাগৃহ আৰু ৰঙ্গমঞ্চ জাকত জিলিকাকৈ বিশেষকৈ তেওঁৰ যত্নতে সাজি

উলিওৱা হয়। ই চতিয়া হাইস্কুলৰে অকল নহয় সদৌ চতিয়াৰে এটা মূল্যবান সম্পদ হিচাবে পৰিগণিত হৈছে। ৰভা নিনিয়াকৈ ইয়াতে ডাঙৰ সভা সমিতি পাতিবলৈ ৰাইজৰ সুবিধা হৈছে। চতিয়া হাইস্কুলখন ছাত্ৰ-ছাত্ৰী সকলো মহেন্দ্ৰৰ অতি মৰমৰ আছিল। ৰবিবাৰে বা কোনো বন্ধৰ দিনতো স্কুলখনলৈ গৈ এপাক মাৰি নাহিলে তেওঁৰ শান্তিৰে ভাত পেটলৈ নগৈছিল। সদায় নিৰ্দিষ্ট সময়ৰ ১৫ মিনিট পূৰ্ব্বে তেওঁ স্কুলত উপস্থিত হোৱাৰ কথা সকলোৱে জানে। এই বিষয়ত থকা তেওঁৰ সময়জ্ঞান, নিষ্ঠা অতুলনীয়। ছাত্ৰ ছাত্ৰী সকলো আছিল তেওঁৰ নিজৰ ল'ৰা ছোৱালীৰ দৰে। ঘৰে ঘৰে গৈ তেওঁলোকৰ খা খবৰ লৈছিল দিহা-পৰামৰ্শ দিছিল, কোনো ছাত্ৰই ভাল ফল দেখুৱালে তেওঁৰ আনন্দৰ সীমা নোহোৱা হৈছিল। তাক শতমুখে সকলোৰে আগত বখানিছিল— ছাত্ৰজনকো উৎসাহ দিছিল। মহেন্দ্ৰ বৰকটকী প্ৰধান শিক্ষক হৈ থকা কালত চতিয়া হাইস্কুলৰ পৰা শেষ পৰীক্ষা দি উত্তীৰ্ণ হৈ ওলাই যোৱা ভালেমান ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষকতা কৰাৰ উপৰিও, মহাবিদ্যালয়, বিশ্ব-বিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, অভিযন্তা মহাবিদ্যালয আদিত অধ্যাপনা কৰি আছে। প্ৰশাসনীয় বিষয়া হিচাবে উপায়ুক্ত, উপ-সচিব, সচিব, আয়ুক্ত আদি পদতো অধিষ্ঠিত হৈ আছে। অকল সেয়ে নহয়, সেই স্কুলৰ পৰা ওলাই যোৱা ছাত্ৰ অসমৰ সুপ্ৰসিদ্ধ গীতিকাৰ, কথা-ছবি জগতৰ প্ৰযোজক, অসম সাহিত্য সভাৰ সভাপতি, বিধায়ক আৰু মন্ত্ৰীপদ লাভ কৰিছে। সেই বিলাক দেখি শুনি তেওঁলোকৰ গুণ আৰু কীৰ্ত্তি বখানি বৰকটকীয়ে অপাৰ আনন্দ পাইছিল আৰু মনত অতি সন্তোষ লাভ কৰিছিল।

আগতেই কোৱা হৈছে বৰকটকীয়ে সময়ৰ মূল্য বুজিছিল। সময় মতে কাম হোৱাটো তেওঁ বিচাৰিছিল। শিক্ষানুষ্ঠানটোৰ সভা-সমিতিবোৰ সদায় নিৰ্দ্দিষ্ট সময়ত আৰম্ভ কৰিছিল। এই বিষয়ত তেওঁ বিশেষ সাৱধান আছিল। নিমন্ত্ৰিত সভাপতিজন কিবা কাৰণত

সময় মতে আহি উপস্থিত নহ'লে, অন্য এজনকে সভাপতি পাতি নিৰ্দ্দিষ্ট সময়তে সভাৰ কাম আৰম্ভ কৰিছিল। তেওঁৰ এই সজ গুণটোৰ কথা সকলোৱে বখানে। ১৯৮০ চনৰ পৰা জীৱনৰ শেষলৈকে তেওঁ 'চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়'ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাবে কাম চলাই গৈছে। তেওঁ বহুতো অনুষ্ঠানৰ লগত জড়িত হৈ কোনোটোৰ সভাপতি, উপসভাপতি, কোনোটোৰ সম্পাদক, কোনো খনৰ সদস্যৰ বাব সুচাৰুৰূপে চলাই আছিল। তাৰ ভিতৰত সদৌ অসম সাহায্যপ্ৰাপ্ত শিক্ষক সন্থা, তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষা পৰিষদ, 'অসম মাধ্যমিক শিক্ষা পৰিষদ' 'অসম ৰাজ্যিক অধিবিদ্যা পৰিষদ' আদিৰ নাম উল্লেখযোগ্য। তেওঁলৈ কেবাবাৰো উচ্চ বিষয়া চাকৰিৰ বাবে আমন্ত্ৰণ আহিছিল। কিন্তু মহেন্দ্ৰ বৰকটকীৰ জীৱনৰ লক্ষ্য আছিল চতিয়া হাইস্কুলৰ সৰ্ব্বতোপ্ৰকাৰে উন্নতি কৰা আৰু লগতে চতিয়াৰ সমাজখনৰ যৎপৰোনাস্তি উন্নতিৰ কাৰণে যত্ন কৰা। এনেবোৰ কামত বাধা পৰে বুলিয়েই তেওঁ সেই পদবোৰ গ্ৰহণ নকৰিলে। গোটেই জীৱনটো চতিয়াতে থাকি চতিয়া ৰাইজৰে সেৱা কৰি গ'ল। তেওঁ 'ৰাজ্যিক মুক্তি যুজাৰু সমিতি'ৰ এজন সভ্য আৰু শোণিতপুৰ জিলা মুক্তি যুজাৰু সমিতিৰ সভাপতি আছিল। সেই হিচাবেও তেওঁ স্বাধীনতা সংগ্ৰামত অশেষ ত্যাগ আৰু কষ্ট ভোগ কৰা লোক খিনিৰ বিশেষ ভাবে সেৱা কৰি গৈছে। মহেন্দ্ৰ বৰকটকীয়ে তেওঁৰ পত্নী শ্ৰীমতী কিৰণময়ী বৰকটকী আৰু চাৰি গৰাকী কন্যা সন্তান এৰি থৈ গৈছে। তেওঁলোক ক্ৰমে শ্ৰীমতীমিনতি কটকী, শ্ৰীমতী প্ৰণতি বৰা, ডাঃ ভাৰতী বৰকটকী আৰু শ্ৰীঅদিতি বৰকটকী। তেওঁলোক সকলো জীৱনত সুপ্ৰতিষ্ঠিত। কনিষ্ঠা কন্যাৰ শিক্ষা এতিয়াও সমাপ্ত হোৱা নাই। তেওঁ ইঞ্জিনীয়াৰিং বিষয়ত শিক্ষা লৈ আছে।

মহেন্দ্ৰ বৰকটকীৰ বছেৰেকীয়া মৃত্যুৰ তিথিত, তেওঁৰ পবিত্ৰ স্মৃতিৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ। ***

শান্তিৰ ৰাজ্যত বৰকটকী—
মোৰ সময় সচেতন বন্ধুজন।

—মঃ তৈয়ব আলী

বৰকটকী আছিল কলিয়াবৰৰ 'চাৰ'—শিলঘাট হাইস্কুলৰ শিক্ষক হিচাপে। তেজপুৰৰ 'চাৰ' একাডেমীৰ শিক্ষক হিচাপে। চতিয়াতো চাৰেই। চতিয়া হাইস্কুলত কিছুদিন মাত্ৰ সহকাৰী শিক্ষক হৈ থাকোতেই '৪২ আহিল। কাৰাবাস। কাৰাবাসৰ পিছৰ পৰাই এই স্কুলতে প্ৰধান শিক্ষক হিচাপে শিক্ষকতা কৰি অবসৰ গ্ৰহণ কৰিলে। ইমান বছৰৰ তেখেতৰ ছাত্ৰ-ছাত্ৰী আজি দেশ-বিদেশতো সুখ্যাতিৰে চলি থকা দেখিবলৈ পোৱা যায়। তেখেত শিক্ষকেই। অসম প্ৰাদেশিক কংগ্ৰেছৰ সদস্য আছিল যদিও সদৌ ৰাইজে বৰকটকীক শিক্ষক হিচাপেই গণ্য কৰিছিল আৰু ভাৰত চৰকাৰেও কৃতী শিক্ষক বুলিয়েই পুৰস্কৃত কৰিছিল; কাৰণ মানুহে জানে যে প্ৰাদেশিক কংগ্ৰেছৰ সদস্য হ'ব পাৰিলে এম-এল-এ বা এম-পি হ'বলৈ বেছি দূৰ নেথাকে। কিন্তু 'বৰকটকী চাৰ' সেইবোৰ কথাৰ সদায় ব্যতিক্ৰম। তেখেতে শিক্ষকতাৰ ওপৰতেই গোটেইখিনি মৰ্য্যাদা আৰোপ কৰিছিল।

এই জীৱন জোৰা গুৰুজনাৰ বিষয়ে ক'লে কথাৰ ওৰ নপৰে। তাতে আকৌ মই তেখেতৰ কলেজীয়া বন্ধু, চাকৰি কালৰ বন্ধু আৰু সামাজিক জীৱনৰো ঘনিষ্ঠ বন্ধু। তেজপুৰৰ "৺তুল ভট্টাচাৰ্য্য" চাৰে মোক ক'বৰ দৰে, "অৱসৰটো লবিয়েই, ভাল হ'ব, ঘৰলৈ গৈ বৰকটকীক লগ পাবিগৈ, দুয়ো সমাজৰ কাম কৰি ভাল পাবি।" বন্ধুবৰ বৰকটকীৰ বিষয়ে কৈয়েই থাকিলে মোৰ মনটোৱে সহিব নোৱাৰিব, গতিকে মই মাত্ৰ দুটি এটি কথাৰেই তেখেতৰ মহৎ জীৱন কিছুমাত্ৰ জিলিকাব খুজিছোঁ।

মোৰ নিজৰ কাৰণে এইটো। সময়ত বৰকটকীৰ দৰে সজ বন্ধু এজন মোক লাগিছিলহে কিন্তু হঠাৎ হেৰুৱাব লগা হ'ল।

কলেজৰ পৰা আমাৰ ঘৰলৈ অহা বা ঘৰৰ পৰা যোৱাবোৰ ভাবিলে আজি আমি সকলোতে শুনা সাধু কথা যেন লাগিব। আনন্দবো আৰু আমনি লগাও। ফাঁচীবজাৰৰ ঘাটত আবেলি উজনি জাহাজত উঠিম, পিছদিনা ধলপোহৰত তেজপুৰ ঘাটত নামিমহি। পুৰা তেজপুৰত উঠি সন্ধিয়া ফাঁচীবজাৰৰ ঘাটত নামো। শ্ৰীযুত বিমান চন্দ্ৰ বৰাৰ নেতৃত্বত কিন্তু এবাৰহে আমি তেজপুৰীয়া কেইজন ৰেলেৰে কনচেচনত আহিছিলো। বৰকটকীক নেপালেহে জামুগুৰীৰ ৺গোপালকৃষ্ণ মৌজাদাৰৰ লগত সন্ধিয়াৰ পৰা পাণপুৰ ঘাটত জাহাজলৈ পৰদি পুৱে গঁট দিয়ে আৰু জাহাজখন চাপে আৰু সন্ধিয়া ফাঁচীবজাৰ ঘাট পাওঁগৈ। কলেজলৈ যোৱা প্ৰত্যেক গাঁৱলীয়া অঞ্চলৰ পৰা দুজন এজনহে। আজি কালিৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ কথাৰ পৰা যথেষ্ট শিকিব পাৰে আৰু পৰীক্ষাত 'ফেইল' কৰাৰ কথাই উঠিব নেলাগিছিল। বৰকটকীৰে মোৰে আনপিনে তাকো আথিক বৰ ভয় লগা বিপৰ। বৰকটকী অৱশ্যে নিজৰ বুৎপত্তিৰ ··ৰতেই সিমান দূৰলৈকে গৈ আছিল। মানুহজন গণিতত বৰ চোকা আছিল বুলি সকলোৱে জানে; সেই কাৰণেই নেকি ব্যৱহাৰিক জীৱনত তেখেতৰ কাম-কাজ আৰু কথা বতৰা বোৰত একো একোটা জোখ আছিল। এই জোখটো মনিব নোৱাৰি কেতিয়াবা মানুহে ভুল বুজিব খোজে। তেখেতৰ নিজৰ চিনাকী সকলৰ মাজত কিন্তু কোনোৱে কোনো ধৰণৰ ভুল বুজা নাছিল।

আমাৰ দুজনৰ আগত কলেজত গৈ পঢ়ি থকা পাইছোঁগৈ ৺বলোৰাম বৰদলৈ, শ্ৰীযুত বিমান চন্দ্ৰ বৰা, ৺গোপাল কৃষ্ণ বৰুৱা, পূৰ্ণ শইকীয়া প্ৰমুখে জনদৰেক মাত্ৰ। বিশ্বনাথ চাৰিআলিৰ মৌজাদাৰ বৰুৱা (চন্দ্ৰেশ্বৰ) ইতিমধ্যে ঘূৰিছে। এইয়া উচ্চ শিক্ষাৰ কাৰণে কলেজলৈকে যোৱা জনচেৰেকৰ লেখ। তেখেত গৈছিল '৩৭ চনৰ

মেট্ৰিক পৰীক্ষা পাছ কৰি আৰু মই গৈছিলো ৩৬ চনৰ মেট্ৰিক পৰীক্ষাৰ পিছত।

চাকৰি কালত আমি আকৌ বন্ধু, সহকৰ্মী। তেখেত প্ৰধান শিক্ষক আৰু মই তেখেতৰ সহকাৰী শিক্ষক। বন্ধুত্বৰ ইমান ঘনিষ্ঠতা স্বত্বেও আমাৰ চাকৰিৰ পদৰ ব্যৱধানটো সদাই বজাই ৰাখিবলৈ চেষ্টা কৰাটো মোৰ এটা কৰ্ত্তব্য বুলি ভাবিছিলো। এইটো এটা শৃংখলাৰ কথা যেন লাগে। বৰকটকী স্বভাৱতেই সময় সচেতন ব্যক্তি আছিল। তেখেত সদায় যি কোনো অনুষ্ঠানতে বা ৰাজহুৱা বৈঠকতো ঘড়ীতকৈ ৫/১০ মিনিটমান আগবাঢ়ি থাকে। অফিচত ওপৰৱালা জনৰ এনে অভ্যাসে কৰ্মী সকলৰ মাজত সুন্দৰ এটা প্ৰভাৱ পেলায় আৰু অনুষ্ঠানটোৰ সৌন্দৰ্য্যত আৰু গাম্ভীৰ্য্য বঢ়োৱাত সহায় কৰে। গতিকে বৰকটকীৰ অফিচটো এটা অফিচেই আছিল আৰু সকলোও চলিব যে সেইকাৰণেই বিদ্যালয়খনৰ 'ৰুটিন ৱৰ্ক' উৎকৃষ্ট আছিল। বৰকটকীৰ স্থানীয় সভা সমিতিলৈ সভাপতি, মুখ্য অতিথি আদিৰ বাবে নিমন্ত্ৰণ পোৱা সকল আগৰে পৰা মিটিঙৰ সময় ধৰিবৰ কাৰণে সচেতন হৈ থাকে। মই স্বয়ং ইনচপেক্টৰ অফিচতে এই বিষয়ে কোৱা কুই কৰা সঘনে শুনিছিলো। সোঁৱৰাই দিয়া সকলে কয়— "বৰকটকীৰ মিটিং কিন্তু" সেই কাৰণেই ক'বৰ মন যায় যে তেনে 'ওপৰৱালাৰ' তলত কাম কৰি নিজকে ধন্য মানিছিলোঁ।

মোৰ বন্ধুজনৰ লগত মোৰ শেষ দেখা হয় তেখেত মাদ্ৰাজলৈ যোৱাৰ দুই এদিনৰ আগত চতিয়া ডাক ঘৰৰ ওচৰত ভৰদুপৰীয়া। মানুহজনক অলপ চঞ্চল যেন দেখিলোঁ। তেখেতক দেখিলে মই চাইকেলৰ পৰা নামিৰেই সুধিলো— "ভৰদুপৰীয়াখন ?" এটা হুমুনিয়াহেৰে আক্ষেপ কৰি মাত দিলে, "ইমান দীঘলীয়া চাকৰি কালত এদিনো "কেজুৱেল ছুটী"ও নোলোৱা মানুহটোৰ শৰীৰত এইবোৰ কি হৈছে বুজি নাপালো। কথা কেইটা গোকাথুকি, সেই বয়সত সেই

কৰ্ম্মবীৰ জনৰ বেদনাভৰা শব্দ কেইটাই হুমুনিয়াহটোৰে মোৰ মনটোত ৰৰ বেয়াকৈ খোচা-বিন্ধা কৰিলে। সেয়াই আমাৰ শেষ অভিজ্ঞতা কাৰণে বন্ধুবৰ বৰকটকীলৈ মনত পৰিলেই মনটো মোৰ কেনেবা হৈ পৰে। বুজিলো বুঢ়াকালত দুজন বন্ধু লগালগি হোৱাটো উৎসাহজনক হয়, কিন্তু এজনৰ নিৰুৎসাহে আনজনক অতি দুৰ্ব্বল কৰি তোলে। চাকৰি আৰু ৰাজহুৱা জীৱনত ইমান সক্ৰিয় অথচ গুৰু গম্ভীৰ মানুহজনকো বয়সে ইমান অস্থিৰ কৰি তুলিব পাৰে। ইমান মোহ লগা যৌৱন কালৰ উন্মাদনাবোৰে বৃদ্ধকালত গৈ বয়সে খেলা এই চাতুৰ্য্যখিনি বুজিবলৈ অলপো সুবিধা নিদিয়ে। মানৱ জীৱনৰ বিড়ম্বনা এইখিনিতেই।

এতিয়া বৰকটকীৰ ব্যক্তিগত মনটোৰ আন এটা ফাল চোৱা যাওক। তেখেতৰ মনটো কোনো কোনো লোকে দূৰৰ পৰা চালে শুকান যেন দেখে বোলে হয় জানো? একেবাৰেই সত্য নহয়। এই বিষয়ে ভালকৈ জানে বুজে তেখেতৰ আন এগৰাকী বন্ধু হিন্দী চাৰ শ্ৰীযুত তৰুণ চন্দ্ৰ শইকীয়াদেৱে। তেখেতৰ ৰসিকতাখিনি তেখেতক নাপালে মোক পাগ কৰোৱায়। সমাজৰ সৰু-সুৰা অসঙ্গতি বোৰ আমাৰ মাজত ইমান ৰং ৰহইচৰে বেকট কৰিব পাৰে বুলি আঁতৰৰ মানুহে ধৰিবই নোৱাৰে। ধৰিব নোৱাৰাৰ আন এটা কাৰণো আছে। বৰকটকীয়ে যিকোনো কামৰে বা কথাৰে পৰ চিনি পাইছিল। গতিকে ক'ব পাৰিব যে বৰকটকীৰ আত্ম নিয়ন্ত্ৰণ শক্তিটো আছিল বেছ পূৰঠ। সাময়িক ৰসিকতাখিনিয়ে আৰু খোলা হাঁহি কেইটাই বৰকটকীৰ স্বভাৱ গহীন মুখ মণ্ডলত এবিধ নতুন সৌন্দৰ্য্য সানি দিয়েই।

আমাৰ দুজনৰ ঘৰুৱা জীৱনৰ প্ৰসঙ্গ এটি প্ৰায় সময়তে মনত পৰে। তেতিয়া আমি দুয়ো প্ৰায় ছল্লিছীয়া। তেখেতৰ সাংসাৰিক জীৱনৰ ছবি আঁকিবৰ পাৰ। এদিন সন্ধিয়া। হাজাৰীমলৰ ওচৰৰ পৰা বগলীবাৰী পাবলৈ নিৰ্জ্জন পথৰুৱা বাটটোৰে আমাৰ

কেইঘণ্টা পাৰ হৈ গৈছিল কব নোৱাৰিলোঁ। সেইবুলি ৪০ বছৰীয়া বিচিত্ৰ অতীত এটাৰ ওপৰত আগন্তুক ভবিষ্যতটোৰ জিলমিলোৱা পৰ্দাখন পেলাই দিলে তাত সৃষ্টি হোৱা চিকমিকনিয়েই যে আমাৰ কথা বতৰাৰ ঘাই ভেঁটি আছিল এনে নহয়। আমাৰ মূল উদ্দেশ্য আছিল আমাৰ বিবাহ অনুষ্ঠানটোৰ কিছুমান নিয়মে আমাৰ সমাজখনত কেনেদৰে প্ৰভাৱ পেলাইছে সেইটোহে- কাৰণ বন্ধুজনৰ ভাতৃ শ্ৰীমান বীৰেণ বৰকটকীয়ে তেখেতলৈ সেইসময়ত লিখা চিঠি বোৰো "ৰচনা" হৈ আহিছিল। কাৰণ তাত সমাজখনৰ সামাজিক দিশটোৰ আলোচনা মূলক ইঙ্গিত হে আছিল।

পোছাক পৰিচ্ছদত বৰকটকী আছিল গান্ধীবাদী— পোছাকেৰেই নহয় মনটোৰেও। এই কাৰণেই গান্ধীবাদী বুলিব পাৰি যে বৰকটকীয়ে কাম কৰোঁতে আৰম্ভণিতে সোঁপন্থী যেন লাগে শেষত ধৰা পৰেগৈ বাওঁপন্থীৰ দৰে। ভাৰতবৰ্ষৰ গান্ধীবাদী প্ৰায়বোৰ সমাজ কৰ্মীৰ ক্ষেত্ৰত এই কথা খাটে বুলি কব পাৰি। আমাৰ সমাজখনৰ সৰ্ব্বসাধাৰণৰে বাৰকুৰি তেৰবিধ বৈষম্যই গান্ধীবাদৰ আদৰ্শ মানিবলৈ বাধ্য কৰায়। বৰকটকীৰ লগত মই ঢেৰ ৰাজহুৱা সভা-সমিতিত একেলগে যোগ-দান কৰিছিলো। কিন্তু ভাবি দুখ পাইছিলোঁ যে সমাজ খনৰ প্ৰকৃততে ক'বলগীয়া কথাবোৰ ক'বলৈ খুবেই কম সুযোগ পাইছিলোঁ। কাৰণ সাধাৰণ চাম শ্ৰোতাৰ মন সমানে অন্তৰ্মুখী নহয়।

ৰাজনৈতিক ভাবে বন্ধুবৰ বৰকটকীৰ লগত পিছলৈ মোৰ কিছু পাৰ্থক্য আছিল সঁচা কিন্তু সমাজখনৰ মূল উদ্দেশ্যটো যে উভয়ৰে উমৈহতীয়া। সেই কাৰণেই আমি আমাৰ পাৰ্থক্যখিনিক ক্ষেত্ৰবুজি সহজে মিলাই ল'ব পাৰিছিলো। সেই দৃষ্টিৰ পৰা বৰকটকীক গণতান্ত্ৰিক বুলি ধৰিব পাৰি। উদ্দেশ্যৰ প্ৰকৃত উপলব্ধিয়ে সোঁ-বাওঁ উভয় পক্ষকে ওচৰ চপাই আনিব পৰাটো স্বাভাৱিক।

ধৰ্মীয় ভাব-ভাবনাতো বৰকটকীক গোড়া বুলি কোৱা টান। অৱশ্যে ধৰ্মই দীক্ষা দিয়া সত্য কথা খিনি মানি চলাটো প্ৰত্যেক সভ্য ভক্তৰ কামেই লাগো। ইয়াৰ আতিশয্যখিনিয়েহে সমাজখনৰ গতি-শীলতাৰ লগত ভগা দেইয়া কৰে। মইতো বৰকটকীৰ মনত কোনো আতিশয্য দেখা পোৱা নাছিলো। মোক তেখেতে ৪টামান ব্যক্তিগত ঘটনাৰ কথা কৈছিল। মই চতিয়া কলেজৰ তেখেতৰ হৈ পতা শোক সভাত এই ঘটনা কেইটা উল্লেখ কৰিছিলো। যাৰদ্বাৰা ঠাৱৰ কৰিব পাৰি যে তেখেতৰ মনটো সঁচাকৈয়ে গতিশীল আছিল। চতিয়াত উচ্চ কন্যা বিদ্যালয় এখনৰ চাহিদা বাইচে উপলব্ধি কৰিলে। সেই প্ৰসঙ্গত বন্ধু বৰকটকীয়ে মোক এদিন বাল্য-বিবাহ সম্পৰ্কে তেখেতৰ এটি লিকা বিবৃতি দিছিল কেইটিমান উদাহৰণেৰে সৈতে। বিবৃতি-টোৱে প্ৰত্যক্ষভাবে প্ৰমাণ কৰে বৰকটকীৰ মনটো নিশ্চয় সংস্কাৰমুখী আছিল। এনে ভালেমান কথাই বৰকটকীৰ লগত মোৰ মনৰ আঁৰ-বেৰ বোৰ ক্ৰমাৎ নোহোৱা কৰি আনিব ধৰিলে।

বৰকটকীৰ মনটো সঁচাকৈয়ে শিশুৰ দৰে নিৰ্ম্মল আছিল। তেখেতে নিজে কৰা কামবোৰ বন্ধ-বান্ধৱকহে নেলাগে আনকো দেখু-ৱাই বৰ আমোদ পাইছিল; ইয়েই প্ৰমাণ কৰে যে তেখেতে কৰা কামবোৰ আন্তৰিকতাপূৰ্ণ। মাত্ৰ মানুহে চাওক বুলি কৰি যোৱা বিধৰ নাছিল। বৰকটকীৰ আন এটি বৈশিষ্ট্য হ'ল তেখেত বৰ বেছি অভিনয়প্ৰিয় নাছিল সেই কাৰণেও তেখেতৰ কামবোৰ আড়ম্বৰবিহীন আছিল। সকু কালতে স্কুলীয়া জীৱনত তেখেত প্ৰায় খুড়াৱক স্বৰ্গীয় পূৰ্ণকান্ত শৰ্ম্মা ছাৰৰ লগতে ডাঙৰ হোৱা। থোৰটো হাতত তুলিলৈ ধুতিখন আৰু শুধ বগা চোলাটো খুৰাদেৰেকৰ হুবহু আদৰ্শ যেন লাগে। শেষ মুহূৰ্ত্তলৈকে সেই একেই পৰিধান; অভিনয় বিলাসী চিন চাব তাত কোনো দিনাই দেখা নগ'ল। সেই সাজেৰে তেনে শিক্ষক আৰু এলেকাত নজন্মিব।

বৰকটকী আৰু মোৰ বন্ধুত্বৰ সীমা বাঢ়ি গৈ আছিল। অৱসৰৰ পিচত কেতিয়াবা শিক্ষক কৰ্ম্মচাৰীৰ দিবস পালনত বৰকটকীকে মোকে শোভাযাত্ৰাৰ সন্মুখতে গ'লেহে বোলে ভাল দেখা গৈছিল, গতিকে বৰকটকীৰ সন্মান টোৰ ভাগ বন্ধু হিচাবে কেতিয়াবা ময়ো পাইছিলোঁ। কিবা ৰাজহুৱা কাৰণত ক'ৰবাত অনশন কৰি দিব লাগিলে সন্ধিয়াই খবৰ আহিব মই নগলে বৰকটকী আহিব নোখোজে। কোনো পুৱা দেখিমগৈ আলিত ধৰ্ম্মীয় গ্ৰন্থ এখন হাতত লৈ বৰকটকী গৈ হাজিৰ। এবাৰ তেনে সুযোগতে ৰাজহুৱাকৈ পঢ়িলো আমাৰ দিনৰ এগৰাকী বিখ্যাত পণ্ডিত স্বনামধন্য যোগীৰাজ বসুৰ এখনি ধৰ্ম্ম গ্ৰন্থ। বৰকটকী পাঠক। আৰু অন্য ধৰ্ম্মৰ লগত তুলনা মূলক কথা ওলালে বাইজে ব্যাখ্য কৰিবলৈ লগাই দিয়ে মোক। বৰকটকীৰ লগত মোৰ সম্বন্ধ এই কাৰণেই ব্যাপক।

এনে বহুত ধৰণৰ কথা থাকি গ'ল যি বোৰে বৰকটকী আৰু মোৰ বন্ধুত্বৰ বুনিয়াদ টো ক্ৰমাৎ বেছি দৃঢ় কৰি আনি আছিল। আমি এবাৰ নোৱাৰা হ'লো। কলেজীয়া জীৱনৰ পৰা চাকৰী আৰু ৰাজহুৱা জীৱনৰ আমাৰ এই দীঘলীয়া সময় খিনিৰ এইয়া মাত্ৰ দুটি এটি দৃষ্টান্তহে। আমি যে দুয়ো কেতিয়াবা আছুতীয়াকৈ ক'ৰবাত বহি লওঁ আমাৰ ন-পুৰণি ভাল-বেয়া অভিজ্ঞতা বোৰৰ সেইটো বিশ্লেষণৰ পৰ। সামাজিক একো একোটা জটিল পৰিস্থিতিত এইদৰেই মন খুলি কথা পাতি আমি দুয়ো মনৰ তীব্ৰতা বোৰ পাতলাওঁ। কিন্তু আজিৰ জটিলতকৈও জটিলতৰ পৰত বন্ধুবৰ বৰকটকী মোৰ লগত নাই। যেতিয়া মোক তেখেতক বেছিকৈ লগা হৈছিল তেতিয়াই নিষ্ঠুৰ কালে তেখেতক মোৰ পৰা আতঁৰাই লৈ গ'ল। হওঁক—শুনিয়েই ভাল পাওঁ যে দহে কয় মোৰ বৰকটকী আজি শান্তিৰ ৰাজ্যত আছে গৈ আৰু ভাল পাওঁ

তেখেতে আমালৈ থৈ যোৱা উপযুক্ত ছোৱালী চাৰিটি সিহঁতেও আমাক থাকোঁমানে আমাৰ সেই বন্ধুত্বৰ কথা সোঁৱৰাই থাকিব আৰু আমি সান্ত্বনা পাই থাকিম। তেখেতৰ সদগতি কামনা কৰাৰ লগতে ছোৱালী চাৰিটাৰো সুখৰ ভবিষ্যত কামনা কৰিলোঁ।। তেখেতৰ ধৈৰ্য্যশীলা বিধবা পত্নী গৰাকীকো ভগবানে আৰু ধৈৰ্য্য দিয়ক। ***

সমাজ কৰ্মী মহেন্দ্ৰ নাথ বৰকটকী

—তৰুণ চন্দ্ৰ শইকীয়া

মহাত্মা গান্ধীৰ মতে স্বদেশ, স্বজাতি আৰু স্বভাষাৰ সেৱা কৰাটোৱেই দেশ-প্ৰেমৰ মূল ভিত্তি।

মানুহ মাত্ৰেই দেশ প্ৰেমিক। অকল মানুহেই নহয়— পশু-পক্ষীৰো জন্ম ঠাই আৰু স্বজাতিৰ প্ৰতি মোহ থকা দেখা যায়।

শৈশৱ কালত পোৱা আদৰ্শবোৰে মানুহৰ ভৱিষ্যত জীৱনে গঢ় লোৱাত গভীৰ প্ৰভাৱ পেলায়।

মহেন্দ্ৰৰ শৈশৱ কালতে নিজৰ পৰিয়ালতে ভাল আদৰ্শ পোৱাৰ সৌভাগ্য ঘটিছিল। তেওঁৰ পিতৃ ৺পদ্মকান্ত আছিল নৈষ্ঠিক ব্ৰাহ্মণ পুৰোহিত আৰু সদাচাৰী। বৰ খুড়াৰক ৺গঙ্গানাথ আছিল নিৰ্ভীক, সৎ সাহসী আৰু মহাত্মা গান্ধীৰ আহ্বানত ১৯২১ চনৰ অসহযোগ আন্দোলনত চাহ বাগিছাৰ চাকৰি এৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগা লোক। এয়াই নহয়, পিছৰ প্ৰতিটো আন্দোলনত আৰু শেষৰ বাৰ ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনলৈকে প্ৰত্যেক বাৰেই কাৰাবাস খাটি "দৰিদ্ৰৰ লাও-লোটাক ভিক্ষাৰ সঁজুলি" কৰা চৰম ত্যাগী পুৰুষ।

মাজু খুড়াৰক ৺পূৰ্ণকান্ত আছিল তেজপুৰ মহকুমাৰ ভিতৰতে এজন খ্যাতিসম্পন্ন, নিৰহংকাৰী সমাজপ্ৰিয় আদৰ্শ শিক্ষক।

পিতৃ আৰু পিতৃব্য সকলৰ পৰা পোৱা সদাচাৰ, ত্যাগ আৰু অধ্যাপনাৰ দৰে সাঙ্গ গুণৰ বীজবোৰ শিশু মহেন্দ্ৰৰ অন্তৰত নিজৰ অজানিতেই ৰোপিত হৈছিল আৰু ভৱিষ্যত দেশ-প্ৰেমৰ সম্বল যোগাই-ছিল।

তেওঁ আছিল এজন মেধাৱী বৃত্তিধাৰী ছাত্ৰ। ঘৰৰ পৰা আঁতৰত থাকি হাইস্কুলত পঢ়া কালত নিজে খৰি ফালি ভাত ৰান্ধি খাইছিল। নিজৰ কানি-কাপোৰ নিজেই ধুই নিকা কৰি লৈছিল। বৃত্তিৰ টকা কেইটা কিহত খৰচ কৰে তাৰ হিচাপ লিখি ৰাখিছিল। ডাঙৰ হলতো সেই লিখাবোৰ দৰ্কাৰ হলে চাব পৰাকৈ যতনৰে থৈছিল। এই অভ্যাসে তেওঁক মিতব্যয়ী কৰিছিল। আৰু পিছলৈ ৰাজহুৱা টকা-পইচাৰ হিচাপ দাখিল কৰাত এটা কনা পাইলৈকে জমা খৰচৰ বিতং হিচাপ দিছিল।

টকা পইচা সংশ্লিষ্ট কথাবোৰ সামাজিক জীৱনত অতীব গুৰুত্ব-পূৰ্ণ আৰু সৰ্ব্বাধিক পালনীয় বিষয়। এইটো দিয়াত তেওঁ সকলোৰে আস্থাভাজন আৰু প্ৰশংসাৰ পাত্ৰ হব পাৰিছিল।

গান্ধীজীৰ গঠনমূলক আচনিৰ প্ৰতি তেওঁ অনুৰাগী আছিল। চমিযা মিলিযাত প্ৰশিক্ষণ প্ৰাপ্ত হোৱাৰ পিছত এই ভাব আৰু গাঢ় হৈছিল। তেওঁ ছাত্ৰ সকলক সমাজ সেৱাৰ কামত গাওঁবোৰত চফাই কাৰ্য্য কৰিবলৈ পঠাইছিল। আৰু তাৰ দ্বাৰাই কুমলীয়া ছাত্ৰসকলৰ অন্তৰত দেশ সেৱাৰ বুনিযাদ গাঢ়িব পাৰি বুলি বিশ্বাস ৰাখিছিল।

সমাজ সেৱাৰ ব্যাপকতা সাৰ্ব্বিক সেৱাহে, আংশিক সেৱা নহয়। সংস্কাৰী মনে বিচৰা এই তত্বটোৰ স্থান ৰাজনীতিৰ দ্বন্দাত্মক ক্ষেত্ৰ নহয়।

মোৰ মতে মহেন্দ্ৰই এইটো বুজিব পাৰিছিল আৰু সেয়েহে সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰত আছিল।

এজন শিক্ষকৰ সীমিত কৰ্ম ক্ষেত্ৰতে কাম কৰি তেওঁ এজন সমাজ কৰ্মী হিচাবে প্ৰতিষ্ঠিত হব পাৰিছিল।

আজিৰ তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনটোত অনুগুণ মুগ্ধ সকলৰ লগতে ময়ো তেওঁক এবাৰ স্মৰণ কৰিছোঁ। ***

মহেন্দ্রনাথ বৰকটকী ঃ

মই যিভাবে পাইছিলো

—স্বৰ্ণপ্ৰভা মহন্ত

শ্ৰদ্ধেয় মহেন্দ্ৰ নাথ বৰকটকী ডাঙৰীয়াৰ ঘৰ আমাৰ ঘৰৰ পৰা মাত্ৰ পথাৰ কেডৰামানৰ আতঁৰত। তেখেতক মই 'মোমাই দেউ' বুলিছিলো। আমাৰ ঘৰৰ লগত তেখেতৰ ঘৰৰ এটা পুৰণি কলীয়া ঘনিষ্ঠ সম্পৰ্ক আছিল। বৰকটকী দেৱৰ ভায়েক শ্ৰীবীৰেন্দ্ৰ নাথ বৰকটকী আৰু ভনীয়েক ৺বিমলা দেবী মোৰ সমনীয়া, এক-প্ৰকাৰ সহপাঠী—একে লগে খেলি-ধূলি ফুৰি চাকি ফুৰা।

বৰকটকী ডাঙৰীয়া মোতকৈ বয়সত সাত বছৰ মান ডাঙৰ। বৰ মেধাবী আৰু তীক্ষ্ণবুদ্ধি সম্পন্ন ছাত্ৰ আছিল। বৃত্তি পাই পঢ়িছিল। খৰি ফালি, ভাত ৰান্ধি খায়, বাচন ধুই খোজ কাঢ়ি স্কুললৈ যাব লাগিছিল। কলেজৰ পৰা তেখেত বন্ধত ঘৰলৈ আহিলে আমি স্কুলৰ ভিতৰৰ পৰা ওলাই চাইছিলোঁ। ৰঙা মুখেৰে নিপোতল চেহেৰাৰ মানুহজন, যুৱ ছাত্ৰ।

ফাকুৱাত নাগশঙ্কৰৰ গোঁসাই, বগলী বাৰীৰ গোঁসাই আৰু আমাৰ গোঁসাই ফুৰাইছিল। তেখেত সকলৰ গোঁসাইৰ লগত ফাকুৰে ৰঙামুৱা হৈ বৰকটকী ডাঙৰীয়াও আহিছিল। আমাৰ ঘৰত গোঁসাই আদৰোতে মই চাহ তামোল আগবঢ়াই দিছিলো। তেখেত সকলে মজিয়াত হাতী খুজীয়া বাতিত বৰ তৃপ্তিৰে জল পান খাইছিল।

বছৰে বাগৰ সলালে। বি-এছ-ছি পাছ কৰি বৰকটকী

ডাঙৰীয়া শিলঘাট হাইস্কুলত সোমাল। তাৰ পৰা তেজপুৰ একাডেমীত। তাৰ পিছত বিজ্ঞান শিক্ষক হিচাবে চতিয়াত বৰ্ত্তমানৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। সোণকালেই তেখেত তাত প্ৰধান শিক্ষকো হ'ল। এজন কৃতী শিক্ষক হিচাবে প্ৰতিষ্ঠা লাভ কৰিলে।

এনেতে আহিল ১৯৪২ চন। সকলো দেশতে, সকলো কালতে সকলো আন্দোলনতে পিছত যিয়েই নাথাকক আগভাগ ছাত্ৰ সকলেই লোৱা দেখা যায়। অসমলৈকো অসহযোগ আন্দোলন আনিছিলে চন্দ্ৰনাথ লক্ষ্মীশ্বৰেই। তেওঁ লোকৰ পিছত তেজপুৰত গুৰি ধৰিছিল হেম বৰুৱা অমিয় দাস যুগলে। পিছত অমিয় দাসৰ লগত যুগল হৈছিল গৈ শ্ৰীযুত বিজয় ভাগৱতী ডাঙৰীয়া। তেখেতৰ ধ্বগলী বাৰীৰ ঘৰখন আন্দোলনৰ স্নায়ু কেন্দ্ৰ আছিল। তাৰ পৰাই আন্দোলনৰ বীজ চাৰিওফালে সিঁচৰিত হৈছিল। ভাগৱতী ডাঙৰীযা বৰকটকী ডাঙৰীয়াৰ পিতাকৰ মোমায়েকৰ লৰা খুৰাৰক। গতিকে আন্দোলনৰ প্ৰত্যক্ষ সম্বন্ধ। তেখেতৰ নিজা খুৰাৰক ডাঙৰজন ৺গঙ্গানাথ বৰকটকী মুক্তিযোদ্ধা, ত্যাগী, কৰ্মবীৰ আৰু এজন সিংহপুৰুষ আছিল। ৰায়ত সভাকে ধৰি বিভিন্ন আঞ্চলিক অনুষ্ঠানৰ লগত জড়িত থকাৰ উপৰিও তেখেতৰ ঘৰখন আছিল কংগ্ৰেছ কৰ্ম্মীৰ শিবিৰ। প্ৰাক্তন বিধায়ক চতিয়াৰ ভাগিন ৺হেমচন্দ্ৰ হাজৰিকাক লগত লৈ কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত তেখেতে ১৯২৯ চনত চতিয়া জাতীয় হাইস্কুল স্থাপন কৰিছিল। সেই খনেই বৰ্ত্তমান চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়। হাজৰিকাদেৱ তাৰ প্ৰথম প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তাৰ পিচতে ভাগৱতী দেৱেও তাত কাম কৰি আৰম্ভনীতে আঁত ধৰিছিল। শেষলৈ সেইখনেই বৰকটকী ডাঙৰীয়াৰ দেহলাও— জীৱন সৰ্ব্বস্ব হৈছিলগৈ। মুক্তি সংগ্ৰামত এই বিদ্যালয়ো এৰি থৈ তেখেতে আন্দোলনত যোগ দিলেহি।

বিশ আগষ্টৰ দিনা চতিয়া কংগ্ৰেছ জৰুৰী চাব কমিটিৰ নিৰ্দ্দেশত বিৰাট ৰাজহুৱা শোভাযাত্ৰাটো ওলোৱাৰ লগে লগেই তেখেতকে প্ৰমূখ্য কৰি চতিয়া হাইস্কুলৰ শিক্ষকসকল তাত সোমাই পৰিল। সমদল চতিয়া থানাৰ চৌহদ সোমাল। শ্ৰীযুত বিমান চন্দ্ৰ বৰাই (প্ৰাক্তন উপায়ুক্ত) তাতে ত্ৰিৰঙ্গ পতাকা ধ্বজ পুতি লৈ ওজস্বিনী বক্তৃতা দিলে। ৰাতিতে তেখেত সকলৰ গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হ'ল। তেখেত সকলৰ জেল হ'ল।

পিচলৈ আন্দোলন সেৰেঙা পৰিল। গান্ধীজীৰ আন্দোলন বোৰত ছাত্ৰক আমনি কৰা নাছিল। '৪২ চনৰ গণ-আন্দোলনত আন্দোলনৰ কাৰ্য্যসূচী প্ৰচাৰ হবলৈ নৌপাওঁতেই ৮ আগষ্টৰ ৰাতিতে গান্ধীজী প্ৰমুখ্যে নেতাসকলক আগাখাঁ প্ৰাসাদত গ্ৰেপ্তাৰ কৰা হয়। গতিকে আন্দোলন হৈ পৰে সৰ্ব্বাত্মক গণ-আন্দোলন। শেষৰ ফালে আত্ম গোপনকাৰী সকলৰ বাহিৰে কোনো নেতা নথকাত ২য় বিশ্ব-যুদ্ধৰ ৫ম বাহিনী সোমাই পৰাত আন্দোলন চেৰেমা পৰিল। এই আন্দোলনত স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীকো জড়িত কৰাত স্কুলবোৰ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। চতিয়া হাইস্কুলখনো সম্পুৰ্ণ বন্ধ হৈছিল। ১৯৪৩ চনৰ প্ৰবেশিকা পৰীক্ষাত এই বিদ্যালয়ৰ পৰা কোনো ছাত্ৰ নবহি অভিলেখ স্থাপন কৰিছিল। গতিকে কংগ্ৰেছৰ উৰ্দ্ধতন কৰ্তৃপক্ষই স্কুলবোৰ খোলাৰ নিৰ্দ্দেশ দিলে। নহলে প্ৰচাৰৰ দুৰ্গবোৰ নোহোৱা হয়। বৰকটকীদেৰো পুনৰ নিজ ঠাইলৈ আহিল। ইতি-মধ্যে ময়ো চতিয়া বালিকা মজলীয়া স্কুলত কিছুদিন প্ৰধান শিক্ষয়িত্ৰী হৈ কাম কৰিব লগা হৈছিল। এইবাৰ আমি দুজন দুখন মাধ্যমিক স্কুলৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী। মাধ্যমিক স্কুলৰ চাকৰিৰ ওপৰৰ পৰা কেতিয়াবা দুই এখন একে আহে। আমি দুয়ো বহি আলোচনা কৰি সেইদৰে সিদ্ধান্ত গ্ৰহণ কৰো।

তাৰ পিছতে আহিল তেখেতৰ বিয়াৰ প্ৰশ্ন। বয়স বাঢ়ি গৈ আছে, মাকৰ চিন্তা। মোক মাতি দি তেখেতক বুজাবলৈ ক'লে।

কিন্তু নানা অজুহাত দেখুৱাই তেখেত আতৰি থাকিব খুজিলে। মনতে যোগ্যা, শিক্ষিতা পত্নী লাভ কৰাৰ আশা। কিন্তু নিজে এই বিষয়ত বৰ লাজকুৰীয়া স্বভাৱৰ আছিল। অৱশেষত খুড়ীয়েকে চাই দিলে হব বুলি কলে। শুভদিনত তেজপুৰৰ প্ৰথম এম, এছ, ছি বিহালীৰ মৌজাদাৰ আনন্দেশ্বৰ বৰুৱাৰ ভনীয়েক শ্ৰীমতী কিৰণ দেৱীৰ লগত শুভ-বিবাহ সম্পন্ন হ'ল। কিন্তু তেওঁ সপ্তমমানলৈকে পঢ়া। প্ৰশ্ন হ'ল মেট্ৰিক দিওৱাৰ। মই বি, এ পৰীক্ষা দি পাইছিলোহি। তেখেতে মোক ধৰিলেহি কিৰণক প্ৰৱেশিকাত বহিব পৰাৰ উপযোগী কৰি দিবলৈ। কথামতে মই তেওঁক পঢ়াবলৈ ল'লো।

ইতিমধ্যে বৰকটকী ডাঙৰীয়া বি, টি,ৰ পৰিবৰ্ত্তে দিল্লীৰ জমিয়া মিলিয়া ইছ্লামিয়াত বি, এড ডিগ্ৰী লোৱাৰ প্ৰশিক্ষণৰ কাৰণে এবছৰৰ বাবে যাব লগা হ'ল। স্কুলত মঃ তৈয়ব আলিৰ বাহিৰে তেতিয়া স্নাতক আৰু কোনো নাছিল। বৰকটকীদেৱে দিল্লীৰ পৰাই মোক লবলৈ টানি চিঠি লিখিলে। শিক্ষক, ছাত্ৰ আৰু পৰিচালনা সমিতিৰ একান্ত অনুৰোধত ফলাফল ওলোৱালৈকে কৰিবলৈ মই যোগ দিলো।

এনেতে ২য় দুৰ্য্যোগটো হ'ল। শ্ৰীযুতা অমলপ্ৰভা বাইদেউ অসম চৰকাৰৰ বুনিয়াদী শিক্ষা বিভাগৰ উপদেষ্টা হৈ ত্ৰিপাঠী ডাঙৰীয়া আৰু ভাগৱতী দেৱৰ লগত কথা হৈ মোক সেৱাগ্ৰামত গান্ধীজীৰ "নয়ী তালিম" প্ৰশিক্ষণ লবলৈ দহমাহৰ বাবে পঠাব খুজিলে। গান্ধীজীৰ ৰচনাত্মক কাৰ্য্যক্ৰম পঢ়ি ইতিপূৰ্ব্বে মই ৰাষ্ট্ৰভাষা পঢ়ি পঢ়াই, গান্ধীয় শিক্ষানীতিৰ অনুষ্ঠান এটা খোলাৰ যো-জাও কৰিছিলো। কলেজত পঢ়িবলগা হোৱাত নহ'ল। এইবাৰ কিৰণৰ ভাৰ সতীৰ্থ ৺মন্মথ হাজৰিকাৰ ওপৰত দি মই যাবলৈ বাধ্য হ'লো।

দিল্লীত বৰকটকীদেৱে প্ৰয়াত ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনৰ সান্নিধ্য লাভ কৰিছিল। তেখেত অনুষ্ঠানৰ উপাচাৰ্য্য। চৰকাৰী

খৰছতে ভাৰতৰ বিভিন্ন শিক্ষানুষ্ঠান চাবৰ সুবিধাও পাইছিল। তেখেত সকল সেৱাগ্ৰামলৈকো গৈছিল। লগত আনজন প্ৰশিক্ষাৰ্থী গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ গোলোকেশ্বৰ গোস্বামী। সেৱাগ্ৰামে নয়ী-তালিমৰ ডিপ্লোমাহে দিয়ে, ডিগ্ৰী নিদিয়ে। মই অসম দলক অভ্যৰ্থনা কৰিবলৈ পাইছিলো।

দুয়ো ঘূৰি আহিলো একে সময়তে। আকৌ সেই একে কথা। স্কুলত কাম কৰিব লাগে। মুকলি চৰাইৰ দৰে সকৰে পৰা সমাজৰ কাম কৰি ফুৰা মানুহ মই বান্ধ লব খুখুজিলো। তদুপৰি এই যাত্ৰাত গান্ধীয় আদৰ্শত কংগ্ৰেছৰ সেনানী (cadre) এটা গঠন কৰা প্ৰবল ইচ্ছা। এক কথাত না কৰিলো। আগৰদিনা তেখেতৰ লগত ভাগৱতী মোমাইদেউ আমাৰ ঘৰলৈ আহি স্কুলত কাম কৰাৰ কথা ক'লে। মই মোৰ সংকল্পৰ কথা ক'লো। ভাগৱতীদেৱে পিছত চোৱা হব বুলি কৈ আপাততঃ স্কুলতে কাম কৰাৰ কথা ক'লে।

দেশৰ ভৱিষ্যতৰ একাংশৰ গঢ়াৰ নিছাত প্ৰথমতে সাধাৰণ, তাৰ পিছত সংস্কৃতৰ, তাৰ পিছত সকলো বিষয়ৰ, শেষত প্ৰধান শিক্ষয়িত্ৰী। এতিয়া আমি বিদ্যালয় গঠনত পৰস্পৰ পৰিপূৰক হ'লো। তেখেতে মোক, মোৰ শিক্ষাক, সামাজিক স্থিতিক মৰ্য্যাদা দিছিল। সেয়ে মই সুখী আছিলো। কাম কৰি ভাল পাইছিলো। দিল্লী আৰু সেৱাগ্ৰামৰ পৰা একে আদৰ্শৰে অনুগামী হৈ আহি আমাৰ কাম কৰি বৰ ভাল লাগিছিল। ঘৰৰ দায়িত্ব নাছিল বাবে বিদ্যালয়ত ওৰে-পাৰে খাটি থকা সময়খিনিত বিশ্ৰাম বা বিনোদন নলৈ মই কৰিছিলো কংগ্ৰেছ, সমাজ আৰু দেশ গঠনৰ কাম। এক মুহূৰ্ত্তও কাল অপচয় নকৰাকৈ, অক্লান্ত, অপ্ৰতিহত, বিনিদ্ৰ পৰ্য্যন্ত হৈ। ঘৰৰ দায়িত্বও মূৰ পাতি লব লগা হোৱাত বিদ্যালয়ৰ যোগেই প্ৰথমতে সীমিত গণ্ডীৰ ভিতৰত তেখেতে প্ৰভাৱ পৰিসৰ বৃদ্ধি কৰিছিল। গান্ধীজীৰ গঠন মূলক কামৰ আদৰ্শত "চতিয়াল গাওঁ ছাত্ৰ মঙ্গল" খুলি ময়ো কৰি-

ছিলো বাট বন্ধা, বাঁহৰ কেঁচা দলং দিয়া, পাঠচক্ৰ, পচন সাৰৰ কাম। তেখেতেও কৰিছিল গাওঁ চাফাই পচন-সাৰ আদিৰ কাম। পিচলৈ স্কুলৰ যোগেই এইবোৰ নিয়মিত ভাবে কৰোৱা হৈছিল।

সেৱাগ্ৰামত প্ৰশিক্ষণ প্ৰাপ্ত মোক নিয়োগ কৰা সম্পৰ্কে সেৱাগ্ৰামে টানি লিখাত বুনিয়াদী বিভাগৰ নতুন উপদেষ্টা ৰাজকুমাৰ সুৰেশ্বৰ গোঁহাইদেৱে ঘৰলৈ আহি মোক চতিয়াৰ ২১ খন বুনিয়াদী বিদ্যালয়ৰ চুপাৰভাইজাৰৰ কাম যাচিছিল। কিন্তু মই খোজকাঢ়ি এনে এটা কাম কৰাৰ অসুবিধা দেখুৱাত বৰকটকীদেৱৰ ওপৰতে এই দায়িত্ব ন্যস্ত কৰা হ'ল। চতিয়া হাইস্কুলৰ ছাত্ৰ-শিক্ষক-অভিভাৱক আৰু চতিয়াৰ ২১ খন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-শিক্ষক-অভিভাৱকৰে চতিয়াৰ প্ৰায় গোটেই সমাজখনৰে এটা বৃহত্তৰ গণ্ডী তেখেতে এইদৰেই প্ৰভাৱ আৰু আদৰ্শ বিস্তাৰৰ বাবে পাইছিল আৰু তাৰ সাৰ্থকতা দিব পাৰিছিল।

বৰকটকীদেৱ বৰ চাধা চিধা সৰল আৰু অমায়িক প্ৰকৃতিৰ লোক আছিল। শিক্ষক হিচাবেও মৰমিয়াল কিন্তু প্ৰয়োজন সাপেক্ষে কঠোৰ হব পাৰিছিল স্কুলখন জাকত জিলিকা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। ছাত্ৰ ভাল হবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ভাল হ'লে অভিভাৱক সকলকো প্ৰশংসা কৰিছিল। বাহিৰৰ পৰা অহা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বা গুণীজনক আনি ছাত্ৰ সমাজত বক্তৃতা দিওৱাইছিল। পুৱা গধূলি পঢ়া এৰি কোনো ছাত্ৰ যাতে ঘূৰি নুফুৰে তালৈ নজৰ ৰাখিছিল। পিপলীখনা দলঙত অকলে বা জুম পাতি এনেযে বহি থকা ল'ৰাক তাগাদা কৰিছিল। ল'ৰা যাতে জিৰণিৰ পিছত বাহিৰে বাহিৰে ওচি নাযায়— পুনৰ শ্ৰেণীলৈ আহে তাৰবাবে তেজপুৰৰ প্ৰধান শিক্ষক ৺গকুল চন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ আৰ্হিৰে জিৰণিৰ পিচৰ ঘণ্টাতে হাজিৰা বহীত পুনৰ উপস্থিতিৰ চিন দিয়াৰ নিয়ম কৰিছিল।

শিক্ষক মণ্ডলীত চোকা, মনেমিলা, গুণী, সমভাৱাপন্ন শিক্ষক

আছিল। এই বিদ্যালয়ৰ পৰা পাছ কৰি যোৱা ছাত্ৰও আছিল। গতিকে স্কুল ৰ ৰ কৈ চলিছিল। গাঁথি লগা কথাবোৰ প্ৰথমতে তেখেতৰ পিছতে মই কাৰণে মোৰ লগত আলোচনা কৰি প্ৰবীণ সকলৰ লগত কৰিছিল। তাৰ পিছত সকলোৰে অনুমোদন সাপেক্ষে সিদ্ধান্ত লৈছিল।

কিবা নতুন কৰিব বা কৰ লগা হলে তেখেতে ঘৰুৱা ভাৱে পৰামৰ্শ লৈছিল হাততে পোৱা "সক খুড়াক" শ্ৰীযুত কমলা ভাগৱতীৰ লগত। ৰাজনৈতিক কথাবোৰ সুধিবলৈতো শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতী দেৱক পোৱাই হৈছিল।

তেখেত বৰ অধ্যৱসায়ী আছিল। শ্ৰমৰ মৰ্য্যাদা দিছিল। সূতাটো কাটিছিলেই। পাচফালৰ পথাৰকণত ৰৱকটকী ভাতৃদ্বয়ে ৰোৱা দোৱাও কৰিছিল। আগফালৰ বাৰীডোখৰত কুঁহিয়াৰ কই গুৰ কৰি আত্মতুষ্টি লভিছিল। চোতালৰ আগৰ ঠাইখিনিত ৰাসায়নিক সাৰ দি বিয়াগোম বন্ধাকবি কৰি শ-ৰ হিচাৰতহে টকা পাইছিল। এই উৎপন্নৰ কথা আমাক কৈ বা খুৱাই বং পাইছিল।

স্বামী আৰু পিতৃ হিচাবেও তেখেত বৰ মৰমিয়াল আৰু উদাৰ আছিল। শিশু শিক্ষাৰ বিষয়ে মাজে মাজে মোক মাতি নি আলোচনা কৰিছিল। এই বিষয়ে ময়ো জানো বুলি ভাবি।

উৎসৱ পৰ্ব আদিত সদায় আমাক মাতিছিল। আবেলি স্কুলৰ পৰা গৈ সাধাৰণতে তেখেতে গাজীবুট নাৰিকল আৰু আখৈগুৰি গাখীৰত খাইছিল। মই ঘৰুৱা বাবে বৰঘৰত একে জলপান পাইছিলো। আন আহিলে চ'ৰা ঘৰ বা মাৰলত যথাযোগ্য জলপান পাইছিল। পিতাদেৱেক ঢুকুৱাৰ পিছত ঘৰৰ শালেগ্ৰাম দিনে ধুৱাৰ লগাত নীতি কাষ্টীও মানি চলিছিল। যি ভাল বুলি শিক্ষা লাভ কৰিছিল তাকে জীৱনত খটুৱাইছিল আৰু খটুৱাবৰ চেষ্টা কৰিছিল— সফল হৈ, আনলৈ

উদাহৰণো ৰাখি গৈছে।

এজন মানুহৰ বহল জীৱনটোৰ কথা লিখিবলৈ লিখনী থমকি নবয়। তাৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

বৰকটকীদেৱৰ সময়ানুবৰ্ত্তিতা সৰ্ব্বজন বিদিত। তেখেতৰ অধ্যাপনাৰ জন্ম লগ্নৰে পৰা অৱসৰ পোৱালৈকে প্ৰতিদিনেই স্কুল বহাৰ কাঁটাই কাঁটাই ১৫ মিনিট আগতে হাজিৰ হয়ই। এক চেকেণ্ডৰ হেৰফেৰ নাই। সকলো কাম দিনসূচী সময় নিৰ্ঘণ্টৰে বন্ধা। এবাৰ বিদ্যালয়ৰ বাৰ্ষিক অধিবেশন ঠিক একবজাত হব লগা আছিল। উদ্বোধন মন্ত্ৰী ত্ৰিপাঠী আহি পোৱা দুই মিনিট পলম হ'ল। বৰকটকীদেৱে পৰিচালনা সমিতিৰ সভাপতিৰ দ্বাৰা সভা সময়মতে আৰম্ভ কৰোৱাই সকলোকে স্তম্ভিত কৰিলে। কথা গোটেই অসম বিয়পিল।

ইচ্ছা কৰা হ'লে বৰকটকীদেৱ ডাঙৰ চাকৰিয়াল বা মন্ত্ৰী বিধায়ক সহজেই হব পাৰিলেহেঁতেন। কিন্তু শিক্ষকতাকে আদৰি লৈ জীৱনৰ দিন কটাই দিলে।

ঘৰুৱা বিষয়ে কবলৈ হ'লে— পৰিবাৰ বিয়াৰ পিচৰে পৰা বাত ৰোগাক্ৰান্ত। নানা চিকিৎসা কৰিও সম্পূৰ্ণ ভাল নহ'ল। ল'ৰা সন্তান নাই। কিন্তু ছোৱালী চাৰিজনীকে সমানে সুযোগ্যা কৰিলে। ডেকা কালত দাদাৰক বাগিছাত থাকে। ভায়েক বীৰেন শিৱসাগৰত। ফলত ঘৰুৱা সকলো দায়িত্ব তেখেতেই মূৰ পাতি ল'ব লগা হৈছিল।

তেখেত সাংবাদিকো আছিল। এমাৰ কামৰ মাজতো বাতৰি সংগ্ৰহ কৰি ফুৰিছিল। জীৱন বীমাৰ পলিচি কৰোৱাত জিলাত প্ৰথম হৈছিল।

মৃত্যুৰ আগলৈকে কণকণাই চাইকেলেৰে ঘূৰি ফুৰা কৰ্মঠ তেজী মানুহজন এনেভাৱে হঠাতে মোহোৰা হৈ যাব ই ভাবিব নোৱাৰা কথা।

ক্ষণৰ দাবীত পৃথিৱীত ক্ষণজন্মা লোক ওপজে। বৰকটকী ডাঙৰীয়াকো মই চতিয়াৰ ক্ষণজন্মা লোক বুলিব খোজো। এইটো সময়ত চতিয়াত এনে এজন ব্যক্তিৰ প্ৰয়োজন বুজিয়েই ভগৱানে তেখেতক পঠিয়াইছিল আৰু ইচ্ছা কালৰ অন্তত ঘূৰাই লৈ গ'ল। থাকি গ'ল চতিয়াবাসীৰ মনত স্মৃতিমধুৰ কথাবোৰ। জগতত এনেকুৱাই হয়।

মই তেখেতক শেহতীয়া ভাবে লগ পাওঁ যোৱা বহাগ বিহুৰ পিছত আমাৰ চতিয়াল গাঁৱত বহা "খৰঙীলাট"ৰ ৰূপালী জয়ন্তীত। শ্ৰীযুত বিজয় চন্দ্ৰ ভাগৱতী, শ্ৰীযুত মহেন্দ্ৰ নাথ বৰকটকী, শ্ৰীবীৰেন্দ্ৰ নাথ বৰকটকী ডাঙৰীয়া এই তিনিওজন ৰাষ্ট্ৰীয়, জাতীয় আৰু আঞ্চলিক নেতাৰ লগত মোকো মাতিছিল বাইজে। মোৰ বক্তৃতাৰ পিচতে কিয় জানো কি ভাবি কেতিয়াও নকৰা কাম তেখেতে মোৰ মূৰত সোঁহাতখন ৰাখিছিল। হয়তো শুভ ইচ্ছাৰ প্ৰতীক।

তাৰ পৰা এমাহ নৌহওঁতেই হঠাৎ এদিন শুনিলো তেখেত আৰু নাই। মোৰ বিস্ময়ৰ সীমা নৰ'ল।

ইমান তেজী, ইমান কৰ্মঠ, ইমান স্বাস্থ্যবান মানুহজন হঠাৎ এনেকৈ নাইকীয়া হব পাৰে অবিশ্বাস্য।

কিন্তু হ'লেও সত্য। মোৰ মনত এটা মাত্ৰ কথাই দোলা দি থাকিল— "মোমাদেউ, আজি অতকাল চতিয়াক আপোনাৰ হাতত গতাই নিশ্চিন্ত আছিলো, আজি তাৰ ছন্দ পতন হ'ল।"

হয়তো এটা যুগৰ পৰিসমাপ্তি হ'ল। সেইটো যুগৰ প্ৰমূল্যৰ

প্ৰয়োজন হয়তো শেষ হ'ল। হয়তোবা সেই প্ৰমূল্য ইস্পাত হৈ গ'ল। নিৰ্ণায়ক হব চতিয়াৰ উত্তৰ পুৰুষ।

হিন্দীত এটা কথা আছে যে— সূৰ্য্যৰ পোহৰ স্বচ্ছ কাঁচৰ মাজেদিহে প্ৰতিবিম্বিত হয়— লোহাৰ মাজেদি নহয়। মাধৱদেৱ গুৰুৱেও কৈছে—

উত্তমে উত্তম গুণ লৱয় মধ্যমে গুণ
দোষ লয়ে কৰিয়া বিচাৰ।

আমাৰ উত্তৰ পুৰুষো যাতে আয়নাৰ দৰে গুণগ্ৰাহী উত্তম পুৰুষ হৈ তেখেত সকলৰ "চাৰ"ৰ শ্ৰদ্ধাঞ্জলি হয়।

আজি তেখেতৰ মৃত্যু বাৰ্ষিকীত ময়ো বেদনাকাতৰ অন্তৰেৰে সেই অঞ্জলিকেই যাচিছো। তেখেতৰ বিদেহী অমৰ আত্মাই শান্তি পাওক।

"সৰ্ব্বে সুখিনো ভবন্তু
সৰ্ব্বে সন্তু নিৰামায়া
সৰ্ব্বে ভদ্ৰানি পশ্যন্তু
মা কশ্চিৎ দুঃখম আপ্নুয়াৎ।"

বৰকটকী ছাৰক মই যেনেদৰে জানো

ডঃ যজ্ঞেশ্বৰ হাতীবৰুৱা

১৯৪১ চন। আমি সেই বছৰ পোনপ্ৰথমে চতিয়া হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষা দিম। আমি প্ৰথম 'বেংছ' নহয়। আমাৰ ৰিজাল্টৰ ওপৰত ভিত্তি কৰি আমাৰ পিছৰ বছৰত চতিয়া হাইস্কুল হোৱা নোহোৱা সিদ্ধান্ত হব। আমাৰ দিনত বি, এছ, ছি পাছ মানুহ দেখা পোৱাও সৌভাগ্যৰ দৰে। বি, এছ, ছি ৺উগ্ৰমল কাকতি ছাৰে এডিছনেল মেথেমেটিকছ খতম কৰি গুছি গ'ল। আমাৰ দিনত যদি কোনোবাটো গণিতৰ সমস্যা সমাধান কৰিব নোৱাৰো— তেন্তে তেজপুৰলৈ আহিব লাগিছিল! তেনেতে বৰকটকী ছাৰে কামত সোমাল। আমি দূৰৰ পৰা দেখিলো ছাৰে অন্যান্য শ্ৰেণীত পঢ়োৱা। ধীৰ, স্থিৰ ছাৰ!

বি, এছ, ছি পাছ কৰি যেতিয়া চতিয়া হাইস্কুলত বিজ্ঞান শিক্ষক হিচাবে কামত সোমালো তেতিয়া ছাৰ আছিল হেড মাষ্টৰ। ছাৰ পুৰাদমে কংগ্ৰেছী—একেবাৰে গোড়া। আমি কংগ্ৰেছ এৰিছো মাত্ৰ। ছাৰ আকোৰ গোজ আছিল। নিজে ভাল বুলি ভবা কামৰ বাবে একোলৈকে কেৰেপ নকৰি আগুৱাই গৈছিল। এবাৰ চাৰৰে মোৰে তুৰ্বাদল কাজিয়াও লাগিল—ৰাজনৈতিক কাজিয়া। কাজিয়াৰ পাছতো ছাৰে কৰা মৰমৰ ব্যৱহাৰ আজিও পাহৰিব পৰা নাই।

বহুত দিনৰ পিছত যেতিয়া এম, এছ, ছি পৰীক্ষাত ফাৰ্ষ্ট ক্লাছ পালো—ছাৰে টেলিগ্ৰাম আৰু চিঠিৰে অভিনন্দন জনালে। সহজ সৰল ভাবে জীৱন নিৰ্বাহ কৰি ছাৰে চতিয়াৰ শিক্ষাৰ ক্ষেত্ৰতে নহয় অন্যান্য জনহিতকৰ কামতো সদায় আগৰণুৱা আছিল। ৺ডম্বৰু ধৰ

ৰবা ছাৰে এৰি থৈ যোৱা চতিয়া হাইস্কুল, বৰকটকী ছাৰে এপদ-ছুপদকৈ বস্তু গোটাই অসমৰ ভিতৰত লেখত লবলগীয়া বিদ্যালয়ৰ পৰ্য্যায়লৈ তুলিলে। ছাৰৰ যত্নতে চতিয়া কন্যা বিদ্যালয়খন প্ৰতিষ্ঠা হ'ল বুলিব লাগে।

কন্যা বিদ্যালয়ৰ প্ৰস্তাৱৰ দিনটো আজিও মোৰ মনত সেউজ হৈ আছে। সেই মাহৰ পাচতে চতিয়া হাইস্কুলৰ ছোৱালীখিনি লৈ গৈ ছোৱালী হাইস্কুল পতাৰ প্ৰস্তাৱ কৰা হয়। প্ৰস্তাৱৰ সপক্ষে মাত্ৰ আমাৰ স্বৰ্গীয় মোমাইদেউ আৰু মই নাছিলো। হঠাতে লৈ গলে ছোৱালীখিনি বিপদত পৰিব বুলি আমি কৈছিলো। ছাৰৰ প্ৰস্তাৱ ভোটত দিয়াত প্ৰস্তাৱ জিকি গ'ল। এফালে বোধহয় ৩১ আৰু আনফালে ২। মাহৰ শেষ হ'ল। এক তাৰিখে পঢ়াবলৈ গৈ ক্লাচৰ পৰা ঘূৰি আহিলো—ছাৰক ক'লো— ছাৰ, ছোৱালীবোৰ আজিৰ পৰা ক্লাচলৈ আহিব নেলাগে, নহয়? ছাৰে কলে— বহা, ছোৱালী স্কুল আজি নহয়, কাইলৈ হবই। প্ৰস্তাৱটো পাছ কৰি থোৱা গ'ল যেতিয়া— এতিয়া আৰু ভয় নাই।

উগ্ৰতাৰ লগত ছাৰৰ সম্পৰ্ক নাছিল। খং উঠিলে মাত্ৰ ৰঙা পৰে। যি সময়ত ছাৰে বি, এছ, ছি পাছ কৰিছিল— ইচ্ছা কৰা হলে — যি কোনো উচ্চ পদবীৰ চাকৰিৰ কাৰণে ছাৰ উপযুক্ত হ'ল-হেঁতেন। কিন্তু চতিয়া হাইস্কুলত সোমাল,—তেতিয়া দৰমহাৰ পৰিমাণ ইমান কম যে আজিৰ দিনত হাঁহি উঠিব। মাহে পোন্ধৰ টকা হলে কটনৰ হোষ্টেলত থকা খোৱা হৈ যায়। গতিকে মাহে ৪০/৫০ টকাৰ চাকৰী বহুত দামী। অসমত মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ নাছিল। ই, এ, ছি; এছ, ডি, চি, আই, চি, এছ— এইবোৰ সৰ্ব্ব-সাধাৰণৰ পৰা বহুত ওপৰত। ছাৰে এইবোৰলৈ চেষ্টা কৰিলে যাব পাৰিলেহেঁতেন। নগল। এটা ত্যাগী জীৱন—ৰাইজৰ মাজত জীয়াই থাকিল— স্মৃতি। ***

শ্ৰদ্ধেয় মহেন্দ্ৰনাথ বৰকটকী—
মই তেখেতক যেনে ধৰণেৰে জানো

—যতীন হাজৰিকা

এজন ছাত্ৰ হিচাবে নিজৰ শ্ৰদ্ধেয় শিক্ষকৰ বিষয়ে দু'আষাৰ লিখিবলৈ সুযোগ পোৱাটো সৌভাগ্যৰ কথা! শ্ৰদ্ধেয় ৺মহেন্দ্ৰনাথ বৰকটকী দেৱক মই প্ৰথম শিক্ষক হিচাবে পাওঁ ১৯৪১ চনত। তেতিয়া মই চতিয়া হাইস্কুলৰ ৫ম মান শ্ৰেণীৰ (class v)ৰ ছাত্ৰ। তেখেতে বোধকৰো সেই বছৰেই গুৱাহাটীৰ কটন কলেজৰ পৰা বি, এচ, চি পৰীক্ষা DISTINCTION সহ পাচকৰি চতিয়া হাইস্কুলত বিজ্ঞান আৰু অংকৰ শিক্ষক হিচাবে যোগদান কৰে। ১৯৪২ চনৰ আগষ্ট বিপ্লৱ আৰম্ভ হোৱাৰ আগে আগে মই ৭ মান শ্ৰেণী (class VII) লৈ উত্তীৰ্ণ হওঁ আৰু তেতিয়া তেখেতে আমাক বিজ্ঞান আৰু অংক পঢ়াবলৈ আৰম্ভ কৰে। তেতিয়া চতিয়া হাইস্কুলৰ প্ৰধান শিক্ষক আছিল শ্ৰদ্ধেয় ৺ডম্বৰুধৰ বৰা দেৱ, ৺বৰাদেৱ এজন সুদক্ষ প্ৰশাসক আৰু নিয়মানুৱৰ্তিতা প্ৰিয় প্ৰধান শিক্ষক আছিল। তেখেতে চতিয়া হাইস্কুলক সকলো পিনৰে পৰা আদৰ্শ স্কুল হিচাবে গঢ়ি তুলিবলৈ অপ্ৰাণ চেষ্টা কৰিছিল। সেই সময়ত পূবে হাৱাজানৰ পৰা পশ্চিমে ভৰলী নদীলৈকে কেৱল চতিয়াতে হাইস্কুল আছিল—সেই কাৰণে চতিয়াৰ উপৰিও জামুগুৰি, গহপুৰ, বিহালী আদিৰ ছাত্ৰও চতিয়া হাইস্কুলত পঢ়িবলৈ আহিছিল।

১৯৪২ চনৰ ৯ আগষ্টত আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা আন্দোলন গোটেই দেশতে বিয়পি পৰে আৰু ইয়াৰ ফল স্বৰূপে চতিয়া হাইস্কুলৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে স্কুল বৰ্জ্জন কৰে। ৺বৰকটকী দেৱকে ধৰি তেতিয়াৰ চতিয়া হাইস্কুলৰ কেইবাজনো শিক্ষকে এই আন্দোলনত

যোগ দিয়ে আৰু তাৰ ফলত গ্ৰেপ্তাৰ হয়। ১৯৪২ চনৰ গণ বিপ্লৱৰ ফল স্বৰূপে চতিয়া হাইস্কুল বন্ধ হৈ যায়। কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ পিচত ১৯৪৪ চনৰ শেষৰ ফাললৈ ৺বৰকটকী দেৱ চতিয়ালৈ আহি চতিয়া হাইস্কুলত প্ৰধান শিক্ষক হিচাবে যোগদান কৰে। তেখেতৰ প্ৰচেষ্টাৰ ফল স্বৰূপেই চতিয়া হাইস্কুলত পঢ়া শুনা আকৌ আৰম্ভ হয়। ১৯৪৪ চনত মই তেজপুৰ চৰকাৰী হাইস্কুলৰ নবম মান শ্ৰেণীৰ (class IX) পৰা গৈ আকৌ চতিয়া হাইস্কুলত ভৰ্ত্তি হওঁ। বহুদিন ব্যৱহাৰ নোহোৱাকৈ পৰি থকাৰ ফলত স্কুলৰ ঘৰ দুৱাৰ আদি ভাগি ছিগি গৈছিল। শ্ৰেণী বহা কোঠাৰ সম্পূৰ্ণ বেৰ নাছিল—আনকি আগৰ শিক্ষক সকলো দিহা দিহি আঁতৰি গৈছিল। এনে এটা অৱস্থাত গোটেই স্কুল খনতে বৰকটকী দেৱেই আছিল একমাত্ৰ গ্ৰেজুৱেট শিক্ষক। তেখেতে প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰাৰ উপৰিও, ওপৰৰ শ্ৰেণীত বিশেষকৈ ৯ম মান আৰু দশম মান শ্ৰেণীত অংক,ইংৰাজী, সংস্কৃত আদি বিষয়ে পাঠদান কৰিব লগীয়া হৈছিল। মোৰ ককাদেউতা ৺হেমধৰ বৰুৱা দেৱ প্ৰায় আজীৱন কাল চতিযা হাইস্কুলৰ পৰিচালনা সমিতিৰ সভাপতি আছিল। সেই কাৰণে ৺বৰকটকী দেৱ প্ৰায়েই আমাৰ ঘৰলৈ আহিছিল আৰু ৺ককাদেউতাৰ লগত স্কুল খনৰ বিষয়ে আলোচনা কৰিছিল। গতিকে চতিয়া হাইস্কুল পুণৰ্জ্জীবিত কৰাত ৺বৰকটকী দেৱৰ অবদানৰ বিষয়ে ঘনিষ্ঠ ভাৱে জনাৰ মোৰ সৌভাগ্য হৈছিল। টকা পইচা নোহোৱা, ভগা ঘৰ দুৱাৰৰ শিক্ষক বিহীন এই স্কুল খনৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজৰ পঢ়া-শুনাত অকনো অসুবিধা নেপায় তাৰ কাৰণে তেখেতে অশেষ কষ্ট কৰিছিল। মেট্ৰিক পৰীক্ষাৰ্থী ছাত্ৰ-সকলক স্কুলত পাঠদান কৰাৰ উপৰিও ৰাতিপুৱা বিনাপাৰিশ্ৰমিকেৰে বিশেষ ভাৱে শিক্ষা দান দিছিল। সেই সময়ত স্কুলৰ লাইব্ৰেৰীৰ অৱস্থা শোচনীয় আছিল। তথাপি স্কুলৰ তেনেই সীমিত পুঁজিৰ পৰাও নতুন কৈ প্ৰকাশ হোৱা কিতাপ পত্ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বাহিৰা কিতাপ পঢ়াৰ আগ্ৰহ সৃষ্টি কৰিছিল। সেই সময়ত অসমত inspector of

schoolৰ অধীনত একোটাকৈ চলন্ত লাইব্ৰেৰী আছিল। তেখেতে প্ৰায়েই এই চলন্ত লাইব্ৰেৰী চতিয়া হাইস্কুললৈ দিছিল আৰু এই লাইব্ৰেৰীৰ কিতাপ যাতে তেখেতৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়িব পাৰে তাৰ ব্যৱস্থা কৰিছিল। তেতিয়াৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে তেখেতে কৰা কষ্টৰ কথা কোনেও পাহৰিব নোৱাৰে আৰু মোৰ দৰে আন আন ছাত্ৰ-ছাত্ৰী সকলো তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিব লাগিব।

৺বৰকটকীদেৱৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলতে তেনে এটা নিঃকিন অৱস্থাৰ পৰা চতিয়া হাইস্কুল আজিৰ নদন-বদন অৱস্থাত উপনীত হব পাৰিলে। তেখেতে শয়নে সপোনে কেৱল এই স্কুল খনৰ উন্নতিৰ কথাই চিন্তা কৰিছিল। মই চতিয়া হাইস্কুল এৰাৰ পিচতো বৰকটকীদেৱৰ লগত মোৰ ঘনিষ্ঠ যোগাযোগ আছিল। কলিকতা বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাত দীঘলীয়া বন্ধত চতিয়ালৈ যাওঁতে তেখেতৰ আদেশত এবাৰ দুবাৰ মযো অস্থায়ী ভাবে চতিয়া হাইস্কুলত শিক্ষকতা কৰিছিলো। মোৰ চাকৰি জীৱনতো তেখেতৰ লগত ঘনিষ্ঠ সম্বন্ধ আছিল। মই চতিয়ালৈ অলপ সময়ৰ কাৰণে গলেও কেতিয়াও তেখেতক লগ নোপোৱাকৈ নাহিছিলো আৰু তেখেতেও মই চিলং আৰু গুৱাহাটীত সচিবালয়ত চাকৰি কৰা সময়ত চিলং, গুৱাহাটীলৈ আহিলে লগ পাইছিল। তেতিয়াও দেখিছিলো যে তেখেতে তেখেতৰ চিলং বা গুৱাহাটী ভ্ৰমণটো স্কুলখনৰ উন্নতিৰ হকে নানা জনক লগ ধৰি ফুৰিছিল।

ভাৰতৰ মুক্তি আন্দোলনৰ যুজাৰু হিচাবে স্বাধীনতা লাভ কৰাৰ পাছত বৰকটকীদেৱে তেখেতৰ শিক্ষাগত অৰ্হতা আৰু কাৰ্য্য-দক্ষতাৰ বলত চৰকাৰৰ ঘৰত উচ্চ বিষয় বাব লাভ কৰা অকণো কঠিন নহ'ল হেঁতেন। কিন্তু তেখেতে চতিয়া হাইস্কুলখন ইমান ভাল পাইছিল যে এই স্কুল এৰি ব্যক্তিগত উন্নতি বা গৰিমাৰ আশাত আনফালে যোৱাৰ কথা কল্পনা কৰিবলৈ টান পাইছিল।

চভিয়া হাইস্কুলৰ প্ৰতি থকা স্নেহ আৰু দায়বদ্ধতাৰ কাৰণে তেখেত কোনো কালে বগৈ কেৱল এই স্কুলখনতে লাগি আছিল—যদিও সেই সময়ত চভিয়া হাইস্কুলৰ প্ৰধান শিক্ষক হিচাবে তেখেতৰ মাহিলি বেতন আছিল মাত্র ৬০ নে ৭০ টকা।

মই বৰকটকী দেৱৰ ওচৰত চিৰঋণী এই কাৰণেই যে তেখেতে মোক গীতাৰ এযাৰ গভীৰ বাণী উপলব্ধি কৰাৰ জ্ঞান দিছিল আৰু এইষাৰ হৈছে :

গুণৈৰ্দ্ধএমতাং যান্তি নোচ্ছৈৰাসম সংস্থিতঃ

অৰ্থাৎ নিজৰ অধ্যৱসায়ৰ জৰিয়তহে মানুহে প্ৰতিষ্ঠা লাভ কৰিব পাৰে— আনৰ সহায়ত নহয়।

এনে এজন গুৰুৰ চৰণত শিক্ষা লাভ কৰাৰ সুযোগ পোৱাৰ বাবে মই নিজকে ধন্য বুলি ভাবো। শ্ৰদ্ধেয় বৰকটকীদেৱৰ প্ৰথম মৃত্যু তিথিত তেখেতৰ প্ৰতি মই আকৌ এবাৰ মোৰ আন্তৰিক প্ৰণিপাত আগবঢ়ালো। আশাকৰো চভিয়াৰ যুব সম্প্ৰদায়ে এই মহান গুৰুজনৰ আদৰ্শ শিৰোগত কৰি সমাজৰ বিভিন্ন দিশত নিজৰ কৃতিত্বৰে তেখেতক অমৰ কৰি ৰাখিব। OOO

মহেন্দ্ৰনাথ বৰকটকীক

মই যি দৰে জানিছিলো

—গোলোক ৰাজবংশী

বৰকটকী দেৱক দাদা বুলি মাতিছিলো মোৰ সহপাঠী ভায়েকে যেনেকৈ সম্বোধন কৰিছিল তেনেকৈয়ে। দাদাক পাইছিলো এজন ছাত্ৰ অনুষ্ঠানৰ সক্ৰিয় কৰ্মী হিচাবে, পাইছিলো চতিয়া মণ্ডল কংগ্ৰেছ তেজপুৰ জিলা কংগ্ৰেছ আৰু অসম প্ৰদেশ কংগ্ৰেছত সহকৰ্মী হিচাবে; তেখেতৰ নিয়মীয়া ছাত্ৰ নহলেও ছাত্ৰ হিচাবে এজন আদৰ্শ শিক্ষকৰ সান্নিধ্যলৈ আহি তেখেতক সমীহ কৰি চলিছিলো। তেখেতৰ কৰ্ত্তব্য-বোধ নিয়মানুবৰ্ত্তিতা আৰু সময়ৰ প্ৰতি থকা দায়িত্ববোধৰ কাৰণে; তেখেতৰ বেচি ওচৰ চাপি গৈছিলো, মোক বীৰেণৰ দৰেই ভাতৃসম ব্যৱহাৰ কৰি সদায় উপদেশ, মৰম আৰু আশীৰ্ব্বাদ দিয়াৰ কাৰণে। অন্যায়, অনিয়ম আৰু অনীতিৰ পৰা আতৰি থকা গান্ধীবাদী পুৰুষ জনক আমি এজন আদৰ্শ শিক্ষক, নিভাজ নিস্বাৰ্থবান কংগ্ৰেছ কৰ্মী আৰু এজন ব্যক্তি হিচাবে সদায় 'দাদাক' শ্ৰদ্ধাৰে চাইছিলো।

১৯৩৮ চন। চতিয়া হাইস্কুলত পঢ়িবলৈ শলাল গাঁৱত থাকি সেই স্কুলৰ ছাত্ৰ হৈ পঢ়িছিলো। স্কুললৈ আহোঁতে ৰগলিবাৰীত থকা 'দাদা'হঁতৰ ঘৰখনত সদায় সহপাঠী বীৰেণৰ লগত স্কুললৈ যাওঁতে সোমাই গৈছিলো। চতিয়াৰ ৰাজনীতি, খেলা-ধূলা, সাংস্কৃতিক সামাজিক জীৱনত অঙ্গ হৈ পৰিছিলো।

তেতিয়া জাতীয় আন্দোলনৰ চূড়ান্ত পৰ্য্যায়। দ্বিতীয় মহাযুদ্ধৰ সময়ত বৃটিছৰ বিৰুদ্ধে চৰম আঘাট হানিবৰ কাৰণে গান্ধীজীৰ

নেতৃত্বত দেশক সাজু কৰা হৈছে। আমি তেতিয়া স্কুলৰ ছাত্ৰ। 'দাদা' তেতিয়া কলেজৰ ছাত্ৰ। আমি ছাত্ৰ সন্মিলনত সক্ৰিয় সদস্য হিচাবে সদায় খদ্দৰৰ কাপোৰ পিন্ধিবলৈ আৰম্ভ কৰি ৰাজনৈতিক বিষয়ৰ সভা-সমিতিত যোগদান কৰিবলৈ আৰম্ভ কৰিলো। দাদা যেতিয়া বন্ধত ঘৰলৈ আহে লগ পাওঁ—দেশৰ কথা আলোচনা কৰো কাৰণ দাদাও ছাত্ৰ সন্মিলনৰ সক্ৰিয় কৰ্মী—তেজপুৰ জিলা ছাত্ৰ সন্মিলনীৰ সভাপতি আছিল।

টেষ্ট দিয়াৰ আগে আগে দাদা আহি চতিয়া হাইস্কুলৰ অঙ্ক বিষয়ৰ শিক্ষক হিচাবে যোগদান কৰে।

চতিয়া হাইস্কুলত তেতিয়া স্থায়ী শিক্ষকৰ অভাৱ। অঙ্ক বিষয়ত প্ৰায়েই শিক্ষকৰ অভাৱ হৈছিল। আমাক ভাল বুলি আনে বিশ্বাস কৰিছিল যদিও টেষ্টত অঙ্কত বেছি নম্বৰ নোপোৱাত আমাৰ ভয় হৈছিল মেট্ৰিকত ভাল ফল দেখুৱাব নোৱাৰিম বুলি। টেষ্টৰ পাচত আমি চাৰিজন ছাত্ৰই, বীৰেণ, কমলা বৰা, শিৱ সাহা আৰু মই বীৰেণহঁতৰ ঘৰত পুৱা দহ বজাৰ পৰা আবেলি ৩/৪ বজালৈ অঙ্ক, বীজগণিত আৰু জ্যামিতি পঢ়াত জোৰ দিওঁ। শিক্ষক *Essentials of Mathematics* নামৰ কিতাপখন। কেতিয়াবা বুজো, কেতিয়াবা নুবুজো। সমস্যা আছিল *Equation* কৰাত। ধৰিলোৱা *H* কেনেকৈ আহিল। দাদাৰ ওচৰ চাপিলো। *Equation* এনেকৈ পানী কৰি বুজাই দিলে যেন আমাৰ অঙ্ক শাস্ত্ৰৰ জ্ঞান সেই দিনাহে আৰম্ভ হয়। উৎসাহিত হলো যাদৱ পাটীগণিত, বীজগণিত, স্কুল জ্যামিতি শেষ কৰি দিলো।

আহিল ১৯৪২ চনৰ আগষ্ট বিপ্লৱ। দেশৰ লগতে চতিয়া হাইস্কুলৰ বহুতো শিক্ষক আৰু ছাত্ৰই আন্দোলনত জপিয়াই পৰিল। স্কুল সম্পূৰ্ণ বন্ধ হৈ গ'ল। চতিয়াত হোৱা ৰাজহুৱা সভা আৰু

শোভাযাত্ৰাত শিক্ষক আৰু ছাত্ৰই আগভাগ ললে। শোভাযাত্ৰাকাৰীয়ে চতিয়া থানাৰ চৌহদত কংগ্ৰেছৰ পতাকা উত্তোলন কৰিলে।

কেইদিনমানৰ পাচতে চতিয়া হাইস্কুলৰ কেইবাজনো শিক্ষক আৰু ছাত্ৰৰ লগতে মহেন্দ্ৰ দাদাকো পুলিচে গ্ৰেপ্তাৰ কৰিলে। মই ৰাতীৰ মাজেদি পলাই গৈ কৰতিগাওঁ পাৰ হৈ পোৰাল আৰু কমলক খবৰ দিলো। সিহঁত পলাল। পোৰাল কিছুদিনৰ পাছত ধৰা পৰিল। মই পলাতক হৈ থাকিলো। মাজে মাজে বীৰেণহঁতৰ ঘৰলৈ যাওঁ। ঘৰখন নিমাওমাও। একেঘৰৰে তিনিজন মহেন্দ্ৰ দাদা, বীৰেণ আৰু কোষেশ্বৰী বাইদেউ জেলত। প্ৰায় ডেৰ বছৰৰ পাচত পুলিচে মোকো গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে। মোৰ বিচাৰ হয়। বিচাৰত খালাচ পাওঁ। ইতিমধ্যে বীৰেণ জেলৰ পৰা ওলাই আহিছে— কিছুদিনৰ পাচত দাদাও ওলাল। এতিয়া কি কৰো। বীৰেণহঁতৰ লগত আলোচনা কৰিবলৈ চতিয়া পালোগৈ। দাদাই আমাক বেনাৰচত পঢ়িবলৈ কলে, এদিন, বীৰেণ আৰু মই কাশীবিদ্যালৰ ছাত্ৰ হলোগৈ।

কটনৰ পৰা বি, এ দি আহিয়েই জামুগুৰি হাইস্কুলৰ শিক্ষক হলো। বীৰেণেও শিক্ষক হিচাবে যোগ দিলে সেই স্কুলতে।

দেশ স্বাধীন হ'ল। বীৰেনে এম, এ, পাচ কৰি শিবসাগৰ কলেজত যোগ দিলে। বহুতে বহুতো সুবিধা ল'লে, ভাল চাকৰি যোগাৰ কৰিলে। কিন্তু দাদাই— চতিয়া স্কুলৰ শিক্ষক হৈয়ে ৰ'ল।

ছাত্ৰৰ লগত দাদাৰ সম্পৰ্ক অকল শিক্ষক ছাত্ৰৰ সম্পৰ্কই নাছিল। তেখেতে যি বিলাক ছাত্ৰৰ তীক্ষ্ণ বুদ্ধি দেখিছিল, যিবিলাকে পৰীক্ষাত ভাল নম্বৰ পাইছিল— সেই বিলাকৰ প্ৰতি দৃষ্টি ৰাখিছিল। চতিয়া হাইস্কুলৰ কোনজন ছাত্ৰই কোন বছৰত কি বিষয়ত ভাল নম্বৰ পাইছিল আঙুলিৰ মূৰত হিচাব আছিল। চতিয়া হাইস্কুলৰ পৰা পাচ কৰি কোন ছাত্ৰই কি বিভাগত কেনেধৰণে উন্নতি কৰিছে

তেখেতে সদায় মনত ৰাখিছিল।

তেখেতে শিক্ষক হিচাবে চতিয়াৰ হাইস্কুল উচ্চতৰ মাধ্যমিক স্কুললৈ উন্নীত হোৱাত অধ্যক্ষ হিচাবে কাম কৰিছিল। কিন্তু কৃতী শিক্ষক হিচাবে লাভ কৰিছিল ৰাষ্ট্ৰীয় পুৰস্কাৰ। তেখেত ৰাজনীতিত আছিল কিন্তু কোনো দিনে ৰাজনৈতিক বিশেষ সুবিধা লোৱা নাছিল। কংগ্ৰেছৰ আদৰ্শ ব্যক্তিগত জীৱনতো অনুসৰণ কৰি চলিছিল। তেখেত কিমান সৎ আছিল এটা সৰু উদাহৰণৰ পৰাই বুজিব পাৰি। এদিন স্কুলৰ চকীদাৰ তেখেতৰ ঘৰলৈ আহিছিল। কিবা বস্তুৰ অভাব হোৱাত মাকে চকীদাৰক এচৰৰ দোকানলৈ পঠালে। দাদাই কথাটো গম পাই মাকক খং কৰি কেতিয়াও স্কুলৰ চকীদাৰক ঘৰুৱা কামত লগাবলৈ মানা কৰি দিলে। সময়ৰ প্ৰতি সদায় তেখেত সচেতন আছিল। তেখেতে আহ্বান কৰা সভা সমিতিলৈ কোনো বিশেষ ব্যক্তিক আহ্বান কৰিলেও—সেই ব্যক্তিজন যদি সময়মতে হাজিৰ নহয়— তেখেতে অপেক্ষা নকৰি অন্য এজনক দি কাম আৰম্ভ কৰিছিল।

বীৰেণহঁতৰ ঘৰত আছিল দাদা গান্ধীবাদী কংগ্ৰেছ, বীৰেণ চলিযেলিষ্ট আৰু ভতিজা দক্ষ কমিউনিষ্ট। তিনিটা আদৰ্শৰ ঘৰ একেখন। সেইটো আছিল চতিয়াৰ বৈশিষ্ট্য— হিন্দু, মুছলমান, অসমীয়া বঙালী, হিন্দুস্থান, কংগ্ৰেছ, কমিউনিষ্ট, মাৰ্ক্সিষ্ট সকলো ধৰ্ম্ম আৰু বিশ্বাসৰ মানুহ আছে চতিয়াত। কিন্তু চতিয়াৰ ৰাজহুৱা স্বাৰ্থত সমাজত সকলো আছিল এক অভিন্ন হৃদয়ৰ। মহেন্দ্ৰ বৰকটকী দাদাইতৰ চানৰ মানুহ চতিয়াৰ আছিল আদৰ্শ আৰু গৌৰৱ। তেখেতৰ অভাৱ আমিয়ে অনুভৱ কৰা নাই—চতিয়াৰ সকলোৱে কৰিছে—কৰি থাকিব,—হয়তো বহুত দিনলৈ এই অভাৱ পূৰণ নহব। আজিৰ দিনত মই তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনালো। ০০০

বৰকটকী— মই যি দৰে জানো

বিমল ভাগৱতী

স্বামীৰ বিষয় সম্পত্তি দূৰলৈ ঠেলি ব্ৰহ্মবাদিনী মৈত্ৰেয়ীয়ে একে আষাৰেই কৈ উঠিল--"যেনাহং নামৃতাস্যাম্ তেনাহং কিম্ কুৰ্য্যাম" ! যাৰ দ্বাৰা মই অমৰ হ'ব নোৱাৰো সেই বোৰ লৈ নো মই কি কৰিম ? তাৰ পিছত অমৃতৰ সন্ধানত, স্বামী যাজ্ঞ্যবল্কৰে সৈতে তেওঁ কঠিন 'জ্ঞান যজ্ঞত' ব্ৰতী হ'ল। সেই মুহূৰ্ত্তত স্বতঃস্ফূৰ্ত্ত ভাবে ঋষি মৈত্ৰেয়ীৰ শ্ৰীমুখৰ পৰা নিগৰি ওলাইছিল সেই প্ৰাৰ্থনা মন্ত্ৰ, যি যুগ যুগ ধৰি ধ্বনিত, প্ৰতিধ্বনিত হৈ আহিছে—

"অসতো মা সদগময় তমসো মা জ্যোতিৰ্গময়
মৃত্যোৰ্মামৃতং গময়।
আৱিৰাবীৰ্ম এধি, ৰুদ্ৰং যত্তে দক্ষিণং মুখং
তেন মাং পাহি নিত্যম" ॥

স্বামী-স্ত্ৰীৰ মাজত হোৱা সেই 'জ্ঞান যজ্ঞ' ৰ অগ্নিয়ে চতুৰ্দ্দিশ উজ্জলাই তুলিছিল—মানুহক পোহৰ বিলাইছিল অকল সেই যুগতে নহয় যুগ-যুগান্তৰ ধৰি। বৃহদাৰণ্যক উপনিষদত ইয়াৰ বিশদ বিৱৰণ আছে।

তপস্বিনী মৈত্ৰেয়ীৰ সেই সবল প্ৰাৰ্থনা—"হে সত্য, আমাক সমস্ত অসত্যৰ পৰা তোমাৰ ওচৰলৈ লৈ যোৱা, হে জ্যোতি আমাক এন্ধাৰৰ পৰা পোহৰলৈ লৈ যোৱা, হে অমৃত, অবিচ্ছিন্ন মৃত্যুৰ মাজেদি আমাক তোমাৰ মাজলৈ লৈ যোৱা…… ………"। ভাব হয় এই কাতৰ প্ৰাৰ্থনা মন্ত্ৰই মহেন্দ্ৰ বৰকটকীৰ অন্তৰো, তেওঁৰ চিত্ত বুদ্ধি মন, সম্পূৰ্ণৰূপে অধিকাৰ কৰি পেলাইছিল। সেয়েহে জ্ঞানৰ

অন্বেষণত—সত্যৰ সন্ধানত অকনো ভাগৰি নপৰাকৈ, অকনো জিৰণি নোলোৱাকৈ জীৱন জুৰি অবিৰাম তেওঁ কাম কৰি গ'ল! ৰবকটকী দেৱক মই সেই দূৰ অতীতৰ 'জ্ঞান যজ্ঞ'ৰে এটি ফিৰিঙতি বুলি যদি কওঁ, তেন্তে অতিশয়োক্তি কৰা হ'বনেকি? জ্ঞানৰ প্ৰতি, শিক্ষাৰ প্ৰতি, সামাজিক কামৰ প্ৰতি তেওঁৰ ধাউতি কিমান—সেই কথা আমাৰ কাৰো অবিদিত নহয়। সৰুৰে পৰা তীক্ষ্ণবুদ্ধিৰ ৰবকটকী দেৱে স্কুলৰ প্ৰতিটো মহলাত স-সন্মানে দোপত দোপে উঠি গৈ স্কুলৰ শেষ পৰীক্ষাতো বৃত্তি লাভ কৰি কলেজ পায়গৈ। প্ৰথমৰে পৰা নিজ বুদ্ধিৰ বলেৰে আৰ্জ্জিলোৱা অলপীয়া বৃত্তিৰ ধনেৰেই তেওঁ নিজৰ শিক্ষা সমাপ্ত কৰিলে। তাৰ পাছত ঘৰলৈ আহি স্থানীয় হাইস্কুল খনতে পোণ প্ৰথমে মাহে চল্লিশ টকা দৰমহাত শিক্ষকৰ কামত সোমায় ১৯৪১ চনত।

কামত সোমোৱাৰ কিছু দিনৰ পাছতে আৰম্ভ হ'ল '৪১ ৰ 'ভাৰত ত্যাগ' প্ৰস্তাৱক কেন্দ্ৰ কৰি দেশ জুৰি স্বাধীনতা আন্দোলনৰ তুমুল আলোড়ণ। একৈশৰ অসহযোগ আন্দোলন; ত্ৰিশৰ আইন অমান্য আন্দোলনত কৈও তীব্ৰ আৰু বিশাল আকাৰ ধাৰণ কৰি বিয়াল্লিশৰ 'ভাৰত-ত্যাগ' আন্দোলনত আসমুদ্ৰ হিমাচলৰ অপাৰ জন সমুদ্ৰ উথলি উঠিল। তাৰ গতি বোধ কৰে এনে শক্তিকাৰ? অসমৰ চাৰিওখন উন্নত গাৱঁৰ ভিতৰৰে এখন, আমাৰ চতিয়াতো আন্দোলনৰ গতিবেগ ক্ৰমে তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠিল। চৰকাৰে দেশৰ মুখিয়াল নেতাসকলক ইতিমধ্যে জেলত ভৰালেগৈয়ে জনতাই নিজে আন্দোলনৰ নেতৃত্ব ললে। এদিনৰ কথা। বাৰিষা কাল সভাৰ থলী মাল গাৱঁৰ মুকলি পথাৰ। ধৰ্ম্মাৰ্জ্জয় ৰবৰুণৰ মাজতো মাজ গাৱঁৰ পথাৰ লোকে লোকাৰণ্য। মানুহৰে গোটেই খন ৰণা! সভাত ওজস্বিনী ভাষাৰে বক্তৃতা দিছে শুভ্ৰ পাখ চেহেৰাৰ শুভ্ৰ ৰঙা খদ্দৰৰ সাজ আৰু মূৰত পাগুৰীৰে মহেন্দ্ৰ ৰবকটকীৰ খুৰাদেৱক গঙ্গা ৰবকটকীদেৱে। উস্ কি তেওঁৰ অগ্নি

বন্দী ভাবা। কি তেওঁৰ উদ্দীপনা।

তাকে তাকে মানুহক ধৰিনি চৰকাৰে জেলত ভৰালে। সেই বিলাক দেখি শুনিও কিন্তু বাইজে ভয় নেখালে। অন্যদিনে বুঢ়িছুৰ ৰঙা পাগুৰীৱালা পুলিচক দূৰতে দেখিলেই, ত্ৰাহি ত্ৰাহি হৰি মধুসূদন সোঁৱৰা ভয়াতুৰ পৰাধীন ভাৰতীয়ৰ মনৰ পৰা, এই প্ৰথম, ভয় দূৰ হ'ল। আন্দোলনৰ প্ৰথম পদক্ষেপ সফল হল। দলে দলে মানুহ ওলাই আহিল ৰাজআলিলৈ। কিমান ডাঙৰ শোভাযাত্ৰা। শোভাযাত্ৰাৰ আদি-অন্ত, ইমূৰ সিমূৰ, চাবলৈ বাটৰ দাতিত বহুত পৰ থিয়হৈ থাকিব লগীয়া হ'ল। কেনে নিৰ্ভয়, উৎসাহ উদ্দীপনাময় আছিল সেই বিয়াল্লিশৰ গণ-আন্দোলন। ৰাতি নৌ পুৱাওঁতেই বিছনাতে শুনিবা দূৰণিত দুৰ্গাবৰাৰ নেতৃত্বত 'প্ৰভাত ফেৰী' কৰা স্বেচ্ছাসেৱক সকলে শোভাযাত্ৰা কৰি গাই অহা গীত "সৌযে উৰিছে স্বৰাজ নিচান; উন্নতশিৰে হোৱা আগুৱান" আকৌ সৌযে "মনিৰাম সৌযে ক্ষুদিৰাম আছে বিমানতেৰৈ" ইত্যাদি ইত্যাদি। সেই দিন বিলাকৰ কথা মনত পেলালে, সেই উদ্দীপনাময় গীত বিলাকৰ সুৰৰ ৰণ্ৰণনি আজিও কাণত বাজে।

এই হেন জাতীয় আন্দোলনত মহেন্দ্ৰ বৰকটকীয়ে যোগ নিদিয়াকৈ পাৰেনে? এখন্তেকলৈও এবাৰো নেভাবি, আগপিছ একো নুগুনি, বৰকটকী আন্দোলনত জপিয়াই পৰিল। সভা কৰিলে, শোভা-যাত্ৰা কৰিলে, জাতীয় পতাকা তুলিলে, ফলত চৰকাৰে নি জেলত ভৰাই থলে। মহেন্দ্ৰ বৰকটকীয়ে ডেৰ বছৰ জেল খাটিছিল। তেজপুৰ জেলৰ পৰা মুক্তি পায়েই তেওঁ প্ৰথম আমাৰ বামুণগাঁৱৰ ঘৰলৈ আহিছিল মোৰ খবৰ লবলৈ। সেইদিনাৰ কথা মোৰ আজিও ভালকৈ মনত আছে। তেতিয়া মই কিছু দিনৰ কাৰণে চতিয়াৰ পৰা আহি মাহঁতৰ লগত আছিলোঁহি। ল'ৰাইতৰ দেউতাক তেতিয়া 'নিৰাপত্তা বন্দী' (Security prisoner) হিচাবে যোৰহাট জেলত

আছিল। সেই সময়ত মই তেনেই ছোৱালী মানুহ। তথাপি 'খুৰী' বুলি সম্বোধন কৰি তেওঁ যি ধৰণে মোৰ খা-খবৰ ললে; তাৰপৰাই তেওঁৰ সহানুভূতিশীল অন্তৰখনৰ প্ৰথম পৰিচয় পাওঁ। কাৰণ তাৰ আগলৈকে ন-বোৱাৰী হৈ চতিয়াৰ ঘৰখনত সোমোৱা মোৰ বেছিদিন হোৱাই নাছিল। সম্বন্ধীয়া জ্ঞাতি-কুটুম্বৰ লগত বিশেষ চিনা-পৰিচয় বা ঘনিষ্ঠতা গঢ়ি উঠিবলৈ যিকণ সময় লাগে সেইকণ সময়ো তেতিয়া হোৱা নাছিল। পিছলৈ কিন্তু আমাৰ মাজত আগৰ সেই আচহুৱা ভাব তেনেই নোহোৱা হ'ল। দিনে দিনে ঘনিষ্ঠতা বাঢ়ি আহিল।

জেলৰ পৰা ওলাই অহাৰ পাছত মহেন্দ্ৰ বৰকটকীক শিক্ষা বিভাগত চৰকাৰী উচ্চ বিষয় বাব লবলৈ তেওঁৰেই হিতাকাঙ্ক্ষী দুই এজনে পৰামৰ্শ দিয়াৰ কথা জানো। পিছে, জানো কি ভাবি, তেওঁ সেইবোৰলৈ মন নেমেলিলে। বোধকৰো উচ্চ পদবী খিতাপ ক্ষমতাৰ প্ৰতি তেওঁৰ কোনো হাবিয়াসেই নাছিল। তেওঁ কেতিয়াও চতিয়া নেৰিলে। চতিয়াতে থাকি, ভাই-ভতিজাইঁতৰ শিক্ষা-দীক্ষা আৰু পৰিয়ালটোৰ সম্পূৰ্ণ দায়িত্ব লৈ, চতিয়া হাইস্কুল খনক ন-কৈ গঢ়ি তোলাৰ সংকল্প তেওঁ ল'লে। কিছুকাল চতিয়া হাইস্কুলেই তেওঁৰ প্ৰধান কৰ্ম্মস্থলী হৈ পৰিছিল। প্ৰধান শিক্ষক হিচাবে স্কুলখনৰ শিক্ষাৰ দিশটোৰ প্ৰতি চোকা নজৰ ৰখাৰ উপৰিও, স্কুলৰ ভাগি ছিগি যোৱা পুৰণি ঘৰ-দুৱাৰৰ ঠাইত, নতুনকৈ ঘৰদুৱাৰ সজাৰ কামত তেওঁ দেহে-কেহে লাগি গ'ল। নিষ্ঠা আৰু সততাই তেওঁক সেই কামত কৃত-কাৰ্য্য কৰিও তুলিলে। আজি চতিয়া হাইস্কুল আৰু তাৰ লগতে থকা মঞ্চ আৰু প্ৰেক্ষাগৃহ, অকল চতিয়া হাইস্কুলৰে নহয়, সদৌ চতিয়া বাসী ৰাইজৰে এক মূল্যবান সম্পত্তি।

স্কুলখন আছিল বৰকটকীৰ প্ৰাণ। তাকে কেন্দ্ৰ কৰি তেওঁৰ বাজহুৱা জীৱনে গঢ় লৈ উঠিছিল। ছাত্ৰ-ছাত্ৰী সকল আছিল তেওঁৰ নিজৰ সতি সন্তানৰ দৰে। তেওঁলোকৰ মান সন্মান আৰু মঙ্গলকে তেওঁ

নিজৰো মান-সম্মান আৰু মঙ্গল জ্ঞান কৰিছিল। মেধাৱী ছাত্র-ছাত্রী সকলৰ প্রতি তেওঁৰ এটা বিশেষ দুৰ্ব্বলতা আছিল। তেওঁলোকৰ গুণ ৰখনাত তেওঁ আছিল শতমুখ। কোনো ছাত্রই পৰীক্ষাত ভাল ফল কৰা দেখিলে বা শুনিলে; তেওঁ ততালিকে গৈ তেওঁলোকৰ ঘৰত উপস্থিত হয়গৈ। প্রাণৰ আনন্দ শুভ ইচ্ছা প্রকাশ কৰাৰ লগতে তেওঁৰ ছাত্রজনক আৰু তেওঁৰ মাক-দেউতাককো সজ দিহা পৰামৰ্শ দি সন্তোষ মনে ঘৰলৈ উভটিছিল।

আমি তেজপুৰত থাকো যদিও বৰকটকীক প্রায়ে লগ পাওঁ। চতিয়ালৈ গৈ তেওঁলোকৰ ঘৰত এপাক নেমাৰিলে মনটো ভালেই নেলাগে। যাত্রাটো সম্পূর্ণ নোহোৱা যেন পাওঁ। তেওঁৰ লগত কথাপাতি অপৰিসীম আনন্দ লাভ কৰিছিলো। তেওঁ নানা বিষয়ে বহুত কথা জানিছিল আৰু কথাবিলাক কবও জানিছিল ৰহ লগাকৈ। শুনিলে শুনিয়েই থাকিবৰ মন যায়। তেওঁৰ লগত সাধাৰণতে পঢ়া-শুনা, ছাত্র-ছাত্রী, চাকৰি-বাকৰি ইত্যাদি কথাই ওলাই। লগ পালেই আমাৰ ল'ৰা কেইটাৰ বাতৰি লবই। মাজে মাজে ৰাজনীতিৰ কথাও যে নোলায় এনে নহয়। তেওঁ পঢ়োৱা ছাত্র-ছাত্রীয়ে, কোনে, কেনেকৈ, কোনবছৰত পাছ কৰি এতিয়া ক'ত চাকৰি কৰি আছে এই সকলো কথা তেওঁৰ নখ দৰ্পনত। আনকি ছাত্র-ছাত্রী কিছুমানৰ মাক-দেউতাকৰ নাম, গাওঁ, জন্মচন তাৰিখ আদি নিভুৰ্লকৈ ক'ব পাৰে। তেওঁৰ স্মৃতি শক্তি আছিল অতি প্রখৰ— কিবা বেলেগ ধৰণৰ। হাঁহি উঠিবলগীয়া কথা— আজি কিছুদিনৰ আগতে আমাৰ বিয়াৰ তাৰিখটোও মই তেওঁৰ মুখত হে শুনো। বিয়া হৈছিল মোৰ ১১/১২ বছৰ মান বয়সতে। বিয়াৰ তাৰিখৰ বিচাৰ লবৰ দৰকাৰো কেতিয়াও অনুভৱ কৰা নাছিলো। সেইদিনা কিবা কথাৰ মাজতে কথাটো ওলাল। মই খাটাংকৈ তাৰিখটো কব নোৱাৰা যেন দেখি তেওঁ ঘপকৰে কলে— '১৯৩৬ চন, ১৩ ফাগুণ, ২৬ ফেব্রুৱাৰী।' মই হতভম্ব হলো।

এনেকুৱাই আমাৰ মৰমৰ ভতিজা মহেন্দ্ৰ বৰকটকীৰ স্মৃতি শক্তিৰ নমুনা।

শেষৰবাৰ বৰকটকীক তেওঁৰ ঘৰতে লগপাওঁ আবেলি পৰত। যোৱাৰ গম পায়েই ওলাই আহি এচৰতে বহিলহি। গাতো তেতিয়া তিমান ভাল নাছিল। দিল্লীত চিকিৎসা কৰাই আহি ঘৰতে আছিল ফলাফল কি আছে তাৰে অপেক্ষাত। চিকিৎসাৰ বিষয়ে সকলো কথা বিবৰি কোৱাৰ পাছত হাঁহি মাৰি ক'লে— "খুৰী। এই শিক্ষক সকলে অৱসৰ লোৱাৰ পাছত বেচিদিন নিটিকে নহয়?" এই বুলি কেবা গৰাকীও শিক্ষকৰ উদাহৰণ দিলে। আমি—"এ সেই বিলাক কি কথা কয়" বুলি কথাটো তল পেলাই আন কথা উলিয়ালো। গধূলি হৈ আহিল। কথা পতা শেষেই নহয়। ইফালে সেই দিনাই আমি তেজপুৰলৈ উভটি আহিব লাগে। লাহেকৈ উঠিলো। কিৰণৰ লগতে তেখেঁতো উঠি আহি পদূলিমুখ পালেহি। তাতে ৰৈ থিয়ৈ থিয়ৈ আৰু যে কত কথা। শেষত বিদায় ল'লো। সেয়ে আমাৰ শেষ দেখা। তাৰ কিছুদিনৰ পিছত শুনিলো— ডাঃ জীয়েক ভাৰতীয়ে মাক দেউতাক দুয়োকো নিছে মাদ্ৰাজৰ 'এপল' হস্পিটেললৈ চিকিৎসাৰ কাৰণে। তাৰ মাত্ৰ কেদিনমানৰ পিছতে আমাৰ ভতিজা ছোৱালী জুলে ফোনত কলে— "বৰমা! খবৰ এটা শুনিছেনে? চতিয়াৰ মাজু খুৰা বোলে ঢুকাল। কি উত্তৰ দিম? অন্তৰখন কিহবাই কাপোৰ চেপাদি চেপি মোহাৰি পেলোৱা যেন লাগিল।

মাদ্ৰাজৰ পৰা বৰকটকীৰ শৱদেহ সেইদিনা আহি পাবহি বুলি বিচিত্ৰ মহন্তই খবৰটো দিলে। ৰাতিপুৱাতে গাড়ী এখন যোগাৰ কৰি আমি ৪/৫ জন মান কোবেৰে গৈ চতিয়া পালোগৈ। দূৰৰ পৰাই তেওঁৰ ঘৰৰ পদূলিত ধোঁৱা আৰু মানুহৰ জুম দেখিলো। সেইখিনি পাই দেখো, ইতিমধ্যে দপ্ দপ্ কৈ জ্বলি উঠা চিতাৰ জুয়ে তেওঁৰ পাৰ্থিব দেহা সামৰি লৈছে। মৃত্যুৰ পিছত এৰি থৈ যোৱা মহেন্দ্ৰ বৰকটকীৰ দেহাৰ সজাটো আমাৰ আৰু দেখা নহ'ল।

নিজে সজা ঘৰৰ পদূলিতে এদ'ম ছাঁই হৈ তেওঁ পৰি ৰ'ল চিৰকাললৈ। কিন্তু তেওঁ চিৰঞ্জীৱি। বৰকটকীদেৱ তেওঁৰ কামেৰে, নীতি নিষ্ঠাৰ আদৰ্শৰে, চিৰকাল জীয়াই থাকিব আৰু উঠি অহা পুৰুষক প্ৰেৰণা যোগাব। স্বৰ্গগত বৰকটকী দেৱলৈ মোৰ শ্ৰদ্ধাৰ অৰ্ঘ্য আগবঢ়াওঁ। ***

মহেন্দ্ৰ নাথ বৰকটকী মানুহজন

—তৰুণ বৰুৱা

বৰকটকী ছাৰৰ বিষয়ে লিখিবলৈ মোক কোৱা হৈছে। মই কি লিখিম? লিখাৰ কথা ভাবিলেই মোৰ চকুৰ আগত ভাঁহি উঠে তেখেতৰ শান্ত, সৌম্য বুদ্ধিদীপ্ত চকুৰ ছবিখন। লগে লগে মনত পৰে ছাত্ৰ অৱস্থাৰ পৰা কৰ্ম্ম জীৱনলৈ বিভিন্ন সময়ত তেখেতৰ লগত কটোৱা বিশেষ মুহূৰ্ত্তবোৰলৈ। আন লোকে এইবোৰ মুহূৰ্ত্তৰ কথা কেনেভাবে গ্ৰহণ কৰে মই নেজানো; কিন্তু মোৰ ব্যক্তিগত জীৱনত বিশেষ প্ৰভাব পেলোৱা এই কথাবোৰ মই কাহানিও পাহৰিব নোৱাৰো।

বৰকটকী ছাৰৰ সান্নিধ্যলৈ অহাৰ প্ৰথম সুযোগ ঘটে ১৯৪১ খৃষ্টাব্দত। তেতিয়া তেখেতে বিজ্ঞান শিক্ষক হিচাবে চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত যোগদান কৰিছিল। আমি তেতিয়া চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। প্ৰথম দিনা তেখেতে আমাক 'তাপ পালে পদাৰ্থৰ আয়তন বাঢ়ে' —এই সূত্ৰটো পৰীক্ষাৰ দ্বাৰা ব্যাখ্যা কৰিছিল। তেখেতৰ শিক্ষা দানৰ পদ্ধতিয়ে প্ৰথম দিনাই আমাক মুগ্ধ কৰিছিল। আমি কব নোৱাৰাকৈয়ে তেখেতৰ ভক্ত হৈ পৰিছিলো।

'৪২ ৰ ত্যাগ আন্দোলনে দেশখনৰ অন্যান্য অঞ্চলৰ দৰেই চতিয়াৰ ছাত্ৰ সমাজকো শিক্ষা জগতৰ পৰা বিচ্ছিন্ন কৰি পেলালে। শ' শ' জনতাৰ লগতে ছাত্ৰ সকলেও স্কুল কলেজ ত্যাগ কৰি আন্দোলনত জপিয়াই পৰিল। আমাৰ বিদ্যালয়ৰ বহুজন সংখ্যক ছাত্ৰই স্বাধীনতাৰ বাবে কাৰাবৰণ কৰিলে; আন কিছুমান পুলিচী নিৰ্য্যাতনৰ বলি হ'ল। বিদ্যালয়খনৰ চাৰিজন শিক্ষকেও আন্দোলনত যোগ

দিয়াৰ অপৰাধত গ্ৰেপ্তাৰ হৈ কাৰাবৰণ কৰে। বৰকটকী ছাৰ এই চাৰিজন শিক্ষকৰ অন্যতম আছিল।

আন্দোলনৰ তেজ কমাৰ পিছত ১৯৪৩ চনত বিদ্যালয়ত পুনৰ পাঠদান আৰম্ভ হ'ল। আগৰ বহুতো ছাত্ৰই ইতিমধ্যে ছাত্ৰ জীৱনৰ অৱসান ঘটালে। কিন্তু স্কুল আৰম্ভ হ'ল যদিও পঢ়াবলৈ শিক্ষক নাই। জোৰা টাপলি মাৰি পাঠদান চলাই থকা হ'ল। বিদ্যালয়ৰ ঘৰ-দুৱাৰৰ অৱস্থাও জৰাজীৰ্ণ। বিদ্যালয়ৰ এনে এটা শোচনীয় পৰিবেশৰ সময়তে ইতিমধ্যে ফাটেকৰ পৰা ওলাই আহি অ'ত ত'ত কাম কৰি থকা বৰকটকী ছাৰক প্ৰধান শিক্ষক হিচাবে নিযুক্তি দিয়া হয়। প্ৰধান শিক্ষক হিচাবে আমি তিনি বছৰ মান তেখেতৰ অধীনত শিক্ষালাভ কৰাৰ সুযোগ পাওঁ। আমি লাহে লাহে এজন দুজনকৈ নতুন শিক্ষকৰ মুখ দেখো; এপদ দুপদকৈ আচ্‌বাব্‌ পাঠ দানত ব্যৱহাৰ কৰা দেখো; এটা দুটাকৈ খোটালী নতুন হোৱা চকুত পৰে। এইবোৰ কেনেকৈ হ'ল তেতিয়া বৰ বেচিকৈ ভবা নাছিলো; কিন্তু তিনি বছৰৰ পিচত ১৯৫১ চনত সেইখন বিদ্যালয়তে শিক্ষকতা কৰিবলৈ আহি উপলব্ধি কৰিব পাৰো এইখিনি কৰিবৰ বাবে তেখেতে কিমান কষ্ট আৰু ত্যাগ কৰিব লগা হৈছিল। সেই সময় ছোৱাত তেখেত চতিয়া আৰু নাগশঙ্কৰ মৌজাৰ গাওঁবোৰৰ ঘৰে ঘৰে গৈ অৰ্থ সংগ্ৰহ কৰা আমি দেখিবলৈ পাইছিলো। ৰাইজৰ প্ৰতিনিধি আৰু সহকৰ্মী শিক্ষকৰ সহযোগত কেৱল ৰাজহুৱা বৰঙণিৰ দ্বাৰাই বিদ্যালয়খনৰ প্ৰধান ঘৰ কেইটা সাজি উলিওৱা সহজ কথা নহয়। তেখেতৰ এই কৰ্ম্মনিষ্ঠাই আমাক বেলেগ এখন বিদ্যালয় গঢ়াৰ ক্ষেত্ৰত ভালেখিনি প্ৰেৰণা যোগাইছিল।

সংগঠন আৰু নেতৃত্বদান ক্ষমতাৰ লগতে আন এটা বিশেষ গুণৰ বিষয়ে এইখিনিতে উল্লেখ কৰা উচিত হব। ৰাজহুৱা ধন ব্যৱহাৰৰ ক্ষেত্ৰত তেখেতে অতি সতৰ্ক দৃষ্টি দিছিল। যি উদ্দেশ্যৰে ধন সংগ্ৰহ

কৰা হয় সেই কামতে সংগৃহীত ধন ব্যয় কৰা আৰু বছৰৰ শেষত আয়-ব্যয়ৰ খতিয়ান ৰাইজৰ আগত দাঙি ধৰাটো তেখেতৰ ৰাবে এৰাব নোৱাৰা নিয়মৰ নিচিনা। আজি-কালি প্ৰায়বোৰ সামাজিক অনুষ্ঠানতে এনে নিয়ম পালন কৰাটো এটা ব্যতিক্ৰম। হিচাবৰ খেলিমেলি আৰু দায়িত্বত থকা লোকৰ হিচাব দাখিলৰ প্ৰতি অনীহা এটা সাধাৰণ নিয়মৰ নিচিনা হৈ পৰিছে। এনেবোৰ কথা দেখিলেই 'ছাৰ'লৈ বৰকৈ মনত পৰে।

শিক্ষক হিচাবে তেখেত কেনে আছিল সেই বিষয়ে মই দীঘলীয়াকৈ আলোচনা নকৰি মোৰ ব্যক্তিগত অভিজ্ঞতা দুটা এইখিনিতে উল্লেখ কৰিব খুজিছো। তেতিয়া মই নৱমমানৰ ছাত্ৰ। বোধকৰো তেতিয়া অক্টোবৰ মাহ আছিল। হঠাৎ মোৰ অসুখ হ'ল; তিনি দিন বিদ্যালয়লৈ যাব পৰা নাই। তৃতীয় দিনা মোৰ অনুপস্থিতিৰ কাৰণ অনুসন্ধান কৰিবলৈ সন্ধ্যা সময়ত ছাৰ আহি আমাৰ ঘৰত উপস্থিত হ'ল। সেই সময়ত মই জ্বৰত অচেতন প্ৰায়। অৱস্থা দেখি ছাৰে লগে লগে ডাক্তৰ অনাই চিকিৎসাৰ ব্যৱস্থা কৰিলে। ইয়াৰ পিছতো মই সম্পূৰ্ণ সুস্থ নোহোৱালৈকে প্ৰতি দিনে মোৰ খবৰ কৰি-- আৱশ্যকীয় ঔষধপাতিৰ যোগান কাৰ্পণ্য কৰা নাছিল।

মেট্ৰিক পৰীক্ষাৰ ফল ঘোষণা কৰাৰ লগে লগে কৃতকাৰ্য্য হোৱা ছাত্ৰসকল ঘৰলৈ গৈ অভিনন্দন জনোৱাটো তেখেতৰ স্বভাৱ। ১৯৪৮ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হওঁ। মই আশা কৰামতে ফল নেপালো যদিও ষ্টাৰ সহ প্ৰথম বিভাগ পাবলৈ সমৰ্থ হওঁ। ফলাফল ঘোষণা কৰাৰ দিনা তেখেত আমাৰ ঘৰলৈকো আহি মোক অভিনন্দন জনালে। কিন্তু সেইদিনা মোৰ আনন্দতকৈ বেজাৰহে বেচি হৈছিল; কিয়নো মোৰ শিক্ষা-জীৱন সিমানতে শেষ হ'ল বুলি মই ধৰি লৈছিলো। তেখেতে মোৰ মনোভাৱ বুজিব পাৰি মোক নানা উপদেশ আৰু উদাহৰণৰে উৎসাহিত কৰিলে। তেখেতৰ উদগনিয়ে মনলৈ কিছু

সাহস ঘূৰাই আনিলে। অৱশ্যে কেৱল মৌখিক উৎসাহ দানতে ক্ষান্ত নাথাকি বিভিন্ন উপায়েৰে অৰ্থৰ ব্যৱস্থা কৰাত মোক সহায় কৰিলে। তেখেতৰ সহায় নোপোৱা হলে মোৰ উচ্চ শিক্ষাৰ সপোনে বাস্তৱৰ মুখ দেখিবলৈ নেপালোহেঁতেন। এনে শিক্ষকৰ সান্নিধ্য লাভৰ সুযোগ কিমানৰ ঘটে? আজি কালি শিক্ষক-ছাত্ৰৰ সম্বন্ধৰ বহুঁতোখিনি অৱনতি ঘটা পৰিলক্ষিত হৈছে। মাজে মাজে ছাত্ৰই শিক্ষকক অপদস্থ কৰাৰ বাতৰিও কাকতত প্ৰকাশ হোৱা দেখিছো। এনে ধৰণৰ অপ্ৰিয় ঘটনাই সকলোৰে মনত কষ্ট দিয়ে। আমাৰ বোধেৰে ছাত্ৰৰ লগত শিক্ষকে সুস্থ সম্বন্ধ গঢ়ি তুলিব পাৰিলে এনে ধৰণৰ অপ্ৰিয় পৰিস্থিতি ৰোধ কৰিব পৰা যাব। আদৰ্শ শিক্ষক হিচাবে বৰকটকী ছাৰে এই দিশত আমাক পথ দেখুৱাই থৈ গৈছে।

বৰকটকী ছাৰৰ মুখ্য পৰিচয় শিক্ষক যদিও—তেখেতৰ কৰ্ম্ম শক্তি কেৱল ইয়াতেই সীমাবদ্ধ আছিল বুলি ভাবিলে ভুল কৰা হব। গান্ধীবাদী আদৰ্শৰ নিষ্ঠাবান কৰ্ম্মী হিচাবে গাওঁ উন্নয়নৰ বিভিন্ন কাৰ্য্য সূচীৰ পৰিকল্পনা কৰি তাক ৰূপায়িত কৰাৰ বাবেও তেখেতে যত্ন কৰিছিল। ইয়াকে কৰিবলৈ যাওঁতে তেখেত চতিয়াৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। প্ৰগতি কমিউনিটি চেণ্টাৰ, বহাগী মেলা, চতিয়া নাট্য সমাজ আদি অনুষ্ঠানবোৰৰ প্ৰায় জন্ম লগ্নৰে পৰা জড়িত হৈ থকাৰ উপৰিও বিভিন্ন শিক্ষানুষ্ঠানৰ বিষয়ববীয়া হিচাবে তেখেতে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। বাহুল্যৰ ভয়ত সেইবোৰ কথা উল্লেখ কৰাৰ পৰা বিৰত থাকিলো। কিন্তু উচ্চ শিক্ষাৰ প্ৰসাৰৰ বাবে তেখেতে কৰা চেষ্টাৰ বিষয়ে উল্লেখ নকৰিলে এই সোঁৱৰণি অসম্পূৰ্ণ হৈ ৰব। তেখেতৰ যত্নতে ১৯৭১ চনত চতিয়া মহাবিদ্যালয়খন স্থাপিত হয় আৰু আৰম্ভণিতে তেখেতকে এই মহাবিদ্যালয়ৰ সম্পাদকৰ গুৰু দায়িত্ব অৰ্পন কৰা হয়। সম্পাদক হিচাবে অনুষ্ঠানটি গঢ়ি তুলিবলৈ তেখেতে আন্তৰিকতাৰে যত্ন কৰিছিল। অৰ্থ আৰু কৰ্ম্মচাৰীৰে সমস্যা এই অনুষ্ঠানৰ লগৰী হোৱাত সম্পাদক হিচাবে

ছাবে অশেষ কষ্ট ভোগ কৰিব লগা হৈছিল। আনকি কেতিয়াবা নিজে পোৱা দৰ্মহাৰ পইচা কেইটা মহাবিদ্যালয়ৰ শিক্ষকক বেতন দিয়াত শেষ কৰিব লগা হৈছিল। নানা প্ৰতিকূল অৱস্থাই পৰিচালক সকলক বিমোৰ কৰি তুলিছিল। বিশেষকৈ সেই সময়ত দেশত জৰুৰী অৱস্থা ঘোষণা কৰাত সামাজিক কামত ভালেখিনি বাধ্যবাধকতা আহি পৰাত মহাবিদ্যালয়ৰ কাম সাময়িক ভাবে বন্ধ ৰাখিব লগা হয়। পুনৰ এই অনুষ্ঠানটো যেতিয়া আৰম্ভ কৰা হ'ল তেতিয়া তেখেতক সভাপতি হিচাবে নিৰ্ব্বাচিত কৰা হ'ল আৰু মৃত্যুৰ আগলৈকে তেখেতে এই পদতে থাকিল।

অৱসৰ গ্ৰহণৰ পিছত বহুতো সভা-সমিতিত আমি একেলগে যোগ দিয়াৰ সুযোগ ঘটিছিল। আমি লক্ষ্য কৰিছিলো— তেখেত য'তেই নাথাকক লাগে, তাতেই নিজৰ ব্যক্তিত্বৰ প্ৰভাৱৰে এখন সুকীয়া আসন লাভ কৰে। আমাৰ আক্ষেপ হয় ছাবে যদি চতিয়াৰ নহৈ এখন ভাল চহৰত জন্ম ললেহেঁতেন তেতিয়া হয়তো দেশৰ বিশিষ্ট লোক সকলৰ এজন হিচাবে পৰিগণিত হলহেঁতেন।

তেখেতৰ প্ৰথম মৃত্যু বাৰ্ষিকীত তেখেতৰ বিদেহী আত্মাৰ প্ৰতি মোৰ ভক্তি ভৰা শ্ৰদ্ধা নিবেদন কৰিলোঁ। ***

এই মৃত্যু যেন মৃত্যু নহয়।

পুণ্য প্ৰসাদ শইকীয়া

ববকটকী ছাৰ। মহেন্দ্ৰ নাথ ববকটকী। শিক্ষক হিচাবে মোৰ মন আলোড়িত কৰা লৰালি কালৰ একমাত্ৰ শিক্ষক।

তেনেই উতনুৱা মনৰ ডেও দি দি ফুৰা দিনৰ কথা: চনটো ১৯৪১। সেই বছৰতে চৰকাৰী এম, ভি, স্কুলৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি চতিয়া হাইস্কুলত ক্লাছ থ্ৰী-ত ভৰ্ত্তি হওঁ। এম, ভি, স্কুলৰ তুলনাত হাইস্কুলত শিক্ষকৰ সংখ্যা বেছি। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও অধিক। নতুন পৰিবেশত স্কুলৰ বাৰান্দাত ঘূৰি ফুৰা স্বভাৱ। তলৰ শ্ৰেণী দুটা ক্লাছ থ্ৰী আৰু ফ'ৰ বৰ্ত্তমানৰ শিক্ষকৰ জিৰণি কোঠা থকা ঘৰটো থকা ঠাইতে। মাত্ৰ দুটা শ্ৰেণীৰ এটা ঘৰ। আলিবাটৰ পিনৰ কোঠালীটোত ফ'ৰৰ আৰু পথাৰৰ পিনৰটোত থ্ৰী-ৰ ল'ৰা-ছোৱালী পঢ়ে। মূল ঘৰটো ওখ ঠাইত। আমি পঢ়াটো নামনিত হেলনীয়া বাটেৰে শিক্ষক সকল নামি পঢ়াবলৈ আহে। সেই ঘৰটোৰ মাজৰ বেৰখন বাঁহৰ নে ইকৰাৰ পাহৰিলো কিন্তু ল'ৰাৰ খুন্দাতেই হওক বা আন কাৰণেই হওক মাটিহীন বেৰ। সেৰেঙ্গা। জেলজেলীয়া। ববকটকী ছাৰে হাতত বহুত কিবাকিবি লৈ পঢ়াবলৈ আহে। আমাৰ ক্লাছত নহয়। ফ'ৰত। বেৰৰ বিন্ধাই দি, কেতিয়াবা দুৱাৰ মুখত থিয় হৈ চাবলৈ ঢাপলি মেলো। মোৰ বাবে তেতিয়াৰ অভিনৱ বস্তু আৰু চিত্তাকৰ্ষণীয় কথা। স্পিৰিট লেম্পৰে লোহাৰ বল এটা তপতাই গৰম কৰি "তাপ পালে গোটা বস্তু আয়তনত বাঢ়ে" এই বৈজ্ঞানিক সত্যটো আঙঠি এটাৰ মাজেৰে পাৰ হ'ব নোৱাৰা কথাটো ববকটকী ছাৰে প্ৰমাণ কৰি দেখুউৱা কথা এতিয়াও মনত পৰে। সেয়েহে কৈছোঁ, আন শিক্ষকে চকমাটি আৰু ডাষ্টাৰ হাতত লৈ যোৱাৰ বিপৰীতে বেলেগ বস্তু এসোপাও কঢ়িয়াই লৈ ক্লাছলৈ যোৱা ববকটকী

ছাৰ মোৰ হাইস্কুলীয়া জীৱনৰ আৰম্ভনিৰ আকৰ্ষণীয় শিক্ষক আছিল। মনতে আশা পুহি থৈছিলো, ক্লাছ ক'বলৈ প্ৰমোছন পালেই ওচৰৰ পৰাই এইবোৰ বস্তু দেখিবলৈ পাম। (ক্লাছ থ্ৰী-ত বিজ্ঞান নাছিলেই হবলা, আছিল যদিও আমাক পঢ়োৱা নাছিল)।

চতুৰ্থ শ্ৰেণীলৈ উঠাৰ পিছতে এক অথন্তৰে দেখা দিলে। বিয়াল্লিছৰ গণ-বিপ্লৱ আৰম্ভ হ'ল। আন শিক্ষক আৰু কৰ্মচাৰীৰ লগতে বৰকটকী ছাৰেও আন্দোলনত জপিয়াই পৰিল চাকৰি ইস্তফা দি। ছাত্ৰ সকলেও আন্দোলনত অংশ ল'লে। ভালেকেইজন শিক্ষক আৰু ছাত্ৰ গ্ৰেপ্তাৰ হ'ল।

এবছৰৰ পিছত নাম ভৰ্ত্তি হ'ল যদিও স্কুল নামতহে। অহা আৰু যোৱা। শিক্ষক নাই। আমিও হাতত নলীযা কটাৰী লৈ আমৰ তলে জামুৰ তলে ঘৰি ফুৰা হলো। এজন প্ৰধান শিক্ষক আছিল। অমিয শৰ্মা ছাৰ। বেছি দিন নেথাকিল। আমি চিক্ষু পাওঁতে মোৰ প্ৰথম মন আলোড়িত কৰা শিক্ষকজন স্কুললৈ ঘৰি আহিল। এইবাৰ বেলেগ ৰূপত। বিজ্ঞান শিক্ষকৰ পৰিবৰ্ত্তে স্কুলৰ মুৰব্বী হিচাবে। প্ৰধান শিক্ষক হিচাবে হতাশত ভাগি পৰা আমাৰ মনত সঞ্জীৱনী পানী ছটিয়ালেহি।

ছাৰে পঢ়া-শুনাত আগবঢ়া ছাত্ৰ-ছাত্ৰীক বৰ আদৰ কৰিছিল। অনুশাসনৰ ক্ষেত্ৰত কঠোৰ আছিল যদিও উগ্ৰ শাস্তি দিয়াৰ পিছত ক্লাছলৈ গৈ ছাত্ৰক বুজনিও দিছিল।

৭ম শ্ৰেণীতে ছাত্ৰ সংগঠনৰ কামত মই জড়িত হৈ পৰিছিলো। আমাৰ ওপৰৰ শ্ৰেণীৰ নেতৃস্থানীয় ছাত্ৰসকল ছাত্ৰ সম্মিলনৰ লগত জড়িত আছিল। চতিয়াতময়েই প্ৰথম ছাত্ৰ ইউনিয়ন গঠন কৰাত লাগো। বৰকটকী ছাৰৰ সেই সংগঠনৰ প্ৰতি সহানুভূতি থকাত স্কুলীয়া জীৱনৰ শেষলৈকে মোৰ লগত ঘনিষ্ঠ সম্বন্ধ আছিল।

সেই সময়ত আমি ৭ম শ্ৰেণীৰ ছাত্ৰই স্কুলৰ নেতৃত্বৰ ভাৰ লৈছিলো। একাদি ক্ৰমে ৯ম শ্ৰেণীলৈকে ইউনিয়ন চেক্ৰেটাৰী আমাৰ ক্লাছৰ পৰাই হে হ'ব পাৰিছিল।

আলোচনাৰ মাজেৰে গণতান্ত্ৰিক নিয়মেৰে সমস্যা সমাধানত ছাৰে গুৰুত্ব দিছিল। যেতিয়াই তেনে সমস্যাৰ উদ্ভৱ হয় আমি ছাৰক আমাৰ মাজত পাইছিলো। এবাৰ বাতৰি কাকত লোৱা লৈ বৰ বিবাদ আৰম্ভ হ'ল। কলিকতাৰ কাকত লোৱা হ'ব নে অসমৰ কাকত লোৱা হ'ব। আমাৰ শ্ৰেণীটোৱে পইচা তুলি বেলেগে কাকত লৈছিলো। বিবাদে চৰম সীমা পোৱাত ছাৰে আহি মকামিলা কৰিবলগীয়া হ'ল। ক্লাছতে নিয়ম মতে সভা পতা হ'ল। ছাৰ হ'ল সভাপতি। কলিকতীয়া কাকতৰ সপক্ষে শৈলেনৰ অকাট্য যুক্তিৰ বিপৰীতে মোৰ যুক্তি আছিল অসমৰ কাকত অসমতে নচলিলে ক'ত চলিব। তাতে আমাৰ স্থানীয় বা-বাতৰিৰ কথা আছে। সভাপতিয়ে মোৰ পক্ষে ৰায় দিলে। শৈলেনৰ মন কেইদিনমান বৰ গোমা দেখা গ'ল। পিছত অৱশ্যে ফৰকাল হৈ পৰিল। আন এটা ঘটনা। বল খেলাত এক অপ্ৰিয় ঘটনা ঘটিল। স্কুলৰে বদনাম হ'ল। ছাৰে এখন তদন্ত কমিটি গঠন কৰি দিলে আমাক সদস্য কৰি। আমাৰ প্ৰতিবেদন দিলো! স্কুলৰ দল নিৰ্দোষ প্ৰমাণিত হ'ল। নহ'লে কঠোৰ অনুশাসন প্ৰিয় বৰকটকী ছাৰে স্কুল দলৰ খেলুৱৈক স্কুলৰ পৰাই খেদাই পঠালেহেঁতেন।

শিক্ষানুৰাগী ছাৰে চতিয়াত সুকীয়াকৈ ছোৱালী হাইস্কুল খোলাত আগভাগ লৈছিল। স্কুল খোলাৰ লগে লগে আনকি ল'ৰাৰ হাইস্কুলত ছোৱালীৰ ভৰ্ত্তি বন্ধ কৰি দিছিল। সেই স্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব লবলৈ মোক কেবাবাৰো অনুৰোধ জনাই ঘৰ পলোই-ছিলগৈ। কেৱল তেখেতৰ প্ৰতি থকা অগাধ ভক্তি আৰু গভীৰ আস্থাৰ বাবেই নিয়মীয়া চাকৰি এৰি দি মই আৰু মোৰ পৰিবাৰে ছোৱালী হাইস্কুলৰ দায়িত্ব লবলৈ আহিব লগা হ'ল।

ছাত্ৰৰ অতীত প্ৰসঙ্গ টানি আনি কথা কোৱাৰ ধৰণে আমাক বৰ আনন্দ দিছিল। সকলোবোৰ কথা মানি লবলগীয়া নহলেও কেৱল তেনে ধৰণৰ কথা শুনাৰ হেঁপাহতে নতুন একোটা প্ৰসঙ্গৰ অৱতাৰণা কৰি কথা কৈ থাকিবলৈ দিয়াটো আমাৰ অভ্যাসত পৰিণত হৈছিল।

"শুনা নাইনে? সেই যে অমুকটো" বুলি কৰা বাক্যৰ আৰম্ভণিয়ে আমাক বৰ মুগ্ধ কৰিছিল।

সবল চিতীয়া ছাত্ৰে মুখৰ আগতে যিদৰে ভাল গুণৰ সমাদৰ কৰিছিল, সামান্য অনিয়ম হলেই কঠোৰ ভাবে ককৰ্থনা কৰিছিল।

· মোৰ প্ৰধান শিক্ষক হোৱাৰ পিছত এদিনৰ ঘটনা। আমাৰ স্কুল তেতিয়াও লগ লগা নাই হাইস্কুল আৰু এম, ই স্কুলৰ প্ৰশাসন বেলেগ। অৱশ্যে ৰুটিন একে। এম, ই শাখাৰ বন্ধৰ তালিকা খনকে মানি চলা হয়, কাৰণ উপ পৰিদৰ্শকে অনুমোদন কৰি দিয়া থাকে। সেই মতে অশোকাষ্টমীৰ দিনা বন্ধ ধৰা আছিল। স্কুল বন্ধ দিয়া হ'ল। হাইস্কুত পঢ়া চলি থাকিল। বন্ধৰ পিছত এদিন তেখেতৰ কোঠাতে কথাটো নিজেই উলিয়াই ল'লে। ছাত্ৰে গাজত লগা এষাৰ মন্তব্য দিলে। "কিন্তু মাৰোৱাৰীৰ হালখাতা বদলোৱা ৰামনৱমী চামনৱমীও আছে নহয়"। মই বৰ বেজাৰ পালো। দোষ অৱশ্যে মোৰ নাছিল। এম, ইৰ প্ৰধান শিক্ষকৰ (এসময়ৰ মোৰ শিক্ষক) কথাতে হয় ভৰ দিহে বন্ধটো দিছিলো। এই গাজত লগা কথাষাৰে মোৰ চকু মুকলি কৰিলে। পিছৰ পৰা মই ইমান কঠোৰ মনোভাবেৰে বন্ধ আদিৰ কথা চিন্তা কৰিবলৈ ল'লো যে তেখেতকো মই চেৰাই গলোগৈ। তাৰ পিছৰ পৰা বন্ধৰ তালিকা প্ৰস্তুত কৰোতে মোৰ লগত আলোচনা কৰি একেলগেই একেখন বন্ধৰ তালিকা কৰা হ'ল; যাতে এখন খোলা থাকিলে আনখন বন্ধ অৱস্থাত নেথাকে।

প্ৰধান শিক্ষকৰ দায়িত্ব লোৱাৰ পিছতেই ছাত্ৰীৰ প্ৰগ্ৰেছ ৰিপোৰ্ট দিওঁতে সকলো তথ্য সামৰি পৰীক্ষাৰ নম্বৰৰ তালিকাৰ স্কুলীয়া বছৰ কেইটাৰ আৰম্ভণিৰ পৰা শেষলৈকে এখন বহী ছপা কৰি উলিয়াইছিলো। ছাৰে সেইখন দেখি বৰ সন্তোষ পালে আৰু খুব শলাগিলে। সিটো কোঠালীত থকা জীতেন দাদাক মাতি আনি আৰু লগতে তৰুণ বৰুৱাকো ছাৰে ক'লে—শুনা নাইনে, আমি ইমান দিনে নভবা কাম এটা ই কৰি উলিয়ালে। আমাৰ মনত কথাটো খেলোৱাই নাছিল। এই বাৰৰ পৰা আমিও তেনেকুৱা প্ৰগ্ৰেছ ৰিপোৰ্ট কৰিব লাগিব বুলি কৈ মই কোন প্ৰেছত ছপাইছিলো, খৰছ কিমান পৰিছিল আদি কথা শুধি ললে।

আন এদিনৰ কথা। তেখেতৰ কোঠালীতে পৰীক্ষাৰ উত্তৰ কাকতৰ বহী আৰু নম্বৰ আমাৰ স্কুলত কোন তাৰিখত দিবলৈ কোৱা হৈছে বুলি শুধিলে। তাৰিখটো কোৱাত মুখ তিপি হাঁহি ক'লে, সেয়া তইতো মোৰ লগত আলোচনা কৰা নাই। দিনটো কেনেকৈ মিলি গ'ল দেখিলি নে? তাৰমানে তেখেতেও সেই তাৰিখতেই উত্তৰ কাকত ঘূৰাই দিব লাগিব বুলি সেই দিনাই নিৰ্দ্দেশ দিছিল। লগতে এষাৰ কথা যোগ দি কলে— "সকলোবোৰ মহৎ লোকৰ চিন্তা ধাৰা একেই" মই লাজতে তলমূৰ কৰিলো। ক'ত মহেন্দ্ৰ বৰকটকী ছাৰ আৰু ক'ত অপদাৰ্থ পূণ্য শইকীয়া। এই বোৰ কথাই জীৱনত বহুত উদগণি দিছিল আৰু কৰ্মৰ প্ৰতি প্ৰেৰণা যোগাইছিল।

শিক্ষাৰ উন্নতি কল্লে আলোচনা সভা পতাৰ উপৰিও, অভি-ভাৱক, শিক্ষক সভা, শিশু দিৱস, স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস আদি কামত আমি তেখেতক আগতলৈ কাৰ্যসূচী প্ৰস্তুত কৰিছিলোঁ।

শিক্ষক আৰু কৰ্মচাৰী সন্থা আৰু অধিবিদ্যা পৰিষদৰ তেখেত প্ৰতিষ্ঠাতাৰ এজন আছিল। প্ৰথম ৰাজ্যিক অধিবিদ্যা পৰিষদৰ কাৰ্য্য-কৰী সভাপতি আছিল। আমাৰ জিলাৰ বাচনি পৰীক্ষা পৰিষদৰ প্ৰতিষ্ঠাপক আছিল। এই সকলোবোৰ কামত আমি একেলগে লাগিছিলো।

তেখেত আছিল আমাৰ সূত্ৰধাৰ। শিক্ষামন্ত্ৰী আৰু শিক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়া থকা সভাত কটু সমালোচনা কৰিব লগীয়া কথাত তেখেতক আমি আলোচনাৰ মোৰ ভাঙিবলৈ লগাইছিলো তাৰ আঁত ধৰি আমি খৰছি নাৰি কথাবোৰ আলোচনা কৰাত সুবিধা হৈছিল।

তেখেতৰ কৰ্ত্তব্য নিষ্ঠা, নিয়মানুবৰ্ত্তিতা সৰ্ব্বজন বিদিত। সমাজ কৰ্মী হিচাবে সকলোৰে প্ৰিয়, শিক্ষাৰ স্বাৰ্থ আগত ৰাখি তেখেতে দিয়া খোজত খোজ মিলাই আমিও সামান্য অভিজ্ঞতা অৰ্জ্জন কৰিছিলো।

ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা বিসৰ্জ্জন দিয়া আৰু শিক্ষকে দাবী পূৰণৰ বাবে ধৰ্মঘটৰ যাত্ৰা লোৱা কথাৰ তেখেত বিৰোধী আছিল। তাৰ বাবে কঠোৰ সমালোচনাৰ সন্মুখীন হৈছিল।

অসুখ বুলিবলৈ নাছিলেই। পেটৰ অসুখৰ কথা মনতেই নপৰে। মাহ প্ৰসাদ প্ৰিয় বস্তু আছিল। কেঁচা বুট খাওঁতে আমাক চেৰ পেলাইছিল।

মৃত্যুৰ এসপ্তাহ মানৰ আগতে খৰঙী এলেকাৰ সোণালী জয়ন্তী উৎসব উপলক্ষে হোৱা সভাৰ আগমুহূৰ্ত্তত আমি একে ঠাইতে লগ হৈছিলোগৈ। সভা আৰম্ভ হোৱাৰ আগতে এঠাইত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীদেৱ, বীৰেন বৰকটকীদেৱ, তৰুণ চন্দ্ৰ শইকীয়াদেৱ তেখেত আৰু মই কথা পাতি আছিলো। সেই একে ধৰণৰে কথা "শুনা নাইনে, মোৰ অসুখ তেনেকুৱা একো নাই, বীৰেন আৰু মই খোজ কাঢিয়েই আহিছোঁ। ভাৰতীয়েহে এবাৰ দেখুৱাই আনিবলৈ নিব খোজাত যাবলৈ ওলাইছো। ২৩ তাৰিখেই যাম। তোমালোকৰ অগ্নিবিদ্যা পৰিষদৰ সভাত সেই বাবে উপস্থিত থাকিব নোৱাৰিম। মই সম্পাদকলৈ চিঠি লিখি জনাইছো। তুমিও ক'বা।" সেই দেখাই শেষ দেখা। সেই নিজস্ব ভঙ্গীৰে কোৱা কথা কেইষাৰেই শেষ শুনা কথা।

৩১ এপ্ৰিল সন্ধ্যাপৰত দুখৰ সংবাদ পাই ঢাপলি মেলিলো শ্ৰীদেৱেন বৰকটকীদেৱৰ ঘৰলৈ। বহুত সময় কথা পতাৰ পিছত বাটলৈ ওলাই আহি স্কুল খনৰ পৰা গোটেই বাটটোৱেই উকণ্ডা উকণ্ডা লাগিল। মনটো বৰ গধুৰ হৈ পৰিল। ছাত্ৰ হিচাবে, কৰ্মী হিচাবে সুদীৰ্ঘকাল একেলগেই কাম কৰি স্কুলৰ আৰম্ভণিৰ পৰা ৰূপালী জয়ন্তীলৈকে ওতঃপ্ৰোত ভাবে জড়িত হৈ থকা লোকজনৰ সদিচ্ছা আৰু দিহা পৰামৰ্শৰ পৰা বঞ্চিত হোৱা মুহূৰ্ত্তত বৰ অসহায় যেন লগা হ'ল। মনলৈ ভাব আহিল বৰকটকী ছাৰ আৰু নাই। কিন্তু মৃত্যু হলেও মৃত্যুক জিনি গ'ল মানুহজনে তেওঁৰ হাতৰে গঢ়া আজি জকমকাই থকা চতিয়া হায়াৰ চেকেণ্ডাৰী স্কুলৰ মাজেৰে।

এয়া যেন মৃত্যুৰহে মৃত্যু হৈছে। তেওঁৰ নহয়। কবিৰ ভাষাত "It is death that is dead, not he."

মহেন্দ্ৰনাথ বৰকটকীদেৱক

মই যেনেদৰে জানিছিলো

শৈলেন্দ্ৰ কুমাৰ শীল

বহুদিন আগৰ কথা। বিয়াল্লিছৰ আন্দোলনৰো আগৰ। মই তেতিয়া চতিয়া মজলীয়া স্কুলৰ প্ৰথম নে দ্বিতীয় মানত পঢ়ো আৰু দেউতাই চতিয়া দাতব্য চিকিৎসালয়ত কাম কৰা বাবে সেই চিকিৎসালয়ৰ চৌহদত চৰকাৰী বাসভৱনত আমি বাস কৰিছিলো। এদিন বাতিপুৱা সমুখৰ কোঠালীটোত বহি পঢি থাকোঁতে বগা ধুতি পাঞ্জাবী পিন্ধা উজ্জ্বল গৌৰ বৰ্ণৰ চোকা চেহেৰাৰ এজন যুৱকক চিকিৎসালয়লৈ যোৱা দেখিলো। তেতিয়াৰ চিকিৎসালয়খন এতিয়াৰ চিকিৎসালয়ৰ সন্মুখৰ পখুৰীটোৰ উত্তৰ পাৰে আছিল আৰু আমি থকা ঘৰবোৰ পূবপাৰে আছিল। চতিয়াৰ দেওবৰীয়া বজাৰখন বহিছিল এতিয়া য'ত চিকিৎসালয়খন অৱস্থিত, তাত। যুৱকজনৰ চেহেৰা-পাতি, চাল-চলন, দেখি সাধাৰণ মানুহৰ পৰা তেওঁৰ অসাধাৰণত্ব মোৰ দৰে প্ৰথম নে দ্বিতীয় মানত পঢা সৰু ল'ৰা এজনৰো চকুত পৰিছিল আৰু মই অবাক বিস্ময়ত ভাবিছিলোঁ মানুহজননো কোন? কিছু পৰৰ মুৰত দেউতাই আহি কলেহি সেইজন আছিল মহেন্দ্ৰনাথ বৰকটকী, তলপতে বৰ কৃতিত্বৰে কটন কলেজৰ পৰা বি, এচ, চি পাচ কৰি আহিছে, অতি মেধাৱী ছাত্ৰ, ছাত্ৰাৱস্থাত প্ৰতিটো বৃত্তি পৰীক্ষাতে বৃত্তি পাই, বৃত্তিৰ ধনেৰে পঢা-শুনা কৰি আহিছে। মহেন্দ্ৰনাথ বৰকটকী দেৱ সম্পৰ্কে এয়েই মোৰ প্ৰথম স্মৃতি।

মোৰ মা-দেউতা দুয়ো বৰ শিক্ষানুৰাগী আছিল। ল'ৰা-

ছোৱালীৰ শিক্ষাৰ বাবে যিকোনো বাধা, যি কোনো কষ্ট স্বীকাৰ কৰিবলৈ সদায় প্ৰস্তুত আছিল। আন কাষবাৰ ল'ৰা-ছোৱালীয়েও পৰীক্ষাত কৃতিত্ব অৰ্জ্জন কৰিলে বৰ আনন্দিত হৈছিল আৰু কৃতী ল'ৰা-ছোৱালীবোৰ তেওঁলোকৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল। ববকটকী দেৱো সেইদৰে তেওঁলোকৰ বৰ প্ৰিয়পাত্ৰ আছিল। অৱশ্যে আমাৰ দুয়োটা পৰিয়ালৰ মাজৰ আন্তৰিক সৌহাৰ্দ্য বহুদিন আগৰে পৰা আছিল। সেইদিনা দেউতাই আমাক বুজাই দিছিল বৃত্তি পৰীক্ষানো কি, বৃত্তি পাবৰ বাবে কেনেদৰে যোগ্যতা অৰ্জ্জন কৰিব লাগে আৰু বৃত্তি পাই বৃত্তিৰ ধনেৰে পঢ়া-শুনা কৰিব পৰাটো কিমান গৌৰৱৰ কথা। ইয়াৰ পিছতো প্ৰায়েই ববকটকীদেৱৰ গৌৰৱময় ছাত্ৰ জীৱনৰ দৃষ্টান্তৰে আমাক অনুপ্ৰেৰণা দিছিল। সেইদিনা পোৱা অনুপ্ৰেৰণাৰ প্ৰভাৱ মই মোৰ ছাত্ৰ জীৱনৰ শেষ দিনলৈকে অনুভৱ কৰিছিলো। ববকটকীদেৱৰ দৃষ্টান্তৰ দ্বাৰা অনুপ্ৰেৰিত হৈ প্ৰতিটো বৃত্তি পৰীক্ষাতেই বহিব পাৰিছিলো, বৃত্তি লাভ কৰিব পাৰিছিলো আৰু কবলৈ গলে বৃত্তিৰ ধনেৰেই মই মোৰ পঢ়া-শুনাৰ সকলো ব্যয় যোগাব পাৰিছিলো। আনকি চাকৰী জীৱনৰ পৰিণত বয়সত বিলাতত উচ্চ শিক্ষা লাভ কৰিবলৈ যাওঁতেও বৃটিছ চৰকাৰৰ পৰা পোৱা বৃত্তিৰ ধনেৰেই সেই শিক্ষাৰ সকলো ব্যয় বহন কৰিছিলো।

মোৰ মনত পৰা মতে স্নাতক হোৱাৰ পিছতেই ববকটকীদেৱে বিজ্ঞান শিক্ষক ৰূপে চতিয়া হাইস্কুলত যোগ দিয়ে আৰু এই পদত থকা সময়তেই কিছুদিনৰ পিছত বিয়াল্লিছৰ মুক্তি সংগ্ৰাম আৰম্ভ হয়। অভূতপূৰ্ব্ব এই গণ-সংগ্ৰামে গোটেই দেশতে এক বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল। মহাত্মাজীয়ে দিয়া "কৰেঙ্গে যা মৰেঙ্গে" ৰণধ্বনি ভাৰতবৰ্ষৰ দূৰ-দূৰণিৰ গাওঁতো প্ৰতিধ্বনিত হ'ল, আবাল-বৃদ্ধ-বণিতা প্ৰায় সকলো ভাৰতীয়ই এই সংগ্ৰামত জপিয়াই পৰিল আৰু হেজাৰে বিজাৰে কাৰাবৰণ কৰিলে। আদৰ্শবাদী যুৱক ববকটকীদেৱেও নিজৰ অৱস্থাৰ কথা অকণো নেভাবি বিনা দ্বিধাৰে এই সংগ্ৰামত জপিয়াই

পৰে আৰু অনতিপলমে কাৰাবৰণ কৰে। এই সময়ৰ পৰা আৰম্ভ কৰি কেবাবছৰলৈকে দেশত এক অশান্ত অৱস্থা চলি আছিল। দেশৰ স্কুল কলেজ প্ৰায় সকলোবোৰ তেতিয়া বন্ধ আছিল।

কেবাবছৰো কাৰাবাস যাপন কৰি যেতিয়া বৰকটকীদেৱে মুক্তিলাভ কৰে তেতিয়া আমি চতিয়া হাইস্কুলৰ ষষ্ঠ মানৰ ছাত্ৰ। সেই সময়ৰে পৰা আৰম্ভ কৰি জীৱনৰ শেষ দিনলৈকে আমি তেখেতক তুহিন শুভ্ৰ (Snow white) খাদী পোছাকত দেখি আহিছোঁ। সদায় হাঁহিমুখে থকা সুস্বাস্থ্যৰ অধিকাৰী উজ্জ্বল গৌৰ বৰ্ণৰ বৰকটকী দেৱক তেখেতৰ এই পোছাকটোৱে এটা অসাধাৰণ ব্যক্তিত্ব প্ৰদান কৰিছিল। আজিও আমাৰ মানস পটত তেখেতৰ মুখখন ভাঁহি উঠিলে আমি তেখেতৰ সেই মূৰ্ত্তিটোহে দেখা পাওঁ। কাৰাগাৰৰ পৰা মুক্তিলাভ কৰাৰ কিছু-দিনৰ পিছতেই তেখেতে চতিয়া হাইস্কুলত প্ৰধান শিক্ষক ৰূপে যোগ দান কৰে আৰু কৰ্ম্ম-জীৱনৰ শেষ দিনলৈকে এই পদতেই থাকে। স্বাধীনতাৰ পিছত তেখেতৰ সহকৰ্মী বহু নেতৃস্থানীয় ব্যক্তি ৰাজনৈতিক আৰু প্ৰশাসনিক উচ্চ ক্ষমতাৰ অধিকাৰী হৈছিল যাৰ ফলত বৰ-কটকীদেৱৰ বাবে যিকোনো উচ্চ ৰাজনৈতিক বা প্ৰশাসনিক পদৰ অধিকাৰী হোৱাটো অলপো কষ্টকৰ নহ'লহেঁতেন। দৰাচলতে আমি জনাত তেনে পদ বহু বাৰ তেখেতক যাচি দিয়া হৈছিল। কিন্তু বৰকটকীদেৱে চতিয়া হাইস্কুলখন এৰি কলৈকো নগ'ল। স্কুলখনৰ অতি মুমূৰ্ষু অৱস্থাত বৰকটকীদেৱে প্ৰধান শিক্ষকৰূপে ইয়াৰ গুৰি ধৰিছিল আৰু পিছত নিজৰ স্বাৰ্থৰ বাবে ইয়াক তেনে অৱস্থাত এৰি থৈ যোৱা কথাটো তেখেতে অতি নিৰ্দ্দয় আৰু নৈতিকতা হীন বুলি গণ্য কৰিছিল। স্কুলখনৰ উন্নতি তেখেতৰ সকলো সময়ৰ ধ্যান-ধাৰণা আছিল বুলি কলেও বঢ়াই কোৱা নহয়। তেতিয়া স্কুলখনৰ তিনিটা টিনৰ দুই-চলা ঘৰ আছিল। তাৰে এটাৰ মাটিৰ বেৰ আছিল, দ্বিতীয়টোৰ বেৰৰ কিছু অংশহে আছিল আৰু তৃতীয়টোৰ বেৰ একেবাৰেই নাছিল। তাৰ তলত বহি পঢ়ি থকা ছাত্ৰসকলক

আলিবাটেদি যোৱা লোকসকলে স্পষ্টভাবে দেখা পাইছিল। শিক্ষকৰ সংখ্যাও অতি কম আছিল। দুই চাৰিজন আহে, কিছুদিন থাকে, তাৰ পিছত কাম ইস্তফা দি আকৌ যায়গৈ। এইদৰেই চলিছিল। কোনো কোনো সময়ত শিক্ষকৰ সংখ্যা ইমান হ্রাস পাইছিল যে স্কুল খনক জীয়াই ৰাখিবলৈ আমি আৰু আমাৰ নিচিনা বহুতো প্রাক্তন ছাত্রই কলেজত পঢ়ি থাকোতে কলেজৰ বন্ধৰ সময়ছোৱাত স্কুলখনত শিক্ষকতাৰ কাম কৰিব লগা হৈছিল। এনে এটা অৱস্থাৰ পৰা আৰম্ভ কৰি দোপত দোপে উন্নতি কৰি স্কুলখনে আজিৰ এই পৰিপূর্ণতা লাভ কৰিছে। আজি স্কুলখন বহু সংখ্যক ছাত্র-ছাত্রী আৰু বিভিন্ন বিষয়ৰ শিক্ষক শিক্ষয়িত্রীৰে ভৰপূৰ, নিজস্ব খেলপথাৰ আৰু প্রেক্ষাগৃহ আছে, সুদৃশ্য আৰু প্রশস্ত স্কুলঘৰ সমূহ চাৰিওফালৰ সুস্পষ্ট সীমা নির্দ্ধাৰক Compound wallৰ দ্বাৰা আবৃত বিশাল চৌহদৰ মাজত অৱস্থিত। মুঠতে আজিৰ চতিয়া হাইস্কুলখন সর্ব্বাঙ্গীন সুন্দৰ আৰু গোটেই অসমৰ ভিতৰতে এখন আদর্শ স্কুলৰূপে পৰিগণিত। এই কৃতকার্য্যতা চৰকাৰ আৰু সমূহ ৰাইজৰ সহায় সহানুভূতি ব্যতিৰেকে সম্ভৱপৰ নহ'লহেঁতেন সঁচা, কিন্তু ইয়াৰ মূলত প্রকৃততে যে বৰকটকীদেৱৰ আজীৱনৰ অক্লান্ত পৰিশ্রম, নিষ্ঠা আৰু নেৰানেপেৰা চেষ্টা আছিল সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। দৰাচলতে চতিয়া হাইস্কুলক বাহিৰত মহেন্দ্র নাথ বৰকটকীদেৱৰ স্কুল বুলিহে মানুহে জানে। ব্যক্তিগত স্বার্থত উচ্চ পদ গ্রহণ কৰি আৰম্ভণীতে স্কুলখন এৰি অইন ঠাইলৈ নোযোৱাৰ ফলত তেখেতৰ যি বৈষয়িক ক্ষতি হৈছিল সেই ক্ষতি স্কুলখনৰ পৰিপূর্ণতাই বহুগুণে পূৰণ কৰিছিল বুলি বৰকটকীদেৱে বহুবাৰ আমাৰ আগত সগর্বে ঘোষণা কৰিছিল। পার্থিৱ অর্থত বৰকটকীদেৱ দুখীয়া আছিল সঁচা, কিন্তু কোনে কয় প্রকৃত অর্থত তেখেত দুখীয়া আছিল। আজি সগর্বে উন্নত শিৰে থিয় দি থকা স্কুলখন আৰু তেখেতৰ পদ প্রান্তত শিক্ষালাভ কৰি নানা বিষয়ত জীৱনত প্রতিষ্ঠা লাভ কৰা দেশ-বিদেশত সিঁচৰিত হৈ

থকা বহু সংখ্যক কৃতী ছাত্ৰ-ছাত্ৰী তেখেতৰ মানত আছিল অমূল্য সম্পদ আৰু সেই অমূল্য সম্পদত সম্পদশালী তেখেত আছিল এক বিৰাট বিত্তবান ব্যক্তি।

দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত ভাৰতীয় কমিউনিষ্ট সকলে নানা কাৰণত যথেষ্ট পৰিমাণৰ জন প্ৰিয়তা হেৰুৱাইছিল। সেইবাবে যুদ্ধাৱসানৰ লগে লগে কমিউনিষ্ট প্ৰভাৱিত তেতিয়াৰ কবলৈ গলে একমাত্ৰ ছাত্ৰ সংগঠন ছাত্ৰ ফেডাৰেছনৰ মাজত ভাঙনৰ সৃষ্টি হৈ ছাত্ৰ কংগ্ৰেছৰ জন্ম হয়। আমি তেতিয়া সপ্তম মানৰ ছাত্ৰ। কমলা, তিলক, পুণাকে ধৰি আমি কিছুমানে কেৱল মাত্ৰ আমাৰ শ্ৰেণীটোকে লৈ আমাৰ স্কুলতো ছাত্ৰ কংগ্ৰেছৰ সৃষ্টি কৰি সমগ্ৰ স্কুলৰ সংগঠন ছাত্ৰ ফেডাৰেচনৰ পৰা গুলাই আহো, আমি বেলেগে বাতৰি কাকত ৰাখিছিলো আৰু হাতেলিখা এখন আলোচনীও উলিয়াইছিলো, আৰু তাৰ বাবে প্ৰবন্ধ পাতিৰ অভাব দূৰ কৰিবলৈ দিনে-নিশাই পৰিশ্ৰম কৰি হিন্দী বঙালী আৰু ইংৰাজী গল্প, কবিতা, প্ৰবন্ধাদিৰ তৰ্জ্জমা কৰি সেই আলোচনীত প্ৰকাশ কৰিছিলো। বৃত্তিৰ ধন আৰু ঘৰৰ পৰা খুজি-মাগি অনা পইচাৰে প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰিছিলো। মনত পৰে, বৰকটকীদেৱে আমাৰ প্ৰথম আলোচনীখন উন্মোচন কৰিছিল। পক্ষপাতিত্বৰ দুৰ্নাম নোলোৱাকৈ নিৰপেক্ষভাৱে তেখেতে আমাক আমাৰ এই প্ৰচেষ্টাত দিহা-পৰামৰ্শ দি সহায় কৰিছিল। আমাৰ এই দুঃসাহসিক প্ৰচেষ্টাত তেখেত আছিল আমাৰ বন্ধু, আমাৰ দাৰ্শনিক, আমাৰ পথ-প্ৰদৰ্শক (Friend, Philosopher and Guide)। বাহ্যিক গাম্ভীৰ্য্য আৰু বিৰাট ব্যক্তিত্বৰ অন্তৰালত থকা ছাত্ৰৰ প্ৰতি তেখেতৰ মিত্ৰবৎ ব্যৱহাৰ আৰু অন্যান্য বহু গুণৰ লগত আমি সেই সময়ত পৰিচিত হৈছিলো আৰু তেখেতৰ প্ৰতি আমাৰ শ্ৰদ্ধা ভক্তি বহুগুণে বৃদ্ধি পাইছিল।

বিজ্ঞানৰ স্নাতক বৰকটকীদেৱ মূলতঃ বিজ্ঞান আৰু গণিতৰ

শিক্ষক আছিল। কিন্তু অন্যান্য বিষয়ৰ শিক্ষক প্ৰায়েই নথকাত অসমীয়া ভূগোল, ইতিহাস, ইংৰাজী আদি বিষয়ো পঢ়ুৱাইছিল। আনকি কেতিয়াবা সংস্কৃত শিক্ষকৰ অনুপস্থিতিত সংস্কৃত পঢ়ুৱাও আমি দেখিবলৈ পাইছিলো আৰু এই আটাইবোৰ বিষয়েই সমান পাৰদৰ্শিতাৰে পঢ়ুৱাব পাৰিছিল। বিভিন্ন বিষয়ৰ শিক্ষকতাত ৰবকটকীদেৱ যেনিবা আছিল সব্যসাচী। বিষয় এটা পঢ়ুৱাই উঠি শ্ৰেণীৰ প্ৰতিজন ছাত্ৰৰ মনোবিজ্ঞানৰ প্ৰতি লক্ষ্য ৰাখি কাৰ ক'ত খোকোঁজা থাকিব পাৰে তাক অনুমান কৰি সেইবোৰ দূৰীকৰণ কৰিছিল। আনকি দশম মানৰ পৰিণত বুদ্ধিৰ ছাত্ৰকো কি ধৰণে প্ৰশ্নোত্তৰ কৰিলে পৰীক্ষাত অধিক নম্বৰ পাব পাৰি তাৰ কৌশল শিকাই দিছিল। অতি কম সময়ৰ ভিতৰত একোটা বিস্তৃত পাঠ্যৰ মূল কথাখিনি ছাত্ৰজনৰ মনত সুমুৱাই দিয়াৰ আচৰিত ক্ষমতা তেখেতৰ আছিল। উদাহৰণ স্বৰূপে, নৱম আৰু দশম মানত তেখেতে মোক প্ৰবেশিকা পৰীক্ষাৰ বাবে অতিৰিক্ত গণিত পঢ়ুৱাইছিল। প্ৰায় সকলো সময়তেই তেতিয়া নানা বিষয়ৰ শিক্ষকৰ অভাৱ থকাত পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পৰা নহৈছিল। পৰীক্ষাৰ বাবে প্ৰবেশ-পত্ৰ (Admit Card) ল'বলৈ যোৱাৰ দিনা মোক ক'লে যে ত্ৰিগোনমেট্ৰিৰ (Trigonometry) পৰা পোন্ধৰ নম্বৰৰ প্ৰশ্ন আছে কিন্তু সেই ত্ৰিগোনমেট্ৰি শিকোৱা নহ'ল। তেতিয়া তেখেতে অফিচ কোঠাটোতেই প্ৰায় ছুঘণ্টামান ত্ৰিগোনমেট্ৰি সম্পৰ্কে মোক বুজাই প্ৰতি বিধৰ দুই চাৰিটাকৈ অংক কৰি দেখুৱালে আৰু ঘৰলৈ গৈ বাকী খিনি পঢ়ি আৰু কিছুমান অংক কৰিবলৈ তেখেতে দিয়া কিতাপখনত দাগ দি দিলে। সেইখিনিকে সম্বল কৰি মই পৰীক্ষাত বহিছিলো আৰু তেখেতৰ কৃপাত সম্পূৰ্ণ পোন্ধৰ নম্বৰৰ শুদ্ধ উত্তৰ কৰিবলৈ সমৰ্থ হৈছিলো। কেৱল পঢ়াশুনাতে আবদ্ধ নেথাকি খেল-ধেমালি, দৃশ্যাবৃত্তি, ৰচনা প্ৰতিযোগিতা, নাট্যাভিনয়, সাধাৰণ-জ্ঞানৰ প্ৰতিযোগিতা আদিতো ভাগ ল'বলৈ ছাত্ৰ-ছাত্ৰীসকলক তেখেতে উদগনি দিছিল। সেই উদগনিত উদ্বুদ্ধ হৈ আমি বহু দৃশ্যাবৃত্তি, নাট্যাভিনয়, ফুটবল প্ৰতিযোগিতা আৰু সাধাৰণ জ্ঞানৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা মনত পৰে। পঢ়াশুনাত অপেক্ষাকৃত ভাল ছাত্ৰ-ছাত্ৰী

সকলৰ অধিকতৰ উন্নতিৰ বাবে তেখেতে বিশেষ যত্ন চেষ্টা কৰিছিল আৰু তেনে ধৰণৰ ছাত্ৰ-ছাত্ৰীৰ সামান্য ত্ৰুটিও বৃহদাকাৰে লৈছিল আৰু তাৰ বাবে আশঙ্কিত হৈ পৰিছিল। প্ৰৱেশিকা পৰীক্ষাৰ কেইমাহ মান আগৰ গণিতৰ কোনো এটা শ্ৰেণী-পৰীক্ষাৰ সময়ত এক অভিনয় সংক্ৰান্ত বিষয়ত আবদ্ধ হ'বলগীয়া হোৱাত পৰীক্ষাত নবহাটো মই স্থিৰ কৰি পেলাইছিলো। অভিনয় নিশাৰ পিছদিনা পৰীক্ষা। অভিনয় আৰম্ভ হোৱাৰ ঠিক পূৰ্ব্বমুহূৰ্ত্তত গ্ৰীনৰুমত সহপাঠী কমলাই ক'লেহি "বৰকটকী চাৰে স্কুললৈ নগৈ অভিনয়ত লাগি থকাৰ বাবে আৰু কালিলৈ পৰীক্ষা নিদিৱ বুলি গমপাই তোৰ ওপৰত ভীষণ খং কৰিছে আৰু তোৰ দ্বাৰা একো নহ'ব বুলি কৈছে।" মোৰ বৰ বেয়া লাগিল। ৰাতি প্ৰায় এক মান বজাত অভিনয় শেষ হোৱাৰ লগে লগে বাহিৰে বাহিৰে ঘৰলৈ গৈ গণিত পঢ়াত লাগিলো আৰু একেৰাহে পুৱা ন বজালৈকে পঢ়ি দহ বজাত পৰীক্ষাত বহিলো গৈ। অপ্ৰত্যাশিত ৰূপে মোক পৰীক্ষাহলত দেখি বৰকটকী চাৰৰ সি কি আনন্দ। "পৰীক্ষা দিবলৈ আহিলি ?" বুলি ক'লে। হয়াৰ কিছুদিনৰ পিছত উত্তৰ-পত্ৰ ঘূৰাই দিবৰ সময়ত অৱহেলা জনিত সাধাৰণ ভুল কৰি নম্বৰ হেৰুৱাৰ বাবে বহু তিৰস্কাৰ কৰি উত্তৰ-পত্ৰখন ঘূৰাই দিলে। দেখিলো প্ৰথমতে এশৰ ভিতৰত এশ নম্বৰ দি পিছত জ্যামিতিৰ উত্তৰ এটা লিখোতে শব্দ এটা বাদ পৰি যোৱাৰ বাবে এক নম্বৰ কাটি নিৰানব্বৈ দি থৈছে আৰু সেই এক নম্বৰ হেৰুৱাৰ বাবে মোক তিৰস্কাৰ কৰিছে। সিদিনাৰ সেই এক নম্বৰ হেৰুৱাৰ বেদনা মই বহুদিনলৈ পাহৰিব পৰা নাছিলো। সি যে কি কষ্ট কেৱল ভুক্তভোগীয়েহে বুজিব। হয়াৰ কেইমাহমান পিছতেই প্ৰৱেশিকা পৰীক্ষা হৈছিল আৰু সেই পৰীক্ষাত মোৰ ওপৰত ন্যস্ত কৰা চাৰৰ উচ্চাশা আৰু অপাৰ বিশ্বাসৰ মৰ্য্যাদা ৰক্ষা কৰি তেখেতৰ আশানুৰূপ ফল দৰ্শাব পৰাত কৃতাৰ্থ মানিছিলো।

সূক্ষ্ম ৰসাত্মবোধৰ বাবে বৰকটকীদেৱ জনাজাত আছিল। শ্ৰেণীত পঢ়ুৱাৰ মাজে মাজে ৰসাত্মক কথাৰে ছাত্ৰ-ছাত্ৰীসকলক হুহুৱাই এক-

ঘেয়ামি ভঙ্গ কৰিছিল। আনকি কাৰোবাক তিৰস্কাৰ কৰিবৰ সময়তো তেনে ধৰণৰ শব্দ ব্যৱহাৰ কৰিছিল। সদা-হাস্যময় মুখখনৰ বাহিৰে তেখেতৰ খঙাল ৰুদ্ৰমূৰ্ত্তি আমি কাচিৎহে দেখা পাইছিলো। উপস্থিত বুদ্ধি দেখুৱাব পাৰিলে বহু সময়ত সৰু-সুৰা অপৰাধ তেখেতে ক্ষমা কৰি দিছিল। আমি তেতিয়া দশমমানত। শ্ৰেণীৰ ভালেমান শিক্ষক নথকাত এদিন স্কুললৈ আহোঁতে কমলা; তিলক আৰু মোৰ ভালেমান পলম হৈছিল। বাটত গল্প-গুজৱ কৰি লাহে ধীৰে আহি আছিলো। নিশ্চিন্তমনে প্ৰথমতে ময়েই শ্ৰেণীত সোমালো আৰু সোমায়েই বাঘৰ মুখত পৰিলো। বৰকটকী চাৰে ক্লাচ লৈ আছে! গহীনাই সুধিলে— "এয়া স্কুললৈ অহাৰ সময় নেকি?" তৎক্ষণাৎ মুখত কোনো উত্তৰ নোলাল "যা বেঞ্চৰ ওপৰত থিয় হৈ থাকগৈ" —বুলি আদেশ দিলে। বিনা বাক্যে ব্যয়ে আদেশ পালন কৰি বেঞ্চৰ ওপৰত থিয় হলোগৈ। তাৰ পৰা বাহিৰলৈ চাই দেখা পালো কমলা, তিলকে সোমাওঁ নে নোসো-মাওঁ বুলি দুবাৰমান ইতস্ততঃ কৰি শেষত দুয়ো সোমাই আহিল। আগে আগে কমলা, পিছে পিছে তিলক। চাৰে পলম হোৱাৰ কাৰণ সোধাত কমলাই তৎক্ষণাৎ উত্তৰ দি কলে যে ঠিক সময়তেই আহি পালোহিহেঁতেন। কিন্তু সৰু ল'ৰা-ছোৱালী আৰু তিৰোতা মানুহসহ গৰু গাড়ী এখন ৰাস্তাৰ পৰা তললৈ বাগৰি যোৱা দেখা পাই অকলশৰীয়া গাড়োৱান জনক সহায় কৰি গাড়ীখন ঠেলি ওপৰলৈ তুলি আনোতে পলম হ'ল। এনে এটা মহৎ কাৰ্য্য কৰিবলৈ যাওঁতে যদি স্কুললৈ পলম কৈ অহাৰ দৰে এটা ক্ষুদ্ৰ অপৰাধ সংঘটিত হয়ো তেন্তে সি নিশ্চয় মাৰ্জ্জনীয়। চাৰে দুয়োকো বহিব দিলে। একে অপৰাধত আমি তিনিও সমানে অপৰাধী। মই পালো শাস্তি আৰু সিহঁতৰ একোৰেই নহ'ল। উপৰন্তু মোৰ প্ৰতি উপলুঙা কৰি দুয়োৰে মুখত দুষ্ট হাঁহি। খঙত মোৰ শৰীৰ জ্বলি গ'ল। দুয়োটাকে টেটু পেচি মাৰি পেলাবৰ মন গৈছিল। চাৰৰ উপস্থিতিত যেনিবা তেনে কৰিব পৰা নগ'ল। পিছত জানিব পাৰিছিলো— কিন্তু কমলাই তৎক্ষণাৎ

অনায়াসে গ্ৰহণযোগ্য পলম হোৱাৰ যি এটা কাৰণ দৰ্শালে সেই উপস্থিত বুদ্ধিকহে মাথোন পুৰস্কৃত কৰিছিল। জীৱনৰ বিয়লি পৰত বহু বছৰ আগতে ঘটি যোৱা এনেধৰণৰ সৰু সুৰা ঘটনাবোৰৰ স্মৃতি মনলৈ বাস্তৱিকতে এক মধুৰ অনুভূতিৰ সঞ্চাৰ কৰে।

চতিয়া হাইস্কুলৰ শিক্ষা সাং কৰি বৰকটকী চাৰৰ পদ-ধূলি লৈ ১৯৪৯ চনত উচ্চ শিক্ষাৰ বাবে আমি বাহিৰলৈ যোৱাৰ কিছু-দিনৰ পিছত তেখেত স্নাতকোত্তৰ প্ৰশিক্ষণ লাভৰ বাবে জমিয়া মিলিয়া ইচলামিয়া বিশ্ববিদ্যালয়লৈ যায়। তাৰ পৰা শিক্ষা শেষ কৰি পুনৰ চতিয়া হাইস্কুলতে যোগ দিয়ে। ইয়াৰো বহুদিনৰ পিছত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আদৰ্শ শিক্ষকৰ পুৰস্কাৰ প্ৰদান কৰি সৰ্ব্ব ভাৰতীয় মৰ্য্যদা দি যথাৰ্থৰূপে তেখেতক সন্মানিত কৰে। বৰকটকীদেৱৰ বিয়োগত বাস্তৱিকতে দেশবাসীয়ে হেৰুৱালে এজন আজীৱন শিক্ষাব্ৰতী আদৰ্শ শিক্ষক।

প্ৰতি বছৰ এচাম ছাত্ৰ-ছাত্ৰী প্ৰৱেশিকা পৰীক্ষা পাছ কৰি বৰকটকী চাৰৰ হাতেদি উচ্চ শিক্ষাৰ্থে বাহিৰলৈ গৈ পিছত নানা ধৰণে জীৱন প্ৰতিষ্ঠা লাভ কৰি আহিছে। বৰকটকীদেৱৰ সুদীৰ্ঘ শিক্ষক জীৱনত এই সকল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা নিচেই কম নহব। কিন্তু বৰকটকী চাৰে এওঁলোকৰ প্ৰতিজনে কোন চনত পাচ কৰিলে, কোন বিষয়ত কিমান নম্বৰ পাইছিল, কি কি বিশেষত্ব দেখুৱাইছিল, জীৱনত কেনেকৈ প্ৰতিষ্ঠা লাভ কৰিলে আদি সকলোবোৰ তথ্য তেখেতৰ নখ দৰ্পনত ৰাখিছিল আৰু সভায়-সমিতিয়ে, মানুহৰ লগত কথা পাতোতে ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাওঁতে সেইবোৰৰ সঘনে উল্লেখ কৰি অন্তৰ বাবে অনুপ্ৰেৰণা যোগাইছিল। কোনো ঠাইলৈ গ'লে, তাত থকা তেনে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ খা-খবৰ লবলৈ তেখেতে কেতিয়াও নেপাহৰিছিল। সেইবোৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ বৃত্তান্ত যেন তেখেতৰ জপ-মালাহে আছিল। আমিও চতিয়ালৈ গ'লে চাৰৰ লগত দেখা

নকৰাকৈ কেতিয়াও অহা নাছিলো। স্কুললৈ গ'লে তেখেতে গোটেই খন ঘুৰাই-ফুৰাই দেখুৱাইছিল, ক'ত কি নিৰ্ম্মাণ কাৰ্য্য চলি আছে ভৱিষ্যতে কি কি নিৰ্ম্মাণ হব আৰু কি ভাবে অতি কম খৰছেৰে কামবোৰ কৰাইছে— এই সকলোবোৰ বহলাই কৈছিল আৰু কাৰিকৰী পৰামৰ্শ বিচাৰিছিল। কিন্তু চাৰকনো কি কাৰিগৰী পৰামৰ্শ দিম? তেখেতৰ এইবোৰ বিষয়ে কাৰিগৰী জ্ঞান আৰু মিতব্যয়িতাৰ কৌশল কোনো পেশাদাৰ অভিযন্তাতকৈ কম নাছিল। ৰাইজৰ পুঁজি ব্যয় কৰাত তেখেত অতি সতৰ্ক আছিল। আমাক প্ৰায়েই কৈছিল নিজৰ ধন ব্যয় কৰোতে কিবা ভুল-ভ্ৰান্তি হ'লে সেই ক্ষতি কেৱল নিজৰ, কিন্তু ৰাইজৰ ধন ব্যয় কৰাৰ ভুলৰ ক্ষতি বহুতৰ। এনে নিষ্ঠা আৰু সততাৰে প্ৰত্যেক ৰাইজৰ পুঁজিৰ প্ৰয়োগ কৰাহেঁতেন আজি আমি উন্নতিৰ শিখৰত উপনীত হলোহিহেঁতেন।

শিল, বালি, কাঠৰ মাজত জীৱন যাপন কৰা মোৰ দৰে এজন নীৰস, কঠুৱা ইঞ্জিনিয়াৰৰ লিখনিৰ মাজেদি বৰকটকীদেৱৰ বহুমুখী প্ৰতিভা আৰু মহান আৰু গুণাৱলীৰ এক ক্ষুদ্ৰ অংশও প্ৰকাশ পোৱা নাই সঁচা, কিন্তু আশা ৰাখিছো অদূৰ ভৱিষ্যতে কোনোবা অনাগত জীৱনীকাৰৰ শক্তিশালী লিখনিৰ দ্বাৰা বৰকটকী দেৱৰ মহান গুণাৱলীৰ প্ৰকৃত মূল্যায়ন হৈ দেশবাসীৰ আগত প্ৰকাশিত হব। চাৰৰ বিষয়ে আজি এই দুআষাৰ লিখিবলৈ লওঁতে অতীতৰ সৰু-সুৰা বহু স্মৃতি মনলৈ আহিছে আৰু বাৰে বাৰে চকু পানীৰে মোৰ দৃষ্টি আচ্ছন্ন হৈ পৰিছে। এই চকুপানী কোনো শোক বা দুখৰ নহয়, এই চকুপানী এজন ছাত্ৰৰ তেওঁৰ অতিকৈ প্ৰিয়, অতিকৈ ভক্তিভাজন শিক্ষকৰ প্ৰতি কৃতজ্ঞতাৰ চকুপানী। আজি যদি মই জীৱনত কিবা অকণো হব পাৰিছো, তেন্তে সেয়া মোৰ প্ৰিয় শিক্ষকৰ আশীৰ্ব্বাদৰ ফলতহে। হে দেৱ, উৰ্দ্ধলোকৰ পৰা আজি আপুনি নাথাকক, এই অভাজনৰ সকৃতজ্ঞ শতকোটী প্ৰণিপাত গ্ৰহণ কৰিব।

০০০

স্মৃতিৰ পাপৰিত ৰৰকটকী ছাৰ ঃ

একৈয়া বোটলা

—লীলা কটকী

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছৰটো বছৰতে হাইস্কুলীয়া জীৱনৰ পাতনি মেলিছিলো। স্কুলত নাম ভৰ্ত্তি কৰাৰ কেইদিনমানৰ পিচতে প্ৰধান শিক্ষক ৰৰকটকীদেৱ আমাৰ শ্ৰেণীত সোমাইছিল। তেতিয়া প্ৰধান শিক্ষক কোনোবা শ্ৰেণীত সোমোৱা মানে বৰ্ত্তমান স্কুল পৰিদৰ্শক সোমোৱাৰ দৰে আছিল। জিৰণিৰ ঘণ্টাত বা ছুটীত আলোচনা হয়, "আজি 'হেড্চাৰ' আমাৰ শ্ৰেণীত সোমাইছিল।" তেতিয়া অন্য শ্ৰেণীৰ ছাত্ৰই সোধে, "কিবা ? বিছিল নেকি ? ঠিক নাই কালিলৈ আমাৰ শ্ৰেণীটো সোমাব পাৰে।"....

আমাৰ শ্ৰেণীত সোমায়েই প্ৰতিজন ছাত্ৰৰ নাম আৰু দেউতাকৰ নাম শুধিছিল। শেষত মজলীয়া স্কুল আৰু খনাগুৰি স্কুলৰ পৰা অহা ছাত্ৰকেইজনক ঠিয় হবলৈ কৈছিল। ল'ৰাকেইজন ঠিয় হ'ল। তেতিয়া তেওঁলোকক আগৰ বেঞ্চত বহিবলৈ কৈছিল। লগতে কৈছিল এই দুখন স্কুলৰ ল'ৰা পঢ়া-শুনাত ভাল। তেতিয়াৰে পৰা আঠবছৰ শিক্ষা গুৰু হিচাবে আৰু সুদীৰ্ঘ বাইশ বছৰ কাল তেখেতক সহকৰ্মী প্ৰধান শিক্ষক হিচাবে পোৱাৰ সৌভাগ্য ঘটিছিল।

বহুমুখী প্ৰতিভাৰে প্ৰতিভাত এইগৰাকী ব্যক্তিৰ কৰ্ম্মবহুল জীৱনৰ বিভিন্ন দিশ এই গ্ৰন্থত সন্নিবিষ্ট বহুতো প্ৰবন্ধত আলোচিত হৈছেই। সেইবাবে মই তেখেতৰ জীৱনৰ দুই এটা কথা একৈয়া বুটলি আনি ইয়াত সন্নিবিষ্ট কৰিব খুজিছো।

ৰবকটকী চাৰৰ গাত মই কেইটিমান বিশেষ গুণ দেখিবলৈ পাইছিলো। তাৰ ভিতৰত সময়ানুবৰ্ত্তীতাকে অগ্ৰাধিকাৰ দিব পাৰি। "ভাগ্য লক্ষ্মীৰ খোপা আৰু সময়ৰ টিকনিয়ে আগফালে" সেইকথা চাৰে ভালদৰে বুজি পাইছিল। তেখেত স্কুললৈ কেতিয়াও দেৰিকৈ নাহিছিল! সেই কাৰণে অন্য শিক্ষক সকলো দেৰিকৈ আহিবলৈ ভাল নেপাইছিল। স্কুলত পতা সকলো সভা-সমিতি নিৰ্দ্দিষ্ট সময়ত সদায় আৰম্ভ কৰাইছিল। আনকি সভা-সমিতিলৈ মাতিলেও তেখেত নিৰ্দ্দিষ্ট সময়ৰ দহ-পোন্ধৰ মিনিট আগতে উপস্থিত হৈছিলগৈ।

তেখেত আইন মানি চলাটো বৰ কঠোৰ আছিল। কেতিয়াবা তাৰ ফলত কাৰোবাৰ আংশিক অপকাৰো হৈছিল। তথাপি তেখেতে আইন ভঙ্গ কৰিবলৈ বৰ টান পাইছিল। তাৰ মাজতো যদি কেতি-য়াবা নিয়ম ভঙ্গ কৰিছিল সেইয়া কোনোবা প্ৰভাৱশালী ব্যক্তিৰ তাগিদাত পৰিহে অনিচ্ছাস্বত্বেও কৰিছিল যেন লাগে। উদাহৰণ স্বৰূপে প্ৰবেশিকা (বৰ্ত্তমান শিক্ষান্ত) পৰীক্ষা দিয়া ছাত্ৰ-ছাত্ৰীৰ বয়সৰ কথাকে উন্মুকিয়াব পাৰি। নিয়মমতে প্ৰাইমাৰী স্কুল পৰা অনা চাৰ্টিফিকেটত উল্লেখ থকা বয়সৰ লগত হাইস্কুলত পঢ়া বছৰ কেইটা যোগ দি এজন প্ৰবেশিকা পৰীক্ষাৰ্থীৰ বয়স উলিওৱা হয়। চাৰে সেই নিয়ম যথা সম্ভৱ মানি চলিছিল। কেতিয়াবা কোনো ছাত্ৰৰ বয়স কিছু বেছি হলেও তাক কমাই দিবলৈ ইচ্ছা নকৰিছিল। তেখেতৰ মতে সেইটো আইন বিৰুদ্ধ কথা।

মই যিমান দূৰ জানো ৰাজহুৱা ধনৰ চান কাঢ়ি নিজৰ জেপত ভৰোৱাটো তেখেতৰ জীৱনৰ নীতি বিৰুদ্ধ কথা আছিল। এবাৰ তেনে এটা ঘটনা বিদ্যালয়ত প্ৰধান হৈ থাকোতেই তেখেতৰ জীৱনত ঘটিছিল। স্কুলত কেতিয়াবা কোনোবা সম্মানীয় ব্যক্তিয়ে পদাৰ্পণ কৰিলে একাপ চাহ খুৱাব লগীয়া হয়। কিন্তু তেনেকৈ লঘু আপ্যা-য়নত খৰচ কৰিবলৈ বিদ্যালয়ত আচুতীয়া পুঁজি নাথাকে। গতিকে

উৎসৱ বিভাগৰ পুঁজিৰ পৰাই পইচা আনি অভ্যৰ্থনাত খৰচ কৰিছিল। কাৰণ সেইটো শিতানৰ টকা চৰকাৰী হিচাবৰ বাহিৰত থাকে। কিন্তু কোনোবাই বাহিৰত সেই শিতানৰ টকা খৰচ কৰি অফিচত চাহ খাই বুলি কোৱা চাৰে শুনিলে। এই কথা শুনি তেখেতে বৰ দুখ পালে। মই তেতিয়া উৎসৱ বিভাগৰ দায়িত্বত থকা শিক্ষক আছিলো। এদিন মোক মাতি ক'লে, "তুমি উৎসৱ বিভাগৰ ভাওচাৰ ফাইলত যিমান চাহ খুওৱাৰ ভাওচাৰ আছে একৰাই পেলাবা আৰু ভাওচাৰ বোৰ মোক দিবা।" মই কাৰণটো কি জানিব বিচৰাত তেখেতে পিচত জানিবা বুলি ক'লে। যেনে আদেশ তেনে কাম। মই সকলো বোৰ চাহৰ ভাওচাৰ (সম্ভৱ আঠবছৰ মানৰ আছিল) ফালি চাৰক জমা দিলো। চাৰে তাত থকা টকাৰ পৰিমাণবোৰ যোগ কৰি মুঠ আঠশ কেইটকা পালে। তেতিয়া মোক ক'লে, "ছাত্ৰ-ছাত্ৰীৰ উৎসৱৰ শিতানত থকা টকা মই চাহ খুউৱাত খৰচ কৰি অন্যায় কৰিছো বুলি বাহিৰত বু-বু-বা-বা চলিছে। সেই কথা মোৰ কাণত পৰিছে। গতিকে মই এই সমুদায় টকা উৎসৱ বিভাগৰ পাছবুকত মোৰ দৰ্মহাৰ টকাৰ পৰা জমা দি দিম। সেইমতে জমা দি মোক কেইদিনমানৰ পিচত পাছবুকখন দেখুৱালেও। মই অৱশ্যে মৃদু প্ৰতিবাদ এটা কৰিছিলো— পিছে চাৰে নুশুনিলে।

চাৰ আছিল চতিয়া অঞ্চলৰ এখন নিলিখা কোষ (Verbal Encyclopedia)। তেখেতৰ জীৱন কালত ঘটা ঘটনাবটো কথাই নাই তাৰ আগৰ কথাও তেখেতে যদি ক'ৰবাত শুনিছিল তেন্তে তেখেতে তাক পৰিষ্কাৰ ভাবে মনত ৰাখি থ'ব পাৰিছিল। চতিয়াৰ যি কোনো পুৰণি কথা চন তাৰিখৰ সৈতে মনত ৰাখিব পৰাটো তেখেতৰ এটা ডাঙৰ গুণ আছিল।

তাৰোপৰি তেখেতে পঢ়োৱা প্ৰায়বোৰ ছাত্ৰৰে নাম আৰু ঘৰৰ ঠিকনা সুন্দৰভাৱে মনত ৰাখি থ'ব পাৰিছিল। বিদ্যালয়ত

বিদ্যালয়ত যেতিয়া বছেৰেকীয়া পৰীক্ষাৰ পিচত ল'ৰা প্ৰমোচন দিবৰ বাবে শিক্ষকৰ সভাবহে, তেতিয়া কোনোবা ল'ৰাক প্ৰমোচন দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হ'লে তেখেতে ল'ৰাজনৰ নাম আৰু শ্ৰেণীটো সুধি অলপ ভাবিয়েই কৈ দিব পাৰে ল'ৰাজনৰ বাপেকৰ নাম ঠিকনা কি আৰু ঘৰুৱা অৱস্থা কেনে? তাৰোপৰি পৰীক্ষাত ভালফল দেখুউৱা ল'ৰা-ছোৱালীবোৰৰ ঘৰলৈ গৈ তেওঁলোকক শুভেচ্ছা জনোৱা টো তেখেতৰ জীৱনৰ এটা লক্ষ্য কৰিবলগীয়া দিশ আছিল।

তাৰোপৰি চাৰ বৰ ৰসিকো আছিল। সিকোনো এটা সঁচা ঘটনা চুটি গল্পৰ দৰে আৰম্ভ কাৰ মানুহৰ আগত ব্যক্ত কৰি হাঁহিৰ খোৰাক যোগাব পৰাটো চাৰৰ চৰিত্ৰৰ এটা মন কৰিবলগীয়া দিশ আছিল। এবাৰ তেনে এটা ঘটনা আমাৰ কেইজন মানৰ আগত এনেদৰে ব্যক্ত কৰিছিল। ·· ·শুনা নাই, খবৰৰ গ্ৰাহক নোলাল নহয়? আমিটো একো বুজা নাই। চাৰৰ মুখলৈ চাই ভেবা লাগি ৰৈ আছো। এ তইঁতে গমেই পোৱা নাই। শুন, তেজপুৰত শিক্ষক সন্থাৰ এখন সভা আছিল। আমাৰ স্কুলৰ শিক্ষক কেইজন মানৰ সৈতে ময়ো চতিয়া গাড়ীত তেজপুৰলৈ গৈছিলো। তেজপুৰ ষ্টেচনত মটৰ গৈ ৰ'লগৈ। সকলো যাত্ৰী মটৰৰ পৰা নামিল। কিন্তু মটৰৰ ভিতৰত এযোৰ কাঠৰ খৰম থাকিল। কণ্ডাক্টৰে কাৰ খৰম এৰিলে নিবৰ বাবে যাত্ৰীসকলক চিঞৰিবলৈ ধৰিলে। কিন্তু কোনো গিৰিহঁত নোলাল। মোৰ সন্দেহ হ'ল। আমাৰ শিক্ষকৰে কোনোবাজনৰ খৰম নেকি বাৰু? সকলোৰে ভৰিলৈ চালো। ধুতি পিন্ধা এজন ডেকা শিক্ষকৰ শুদা ভৰিহাল দেখি মোৰ গা চেবালে। পিচত তেওঁ বাটা কোম্পানীৰ দোকানত সোমাই এজোৰ গান্ধী চেন্দেল কিনি পিন্ধি লৈছিল। কোন তইঁতে ধৰিব পাৰিছনে? ক'লে অমুক। (শিক্ষকজনৰ নাম হাঁহি হাঁহি ক'লে) আমাৰো তেতিয়াহে হাঁহি উঠিল। আমি শ্ৰোতা কিজনো শিক্ষকেই আছিলো।

অন্য এদিনৰ কথা, আমি দুজনমান শিক্ষক জাৰকাল ৰ'দ

পুৰাই স্কুলৰ বাকৰিত বৈ আছিলো। চাৰে হাঁহি হাঁহি আমাৰ ফালে আহি আছে। আমি বুজিলো চাৰে ৰস থকা কিবা কাহিনী এটা পালে চাগৈ। আমাৰ ওচৰ পায়েই কলে, "কি হ'ল এইখন। শুনা নাই, তহঁতে?" আমি একো মতা নাই। "কিয় ক্রিকেট কেপ্তেইনে ক্রিকেটৰ নেট কিনি দিবলৈ মোক আজিও অফিচতে বাঘ লগাদি লাগিছেগৈ নহয়?" আমি তাৰ কথাটো বুজিবলৈ বাকী নেথাকিল। ...... ঘটনাটো এনেধৰণৰ। স্কুলত ক্রিকেট কেপ্তেইন এজন সদায় নিৰ্ব্বাচিত কৰা হয়। কিন্তু বিদ্যালয়ত ক্রিকেটৰ কোনো খেলা সামগ্ৰী সেই সময়ত নাছিল। আৰু ক্রিকেট খেলনো কি ছাত্রই নেজানিছিলেই। সেইবাৰ দুষ্টমান স্বচতুৰ ছাত্রই বিদ্যালয়ৰ একেন জাপি ভোদা আৰু ক্রিকেটৰ 'ক' টোকে নজনা ছাত্রক বিপুল ভোটাধিক্যত ক্রিকেটৰ কেপ্তেইন হিচাবে নিৰ্ব্বাচন কৰিলে। নিৰ্ব্বাচনৰ পাচত সেই ধৰ্ত্ত ল'ৰাকেইজনে ক্রিকেট কেপ্তেইন জনক হেডচাৰৰ ওচৰত গৈ সোনকালে ক্রিকেটৰ নেট কেইখন আনি দিবলৈ ক'বলৈ ক'লে, যেনে কথা তেনে কাম। তেওঁ অফিচলৈ গৈ চাৰক ক্রিকেটৰ নেট আনিবলৈ ক'লে। চাৰৰ খঙে মৰৰ চুলিৰ আগ চুলেগৈ। ইফালে হাঁহিও সামৰিব পৰা নাই। চাৰে কলে— "তোক, তোক কোনে ক্রিকেট কেপ্তেইন পাতিলে? ক্রিকেটৰ ক'ৰবাত নেট থাকে? গরু তই পদত্যাগ কৰ। দ্বিতীয় সৰ্বোচ্চ ভোট পোৱাটোক মই কেপ্তেইন পাতিম। বেচেৰা ভয়তে তাৰপৰা দৌৰাই লৰ মাৰিলে।

এনেকুৱা আৰু অনেক ৰসিক কাহিনী চাৰে মানুহক কৈ শুনাইছিল। লিখিলে প্ৰবন্ধ দীঘলীয়া হ'ব বাবে লিখিব খোজা নাই। মাত্র তেখেতৰ জীৱনৰ ৰসিকতা দিশটোৰহে ইঙ্গিত দিলো।

এইজন তীক্ষ্ণ মেধা সম্পন্ন, সময়ানুবৰ্ত্তী, সুদক্ষ শিক্ষক, সমাজকর্মী ব্যক্তি যোৱা ৩০/৪/৮৯ তাৰিখে সুদূৰ মাদ্ৰাজ চহৰত মৃত্যুৰ লগত সংগ্ৰাম কৰি হাৰ মানি মহানিদ্ৰাৰ কোলাত চিৰকালৰ বাবে শুই পৰিল। কিন্তু সময় বালিত দুই এটা পদ চিহ্ন থাকি গ'ল। ০০০

মোৰ দৃষ্টিত

অঞ্জন কুমাৰ ওজা

মহেন্দ্ৰনাথ বৰকটকী, আমাৰ শ্ৰদ্ধেয় 'হেড্‌মাষ্টৰ' এজন যেন ব্যক্তি নাছিল— নিজেই যেন এক প্ৰতিষ্ঠান। হয়, একালৰ চতিয়া হাইস্কুল, এতিয়াৰ চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় মানেইটো ৺বৰকটকী দেৱ। শিক্ষক হেনো ওপজে। ৺বৰকটকী দেৱ যেন কেৱল শিক্ষক হৈয়েই নহয়, 'হেড্‌মাষ্টৰ' হৈয়েই উপজিছিল। কিন্তু কেৱল জানো চতিয়া হাইস্কুলেই তেখেতৰ কৰ্ম্মক্ষেত্ৰ আছিল? নহয়, তেখেত চতিয়া বালিকা ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা, চতিয়া কলেজৰ প্ৰতিষ্ঠাৰ পৰা আৰম্ভ কৰি একালৰ প্ৰখ্যাত প্ৰগতি লাইব্ৰেৰী আৰু প্ৰগতি কমিউনিটি চেণ্টাৰ প্ৰতিষ্ঠা বা চলোৱালৈকে জড়িত আছিল। এসময়ত চতিয়াত প্ৰসিদ্ধ পুৰুষ ৺হেমোধৰ বৰুৱা হেনো সকলো অনুষ্ঠানৰে 'কমন সভাপতি' আছিল। আমি দেখাৰ দিনত ৺বৰকটকী দেৱ শিক্ষা সম্পৰ্কীয় অনুষ্ঠানবোৰৰো যেন 'কমন সভাপতি' আছিল। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সম্মিলনী, মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক-সম্মিলনী আদিৰ অভ্যৰ্থনা সমিতি, বিদ্যালয়ৰ ৰূপালী-জয়ন্তী সোণালী-জয়ন্তী পালন সমিতিৰ পৰা আৰম্ভ কৰি স্কুল-কলেজ পৰিচালনা সমিতিলৈকে সকলোৰে সভাপতি। হয়, এয়া এজন যোগ্য ব্যক্তিৰ প্ৰতি যোগ্যতাৰ যথাযোগ্য সন্মান।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেওঁ কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰা কথা শুনিছো— অগ্ৰজ সকলৰ মুখত, কেতিয়াবা হয়তো তেওঁৰ নিজৰ মুখতো। কিন্তু দেখা নাই। দেখিছো, তেওঁৰ ঘৰৰ ড্ৰইং ৰুমত সজাই থোৱা তাম্ৰপত্ৰখন। দেখিছো পুৰণা নথি-পত্ৰ। ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে শিক্ষকতা বাদ দি গৈ থানা ঘেৰাও কৰা আৰু থানাত

পতাকা তোলা সকলৰ ভিতৰত তেওঁৱো আছিল অন্যতম। তেখেত এগৰাকী আগশাৰীৰ মুক্তি-যোদ্ধা হোৱা হেতুকেই যেন তেওঁক জিলা কংগ্ৰেছৰ সভাপতি পাতিছিল। নহয়, কেৱল এয়াই নহয়, তেওঁ মৃত্যুৰ আগে আগে অসম ৰাজ্যিক মুক্তিযোদ্ধা পেঞ্চন উপদেষ্টা পৰিষদৰ সদস্যও আছিল— যিখন সমিতৰ সভাপতি অসম চৰকাৰৰ মুখ্যমন্ত্ৰী।

অসম মাধ্যমিক শিক্ষা পৰিষদৰ সৈতে তেওঁৰ অৱসৰ গ্ৰহণৰ পাছতো সম্পৰ্ক আছিল। তেওঁ মাজে মাজে অসম মাধ্যমিক শিক্ষা পৰিষদৰ সদস্যও আছিল। তাৰোপৰি মৃত্যুৰ আগলৈকে তেওঁ বিভিন্ন ঠাইত পৰীক্ষাৰ External হৈ বা পৰীক্ষা চলাবৰ বাবে গৈ আছিল। এসময়ত তেওঁ হাইস্কুল শিক্ষক সন্থাৰো নেতৃত্ব বহন কৰিছিল। গান্ধীবাদী এই ব্যক্তি গৰাকীয়ে গান্ধীৰ আদৰ্শৰ বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ লৈ আহিছিল জামিয়া মিলয়া ইচলামিয়াত। তাৰ পাছত তেওঁ অবৈতনিক ভাবে বুনিয়াদী শিক্ষাৰ প্ৰসাৰৰ চেষ্টা; বুনিয়াদী বিদ্যালয়ৰ পৰিদৰ্শন আদি কৰিছিল— স্কুলৰ 'হেড্মাষ্টৰ'ৰ দায়িত্বৰ উপৰিও। এইদৰেই বিভিন্ন গুৰুত্বপূৰ্ণ দায়িত্ব কৃতিত্বৰে চম্ভালিছিল তেওঁৰ জীৱন কালত।

চতিয়া হাইস্কুলত ভৰ্ত্তি হ'বৰ সময়ত শুনিছিলো, হেড্মাষ্টৰ সদায় ৯-৪৫ বজাত স্কুল পায়গৈ। সময়ৰ হেৰ-ফেৰ নহয়। বহুদিন কথটোৰ প্ৰমাণ পাবলৈ কোঠাৰ সন্মুখত আছিলো—তাত থকা ঘড়ীটো আৰু ৰাস্তাত চকু ৰাখি। হয়, হয়, সচাকৈয়ে তেখেত যেন সময়ানুবৰ্ত্তিতাৰ প্ৰতীক আছিল। চতিয়া হাইস্কুলত সদায় নিৰ্দ্দিষ্ট সময়ত সভা-সমিতি আৰম্ভ হৈছিল। দৰৈৱা বা আমন্ত্ৰণ কৰা বিশিষ্ট অতিথি আহি নেপালেও নাই। ছাৰৰ কেইবাগৰাকীও ছাত্ৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী হৈছিল। সেই সকললৈয়ো সংক্ৰমিত হৈছিল ছাৰৰ এই বিশেষ গুণ। ছাৰে অৱসৰ লোৱাৰ পাছত, বহুত পাছত, মৃত্যুৰ

কিছুদিন আগতে নতুনকৈ নিযুক্তি পোৱা শিক্ষক এগৰাকীয়ে কামত যোগ দিবলৈ যোৱাৰ দিনা পুৱা ৯ বজাত তেওঁৰ ঘৰলৈ গৈ তেওঁক সোঁৱৰাই থৈ আহিছিলগৈ—৯-৩০ বজাত স্কুল পাবৰ বাবে, যাতে তেওঁৰ অৱসৰৰ দিনলৈকে সেই সময়টো অন্ততঃ ৯-৪৫ ত বয়গৈ। এনেকৈয়ে নিয়মানুবৰ্ত্তিতা—সময়ানুবৰ্ত্তিতা ববকটকীদেৱৰ এটা বৰ ডাঙৰ গুণ আছিল—আনৰ বাবে শিক্ষণীয় গুণ আছিল।

দশমমান শ্ৰেণীত ছাৰে আমাক অংক পঢ়াইছিল। দশমমান শ্ৰেণীৰ প্ৰথম দিনটোৰ কথা স্পষ্ট মনত আছে। উৎকণ্ঠা, আগ্ৰহ, ভয় আদিৰ মিশ্ৰণ এটা মনত লৈ অপেক্ষা কৰি আছিলো তৃতীয় পিৰিয়ডলৈ। ঘণ্টা পৰাৰ পাছতেই 'হেড্‌চাৰ' আহিছিল ক্লাছ ল'বলৈ। আহিয়েই তেওঁ পাছৰ বেঞ্চিৰ পৰা আৰম্ভ কৰি প্ৰতিজন ল'ৰাৰ নাম সুধিছিল। নহয়, নহয়, ক'তনো সুধিলে—নিজেই দেখোন গাই গ'ল—তুমি অমুক গাঁৱৰ অমুকৰ ল'ৰা . ..। পিতৃ পৰিচয়ৰে সৈতে প্ৰায় সকলকে চিনি পোৱাটোত আচৰিত বিশেষ হোৱা নাছিলো। কিন্তু যেতিয়া সকলোৰে অংক, ইংৰাজীৰ নম্বৰবোৰ গাই গৈছিল তেতিয়া আচৰিত নহৈ নোৱাৰিলো। কাৰোবাক ক'লে— "তুমি Arithmatic Progression ত পিছুৱাই গৈছা, তেওঁতো G.P তে গৈছে।" কাৰো-বাক—"তুমি, তুমি অংকত ২৮। যত্ন কৰা।" আৰু কাৰোবাক—"মেট্ৰিকত লেটাৰ পাবলৈ আৰু যত্ন লাগিব।" ইত্যাদি। ভয় যেন দূৰ হ'ল। প্ৰেৰণা অধিক পালো। এনে লাগিল। লাহে লাহে ছাৰ অন্তৰংগ হৈ যাবলৈ ধৰিলে। তেতিয়া ছাৰ ৰিটায়াৰ হ'বলৈ দুবছৰ বাকী। অতীত ৰোমন্থন কৰে, মনৰ মাজৰ সেউজ জোনাক খিনি আমালৈয়ো চটিয়াই দিয়ে, কেতিয়াবা পৰিকল্পনাৰো ভাগ দিয়ে অংকৰ মাজতে। সোঁৱৰাই দিয়ে স্কুলৰ গৌৰৱৰ কথা, স্কুলৰ কৃতী ছাত্ৰ সকলৰ কথা। কোনোবা ল'ৰা এজনৰ বিষয়ে ক'বলৈ হ'লে তেওঁ কয়— "অ তেওঁ। ৬৩ ত মেট্ৰিক। দুটাত লেটাৰ। অংকত ৮৫।" আমি মুগ্ধ, এতিয়াও। আঃ কি প্ৰখৰ স্মৃতি !!

নৱমমান শ্ৰেণীত পঢ়ি থকা বছৰ ছাত্ৰ-সংসদৰ নিৰ্ব্বাচনত প্ৰধান মন্ত্ৰী পদৰ বাবে কোনেও মনোনয়ন পত্ৰ দাখিল নকৰিলে। শেষত ছাৰে মাতি নি প্ৰধানমন্ত্ৰী হ'বৰ বাবে ক'লে। মই পঢ়া-শুনাৰ ক্ষতি হোৱাৰ অজুহাত দেখুৱালো। ছাৰে তেতিয়া মোক উদাহৰণ দিলে ছাত্ৰ-সংসদৰ প্ৰধানমন্ত্ৰী হৈয়ো ভাল ৰিজাল্ট কৰা ছাত্ৰ সকলৰ। শেষত ছাত্ৰ সংসদৰ সাধাৰণ সভাত ছাৰে মোৰ নাম প্ৰস্তাৱ কৰোৱাই মোক প্ৰধানমন্ত্ৰী পাতিলে। এইদৰেই সামাজিক কাম-কাজ কৰিবলৈ অনুপ্ৰেৰণা পাইছিলো ছাৰৰ পৰা।

স্কুল এৰাৰ পাছতো ঘনিষ্ঠ সম্পৰ্ক আছিল ছাৰৰ সৈতে। ব্যস্ততাপূৰ্ণ চাকৰী কৰি থাকিও পঢ়া-শুনা কৰি থাকিবৰ বাবে সদায়েই ছাৰৰ পৰা উৎসাহ পাইছিলো। মোৰ কিয় এই অঞ্চলৰ হাজাৰজনৰ জীৱন গঢ়াত ছাৰৰ কৃতিত্ব কম নহয়। ৰিটায়াৰ হোৱাৰ পাছতো মৃত্যুৰ কেইদিনমান আগলৈকে কোনোবাই ভাল ৰিজাল্ট কৰা গম পালেও দৌৰ মাৰিছিল অভিনন্দন জনাবলৈ। ইমান বিদ্যোৎসাহী ব্যক্তি আছিল এই গৰাকী। নহয়, নহয়, কেৱল ইমানেই নহয়। হয়, শিক্ষক মাত্ৰেই নিজৰ ছাত্ৰৰ কৃতিত্বকলৈ গৌৰৱ কৰে। দ্ৰোণাচাৰ্য্যৰ পৰা আৰম্ভ কৰি সকলো শিক্ষকেও নিজৰ ছাত্ৰৰ কৃতিত্বত নিৰ্ম্মল গৰ্ব্ব বোধ কৰি সন্তুষ্টি লভি আহিছে—এই পৃথিবীত। কিন্তু হেডছাৰে সুযোগ পালেই তেওঁৰ অলেখ কৃতী ছাত্ৰৰ বিষয়ে কৈ নিজে লভা যি বিমল আনন্দৰ তিৰবিৰণি তেওঁৰ চকুৱে মুখে ফুটি উঠা দেখিছো, সেয়া অনন্য। ছাৰৰ আঙুলিৰ হিচাপ মতে তেওঁৰ ছাত্ৰ কেইজন ডক্টৰেট, কেইজন স্নাতকোত্তৰ, কেইজন ডাক্তৰ, কেইজন ইঞ্জিনীয়াৰ, কেইজন অধ্যাপক, কেইজন হাইস্কুলৰ হেডমাষ্টৰ, কেইজন প্ৰশাসনিক বিষয়া হ'ল। তেওঁ লেখ দিব পাৰিছিল তেওঁৰ ছাত্ৰ কোনে সাহিত্য সংস্কৃতি, ৰাজনীতিলৈ কেনে ধৰণেৰে সেৱা আগবঢ়াইছে। নিজৰ ছাত্ৰৰ বিষয়ে ইমান খবৰ ৰখা নিজৰ ছাত্ৰৰ কৃতিত্বক নিজৰেই কৃতিত্ব বুলি ইমান গৰ্ব্ববোধ কৰা শিক্ষক বোধহয় খুউব কমেই ওলাব।

ভাৰ আচৰিত হওঁ এইজন ব্যক্তিৰ কথা। সেই যুগৰে বিজ্ঞানৰ স্নাতক। মেট্ৰিকৰ পৰা সাংঘাতিক ৰিজাল্ট কৰি যোৱা মেধাৱী এইজন ব্যক্তি। ইচ্ছা কৰা হলেই উচ্চপদস্থ চাকৰীৰ পথ লব পাৰিলেহেঁতেন। কিন্তু নল'লে। শিক্ষকতাৰ পথহে বাছিলে। তেতিয়া শিক্ষকৰ বেতন আছিল তেনেই কম। পেঞ্চন আদিৰো সুবিধা নাছিল। তথাপি, তথাপি শিক্ষকতাৰ কণ্টকময় পথকেই তেওঁ বাছি ল'লে। নিষ্ঠাৰে সৈতে সেৱা আগবঢ়ালে। ৰাষ্ট্ৰই শিক্ষকক জনোৱা সৰ্ব্বোচ্চ সম্মান 'ৰাষ্ট্ৰপতিৰ পদক'ৰ দৰে দুৰ্ল্লভ সম্মানৰ অধিকাৰী হ'ল— ১৯৬২ চনতেই পূব ভৰলীৰ প্ৰথম গৰাকী এনে সম্মানপ্ৰাপ্ত শিক্ষক হিচাবে পৰিগণিত হৈ। কতজনক দিলে জ্ঞানৰ তৃতীয় নয়ন। কতজনক তৈয়াৰ কৰিলে ৰাজ্যখনৰ বিভিন্ন দিশৰ গুৰি ধৰোতা হিচাপে। অঞ্চলটিৰ সামাজিক দিশতো যোগালে কত অৰিহণা। আৰু মৃত্যুৰ পিছতো জীয়াই আছে তেওঁৰ ছাত্ৰসকলৰ, ৰাইজৰ মনৰ মণিকোঠাত জ্ঞান দাতা হৈ। ***

স্বৰ্গীয় মহেন্দ্ৰনাথ বৰকটকী, তেখেত আৰু মোৰ সাংসাৰিক জীৱনৰ সুখদুখৰ দিনবিলাক

কিৰণময়ী বৰকটকী

১৯৪৯ চনৰ ৬ মাৰ্চ তাৰিখে আমাৰ শুভবিবাহ সম্পন্ন হৈছিল। সেই সময়ত তেখেতে চতিয়া চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক ৰূপে কাৰ্য্য নিৰ্বাহ কৰি আছিল। মোৰ ওপৰৰ গৰাকী, বাইদেউ তেখেতৰ খুৰাৰেকৰ ল'ৰা শ্ৰীদেবেন্দ্ৰ নাথ বৰকটকীৰ লগত বিয়া হৈছিল। সেই সূত্ৰে মই মাজে সময়ে চতিয়ালৈ আহিছিলো। আৰু এনাভুৰী হিচাবে তেখেতক বগলীবাৰীৰ পুৰণা ঘৰত দেখা পাইছিলো। হয়তো তেখেতে মোকো তেনেভাবেই দেখা পাইছিল। মোৰ বয়স সেই সময়ত ১৭ বছৰ আছিল। মুকলিমূৰীয়া জীৱন এটাৰে সেই বয়সত মই বৰ সুখী আছিলো। চিৰকুমাৰী হৈ থকাৰ এটা দৃঢ় ভাব মোৰ মনত জাগি উঠিছিল। তথাপি ডাঙৰৰ কথা অমান্য কৰিব নোৱাৰি মনৰ কথা মনতে ৰাখি বিয়াত বহিছিলো। তেখেত সকলৰ তিনিজন ককাই-ভাই একেলগে আছিল। ঘৰ চলোৱা আৰু সামাজিক কথাত ব্যস্ত থাকি তেখেতে বিয়াৰ কথা পাহৰাৰ দৰেই হৈছিল। শেষত বন্ধু-বান্ধৱ আৰু আত্মীয় স্বজনৰ অনুৰোধ পেলাব নোৱাৰি বিয়াৰ বাবে সাজু হৈছিল। পঢ়া-শুনা আৰু স্বাস্থ্যৰ ফালৰ পৰাও তেখেতক মই পিচপৰা আছিলো। যিকি নহওক প্ৰজাপতি নিৰ্বন্ধ হিচাবে বিয়াখন হৈছিল। সৰুৰে পৰা মই মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত। তেখেতো আছিল গান্ধীবাদী। সেয়ে আমি এই আদৰ্শ আগত লৈ জীৱন যাত্ৰাত খোজ মিলাব পাৰিছিলো। ১৯৪২ চনৰ ৮ আগষ্টত মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ সময়ত তেখেতকে ধৰি, বিধবা

খুৰীশাহু কোমেশ্বৰী দেৱী, ভায়েক শ্ৰীবীৰেণ বৰকটকী, বৰখুৰাৱক ৺গঙ্গাধৰ বৰকটকী, বৰখুৰাৱকৰ ল'ৰা ৺খগেন বৰকটকী, দ্বিতীয় খুৰাৱকৰ ল'ৰা ৺নিশিকান্ত বৰকটকী এই সাতজনে কাৰাবৰণ কৰিছিল। কাৰাগাৰৰ পৰা ওলাই তেখেতে ১৯৪৪ চনৰ ১৫ আগষ্টত চতিয়া সাহায্য প্ৰাপ্ত বিদ্যালয়ত প্ৰধান শিক্ষক হিচাবে নিযুক্তি পায়। এই বিদ্যালয় খনি আছিল তেখেতৰ নিজৰ ঘৰৰ দৰে। আৰু ছাত্ৰ-ছাত্ৰী সকল আছিল তেখেতৰ নিজৰ ল'ৰা-ছোৱালীৰ দৰে।

তেখেতৰেই দুৰ্ভাগ্য নেকি, বিয়াৰ পিচদিনাৰ পৰাই মোৰ হাত আৰু আঠুৰ বিষ আৰম্ভ হ'ল। সেই সময়ত ছোৱালীৰ সৰুতে বিয়া হয়। সেয়ে খোবা-খুৰী সবাহৰ পিচত ছোৱালী মাকৰ ঘৰত থাকে। আৰু পুষ্পিতা হোৱাৰ দুই-তিনি বছৰ পিছতহে শহুৰৰ ঘৰলৈ আহে। ময়ো সেইদৰে খোবা-খুৰীৰ পিচদিনা বিহালীৰ মা-ইতৰ ঘৰলৈ গ'লো। তাত থাকোতে মোৰ জ্বৰ আৰু বাতবিষ আৰম্ভ হ'ল। দাদাইঁতে চিকিৎসকক দেখুৱালে। সেই সময়ত বিহালীত 'অন্নদা ঠাকুৰ' নামে এজন মৌন ব্ৰতধাৰী ভাল চিকিৎসক আছিল। সেইজন চিকিৎসককো মোক দেখুৱাইছিল। মোৰ বেমাৰ আৰম্ভ হোৱাৰ লগে লগে চতিয়ালৈ খবৰ পঠাইছিল। তেখেতে নিজে বিহালীলৈ গৈ মোৰ অসুখৰ বুজ লৈছিল। আৰু অলপ ভাল পোৱাত, খুৰীয়েক আৰু ভতিজা শ্ৰীদিনেশ বৰকটকীক মোক আনিবৰ কাৰণে বিহালীলৈ পঠাইছিল। তেখেতে ভাল চিকিৎসাৰ কাৰণে মোক তেজপুৰলৈ নি তেখেতৰ ককাযেক ৺নিশিকান্ত বৰকটকীৰ ঘৰত ছমাহ ৰাখি চিকিৎসা কৰোৱাইছিল। তাৰ পাছত গুৱাহাটীলৈ মোক নি ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা আৰু এগৰাকী মহিলা ডাক্তৰক দেখুৱাই ঔষধ পাতি লৈ চতিয়ালৈ ঘুৰি আহিছিল। সেই সময়ত গুৱাহাটীত শ্ৰীবীৰেন বৰকটকীয়ে নতুন অসমীয়াৰ সহকাৰী সম্পাদক হিচাবে কাম কৰি আছিল। আৰু আমাৰ থকা-মেলা, ডাক্তৰক দেখুউৱা ইত্যাদিত সহায় কৰিছিল। ইয়াৰ পিচত চতিয়াৰ ঘৰত মোক থৈ তেখেতে

মোৰ ঔষধ পথ্য সকলো দিহা কৰি খুৰীয়েকৰ ওপৰত মোৰ দায়িত্ব দি দিল্লীৰ জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ত বুনিয়াদী শিক্ষা ল'বৰ কাৰণে এবছৰৰ বাবে গৈছিল। দিল্লীত থকা সময়ত মোলৈ উপদেশমূলক চিঠি দিছিল। মইয়ো তেনে ভাবেই উত্তৰ দিছিলো। চিঠিবিলাক তেখেতে ভালধৰণে যতনাই থৈছিল। আৰু আজিলৈকে সেইবিলাক আছে। দৰকাৰী কাগজ-পত্ৰকে ধৰি ঘৰৰ অন্যান্য বস্তু সুশৃঙ্খলকৈ ৰখাটো তেখেতৰ ভাল অভ্যাস আছিল। তেখেতৰ নিৰ্দ্দেশ মতে শ্ৰীযুক্তা স্বৰ্ণপ্ৰভা মহন্ত বাইদেউ আৰু মন্মথ হাজৰিকাদেৱে মোক প্ৰবেশিকা পৰীক্ষা দিব পৰাকৈ বৰ নিষ্ঠাৰে শিক্ষা দিছিল। বুনিয়াদী শিক্ষা বিষয়ৰ স্নাতকোত্তৰ ডিপ্লোমা লাভ কৰি তেতিয়া তেখেত ঘূৰি আহিছিল, তেতিয়া মই বিহালীৰ ঘৰলৈ গৈছিলো। আৰু ১৯৫১ চনৰ জুন মাহত তেখেতে মোক শান্তি বিয়া কৰাই চতিয়াৰ ঘৰলৈ লৈ আহিছিল। মোৰ স্বাস্থ্যৰ উন্নতি হৈছিল যদিও ভৰিৰ বিষ অলপ বৈ গৈছিল। তিনি-চাৰি মাহ ভাল বেয়াৰ মাজেদি পাৰ হৈছিল। হঠাতে মোৰ বিষ তীব্ৰতৰ ৰূপে দেখা দিলে। যেনেকৈ পৰিষ্কাৰ আকাশখনি ক'লা মেঘে আন্ধাৰ কৰি পেলায়, তেনেকৈ আমাৰ জীৱন আকাশলৈ আন্ধাৰ নামি আহিল। মোৰ মাৰম যেনেই লাগিছিল। তেখেতৰ মন একেবাৰেই ভাগি পৰিছিল। ভায়েক বীৰেন বৰকটকীয়ে তেখেতক বুজাই-বঢ়াই শান্তনা দিছিল। আকৌ চিকিৎসা আৰম্ভ হ'ল। তেখেতে আমেৰিকাৰ পৰা ঔষধ মগাই আনি মোক বেজী দিয়াইছিল। এবছৰৰ পিচত মোৰ আৰোগ্য হৈছিল। এই বছৰটোত মোৰ ডাঙৰ জা শ্ৰীগোলাপী দেৱী, শাহু আই ৺চন্দ্ৰপ্ৰভা দেৱীয়ে মোক অনেক পৰিচৰ্যা কৰিছিল। তেখেত সকলৰ তিনিজন ভাই-ককাইৰ ভিতৰত ডাঙৰজন শ্ৰীযুত ৰামেন্দ্ৰ বৰকটকীৰ পৰিয়াল আৰু আমি একেলগে আছিলো। আমাৰ যুটীয়া পৰিয়ালৰ সকলোৱে মোৰ অসুখৰ সময়ত মনত বৰ দুখ পাইছিল। মোৰ বিয়াৰ পাঁচ বছৰৰ পিছত আমাৰ সংসাৰলৈ এটি কন্যা সন্তানৰ

আগমন হৈছিল। সঙ্গে জা শ্ৰীগৌৰী বৰকটকীয়ে ছোৱালীটিৰ নাম মিনতি ৰাখিলে।

মোৰ অসুখকে আদি কৰি অনেক কাৰণে আমাৰ দুখ আৰু অশান্তিৰে ভৰি পৰিছিল। এই অশান্তিৰ প্ৰভাৱ আনকি গোটেই ঘৰখনৰ ওপৰতো পৰিছিল। এই শিশুটিৰ আগমনে আমাৰ ঘৰখনলৈ আনন্দ আৰু শান্তিৰ পৰিবেশ আনি দিলে। দেউতাকে মোৰ অসুখৰ প্ৰভাৱ যাতে ছোৱালীটিৰ গাত নপৰে তাৰ বাবে একেবাৰে আৰম্ভৰে পৰা বিশেষ ভাবে যতন লৈছিল। আৱশ্যক বুজি তেখেতে ছোৱালীৰ কাপোৰ ধোৱা, গাখীৰ তপতাই দিয়া ইত্যাদি কাম মোক মাজে-সময়ে সহায় কৰিছিল। ঘৰৰ সকলোৱে ছোৱালীৰ আদৰ-যতন লৈছিল। তাৰ উপৰিও চোৱা চিতা কৰিবৰ বাবে 'তুলসী' নামে এজনী ছোৱালী তেখেতে আনি দিছিল।

১৯৫৮ চনৰ ১৮ জানুৱাৰীত গুৱাহাটীত ৬৩ তম কংগ্ৰেছ অধিবেশন বহিছিল। তালৈ তেখেতৰ লগত আমিও গৈছিলোঁ। তাত পণ্ডিত জৱাহৰলাল নেহৰু আৰু ইন্দিৰা গান্ধীক ওচৰৰ পৰা দেখাৰ সৌভাগ্য ঘটিছিল। ১৯৬০ চনত ডাঙৰ ছোৱালীৰ তন্‌চিল অপাৰেশ্যনৰ কাৰণে আমি চিলঙলৈ গৈছিলোঁ। তাত ৰবাৰ্ট হস্পিটালত অপাৰেশ্যনৰ কাম সমাপ্ত হৈছিল। চিলঙত তেখেতে বিধান সভাৰ ঘৰকে আদি কৰি বিশেষ বিশেষ ঠাইবিলাক আমাক দেখুৱাই ফুৰিছিল। সেই সময়ত তাত থকা 'হিউজ' নামে জনাজাত অপাৰেশ্যনৰ বিখ্যাত ডাক্তৰক মোক দেখুৱাইছিল। ইয়াৰ উপৰিও সাত বছৰ মানৰ পিছত ডিব্ৰুগড় মেডিকেল কলেজৰ সেই সময়ৰ অধ্যক্ষ ডাক্তৰ মথুৰা ভট্টকো মোক দেখুৱাইছিল। আমি ডিব্ৰুগড়ত থকা কেইটা দিন, তেখেতৰ খুৰাককৰ ল'ৰা ভায়েক ডাক্তৰ দুলাল বৰকটকীৰ ডিব্ৰুগড় মেডিকেল কলেজ হস্পিটেলৰ চৰকাৰী বাস ভৱনতে আছিলোঁ।

আমাৰ প্ৰথম ছোৱালীৰ ৩ বছৰৰ পাছত দ্বিতীয় ছোৱালী প্ৰনতি

জন্ম হয় আৰু দ্বিতীয় ছোৱালীৰ তিনি বছৰত তৃতীয়জনী ছোৱালী ভাৰতীৰ জন্ম হৈছিল। ১৯৬২ চনৰ ২৫ অক্টোবৰত তেখেত কেন্দ্রীয় চৰকাৰৰ দ্বাৰা কৃতী শিক্ষক হিচাবে ৰাষ্ট্রীয় পুৰস্কাৰেৰে পুৰস্কৃত হৈছিল। তেতিয়াৰ ৰাষ্ট্রপতি ডক্টৰ সর্ব্বপলি ৰাধাকৃষ্ণণে এই পুৰস্কাৰ প্রদান কৰিছিল। দিল্লীৰ এই অনুষ্ঠানলৈ আমাৰ তিনিজনী ছোৱালীৰে সৈতে গোটেই পৰিয়ালটো গৈছিলো। যাওঁতে বাটত কলিকতা, বেনাৰস, এলাহাবাদ আদি ঠাইবিলাক চাই গৈছিলো। দিল্লীত আমি তেতিয়াৰ এম, পি, বিজয় চন্দ্র ভাগবতীৰ ঘৰত আছিলো। তাৰপৰা লালকিল্লা, আগ্রাফ'ৰ্ট, তাজমহল, লক্ষ্মণঝুলা ইত্যাদি বিলাক তেখেতে আমাক দেখুৱাইছিল। আৰু তাজমহলৰ সন্মুখত আমাৰ ফটো তোলাইছিল। তেখেতে পুৰস্কাৰ লোৱা ২৫ অক্টোবৰ তাৰিখটো তৃতীয় ছোৱালী ভাৰতীৰ জন্ম তাৰিখ আছিল। আৰু তেখেতে এই তাৰিখটো বৰ ভাল দিন বুলি কৈছিল। কাৰণ আমাৰ প্রথম ছোৱালীৰ আঙঠি পিন্ধোৱা দিনটোও ২৫ অক্টোবৰেই আছিল। ১৯৬২ চনৰ চীনা আক্রমণৰ সময়ত আমি ঘৰলৈ উভতি আহিছিলো। আমাৰ তৃতীয় ছোৱালীৰ সাত বছৰৰ পিচত চতুর্থ আৰু সৰু ছোৱালী অদিতিৰ জন্ম হৈছিল। তেখেতে এটি ল'ৰা সন্তানৰ বাবে বৰ আশা কৰিছিল। এই আশাৰ পৰিপ্রেক্ষিতত চাৰিজনী ছোৱালীৰে সৈতে আমাৰ পৰিয়ালটো ডাঙৰ হৈ পৰিছিল। ছোৱালী হ'লেও যাতে ল'ৰাৰ দৰে সকলো ফালৰ পৰাই আগবঢ়া হ'ব পাৰে সেইটো তেখেতে যত্ন কৰিছিল। ছোৱালী কেইজনীক দেউতাকে যথেষ্ট যতনেৰে ডাঙৰ কৰিছিল। পঢ়া-শুনাতো নিজেই সহায় কৰিছিল। নিজৰ কাম কেনেকৈ নিজে কৰিব লাগে সেই কথা শিকাইছিল। তেখেতে নিজৰ গাধোৱা কাপোৰ নিজে মেলি দিয়া, আৱশ্যক হ'লে নিজৰ কাপোৰ ধুই লোৱা, বাৰীত শাক-পাচলি খেতি কৰা এনে ধৰণে নিজৰ প্রায়বিলাক কাম নিজে কৰাৰ আৰ্হি ঘৰৰ ল'ৰা-ছোৱালীক দেখুৱাইছিল। আজৰি সময়খিনি ছোৱালীইতক পঢ়োৱাত ব্যস্ত আছিল। ভাল বাহিৰা কিতাপ পঢ়িবলৈ ল'ৰা-ছোৱালী আৰু আমাকো উদগনি দিছিল। সকলো কামত তেখেত বৰ খৰ আছিল। এটা সময়ত সুতা কটা, কাপোৰ বোৱা,

ভূই বোৱা এইবিলাক খৰ হাতে কৰি আনৰ প্ৰসংশা লভিছিল। নিয়ম শৃঙ্খলা ৰাখি সময়মতে কাম কৰি যোৱা তেখেতৰ অভ্যাস আছিল। পুৱা সোনকালে উঠি ৰাৰীৰ কাম কৰি গা ধুই পূজা-সেৱা কৰিহে তেখেতে চাহ-জলপান খাইছিল। জীৱনৰ শেষৰ বছৰটোত কেইমাহমান এই নিয়ম কিছু সলনি হৈছিল। লিখা-পঢ়াই হওক বা অন্য কামেই হওক তেখেতে এবাৰ হাতত ল'লে তাক সুচাৰুৰূপে নকৰাকৈ নেৰিছিল। নেৰানেপেৰা খাটনি তেখেতে কৰিব পাৰিছিল। হিচাব-পত্ৰ বৰ শুদ্ধকৈ কৰিছিল। এবাৰ শুনা কথা তেখেতে সহজে নাপাহৰিছিল। দেশৰ খবৰ-বাতৰি নিয়মিয়াকৈ শুনি আমাকো কৈছিল। চিনাকি মানুহৰ বংশাৱলীকে ধৰি পঢ়া-শুনা, চাকৰি আদি ভাল ভাবে জানিছিল। অনেক লোকক তেখেতে আপোন কৰি ল'ব পাৰিছিল। কাৰোবাৰ নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিলে সময়মতে চিঠি দিবলৈ কেতিয়াও হেলা কৰা নাছিল। সময়ৰ মূল্য তেখেতে ৰাখিছিল। বে'ল পৰাৰ ১৫ মিনিট আগেয়ে বিদ্যালয়ত উপস্থিত হৈছিল। কেতিয়াবা সময়মতে সভাপতি আহি নাপালে, বেলেগ এজনক সেই বাব দি ঠিক সময়ত সভাৰ কাম আৰম্ভ কৰিছিল। ব্যস্ততা আৰু প্ৰশাসনীয় নিৰসতাৰ মাজত থাকিও অনেক সময়ত তেখেতে মানুহৰ লগত বিভিন্ন ৰসিকতা কৰিছিল। বিলাসিতাৰ পৰা সম্পূৰ্ণ আঁতৰি আছিল। খদ্দৰৰ ধুতি আৰু আঠুলৈকে পৰা পাঞ্জাবী চোলা পিন্ধিছিল। সহকৰ্মীৰ প্ৰতি তেখেত সহানুভূতিশীল আৰু উদাৰ আছিল। নিয়মৰ বাহিৰৰ কাম বৰ বেয়া পাইছিল। শিক্ষকতা কৰি থকা দিনত কোনো ছাত্ৰ-ছাত্ৰীৰ অবিভাবকে ঘৰলৈ কিবা বস্তু আনিলে তেখেতে হয় মূল্য দি ৰাখিছিল, নহয় খং কৰি ঘূৰাই পঠাইছিল। তেখেতে ভেটি লোৱাৰ ঘোৰ বিৰোধী আছিল। বিদ্যালয়ৰ পায়খানা, প্ৰসাবগাৰ, কুঁৱা এইবিলাক পৰিস্কাৰ-পৰিচ্ছন্নকৈ ৰখাত নিজে চকু ৰাখিছিল। ছুটিৰ পিচতো কিবা কাম থাকিলে তাক শেষ কৰি বিদ্যালয়ৰ চৌহদ এবাৰ চাই লৈহে ঘৰলৈ আহিছিল।

১৯৭৯ চনত তেখেতে বিদ্যালয়ৰ পৰা অৱসৰ পায়। যিথন

বিদ্যালয় গঢ় দিয়াটো তেখেতৰ জীৱনৰ যাই উদ্দেশ্য আছিল; সেই খন বিদ্যালয় এৰি আহিব লগা হোৱাৰ আগমুহূৰ্তৰে পৰা বুজাৰ মোৱাবা বেদনাৰে মন মৰ্ম্মাহত হৈছিল। তেখেতৰ ছাত্ৰ-ছাত্ৰীৰ লগত নিবিড় সম্পৰ্ক আছিল। সেই সকলে ভয়-ভক্তি সমানেই কৰিছিল। কোনো ল'ৰা-ছোৱালীয়ে পৰীক্ষাত ভাল ফল পালে ঘৰত গৈ উৎসাহিত কৰা, আতৰৰ ঠাই হ'লে চিঠিৰে উৎসাহিত কৰা এই বিলাক গুণ তেখেতৰ আছিল। এইখিনিতে মনত পৰিছে, শ্ৰীযুত বিজয় চন্দ্ৰ ভাগ ৱতীৰ সৰু ল'ৰা শ্ৰীজাবালি ভাগৱতীয়ে যেতিয়া আমেৰিকাত মানুহৰ স্নায়ুৰ ওপৰত এটা নতুন তথ্যৰ গৱেষণা চলাই আছিল, তেতিয়া তেখেতে মাক-দেউতাকলৈ অভিনন্দন জনাই চিঠি দিছিল। এইদৰে পঢ়া-শুনা বা অন্যান্য বিষয়ৰ পাৰদৰ্শিতা দেখুওৱাজনক তেখেতে সদাই অভিনন্দন জনাইছিল। বিদ্যালয়ৰ বিদায় সভাত প্ৰাক্তন ছাত্ৰ আৰু অন্যান্য লোক সকলে তেখেতৰ গুণৰ বিষয়ে কোৱা শুনিবলৈ পাইছিলো। বিদ্যালয়ত কাৰ্য্যনিৰ্বাহ কৰি থকা সময়ত মোৰ ইনচিওৰৰ এজেন্সি এটা আছিল। মোৰ শাৰীৰিক অসুস্থতাৰ বাবেই ইনচিওৰৰ কামটো তেওঁতেহে মোতকৈ বেচিকৈ কৰিছিল। এই কামত মানুহৰ ঘৰে-ঘৰে যাব লগা হৈছিল। আৰু মানুহৰ সুখ দুখৰ ছবি বিলাক ঘৰত মোৰ সন্মুখত দাঙি ধৰিছিলহি। তেখেত কোনো সভা-সমিতিলৈ গ'লে ঘৰত আহি মোৰ আগত তাত হোৱা আলোচনাৰ বিষয়ে কৈছিলহি। নিজে লিখা প্ৰবন্ধ আদি মই বন্ধা-বঢ়া কৰি থকা অৱস্থাত পঢ়ি শুনাইছিলহি। তেখেতৰ এনে কাযাই মোক বহুতে কথা জনাত সহায় কৰিছিল। বিদ্যালয়খন যেতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছিল তেতিয়া তেখেতে তাত শিক্ষক হিচাবে কাম কৰিছিল। বিদ্যালয়ৰ প্ৰধান শিক্ষক পদৰ পৰা অৱসৰ লোৱাৰ পিচত সভা-সমিতিৰ কাম বাঢ়িছিল। অনেক দূৰৰ ঠাইলৈ সভাৰ কাৰণে তেখেতে নিমন্ত্ৰণ পাইছিল। চতিয়াৰ মচজিদত কেতিয়াবা সভা-সমিতি পাতিলে তেখেতক সভাপতি নিমন্ত্ৰণ কৰিছিল। তেখেতে মুছলিম ধৰ্ম্ম আৰু আন ধৰ্ম্মৰ কিতাপ আনি পঢ়িছিল। সেই সুযোগতে মইও এইবোৰ ধৰ্ম্মৰ

বিষয়ে অনেক কথা জানিব পাৰিছিলো। চতিয়াৰ লোকে তেখেতক প্ৰবন্ধ, জীৱনী আদি লিখিবলৈ দিছিল। তাৰে কিছুমান প্ৰকাশিত আৰু কিছুমান অপ্ৰকাশিত হৈ আছে। নিজে পুৰণা ৰীতি-নীতি মানি চলিলেও ক্ৰমে নতুন নীতি আৰু সাজ-পাৰক তেখেতে স্বীকৃতি দিছিল। পুৰণিক নতুন গঢ় দিয়া কথাটো মোৰো ভাল লাগিছিল। দুবছৰ অধ্যক্ষ পদত থকাৰ পাচত তেখেতে অৱসৰ পায়। বহুদিন ধৰি তেখেত চতিয়াৰ অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। চতিয়া কন্যা উচ্চ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ লগত তেখেত জড়িত আছিল আৰু এই বিদ্যালয় স্থাপনৰ কামত আগভাগ লৈছিল। চতিয়া কলেজ স্থাপনৰ ক্ষেত্ৰতো তেখেতৰ অৰিহণা কম নহয়। এই কলেজৰ বাবে তেখেতে বহুদূৰ চাইকেলেৰে গৈ পইচা তুলিছিল। আৱশ্যক হ'লে কলেজ চলিবৰ কাৰণে নিজৰ পইচা দি সহায় কৰিছিল। সেই পইচা ঘুৰাই পাইছিল নে নাই নাজানো। কিতাপ পঢ়াটো তেখেতে ভাল পাইছিল। নিজৰ ঘৰত কিতাপৰ লাইব্ৰেৰী ৰাখিছিল। ৰাজহুৱা ভাবেও চতিয়া প্ৰগতি লাইব্ৰেৰীৰ লগত সক্ৰিয় ভাবে জড়িত আছিল। নিজৰ গাঁওখনৰ আৰু নিজৰ বিদ্যালয় খনৰ উন্নতিৰ হকে তেখেতে পাৰ্য্যমানে যত্ন কৰিছিল। ১৯৪৯ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে তেখেতক দৰং জিলা স্কাউট অৰ্গেনাইজাৰ আৰু ১৯৬২ চনত দৰং সংমণ্ডলৰ সহকাৰী কেন্দ্ৰীয় পৰিদৰ্শক পদবীৰ কাৰণে তেখেতৰ মত বচাৰিছিল। কিন্তু নিজৰ সমাজখন আৰু বিদ্যালয়খনৰ কাম এৰি যাবলৈ তেখেতে নিবিচাৰিলে। কেইবাজনো নেতৃস্থানীয় লোকে তেখেতক উচ্চ পদস্থ চৰকাৰী চাকৰী লবলৈ সুবিধা দিছিল। সেই একে কাৰণতে তেখেতে এনে চাকৰীলৈ মন নেমেলিলে। চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হৈ থকা সময়ত ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈ তেজপুৰ প্ৰাথমিক শিক্ষা পৰিষদৰ সভাপতি আছিল। বিভিন্ন সময়ত প্ৰায় ১৪ বছৰ তেজপুৰ জিলা সাহায্যপ্ৰাপ্ত শিক্ষক সম্মিলনীৰ সভাপতি পদত থাকি শিক্ষকসকলৰ উন্নতিৰ হকে কাম কৰিছিল। ১৯৪৬ চনৰ পৰা চাৰিবছৰ বাদে প্ৰায় ৩০ বছৰ

তেখেতে সদৌ অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ ৰাজ্যিক কাৰ্য্য-নিৰ্বাহক সমিতিৰ নিৰ্ব্বাচিত সদস্য আৰু ৩ বছৰ উক্ত সন্মিলনীৰ উপ সভাপতি হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও বিভিন্ন সময়ত প্ৰায় ১২ বচৰ তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষা পৰিষদৰ সদস্য আৰু ৩ বছৰ ধৰি ৰাজ্যিক বুনিয়াদী শিক্ষা পৰিষদৰ সদস্য আছিল। ১৯৮০ চনৰ পৰা ১৯৮৩ লৈ অসম মাধ্যমিক শিক্ষা পৰিষদৰো সদস্য আছিল। ১৯৫৬ চনত বহা পূব ভাৰতীয় ৰাজ্য সমূহৰ মাধ্যমিক বিদ্যালয়ৰ বচা বচা প্ৰধান শিক্ষক সকলৰ কৰ্ম্মশালাত যোগদান কৰিবলৈ দৰং জিলাৰ পৰা একমাত্ৰ পুৰুষ প্ৰধান শিক্ষক হিচাবে শিক্ষা বিভাগৰ দ্বাৰা তেখেত নিৰ্ব্বাচিত হৈছিল। ১৯৭২ চনত তেখেতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সদস্য নিৰ্ব্বাচিত হৈছিল। ১৯৭৭ চনত অসম ৰাজ্যিক আয়ুৰ্বিদ্যা পৰিষদৰ প্ৰথম আৰু দ্বিতীয় অধিবেশনত কাৰ্য্যকৰী সভা-পতি আছিল। তেখেত শোণিতপুৰ জিলা মুক্তি যুঁজাৰু সন্থাৰ সভাপতি হৈ থকাৰ উপৰিও ৰাজ্যিক মুক্তি যুঁজাৰু পেঞ্চন দিয়া সক্ৰান্তত থকা উপদেষ্টা পৰিষদৰ সদস্যও আছিল। সেয়ে সুযোগ্য জনক পেঞ্চন পাবলৈ নিৰ্ব্বাচিত কৰিব পাৰিছিল।

১৯৮৭ চনৰ ১ জুলাইত আমাৰ তৃতীয় ছোৱালী ভাৰতীয়ে চতিয়াৰ চৰকাৰী স্বাস্থ্যকেন্দ্ৰত ডাক্তৰ হিচাবে নিযুক্তি পায়। সৰু ছোৱালী অদিতি সেই সময়ত গোৱাহাটী ইঞ্জিনীয়াৰিং কলেজত নাম ভৰ্ত্তি কৰিছে। ইতিমধ্যে প্ৰথম ছোৱালী মিনতিক ১৯৭৬ চনত শিৱ-সাগৰৰ শ্ৰীমান ত্ৰিদীপ কটকীলৈ বিয়া দিয়া হৈছিল। আৰু দ্বিতীয় ছোৱালী প্ৰণতিক ১৯৮৭ চনত নৰ্গাৱৰ শ্ৰীমান সত্যপ্ৰসাদ বৰালৈ বিয়া দিয়া হৈছিল। বিয়াৰ আগতে প্ৰণতিয়ে চতিয়া কন্যা উচ্চ বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাবে কাৰ্য্যনিবাহ কৰিছিল। দিনবিলাক এনেভাবে ভালে ভালে গৈ আছিল। কিন্তু ১৯৮৮ চনৰ জানুৱাৰী মানৰ পৰাই তেখেতৰ অনবৰতে থকা কাহ এটা আৰম্ভ হ'ল। ডাক্তৰ জীয়ৰীয়ে তেজপুৰ, গুৱাহাটী আৰু দিল্লীলৈকো নি চিকিৎসা

কৰোৱালে। জীৱনত এপালি ঔষধ খাবলগীয়া নোহোৱা সুস্বাস্থ্যৰ লোকজনৰ এনেকৈ ঔষধ খাব লগা হোৱাত আমাৰ বৰ দুখ লাগিছিল। দিল্লীলৈ যাওঁতে ডাঙৰ জোৱাঁইও লগত গৈছিল। সময় আৰু যোগাযোগৰ অভাব আদি অনেক কাৰণে দিল্লীৰ চিকিৎসা সম্পূর্ণ নহ'ল। অৱশেষত ১৯৮৯ চনৰ ২৩ এপ্রিলত আমি তেখেতক মাদ্রাজলৈ নিবৰ বাবে ঘৰৰ পৰা যাওনা কৰিলো। লগত ভাৰতী, মই আৰু ভতিজা ভূপেন বৰকটকী। ডাঙৰ জোৱাঁইও দুলীয়াজানৰ পৰা গৈ আমাৰ লগ হৈছিল। মাদ্রাজলৈ যোৱাৰ কেইদিন মানৰ আগতে চতিয়াৰ খৰঙীলাটৰ এখন সভালৈ তেখেতে নিমন্ত্রণ গৈ, আহোতে খোজকাঢ়ি আহিছিল। কাহ হৈ থকা অৱস্থাতো তেখেতে সভা-সমিতি প্রায়ে বাদ নিদিছিল। মাদ্রাজলৈ যাওঁতে বাটত কলিকতাত এৰাতি থাকোতে পিছদিনা তাৰ চাবলগীয়া ঠাইবোৰ আমাক দেখুৱাই ফুৰিছিল। তেখেতে নিজক অসুস্থ বুলি বৰকৈ নাভাবিছিল। মাত্র মোৰ অসুখৰ কাৰণেহে বৰ চিন্তা কৰিছিল। মোৰ ৬ বছৰ মান ধৰি হাৰ্টৰ অসুখ চলি আছিল। সেয়ে ভাল চিকিৎসাৰ বাবে ময়ো লগতে গৈছিলো। আমি ২৪ এপ্রিলৰ দিনা গুৱাহাটী বিমান কোঠত বহি থকা সময়ত চতিয়াৰ শ্রীতৰুণ হাজৰিকা নামৰ লোকজনৰ লগত তেখেতে বৰ আন্তৰিকতাৰে কথা পাতিছিল আৰু আমাক লোকজনৰ পৰিয়াল পৰিচয় সহ চিনাকী কৰি দিছিল। ২৬ তাৰিখে আমি মাদ্রাজ পাইছিলোগৈ। ২৭ তাৰিখ বৃহস্পতি বাৰে পুৱা তেখেতৰ অলপ জ্বৰ ভাব আৰু বমি হৈছিল। সেইদিনাই আমি 'এপল' হস্পিটালত দেখুৱাবলৈ গ'লো। হস্পিতালৰ ঔষধৰ বিশেষজ্ঞ ডাক্তৰ জয়ন্তি ৰামাৰাওৱে চিকিৎসা আৰম্ভ কৰিলে। তাত কফ আদি পৰীক্ষা কৰোতে তিনিদিন লাগে, সেয়ে জ্বৰৰ প্রকৃত ঔষধ লবালৰিকৈ দিব নোৱাৰা দেখি আমাৰ মনত শঙ্কা হৈছিল। বিশেষজ্ঞ জনে আমাক আশ্বাস দিছিল। জ্বৰৰ লগে লগে তেখেতৰ ডায়েৰীয়া আৰম্ভ হৈছিল। দুদিন নিজে পাইখানালৈ গৈছিল। তৃতীয় দিনা আমি তেখেতক বিচনাৰ পৰা উঠি যাবলৈ দিয়া নাছিলো। প্রথম দিনা যেতিয়া ডায়েৰীয়াৰ কাৰণে চেলাইন দি ৰাখিছিল, সেই

সময়ত তেখেতে মোক কৈছিল, "পুৰণি ঠেকেৰা অলপ খাবলৈ পোৱা হ'লে মোৰ পেট ভাল হ'ল হেঁতেন।" অৱশেষে পিচদিনা ডায়েৰীয়াৰ ঔষধ খাবলৈ দিছিল। আমাৰ অসমৰ দৰে তাত পথ্য নিদিয়ে। 'নৰমেল ডায়েটৰ' নামত ভাত আৰু নানা ব্যঞ্জন, জাহাজি কল, আমৰ ৰস আৰু গাখীৰ। তেখেতে বাৰ্লি, ৰঙাচাহ আদি খাবলৈ মন কৰিছিল। ভাত মুঠেই নাখাইছিল। মাত্র এদিন জোৰ কৰি ভাৰতীয়ে দুটোপা মান খুৱাইছিল। গাখীৰ, আমৰ ৰস এইবিলাক কম পৰিমাণে খাইছিল। দিনৰ ভাগত মই তেখেতৰ ওচৰত আছিলো। ৰাতি ৯ বজাৰ পৰা ওচৰত মাত্র এজনকহে থাকিবলৈ দিয়া নিয়ম। সেয়ে ৰাতি তেখেতৰ ওচৰত ভাৰতী আছিল। ত্রিদীপ আৰু ভূপাও দিনৰ ভাগত সাল-সলনিকৈ তেখেতৰ ওচৰত আছিল। ইমান শৰীৰ বেয়া-হোৱা সময়তো তেখেতে সকলো কথা চিন্তা কৰিছিল। আমি মাদ্রাজ পোৱাৰ দিনা চতিয়াৰ শ্রীপৰেশ বৰকাকতি আমাক লগ পাবলৈ প্লেটফৰ্মত ৰৈ থকাৰ কথা আছিল। তেওঁ মাদ্রাজত পঢ়ি আছিল। কিন্তু সেইদিনা ৰেলৰ সময় আগতীয়া হোৱা বাবে তেওঁ আমাক লগ ধৰিব নোৱাৰিলে। এই কথাটোৰ বাবে দেউতাকে ভাৰতীক কৈছিল "পৰেশলৈ চিঠি এখন দি জনা যে সেই সময়ত আমি 'এপ'ল'ত আছো। নহলে তেওঁ আমাক হোটেলত বিচাৰি নাপাবগৈ। মোকো দ্বিতীয় দিনা ডাক্তৰক দেখুউৱা হৈছিল। মোৰ হাৰ্টৰ অসুখ আছিল। আৰু বাতবিষৰ বাবে সোঁহাতৰ বুঢ়া আঙ্গুলীটো বেঁকা হৈছিল। ডাক্তৰে মোৰ হাতখন লাগিলে অপাৰেশ্যন কৰাৰ কথা কৈছিল। এই কথাটো দেউতাকে শুনি ভাৰতীক কৈছিল "মাৰৰ এতিয়া আৰু হাত কাটিব নালাগে। বিষৰ ঔষধ খালেই হব।" এদিন ভূপাক কৈছিল "খুৰীয়েৰ অসুখীয়া মানুহ, মোৰ লগত কষ্টহে পাইছে। তয়ে অলপ মোৰ ওচৰত থাকি মূৰত হাত ফুৰাই দেহি" এই বিলাক কথা ভাবি এতিয়া মোৰ বৰ দুখ লাগে। তৃতীয় দিনা মোক কৈছিল— "মই কি পাপ কৰিছিলো, মই মৰিম"। চতুৰ্থ দিনা দেওবাৰে পুৱা

পেটৰ অসুখ কমিছিল। দেউতাকৰ কথা মতে ভাৰতীয়ে চাফা কাপোৰ এযোৰ পিন্ধাই দিছিল। দাঁত-মুখ ধুৱাই দিয়াত, দাঁতখিনি চাফা হ'লনে ? সুধিছিল। তেখেতৰ বেমাৰৰ লক্ষণ কিন্তু বৰ ভাল নাছিল। প্ৰথম দিনৰ পৰাই তেখেতক চেলাইন দি ৰাখিছিল। তৃতীয় দিনৰ পৰা অক্সিজেন দিব লগীয়া হৈছিল। চতুৰ্থ দিনা পুৱাৰে পৰা আমি উদ্বিগ্ন হৈ পৰিছিলো। বিশেষজ্ঞ জনক ৰাতিপুৱা ফোনেৰে ভাৰতীয়ে দেউতাকক চাবলৈ মাতিছিল। ১২ বজাতহে বিশেষজ্ঞজন আহি পাইছিল। আৰু চেলাইনৰ যোগেদি জ্বৰৰ প্ৰকৃত ঔষধ বেজী হিচাবে দিছিল। কিন্তু ঈশ্বৰৰ কি ইচ্ছা নাজানো, তেখেতৰ অৱস্থা ক্ৰমে বেয়ালৈ গ'ল। ৯ বজাৰ পৰা তেখেতক মুখৰ ভিতৰত নলী ভৰাই অক্সিজেন দিছিল। শেষত ৰাতি ১০ বাজি ২০ মিনিটত আমাৰ সকলোকে কন্দুৱাই তেখেতৰ প্ৰাণপক্ষী কোনোবা অজান দেশলৈ গুচি গ'ল। সেই মুহূৰ্ত্তটো আমাৰ বাবে কেনেকুৱা হৈছিল তাক বুজাই ক'ব নোৱাৰি। পৰেশ বৰকাকতি আৰু আমাৰ দূৰ সম্পৰ্কীয় লোকে আমাক সেই সময়ত যথেষ্ট সহায় কৰিছিল। আৰু ঘূৰি অহাৰ সময়লৈকে আমাৰ লগত আছিল। তাৰিখটো আছিল ৩০ এপ্ৰিল। ২ মে তাৰিখে আমি মৃত দেহটো প্লেনেৰে লৈ আহিলো। ৩ মে পুৱা ৬ বজাত গুৱাহাটী পালোহি। চতিয়াত খবৰটো লগে লগেই পাইছিল। আৰু ৩ মে তাৰিখে চতিয়াৰ ৰাইজসকল আমাৰ ঘৰত মৃতদেহ আহি পাবহি বুলি আবেলিৰে পৰা ৰাতি ৭ বজালৈকে ৰখি থাকিল। আমি গুৱাহাটীত গাড়ী ঠিক কৰোতে ৩॥ বাজিল। গতিকে ৰাতি ১১॥ বজাতহে ঘৰ পালোহি। ৪ মে তাৰিখে পুৱা ৰাইজসকল আহি, মৃতদেহ কংগ্ৰেছ পতাকা সহ সসন্মানে শোভাযাত্ৰা কৰি প্ৰথম চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় পাওঁতে ১০ টালৈ ১৫ মিনিট আছিল। সময়টো কোনেও নভবাকৈয়ে মিলি গৈছিল। শোভাযাত্ৰাৰ পাচত শেষকৃত্য সম্পন্ন হৈছিল। আমাৰ মনত পৰা সকলো লোকেই আমাক শান্তনা জনাইছিলহি। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা শোক প্ৰস্তাব আমাক দিছিলহি। ৰাইজৰ এনে সন্মান আৰু সমবেদনা

প্ৰকাশে আমাৰ শোক বিহ্বল অন্তৰ কৃতজ্ঞতাৰে ভৰি পৰিছিল। আৰু এতিয়ালৈকে বিপদৰ সাৰথি বাইজ সকলৰ ওচৰত আমাৰ আন্তৰিক কৃতজ্ঞতাৰে সূৰ দোঁ থাই ৰ'ল।

বৰ্ত্তমানে মই অসুস্থ শৰীৰ আৰু অসুস্থ মন লৈ জীৱন ধাৰণ কৰিছোঁ। ভাবিছোঁ তেখেতে মোৰ আৰু আমাৰ যুটীয়া পৰিয়ালৰ কাৰণে অনেক কৰি থৈ গ'ল। কিন্তু আমি তেখেতক আৰোগ্যও কৰিব নোৱাৰিলোঁ। তেখেত আজি নাই। তেখেতৰ স্মৃতি ৰৈ গ'ল মানুহৰ মাজত, ৰৈ গ'ল ঘৰখনৰ প্ৰতিটো আচবাবত। তথাপিও আজি আমি শূণ্যতা আৰু নিৰাশা অনুভৱ কৰিছোঁ। আজি তেখেতৰ মৃত্যু বাৰ্ষিকী দিৱসত মোৰ বেদনা ভৰা অন্তৰৰ দুধাৰি চকুলো তেখেতৰ পুণ্য স্মৃতিত অৰ্পণ কৰিলোঁ।। ০০০

দেউতা মানুহজন

—মিনতি কটকী

যোৱা বছৰৰ ৩০ এপ্ৰিলৰ নিশা আছিল আমাৰ কাৰণে এক মৰ্মাহত বেদনাৰে ভৰা চিৰস্মৰণীয় দিন যিদিনা আমাৰ দেউতা স্বৰ্গীয় মহেন্দ্ৰনাথ বৰকটকীৰ জীৱনৰ আছিল শেষ নিশা, সেইদিনা আমাক সকলোকে শোকাকুল কৰি দেউতা এই সংসাৰৰ পৰা চিৰদিনৰ কাৰণে বিদায় লয়। দেউতাৰ দয়ালু পৰোপকাৰী আৰু সমাজপ্ৰিয় স্বভাৱ আমি ভাষাৰে বুজুৱা কঠিন।

মনত থকা দিনৰে পৰা শুদ্ধ বগা খাদী ধুতি পাঞ্জাবী; চকুত চশমা, ভৰিত প্ৰায়ে চেণ্ডেল পৰিহিত দেউতাৰ গাত এক বিশেষ ব্যক্তিত্ব দেখা পাইছিলো। গান্ধীবাদী ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ছাত্ৰ জীৱনৰ পৰাই স্বৰ্গীয় দেউতাই বিলাসিতা বৰ্জ্জন কৰিছিল। ছাত্ৰ অৱস্থাত তেখেত এজন অতি মেধাৱী লোক আছিল। আৰ্থিক নাটনিৰে ভৰা শৈশৱ কালৰ পৰা লোকৰ ওপৰত নিৰ্ভৰ নকৰাকৈয়ে কেৱল বৃত্তিৰ টকাৰেই নিজৰ পঢ়াৰ খৰচ চলাইছিল। তেতিয়াই আহৰণ কৰা এই আত্মনিৰ্ভৰশীলতা, মিতব্যয়িতা আৰু শ্ৰমপ্ৰিয়তা আদি গুণ সমূহ গোটেই জীৱনতে ৰেখাপাত কৰিছিল। ১৯৩৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা মেট্ৰিকুলেচন পৰীক্ষাত ৪টা বিষয়ত লেটাৰ লৈ ৭ম স্থান অধিকাৰ কৰিছিল। ১৯৩৯ চনত প্ৰথম বিভাগত আই, এচ, চি পাছ কৰিছিল। তাৰ পিচত ১৯৪১ চনত কটন কলেজৰ পৰা সুখ্যাতিৰে বি, এচ, চি পাছ কৰিছিল। মনত নিজে লোৱা শিক্ষা আনক বিলাবলৈ লোৱা সাহসেৰে শিক্ষক জীৱন আৰম্ভ কৰিলে আমি ওপজা বহুতো আগৰে পৰাই। শিক্ষকতা

কৰি থকা অৱস্থাতে ১৯৪৯ চনত দিল্লীৰ জামিয়া মিলিয়া ইচ্‌লামীয়া বিশ্ববিদ্যালয়ত এবছৰ অধ্যয়ন কৰি বুনিয়াদী শিক্ষা বিষয়ৰ স্নাতকোত্তৰ ডিপ্লোমা লাভ কৰিছিল। নিষ্ঠা আৰু একাগ্রতাৰে তেখেতে স্কুলৰ কামত লাগিছিল। শিক্ষক জীৱনৰ কালছোৱাত কৰি অহা কামত স্বীকৃতি স্বৰ্গীয় দেউতাক ১৯৬২ চনৰ ২৫ অক্টোবৰৰ দিনা কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে পুৰস্কৃত কৰিছিল।

আমি ৫পেজাৰে পৰা সেই অঞ্চলটোত দেউতাক 'হেড্‌মাষ্টৰ' বুলিহে সম্বোধন কৰা মনত আছে। নতুৱাৰ হাইস্কুল, চতিয়া উচ্চ মাধ্যমিক বিদ্যালয় যেন দেউতাৰ প্ৰকৃত ঘৰ। পুৱা ৯-৪০ মিনিটতো দেউতাৰ কাৰণে এক অভূতপূৰ্ব সময়। কাৰণ ৯-৪৫ মিনিটত দেউতা স্কুল পাবগৈ লাগিব। গোটেই জীৱন ৯-৪৫ বজাত স্কুলৰ নাহৰ গছৰ তল পায়গৈ। সেয়েহে ছাগে মৃত্যুৰ পিছতো দেউতাৰ মৃতদেহ পুৱা ৯-৪৫ তেই স্কুলৰ নাহৰ গছৰ তল পাইছিলগৈ। স্কুলৰ পৰা অৱসৰ লোৱাৰ পিচতো দুই তিনিমাহ পুৱা ৯-৪০ত দেউতা অস্থিৰ হৈছিল। ওলাই গৈছিল মাৰ নামত থকা ইঞ্জিনিয়েৰৰ কামত, দুপৰীয়া ১২ বজাৰ পিচতহে ঘৰ সোমাইছিলহি।

দেশৰ প্ৰতি দেউতাৰ আছিল অসীম শ্ৰদ্ধা। ২৬ জানুৱাৰী ১৫ আগষ্ট, ২ অক্টোবৰ আমাৰ ঘৰৰ কাৰণে এক উৎসৱৰ দিন আছিল। পতাকা উত্তোলন দেউতাই নিজেই কৰিছিল অন্তৰত অশেষ শ্ৰদ্ধাৰে। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত দেউতাই যেনেদৰে ত্যাগ কৰিছিল, ঠিক তেনেদৰেই অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনতো দেউতাৰ ত্যাগ উল্লেখনীয়।

সাংসাৰিক জীৱনতো দেউতাই আমাৰ কাৰণে যথেষ্ট কৰিছিল। মাৰ শাৰীৰিক অসুস্থতাৰ হেতু মনত পৰা দিনৰে পৰা মাকে কৰিব লগীয়া প্ৰায়বোৰ দায়িত্ব দেউতাই দুয়োজনৰ দায়িত্ব সমানে পালন

কৰিছিল। সেয়ে আমি সকলো কথা দেউতাৰ লগতে প্ৰায়ে আলোচনা কৰিছিলো। পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি স্বাস্থ্য আদি সকলো বিষয়তে দেউতাই আমাক বৰ যত্ন কৰিছিল। সময়ত আমি সকলো কথা উপলব্ধি কৰিব পাৰিছিলো।

স্মৃতি শক্তি দেউতাৰ আছিল অতি প্ৰখৰ। অসুখ দেখুৱাবলৈ দিল্লীলৈ নিওতে জামিয়া মিলিয়া বিশ্ববিদ্যালয়ৰ কোনখিনিৰ ছাত্ৰবাসত আছিল (যি বৰ্ত্তমান এক স্মৃতি) ২০ বছৰৰ পিছত আমাক ভাল দৰে বুজাইছিল। দেউতাৰ সবাতোকৈ ডাঙৰ গুণ আছিল পৰিকল্পনা। দেউতা আছিল খুউব হিচাবী। নিজৰ উপাৰ্জ্জনেৰে গোটেই ঘৰখন চলোৱাৰ উপৰিও দুখীয়া ল'ৰা-ছোৱালীক পঢ়াৰ খৰচ দিবলৈ সক্ষম হৈছিল। ই মিতব্যয়িতাৰ এক বিৰল উদাহৰণ।

দেউতা আজি নাই। তেখেতৰ ত্যাগ, কৰ্ত্তব্যনিষ্ঠা, জনশিক্ষাৰ প্ৰতি অৱদান আৰু লোক সেৱাৰ প্ৰতি থকা আগ্ৰহ অকল আমাৰ মনৰ মাজতেই নহয় এই অঞ্চলটোত থকা প্ৰায়বোৰ অনুষ্ঠান, প্ৰতিষ্ঠান সমূহত চিৰস্মৰণীয় হৈ থাকিব।

এনে এক বিৰল পুণ্যাত্মক ব্যক্তিৰ প্ৰথম মৃত্যু বাৰ্ষিকীত একলম লিখি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যেন আমাকো স্বৰ্গীয় দেউতাৰ আদৰ্শৰে অনুপ্ৰাণিত কৰি জীৱনৰ পথত আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়ক। ০০০

দেউতাৰ সোঁৱৰণত

প্ৰণতি বৰকটকী (বৰা)

দেউতাৰ কথা ভাবিলেই বগা শুদ্ধ সাজ জোৰেৰে কৰ্মব্যস্ততাৰে ভৰা দেউতাৰ উজ্জ্বল মুখৰ জীৱন্ত ছবিখন মোৰ মানসপটত ভাঁহি উঠে। মই জনাহোৱাৰে পৰা দেউতাৰ লগত জীৱনৰ প্ৰতিটো দিশতেই ইমান ওতঃপ্ৰোতঃ ভাবে জড়িত যে দেউতাৰ অবিহনে আমাৰ কি হ'ব ভাবিবই পৰা নাছিলো। এদিন সকলো বাস্তৱত পৰিণত হ'ল। দেউতায়ে আমাক কন্দুৱাই বহুদূৰলৈ গুচি গ'ল। সুদূৰ মাদ্ৰাজৰ পৰা ভণ্টি ভাৰতীৰ তাঁৰ আহিল—দেউতা আৰু নাই। ৩০ এপ্ৰিল ১৯৮৯ চন দেওবাৰ, ৰাতি ১০-৩০ মিনিটত জীৱন যুদ্ধত যুঁজি যুঁজি মাদ্ৰাজৰ এপল' হস্পিতালতে চিৰ বিশ্ৰাম ল'লে। তেতিয়া মই নগাঁৱৰ মোৰ স্বামীৰ গৃহত। ৰাতি-য়েই যোৰহাটত ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থকা মোৰ সৰু ভণ্টি অদিতিক লৈ আমি সকলোটি চতিয়া পালোহি। উঃ ভগবান কি কৰিলা এইয়া! দেউতা নোহোৱা ঘৰ। সোমাও কেনেকৈ! কিমান আশাৰে মাদ্ৰাজত চিকিৎসা কৰিবলৈ গৈছিল দেউতাই। ভাল হ'ব···, মাক লৈ কন্যা-কুমাৰীলৈকে ঘূৰিব! কিন্তু সকলো শেষ! যাওঁতে কত ফূৰ্তিৰে মা, ভণ্টি, দাদাৰ লগত কলিকতাত ফুৰি-চাকি গ'ল, কিন্তু আহোতে যে দেউতাক কফিনত ভৰাই আনিলে। আনিলে. বহুত আশাৰে এৰি থৈ যোৱা দেউতাৰ মৰমৰ জন্মভূমি চতিয়ালৈ। আমাৰ ঘৰত দেউতাৰ গুণমুগ্ধ অগনন মানুহৰ সমাবেশ হ'ল। দেউতাক শেষ শ্ৰদ্ধাঞ্জলি জনাবলৈ ২০ কিঃ মিঃ পৰ্য্যন্ত দূৰৰ পৰাও কত যে বৃদ্ধ মানুহ খোজকাঢ়ি আহিল। দেউতাৰ দেহা মালাৰে ওপচাই পেলালে। দেউতা! তোমাৰ প্ৰতি মানুহৰ এই অকৃত্ৰিম মৰম, স্নেহ, আন্তৰিকতা দেখি আমি সেই মুহূৰ্ত্তত চকুপানী টুকিবলৈও পাহৰি গৈছিলো! এনে লাগিছিল দেউতা, তুমি যেন এই সকলোবোৰ নিজে চাই আছা! পৰম সন্তোষ পাইছা! এনেকৈ

দেউতাৰ কৰ্মময় জীৱন এদিন স্তব্ধ হৈ গ'ল। কিন্তু তাৰ স্মৃতি আমাৰ মাজত সজীৱ হৈ ৰ'ল।

ৰাতিপুৱা সোনকালে শুই উঠাৰ পৰা ৰাতি শোৱা পৰলৈকে দেউতা অত্যন্ত ব্যস্ত। ৰাতি সামান্য টোপনিৰ বাহিৰে জিৰণি কাক বোলে দেউতাই নাজানে। পুহমহীয়া জাৰতো বাৰীখনত কৰি আদি বোৱা, পানী দিয়া কাম নিজে কৰিছিল। বাৰীখন শাক-পাচলিৰে নদন-বদন হৈ আছিল। নিজে খেতি কৰা বৃহৎআকাৰৰ কবি, মূলা, গাজৰ আদি লোকক বিলাই পৰম তৃপ্তি পাইছিল। ইয়াৰ উপৰিও দুৰ্বণিত থকা পৰিয়ালৰ মানুহৰ ঘৰলৈ নিজে টোপোলা বান্ধি নি কৰি খুৱাইহে দেউতাই সন্তোষ পাইছিল। দেউতাৰ আন এটা সজ গুণ হ'ল অতিথি পৰায়ণতা। ঘৰলৈ আলহি অহাৰ গম পালে যেনেতেনে মাছ, ডাল ক্ৰীম অকণমান যোগাৰ কৰিবই। অনবৰত পাকঘৰলৈ আহি কোনটো কেনেদৰে ৰান্ধিব লাগিব কৈ কৈ মাক, আমাক অতিষ্ঠ কৰি তোলে। কাৰণ, ৰন্ধাত দেউতাৰ যে বৰ চখ। সকতে হেনো ৰন্ধাবঢ়া কৰিহে দেউতাই পঢ়িছিল। দেউতাৰ নিৰ্দেশ মতে আমাৰ ঘৰত ভাতৰ লগত অমিতাৰ খাৰ খন আৰু সক মাছ ভজা প্ৰায় থাকিবই। ঔটেঙা, কচু, তিতাকেৰেলা, পদিনা দেউতাৰ বৰ প্ৰিয়! অতি প্ৰিয় খাদ্য দেউতাৰ মাছ। আঞ্জাত মাছৰ টুকুৰা যিমানে ডাঙৰ হয় দেউতাই মনত সিমানে ভাল পায়। ক'ত কেতিয়া কিমান ডাঙৰ মাছৰ টুকুৰা খাইছিল কৈ কৈ আমাৰ আগত স্ফুৰ্ত্তি কৰে। দেউতাই আমাৰ আগত কোৱা ঘটনা এটালৈ মনত পৰিছে। ১৯৪০/৪১ চন হ'ব কিজানি। দেউতা কটন কলেজত পঢ়ি আছে। হোষ্টেলৰ 'মনিটৰ' দেউতা। ৰাতি ভাতৰ লগত মাছ থকাৰ দিনা কোনোবা দুষ্ট ল'ৰাই হেনো হোষ্টেলৰ লাইট নুমাই দি মাছৰ আশাত লোকৰ বাটিত হাত ভৰায়। দেউতাই হেনো ভয়তে দুয়োহাতেৰে মাছৰ বাটিত হেচাদি ধৰি থাকে। পিচৰ জীৱনৰ এইবোৰ কাহিনী কৈ কৈ আমাৰ আগত বৰ ৰস কৰিছিল। সকলো খাদ্য বৰ তৃপ্তিৰে গ্ৰহণ কৰিছিল। নোখোৱা খাদ্যৰ ভিতৰত মাত্ৰ মাংস। কিন্তু আমাক খাবলৈ কৈছিল আনকি বজাৰৰ পৰা ভাল মাংসকণ দেউতাইহে কিনিব জানিছিল।

কেতিয়াও দেউতাৰ পেটৰ বেমাৰ বা কাঁহ জ্বৰ আদি হোৱা দেখা নাছিলো। স্বাস্থ্যৰ বিষয়ত বৰ সচেতন। আমি হোষ্টেলত থকা সময়ত চিঠিত বিভিন্ন ধৰণৰ উপদেশৰ উপৰিও সদায় খোৱাৰ কথা লিখি স্বাস্থ্যৰ প্ৰতি যত্ন ল'বলৈ সতৰ্ক কৰি দিছিল। বিভিন্ন কামৰ মাজতো দেউতাই আমাৰ প্ৰত্যেক জনীকে বিভিন্ন ঠাইত থকা হোষ্টেললৈ আহি নিয়মিত ভাবে খবৰ কৰিছিলহি। মা আমাৰ অসুখীয়া হোৱা বাবে দেউতাই আমাৰ প্ৰায়বোৰ কামৰে দায়িত্ব ল'ব লগা হৈছিল। ইমানখিনি ৰাজহুৱা কামৰ মাজতো কেনেদৰে দেউতাই ঘৰখনৰ প্ৰত্যেকটো কথা নিজে চকু দিব পাৰিছিল ভাবিলে আচৰিত হ'ব লাগে।

দেউতা অত্যন্ত ধাৰ্মিক লোক আছিল। সকলো ধৰ্মকে তেখেতে সমান চকুৰে চাইছিল। আমাকো জীৱনত ভগৱানৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিক্ষা দিছিল। ধনী দুখী জাতি-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লগত দেউতাৰ সম্বন্ধ মধুৰ আছিল। সোনকালে শোৱাৰ পৰা উঠা, দেউতাই ৰাতিপুৱা গা ধুই গোসাই ঘৰত সোমাই শালগ্ৰাম পূজাভাগ কৰিহে ৰাতিপুৱাৰ জলপান গ্ৰহণ কৰাৰ অভ্যাস। শেষৰফালে মনৰ শান্তিৰ বাবে অলপ সময় গীতা পাঠ কৰি কটাইছিল। প্ৰতিবছৰে ককাদেউতা আৰু আইতাৰ বছেৰেকীয়া শ্ৰাদ্ধৰ দুয়োটা দিন দেউতাই অত্যন্ত নিষ্ঠাৰে পালন কৰিছিল। তাৰোপৰি বছেৰেকীয়া সত্যনাৰায়ণ পূজা, শিৱপূজা, লক্ষ্মীপূজা ভাগ দিনটো কঠোৰ ব্ৰত পালন কৰি থাকিহে পূজাৰ কাম সমাধা কৰিছিল।

দেউতাৰ স্কুলখন আছিল নিজৰ ঘৰৰ দৰে আপোন। বন্ধৰ দিনটো স্কুলখনলৈ গৈ এপাক চাই আহিব পাৰিলেহে শান্তি পাইছিল। স্কুলঘৰ নিৰ্মাণৰ প্ৰত্যেকটো কাম নিজে চকুৰ আগত থাকিহে কৰাইছিল। বিদ্যালয়ৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ ক্ষেত্ৰত ভাল কাঠ আনিবৰ বাবে পলাশবাৰীলৈ গৈ সস্তাতে শালকাঠ কিনি নিজে ট্ৰাকত উঠি আহিছিল। নিজৰ পচন্দ মতে স্কুলখন সজাই পৰাই তুলিছিল। ফুল ভালপোৱা দেউতাই

ঘৰখন যেনেদৰে ফুলেৰে ভৰাই ৰাখিছিল। স্কুলঘৰৰ চৌহদো ডালিয়া, জিনিয়া, নাৰ্জি আদি বতৰীয়া ফুলেৰে সুশোভিত কৰি তুলিছিল। সকলো ক্ষেত্ৰতে আতি হিচাবী আৰু মিতব্যয়ী আছিল। গোটেই জীৱনটো কঠোৰ নিয়ম শৃঙ্খলাৰ মাজেৰে কটাইছিল। স্বাধীনতা আন্দোলনত কাৰাবৰণ কৰা দেউতাই গান্ধীজীৰ আদৰ্শ আগত ৰাখি গোটেই জীৱন সহজ সৰল আৰু সৎভাবে কটাইছিল। গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত মায়ে দেউতাৰ এই জীৱনক স্বাগতম জনাইছিল। দেশ স্বাধীন হোৱাৰ পাচত বহুত উচ্চ পদস্থ চৰকাৰী চাকৰিৰ সুবিধা পাইও সেই সুবিধা গ্ৰহণ নকৰি স্কুলখন আৰু ৰাইজৰ কামতে গোটেই জীৱনটো কটালে। এইকনা শিক্ষকেই শিক্ষক জীৱনৰ সুদীৰ্ঘ কাল-ছোৱাত কৰি অহা কামৰ স্বীকৃতি স্বৰূপে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে পুৰস্কৃত কৰে।

দেউতা আছিল মোৰ অতি আপোন বন্ধু এজনৰ দৰে। সকলো কথা মই দেউতাক খুলি ক'বলৈ পালেহে ভাল পাইছিলো। তাৰ বাবে কত যে মতৰ অমিল হৈ দেউতাৰ খং উঠি গালি খাব লগাত পৰিছিলো। তথাপি আমি তৎক্ষণাৎ সহজ হৈ আগৰ দৰে বৰ মৰমৰ হৈ পৰিছিলো। পঢ়াৰ ক্ষেত্ৰত আমি বৰ নিয়মীয়া আছিলো। বন্ধ আদিতো পঢ়িবই লাগিব। দেউতাৰ নিৰ্দ্দেশ, স্কুলীয়া কিতাপৰ উপৰিও বাহিৰা কিতাপ দেউতাই সংগ্ৰহ কৰি দিছিল। ঘৰতো যথেষ্ট সংখ্যক কিতাপেৰে আমাৰ লাইব্ৰেৰী আছিল। পঢ়া-শুনাৰ লগতে স্কুল-কলেজত পতা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। সেইমতে আমি যোগ দি পুৰস্কৃত হোৱাত দেউতা গৌৰবান্বিত হৈছিল। দেউতাৰ অনুপ্ৰেৰণাতে স্কুল-কলেজৰ ছাত্ৰ সংসদৰ নিৰ্ব্বাচনত যোগ দি বিভিন্ন পদত নিৰ্ব্বাচিত হৈ কেনে-দৰে পঢ়াৰ মাজতে সমজুৱা কাম কৰিব পাৰি তাৰ শিক্ষা পাইছিলো। আমি বিচৰা সকলোখিনিয়েই অভাৱ পূৰাবলৈ চাইছিল। আমি যাতে কোনো কথাতেই পিচপৰি নাথাকো। সদায় সৎ সাহসী হৈ আগ-

বাঢ়িবলৈ উৎসাহ দিছিল। নিয়মানুবর্ত্তিতা আৰু সময় সচেতনতা দেউতাৰ জীৱনৰ আন এটা বৈশিষ্ট্য। স্কুল সভা-সমিতি আদি সকলোতে ১৫ মিনিট আগতে উপস্থিত হ'ব পাৰিছিল। আমাকো এই বিষয়ে উপদেশ দিছিল। নিজৰ কৰ্ত্তব্যৰ প্ৰতি সজাগ হবলৈ সদায় সোঁৱৰাই দিছিল। নিয়ম শৃঙ্খলাত কঠোৰ দেউতাই বিনাকাৰণত স্কুল ক্ষতি কৰিবলৈ নিদিছিল। আনকি, পাচত যেতিয়া মই স্থানীয় ছোৱালী হাইস্কুলত শিক্ষয়িত্ৰীৰ কাম কৰি আছিলো, তেতিয়াও দেউতাৰ অনুমতি সাপেক্ষেহে ছুটী লব পাৰিছিলো। এটা ঘটনালৈ মনত পৰিছে। ১৯৮৫ চনৰ জানুৱাৰী মাহ। দেউতা বিশেষ কামত গুৱাহাটীলৈ গৈছিল। মোৰ ভণ্টি ভাৰতী তেতিয়া মেডিকেল কলেজৰ ছাত্ৰী।

দেউতাৰ চকুৰ কেটেৰেক্ট হৈ আছিল। ডাক্তৰক দেখুৱাত আৰু ভাৰতীয়ে জোৰ দিয়াত মেডিকেল কলেজত লগে লগে অপাৰেচন কৰালে। ঘৰলৈ ভণ্টিয়ে খবৰ পঠালে কিন্তু মই স্কুল ক্ষতি কৰি যাওঁ বুলি দেউতাই অপৰেচনৰ পাচ দিনাই ডাক্তৰ আৰু ভণ্টিয়ে নজনাকৈ মোলৈ মনে মনে এটা চকুৰেই কোনোমতে চিঠি লিখি পঠালে যাতে মই ছুটী লৈ কোনো কাৰণে নাযাওঁ। দেউতা সম্পূৰ্ণ ভাল। ইমানেই কৰ্ত্তব্যৰ প্ৰতি সজাগ আছিল দেউতা।

দেউতাৰ স্মৃতি শক্তি অতি প্ৰখৰ। সকলো হিচাপ পত্ৰ দেউতাৰ মনত দাপোণৰ দৰে ফটফটিয়া আছিল। নিজে পঢ়োৱা প্ৰত্যেকজন আগশাৰীৰ ছাত্ৰৰ কোনজনে কোন চনত পাচ কৰিলে, কিমান নম্বৰ পালে, কেতিয়া কামত যোগ দিলে, কেতিয়া অৱসৰ গ্ৰহণ কৰিব এই পৰ্য্যন্ত সলসলিয়া কৈ দিব পাৰিছিল। পৰীক্ষাত ভাল ফল দেখুৱা ছাত্ৰ-ছাত্ৰী সকলৰ ঘৰলৈ গৈ আশীৰ্ব্বাদ দিছিল। নিজে যাব নোৱাৰা সকললৈ চিঠিৰে অভিনন্দন জনাই উৎসাহিত কৰিছিল। দেউতাৰ অন্তৰখন আছিল বৰ কোমল। লোকৰ দুখ

সহায় কৰিব নোৱাৰে। বহুতো ছাত্ৰক নিজৰ জেপৰ পইচাৰে কিতাপ দি পঢ়াইছিল। বহুতকে বৃত্তি আদি যোগাৰ কৰি দিছিল। আমাকো সদায় মানুহৰ সুখ-দুখৰ খবৰ লবলৈ উপদেশ দিছিল। আমাৰ ঘৰলৈ বিভিন্ন ধৰণৰ মানুহ আহি কন্দা-কটা কৰি উপায় বিচাৰিছিল। দেউতায়েও যিমান পাৰে চেষ্টা কৰি, চাকৰি আদি যোগাৰ কৰি দি সহায় কৰিবলৈ সক্ষম হৈছিল।

দেউতাই নাৰী স্বাধীনতাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। দেউতাৰ দৰে মাক, আমাক বিভিন্ন ধৰণৰ অনুষ্ঠান, প্ৰতিষ্ঠান আৰু সামাজিক কামত অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। সেইবাবে মা অসুখীয়া দেহাৰে আজিও মহিলা সমিতি লিখিকা সমাৰোহ আদি অনুষ্ঠানৰ লগত জড়িত।

দেউতাই পৰিয়ালৰ বোৱাৰীসকলক নিজৰ জীৰ দৰে ভাবিছিল। তেওঁলোকক পঢ়া-শুনা কৰাত বৰ জোৰ দিছিল। শিক্ষিতা সকলক চাকৰী আদি কৰি পৰিয়ালটোত আৰ্থিক সহায় আৰু লগতে নিজে কৰ্মব্যস্ত হৈ থাকিবলৈ উপদেশ দি অহা মই দেখিছিলো। পৰিয়ালৰ জীয়াৰী, বোৱাৰী সকলোৱেই দেউতাক যেনেদৰে বৰ ভক্তি কৰিছিল তেনেকৈ অন্তৰ খুলি সুখ-দুখৰ কথা পাতিছিল। দেউতাৰ এই আন্তৰিকতা মৰম স্নেহৰ বাবেই দেউতাক চিকিৎসা কৰাবলৈ দিল্লী-মাদ্ৰাজলৈ যোৱাৰ আগতে আমাৰ ঘৰত খবৰ কৰিবলৈ অহা মানুহৰে ভৰি পৰিছিল। লাহে লাহে দেউতাৰ সুন্দৰ স্বাস্থ্য ক্ৰমাৎ দুৰ্ব্বল হৈ আহিল। দেউতাই মাজে মাজে মাক সোধা শুনো "হেৰা মই ক্ষীণাই গৈছো নেকি? মানুহবোৰে দেখোন মোক লগ পালে কিবা অসুখ হৈছে নেকি সোধে?" দেউতাৰ মাজে মাজে কাঁহ, জ্বৰ হবলৈ ধৰিলে। তাৰ মাজতে দেউতাই বেমাৰক প্ৰশ্ৰয় নিদি কাম বনত জড়িত হৈ থাকিল। মাদ্ৰাজলৈ যোৱাৰ এসপ্তাহৰ আগতেও গুৱাহাটীত বহা মুক্তি যুজাৰু সভাত যোগদান কৰি আহিছিল। দেখাত অতি

সুস্থ। মানসিক, শাৰীৰিক সকলো দুখ কষ্ট আমাৰ আগত প্ৰকাশ নকৰি সহ্য কৰি লৈছিল দেউতায়ে। মাদ্ৰাজলৈ যোৱাৰ আগতে দেউতাই বেঙ্কৰ পেঞ্চন আদিৰ সকলোবোৰ কাগজ পত্ৰ মোৰ হাতত চমজাই দি ভালদৰে ৰাখিবলৈ কৈছিল। কিন্তু দেউতাৰ এয়ে আছিল শেষ দিয়া। দেউতা সদায়ে বৰ দূৰদৰ্শী। গতিকে মই বৰ সহজ ভাৱে ল'লো। মোৰ অজ্ঞতাক নিয়তিয়ে হয়তো কুটিল হাঁহি মাৰিছিল। এয়েই শেষ ! দেউতাক আৰু জীৱন ৰূপত নাপালো। সাধাৰণ কাঁহ জ্বৰতে দেউতা আমাৰ মাজৰ পৰা হঠাতে নোহোৱা হ'ল। দেউতাৰ এই কৰ্মময় জীৱনটোৱে বিশ্ৰাম বিচাৰিলে। দেউতাৰ নশ্বৰ দেহা পৰিয়ালৰ লোকৰ বাহিৰেও অগনন শোকাকুল ৰাইজৰ চকুৰ আগতে ঘৰৰ সন্মুখত নিজে ৰুই থোৱা মৰমৰ বকুল জোপাৰ তলতে সমাধিস্থ কৰা হ'ল।

দেউতাৰ এই শাৰীৰিক ৰূপটো আজি আমাৰ মাজৰ পৰা হেৰাই গ'ল সঁচা কিন্তু দেউতাৰ স্মৃতি, আদৰ্শ আমাৰ প্ৰেৰণাৰ উৎস দেউতাৰ সোঁৱৰণত মূৰ দোঁৱাই শ্ৰদ্ধা অৰ্পণ কৰিলো, দেউতাৰ আত্মাই চিৰশান্তি লাভ কৰক। ০০০

মৰমৰ দেউতাৰ স্মৃতিৰে

—ভাৰতী বৰকটকী

আমাৰ দেউতা এজন আদৰ্শ শিক্ষক, এজন আদৰ্শ সমাজ কৰ্মী, এজন আদৰ্শ মুক্তিযোদ্ধা আৰু এজন আদৰ্শ পিতৃ। দেউতাৰ জীৱিত অৱস্থাতো এই গুণাৱলীৰ কথা ভাবি গৌৰব তথা আনন্দ লাভ কৰিছিলো আৰু আজি আমাৰ মাজৰ পৰা আঁতৰি যোৱাৰ পিচতো একেধৰণেই সুঁৱৰি আছো দেউতাৰ কথা। যদিও মৃত্যুটো চিৰন্তন সত্য, তথাপি এজন পিতৃক হেৰুওৱাৰ বেদনা কেৱল ভুক্তভোগীয়েহে ভালকৈ অনুভৱ কৰিব পাৰে। সৰুকালৰ কথা মনত পৰিছে। তেতিয়া মৃত্যু শব্দটো মই একেবাৰে সহ্য কৰিব পৰা নাছিলো। সদাই ৰাতি শুবৰ সময়ত দেউতাৰ চুলি নোহোৱা নিমজ মূৰত হাত ফুৰাও আৰু চুমা খাই বিচনাখন থিকথাক কৰি দি মই শুবলৈ যাওঁ। কেতিয়াবা দেউতাৰ ভৰি বা হাতখন দাঙি দি বিচনাৰ কাপোৰ ঠিক কৰি দিওঁতে দেউতাই ধেমালি কৰি কয়— "অ' আই মোক তুলসী গুৰিলৈ নিবৰ যো-জা কৰিছ নেকি?" যদিও জানো এইয়া দেউতাৰ ৰসাল কথাৰ অংশহে তথাপিও দুখ পাওঁ, বেয়া পাওঁ, খং উঠে। ভাবো— আমাৰ দেউতা কিয় মৰিব?

মনত পৰিছে দেউতাই পঢ়াৰ বাবে আমাৰ প্ৰতি কৰা যত্নৰ কথা। শিক্ষক আছিল বাবেই হবলা ঘৰত আমি ভাল পঢ়াৰ পৰিবেশ এটা পাইছিলো। নপঢ়াতো অপৰাধ বুলি ভাবিছিলো। আলহী আহিলে কথাৰ ভাগ লৈছিলো যদিও অলপ অচৰপ পঢ়িবই লাগিছিল। আখৰ ভাল কৰাবলৈ কিমান যে বাঁহৰ কলম, ঢেকীয়াৰ কলম আৰু পাখি কলমেৰে আখৰ লিখালে! তলৰ শ্ৰেণীত পঢ়ি

থাকোতে শনি আৰু দেওবাৰবোৰ মোৰ বাবে ছুটিৰ দিন। সেই ছুটা দিনত দেউতাৰ উপদেশ মতে মই পাঠ্যপুথি নপঢ়ি পাকঘৰত মা আৰু ৰৰমাক বাহিৰা কিতাপ পঢ়ি শুনাইছিলো। লবালীৰ ছুটীৰ দিনবোৰত দেউতাই টাইমটেবল লৈ ক'ৰবালৈ ওলাই গ'লে আমি আটাইকেইজনীয়ে জুম বান্ধি কথা পাতিছিলো আৰু দেউতা আহি পোৱা শব্দ পালেই ফৰিং চিতিকা দি ঢাপলি মেলিছিলো নিজ নিজ পঢ়া টেবুললৈ। নপঢ়ি টোপনিয়াই থাকিলে দেউতাই কেতিয়াবা ঠাট্টা কৰি সুধিছিল "ভাৰতী, টোপনিয়াইছানে পঢ়াৰ কথা ভাবিছা?" মই টপৰাই উত্তৰ দিছিলো "দেউতা পঢ়াৰ কথা ভাবিছো।" দেউতাই টেকুটেকাই হাঁহিছিল। পিছলৈ এইটো মোৰ অভ্যাসেই হৈছিলগৈ; টোপনিয়ালে কেতিয়াও স্বীকাৰ নকৰিছিলো।

খেলা-ধূলা কৰাতো দেউতাই উৎসাহ দিছিল। পুৱা ৮.৩০ বজাত ৰেডিঅ'ত গীতিমালিকা বাজিলেই পুৱা ৯ বজালৈকে আধাঘণ্টা আমি স্কিপিং কৰিবই লাগিছিল। তাৰ পিছতহে আমি স্কুললৈ ওলাইছিলো। আবেলি ডবা, বেডমিণ্টন আৰু অন্যান্য খেল খেলিবলৈ সকলো যোগাৰ দিছিল। পুৰস্কাৰ নেপালেও স্কুল কলেজৰ সকলো খেলতে যোগ দিছিলো দেউতাৰ উৎসাহৰ বাবেই। বিভিন্ন ঠাইত হোৱা তৰ্ক, আবৃত্তি, ৰচনা প্ৰতিযোগিতা আদিত যোগ দিবলৈও উৎসাহ দিছিল। পঢ়া শুনা ঠিক ৰাখি অন্যান্য বিষয়ত পাৰদৰ্শিতা দেখুৱালে দেউতাই আনন্দ পাইছিল। মনত পৰিছে ক্ৰমান্বয়ে তিনি বছৰ বিহুমেলাত বিহুকুঁৱৰী হওঁতে দেউতাৰ মুখত আত্মসন্তুষ্টিৰ ভাব প্ৰকাশ হোৱাৰ মুহূৰ্ত্তবোৰ।

আমাৰ স্বাস্থ্যৰ প্ৰতিও দেউতা বৰ সতৰ্ক। মাক সদায় সুধিছিল— "হেৰা ইহঁতক গাখীৰ দিলানে, হৰলিক্স দিলানে?" নিজেও আমাক বাবে কেঁচা গাজৰ, গোমধান পোৱা, চোহোৰা, খেজুৰ আদি পঢ়া টেবুলতে যোগান দিছিলহি। আনকি মই মেট্ৰিকেল পঢ়ি থকা

অৱস্থাতো চিঠিত পঢ়াৰ লগতে খোৱাৰ উপদেশহে বেঁচকৈ দিছিল। আমি দেউতাক সকলো কথা লাজ, ভয় নকৰাকৈ খুলি কব পাৰিছিলো। দেউতা আমাৰ বাবে অভিভাবক, বন্ধু, শিক্ষক সকলো। আমাৰ যিকোনো পৰীক্ষাৰ ৰিজাল্ট দিলে দেউতা যে কিমান অস্থিৰ হৈ পৰে। কি মেট্রিক, কি পি-উ, কি মেডিকেলৰ ৰিজাল্ট, টেলিগ্ৰাম কৰিবলৈ দেউতাৰ তাঁত বাতি, দিনটো তাতে বহি থাকে। যিয়েই ৰিজাল্ট নকৰো কিয় মূৰত হাত ফুৰাই শান্বনা দিয়ে। সেয়ে যিকোনো পৰীক্ষাত বহোতে দেউতাৰ মুখখনহে চকুৰ আগত ভাহি উঠে ; চিন্তা কৰো যদি পৰীক্ষা ভাল নহয় দেউতাইযে কিমান দুখ পাব!

কেৱল পঢ়া-শুনাতে নহয়, আমাক সকলো দিশতে আগবাঢ়ি যাবলৈ উৎসাহ দিছিল। সকৰে পৰাই অকলে অকলে বহুত দূৰলৈকো যাবলৈ দিছিল। উদাহৰণ দিছিল কোনোবা ছোৱালীয়ে অকলে ফৰেইনলৈ যোৱাৰ কথা, কোনোবাই কৰা দুঃসাহসীক কামৰ কথা, কোনোবাই কৰা ভাল ৰিজাল্টৰ কথা। নিজৰ ছাত্ৰসকলৰ কৃতিত্বৰ কথা কৈ এনেকুৱা আনন্দ লাভ কৰিছিল; আমাৰ এনে লাগিছিল যেন সেই সকলো দেউতাৰহে সন্তান! সেই সকলৰ ব্যাক্তিৰ কথা আঙুলিৰ মূৰত হিচাব কৰি কৰি আমাক দিয়াৰ উপৰিও তেওঁলোকৰ দ্বাৰা অনুপ্ৰাণিত হবলৈ উপদেশো দিছিল।

দেউতাৰ অন্তৰ অতি কোমল। কাৰো দুখ সহ্য কৰিব নোৱাৰে। আনকি টি-ভিত নাটক চিনেমা আদি চাই থাকোতে মাৰপিট, কটামৰা বা মানুহ মৰাৰ দৃশ্যও চাব নোৱাৰে। যদিও সেইয়া অভিনয়হে তথাপিও তেনে দৃশ্যও দেখিলে সহ্য কৰিব নোৱাৰি দেউতা আঁতৰি যায় ; আমি মুখ টিপি হাহোঁ। ক'ৰবাত কাৰোবাৰ মৃত্যুৰ খবৰ পালে পাৰিলে ঢপলিয়াই যায়, নোৱাৰিলে চিঠি দি শান্বনা দিয়ে। সেইদৰে পঢ়া-শুনাত বিশেষ পাৰদৰ্শিতা দেখুৱালেতো কথাই নাই। দুখীয়া বিধবা মহিলাৰ প্ৰতি দেউতা বিশেষ দয়ালু। তেনে মহিলাক

যবলৈ নিজে মাতি ক'ত সংস্থান দিব পাৰি তাৰ যত্ন কৰে। কাম কৰা মানুহৰ প্ৰতিও দেউতা বৰ মৰমীয়াল। সিহঁতকো এটাই উপদেশ দিছিল যাতে শিষ্টাচাৰ শিকে আৰু সকলো কথা অন্তৰ খুলি সিহঁতৰ লগতো পাতিছিল।

দেউতাৰ এটা মহৎ গুণ আছিল, কাৰো লগত বেয়া নহৈছিল। কোনোবাই কিবা কাৰণে বেয়াকৈ ক'লেও দেউতাই সহজে ক্ষমা কৰিব পাৰিছিল।

অতি সাধাৰণ সাজ-পোছাক কৰা দেউতাক আমি জোৰ কৰিহে ঠাণ্ডা দিনত জোতা মোজা পিন্ধাইছিলো। ঠাণ্ডাত দীঘল কোট এটা পিন্ধিবলৈ জোৰ কৰিও পিন্ধাব নোৱাৰিলো। গান্ধীবাদী দেউতাই মহাত্মা গান্ধীৰ কথা কৈ বিলাসিতাৰ পৰা আঁতৰি আছিল।

"সামাজিক কামৰ কথা ক'বলৈ গ'লে দেউতাই জীৱনটো সমাজৰ কামতে কটালে, নিজৰ স্কুলখনৰ পৰা আৰম্ভ কৰি প্ৰগতি লাইব্ৰেৰী, চতিয়া বালিকা স্কুল, চতিয়া কলেজ ইত্যাদি বোৰৰ প্ৰতিষ্ঠা কৰিবলৈ দেউতাৰ অহোপুৰুষাৰ্থ। কলেজৰ সম্পাদকৰ দায়িত্বত থাকোতে পইচা তুলিবলৈ চাইকেল মাৰি মাৰি বহু আঁতৰলৈ যায়। দেউতাই ইমান কষ্ট কৰাটো আমি ভাল নাপাইছিলো। শেষৰ বছৰ অসুখ হৈ থাকোতে দেউতা বেছিভাগ মেল মিটিঙতেই উপস্থিত আছিল। শাৰীৰিক অসু-স্থতাৰ বাবে মই সেইবোৰলৈ যাবলৈ সাধাৰণতে মানা কৰো, দেউতাই মিটিঙৰ পৰা উভটি আহি হাঁহি হাঁহি কয়—"মোৰ দেখোন মিটিঙত কথা ক'লে গা ভালহে লাগে।"

জীৱনত কেতিয়াও অসুখ নোহোৱা মানুহজনৰ শেষৰ বছৰত হঠাৎ কাঁহ হ'ল। বেমাৰ সাধাৰণ যদিও তেজপুৰ, গুৱাহাটী, দিল্লী পৰ্য্যন্ত দেখুওৱাৰ পিছত সম্পূৰ্ণ ভাল নোহোৱাত দেউতাৰ ভয় হ'ল জানোছা কিবা দুৰাৰোগ্য হৈছে। কিন্তু দিল্লীত সকলো ধৰণৰ পৰীক্ষা

নিৰীক্ষা কৰি তেনে বেমাৰৰ অকণো আশংকাই নাই বুলি যেতিয়া বিশেষজ্ঞ সকলে ঘোষণা কৰিলে তেতিয়াহে দেউতা শান্ত হ'ল। দিল্লীৰ চিকিৎসাত যোগাযোগত কিছু ব্যাঘাত হ'ল। মাদ্ৰাজৰ এপল' হস্পিতেলৰ নাম শুনি আহিলো। আমাৰ মাও অসুখীয়া, ভাবিলো মা-দেউতা দুয়োজনকে এবাৰ তাতো Through check up কৰাই আনো। দেউতাইও আপত্তি নকৰিলে। লগত মা, মই, দাদা (বৰ দেউতাৰ ল'ৰা) আৰু মাদ্ৰাজত আমাক লগ ধৰিব ডাঙৰ ভিনদেউয়ে। যিমান সুস্থ অৱস্থাত নিছিলো আমি কোনেও তিলমানো কল্পনা কৰা নাছিলো যে এই যাত্ৰাই দেউতাৰ শেষ যাত্ৰা। প্লেনত আৰু ট্ৰেইনত যাওঁতে সম্পূৰ্ণ সুস্থ। বাটত চিনাকী মানুহ লগ পালে কোৱা কথা এতিয়াও আমাৰ কাণত বাজি আছে—"মোৰ অসুখ বিশেষ নাই, অলপ কাঁহ আছে, এওঁৰ (মাৰ) হাৰ্টৰ অসুখ আছে বাবেহে দেখুৱাবলৈ আহিছো।" দেউতা আছিল অত্যন্ত সাৱধান আৰু শৃঙ্খলাবদ্ধ আৰু তাৰ চিনস্বৰূপেই হয়তো মৰাৰ সময়ত মোৰ দ্বিতীয় বাইদেউৰ হাতত চাবি দি থৈ গৈছিল সকলো আৱশ্যকীয় কাগজ-পাতি......মাটিৰ পট্টা পৰ্য্যন্ত। আনকি নিজৰ মুক্তিযুজাৰুৰ পেঞ্চন মাৰ নামলৈ সলনি কৰা, নিজৰ ফটো নিজে বন্ধা কৈ যোৱা আদি কামো কৰি থৈছিল। দেউতাই অন্তৰৰ পৰা ভবা নাছিল যে মাদ্ৰাজৰ পৰা ঘূৰি নাহিব। কিন্তু সেইয়া আছিল সাৱধানতাৰ চিন, যাতে আমি বিপদত নপৰো।

দৈৱৰ কি ইচ্ছা নাজানো। হঠাৎ মাদ্ৰাজত উপস্থিত হোৱাৰ পিছদিনা পুৱাৰে পৰা দেউতাৰ জ্বৰ আৰু বমি আৰম্ভ হ'ল। হস্পিতেলত ভৰ্ত্তি কৰি চিকিৎসা আৰম্ভ কৰা হ'ল। জ্বৰ ক্ৰমে বেছি হ'ল আৰু পায়খানা আৰম্ভ হ'ল, খাবৰ মন নকৰা হ'ল। গম পালো ক্ৰমান্বয়ে তিনি দিন পুৰা খেকাৰ পৰীক্ষাৰ বাবে নিব আৰু সেইবোৰৰ ৰিপৰ্ট আহিলেহে আচল চিকিৎসা আৰম্ভ হ'ব। ভয় হ'ল এইদৰে তিনিদিন ৰাখি থাকোতে যদি বেছি হৈ যায়। অৱশেষত সেয়ে হ'ল দেউতাৰ অৱস্থা অলপ অলপকৈ বেয়া হৈ আহিল। তেজত অক্সিজেনৰ পৰিমাণ কমি গৈ

মাজে মাজে নখবোৰ নীলা চানেকীয়া হৈ পৰে; বাহিৰৰ অলপ অক্সিজেন দি দিয়ে ভাল হৈ যায়। কিন্তু দেউতাই বৰ কষ্ট পালে, কষ্ট পালে অসমৰ জলবায়ুৰ পৰা আঁতৰত মাদ্ৰাজৰ জলবায়ুত অভ্যস্ত হ'বলৈ। আজি মোৰ ভাবি দুখ লাগিছে— তিনিদিন একেলেঠাৰীয়ে দেউতাৰ লগত থাকোতে হয়তো মই ভাগৰি গৈছিলো, সেয়ে এদিন দেউতাৰ গা-মূৰ পিটিকি থকা অৱস্থাত দেউতাৰ গাৰ ওপৰতে ঢলি পৰি টোপনি গলো। মোৰ হেঁচা দেউতাই অসুখীয়া গাৰে কি দৰে বহন কৰিব? উপায়ন্তৰ হৈ কৈ উঠিছিল— "অ' আই মোক হেঁচা মাৰি নংৰিবি।" ইমান অসুখৰ মাজতো চিন্তা কৰি আছিল আমাৰ কষ্টৰ কথা, সকিয়াই আছিল সকলৈ চিঠি-পত্ৰ দিবলৈ। চতুৰ্থ দিনা পুৱা দেউতাৰ শৰীৰ আৰু বেয়া যেন দেখিলো। Intensive care unit লৈ নিবলৈ যোজা কৰা হ'ল, দেউতাই যেন বিপদৰ কিবা সম্ভেদ পালে, চাকা ধুতি এখন পিন্ধাই দিয়াৰ কথা, দাড়িখিনি খুৰাই দিয়াৰ কথা আৰু দাঁতখিনি ব্ৰাচ কৰি দিয়াৰ কথা বাৰে বাৰে ক'লে। সদায় পৰিপাটি মানুহজন শয্যাগত অৱস্থাতনো কিয় অপৰিষ্কাৰ হৈ থাকিব? দেউতাৰ প্ৰশ্ন "মোক বৰ লৰা-লৰিকৈ এইটো কমলৈ কিয় আনিলে?" কিছু আৰাম পাবৰ বাবে অনা হৈছে বুলি মই উত্তৰ দিলো। পিয়াহ বেছিকৈ লগা বাবে বাৰে বাৰে দেউতাই আমৰ ৰস, ইলেক্ট্ৰেল পানী আদি খুজি খালে। উশাহত কষ্ট পোৱা যেন দেখি বাৰে বাৰে প্ৰশ্ন কৰোতেও কষ্ট নাই পোৱা বুলিয়েই উত্তৰ দিলে। মই উদ্বিগ্ন হৈ পৰিছিলো। ক'তা চতুৰ্থ দিনত ভৰি দিলে কেতিয়া খেকাৰৰ ৰিপৰ্ট আহিব, কেতিয়া প্ৰকৃত ঔষধ আৰম্ভ কৰিব। ইতিমধ্যে অন্যান্য উচ্চ পৰ্য্যায়ৰ পৰীক্ষা নিৰীক্ষাও কৰা হৈছে, আগৰ কেইদিনত দেউতাই মোক বাৰে বাৰে প্ৰশ্ন কৰিছে—"মোক Antibiotic কেতিয়া দিব?" কিন্তু মই যে সেই সময়ত হাত-ভৰি বন্ধাৰ দৰে হৈ আছো— নিজে ডাক্তৰ যদিও তোমাক আনৰ ওচৰত চিকিৎসাৰ বাবে চমজাই দি মইতো হাত দিব নোৱাৰো। ফোনেৰে প্ৰধান ডাক্তৰজনক অনুনয় বিনয় কৰিলো আৰু ফলস্বৰূপেই নেকি ৰিপৰ্ট নহাকৈয়ে যেনিবা এন্টিবায়টিক আৰম্ভ কৰিলে। কিন্তু তেতিয়া দেউতাৰ অৱস্থা ক্ৰমে বেয়া

হৈয়ে গৈছিল। মই কাক ক'ম, কি কৰিম? সহজ সৰল আজলী মা জনীয়ে একো বুজা নাই যেন লাগিল। মই বাধাহীন চকুৰ পানী দেউতাৰ দৃষ্টিত পৰা আঁতৰাবলৈ বাহিৰ ওলাই আহিলো। উঃ দেউতাক ক'লৈ আনিলো! মোৰ বাইদেউ, ভন্টি, খুৰা বৰদেউতাহঁতৰ পৰা যে আমি কিমান আঁতৰত! কেনেকৈ তেওঁলোকক ইয়ালৈ মাতি আনো। মুখেদি শ্বাস নলীলৈ অক্সিজেনৰ পাইপ ভৰাই দিয়াৰ পিছত দেউতাই কথা ক'ব নোৱাৰা অৱস্থাত যেতিয়া সুধিছিলো "দেউতা কষ্ট পাইছা নেকি?" মূৰ জোকাৰি একে উত্তৰ "নাই পোৱা"। এনে পিতৃ ক'ত আছে যি সন্তানৰ মনত দুখ নিদিবলৈকে মৃত্যুৰ শয্যাত চট্‌ফটাই থকা অৱস্থাতো কষ্ট পোৱাটো অস্বীকাৰ কৰে? বেমাৰীৰ ওচৰত ৰাতি এজনকহে থাকি বলৈ দিয়ে, সেইবাবে ৯-৩০ মান বজাত মাইঁতক পঠাই দিলো হোটেললৈ আৰু মই থাকিলো দেউতাৰ ওচৰত অকলে। কত সেৱা কৰিলো, কত চুমা খালো ভৰিত, কপালত, ভগৱানক মাতিলো দেউতাক ভাল কৰি দিয়া। কিন্তু এইয়া কি দেউতাই দেখোন আৰু কষ্ট পোৱা যেন ভাব হৈছে। ওঠ, নখ পুনৰ নীলা হৈ পৰিছে—তাৰমানে তেজত অক্সিজেনৰ পৰিমাণ আকৌ কমি গৈছে। মই Emergency ডাক্তৰক মাতি হুৱাদুৱা লগালো। তেজৰ অক্সিজেনৰ পৰিমাণ উলিয়াবলৈ বাৰে বাৰে আঙুলী খুচি খুচি তেজ লৈয়ে আছে। উপায় নাই, দেউতাৰ ভালৰ বাবেহে কৰিছে। মুখেদি ভৰোৱা পাইপডালৰ লগত 'Artificial respirator' টো সংযোগ কৰি দেউতাৰ উশাহ-নিশাহ বাহিৰৰ পৰা দিয়াৰ ব্যৱস্থা কৰিবলৈ ডাক্তৰসকলে যো-জা চলালে। মই ৰুমৰ বাহিৰত ৰ'লো। বাকীবোৰ ৰুমতো Artificial respirator-ৰ সহায়ত উশাহ লৈ থকা দুই তিনিজন মান বেমাৰী দেখিলো। তেতিয়া ৰাতি ১০ বাজিছে; ভাবিলো পুৱালৈ দেউতা ভাল হৈ যাব।······ হঠাৎ কোনোবা এজন ডাক্তৰে আহি মোক সেই দুঃসংবাদ দিলেহি—"He had a cardiac arrest, but revive"······মোৰ ভৰিৰ তলৰ মাটিখিনি যেন নাইকিয়া হৈ গ'ল, গোটেই শূন্য শূন্য লাগিল। দৌৰ মাৰিলো দেউতাৰ ওচৰলৈ উশাহ লৈ আছে কিন্তু মোৰ কথাৰ উত্তৰ দিব নোৱাৰা হ'ল, বৰ কষ্ট

পাইছে চাগৈ। cardiac arrest হোৱাৰ পিছতো কোন মানুহ ভাল হৈ যায়। দেউতা বাৰু ভাল হ'বনে নাই? মই যেন সকলো পাহৰি গৈছো। তুই একে বুজনি দিলে। নাই অধৈৰ্য্য হলেইতো নহ'ব, দেউতাৰ Serious, মাইতক খবৰ দিব লাগে····হোটেললৈ ফোন কৰিলো। ডাক্তৰ, নাৰ্চ সকলোকে অনুৰোধ কৰিলো যাতে হাৰ্টৰ বেমাৰ থকা মোৰ মাক লক্ষ্য ৰাখে···যদি মাৰ অসুখ বেচি হৈ যায়! পুনৰ দৌৰিলো দেউতাৰ কমলৈ উশাহ লৈ আছে, শান্ত ভাবে। Cardiac monitor য়ে Heart-ৰ ক্ৰিয়া স্পষ্টকৈ দেখুৱাই আছে। কেইবাজনো ডাক্তৰে ব্লাড প্ৰেচাৰ চাইছে Record কৰিব পৰা নাই। মই চাওঁচোন পাওঁ নেকি! ক'তা মইচোন Record কৰিব পাৰিছো যেন লাগিছে···· কাৰণ মই দেউতাক বচাই ৰাখিমেই ·····················। কিন্তু ওকি Cardiac monitor-য়ে দেখোন বেলেগ ৰূপ ল'লে, তাৰমানে দেউতা শেষ হৈ গ'ল····। তেতিয়া সময় ৰাতি ১০-৩০ বজা। ওচৰত থকা আন Serious ৰোগীসকলৰ দিগদাৰ হ'ব বুলি আমাক বাহিৰলৈ উলিয়াই দিলে, দেউতা অকলে পৰি ৰ'ল. কেৱল প্ৰতিধ্বনিত হৈ থাকিল দেউতাৰ মৃত্যুৰ সংবাদ, যি সংবাদ প্ৰধান ডাক্তৰক বচৰাৰ উদ্দেশ্যে তাত থকা intercomৰ সহায়েৰে বহুবাৰ ঘোষণা কৰি থকা হৈছিল; ডাক্তৰে আহি মোক 'sorry' বুলি আক্ষেপ কৰিলেহি। ঠিক মই আনক কৰাৰ দৰেই···। নিয়তিক কোনে খণ্ডাব। দেউতা গুছি গ'ল, দেউতাৰ আমাৰ সকলোৰে আশাবোৰ আধাখনীয়া হৈ ৰ'ল।

সেই শোকাকুল অৱস্থাৰেই মাৰ চিকিৎসা সম্পূৰ্ণ কৰিহে আমি উভটিলো। চতিয়াৰ ৰাইজৰ দেউতাৰ প্ৰতি থকা মৰম, দেউতাৰো চতিয়াৰ প্ৰতি থকা আগ্ৰহ আৰু ঘৰৰ আন সকলৰ বাবেই দেউতাক লৈ আনিলো; কিন্তু যাওঁতে ওচৰত বহি যোৱাৰ দৰে বহি নাহিল আহিল কফিনত সোমাই·····। এয়াৰপৰ্টৰ কৰ্মচাৰী সকলক দেউতাক ভালকৈ অনাৰ বাবে বাৰে বাৰে সকিয়াইছিলো— মোৰ পিঠিত খপ-িয়াই শান্তনা দিছিল— "আমি মৃতদেহক যথেষ্ট সন্মান কৰোঁ, চিন্তাৰ

কাৰণ নাই।* দুদিনৰ মূৰত ২ মে'ত পুৱা জন্মভূমি অসমত (গুৱাহাটী) ভৰি দিওঁতে বতৰে কিনকিনাই আমাৰ লগতে চকুলো টুকিছিল। ৰাতি ১২ বজাত চতিয়া পালোহি। পালোহি অগণন ৰাইজে শোকাকুল অন্তৰে দেউতাৰ বাবে আগ্ৰহৰে বৈ থকা—কাৰণ এই দুঃসংবাদটো ইতিমধ্যে অসম পাইছিলহি, আমি উপস্থিত হোৱাৰ বহু আগেয়ে। পিছদিনা চতিয়াৰ ৰাইজে সন্মান সহকাৰে দেউতাক লৈ শোভাযাত্ৰা কৰিব, নিব অতিকৈ মৰমৰ স্কুলখনলৈ, যিখন স্কুললৈ বন্ধৰ দিনটো দেউতাই এখন্তেক হলেও নোযোৱাকৈ নোৱাৰিছিল। সেয়ে ৰাতিটো দেউতাক আলফুলে ড্ৰয়িংৰুমত থলো। পিছদিনা চতিয়াৰ ৰাইজে যে তোমাক কিমান সন্মান দিলে। দেউতাৰ আত্মা অমৰ বাবেইতো সেইদিনা গোটেই চতিয়াৰ গাঁৱে-ভূঞে শোভাযাত্ৰা কৰি শ্ৰদ্ধাঞ্জলি জনাই যেতিয়া তোমাৰ ঠেঁপাহৰ স্কুলখনত সুমুৱাইছিল তেতিয়া সকলোৱে তবধ মানিছিল, কাৰণ তেতিয়া পুৱা ৯-৪৫ বাজিছিল। ঠিক তুমি সদাই স্কুলত উপস্থিত হোৱাৰ সময়। দেউতা, আমাৰ ল'ৰা নথকা বাবে তুমি দুখ কৰিছিলা, কৈছিলা তোমাৰ মুখাগ্নি কোনে কৰিব, উদাহৰণ দিছিলা কোনোবা এগৰাকী ছোৱালীৰ কথা যি দেউতাকৰ মুখাগ্নি কৰিছিল। সেয়ে তোমাৰ আত্মাই ল'ৰা নোহোৱা দুখটো নাপাবলৈ মই শাস্ত্ৰজ্ঞৰ অনুমতি সাপেক্ষে তোমাৰ শেষ কৃত্য সমাপন কৰিলো। তুমি গুছি গ'লা যদিও আমি, তুমি নাই বুলি মানি লব পৰা নাই। সেয়ে সপোনে, দিঠকে, ঘৰে দুৱাৰে, আলিয়ে পদূলিয়ে তোমাকেই দেখি থাকো। সেই ধীৰ, স্থিৰ, গহীন গম্ভীৰ বগা সাজযোৰৰ সৈতে! দেউতা, আজি আমাৰ মূৰত হাত ফুৰাই মৰম কৰিবলৈ তুমি নাই, আমাক উপদেশ কোনে দিব, শাসন কোনে কৰিব, কাৰ সাহসত আমি জীয়াই থাকিম। আজি চতিয়াৰ ৰাইজৰ মুখত একেটাই কথা "তোমাৰ পথ প্ৰদৰ্শক, সজ উপদেশ দিওঁতা আন এজন যেন নাই।" দেউতা, তোমাৰ ওচৰত আশীৰ্ব্বাদ বিচাৰিব নালাগেই কাৰণ তুমি যে আমাক আশীৰ্ব্বাদ দিয়েই আছা, কেৱল ভাঙি পৰা অন্তৰত এয়েই শক্তি দিয়া যেন আমিও তোমাৰ আদৰ্শৰে আগবাঢ়িব পাৰোঁ। ০০০

দেউতা আৰু মই

—অদিতি বৰকটকী

সৰুৰে পৰাই দেউতাই আমাক এনেদৰে আহৰি ধৰি আছিল যে দেউতাৰ অবিহনে জীয়াই থকাটো অসম্ভৱ বুলি মই প্ৰায়ে ভাবিছিলো ; কিন্তু বাস্তৱক অস্বীকাৰ কৰি লাভ নাই, দেউতাৰ অবিহনেও আমি কৰ্ত্তব্য কৰি থাকিব লগা হৈছে।

দেউতাক মই সৰুৰে পৰা এজন শিক্ষক হিচাবে জ্ঞান কৰিছিলো। পঢ়া-শুনাৰ প্ৰতি দেউতাৰ অত্যন্ত আগ্ৰহ আছিল আৰু আমাক তেনে হোৱাতো বিচাৰিছিল। নিয়মীয়াকৈ পঢ়া-শুনা কৰাত দেউতাই বৰ জোৰ দিছিল।

সৰুতে ঘৰলৈ আলহী আহিলে কেতিয়াবা পঢ়িবলৈ মন নগ'লেও দেউতাৰ ভয়ত নিয়মীয়াকৈ পঢ়া টেবুলত বহিব লগা হৈছিল। পৰীক্ষাৰ সময়ত বৰ বেছিকৈ পঢ়িবলৈ দেউতাই কেতিয়াও নিদিছিল। কেতিয়াবা এনেকুৱা হৈছিল যে কাষৰ কমৰ পৰা দেউতাই লাইট মুমাবলৈ কৈ আছে। ইকালে পিচদিনা পৰীক্ষা, বহুত পঢ়িবলৈ আছে। গতিকে টেবুল লাইটটো ডাঠ কাপোৰ এখনেৰে ঢাকি দি ইটো কমলৈ পোহৰ যাব নোৱাৰা কৰি আৰু অলপ সময় পঢ়াৰ চেষ্টা চলাইছিলো। এনেকুৱা সৰু সৰু কিছুমান ঘটনা মনত পৰিলে এতিয়া দুখৰ মাজতো হাঁহি উঠে। আৰু এটা ঘটনা মনত পৰিছে—দেউতা কাষৰ কমত আছে। মোৰ পঢ়াৰ মাজে মাজে পাকঘৰলৈ উঠি যোৱাৰ দস্তুৰ আছিল। সেইদিনা কি হৈছিল ক'ব নোৱাৰো, মই কেইবাবাৰো পঢ়া-টেবুলৰ পৰা উঠি গৈছিলো, আৰু মই যি কেইবাৰ উঠি গৈছিলো, ঠিক সেই খিনি সময়তে দেউতাই মোক "অদি কি কৰিছা বুলি সুধিছিল"। মই সেইখিনি সময়তে নথকাত সেইদিনা দেউতাৰ বৰ খং উঠিছিল।

দেউতাই কষ্টৰ মাজেৰে সকৰে পৰা পঢ়া-শুনা কৰিব লগা হৈছিল। মেডিকেলত চিট্ পোৱাৰ পিচতো আৰ্থিক অৱস্থাৰ কাৰণেই কলিকতালৈ পঢ়িবলৈ যাব নোৱাৰিলে। দেউতাই সেয়ে আমি যাতে পঢ়া-শুনা কৰোতে কোনো ধৰণৰ অভাৱ অনুভৱ নকৰো তাৰ ওপৰত চকু দিছিল। মোক দেউতাই কৈছিল—"যিমান পঢ়িবলৈ মন যায় পঢ়িবা, টকাৰ কাৰণে চিন্তা নকৰিবা।"

স্কুলৰ পৰীক্ষা আদিত ভাল নম্বৰ নাপালে দেউতাই বৰ বেয়া পাইছিল আৰু কিহৰ কাৰণে নম্বৰ কমিলে সুধি সুধি উলিয়াইছিল। যিকোনো পাঠ পঢ়াৰ পিচত লিখি লিখি অভ্যাস কৰিবলৈ দিছিল। স্কুলত থাকোতে গৰমৰ বন্ধবোৰত অঙ্কৰ প্ৰায় গোটেইখন কিতাপ দেউতাৰ ওচৰত শিকো। মই পিছে দেউতাৰ ওচৰত শিকিবলৈ মন নকৰিছিলো। মোৰ কি জানো ভয় ভাৱ আৰু অস্বস্তিৰ কাৰণে দেউতাৰ ওচৰত পঢ়িবলৈ যাবলৈ টান পাইছিলো। এই কাৰণে দেউতাই মোক বহুত বুজাইছিল আৰু খং কৰিছিল। আনকি ঘৰলৈ অহা মানুহকো কেতিয়াবা কৈছিল যে মোৰ দস্তুৰ বেয়া হ'ল। তেনেদৰে ক'লেও দেউতাই যে অন্তৰৰ পৰা বেয়া পাইছিল, তেনে নহয়।

ঘৰত থাকোতে দেউতাই নিজে খোৱাৰ আগতে আমি খালো নে নাই তাৰ বৰ খবৰ লৈছিল। কেতিয়াবা ঠেঁহ পাতি নোখোৱা হলে দেউতায়ো নাখাইছিল। হোষ্টেলত থাকোতে দেউতাই দিয়া প্ৰায়বোৰ চিঠিতে অন্য উপদেশতকৈ স্বাস্থ্যৰ প্ৰতি চকু দিবলৈ বেচিকৈ কৈছিল আৰু খোৱা বস্তুৰ লিষ্ট বনাই দিছিল। মোৰ সৰুৰে পৰা সঘনাই হৈ থকা কাঁহ পানীলগা ইত্যাদিৰ বাবে দেউতাই যে কিমান চিকিৎসা নকৰালে!

দৈনন্দিন কাৰ্যৰ বিৱৰণৰে আৰু খৰচৰ হিচাবেৰে 'ডায়েৰী' লিখিবলৈ সৰুৰে পৰা দেউতাই শিকাইছিল। কেতিয়াবা দেউতাই

নিজৰ আগৰ স্কুলীয়া জীৱনৰ ডায়েৰীৰ কিছুমান বিশেষ পাত পঢ়ি শুনা-ছিল। তাৰ এটি পাত ইয়াত তুলি দিলো। ....

23-10-39. Discussed about mass literacy campaign with Lakhmi Baruah; a local board member and Tulshi Hatibaruah, the president of the primary Congress Committee.
The afternoon was spent by organising a meeting for holding a local committee for removal of illiteracy. This was done upto 10 p.m. We, (I and three students of Jagannath Bujar baruah College) were inviting gentleman from all parts of Sootea for the meeting

স্বাৱলম্বী হ'বলৈ সৰুৰে পৰা দেউতাৰ পৰা শিকিছিলো। নিজে বজাৰ কৰা, সৰু সুৰা কাপোৰ কানি নিজে ধোৱা, ফুলনি,

শাকনি আদি নিজে ভালদৰে ৰখা আদি কামবোৰ কৰিবলৈ শিকছিলো, সকবে পৰাই। দেউতাই আগতে কৈছিল "মোৰ নকৰা কাম নাই" কথাতো হয়; ভাত ৰন্ধাৰ পৰা আৰম্ভ কৰি তাঁতশালৰ ফুল বচালৈকে কাম কৰিব পাৰিছিল। শ্ৰমৰ মৰ্য্যদা কথাষাৰ দেউতাৰ ক্ষেত্ৰত বৰ প্ৰযোজ্য আছিল। দেউতাই কৃষি খেতি বৰ ভালকৈ কৰিছিল। ঠাণ্ডা দিনত হোৱা প্ৰায়বোৰ শাক-পাচলি আমাৰ বাৰীত দেউতাৰ যত্নত হৈছিল। খুউব ৰাতিপুৱাতে উঠি বাৰীত কাম কৰি থকা ব্যস্ত দেউতাক দেখাতো আমাৰ কাৰণে দৈনন্দিন ঘটনা আছিল। চাকৰীৰ পৰা অৱসৰ পোৱাৰ পিচতো দেউতা আগৰ দৰেই অনবৰত ব্যস্ত মানুহজন হৈ আছিল। ৰাজহুৱা কাম কাজত বৰ বেচি লাগি থাকিলে আমি কেতিয়াবা দেউতাক বাধা দিওঁ, জিৰণী লবলৈ কওঁ, তেতিয়া দেউতাই কয় "এইবিলাক কামকে নকৰিলে মই কি কৰিম, ঘৰত বহি থকাৰ যি কষ্ট তইঁতে কি বুজিবি।" মাত্ৰাজলৈ যোৱাৰ আগদিনালৈকে দেউতাই মিটিঙত বক্তৃতা দিছিল।

দেউতা বৰ অন্তৰ খোলা মানুহ আছিল। কাৰোবাক বেয়া পালে, মুখৰ আগতে কৈ দিছিল আৰু দোষ-গুণবোৰ আঙুলীয়াই দিছিল। কিছুমান সৰু সৰু কথাতে দেউতাই কেতিয়াবা প্ৰাণ খুলি হাঁহিছিল আৰু আনকো হহুৱাইছিল। দেউতা অনবৰত সামাজিক, ৰাজহুৱা কামত জড়িত হৈ আছিল। আমি ৰবকৈ প্ৰতিবেশীৰ ঘৰলৈ নগ'লেও দেউতাই কৈছিল "মানুহ সামাজিক হ'ব লাগে, ওচৰ চুবুৰীয়াৰ সুখ-দুখৰ খবৰ লব লাগে।"

সদায় সুস্বাস্থ্যৰ দেউতা পিচলৈ দুৰ্ব্বল হৈ পৰিছিল। কিন্তু সেই দুৰ্বলতাক তেখেতে স্বীকাৰ কৰিব খোজা নাছিল। মোৰ কাণত এতিয়াও স্পষ্টকৈ বাজি আছে, দেউতাই মাক কোৱা এইষাৰ কথা "হেৰা আজি কালি চোন মোৰ অলপ কাম কৰিলেই ভাগৰ লাগে, কথাটো কি ? "সেই কাৰণটো যেতিয়া ধৰা পৰিল, তেতিয়া চিকিৎসাৰ বাবে বহুত পলম হৈ গ'ল। আমাৰ মাজত স্মৃতি এৰি থৈ দেউতা নোহোৱা হৈ গ'ল। সেই স্মৃতিয়ে আমাক আগবাঢ়ি যোৱাত প্ৰেৰণা দিব। ০০০

॥ বৰকটকী চাৰক মই যেনেদাৰে জানো ॥

—সুশীল কুৰ্মী

১৯৫৭-৫৮ চনৰ কথা। আমি তেতিয়া সৰু সৰু। গাঁৱৰ এল, পি, স্কুলত পঢ়ি আছোঁ। এদিন ৰাতিপুৱাই আমি পঢ়ি থকা সেই সাপেখাটী নিম্ন বুনিয়াদী বিদ্যালয় খনিলৈ এজন হৃষ্ট-পুষ্ট বগা মানুহ সোমাই আহিল। মানুহজনৰ পিন্ধনত ধকধকিয়া বগা খদ্দৰৰ ধুতি আৰু আঠুৰ মূৰলৈকে পৰা পাঞ্জাবী চোলা। চাইকেলৰ পৰা নামিয়েই চাইকেলখন বেৰত আওঁজাই থৈ স্কুলৰ বাৰণ্ডাত উঠাৰ আগে আগে স্কুলৰ শিক্ষক দুজনে তেখেতক নমস্কাৰ জনাই আগবঢ়াই আনে। আমি লৰা-ছোৱালী মথাই চিনি নেপাই ভেবা লাগি তেখেতৰ মুখলৈ চাই আছিলো। মানুহজনে শিক্ষক দুজনৰ লগত স্কুলৰ ভিতৰ বাহিৰ সকলো চাই সব ঠিক মতে আছেনে নাই, পঢ়া-শুনা ঠিকমতে চলিছেনে নাই আদি কথাবোৰ সোধাৰ পাচত স্কুলৰ চকী এখন চুৰি হোৱাৰ কথা জানি শিক্ষক দুজনক ধমক দিয়াৰ সুৰত কলে—"আপোনালোকে নি খৰি খোৱা নাইতো? এইযে স্কুলৰ ইমান ডাঙৰ বাৰীখন পৰি আছে একো খেতি কৰা নাই কিয়?" ইত্যাদি ইত্যাদি। মানুহজন গুছি যোৱাৰ পাচত আমি গম পালো যে এইজনেই আছিল স্কুলৰ চুপাৰভাইজাৰ, স্কুল চাবলৈ তেওঁ আহিছিল। তেৱেঁই চতিয়া হাইস্কুলৰ হেডমাষ্টৰ মহেন্দ্ৰনাথ বৰকটকী। সেইবাৰেই প্ৰথম মই বৰকটকী চাৰক দেখিছিলো। এজন গুৰু গম্ভীৰ ব্যক্তি দেখিলেই ভয় আৰু ভক্তি দুয়োটা একেলগে তেখেতৰ প্ৰতি কৰ নোৱাৰাকৈ অজানিত ভাবে উপজি আহে। এনে ব্যক্তিত্বৰ অধিকাৰী লোক পৃথিবীত বোধহয় খুউব কমেই থাকে। কাৰণ সিদিনা স্কুলখনলৈ যাওঁতে আমাক একো নকলেও আৰু আমি তেখেতক চিনি নেপালেও তেখেতৰ প্ৰতি আমাৰ মনত আপোনা-আপুনি ভয় আৰু ভক্তি দুয়োটাই উদ্ভাবিত হৈছিল। সেই কথা মোৰ আজিও মনত আছে।

এল. পি. ৰ বৃত্তি দিয়াত ওচৰত ভেলোগুৰী এম. ভি আৰু দলংগুৰী এম. ই. স্কুল থকা স্বত্ত্বেও মোক গাঁৱৰ পৰা চাৰি মাইল দূৰত থকা বৰকটকী চাৰৰ চতিয়া হাইস্কুললৈ নি নাম লগাই দিয়াৰ দিনাখনেই নাম লগাওঁতে চাবে দেখি সুধিলে— "তই ক'ৰ পৰা আহিছ অ'? সাপেখাটীৰ পৰা অহা বুলি জানি পোনে পোনে প্ৰশ্ন কৰিলে, "তই অমুকৰ ল'ৰা নহয় জানো? তই অমুকৰ ভায়েক নহয় জানো?" ইত্যাদি। সকলো ঠিকে ঠিকে কলে। ক'ত হেড্ মাষ্টৰ আৰু ক'ত সাপেখাটীৰ ল'ৰা! সম্পৰ্ক নাথাকিলেও চাবে যে এক সঠিক সম্যক ধাৰণা কৰিব পাৰিছিল ইয়ে তাৰ প্ৰমাণ। সঠিক সম্যক ধাৰণা কৰিব পৰাটো ব্যক্তিত্বৰ অন্য এক প্ৰকাশ— অন্য এক প্ৰতিভা। এনে প্ৰতিভা আছিল ৺বেণুধৰ শৰ্মাৰ। তেখেতকো নাম আৰু গাওঁটো কোৱাৰ পাছত আৰু একো কব নালাগে। কোৱাৰ আৱশ্যক নহয়। বৰকটকী চাৰৰ গাতো সেই একে গুণ দেখা পাইছিলো। আনকি পিছলৈকো তেখেতৰ স্কুলৰ পৰা ওলাই কোনে ক'ত কি পঢ়িছে বা কি কৰি আছে সকলোবোৰ খবৰ তেখেতে ৰাখিছিল। সকলোবোৰ কথা তেখেতৰ মন দাপোনত যেন প্ৰতিবিম্বিত হৈ আছিল।

এদিনৰ কথা। তেখেতৰ স্কুলত পঢ়া দুমাহ নে তিনি মাহ হৈছে মাথোন। আবেলি গাঁৱত কেইজনমান ল'ৰাৰ লগত চাইকেল চলাই আছোঁ। সক বাবে ওপৰত চিটত বহি চলাব নোৱাৰো। পেডেল ঢুকি নেপাওঁ। গতিকে চিটখনকে বাহুত সাৱটি বাহুলীৰ দৰে ওলমি চলাই আছো। এনেতে হেড্মাষ্টৰ আহিছে—হেড্মাষ্টৰ আহিছে' বুলি চিঞৰি লগৰবোৰ পলাল। মোৰ পলাবৰ মন থাকিলেও পলাব নোৱাৰি চাইকেলখন ধৰি ৰাস্তাৰ ওপৰতে থিয় দি থাকিলো। কি কৰো কি নাই ভয়ো লাগিছিল। চাৰ আহি আছিল আমাৰ গাঁৱৰে নিলগত থকা খেতি পথাৰৰ পৰা কাম চাই। মনতে ভাবিলো চাবে মোক ক'ত চিনি পাব। সিদিনাখন নাম লগাইছোহে। তাতে

ইমান ল'ৰা। গতিকে বৈ আছো গপচত। ি.হে ভৰা কথা নহ'ল। চাৰ আহি মোৰ ৎচৰতে চাইকেলৰ পৰা নামিলে আৰু সুধিলে—"তই আমাৰ স্কুলতে পঢ় নহয় ? পঢ়, ভালদৰে পঢ়িবি। বেছি ঘুৰি নুফুৰিবি। ক্লাচত প্ৰথম হৈ পাচ কৰিব লাগিব।' ইত্যাদি। দেখিলো তেখেতে ইমান ল'ৰাৰ মাজতো, ব্যস্ততাৰ ভিতৰত থাকিও ল'ৰাবোৰৰ চিন ৰাখে। লৰাবোৰক চিনি পায় ভালদৰেই আৰু নিজৰ ঘৰুৱা কামত থাকিও যেন চিন্তা কৰে স্কুলৰ কথা, স্কুলৰ লৰাৰ কথা আৰু লৰাৰ পঢ়া-শুনাৰ কথা। এইখিনিতে এবাৰ কথা উল্লিয়াই থোৱা ভাল হব যে বৰকটকী চাৰক সকলোৱে "হেডমাষ্টৰ" বুলিহে চিন পায়। তেখেতৰ নামেই যেন হেড্‌মাষ্টৰ। ওপৰত হেড্‌মাষ্টৰ আছিহে বুলি চিঞৰি পলোৱা লৰা কেইজন স্কুলত পঢ়া নহলেও বৰকটকী চাৰক তেওঁলোকেও হেড্‌মাষ্টৰ নামেৰেহে চিনি পায় বা জানে। অ.চৰিত কথা যে চতিয়াত বহুত স্কুল আছে, বহুত হেড মাষ্টৰ আছে, কিন্তু হেডমাষ্টৰ বুলি কলে চতিয়াৰ মানুহে চতিয়াৰ এজন মানুহকেই বুজে, সেইজনেই হ'ল স্বৰ্গীয় মহেন্দ্ৰ নাথ বৰকটকী দেৱ। মহেন্দ্ৰনাথ বৰকটকীতকৈ হেডমাষ্টৰ হিচাপেহে মানুহে তেওঁক বেছি চিন পায়। এই ক্ষেত্ৰত হেডমাষ্টৰ নামটোৱে তেওঁৰ পৰিচয়ৰ প্ৰথম স্থান অধিকাৰ কৰি আছে।

বৰকটকী চাৰ প্ৰকৃততে আছিল এজন বিচক্ষণ প্ৰতিভা সম্পন্ন শিক্ষাবিদ। স্কুলখনেই আছিল তেওঁৰ পবিত্ৰ মন্দিৰ আৰু ছাত্ৰ গঢ় দিয়াই আছিল মূল লক্ষ্য। এইজন গুণী জ্ঞানীৰ জন্ম হৈছিল চতিয়াৰ বগলিবাৰীত ১৯১৮ চনৰ ৯ মাৰ্চৰ কোনো এক শুভ মুহূৰ্তত। মেধাৱী স্বাস্থ্যবান আৰু সজ চৰিত্ৰৰ অধিকাৰী বৰকটকীদেৱে ১৯৩৭ চনত তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত গণিত অতিৰিক্ত গণিত, সংস্কৃত আৰু অতিৰিক্ত সংস্কৃতত লেটাৰ লৈ পাচ কৰে। ১৯৩৯ চনত প্ৰথম বিভাগত আই, এচ, চি, আৰু ১৯৪১

চনত সুখ্যাতিৰে বি, এচ, চি, কটন কলেজৰ পৰা উত্তীর্ণ হৈ চৰকাৰী চাকৰী নেংচি স্কুলৰ চাকৰীত সোমাই শিক্ষাদানেই জীৱনৰ ব্রত হিচাপে সাৱটি লয়। স্কুলত তেওঁ কেতিয়াও দেৰিকৈ নাহে। সময়তকৈ সদায় আগত অহা বৰকটকী চাৰ সময়ৰ প্রতি খুব সচেতন আছিল। সকলো সময় মতে হোৱাত সদায় জোৰ দিছিল। স্কুলৰ সভা-সমিতি সদায় সময় মতে আৰম্ভ কৰিছিল। এবাৰ স্কুলৰ বছেৰেকীয়া বঁটা বিতৰণী সভাত নির্দ্দিষ্ট আমন্ত্রিত সভাপতি গৰাকী সময়মতে আহি নোপোৱাত সভাপতিলৈ অপেক্ষা নকৰি ঠিক সময়মতে আন এজনক অস্থায়ী সভাপতি পাতি সভাৰ কাম আৰম্ভ কৰি দহ মিনিট মানৰ পাছত আমন্ত্রিত সভাপতিজন সভাত উপস্থিত হৈ দেৰি হোৱাৰ বাবে ক্ষমা খুজি সভাপতিৰ আসন গ্রহণ কৰা কথাবোৰ সদায় মনত থাকিব।

প্রশাসনীয় দিশতো তেওঁ বৰ টান আছিল। গাফিলতী, ফাং-কুং একেবাৰে ভাল নেপাইছিল। সময় নিষ্ঠাৰ লগে লগে কর্ত্তব্য নিষ্ঠাৰ ওপৰত সদায় জোৰ দিছিল। তাৰ ভৱিষ্যতে শিক্ষক জীৱনৰ সফলতা কঢ়িয়াই আনে কৃতী শিক্ষকলৈ আগবঢ়োৱা ১৯৬২ চনৰ ৰাষ্ট্রপতি পুৰস্কাৰ প্রাপ্তিৰে। ভাৰত চৰকাৰৰ পৰা মুক্তি যুজাৰু হিচাপে তাম্রপত্র পোৱা বৰকটকী চাৰে লেতেৰা ৰাজনীতিৰ পৰা আঁতৰত থাকি এজন জীৱন জোৰা শিক্ষাব্রতী হিচাপে স্বকীয় স্বাক্ষৰ বহন কৰি গ'ল।

স্বৰ্গীয় বৰকটকী চাৰৰ সান্নিধ্যত কটোৱা বিগত দিনবোৰৰ তথ্য সমৃদ্ধ দিনপঞ্জীবোৰ হাতত নাই। কেৱল স্মৃতি চাৰণ কৰি লিখিছো। ভাৱৰ উকমুকনি ভাষাৰে প্রকাশিব পৰাকৈ চয়ন কৰাৰ যোগ্যতা মোৰ নাই। তথাপি প্রাতঃ স্মৰণীয় বৰেণ্য শিক্ষাগুৰু এজনাৰ প্রতি অভাজন ছাত্র এজনৰ ভক্তিৰ অঞ্জলী হিচাপে একলম লিখিলো। শ্রদ্ধেয় বৰ-কটকী চাৰৰ বিদেহী আত্মাই নেদেখা দেশৰ পৰা আমাক সাহসী শিক্ষিত সৎ হোৱাৰ পথ নির্দেশনা দি থাকক, বৰকটকী চাৰৰ ব্যক্তিত্ব, আদর্শ

আমাৰ উঠি অহা নতুন চাম যুৱক-যুৱতীৰ বাবে জীৱন গঢ়াৰ পাথেয় হওক,—বৰকটকী চাৰৰ অবাস্তৱায়িত হৈ ৰোৱা কল্পনাবোৰ বাস্তৱায়িত কৰাত তেখেতে শকতি দিয়ক। এনে এজন গুণী-জ্ঞানী শিক্ষাবিদ যি জনাই চতিয়াৰ বিদ্যায়তনিক পৰিৱেশ উন্নয়নত জীৱন পাত কৰিলে তেখেতৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ স্থায়ী ব্যৱস্থা চতিয়া বাসী ৰাইজে নিশ্চয় কৰিব। এই কামনাৰে সামৰিছো। ০০০

৺মহেন্দ্র নাথ ববকটকীদের

নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পৰা মহেন্দ্ৰ নাথ বৰকটকীদেৱে ভাৰত চৰকাৰৰ ১৯৬২ চনৰ শিক্ষকৰ ৰাষ্ট্ৰীয় পদক গ্ৰহণ কৰা দেখা গৈছে।

মহেন্দ্ৰ নাথ বৰকটকীদেৱে ভাৰত চৰকাৰৰ ১৯৬২ চনৰ শিক্ষকৰ ৰাষ্ট্ৰীয় পদক গ্ৰহণ কৰিবলৈ যাওঁতে উপৰাষ্ট্ৰপতি ডঃ জাকিৰ হুচেইনক তেখেতৰ নতুন দিল্লীৰ বাসভৱনত দেখা সাক্ষাৎ কৰিছে।



দিল্লীৰ জামিয়া-মিলিয়া ট্ৰেইনিং ইনষ্টিটিউটত প্ৰশিক্ষন লৈ থকা অৱস্থাত (১৯৪৯—৫০) ডঃ জাকিৰ হুচেইন আৰু সহপাঠী সকলৰ সৈতে বৰকটকীদেৱ (মাজৰ শাৰীৰ বাওঁফালৰ পৰা তৃতীয় জন)।

তাজমহলৰ সম্মুখত পৰিয়ালৰ সৈতে

(বাওঁফালৰ পৰা) ডাঙৰ জীয়ৰী মিনতি, ববকটকীদের, তৃতীয় জীয়ৰী ভাৰতী,

সহধৰ্মিনী কিৰণময়ী আৰু দ্বিতীয় জীয়ৰী প্ৰণতি।

মহাত্মা গান্ধীৰ মৃত্যুস্থলীৰ কাষত গান্ধীবাদী বৰকটকী আৰু তেওঁৰ
তৃতীয় কন্যা ভাৰতী।

পৰিয়ালৰ সৈতে (বাওঁফালৰ পৰা)

প্ৰথম শাৰী (মাটিত বহি)—নাতিনী মন্‌মি, কন্‌মি, তৃতীয় কন্যা ভাৰতী নাতিনী জুন্‌মি আৰু পমি।

দ্বিতীয় শাৰী (বহি)—বৰকটকীদেৱ, ককায়েক শ্ৰীৰামেন্দ্ৰ বৰকটকী, বৌয়েক শ্ৰীগোলাপী বৰকটকী আৰু সহধৰ্মিনী শ্ৰীকিৰণময়ী বৰকটকী।

তৃতীয় শাৰী (থিয়হৈ)—চতুৰ্থ কন্যা অদিতি, দ্বিতীয় কন্যা প্ৰণতি প্ৰথম কন্যা মিনতি, ভতিজাবোৱাৰী মামনী আৰু ঘৰত কাম কৰা নান্‌কী।

অন্তিম যাত্ৰাৰ সময়ত স্বৰ্গীয় বৰকটকীদেৱ তেখেতৰ কৰ্ম্মস্থলী
চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত।

দ্বিতীয় খণ্ড

(স্বৰচিত ৰচনা সম্ভাৰ)

আজীৱন শিক্ষাব্ৰতী মহেন্দ্ৰ নাথ বৰকটকীয়ে তথ্যমূলক প্ৰবন্ধ-পাতিও লেখিছিল। তেওঁৰ বিভিন্ন প্ৰবন্ধ-পাতি কাকতে-পত্ৰই প্ৰকাশো হৈছিল। কিন্তু তেওঁ শিক্ষকতা, শৈক্ষিক পৰিবেশ, সাংবাদিকতা, স্বাধীনতা আন্দোলন আদিৰ ওপৰত ৰচনা কৰা প্ৰবন্ধ কেইটিমানৰ মূল্যৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশ কৰা হ'ল। লগতে বিহু সম্পৰ্কীয় ৰচনাটিৰ সম্পাদিত ৰূপ এটি প্ৰকাশ কৰা হ'ল। তেওঁৰ সাহিত্য—প্ৰতিভাৰ চানেকী ৰূপে।

আত্মজীৱনী

শোণিতপুৰ জিলাৰ চতিয়া থানাৰ অন্তৰ্গত নাগশঙ্কৰ মৌজাৰ বগলীবাৰী গাঁৱত ১৯১৭ চনৰ ৯ মাৰ্চ তাৰিখে ফাগুৱাৰ পূৰ্ণিমা তিথিত মোৰ জন্ম হয়। পিতৃৰ নাম ৺পদ্মনাথ বৰকটকী আৰু মাতৃৰ নাম ৺চন্দ্ৰপ্ৰভা দেৱী। আমাৰ তিনিজন ভাই ককাই আৰু তিনি গৰাকী বাই ভনী। ডাঙৰজন দাদা শ্ৰীৰামেন্দ্ৰ নাথ বৰকটকী আৰু সৰুজন ভাই শ্ৰীবীৰেন বৰকটকী। আমি তিনিওজনে শিক্ষকতা কৰিছিলো। ১৯৩০ চনত চতিয়া চৰকাৰী মজলীয়া স্কুলৰ শেষ পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰি প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি তেজপুৰ চৰকাৰী হাইস্কুলত ৫ম মান শ্ৰেণীত ভৰ্ত্তি কৰো। ১৯৩৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গণিত, অতিৰিক্ত গণিত, সংস্কৃত আৰু অতিৰিক্ত সংস্কৃত বিষয়ত মুঠ চাৰিটা বিষয়ত লেটাৰ পাইছিলো। তেতিয়াৰ দিনত কলিকতা বিশ্ববিদ্যালয়ত উত্তীৰ্ণ হোৱা অসমীয়া ছাত্ৰৰ মাজত ৭ম স্থান অধিকাৰ কৰি প্ৰৱেশিকা পৰীক্ষাত প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছিলো। এই বৃত্তিৰ মূল্য সেই কালত মাহে ১৫ টকা মাত্ৰ আছিল। ঘৰৰ আৰ্থিক অৱস্থা স্বচ্ছল নোহোৱাত মই তেজপুৰ চৰকাৰী হাইস্কুলত নাম ভৰ্ত্তি কৰাৰ দিনৰ পৰা কটন কলেজত উচ্চ শিক্ষা সাং কৰাৰ দিনলৈকে বৃত্তিৰ টকাৰ ওপৰত নিৰ্ভৰ কৰি পঢ়িব লগীয়া হৈছিল। ছাত্ৰ জীৱনতে মই আত্মনিৰ্ভৰশীলতা, মিতব্যয়িতা আৰু শ্ৰমপ্ৰিয়তা গুণ অৰ্জ্জন কৰিছিলো। ১৯৩৯ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই, এছ, ছি, আৰু ১৯৪১ চনত বি, এছ, ছি, পৰীক্ষাত উত্তীৰ্ণ হওঁ।

১৯৪১ চনত মাত্ৰ ৪০ টকা দৰমহাত চতিয়া হাইস্কুলত বিজ্ঞান শিক্ষক হিচাবে নিযুক্তি পাওঁ। ১৯৪২ চনৰ ১৮ আগষ্ট তাৰিখে

এই শিক্ষকতা পদ ইস্তফা দি সেই সময়ত দেশত প্ৰবল ভাৱে গঢ়ি উঠা স্বাধীনতা আন্দোলনত জপিয়াই পৰো। ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে ছাত্ৰ-ছাত্ৰী, শিক্ষক, কংগ্ৰেছ কৰ্মী আৰু ৰাইজ লগলাগি চ'তিয়া থানা দখল কৰি তাৰ চৌহদত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰে। এই কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰাৰ ফলস্বৰূপে অন্যান্য ৫ জন শিক্ষকৰ সৈতে মোকো ১৯৪২ চনৰ ২৩ আগষ্ট তাৰিখে গ্ৰেপ্তাৰ কৰি তিনিমাহ হাজোতত ৰখাৰ পিছত ডেৰ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে। কাৰাগাৰৰ পৰা ওলাই আহি কলিয়াবৰ হাইস্কুলত আৰু তিনিমাহ তেজপুৰ একাডেমীত শিক্ষকতা কৰাৰ পিছত ১৯৪৪ চনৰ ১৫ আগষ্ট তাৰিখে চতিয়া হাইস্কুলত প্ৰধান শিক্ষক হিচাবে নিযুক্তি পাওঁ। চতিয়া হাইস্কুল ১৯৭৭ চনত উচ্চতৰ মাধ্যমিক স্তৰলৈ উন্নীত হোৱাত তাৰ অধ্যক্ষ হিচাবে কাৰ্য্য পৰিচালনা কৰি ১৯৭৯ চনৰ ৩০ জুনত অৱসৰ পাওঁ। মুঠতে ৩৫ বছৰ কাল উক্ত স্কুলৰ প্ৰধান হিচাবে আছিলো।

১৯৪৯ চনত অসম চৰকাৰৰ পৰা বৃত্তি লৈ দিল্লীৰ জামিয়া মিলিয়া ইচলামিয়া বিশ্ববিদ্যালয়ত ভূতপূৰ্ব্ব ভাৰতৰ ৰাষ্ট্ৰপতি ডা° জাকিৰ হুচেইন সেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য থকা অৱস্থাত এবছৰ অধ্যয়ন কৰি বুনিয়াদী শিক্ষা বিষয়ৰ স্নাতকোত্তৰ ডিপ্লোমা লাভ কৰিছিলো। শিক্ষক জীৱনত সুদীৰ্ঘ কাল কৰি অহা সেৱাৰ স্বীকৃতি হিচাবে ১৯৬২ চনৰ ২৫ অক্টোবৰ তাৰিখে সেই সময়ৰ ৰাষ্ট্ৰপতি স্বৰ্গীয় সৰ্ব্বপল্লী ৰাধাকৃষ্ণৰ হাতৰ পৰা ভাৰত চৰকাৰৰ শিক্ষকৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰো।

চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হৈ থকা সময়তে অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা মনোনীত হৈ ১৯৬৩ চনৰ পৰা ১৯৬৬ চনলৈ তিনি বছৰ কাল তেজপুৰ প্ৰাথমিক শিক্ষা পৰিষদৰ সভাপতি হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰিছিলো। বিভিন্ন সময়ত প্ৰায় চৈধ্য বছৰ কাল তেজপুৰ জিলা সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সম্মিলনীৰ সভাপতি দায়িত্ব বহন কৰি জিলাৰ শিক্ষক সকলৰ উন্নতিৰ হকে

যত্ন কৰিছিলো। ১৯৪৬ চনৰে পৰা চাৰি বছৰ বাদে প্ৰায় ৩০ বছৰ কাল মই সদৌ অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সন্থাৰ (আজি কালিৰ অসম মাধ্যমিক শিক্ষক আৰু কৰ্ম্মচাৰী সন্থা) ৰাজ্যিক কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ নিৰ্ব্বাচিত সদস্য আৰু ৩ বছৰ ক্ৰমান্বয়ে উক্ত সন্মিলনীৰ উপ-সভাপতি হিচাবে নিৰ্ব্বাচিত হৈ কাৰ্যাভাৰ পৰিচালনা কৰিছিলো। তদুপৰি বিভিন্ন সময়ত প্ৰায় ১২ বছৰ কাল তেজপুৰ মহকুমা প্ৰাথমিক শিক্ষা পৰিষদৰ সদস্য আৰু ৩ বছৰ ৎৰি চৰকাৰৰ ৰাজ্যিক বুনিয়াদী শিক্ষা পৰিষদৰ সদস্য হিচাবে মনোনীত হৈছিলো। ১৯৮০-৮৩ চনলৈ তিনি বছৰ কাল অসম মাধ্যমিক শিক্ষা পৰিষদৰ সদস্য আছিলো। ১৯৫৬ চনত চিলঙত বহা পুব ভাৰতীয় ৰাজ্য সমূহৰ মাধ্যমিক বিদ্যালয়ৰ বচা প্ৰধান শিক্ষক সকলৰ এখন এমাহ জোৰা কৰ্ম্মশালা বহিছিল। তাত তেতিয়াৰ দৰং জিলাৰ একমাত্ৰ পুৰুষ প্ৰধান শিক্ষক হিচাবে যোগদান কৰিবলৈ শিক্ষা বিভাগে মোক নিৰ্ব্বাচন কৰি দিছিল।

১৯৭৭ চনত যোৰহাট পলিটেক্নিক হাইস্কুলৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীকিৰণ বৰুৱা দেৱৰ অক্লান্ত চেষ্টাত গঠিত হোৱা অসম ৰাজ্যিক অধিবিদ্যা পৰিষদৰ প্ৰথম কাৰ্যকৰী সভাপতি হিচাবে নিৰ্ব্বাচিত হৈছিলো। ২য় অধিবেশনতো পুনৰ কাৰ্যাকৰী সভাপতি হিচাবে নিৰ্ব্বাচিত হৈ কাৰ্য্যনিৰ্ব্বাহ কৰিছিলো। শ্ৰীকিৰণ বৰুৱাদেৱৰ যত্নৰ শলাগ লৈছো।

১৯৬২ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে দৰং সংমণ্ডলৰ সহকাৰী বিদ্যালয়ৰ পৰিদৰ্শক নিযুক্তি দিবৰ কাৰণে মোৰ পৰা মতামত বিচাৰিছিল। মোৰ জীৱনৰ লক্ষ্য আছিল চতিয়া হাইস্কুলৰ সৰ্ব্বতো প্ৰকাৰে উন্নতি কৰা আৰু তাৰ লগতে চতিয়াৰ সমাজ খনৰ যৎ-পৰোনাস্তি উন্নতিৰ কাৰণে যত্ন কৰা, এনেবোৰ কামত বাধা পৰে বুলিয়েই মই উক্ত পদবী গ্ৰহণ নকৰিলো। দেশ স্বাধীন হোৱাৰ পিচতে কেইবাজনো নেতৃস্থানীয় লোকে মোক উচ্চ পদস্থ চৰকাৰী চাকৰি লবলৈ সুবিধা দিছিল, কিন্তু শিক্ষকতা জীৱন অতিবাহিত

কৰি চতিয়া হাইস্কুল খনক ভালকৈ গঢ় দিম বুলি সেইবোৰ চৰকাৰী চাকৰিৰ প্ৰতি ধাবিত নহলো।

শিক্ষক শিক্ষয়িত্ৰী, পৰিচালনা সমিতি, অভিভাৱক আৰু ৰাইজৰ সহযোগত স্কুলৰ আগৰ ভগা ঘৰ-দুৱাৰৰ ঠাইত নতুন সুন্দৰ আহল বহল ঘৰ-দুৱাৰ সজাবলৈ মই স্কুলৰ প্ৰধান শিক্ষক আৰু সম্পাদক হিচাবে সক্ষম হৈছিলো। চৰকাৰৰ আৰ্থিক মজুৰিৰ বাহিৰেও চতিয়াৰ ৰাইজে এই কামত যথেষ্ট দান বৰঙণি দি সহায় কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ কেম্পাচ্ ৱৰ্কচ্ প্ৰজেক্ট্ শিতানত ১৯৬০ চনত আমাৰ মাত্ৰ ৫ খন বিদ্যালয়ক প্ৰেক্ষাগৃহ আৰু ৰঙ্গমঞ্চ সাজিবলৈ প্ৰত্যেককে ৩৫ হাজাৰ টকাকৈ মঞ্জুৰী দিছিল। তেতিয়াৰ দৰং জিলাৰ ভিতৰত চতিয়া হাইস্কুলে মাত্ৰ এই মঞ্জুৰী লাভ কৰি জাকত জিলিকা ৰঙ্গমঞ্চ আৰু প্ৰায় এহেজাৰ দৰ্শক ধৰা সুন্দৰ আহল বহল প্ৰেক্ষাগৃহ পৰিচালনা সমিতি শিক্ষক শিক্ষয়ত্ৰী ছাত্ৰ-ছাত্ৰীৰ সহযোগত নিৰ্মাণ কৰাবলৈ সক্ষম হৈছিলো। চৰকাৰী অনুদানৰ বাহিৰেও প্ৰায় ২০ হাজাৰ টকা স্কুল পুঁজিৰ পৰা খৰচ হৈছিল। মুঠ ৫৫ হাজাৰ টকা তেতিয়া খৰছ কৰি সজা সেই ৰঙ্গমঞ্চ আৰু প্ৰেক্ষাগৃহৰ আজিৰ মূল্যত দহ লাখ টকাৰ কম নহব। ই চতিয়া হাইস্কুলৰে নহয়, চতিয়াৰ এটা আপুৰুগীয়া সম্পদ। ডাঙৰ ৰভা নিদিয়াকৈ চতিয়াৰ ডাঙৰ সভা সমিতি ইয়াতে পাতিবলৈ সুবিধা কৰা হৈছে। এই প্ৰেক্ষাগৃহ নিৰ্ম্মাণ কাৰ্য্যত শিক্ষকৰ পৰিচালনাত ছাত্ৰৰ শ্ৰমদান যথেষ্ট আছিল।

মোৰ বিদ্যালয়ৰ সহকৰ্ম্মী সকলৰ প্ৰতি মই সদায় সহানুভূতিশীল আৰু উদাৰ আছিলো। তেওঁলোকৰ গুণৰ শলাগ মই সদায় লৈছিলো। তেওঁলোকৰ আসোঁৱাহ সমূহ আঙুলিয়াই দি সততে শুধৰণিৰ পথ মুকলি কৰি দিছিলো। সময়ৰ সৎব্যৱহাৰ আৰু নিয়মানুবৰ্তিতা ৰক্ষা কৰা মোৰ জীৱনৰ লক্ষ্য আছিল। সুদীৰ্ঘ ৩৮ বছৰ শিক্ষকতা জীৱনত মই কোনো দিন পলমকৈ শিক্ষানুষ্ঠানত উপস্থিত হোৱা নাছিলো। সদায় ১৫ মিনিট আগতে বিদ্যালয়ত উপস্থিত হৈছিলো। শিক্ষানুষ্ঠানটোৰ সভা সমিতিবোৰ সদায় নিৰ্দিষ্ট সময়ত

আৰম্ভ কৰিছিলো। নিমন্ত্ৰিত সভাপতিজন নিৰ্দিষ্ট সময়ত আহি নাপালে অন্য এজনক সভাপতি পাতি সভা আৰম্ভ কৰা কথা মোৰ মনত আজিও আছে।

বিদ্যালয়ৰ শৃঙ্খলা আৰু নিয়মানুবৰ্তিতা ৰক্ষা কৰাত মই সদায় বৰ তৎপৰ আছিলো। ছাত্ৰ-ছাত্ৰীৰ কাৰণে মোৰ মনত অফুৰন্ত মৰম আছিল। মাজে সময়ে বিদ্যালয়ৰ মেধাবী ছাত্ৰ সকলৰ ঘৰলৈ গৈ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীক লগ হৈ পঢ়া-শুনা বিষয়ত যেনে ধৰণে উৎসাহ দি উপদেশ দিছিলো। সেইদৰে বিপথগামী ছাত্ৰক সজ পথলৈ আনিবৰ বাবেও তেনে ছাত্ৰৰ ঘৰলৈ গৈ তেনে অভিভাৱকক বুদ্ধি পৰামৰ্শ সততে দিছিলো। দুখীয়া মেধাবী ছাত্ৰক কিতাপ পত্ৰ নিজে সংগ্ৰহ কৰি দি মাচুল আদিৰ কাৰণে সহায় কৰিছিলো। বিদ্যালয়খন মোৰ এনে আপোন আছিল যে মই ৰবিবাৰে আৰু বন্ধৰ দিনতো এপাক গৈ ভাবপৰা আহিলেহে মনত সান্ত্বনা পাওঁ। স্বাস্থ্য মোৰ ভাল আছিল। বেমাৰ আজাৰ সততে নহৈছিল ঘৰুৱা কাম কাজত লাগি নৈমিত্তিক ছুটী আৰু উপাৰ্জিত ছুটী প্ৰায় লোৱা নাছিলো। স্কুলৰ ছুটীৰ পাচতো কেইবা ঘণ্টাও সময় হৈ বিদ্যালয় চৌহদৰ পৰিস্কাৰ পৰিচ্ছন্নতা ঘৰ দুৱাৰৰ মেৰামতি আদি কামবোৰ চাই ভাল পাইছিলো। মিতব্যয়িতাৰে বিদ্যালয়ৰ বিভিন্ন পুঁজি হাত হৈ চলোৱাৰ বাবে সাহায্যপ্ৰাপ্ত হাইস্কুল হিচাবে থকা কালতো সদায় ১লা তাৰিখত দা-দৰমহা দিব পৰা হৈছিল। মই প্ৰধান শিক্ষক হিচাবে থকা কালত এই বিদ্যালয় অতিক্ৰম কৰি যোৱা ভালেমান ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষকতা কৰাৰ উপৰিও মহাবিদ্যালয়, বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, অভিযন্তা মহাবিদ্যালয় আদিত অধ্যাপনা কৰি আছে, প্ৰশাসনীয় বিষয়া হিচাবে উপায়ুক্ত, উপ সচিব, সচিব, আয়ুক্ত আদি পদত অধিষ্ঠিত হৈ আছে। ইয়াৰ পৰা অতিক্ৰম কৰি যোৱা ছাত্ৰই আমাৰ সু-প্ৰসিদ্ধ গীতিকাৰ কথা-ছবি জগতৰ প্ৰযোজক, অসম সাহিত্য সভাৰ সভাপতি, বিধায়ক আৰু মন্ত্ৰীপদ লাভ কৰিছে। এইবোৰ দেখি মই জীৱনত বৰ আনন্দপাইছোঁ।

বহুতৰ মুখত শুনো অৱসৰৰ পিছত জীৱন আমনি লগা হয়। মোৰ তেনে হোৱা নাই। মই কৰ্ম্মস্থলী হিচাবে এখন বহল সমাজ পাইছো। দিনৰ দিনটো সেইবোৰত আবদ্ধ থাকোঁ। ১৯৭১ চনতে স্থাপিত হোৱা চতিয়া মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক হিচাবে ১৯৭১ চনৰ পৰা ১৯৮২ চনলৈ থকাৰ পিছত ১৯৮২ চনৰ পৰা বৰ্ত্তমানলৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰি আছো। অৱসৰ লোৱাৰ পিছৰে পৰা ১৯৮০ চনৰ পৰা বৰ্ত্তমানলৈকে চতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব পাই আছো। মুক্তি যুজাৰু সকলক পেঞ্চন দিবৰ কাৰণে অসম চৰকাৰে গঠন কৰি দিয়া শোণিতপুৰ জিলা মুক্তি যুজাৰু উপদেষ্টা পৰিষদৰ সভাপতি হিচাবে দায়িত্ব মোৰ গাত পৰিছে। স্বীকৃতি প্ৰাপ্ত বেচৰকাৰী যিখন জিলা মুক্তি যুজাৰু সন্থা আছে তাতো মই ভালেমান বছৰৰ পৰা সভাপতি হিচাবে আছো। চৰকাৰে গঠন কৰি দিয়া ৰাজ্যিক মুক্তি যুজাৰু উপদেষ্টা পৰিষদৰো মই শোণিতপুৰ জিলাৰ পৰা সদস্য। তাৰোপৰি বে-চৰকাৰী যিখন ৰাজ্যিক মুক্তি যুজাৰু সন্মিলন আছে, তাৰো আজি ভালেমান বছৰ ধৰি কাৰ্য্যকৰী সভাৰ সদস্য নিৰ্ব্বাচিত হৈ আছো। এইবোৰত ঘূৰি ফুৰোতে মোৰ সময় অতিবাহিত হয়।

যোৱা ৬ বছৰীয়া অস্তিত্ব ৰক্ষাৰ আন্দোলনত ছাত্ৰ আৰু গণসংগ্ৰাম পৰিষদৰ আহ্বানত মযো তেওঁলোকৰ লগত সত্যাগ্ৰহ, অনশন, পথ বন্ধ, ৰেলৰদ্ধ আদি কাৰ্য্যসূচীত সক্ৰিয় অংশ গ্ৰহণ কৰিছিলো। মই ১৯৪১ চনৰ পৰা পুৰণা কংগ্ৰেছ কমিটি বৰ্ত্তমান সমাজবাদী কংগ্ৰেছ কৰ্মী সক্ৰিয় সদস্য। তথাপি অস্তিত্ব ৰক্ষাৰ আন্দোলনত যোগ দিছিলো। ১৯৭২ চনত মই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সদস্য নিৰ্ব্বাচিত হৈছিলো। এগৰাকী মন্ত্ৰী পৰাজিত কৰি এই নিৰ্ব্বাচনত মই জিকিছিলো। শিক্ষক হিচাবে আমি অৰ্থনৈতিক ক্ষেত্ৰত লাভবান নহলেও আমি পঢ়োৱা প্ৰাক্তন কৃতী ছাত্ৰ বিলাকৰ পিছৰ জীৱনৰ কৃতিত্ব দেখি আৰু তাকে স্মৰণ কৰি আনন্দ উপভোগ কৰো। অৰ্থতকৈ এইবোৰ বেছি মূল্যবান। ***

শিক্ষকৰ ব্যক্তিত্ব

আধুনিক সমাজত শিক্ষকৰ কৰ্ত্তব্য মহান আৰু জটিল। শিক্ষকে ছাত্ৰক শিক্ষাদান দিয়াৰ উপৰিও ছাত্ৰসকলে যাতে আগবঢ়া সমাজখনৰ লগত খাপ খুৱাব পাৰে তাৰ কাৰণে ছাত্ৰক নানান কৌশল আৰু সমৰ্থ আগবঢ়াব লাগে। তাৰ বাহিৰেও শিক্ষকে ছাত্ৰসকলক সক্ৰিয় ভাৱে সহায় কৰিব লাগে যাতে তেওঁলোকে আজিৰ সাংস্কৃতিক বিপ্লৱত অংশ গ্ৰহণ কৰিব পাৰে। গতিকে আজিৰ যুগত শিক্ষকজন এজন ব্যক্তিত্ব সম্পন্ন লোক হ'ব লাগিব।

শিক্ষকৰ ব্যক্তিত্বৰ বিষয় চমুকৈ কবলৈ গ'লে শিক্ষকজনে এজন পূৰ্ণ বয়স্ক প্ৰাপ্ত শিশুৰ গুণাৱলী ল'ব লাগে। এই গুণাৱলী হৈছে কৰ্ম্মঠ প্ৰবৃত্তি, সৃষ্টিমূলক কল্পনা, কৌতুহলপূৰ্ণ মন, আবিস্কাৰৰ মনোবৃত্তি আৰু দুঃসাহসিক ভাব। শিক্ষক জনে পূৰ্ঠ অভিজ্ঞতাৰে পূৰ্ঠ শিশুৰ গুণাৱলী লব লাগে: শিশুৰ মনৰ আবেগ অনুভৱ কৰা, তেওঁৰ সৃজনীমূলক কামৰ মোল বুজা, সেই বিষয়ে জানিবলৈ যত্ন কৰা আৰু শিশুৰ কামৰ প্ৰশংসা কৰা। শিক্ষকজন সদায় উৎসাহী আৰু সতৰ্ক হ'ব লাগে। তেওঁ যি সকলক পৰিচালনা কৰিব লাগিব তেওঁলোকে (শিশুৱে) নিজক কামৰ আৰু উৎসাহৰ মাজেদি ব্যক্ত কৰিব খোজে, কিন্তু শিশুৱে তেওঁলোকৰ শক্তি যাতে পূৰ্ণ মাত্ৰা ব্যৱহাৰৰ সুবিধা পায় তাৰ প্ৰতি শিক্ষকজন সদায় সাজু থাকিব লাগিব। শিক্ষকে শিশুৰ বাবে উদ্দেশ্য পূৰ্ণ কিছুমান কামৰ আঁচনি লব লাগে শিশুৰ শক্তি কামত ব্যস্ত ৰখাৰ কাৰণেই নহয় কামৰ আঁচনি এনে ভাৱে ঠিক কৰি লব লাগে যাতে শিশুৰ সমৰ্থতাৰে উৎকৰ্ষ সাধন কৰিব পাৰি। শিক্ষকে মাত্ৰ শিশুক কামৰ আঁচনিবোৰ যোগান ধৰিলেই নহয়, সেই আঁচনিবোৰ বাপ খকা বিধৰ হব লাগে আৰু ল'ৰা-ছোৱালীৰ মনৰ আৱশ্যক মতেও যাতে হয়। সেইবাবে

শিক্ষকে পৰিকল্পিত ভাবে আঁচনি তৈয়াৰ কৰি শিশুৰ ব্যক্তিত্ব পূৰণত সহায় কৰিব পাৰে।

শিক্ষকৰ ব্যক্তিত্বৰ অন্য এটা দিশ হ'ল, তেওঁৰ সৃজনী শক্তি থাকিব লাগে। সেই উৎসাহজনক কামৰ আঁচনিবোৰ বিভিন্ন ধৰণৰ হ'ব লাগে যাতে শিশুৰ মনৰ খোৰাক যোগাব পাৰে। শিক্ষক সকলে কোনো এটা প্ৰকল্প (Project) শিশুসকলৰ আগত ডাঙি ধৰিব লাগে, যাতে শিশুসকলে নমুনা (Model) আৰু ছবি আঁকি তাত অংশ গ্ৰহণ কৰিব। সেইদৰে উৎসাহ পূৰ্ণ আঁচনিত অংশ গ্ৰহণ কৰাৰ পিছত শিশুসকলে নিজৰ সমৰ্থতাৰ বাবে মনত আনন্দ পায়। যি শিক্ষকে শিশুক এনেবোৰ আঁচনিৰ প্ৰতি বাট দেখুৱায়, তেনে শিক্ষক স্থিতিশীল হ'ব নোৱাৰে, তেওঁৰ ব্যক্তিত্ব গতিশীল। তেনে শিক্ষকে তেওঁৰ পাঠদানত নতুন পন্থা অৱলম্বন কৰিবলৈ সদায় যত্ন কৰে। তেনে শিক্ষকৰ ব্যক্তিত্বই শিশুৰ অন্তৰত থকা সৃজনী শক্তি আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হয়, তেনে শিক্ষকে পুৰণা অভিজ্ঞতাৰ পৰা কিছু লৈ নতুনৰ লগত সম্পৰ্ক ৰাখে।

যি কামকে নহওক তাক উৎসাহেৰে আৰম্ভ কৰাটোৱেই শিক্ষকৰ ব্যক্তিত্বৰ আন এটা দিশ। শিশুসকল সাধাৰণতে উৎসাহী, গতিকে শিশুসকলৰ উৎসাহ সজীৱ কৰি ৰাখিবৰ কাৰণে শিক্ষকৰ এই গুণ দৰকাৰ। উৎসাহী শিক্ষকে লগৰ শিক্ষকক আকৰ্ষণ কৰে। তেওঁলোকো উৎসাহী হয়। স্কুলৰ গোটেই পৰিবেশ উৎসাহজনক হয়। তেনে ক্ষেত্ৰত এই পৰিৱেশ স্কুলৰ কাৰ্য্যক্ৰম আগবঢ়াই নিবৰ কাৰণে শক্তি সম্পন্ন সজুলি হৈ পৰে।

শিক্ষকৰ ব্যক্তিত্বৰ বিশেষ বিশেষ লক্ষণ বা চিন হ'ল তেওঁ ছাত্ৰক ভাল পোৱাটো আৰু বুজি পোৱাটো। ছাত্ৰক ভাল পোৱাতো শিক্ষকৰ স্বাভাৱিক গুণ: শিক্ষকৰ ব্যক্তিত্বত কিবা ঘূণে নধৰিলে তেওঁৰ গাত ছাত্ৰক ভাল পোৱা গুণটো থাকিবই। যেই কোনো সাধাৰণ অৱস্থাত শিক্ষক ছাত্ৰৰ সহায় হৈ থাকিবলৈ ইচ্ছা কৰে,

তেওঁলোকৰ আনন্দত অংশ গ্ৰহণ কৰে, ছাত্ৰৰ প্ৰতি শিক্ষকৰ স্নেহে শিক্ষকৰ প্ৰতিও ছাত্ৰৰ মৰম আদায় কৰিব পাৰে। শিক্ষকে এবাৰ ছাত্ৰৰ স্নেহ প্ৰীতি আদায় কৰিব পাৰিলে ছাত্ৰৰ লগত কাম কৰিবলৈ শিক্ষকৰ বৰ আনন্দদায়ক হ'ব। কিন্তু ছাত্ৰৰ মৰম স্নেহ আদায় কৰা বৰ সহজ নহয়। ছাত্ৰৰ ব্যক্তিত্বক ভাল চকুৰে চাব লাগিব। "প্ৰত্যেকজন ছাত্ৰৰ কিবা নহয় কিবা এটা মহৎ কাম কৰিব পৰা অদৃশ্য ভাবে থকা ডাঙৰ শক্তি আছে।" এই ভাবে যদি শিক্ষকে ছাত্ৰজনক ভাবে তেতিয়া হলে কোনো কাৰণতে ছাত্ৰজনক হেয় ভাবে ভবা কথা শিক্ষকজনৰ মনলৈ কেতিয়াও নাহিব। শাৰীৰিক বা মানসিক উদ্বেগপূৰ্ণ ভাবে কেতিয়াও ছাত্ৰজনক অপমান কৰা বা ঘৃণা কৰা বা আঘাট কৰা ভাব শিক্ষকৰ মনলৈ নাহিব। ছাত্ৰৰ প্ৰতি শিক্ষকৰ এনেকুৱা মনোভাবে ছাত্ৰৰ মনত শিক্ষকৰ প্ৰতিও সন্মান আৰু কৃতজ্ঞতা ঘূৰাই দিব। এবাৰ এইদৰে পৰস্পৰৰ প্ৰতি সন্মান আৰু স্নেহ আহিলে শিক্ষাদান আৰু শিক্ষাগ্ৰহণ দুয়োটাই উজু হ'ব। শিক্ষকৰ অমায়িক, মৰম লগা আৰু আনন্দময় ব্যক্তিত্বই দলে দলে ছাত্ৰ আকৰ্ষণ কৰে আৰু সকলো সময়তে শিক্ষকজনক সহায় কৰিবৰ কাৰণে তেনে ছাত্ৰ সাজু। তেওঁলোক তেনে শিক্ষকৰ চাৰিও কাষে জুম বান্ধিব আৰু তেওঁৰ আজ্ঞা বহন কৰিবৰ বাবে তেওঁলোকে অপেক্ষাৰত হৈ থাকিব।

শিক্ষকৰ ব্যক্তিত্বৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল তেওঁৰ ৰসিকতা গুণ। ছাত্ৰই কৌতুক আৰু ধেমালি ভাল পায়। যি শিক্ষকৰ এই গুণ নাই, তেনে শিক্ষকে তেওঁৰ কৰ্ত্তব্য কঠিন আৰু বাধাজনক বুলি বিবেচনা কৰে।

ব্যক্তিত্বপূৰ্ণ শিক্ষকে আধুনিক মনোবিজ্ঞানৰ জৰিয়তে ছাত্ৰৰ আচৰণ বুজিবলৈ যত্ন কৰে। এই মনোবিজ্ঞানৰ সহায়ত ছাত্ৰৰ বিভিন্ন বয়সত যেনে ধৰণৰ আৱশ্যকীয় শিক্ষাৰ যোগান ধৰাৰ প্ৰয়োজন, তেনে ধৰণৰ শিক্ষাৰ যোগান ধৰিব পাৰে। কোনো ছাত্ৰই কি ৰূপ আচৰণ

দেখুৱালে মনোবিজ্ঞানৰ জনিয়ত্তে তাৰো কাৰণ বুজিব পৰা ব্যৱস্থা হৈছে। যি সকল শিক্ষক এই মনোবিজ্ঞানেৰে পুৰঠ, তেওঁলোকে ছাত্ৰক বিভিন্ন সময়ত চিনি পায়; তেওঁক পথভ্ৰষ্ট হোৱাৰপৰা ৰক্ষা কৰিবলৈ সক্ষম হয়। শিক্ষকে ছাত্ৰজনক এনেধৰণে চিনি পোৱাৰ পৰা ছাত্ৰজনৰ আত্মবিশ্বাস বাঢে আৰু ছাত্ৰ কিবা বিপদৰ বা কষ্টৰ সম্মুখীন হ'লে তেওঁ শিক্ষকৰ ওচৰ চাপে। ছাত্ৰ সমাজক সদায় পথ প্ৰদৰ্শক লাগে। যি সকল শিক্ষকে ছাত্ৰক বিভিন্ন সমস্যা সমাধানত সহায় কৰে, সেইসকল শিক্ষক ছাত্ৰৰ নিচেই সান্নিধ্যলৈ আহে। তেওঁলোকৰ সমস্যা সমাধানত কাৰো সহায় নাপালে ছাত্ৰসকল বিবুদ্ধি আৰু অসহায় হয়। কৈশোৰ অৱস্থাত ছাত্ৰ বা যুৱকজনে বেলেগ ব্যৱহাৰ বিচাৰে। তেওঁৰ প্ৰতি শিশুৰ দৰে ব্যৱহাৰ সেইখিনি সময়ত আশা নকৰে। শিক্ষক জনে কৈশোৰ অৱস্থাৰ আৱশ্যকীয় কথাখিনি বুজি ল'ব লাগিব আৰু তেওঁৰ ব্যৱহাৰ ছাত্ৰজনৰ প্ৰতি সলনি কৰিব লাগিব। শিক্ষক আৰু অভিভাৱকৰ আটাইতকৈ ডাঙৰ দোষ হৈছে তেওঁলোকে ছাত্ৰজনক কৈশোৰ অৱস্থা পোৱা স্বত্বেও তেওঁক শিশুৰ দৰে ব্যৱহাৰ কৰি থাকে। অভিভাৱক জন শিক্ষাৰ প্ৰতি সচেতনতা নথকা বাবে তেওঁলোকে নিজৰ ল'ৰা ছোৱালীক কৈশোৰত কৰিব লগীয়া ব্যৱহাৰৰ বিষয়ে নাজানিব পাৰে; কিন্তু মনোবিজ্ঞানত পাৰদৰ্শিতা থকা শিক্ষকজন কৈশোৰ অৰ্থাৎ জীৱনৰ পৰিৱৰ্ত্তনৰ সমস্যা ভৰপুৰ সময়চোৱাত ছাত্ৰৰ পথ প্ৰদৰ্শক হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সময়ত মনৰ পৰিৱৰ্ত্তনৰ লগে লগে শিক্ষকসকলৰ তেওঁলোকৰ প্ৰতি আচৰণৰ পৰিৱৰ্ত্তন শিক্ষকৰ ব্যক্তিত্বৰ এটা মহৎ দিশ।

ব্যক্তিত্বপূৰ্ণ শিক্ষকজন সামাজিক জীৱনতো আদৰ্শবান হ'ব লাগে তেওঁ কেৱল স্কুল আৰু শ্ৰেণীতে আবদ্ধ থাকিব নালাগে। তেওঁ সমাজৰ এজন কৰ্ত্তব্যৰত কৰ্মী হ'ব লাগে। সামাজিক পৰিৱৰ্ত্তনলৈ লক্ষ্য ৰাখি তেওঁ ছাত্ৰসকলক সেই পৰিৱৰ্ত্তনৰ ফালে আগবঢ়াব লাগে। সমাজত [illegible] আৰু প্ৰশংসা লাভ কৰিব লাগিলে শিক্ষকজনে নিজৰ

কৰ্ত্তব্যৰ প্ৰতি সজাগ আৰু দৃঢ় মনোভাবাপন্ন হ'ব লাগিব।

শিক্ষকৰ ব্যক্তিত্ব ছাত্ৰৰ ওপৰত বিদ্বেষ ভাবপৰায়নতাৰপৰা আঁতৰত থাকে। মানসিক ভাবে সুস্থ কোনো শিক্ষকে কোনো ছাত্ৰৰ ওপৰত প্ৰতিশোধৰ ভাব নাৰাখে। ব্যক্তিত্ব পূৰ্ণ শিক্ষকৰ এটা মহৎ গুণ হৈছে সকলো ছাত্ৰক পক্ষপাত শূণ্য হিচাবে সমানে ব্যৱহাৰ কৰাটো। শিক্ষকৰ এনে ব্যৱহাৰেহে ছাত্ৰৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰিব পাৰে। বিদ্বেষ ভাব অজ্ঞতা আৰু সংকীৰ্ণমনাৰ চিন। শিক্ষা-নুষ্ঠানত এইটো কোনো প্ৰকাৰে উৎসাহ দিব নালাগে। শিক্ষকৰ কৰ্ত্তব্য হৈছে শিক্ষাদান। শিশুৰ অন্তৰত থকা ভাব ৰাখিবে যাতে মুক্ত চিন্তা কৰিবলৈ সুবিধা পায় আৰু সেই মুক্ত চিন্তা যাতে বাঢ়ে তাৰ প্ৰতি যত্ন কৰাটো শিক্ষকৰ কৰ্ত্তব্য। ছাত্ৰ সকলে জানিব লাগে যে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাম্প্ৰদায়িক আদি সমস্যাবোৰে পৃথিৱীত অনৈক্য আৰু সংঘৰ্ষৰ সৃষ্টি কৰিছে। আজিৰ ভাৰতৰ লগে লগে পৃথিৱীয়ে বিচাৰিছে যে শিক্ষাই ডেকাসকলৰ মনত অন্যান্য দেশ আৰু জাতিৰ সাংস্কৃতিক আৰু জীৱন যাত্ৰা সম্পৰ্কে বুজা পৰা মানসিক সহানুভূতিৰ সৃষ্টি কৰক। তেওঁলোকে উপলব্ধি কৰক পৃথিৱীৰ দেশ বোৰৰ ইখনৰ সিখনৰ ওপৰত নিৰ্ভৰশীল। শিক্ষকৰ ব্যক্তিত্বই ছাত্ৰক এই ঠাচত গঢ় দি এখন শান্তি আৰু ঐক্যৰ পৃথিৱী গঢ়ি তোলক। *

ভাৰতত শিক্ষাৰ ক্ৰম বিকাশ

ভাৰতবৰ্ষ এখন মহান দেশ। ঋষি, মুনি আৰু মনীষীসকলৰ লেখনীয়ে এই দেশক আৰু মহান কৰি তুলিছিল। সেই দেৱতুল্য ব্যক্তি সকলে দি যোৱা অৱদান ৰাজিৰ বেছি ভাগেই বিশ্বতো সত্যত প্ৰতিষ্ঠিত। বেদ, উপনিষদ, দৰ্শন, কাব্য, ভাগৱত, গীতা আদিৰ চিৰন্তন বাণী আৰু তত্ত্ব ধৰ্ম্ম নিৰপেক্ষ, গতিকে বিশ্বজনীন। যুগে যুগে চলি অহা ভাৰত শিক্ষাৰ দেশ। প্ৰাচীন ভাৰতৰ শিক্ষা বিশেষকৈ ধৰ্ম্মৰ লগত সাঙোৰ খোৱা। সেই যুগৰ শিক্ষা, সেই যুগৰ ধাৰণাৰ লগত ভাৰতবৰ্ষ আৰু ইয়াৰ আশে পাশে থকা বৃত্ত বা দেশ বোৰত আবদ্ধ আছিল। গতিকে সেই শিক্ষা আজিৰ শিক্ষাৰ দৰে বিৰ্শ্বজনীন নাছিল। ভাৰতৰ শিক্ষা চাৰিটা স্তৰত ভগোৱা হয়। (১) বৈদিক যুগৰ পৰা খৃঃ দ্বাদশ শতিকালৈ (২) ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকাৰ মাজ ভাগলৈ (৩) ইয়াৰ পিচৰ পৰা স্বাধীনতা কাললৈ (৪) স্বাধীনতাৰ পিচৰ পৰা বৰ্ত্তমানলৈ।

(১) বৈদিক যুগৰ পৰা খৃঃ দ্বাদশ শতিকালৈ ঃ বৈদিক যুগত খৃষ্ট পূৰ্বৰ পৰা চলি অহা বিদ্যাৰ মাধ্যম সংস্কৃত আছিল। কুলগুৰু, কুলপতি, আচাৰ্য্য আদি আখ্যা পোৱা আশ্ৰমবাসী ঋষি সকলে শিক্ষা দান কাৰ্য্যৰ ভাৰ লৈছিল। তেওঁলোক সমাজৰ মঙ্গলদায়ক নিঃস্বাৰ্থ শিক্ষক আছিল। গুৰুৱে ছাত্ৰ সকলক নিজৰ পুত্ৰৰূপে জ্ঞান কৰিছিল আৰু ছাত্ৰৰ ৰুচিমতে মাধ্যমিক আৰু উচ্চ শিক্ষা প্ৰদান কৰিছিল। বৌদ্ধ শাসন কালত ঠায়ে ঠায়ে উল্লেখ বিহাৰ ৰজা সকলৰ সহায়ত গঢ়ি উঠিছিল। এই বৌদ্ধ বিহাৰবোৰৰ প্ৰত্যেকবোৰেই শিক্ষাৰ কেন্দ্ৰ স্বৰূপে গঢ় লৈছিল। ইয়াৰ ভিতৰত নালন্দা আৰু তক্ষশীলা প্ৰধান। এই দুটা শিক্ষা কেন্দ্ৰ কালত এচিয়াৰ বৌদ্ধ জগতত প্ৰখ্যাত বিশ্ববিদ্যালয় ৰূপে গঢ়ি উঠিছিল।

হিন্দু সংস্কৃতিৰ শিক্ষা টোলবোৰত আৰম্ভ থাকিলেও বিক্রম-শীলা, শ্রীধান্যকোটক আৰু উজ্জয়িনীত ৰাজানুগ্ৰহত বৰ্ত্তমুখী বিদ্যাৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হৈছিল।

(২) ত্ৰয়োদশ শতিকাৰপৰা অষ্টাদশ শতিকাৰ মাজ ভাগলৈ :

দ্বাদশ শতিকাৰ শেষত মহম্মদ ঘোৰীয়ে দিল্লী অধিকাৰ কৰি উত্তৰ ভাৰতত মুছলমান ৰাজ্য স্থাপন কৰাৰ চেষ্টাত হিন্দু বৌদ্ধ সংস্কৃতি আৰু ধৰ্মত কুঠাৰাঘাত পৰিল। তাৰ বাৰ্ত্তা মুছলমান শাসনৰ মাজেদি যাব লগা হোৱাত মুছুলমানৰ কলা কৃষ্টি আৰু শিক্ষাই গা কৰি উঠিল। আৰু মুছলমান শাসনৰ প্ৰদেশবোৰত জীয়াই থকা হিন্দু সংস্কৃতিৰ টোলৰ শিক্ষা আৰু বৌদ্ধ সংস্কৃতিৰ বিহাৰৰ শিক্ষা লোপ পোৱাৰ দৰেই হ'ল। পিচত মোগল সম্ৰাট আকবৰৰ দিনত হিন্দু সংস্কৃতি আৰু সংস্কৃত শিক্ষাই ঠায়ে ঠায়ে মূৰ দাঙি উঠিছিল। উত্তৰ ভাৰতত হিন্দী আৰু আৰবী মিশ্ৰিত উৰ্দ্দু ভাষা শিক্ষাৰ মাধ্যম হবলৈ ধৰিলে।

(৩) অষ্টাদশ শতিকাৰ মাজ ভাগৰপৰা স্বাধীনতালৈ :

পলাচী যুদ্ধই ভাৰতত নতুন ইতিহাস ৰচনা কৰিলে তাৰ লগে লগে ভাৰতৰ শিক্ষা জগতত নতুন ৰূপে দেখা দিলে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ আদিতে কোম্পানীৰ চৰকাৰে হিন্দু আৰু মুছলমান শিক্ষা পদ্ধতিত হাত দিয়া নাছিল যদিও কোম্পানীৰ ৰাজ্য বাঢ়ি যোৱাৰ লগে লগে চৰকাৰী কাৰ্য্যালয়বোৰত বহুতো কৰ্ম্মচাৰীৰ আৱশ্যক হ'ল। খৃষ্টীয় পাদ্ৰীসকলে ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগে পাছে আহি খৃষ্টধৰ্ম্ম প্ৰচাৰত ব্ৰতী হয়। পাদ্ৰীসকলে খৃষ্টধৰ্ম্ম প্ৰচাৰৰ অৰ্থে আৰু আদালতৰ বিচাৰৰ সুবিধাৰ্থে ইংৰাজী আৰু ভাৰতীয় ভাষাৰ বিদ্যালয় স্থাপন কৰাত আগভাগ ললে।

মাদ্ৰাজ, বোম্বাই আৰু কলিকতাত মিছনেৰী স্কুল হ'ল। ১৮৩৫ খৃঃ গবৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ নিৰ্দ্দেশত টি, বি, মেক-

লৰ প্ৰতিবেদন মতে ভাৰতত ইংৰাজীৰ মাধ্যমত সকলো বিদ্যা শিক্ষাৰ বিদ্যালয় চৰকাৰী খণ্ডত স্থাপিত হয়।

১৮৫৪ খৃঃত বৰ্ড অৱ কণ্ট্ৰলৰ সদস্য উদৰ ডেচ্‌পাচ অনু-সৰি ১৮৫৭ চনত বিশ্ববিদ্যালয় তিনিখন (মাদ্ৰাজ, কলিকতা আৰু বোম্বাই) আৰু বহুতো চৰকাৰী হাইস্কুল স্থাপন হয়। হাইস্কুলে জীৱিকাৰ উপায় দিয়াৰ উপৰিও বিশ্ববিদ্যালয়ৰ শিক্ষা লব পৰা কৰিলে। ১৮৮২ খৃঃত হাণ্টাৰ কমিশ্যনৰ প্ৰতিবেদনৰ পৰিপ্ৰেক্ষিতত ইংৰাজ চৰকাৰে হাইস্কুল বাইজৰ হাতত এৰি দি চৰকাৰী সাহায্য দিয়া নীতি লয়। ১৯১৭-১৯ চনত দেড়লাৰ কমিশ্যনে দিয়া প্ৰতিবেদন মতে বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতিত আমূল পৰিবৰ্ত্তন হয়। মেডিকেল, ইঞ্জিনীয়াৰিং শিক্ষাৰ প্ৰবৰ্ত্তন হয়।

১৯৪৪ চনত চাৰ্জেণ্ট ৰিপৰ্ট মতে হেচেম্বদী প্ৰাথমিক শিক্ষাৰ প্ৰবৰ্ত্তন, মজলীয়া স্কুলৰ শিক্ষাত বিষয়ৰ বৃদ্ধি আৰু হাইস্কুলীয়া শিক্ষাত একাডেমীক আৰু টেক্‌নিকেল শিক্ষাৰ প্ৰবৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হয়।

(৭) **স্বাধীনতাৰ পিছৰ :** ১৯৪৮-৪৯ চনৰ ৰাধাকৃষ্ণন প্ৰতিবেদন যাইকৈ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ওপৰত সাজু কৰা হৈছিল। এইমতে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ আৰু পৰীক্ষাৰ মানদণ্ড উন্নত কৰা হয়। গবেষণাৰ ওপৰতো জোৰ দি এই প্ৰতিবেদনে কয় যে বিশ্ববিদ্যালয় চিন্তাৰ পৰীক্ষাগাৰ (Laboratory of thoughts) ৰাষ্ট্ৰীয় প্ৰয়োজনীয়-তাত ফেডাৰেল লেঙ্গুৱেজ (হিন্দী) হাইস্কুলত বাধ্যতামূলক হব লাগে। স্বাস্থ্য শিক্ষা, এন, চি, চিৰ প্ৰবৰ্ত্তন কৰিব লাগে। এই ৰিপৰ্টে মাধ্যমিক শিক্ষাৰ ওপৰত বহুত গুৰুত্ব আৰোপ কৰিছে।

১৯৫২-৫৩ৰ মুদালিয়াৰ আয়োগে মাধ্যমিক শিক্ষাৰ ওপৰত দিয়া প্ৰতিবেদন অনুসৰি সিদিনালৈকে মাধ্যমিক স্তৰৰ শিক্ষা পদ্ধতি চলোৱা হৈ আছিল। এই প্ৰতিবেদন দৰাচলতে মাধ্যমিক শিক্ষাৰ প্ৰথম প্ৰতিবেদন। ১৯৬৪-৬৬ চনত ডঃ ডি, এছ, কোঠাৰিৰ নেতৃত্বত হোৱা আয়োগৰ প্ৰতিবেদন অনুসৰি ভাৰতবৰ্ষ জুৰি সমগ্ৰ শিক্ষা

পদ্ধতিৰ আমূল পৰিবৰ্ত্তন হ'বলৈ ধৰিলে। কোঠাৰী আয়োগত ভাৰতত বিভিন্ন ক্ষেত্ৰৰ বিদগ্ধ পণ্ডিতবৰ্গ সদস্য হিচাবে থকাৰ উপৰিও ইংলণ্ড আমেৰিকা, ৰুচ আৰু জাপানৰ একস্পাৰ্ট কেবাগৰাকীও ইয়াৰ সদস্য নিয়োগ হৈছিল। এই প্ৰতিবেদনৰ নিৰ্দ্দেশবোৰ সম্পূৰ্ণ কাৰ্য্যকৰী কৰি তুলিবলৈ ভাৰত বহু বছৰ প্ৰতীক্ষাত থাকিব লাগিব।

বৈপ্লবিক সমাজ গাঠনি আৰু অৰ্থনীতিৰ পৰিবৰ্ত্তন সাধন কৰি দেশখন প্ৰগতিৰ পথত আগুৱাই নিয়াৰ দায়িত্ব যুব সমাজৰ আৰু এই কামৰ বাবে পুৰুষ মহিলা সৃষ্টি কৰিব শিক্ষকে। কাজেই প্ৰতি শিক্ষকে একোটা ক্ষুদ্ৰ বিশ্ববিদ্যালয় হলেহে বৈপ্লবিক শিক্ষাৰ মজিয়াত ভাৰত গৌৰবান্বিত হ'ব।

শিক্ষা হৈছে শৰীৰ মন, অনুভূতি আৰু চৈতন্য বিকাশৰ এক বিশেষ পদ্ধতি যি প্ৰত্যেক ব্যক্তিৰে জীৱনৰ আদিৰ পৰা অন্ত-লৈকে বিয়পি থাকে আৰু ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত নানা দিশৰ পৰা অৰিহণা যোগায়। শিক্ষাৰ এই মৌলিক আদৰ্শবোৰ ৰূপায়িত কৰাৰ কাৰণে বিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ সৃষ্টি কৰা হৈছে।

দেশৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ দায়িত্ব একপ্ৰকাৰ সৰ্বকীয়া দায়িত্ব হলেও শিক্ষকৰ দায়িত্ব অতি গধুৰ। স্কুল কলেজবোৰ শিক্ষক সকলৰ নিপুণ হাতৰ পৰশ পাই গঢ়ি উঠা এবিধ অনুপম আৰু জীৱন্ত অনুষ্ঠান। শিক্ষক সকলৰ কৰ্ত্তব্য কেৱল পাঠ্যপুথিত লিপি-বদ্ধ কৰা উপদেশাৱলীৰ আৰু তথ্য সমূহৰ আপেক্ষীয়াকৈ ৰূপ দিয়াই নহয়— শিক্ষক হ'ব লাগিব বিদ্যুতৰ তাঁৰৰ দৰে এঠাইত টিপিলেই গোটেই চতুৰ্দ্দিশ উদ্ভাষিত কৰিব পৰা অৰ্থাৎ নিজৰ চৰিত্ৰ, ব্যক্তিত্ব আৰু জ্ঞানৰ আলোকেৰে ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত আৰু প্ৰভাৱান্বিত কৰিব পৰা শক্তিৰ বাহক হ'ব লাগিব, এয়ে হলেহে শিক্ষকতাৰ মৰ্য্যাদা লাভ হ'ব। এই প্ৰসঙ্গত ডা' ৰাধাকৃষ্ণণৰ এষাৰ কথা মনত পেলাব লগীয়া—"A good teacher desiring to achieve results in the intellectual field must inevitably instil into

his pupils respect for right values, for truth and inculcate habits and modes of behaviour through which their life may be moulded to their realisation.*

স্কুল কলেজৰ ছাত্র-ছাত্রীৰ মনবোৰ পৰিপাটীত ৰখা ভুইঁৰা ভড়ালৰ দৰে (Dustbin) নহয় যে ঘৰ চোতাল সাৰি অনা জাবৰ ভুইঁৰবোৰ ভৰাই পুৰ কৰা হয় আৰু ভৰ্ত্তি হলেই খালি কৰি দিব পৰা হয়। ল'ৰা ছোৱালীৰ মনবোৰ ভুহুৰা ভড়ালৰ দৰে কিছুমান থুপাই থোৱা সংবাদ বা লিপিবদ্ধ তথ্যৰ টুকুৰাবে ভড়াই প্ৰয়োজন মতে বাকী দিলেই নহয়। ছাত্র-ছাত্রীৰ মনোৰাজ্যত সুপ্ত হৈ থকা অনুভূতিবোৰ জীপাল কৰি জীৱন্ত কৰি তোলাটোহে শিক্ষাৰ লক্ষ্য হোৱা উচিত। এই উদ্দেশ্য সাধন কৰিবৰ হলে শিক্ষকসকল হব লাগিব বিশেষভাৱে অধ্যয়ণ পুষ্ট। ব্যাপক অধ্যয়ণ নাথাকিলে বিশেষ জ্ঞানৰ অধিকাৰী হোৱাটো সম্ভৱ নহয়। গতিকে অনুসন্ধিৎসু ছাত্র ছাত্রী-সকলৰ কৌতূহল পূৰণ কৰা সেই সকল অধ্যয়ণ বিৰাগী শিক্ষকৰদ্বাৰা সম্ভৱ নহয়।

শিক্ষাবিদ K. G. Sayidin ৰ কথাফাঁকি এই প্ৰসঙ্গত উনুকিয়াব পাৰি—

A teacher who is not interested in reading or the adventure of ideas, who does not love books whose knowledge in his own special field of study is static-such a teacher can never intellectual enthusiasm in his pupils.

ছাত্র-ছাত্রীক বিনীত আৰু শাসনাধীন কৰি ৰখাৰ প্ৰথম উপায় হৈছে প্ৰাথমিক কৰ্ত্তব্য আৰু নিজ নিজ দায়িত্বৰ প্ৰতি শিক্ষকসকল নিষ্ঠাবান হোৱা আৰু ছাত্র-ছাত্রীৰ প্ৰতি অহৈতুক সজাগ আৰু স্বাৰ্থপৰ ভাব পোষণ নকৰা। ছাত্র-ছাত্রী সকলে যেতিয়া বুজিব যে শিক্ষক সকল সৰ্ব্বতো ভাবে ছাত্র-ছাত্রী সকলৰ কল্যাণকামী, যেতিয়া বুজিব

যে শিক্ষক সকল কৰ্ত্তব্য পালনত একনিষ্ঠ তেনে শিক্ষকৰ প্ৰতি ভক্তিত ছাত্ৰ-ছাত্ৰীৰ মূৰ অৱনত হৈ পৰিব আৰু আন্তৰিক আনুগত্য স্বীকাৰ কৰি লবলৈ বাধ্য হব। এয়ে হলে সমাজৰ অনাচাৰ, ভ্ৰষ্টাচাৰ, অবিনীত, দুৰ্বিনীত মনোবৃত্তি আঁতৰি যোৱাৰ আশা কৰিব পাৰি।

শিক্ষাক সুস্থ ভাবে গঢ় দিবলৈ হলে শিক্ষক সকল হব লাগিব সুস্থ মানৱতাবোধ সম্পন্ন ব্যক্তি আৰু ব্ৰতী। এই প্ৰসঙ্গত শিক্ষক সকলৰ পাৰিশ্ৰমিকৰ প্ৰশ্ন আহি পৰে। শিক্ষক সকলৰ ন্যায় সঙ্গত হব নালাগে বুলি কোৱাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। নতুন ভাবধাৰা আৰু শিক্ষানীতি সফল কৰিবলৈ হলে শিক্ষা পদ্ধতি সলনি কৰিবই লাগিব। শিক্ষকৰ ওপৰত শিক্ষা ব্যৱস্থাৰ সাফল্য বহুতখিনি নিৰ্ভৰ কৰে। শিক্ষাদানৰ ক্ষেত্ৰত শিক্ষাক যথেষ্ট আক-হণা যোগায বাবে সমাজত শিক্ষকৰ স্থান যথোপযুক্ত হোৱা উচিত।

দেশৰ বৰ দুৰ্ভাগ্য যে ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে মাক-বাপেক অভিভাৱক সকলে যি পৰিমাণে চেষ্টা যত্ন লোৱাৰ প্ৰয়োজন তাৰ আংশিক দায়িত্ব লবলৈও কুণ্ঠিত। ঘৰ আৰু শিক্ষানুষ্ঠান এই দুয়োটাৰ প্ৰতিচ্ছবিৰ মাজত যি সামঞ্জস্য আৰু বাতাবৰণ থাকিব লাগে আমাৰ ঘৰবোৰত তেনেকুৱা পৰিবেশ একেবাৰে শোচনীয় আৰু ভিন্ন-মুখী এই কাৰণেই ছাত্ৰ-ছাত্ৰী সকল দোমোজাত পৰে আৰু শিক্ষা ভিন্নমুখী হোৱা দেখা যায়। পিতৃ-মাতৃ আৰু অভিভাৱক সকলে শিক্ষক সকলক পূৰ্ণ সমৰ্থন দিয়াৰ উপৰিও শিক্ষক সকলৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াব লাগে। শিক্ষক সকলে প্ৰয়োগ কৰা নিয়ম নীতি আৰু শৃঙ্খলাৰ অযথা সমালোচনা কৰিব নালাগে। ল'ৰা-ছোৱালীৰ শিক্ষা ফলপ্ৰসু কৰিবলৈ হলে শিক্ষক সকলে সমাজৰ পৰা সকলো প্ৰকাৰৰ সহায় আৰু সমৰ্থন পাব লাগে। ছাত্ৰ-ছাত্ৰীক শাসনাধীন কৰি ৰাখিবলৈ আৰু মাৰ্জিত ৰুচি সম্পন্ন কৰিবলৈ শিক্ষক সকলে যি ব্যৱস্থা লয় সেই সকলো ক্ষেত্ৰতে শিক্ষক সকলৰ ৰক্ষা কৱচ থাকিব লাগে। ইয়াৰ বিপৰীতে যদি শিক্ষক সকলৰ কাৰ্য্যৰ

তীব্র পৰিছণা নাইৰা কটু সমালোচনা হয় তেনে অবন্থাত ছাত্র-ছাত্রী সকল অধঃপাতে যোৱাৰ সম্ভাৱনাই বেচি।

ছাত্র আন্দোলনৰ ফলত বহুতো শিক্ষানুষ্ঠান অনির্দিষ্ট কাললৈ বন্ধ কৰি দিব লগা হয়। এইবোৰৰ ঘোৰ পৰিণতি হ'ল পূৰাব নোৱাৰা জাতীয় ক্ষতি।

The crown of glory life is character—smiles.

জীৱনৰ অমূল্য সম্পদ চৰিত্র। এই চৰিত্র সমুজ্জ্বল কৰি ৰাখিব পাৰে শিক্ষাই, যদি এই বিদ্যা বিনয় আৰু সংযমৰ দ্বাৰা সুসংহত হয়। শিক্ষাৰ প্ৰসঙ্গত আমি আকৌ স্মৰণ কৰোঁ—

বিদ্যা দদাতি বিনয়ং
বিনয়াৎ য়াতি পাত্ৰতাম
পাত্ৰত্বাৎ ধনমাপ্নোতি
ধনাদ্ ধৰ্ম্ম ততঃ জয়ঃ।

ছাত্র ছাত্রীৰ চৰিত্র গঠনত শিক্ষকবৰ্গৰ মহান দায়িত্ব আছে। স্কুলৰ প্ৰতি কাৰ্যাপন্থাতে ইয়াৰ পূৰ্ণ বিকাশত তেওঁলোকে বিশেষ মনোযোগ দিব লাগিব। নিয়মানুবৰ্ত্তিতা ৰক্ষা কৰিবলৈ ছাত্র আৰু শিক্ষকৰ মাজত ব্যক্তিগত সম্পৰ্ক স্থাপন কৰিব লাগিব। স্কুল প্ৰগ্ৰেম আবশ্যকীয় ক্ষেত্ৰত প্ৰিফেক্ট বা মনিটৰ আৰু ছাত্র পৰিষদ গঠন কৰি সেইবোৰে ছাত্রৰ আচৰণ বিধি প্ৰস্তুত কৰি সেইমতে কাম কৰিব লাগিব। স্কুলৰ বহু কাম ছাত্ৰই সমবায় ভিত্তিত কৰিব পাৰে। দোষৰ বিচাৰ, গুণৰ স্বীকাৰ আদিও ছাত্র সন্থাই কৰিব পৰা হব লাগিব। শিক্ষক হব সেইবোৰৰ উপদেষ্টা। দলগত খেল আৰু ক' কেৰিকুলাম একটিভিটিজৰ শিক্ষাৰ সাম্ভাব্য বিষয়ত বিশেষ জোৰ দিব লাগিব। স্কাউটিং, গাইড, এন. চি, চি ৰাইফলচ, এন, এফ, চি আদিযেই ছাত্র-ছাত্রীৰ চৰিত্র গঠনৰ বলবান অস্ত্র। প্ৰধান শিক্ষক সকল সেইবোৰত সজাগ হব লাগিব। বিদ্যালয়ৰ প্ৰধান গৰাকী বিদ্যালয়ৰ পৰশমণি হোৱা উচিত। তেওঁৰ ওপৰতে বিদ্যালয়ৰ সুপৰিকল্পিত সংগঠন আৰু

পৰিচালনা নিৰ্ভৰ কৰে। তাৰবাবে তেওঁ সদায় তীক্ষ্ণ দৃষ্টি, সুপৰিচালনা, শিক্ষা নিৰ্দ্দেশ, শিক্ষক সাহায্য আদি গুণৰ অধিকাৰী হব লাগে। প্ৰধান গৰাকী নিজে স্কুলৰ জীৱনী শক্তি আৰু কাণ্ডাৰী।

পৰিদৰ্শন বিষয়া এগৰাকী আদৰ্শ শিক্ষক হব লাগে। বিদ্যালয় পৰিদৰ্শন কালত যি কোনো শ্ৰেণীৰে যি কোনো বিষয়ৰে নিজে ডেমনষ্ট্ৰেচন ক্লাচ কৰা ভাল। আজিৰ প্ৰগতিশীল আৰু দ্ৰুত গতিৰ ভাৰতত প্ৰতিক্ৰিয়াশীল গোড়া ধৰ্ম্ম বিশ্বাসৰ বিৰুদ্ধে যুব শক্তিয়ে সংগ্ৰাম কৰি নব ভাৰতৰ উজ্জ্বল ছবি এখন সৃষ্টি কৰিব লাগিব। গাঁৱৰ মানুহৰ বিজ্ঞানৰ সহাযেৰে অৰ্থৰ অভাৱ দূৰ কৰিব লাগিব। তাৰ কাৰণে দুটা বিষয় চিন্তা কৰিব লাগিব। প্ৰথম উন্নত ধৰণৰ কৃষি আৰু পশু পালন—প্ৰথমটো বিজ্ঞানৰ সহায় নহলেই নহব। বিজ্ঞান বিমুখ খেতিয়ক সকলক বিজ্ঞান প্ৰমুখ কৰি বৈপ্লৱিক কৃষি জগত এখন ৰচনা কৰি দিব লাগিব। পশু পালনো এইদৰে বিজ্ঞানৰ সহায়ত উন্নত কৰিবলৈ যত্ন কৰিব লাগিব।

বিজ্ঞানৰ সহায়ত কুটীৰ শিল্প, বিজুলীৰ সহায়ত নানা সৰু বৰ শিল্প কাৰ্যাৰ প্ৰস্তুতি যুব শক্তিৰ নিজস্ব বিষয়। দেশে বিচাৰিছে নানা স্তৰৰ কৃষি বিশেষজ্ঞ, খনি বিশেষজ্ঞ, টেক্‌নিচিয়ান, ইঞ্জিনিয়াৰ প্লেনাৰ, কেমিষ্ট, অয়েল টেকনিচিয়ান, অয়েল ইঞ্জিনিয়াৰ, শিক্ষক, চিন্তাশীল সাহিত্যিক, দাৰ্শনিক, ৰাজনীতিজ্ঞ, ৰাষ্ট্ৰনায়ক, ৰাষ্ট্ৰসেৱক, এনেবিধৰ লোক ভাৰত নিৰ্ম্মাণত লগাৰ উপৰিও বহু ৰাষ্ট্ৰইও নানা বিধযক উন্নয়নৰ কাৰণে ভাৰতীয় বিশেষজ্ঞ, ডাক্তৰ, ইঞ্জিনিযাৰ আদি ভাৰতৰ পৰা নিবলৈ বিচাৰে। ইৰাণ, আৰব, আফ্ৰিকা আদি বহু দেশকো ভাৰতে নানান টেক্‌নিচিয়ান দি সহায় কৰাৰ দায়িত্বত আছে। ভাৰতত আজি বহুবিধৰ শিক্ষিত প্ৰশিক্ষিত ব্যক্তিৰ অত্যন্ত আৰু জৰুৰী বোধ দৰকাৰ হৈ পৰিছে। বহুমুখী উচ্চতৰ শিক্ষাৰ ঘাই ভেটি স্কুলীয়া শিক্ষা। ইয়াতেই ভেটি তৈয়াৰ কৰি ছাত্ৰ-ছাত্ৰীৰ অদূৰ ভৱিষ্যতৰ জ্ঞানৰ ওখ দৌল সাজিব লাগিব।

স্কুলীয়া শিক্ষাৰ গঢ় লগাই দিয়াত শিক্ষকৰ ভূমিকা বৰ বহুল আৰু সুদূৰ প্ৰসাৰী। শিক্ষকৰ হাততেই নব ভাৰতৰ নতুন শক্তি সৃষ্টি হবই লাগিব। দ্ৰোণাচাৰ্যাই অৰ্জুনক নানান শিক্ষা দি তৈয়াৰ কৰিছিল। এনে চিন্তা আগত ৰাখি আজি শিক্ষক গোষ্ঠী মহান ব্ৰতত ব্ৰতী হৈছে। তেওঁলোকৰ জিৰাবৰ সময় নাই, জগত দ্ৰুত গতিত আগুৱাই, তেওঁলোকেও দ্ৰুত গতিত আগুৱাই নব ভাৰতৰ নৰূপৰ ৰথ দৌল সজাব লাগিব।

শিক্ষাৰ সকলো স্তৰতে, সকলো বিষয়তে আৰু পাত্ৰতে প্ৰকৃত দেশ প্ৰেম ফুটি ওলাব লাগিব। শিক্ষা আৰু দেশ প্ৰেমৰ ওতঃপ্ৰোত সম্বন্ধৰ ওপৰত শিক্ষা পদ্ধতি প্ৰতিষ্ঠিত হোৱা কাম্য।

আমাৰ শিক্ষাৰ মূখ্য আৰু জৰুৰী সংস্কাৰ আৱশ্যক বোধে জনগণৰ প্ৰয়োজনীয়তা, আকাঙ্খা আৰু জীৱন যাত্ৰাৰ লগত শিক্ষা পদ্ধতিয়ে সম্পৰ্ক কৰিব পাৰে যাতে ই সমৃদ্ধি বৰ্দ্ধিত সামাজিক আৰু ৰাষ্ট্ৰীয় ঐক্য স্থাপন, নতুন জগতৰ প্ৰগতিৰ পথত অগ্ৰসৰ হোৱা আৰু সামাজিক, নৈতিক আৰু ধৰ্ম্মৰ মূল্য বঢোৱাত শক্তিশালী অঙ্গ হৈ পৰে। সেয়েহে বিজ্ঞান শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰি ৰাষ্ট্ৰীয় সমৃদ্ধি বঢাবলৈ আৰু কৰ্ম অভিজ্ঞতা আৰু হস্তশিল্প শিক্ষাৰে নিজকে স্বাবলম্বী আৰু আত্মপ্ৰত্যয়ী কৰিবলৈ শিক্ষাৰ উদ্দেশ্য অতি আৱশ্যক আৰু জৰুৰীও। সমাজ সেৱা আৰু ৰাষ্ট্ৰসেৱাৰ শিক্ষা জাতীয় আৰু ব্যক্তিগত চৰিত্ৰ গঠন, নিয়মানুবৰ্ত্তিতাৰ উন্নতিকৰণ, শাৰীৰিক কামৰ মৰ্যদাত বিশ্বাস স্থাপন আৰু সামাজিক ঐক্য স্থাপন নতুন ৰাষ্ট্ৰীয় নীতি ৰাষ্ট্ৰীয় সংহতি আৰু সামাজিক ঐক্য স্থাপনৰ অৰ্থে কেন্দ্ৰীয় সুনিৰ্দিষ্ট ভাষা নীতি থাকিব লাগিব।

এয়ে হ'ল ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ শিক্ষানীতিৰ মূল সূত্ৰ। এনে বহুমুখী শিক্ষা পদ্ধতিত দেশ সেৱাৰ কাৰণে আজিৰ ছাত্ৰ সমাজ ভাবী দেশ সেৱক সৃষ্টি কৰাত পথ প্ৰদৰ্শক আৰু উপদেষ্টাৰ জৰুৰী আৰু দ্ৰুত আৱশ্যক। সুশিক্ষাৰ আন্ধাৰ কোঠাৰ

পোহৰ হব ছাত্ৰৰ মনোবৃত্তি, বুদ্ধি আৰু ৰুচি নিৰ্ণয় কৰাত, যাতে তেওঁলোকে উপযুক্ত কৰ্ম্মত প্ৰবেশ কৰিব পাৰে। শিক্ষা আৰু ভকেশ্যনেল নিৰ্ব্বাচনত উপদেষ্টা আৰু শিক্ষকে ছাত্ৰক চিনিব আৰু বাচি উলিয়াব লাগিব।

পথ নিৰ্দ্দেশৰ মানে এই, ছাত্ৰ আৰু ছাত্ৰীক নিজৰ জীৱনৰ কাৰ্য্যসূচীগতে শিক্ষা লাভ কৰি নিজৰ ৰাষ্ট্ৰৰ আৰু বহল জগতৰ লগত খাপ খুৱাই ব্যক্তিত্ব প্ৰকাশ কৰাৰ বাট দেখুৱা। গতিকে এই জটিল কাম তাকৰীয়া বিশেষজ্ঞৰ কাম নহয়, অভিভাৱক, শিক্ষক, হেডমাষ্টৰ, প্ৰিন্সিপাল আৰু দিক্ নিৰ্ণয় কৰা বিষয়াৰহে কাম।

কোঠাৰী আয়োগৰ প্ৰতিবেদনত শিক্ষাক এনেভাবে পুনৰ গঠন কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। যাৰ দ্বাৰা ছাত্ৰৰ মানসিক আৰু নৈতিক উৎকৰ্ষতা সাধন কৰাৰ লগে লগে ছাত্ৰই উৎপাদনশীল কৰ্ম্ম প্ৰেৰণাও লাভ কৰিব পাৰে তাৰ ওপৰত চকু ৰখা হয়। সেই কাৰণে এই আচনিক এক শিক্ষা বিপ্লৱৰ আচনি বুলি অভিহিত কৰা হয়। এই আযোগে পৰামৰ্শ দিয়া শিক্ষণীয় বিষযবোৰৰ উপৰিও বিশেষকৈ নৈতিক শিক্ষা আৰু কৰ্ম অভিজ্ঞতা এই দুটা নতুন বিষয় শিক্ষাত অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি মাধ্যমিক শিক্ষা স্তৰত বৃত্তিমূলক প্ৰশিক্ষণৰ ব্যৱস্থাও ৰখাৰ পৰামৰ্শ দিয়া হৈছে। কোঠাৰী আযোগে কৰ্ম্ম অভিজ্ঞতাৰ বিষয়ে নিম্নলিখিত ধৰণে সূত্ৰ দিছে। We define work experience as participation in productive work in school in home, in a workshop in a farm, in a factory or in any other productive situation. গতিকে বিদ্যালয়, ঘৰ, কাৰখানা পাম বা আন উৎপাদনশীল ব্যৱস্থাত অংশ গ্ৰহণ কৰাকে কৰ্ম অভিজ্ঞতা বোলা হয়। বিদ্যালয়বোৰত কৰ্ম অভিজ্ঞতা শিকাবৰ বাবে বিদ্যালয় সমবায়, কৃষি, বাঁহ বেতৰ কাম, কাগজৰ কাম, পশু পালন, মাছ পোহা, বয়ন, চিলাই আদি শিক্ষা দিয়াৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। এই বিষয়

যোৰৰ ভিত্তৰত সমবায় বাধ্যতামূলক।

অতীতৰ পৰা ভাৰতত বৈৰাগ্যৰ ভাব প্ৰবল। ভাৰতীয় দৰ্শনত কামৰ বিৰুদ্ধে উৎকট মনোভাব প্ৰকাশ কৰি তাক কৰ্ম্ম বন্ধন ৰূপে অভিহিত কৰা হৈছে। আধ্যাত্মিক ক্ষেত্ৰত তাৰ বিশেষ মূল্য থাকিলেও আধুনিক বস্তুবাদী জগতত তাৰ কাৰ্য্যকাৰিতা তেনেই অকিঞ্চিৎকৰ।

ভাৰতত প্ৰৱৰ্ত্তন কৰা ইংৰাজী শিক্ষায়ো ভাৰতীয় লোকৰ কৰ্ম্ম বিমুখ কাৰ্য্যত ইন্ধন যোগাইছিল। কৰ্ম্ম অভিজ্ঞতাৰ শিক্ষাই শিক্ষাৰ্থীৰ কৰ্ম্ম বিমুখতা আঁতৰ কৰিব বুলি ভবা হৈছে। ইংৰাজী শিক্ষাই সমাজত শ্ৰমৰ মৰ্য্যাদা হ্ৰাস কৰি পেলাইছিল। শিক্ষাত কৰ্ম্ম অভিজ্ঞতা প্ৰৱৰ্ত্তন কৰি শ্ৰমৰ মৰ্য্যাদা সমাজত পুনৰ প্ৰতিষ্ঠা কৰিব পৰা যাব বুলি ভবা হৈছে। এই দুই মহৎ উদ্দেশ্য সাধন কৰাৰ উপৰিও বিদ্যালয়ত বহুত শিক্ষাৰ্থীয়ে একেলগে কাম কৰি সমবায়ৰ জৰিয়তে বিক্ৰী আদি কৰিবলৈ শিকিলে সমাজত সমবায়িক মনোভাব গঢ়ি উঠি ৰাষ্ট্ৰীয় ঐক্য সাধন কৰাত অৰিহণা যোগাব বুলিও ভবা হৈছে।

বৈজ্ঞানিক মাৰ্কনিৰ বেতাৰ প্ৰণালী আৱিস্কাৰ, কিউৰি দম্পতিৰ ৰেডিয়াম আৱিস্কাৰ, জৰ্জ্জ ষ্টিফেনচনৰ ভাপকল আৱিস্কাৰ, আব্ৰাহাম লিনকনৰ ৰাজনৈতিক কৃতকাৰ্য্যতা আৰু চি, ভি, ৰমণৰ বৈজ্ঞানিক আবিস্কাৰে উচ্চ স্তৰৰ বাস্তৱ কৰ্ম্ম অভিজ্ঞতাৰ ফল বুলিব পাৰি। ভাৰতত সমবায়িক অৰ্থনীতি আঁচনি ফলপ্ৰসু কৰি তুলিব পাৰিলে মহান ভাৰতৰ শক্তি কেবাগুণে বৃদ্ধি পাব। তেনে অৱস্থাইহে সমাজবাদ কৃতকাৰ্য্য কৰিব পাৰিব। ভাৰতত যি শ্ৰেণী বৈষম্য আছে তাকো কৰ্ম্ম অনুৰাগেহে দূৰ কৰিব পাৰিব। মানুহৰ মাজত শ্ৰম আৰু কৰ্ম্মৰ প্ৰতি শ্ৰদ্ধা জগাই তুলিব পাৰিলে কৰ্ম্ম বিৰাগৰ মনোভাব আপোনা আপুনি দূৰীভূত হব। কামেহে চিন্তা আদৰ্শ। দেশ প্ৰেম আদিক বাস্তৱ ৰূপ দিয়ে। অতীততো কামৰ মাজেদি শিক্ষা দিয়াৰ ব্যৱস্থা আছিল। সান্দিপনিৰ ঘৰত দাম-সুদাম, শ্ৰীকৃষ্ণ আদিয়ে শিক্ষা গ্ৰহণ কৰোতে আশ্ৰমত খড়ি লুৰি খাবলগীয়া হৈছিল।

গীতাত আছে—

কৰ্ম্মই মানৱৰ অধিকাৰ। Long Fellow ই গাইছিল Act act in the living present with heart within the God over head.

আন্তৰিকতাৰে সৈতে ভগৱানৰ নীতি উলঙ্ঘা নকৰাকৈ যি কাম কৰা হয়, সেয়ে ভগৱানৰ পূজা। ভাৰতৰ জনগণৰ মাজত কৰ্ম্ম প্ৰেৰণা জগাই পৰিশ্ৰমৰ মৰ্যাদা সুপ্ৰতিষ্ঠিত কৰিবৰ অৰ্থে শিক্ষা জগতত কৰ্ম আঁচনি প্ৰয়োগ কৰা নিতান্ত সমীচীন হৈছে। পশ্চিমৰ শিক্ষাবিদ সকলে শিক্ষাত কামক স্থান নাই দিয়া বুলি ভাবিব নালাগে।

শিক্ষা সম্পৰ্কীয় হাতৰ কামে ছাত্ৰক শিকাত বেচি সহায় কৰে বুলি এৰিষ্টটলে ভাবে। কমিনিয়াচে চিন্তা কৰে যে সৰু সৰু ল'ৰা ছোৱালীয়ে কাৰিকৰী শিক্ষা লাভ কৰিলেহে ভাল নাগৰিক হব পাৰিব। ৰ'চই এই বুলি বিশ্বাস কৰে ল'ৰা-ছোৱালীক কাৰখানাত শিক্ষা দিলে ল'ৰা-ছোৱালীৰ হাতেৰে যি পৰিশ্ৰম কৰা হয় তাৰে মন চহকী হয়। পেষ্টলজিৰ মতে কিতাপৰ বিদ্যাৰ লগত হাতেকামে কৰা বিদ্যাৰ যোগ দিলে বহু সময় আৰু পৰিশ্ৰম ৰক্ষা পৰে। হাৰবাৰ্টে শিক্ষাৰ লগত কাৰিকৰী সুদক্ষতা বেচি জোৰ দিছে।

শিক্ষক সকলৰ পদমৰ্য্যদা বৃদ্ধি কৰাৰ হেতু চৰকাৰ আৰু সমাজৰ কৰ্ত্তব্য যদিও ইয়াক লাভ কৰাৰ বাবে শিক্ষকসকলৰ দায়িত্বহে বেচি। তানৰ অনুগ্ৰহৰ যোগেদি ইয়াক অৰ্জ্জন কৰিবলৈ বিচৰাজন পুতৌৰ পাত্ৰ হৈ জীৱনলৈ বিড়ম্বনাহে মাতি আনে। যিকোনো অধিকাৰৰ বাবে দাবী কৰিবলৈ যোৱাৰ লগে লগে নিজৰ কৰ্ত্তব্য নিষ্ঠাৰে পালন কৰিব লাগিব। শিক্ষকসকলে নিজৰ ব্যক্তিগত সা-সুবিধাৰ বাবে পাব লগীয়া অধিকাৰ সাব্যস্ত কৰাৰ উপৰিও ইয়াক ব্ৰত হিচাবে লব নোৱাৰিলে শিক্ষাদানৰ দৰে মহৎ কাম কেতিয়াও সম্পাদনা কৰিব নোৱাৰে। আৰু ব্ৰত হিচাবে ইয়াক গ্ৰহণ কৰিবলৈ হ'লে বৃত্তিটোক দেশৰ অত্যাৱশ্যকীয় কাম বুলি শ্ৰদ্ধাৰে লব পাৰিব লাগিব। মই এজন

শিক্ষক এই ভাৰত গৌৰৱবোধ কৰিব পৰা জনৰ অন্তৰতহে কৰ্ত্তব্য-বোধ, নিষ্ঠা কাৰ্য্য দক্ষতা আদি সদগুণবোৰ বিকশিত হয়। সততা আৰু কাৰ্য্যদক্ষতাৰে নিজৰ কৰ্ত্তব্য সম্পাদন কৰা জনকহে সমাজে সন্মান জনায় আৰু নেতৃত্ব স্বীকাৰ কৰি লয়। শিক্ষকৰ কাৰ্য্যদক্ষতাৰ ওপৰত গুৰুত্ব দি ইউনেস্কৰ শিক্ষা চনদৰ অন্য এক ধাৰাত কোৱা হৈছে— The great the skill of a teacher in the class room. the better the status.

আমাৰ দেশত কোনো শুদ্ধ আঁচনি গ্ৰহণ কৰা স্বত্বেও তাৰ বিৰুদ্ধে নেতিবাচক সমালোচনা কৰাৰ ফলস্বৰূপে বা কোনো প্ৰকাৰৰ সমালোচনা নকৰি যান্ত্ৰিক ভাবে তাক গ্ৰহণ কৰাৰ দোষতে এই আঁচনি সমূহৰ ইপ্সিত লক্ষ্যত উপনীত হব পৰা নহয়। নতুন পাঠ্যক্ৰম সম্পৰ্কেও এই ধৰণৰ মনোভাব লোৱাটো পৰিলক্ষিত হৈছে। বৌদ্ধিক জগতত দেখা দিয়া এনে ধৰণৰ দৃষ্টিভঙ্গী আৰু দাৰিদ্ৰতাই যে প্ৰগতিৰ পথত হেঙাৰ স্বৰূপে দেখা দিয়ে তাক স্বীকাৰ নকৰিলে ভুল হব। দ্ৰুত গতিত ঘটা জ্ঞানৰ বিস্ফোৰণে এক বিৰাট প্ৰত্যাহ্বান স্বৰূপে বুদ্ধিজীৱি শ্ৰেণীৰ সন্মুখত দেখা দিছে। গতিকে বুদ্ধিজীৱি শ্ৰেণী এটা অংশ হিচাবে শিক্ষক সকলে মানসিক জড়তা দূৰ কৰি যুগৰ আহ্বান অনুযায়ী নিজকে প্ৰস্তুত কৰি উপযুক্ত শিক্ষাদানৰ অৰ্হতা অৰ্জন কৰাৰ প্ৰচেষ্টা চলোৱাৰ জৰুৰী প্ৰয়োজন হৈছে। পৰীক্ষাৰ ফলাফলৰ সঠিক বিচাৰ বিশ্লেষণ কৰি তাক সংস্কাৰ কৰা, পাঠ্যপুথিৰ দোষ ত্ৰুটী দূৰ কৰা, পাঠদান পদ্ধতিৰ ক্ৰমাগত উন্নতি সাধন, ১২ বছৰীয়া পাঠ্যক্ৰমৰ সফল ৰূপায়ণ কৰা আদি কাৰ্যত শিক্ষক সস্থা আৰু ইয়াৰ সদস্য সকলে আত্মনিয়োগ কৰিব পাৰিলে শিক্ষকসকলে আৰ্থিক আৰু সামাজিক মৰ্য্যাদা অৰ্জন কৰাটো সহজ সাধ্য হব বুলি বিশ্বাস হৈছে। ***

ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান উশৃংখলতাৰ কাৰণ বিচাৰি

ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান উশৃংখলতাৰ বাবে দায়ী কোন বুলিলে কেৱল একপক্ষক দায়ী বুলি ক'ব নোৱাৰি। বিদ্যালয়ত শিক্ষালাভ কৰোঁতে ছাত্ৰ-ছাত্ৰী কেইবাটাও কথাৰ লগত জড়িত হৈ থাকে। শিক্ষা দান কৰিবলৈ যাওঁতে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী চৰকাৰ তথা শিক্ষা বিভাগ, অভিভাৱক আৰু সমাজৰ পৰিবেশ এই পাচ বিধৰ সু-প্ৰচেষ্টাৰ আৱশ্যক।

১। সামাজিক পৰিবেশ: ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান উশৃংখলতাৰ বাবে সামাজিক পৰিবেশ কি দৰে দায়ী তাকে আমি প্ৰথমতে বিবেচনা কৰি চাওঁ। আমাৰ দেশৰ স্বাধীনতাৰ এই চল্লিশটা বছৰে সামাজিক অৰ্থনৈতিক, আৰু ৰাজনৈতিক দিশত আমি আগবাঢ়িছো আৰু মন কৰিবলগীয়া কথা যে ভাৰতত গণতান্ত্ৰিক শাসন ব্যৱস্থা নানা আলৈ আহুকাল আৰু বিপদ-বিঘিনিৰ মাজেদি প্ৰবৰ্ত্তি আছে। এফালে আমি আগবাঢ়িছো যদিও প্ৰশাসনীয় দুৰ্নীতি আৰু সামাজিক দুৰ্নীতি এনে ব্যাপক ভাবে শিপাইছে যে দেশৰ ধন জনৰ অপচয় ৰূপ ধৰিছে। আমাৰ জাতীয় চৰিত্ৰও সেইদৰে দুৰ্ব্বল হোৱা দেখা গৈছে। তদুপৰি ভাষা আঞ্চলিকতাবাদ আদি এনে এবুৰি সমস্যাৰ মাজত দেশত ৰাজনৈতিক অশান্তিৰ সৃষ্টি হৈছে আৰু হিংসাত্মক কাৰ্য্যৰ প্ৰাদুৰ্ভাৱত ৰাজহুৱা সম্পত্তিৰ লগতে নিৰীহ লোকৰ প্ৰাণহানি হোৱাতো দৈনিক ঘটনা হৈ পৰিছে। সামাজিক বিদ্ৰোহ আহি স্কুল কলেজৰ চাৰিবেৰতো জটিল সমস্যাৰ সৃষ্টি কৰিছে। এক শ্ৰেণীৰ ৰাজনৈতিক দলে ছাত্ৰ-ছাত্ৰীক অস্ত্ৰ হিচাবে লৈ আগবাঢ়িবলৈ খোজাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত অশান্তিৰ সৃষ্টি হোৱা দেখা গৈছে। শিক্ষাবিদ জন 'ডিউই' কোৱাৰ দৰে বিদ্যালয় হ'ল সমাজৰ ক্ষুদ্ৰ সংস্কৰণ, গতিকে সামাজিক

সকলো প্ৰভাৱৰ পৰা ই মুক্ত হৈ থকা টান। আমাৰ দেশত মাজে মাজে দেখা দিয়া সামাজিক অশান্তিৰ মাজত বিদ্যালয়ৰ পৰিবেশ অশান্তিৰ সৃষ্টি কৰাৰ লগতে সামাজিক দুৰ্নীতিয়ে অন্যৰূপত বিদ্যালয়ৰ চৌহদ প্ৰৱেশ কৰিছে বুলি ক'লে অত্যুক্তি কৰা নহ'ব। সামাজিক নৈতিকতাৰ সংখলনে সামাজিক পৰিবেশ ক্ৰমে ম্লান কৰি পেলাইছে। এনে বাতাবৰণৰ মাজত ছাত্ৰ-ছাত্ৰীয়ে উশৃংখল মনোভাৱ দেখুৱাটো স্বাভাৱিক কথা। গতিকে বৰ্ত্তমানৰ সামাজিক পৰিবেশ, ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান উশৃংখলতাৰ বাবে অধিক পৰিমাণে দায়ী বুলি ক'ব পাৰি।

২। অভিভাৱক: ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক বুলিলে পিতৃ-মাতৃ আৰু ঘৰখনত থকা ছাত্ৰ-ছাত্ৰীতকৈ বয়সীয়া লোকসকল বুলি ক'ব পাৰি। ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠনৰ আৰু শিক্ষাৰ মূল ভেঁটি হ'ল ঘৰখন। ঘৰখনক বাদ দি ছাত্ৰ-ছাত্ৰীৰ নৈতিক শিক্ষা ফলৱতী হোৱাটো সঁচাকৈ কঠিন কাম। ইয়াত ল'ৰা-ছোৱালীয়ে মাক বাপেক বা বয়োজ্যেষ্ঠ সকলৰ কথা বতৰা, আচৰণ, কাৰ্যকলাপ আদিৰ পৰা পৰোক্ষভাৱেই হওক বহুত স্মৰণৰ কথা বতৰা শিকিবলৈ লয়। তেওঁলোকৰ সচেতন মনত এনে একোটা প্ৰভাৱ পৰে যে শেষলৈ চৰিত্ৰ গঠনত ই সহায় হব পাৰে। ভাৰতীয় সভ্যতা আৰু সংস্কৃতিত বৈদিক যুগৰে পৰা ঘৰখনক ধৰ্ম্ম আৰু সংস্কৃতৰ কেন্দ্ৰ স্বৰূপ বুলি গণ্য কৰা হৈছিল। অৰ্থনৈতিক কাৰণত মাক-বাপেক আৰু ল'ৰা ছোৱালীৰ মাজত ঘনিষ্ঠ সম্পৰ্ক ক্ৰমে নাইকিয়া হৈ গৈছে। এতিয়া আমাৰ সমাজ জীৱন এনে দুৰ্নীতিৰে ভৰি পৰিছে যে ইয়াৰ মাজত লৰা-ছোৱালীৰ নৈতিক চৰিত্ৰ গঠন হোৱাটো এক প্ৰকাৰ অসম্ভৱ হৈ উঠিছে। আজি বহুত লোকৰ ঘৰত ল'ৰা-ছোৱালীয়ে মাক-বাপেকক অসৎ উপায়েৰে ধন ঘটা দেখিছে, খাদ্যত ভেজাল দি বজাৰত বেচা দেখিছে, ক্ষমতাৰ অপব্যৱহাৰ কৰি মানুহৰ বিবেক কিনি সমাজত প্ৰতিপত্তি লাভ কৰা দেখিছে আৰু এইবোৰৰ পৰা ল'ৰা ছোৱালীয়ে ডাঙৰ-দীঘল হৈ নিজৰ অভিভাৱক সকলতকৈও কি প্ৰকাৰেনো সহজতে

ধনী আৰু ক্ষমতাশালী হ'ব পাৰি তাকে চিন্তা কৰিবলৈ শিকিছে। কোনো কোনো অভিভাৱকে অভাৱ-অনাটনৰ মাজেদি ল'ৰাছোৱালী কষ্টৰে তুলিব লগীয়া হৈছে। গতিকে ধনী মানুহৰ লৰাছোৱালীৰ সাজ পোছাক খোৱা বোৱা দেখি এইবোৰ ল'ৰাছোৱালীৰ মন ভাগি যায়। মনলৈ উশৃংখল ভাববোৰ আহি থাকে। যি শিক্ষকে নিজৰ ল'ৰা-ছোৱালী স্কুলত পঢ়ায় সেই ল'ৰাছোৱালীয়ে যদি শ্ৰেণীত প্ৰমোচন নাপায় তেনেহলে অভিভাৱকে তেনে শিক্ষকক নিজৰ লৰাছোৱালীৰ আগত বেয়া সমালোচনা কৰে, তাৰ ফলত তেনে শিক্ষকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অলপো শ্ৰদ্ধা নথকা হয়। ফলত পঢ়া-শুনা ক্ৰমে নোৱাৰা হয়, আৰু ছাত্ৰ-ছাত্ৰীৰ মনলৈ উশৃংখল ভাব আহে।

ঘৰত পিতৃ-মাতৃ বা আন কোনো অভিভাৱকৰ যত্নৰ অবিহনে স্কুলত মাত্ৰ কেইঘণ্টামান শিক্ষাদান কৰি ল'ৰাছোৱালীক প্ৰকৃত মানুহ কৰি গঢ়ি তোলা টান। পিতৃ-মাতৃ, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী পৰস্পৰে পৰস্পৰৰ প্ৰতি সহানুভূতিশীল হ'লেহে ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা লাভ কৰিব পাৰিব। ইংৰাজীত এষাৰ কথা আছে— when money is lost, nothing is lost, when health is lost something is lost, but when character is lost, everything is lost. গতিকে লৰা-ছোৱালীৰ মনত সকৰে পৰা সজ চিন্তা, সজ আলোচনা, সজ কামৰ প্ৰতি ৰাপ বহুৱাই দিব লাগিব। পিতৃ-মাতৃ আৰু অভিভাৱকে আদৰ্শবান ব্যক্তি হিচাবে লৰা-ছোৱালীৰ আগত থিয় দিব লাগে। কিন্তু আমাৰ অভিভাৱক আৰু পিতৃ-মাতৃ বহু সংখ্যক অশিক্ষিত আৰু অভাৱগ্ৰস্ত। তেওঁলোকে লৰা-ছোৱালীক কোনো সহায় কৰিব নোৱাৰে। গতিকে লৰাছোৱালীয়ে মনত উৎসাহ নাপায়। তাৰ ফলত তেওঁলোকে সমাজৰ বেয়া আদৰ্শবোৰ লয়, অশৃংখল পৰিবেশৰ মাজত ছাত্ৰ অৱস্থাৰ প্ৰকৃত সময়খিনি পাৰ কৰিব লগাত পৰে। ওপৰৰ কথাবোৰৰ পৰা আমি এইটো সিদ্ধান্তলৈ আহিব পাৰো যে ছাত্ৰ-

ছাত্ৰীৰ অন্তৰত আজি যি উশৃংখল ভাব আহিছে তাৰ বাবে পিতৃ-মাতৃ প্ৰমুখ্যে অভিভাৱক সকলো কম জগৰীয়া নহয়।

৩। শিক্ষক-শিক্ষয়িত্ৰী : এখন শিক্ষানুষ্ঠান সুচাৰুৰূপে পৰিচালনা কৰি ল'ৰা ছোৱালীক উপযুক্ত শিক্ষা-দীক্ষাৰে সুনাগৰিক কৰি গঢ়ি তোলাত যদিও চৰকাৰী বিষয়া, অভিভাৱক আৰু শিক্ষক এই তিনি শক্তিৰ দায়িত্ব আছে, মূলতঃ তিনি শক্তিৰ ভিতৰত শিক্ষক শক্তিয়েই প্ৰধান। ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে যদি দেশৰ প্ৰতিজন শিক্ষকে নিঃস্বাৰ্থ ভাৱে শিক্ষা দান কাৰ্যত ব্ৰতী হয় তেনে অচিৰে সমাজৰ প্ৰতিচ্ছবি বদলি কৰি দিয়াৰ শক্তি কেৱল শিক্ষক সমাজ খনৰহে আছে। ছাত্ৰৰ পৰা শৃংখলা আৰু নৈতিকতা বিচাৰিবলৈ যাওঁতে শিক্ষকে নিজৰ আচৰণ সম্পৰ্কে বিশেষ সাৱধান হোৱা প্ৰয়োজন। পৰীক্ষাত ছাত্ৰই নকল কৰা দুৰ্নীতি মূলক বুলি গণ্য কৰা হয়; কিন্তু ইয়াৰ নিবাৰকৰণৰ বেলিকা সকলো শিক্ষকৰ দৃষ্টিভঙ্গী যদি একে নহয় বৰং কোনো কোনো শিক্ষকে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে দুৰ্নীতিত সহায় কৰিছে অভিযোগ বাতৰি কাগজত পঢ়িবলৈ পোৱা যায়, তেনেহলে তেনে শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ নৈতিকতাৰ মান যে নিম্ন-গামী হ'ব তাত সন্দেহ নাই। শিক্ষকৰ আদৰ্শ আৰু আনফালে পাঠ্য-পুথিৰ পৰা লৰাছোৱালীৰ নৈতিক শিক্ষাৰ ভেঁটি দৃঢ় হয়, য'ত এই দুয়োটাৰে অভাৱ তেনে অৱস্থাত ল'ৰাছোৱালীৰ নৈতিক চৰিত্ৰ গঠন কৰাটো এটা ডাঙৰ সমস্যা হোৱাটো স্বাভাৱিক। একেটা কোঠাতে পৰীক্ষা দি থকা এজন ছাত্ৰক যদি কোনোবা এজন শিক্ষকে পৰীক্ষাত সহায় কৰা অন্যবোৰ ছাত্ৰই দেখা পায়, তেনেহলে বাকীবোৰ ছাত্ৰৰ মনত উশৃংখল ভাৱ হোৱাটো স্বাভাৱিক কথা। এনেবোৰ কথাৰ প্ৰতি শিক্ষক সকল সদায় সাৱধান হ'ব লাগে। ছাত্ৰৰ মনত এনে উশৃংখল ভাৱ জগাই তোলাৰ বাবে পৰীক্ষাত ব্যক্তিগত এজন ছাত্ৰক সহায় কৰিবলৈ যোৱা শিক্ষকজনহে দায়ী। এনে শিক্ষক সমাজৰ তীব্ৰ সমালোচনাৰ সন্মুখীন হ'ব লগীয়া হয়। সততাৰে, নিৰপেক্ষ

ভাবে নিষ্ঠাৰে আৰু কাৰ্য্যদক্ষতাৰে নিজৰ কৰ্ত্তব্য সম্পাদন কৰা শিক্ষকসকলকহে সমাজে সম্মান জনায়, আৰু নেতৃত্ব স্বীকাৰ কৰি লয়। শিক্ষকে নিজৰ চৰিত্ৰ, ব্যক্তিত্ব আৰু জ্ঞানৰ আলোকেৰে ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰেৰিত কৰিব পাৰিব লাগে। ভৱিষ্যত দেশৰ কৰ্ণাধাৰ, সুনাগৰিক আৰু ব্যক্তিত্ব সম্পন্ন পুৰুষৰ আবিৰ্ভাব আশা কৰা হৈছে, সেইবাবেই শিক্ষক সকলৰ ওপৰত নৈতিক দায়িত্ব আহি পৰিছে, ছাত্ৰসকলৰ মানসিক আৰু নৈতিক অৱনতি ৰোধ কৰা; ছাত্ৰসকলৰ মাজৰ পৰা উশৃংখল ভাব দূৰ কৰি তেওঁলোকক বিনীত আৰু শাসনাধীন কৰি ৰখা। এনে কাৰ্য্য সম্ভৱ হ'ব যদি শিক্ষক সকল নিজ নিজ দায়িত্বৰ প্ৰতি সজাগ আৰু নিষ্ঠাবান হয়, কোনো ছাত্ৰৰ প্ৰতি অহৈতুকী সজাগ আৰু স্বাৰ্থপৰ ভাব পোষণ নকৰে অভিভাৱকৰ লগত ভাল বুজাপৰা ৰাখে, অন্তৰত সমাজ সেৱাৰ ভাৱ ৰাখে, সৃজনীমূলক চিন্তা, আৰু জ্ঞানৰ প্ৰতি অকৃত্ৰিম হেঁপাহ ৰাখে ছাত্ৰ-সকলে তেতিয়া বুজিব যে শিক্ষকসকল কৰ্ত্তব্য পালনত একনিষ্ঠ, ছাত্ৰসকলৰ প্ৰতি সৰ্ব্বতো ভাবে কল্যাণকামী তেনে শিক্ষকৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মূৰ অৱনত হৈ পৰিব আৰু আন্তৰিক আনুগত্য স্বীকাৰ কৰিবলৈ বাধ্য হ'ব। সকলো ক্ষুদ্ৰ চিন্তা আৰু স্বাৰ্থৰ উৰ্দ্ধত থাকে ল'ৰাছোৱালীয়ে দেশ আৰু সমাজৰ কল্যাণৰ কথা কৰিবলৈ শিক্ষা পায় তাৰে শিক্ষকে সদায় চকু ৰাখিব লাগিব। শিক্ষকক নীতি নিয়মত সদায় দেখা পালে, ছাত্ৰ-ছাত্ৰী শৃংখলাবদ্ধ হয় তাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰী উশৃংখল মনোবৃত্তিৰ হয়। ইয়াৰ পৰা আমি উপলব্ধি কৰিব পাৰো যে নীতি বিহীন শিক্ষক সমাজো ছাত্ৰ-ছাত্ৰীৰ উশৃংখলতাৰ বাবে কিছু পৰিমাণে দায়ী।

চৰকাৰ, শিক্ষা বিভাগ আৰু শিক্ষা ব্যৱস্থা : অনাদি কালৰ পৰা ৰাজ্যিক চৰকাৰে শিক্ষাৰ ব্যৱস্থা কৰে। আজি কালি প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহ প্ৰাদেশিকীকৰণ কৰি শিক্ষকৰ দা-দৰমহা সকলো চৰকাৰে বহন কৰিছে।

স্কুল ঘৰ সজ্জা আদি কামত চৰকাৰে মাজে মাজে মঞ্জুৰী দিয়ে, তাৰ বাহিৰে স্থানীয় ৰাইজেও টকা পইচা তুলি সহায় কৰিব লাগে। মহাবিদ্যালয় বিলাকত চৰকাৰে ঋণ মঞ্জুৰী দিয়ে। শিক্ষা কেতিয়া কেনে ধৰণৰ হ'ব লাগিব, কেন্দ্ৰীয় চৰকাৰে আয়োগ গঠন কৰি দিয়ে। আয়োগে আঁচনি দাঙি ধৰে আৰু ৰাজ্যিক চৰকাৰৰ অধীনত থকা শিক্ষা বিভাগে সেই আঁচনি বিদ্যালয় সমূহত কেনেধৰণে প্ৰয়োগ কৰিব তাৰ চিন্তা কৰে। পাঠ্যপুথি আদি ছপোৱাৰ ব্যৱস্থা কৰি ছাত্ৰছাত্ৰীক সহায় কৰে, শিক্ষক নিয়োগ আদি কাম চৰকাৰে শিক্ষা বিভাগৰ হতুৱাই কৰোৱায়। প্ৰাথমিক বিদ্যালয়বোৰত বহুতত্তে একজনীয়া শিক্ষক থকাত, শিক্ষকজনৰ অনুপস্থিতিত বিদ্যালয় প্ৰায় বন্ধ থাকে, তেনে অৱস্থাত সৰু সৰু ল'ৰা-ছোৱালী স্কুললৈ আহি শিক্ষকৰ অভাৱত হাই-কাজিয়া, মৰামৰি, চিঞৰ-বাখৰ কৰি সময় কটাই, গতিকে ল'ৰা-ছোৱালীয়ে সৰুৰেপৰা উশৃংখল হ'বলৈ শিকে। চৰকাৰে উচ্চ মাধ্যমিক বিদ্যালযবোৰৰ বহুতত্তে শ্ৰেণীৰ জোখাই শিক্ষক নিয়োগ নথকাৰ ফলত শ্ৰেণী কিছুমানত দিনটোৰ কেইবাটাও পিৰিয়ডত শিক্ষক নোহোৱাকৈ থাকে, তাৰ ফলত সেই খিনি সময়ত ছাত্ৰ-ছাত্ৰীয়ে ভাল আলোচনাৰ পৰিবৰ্ত্তে বেয়া আলোচনা কৰি সময় কটায়। উশৃংখল মনোবৃত্তিৰ ভাব আহিবৰ কাৰণে সুবিধা হয়। শিক্ষা সংস্কাৰৰ কাৰণে চৰকাৰে বিভিন্ন সময়ত গঠন কৰি দিয়া আয়োগে চৰকাৰৰ ওচৰত শিক্ষাৰ বিভিন্ন আঁচনি ডাঙি ধৰিছে কিন্তু আঁচনিয়ে কাৰ্য্যকৰী ৰূপ লোৱা আমাৰ চকুত পৰা নাই। অন্যান্য স্বাধীন দেশত মাধ্যমিক শিক্ষা লাভ কৰাৰ পিচত ছাত্ৰ-ছাত্ৰীয়ে স্বাৱলম্বী হৈ জীৱিকাৰ পথ বাচি ল'ব পাৰে, আমাৰ মাধ্যমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীক তেনে সুবিধা দিব পৰা নাই, তাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সৰহভাগ উচ্চ শিক্ষাৰ কাৰণে আগবাঢ়ি যায়; কিন্তু শিক্ষাৰ অন্তত চাকৰি নাপাই নিবনুৱা সমস্যাৰ দেশত সৃষ্টি কৰিছে। নিজৰ দেশৰ ভৌগলিক, অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৰ লগত সংগতি ৰাখি লগত শাৰীৰিক শ্ৰমক সাঙুৰি লৈ আগবাঢ়িলেহে শিক্ষা ফলৱতী হ'ব। শিক্ষাৰ আঁচনি ভাৰতীয়

সমাজ ব্যৱস্থা মতে নোহোৱাত শিক্ষাৰ অন্তত ছাত্র-ছাত্রী সকলে জীৱিকাৰ কোনো পথ বিচাৰি নাপায়। শিক্ষিত লোকৰ জোখাৰে বজাৰত চাকৰি নাই। গতিকে পঢ়ি থাকোতেই ছাত্র-ছাত্রীৰ অন্তৰত হতাশাৰ ভাৱে দেখা দিয়ে, পঢ়া-শুনাৰ প্ৰতি অমনযোগী হয়, গতিকে মন উশৃংখল হৈ পৰে। ভাৰতবৰ্ষত যি জনসংখ্যাৰ বৃদ্ধি হৈ ভয়াবহ ৰূপ লৈছে, অসমতো তাৰ অৱস্থা একে হৈছে। তাক ৰোধ কৰিবলৈ ভাৰতীয় অৰ্থ নৈতিক অৱস্থা এনে হোৱা বাঞ্চনীয় যাতে জন শক্তিয়ে তাত প্ৰধান ভূমিকা লব পাৰে। শিক্ষা পদ্ধতিৰো মূল লক্ষ্য হ'ব লাগিব, সমগ্ৰ ভাৰতীয় জনশক্তিৰ উৎপাদনৰ উপযোগীকৈ গঢ়ি তোলা। তাৰোপৰি কৃষিৰ বাহিৰেও বহুতো ক্ষুদ্ৰ শিল্প ভাৰতৰ মাটিত গঢ়ি তুলিব পৰা সম্ভৱনা আছে। গতিকে দেশৰ শিক্ষা পদ্ধতিয়ে দেশৰ ভৱিষ্যতৰ কৰ্ণাধাৰ আৰু নাগৰিক এই ছাত্র শক্তিক উপযুক্ত গঢ় দিব পাৰিব লাগিব। তাকে কৰিব নোৱাৰিলে ছাত্র-ছাত্রীৰ ক্ৰমবৰ্দ্ধমান উশৃংখলতাৰ বাবে এতিয়াৰ চৰকাৰ, শিক্ষাবিভাগ আৰু শিক্ষা পদ্ধতি দায়ী হোৱাৰ দৰে আগলৈও বেচি দায়ী হ'ব।

ছাত্র-ছাত্রী : আমাৰ চকুৰ আগত দেখা পাওঁ অভাৱ-অনাটন আৰু ওপৰত দেখুৱা অসুস্থ পৰিবেশৰ মাজতো কিছুমান লৰাছোৱালীয়ে শিক্ষাত আগবাঢ়ি বিশ্ববিদ্যালয়ত নাম কৰে আৰু ধনী পৰিয়ালত জন্ম গ্ৰহণ কৰি সকলো ধৰণৰ সুবিধা লাভ কৰিও কিছুমানে পঢ়া-শুনা কৰিব নোৱাৰি স্কুল কলেজ এৰি বিপথগামী হয়। সমাজত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰে। পৰিবেশ যেনে ধৰণৰ নহওক ছাত্র-ছাত্রীয়ে সকলে পৰা ৰিপু দমনৰ কাৰণে সংযম কৰিবলৈ শিক্ষা লাভ কৰিব লাগিব। এইটো হৈছে ব্যক্তিগত কথা। আমি মহা-পুৰুষ সকলৰ জীৱনী আৰু অন্যান্য ধৰ্ম্ম গ্ৰন্থ পঢ়ি তেনে কাৰ্য্যত আগবাঢ়িব পাৰোঁ। এনে সংযমৰ ভাৱ মনলৈ আহিলে পাঠ্যপুথিত ছাত্র-ছাত্রীসকলে মনোনিবেশ কৰিব পাৰিব আৰু শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ সক্ষম হ'ব। এনে পৰিবেশৰ মাজতো উচ্চ মাধ্য-

মিক পৰীক্ষাত শতকৰা ৯৬ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীও আমাৰ মাজত আছে। নীতি আৰু উচ্চ আদৰ্শ আগত ৰাখি অধ্যয়নৰ প্ৰতি বিশেষ মনোযোগ দিলে ছাত্ৰ-ছাত্ৰী সকলো পৰিবেশৰ পৰা উৰ্দ্ধত থাকিব পাৰিব। কষ্ট ধৈৰ্য্য আৰু একাগ্ৰতা সকলোৰে ওপৰত। শতকৰা কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যেনেকৈ সকলো পৰিবেশ আওকাণ কৰি পঢ়া-শুনাত একান্ত ভাবে লাগি উচ্চ শিক্ষাৰ বাটত জীৱন আগবাঢ়ি নিজৰ পৰিয়ালৰ আৰু সমাজৰ উন্নতিৰ চিন্তা কৰিছে, অন্যবোৰেনো কিয় আনক দোষ দি অধ্যয়নৰ প্ৰতি বিৰাগ মনোভাব দেখুৱাই বিশৃংখল ভাবে সমাজত বৰ্ত্তি থাকিব? প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰী কোমল বয়সৰ। তেওঁলোকে সকলো কথা নুবুজে, মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰী বয়সীয়া হয়, তেওঁলোকে সকলো বেয়া পৰিবেশ আওকাণ ক'ৰি অধ্যয়নত ৰত থাকিব লাগে। দেখাক দেখি পোচাক পৰিচ্ছদ বেছিকৈ কৰা, ধুম-পাণ আৰু অন্যান্য অনাৱশ্যকীয় বস্তু সেৱন কৰা, কথাছবি ৰংমঞ্চ টি ভি আদিত বেচি সময় অপব্যয় কৰা আদি কথাবোৰ সংযমৰ ভিতৰুৱা কথা। এনেবোৰ কথাই ছাত্ৰ-ছাত্ৰীৰ মনত উশৃংখল জগাই তোলে, ছাত্ৰ-ছাত্ৰীৰ মাজত এনেবোৰ কথা ক্ৰমাত বাঢ়িছে। গতিকে ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া ক্ৰমবৰ্দ্ধমানৰ উশৃংখলতাৰ বাবে ছাত্ৰ-ছাত্ৰীও কিছু পৰিমাণে দায়ী। ***

মোৰ শিক্ষকতা জীৱনৰ অভিজ্ঞতা

মোৰ শিক্ষকতা জীৱনৰ অভিজ্ঞতা সম্পৰ্কে কিবা লিখিব লাগিলে আজিৰ পৰা প্ৰায় ৪৬ বছৰৰ আগেয়ে ১৯৪১ চনৰ ১২ মেই তাৰিখে বিজ্ঞান আৰু গণিতৰ শিক্ষকৰূপে চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত ভৰ্ত্তি হোৱাৰ দিনৰপৰা কথাবোৰ মনত পেলাব লাগিব। সেই তাৰিখৰ পৰা সুদীৰ্ঘ ৩৮ বছৰ শিক্ষকতা কৰি ১৯৭৯ চনৰ ৩০ জুন তাৰিখে নিৰ্দিষ্ট বয়স হোৱাত কামৰ পৰা অৱসৰ পালোঁ। প্ৰথম তিনি বছৰ সহকাৰী শিক্ষক হিচাবে, তাৰ পিচৰ ৩৩ বছৰ সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু পিচৰ দুবছৰ উক্ত বিদ্যালয় উচ্চতৰ খাপলৈ উত্তীৰ্ণ হোৱাত বিদ্যালয়ৰ অধ্যক্ষ হিচাবে কাম কৰিছিলোঁ।

১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰায়বোৰ ছাত্ৰই বিদ্যালয় ত্যাগ কৰি আন্দোলনত ৰাইজৰ লগত জপিয়াই পৰিল, আমি উক্ত বিদ্যালয়ৰ চাৰিজন শিক্ষক শ্ৰীবিমান বৰা, শ্ৰীবলোৰাম বৰমুদৈ, ৺থুলেশ্বৰ হাজৰিকা আৰু মই উক্ত বিদ্যালয়ৰ শিক্ষকৰ পদ ইস্তফা দি স্বাধীনতা সংগ্ৰামত সক্ৰীয় ভাবে লাগি গলোঁ। ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে আমি ছাত্ৰ আৰু ৰাইজক চতিয়া থানা দখল কৰি থানাত জাতীয় ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰা অপৰাধত আমাক শিক্ষক কেইজনক আৰু ছাত্ৰনেতা কেইজনমানক আৰু দুজনমান ডেকা কৰ্মীক গ্ৰেপ্তাৰ কৰি তেজপুৰ কাৰাগাৰত ৰাখি ডেৰ-দুবছৰকৈ সশ্ৰম কাৰাদণ্ড দিলে। থানাত ত্ৰিৰঙ্গ জাতীয় পতাকা উত্তোলন কৰা ভাৰতৰ ভিতৰতে চতিয়াত সৰ্বপ্ৰথম বুলি আমি পিচত জানিব পাৰিলোঁ। স্বাধীনতা সংগ্ৰামত ছাত্ৰ আৰু শিক্ষক সকল লাগি থকাৰ ফলত এবছৰৰ ওপৰকাল চতিয়া উচ্চ মাধ্যমিক বিদ্যালয় বন্ধ আছিল। ১৯৪৩ চনৰ প্ৰৱেশিকা পৰীক্ষা উক্ত বিদ্যালয়ৰ ছাত্ৰই পৰিত্যাগ কৰিলে।

আমি কাৰাগাৰত থকা অৱস্থাত পৰিচালনা সমিতি আৰু আন্দোলনত যোগ নিদিয়া শিক্ষক কেইজনমানে বিদ্যালয় পুনৰ খুলিবৰ কাৰণে যত্ন কৰিছিল যদিও বৰ কৃতকাৰ্য্য হ'ব নোৱাৰিলে। ১৯৪৪ চনত আন্দোলন প্ৰায় শাম কাটিলে, আমাক কাৰাগাৰৰপৰা মুক্তি দিলে। সেই চনৰ আগষ্ট মাহত পৰিচালনা সমিতিয়ে মোক চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিয়োগ কৰি বিদ্যালয় পুনৰ ভাল ভাবে পাতিবৰ কাৰণে দায়িত্ব দিলে। মই পৰিচালনা সমিতিৰ সভ্য সকলৰে সৈতে গাৱে-ভূঞে ঘূৰি আন্দোলনত বিদ্যালয় ত্যাগ কৰা সেই সময়ত ঘৰত থকা ছাত্ৰসকলক বুজাই-বঢ়াই বিদ্যালয়লৈ ঘূৰাই আনি বিদ্যালয়ৰ ছাত্ৰসংখ্যা বৃদ্ধি কৰিলো। বহু পৰিশ্ৰমৰ মূৰত সৰ্ব্বমুঠ ১১০ জন মাত্ৰ ছাত্ৰ-ছাত্ৰী বিদ্যালয়ত হ'ল। ১৯৪৫ চনত সকলো ৰাজনৈতিক বন্দীক যেতিয়া মুক্তি দিলে তেতিয়া বিদ্যালয়ত ছাত্ৰ বাঢ়িল। ১৯৪৪-৪৫ চনত ২য় মহাসমৰ চ'ল আছিল। প্ৰায়বোৰ শিক্ষিতলোক যুদ্ধৰ সময়ত বেচি টকা দৰমহাৰ চাকৰিত ব্যস্ত আছিল; বিদ্যালয়ত শিক্ষকতা কৰা লোকৰ সংখ্যা কমি গ'ল। আগৰ যিসকল শিক্ষক আছিল, বিদ্যালয় বন্ধ থকাত প্ৰায়বিলাকে অন্য ঠাইত চাকৰিৰ কাৰণে গুচি গ'ল। আই, এ; নৰ্মাল আৰু প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা লোকৰদ্বাৰা বিদ্যালয় পৰিচালনা কৰিবলগীয়া অৱস্থা হৈছিল। আঠোটা শ্ৰেণীত আঠজন শিক্ষকো গোটোৱা টান হৈছিল। স্নাতক শিক্ষক মোৰ বাহিৰে এবছৰমানলৈ কোনো নাছিল, মই বিজ্ঞানৰ স্নাতক হৈও ইংৰাজী শিক্ষকৰ অভাৱত বিদ্যালয়ৰ ৯ম আৰু দশমমান শ্ৰেণীত ইংৰাজী পঢ়াই প্ৰবেশিকা পৰীক্ষাৰ বাবে ছাত্ৰসকলক সাজু কৰিবলগীয়া হৈছিল। তেনে অৱস্থাতো ছাত্ৰসকলৰ আগ্ৰহ আৰু দৃঢ় মন থকা বাবে তেওঁলোকৰ শতকৰা ৯০/৯৫ জন কোনো বছৰ শতকৰা ১০০ জন প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ বিদ্যালয়ৰ গৌৰৱ বঢ়াইছিল। বিদ্যালয়ৰ আচবাব নাছিল, ঘৰ-দুৱাৰ ভগা-ছিগা, অৰ্হতা সম্পন্ন শিক্ষক নাছিল। যুদ্ধ চলি থকাত বস্তুৰ দাম আগতকৈ বহুগুণে বাঢ়িছিল, শিক্ষকসকলৰ তেতিয়াও দৰ-

মহা আছিল, স্নাতক হ'লে মাহে ২৫ টকা, নৰ্মাল পাচ শিক্ষকৰ মাহে ২০ টকা আৰু প্ৰৱেশিকা পাচ শিক্ষকৰ মাহে ১৫ টকা। কোনো মৰগীয়া বানচ নাছিল। ১৯৪৫ চনত যুদ্ধ শেষ হোৱা বছৰত বস্তুৰ চৰা দামৰ বাবে সেইসময়ৰ ছাতুল্লা চৰকাৰে সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষক সকলৰ বাবে মাহে এটকা হিচাবে মৰগীয়া বানচ বছৰটোত দুটা কিস্তিত আদায় দিয়া কথা আজিও মোৰ মনত আছে। দেশ স্বাধীন হোৱাৰ পিচত অসম চৰকাৰে ১৯৪৮ চনৰ এপ্ৰিল মাহৰ পৰা মাহে ৭ টকা হিচাবে মৰগীয়া বানচ দিছিল। আমাৰ মনত আছে ১৯৪২ চনত কাৰাগাৰলৈ যোৱাৰ আগতে ধানৰ মূল্য মোনে এটকা আছিল, অন্যান্য বস্তুবো কম মূল্য আছিল। কাৰাগাৰৰ পৰা আহি ১৯৪৪ চনত ধানৰ মূল্য মোনে ১৮ টকা হোৱা দেখা পাইছিলো। অন্যান্য বস্তুৰ চৰাদাম হৈছিল, তথাপি সাহায্যপ্ৰাপ্ত স্কুলৰ শিক্ষকসকলৰ কাৰণে সেই সময়ৰ চৰকাৰে কোনো চিন্তা কৰা নাছিল, মই কাম কৰা স্কুল খনে মাহিলি চৰকাৰী মঞ্জুৰী এশটকা আৰু বিজ্ঞান শিক্ষকৰ বাবে মাহে ৫০ টকা অতিৰিক্ত মঞ্জুৰী চৰকাৰৰ পৰা পাইছিল।

এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী প্ৰায়বোৰ দুখীয়া। তেওঁলোকে বিদ্যালয়ত মাচুল মাফ দিয়াবে। মাচুলৰপৰা উঠা টকা আৰু চৰকাৰৰপৰা পোৱা এশ মঞ্জুৰীৰে শিক্ষকক ওপৰত উল্লিখিয়াই আহা হাৰণে দৰমহা দিবলৈ নাটে। পৰিচালনা সমিতিৰ দুই-এজনক লগত লৈ ৰাইজৰ পৰা দান-বৰঙণি তুলি ফুৰাব লাগে। তেতিয়াৰ দিনত চাৰিঅনা - আঠঅনা, কাচিৎহে টকাটো দান দিয়া মানুহৰ অভ্যাস আছিল। মোৰ দৰমহা প্ৰধান শিক্ষক হিচাবে পৰিচালনা সমিতিয়ে মাহে ৬০ টকা হিচাবে নিৰ্দ্ধাৰিত কৰিছিল যদিও দান-বৰঙনি সংগ্ৰহ কৰিব পাৰিলেহে সিমান টকা পাওঁ। নহ'লে তাৰ কমতে সন্তুষ্ট থাকিব লাগে। শিক্ষকসকলে সেইসময়ত শিক্ষাদানক সমাজৰ কাম বুলি ধৰিছিল। ছাত্ৰসকলক কেনেকৈ ভালভাবে শিক্ষাদান দি প্ৰৱেশিকা পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰাব পাৰিব সেইটোৱেই তেওঁ-

লোকৰ চিন্তা আছিল। ঘৰত প্ৰতিদিন কৰিবলৈ দিয়া ছাত্ৰৰ কাম আৰু বিদ্যালয়ত দিয়া কাম বিদ্যালয়ত চাই শেষ কৰিব নোৱাৰি শিক্ষকে ঘৰলৈ লৈ গৈ পিচদিনা চাই ছাত্ৰক ঘূৰাই দিয়া কথা আমাৰ মনত আছে। পঢ়া-শুনা আৰু কাম কৰি ননা বাবে কিছু ছাত্ৰক ছুটীৰ পিচত শিক্ষকে বিভিন্ন দিনত ৰাখি কাম আদায় কৰা দৃষ্টান্ত আছিল। বিদ্যালয়ত শিক্ষক অতি কম থকা বাবে মইও ৭ম মানৰপৰা দশমমানলৈ গণিত, ৯ম দশম মানত অতিৰিক্ত গণিত পঢ়াব লগীয়া হৈছিল। কাৰ্য্যালয়ৰ কাম কাজ ছুটীৰ পিচত থাকিহে কৰা হৈছিল। প্ৰধান শিক্ষক হৈও গণিতত পিচপৰা ছাত্ৰ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ কৰাবৰ বাবে ছুটীৰ পিচত ৰাখি বিনামূলীয়াকৈ পাঠ দান দি যত্ন কৰা কথা ভাবিলে আজি আচৰিত যেন লাগে। তেনে পৰিবেশৰ মাজতো ছাত্ৰই গণিতত প্ৰৱেশিকা পৰীক্ষাত লেটাৰ পাইছিল। এই বিদ্যালয় ১৯১৯ চনত দৰং জিলাৰ ভিতৰত (সেইসময়ৰ) সৰ্ব্বপ্ৰথম বেচৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় আছিল। ইয়াৰ আগতে এই অঞ্চলৰ গাঁৱলীয়া ঠাইৰ ল'ৰা-ছোৱালীয়ে এনে শিক্ষা লবলৈ সুবিধা পোৱা নাছিল, তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়াৰ সুবিধা সকলোৰে ভাগ্যত নঘটিছিল। ছাত্ৰসকলে পঢ়াটোকে মূল কথা বুলি ধৰিছিল। শিক্ষক ছাত্ৰৰ মাজত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল, সমাজৰ পৰিবেশো বৰ ভাল আছিল। ছাত্ৰ ছাত্ৰী কম আছিল, গতিকে দা-দৰমহাৰ ফালৰ পৰা শিক্ষকসকল লাভবান নহলেও বৰ মনোযোগেৰে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক শিক্ষা দান দি আগবঢ়াই নিয়াত সহজ আছিল।

বিদ্যালয়ৰ ঘৰ-দুৱাৰ সাজিবলৈ আৰু সা-সৰঞ্জাম কিনিবলৈ বৃটিছ চৰকাৰৰ দিনত কোনো টকা মঞ্জুৰী দিয়া নাছিল, ডেকা উৎসাহী শিক্ষক, পৰিচালনা সমিতিৰ দুই-চাৰিজন সভ্য লগত লৈ মাজে মাজে বিদ্যালয় ছুটীৰ পিচত, বন্ধৰ দিনত গাৱেঁ-ভুঞে বাইচাইকেল কোবাই খাইজৰ পৰা সংগ্ৰহ কৰি বিদ্যালয়ৰ ঘৰ-দুৱাৰ সজা কাম আমি কৰিছিলোঁ। পৰীক্ষাৰ ফলাফল ভালকৰা, বিদ্যা-

লয়ৰ ঘৰ-দুৱাৰৰ উন্নতি সাধন কৰা সকলো বিষয়তে শিক্ষানুষ্ঠানটো আগবঢ়াই নিয়া শিক্ষক সকলৰ লক্ষ্য আছিল।

মই শিক্ষক আৰু ছাত্রসকলক সমাজ সেৱাৰ ভাৱত অনুপ্রাণিত কৰিবৰ কাৰণে সদায় যত্ন কৰি আহিছিলোঁ। প্রতি শনিবাৰ বোৰত এটা সময়ত সমাজ সেৱাৰ আঁচনি প্রবর্ত্তন কৰিছিল, সেইবোৰ আঁচনি কার্য্যকৰী কৰিবৰ কাৰণে মই প্রতি দুজনকৈ শিক্ষকৰ দায়িত্বত দুটাকৈ শ্রেণী ভাগ কৰি গাঁৱত আলিবাট বন্ধা, বাঁহৰ দলং মেৰামতি কৰা, পচন সাৰ আদি তৈয়াৰ কৰাৰ পদ্ধতি দেখুৱা, গাঁৱৰ কুঁৱাৰ পাৰ আদিত নলা খান্দি পৰিষ্কাৰ কৰি দিয়া আদি কামত ছাত্রসকলক লগাইছিলো। সমাজৰ মানুহবোৰে ছাত্রসকলক মৰমৰ চকুৰে চাইছিল, শিক্ষকসকলকো বৰ সন্মান কৰিছিল। বাংজৰ ছাত্র-ছাত্রীৰ অভিভাৱক সকল থাকে। এইদৰে শিক্ষক, ছাত্র-ছাত্রী আৰু অভিভাৱকৰ মাজত মধুৰ সম্পর্ক এটি গঢ়ি উঠিছিল, তাৰ ফলত ছাত্র-ছাত্রীয়ে শিক্ষানুষ্ঠানৰ নিয়ম-কানুন ৰক্ষা কৰি চলছিল। কোনোবা ছাত্রই বিশেষ ধৰণৰ অনুশাসনহীনতাৰ কাম-কাজ কৰিলে তেওঁক শুদ্ধৰাবৰ বাবে ছাত্রজনৰ ঘৰলৈ গৈ মই বা কোনোবা এজন শিক্ষকক তেওঁৰ ঘৰলৈ পঠাই ছাত্রজনৰ বিষয়ে অভিভাৱকৰ লগত আলোচনা কৰি তেওঁক শুদ্ধৰ পথলৈ আনিবৰ কাৰণে যত্ন কৰিছিলোঁ, এনে কৰাত প্রায় কৃতকার্য্যতা লাভ কৰিছিলোঁ। এনে ধৰণৰ উপায় উলিয়াই সজ পথলৈ আনিব নোৱাৰা ছাত্রজনৰ বিচাৰ কৰি কেনে শাস্তি বিহিব লাগে এই বিষয়ে নিদ্ধাৰণ কৰিবৰ কাৰণে বিদ্যালয়ৰ ছাত্র সংসদৰ গাত ভাৰ দিছিলোঁ। তেওঁলোকে বিচাৰ কৰি আমাক জনায়। তেওঁলোকৰ বিচাৰ উপযুক্ত বুলি বিবেচনা কৰিলে আমি শিক্ষকসকলে তেওঁলোকে দিয়া পৰামর্শ মতে বিচাৰ কৰি ছাত্র জনক সজ পথলৈ আনিব পাৰিছিলোঁ। ছাত্র সংসদক দায়িত্ব দিয়াত প্রায়বোৰ কাম সহজ হৈছিল। সংসদৰ শিক্ষক অধ্যক্ষজন তেওঁলোকৰ লগত পৰামর্শৰ বাবে থাকে।

মই ১৯৪৯ চনতে দিল্লীৰ জামিয়ামিলিয়া-ইচলামীয়া বিশ্ববিদ্যালয়ত এবছৰ থাকি বুনিয়াদী শিক্ষাৰ স্নাতকোত্তৰ ডিপ্লোমা লৈ আহিছিলোঁ। তেতিয়া ড. জাকিৰ হুচেইন সেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আছিল। প্ৰশিক্ষণ লবৰ বাবে অসম চৰকাৰে পঠাইছিল, মোৰ শাৰীৰিক পৰিশ্ৰমৰ প্ৰতি প্ৰেৰণা সদায় আছিল। বিদ্যালয়ত প্ৰথম কেইবছৰত সূতাকটা মিস্ত্ৰি-বিদ্যা আদি কামবোৰ হাতৰ কামৰ ঘণ্টাত ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিছিলোঁ। তাৰ বাহিৰে প্ৰত্যেক শ্ৰেণীৰ কাৰণে বিদ্যালয়ৰ ঘৰৰ সন্মুখতে একোখনকৈ ফুলনিবাৰী বেৰ দি দিয়াইছিলোঁ। তাত শ্ৰেণীয়ে প্ৰতি ছাত্ৰ-ছাত্ৰী সকলে ফুল ৰুই আৱশ্যকীয় সাৰ-পানী দি যত্ন কৰি দেখনীয়াৰ কৰিবৰ কাৰণে প্ৰতিটো শ্ৰেণীয়ে সামূহিক ভাবে প্ৰতিযোগিতা কৰিছিল। এইবোৰ কামত মই নিজে হাতে কামে লাগিছিলো আৰু শিক্ষক সকলেও ছাত্ৰ ছাত্ৰী সকলক পৰিশ্ৰমৰ কাৰণে পিচ নপৰিবৰ বাবে উৎসাহ দিছিল আৰু তেওঁলোকক ওপৰৰ কাম বিলাকত ছাত্ৰক বাট দেখুৱাইছিল। সাধাৰণতে শনিবাৰে পুৱা স্কুল পাতি এইবোৰ কাম কৰোৱা হৈছিল, যাতে ছাত্ৰ-ছাত্ৰীয়ে কাপোৰ কানি লেতেৰা হলেও পিচদিনা ৰাতিপুৱা ধুব পাৰে। শিক্ষকক বাস্তৱমুখী কৰিবলৈ জ্ঞান আৰু কৰ্মৰ সমন্বয় সাধনৰ আৱশ্যক। আনুষ্ঠানিক শিক্ষা আৰু কৰ্ম জীৱনৰ মাজত ক্ৰমাগত বৃদ্ধি হোৱা শূণ্যতা খিনি আতৰ কৰিবলৈ গান্ধীজীয়ে বুনিয়াদী শিক্ষা কৰ্ম দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত কৰিছিল। কিন্তু কেৱল পুথিগত বিদ্যাৰে শিক্ষিত সমাজৰ গান্ধীজীৰ কৰ্মকেন্দ্ৰিক বুনিয়াদী শিক্ষাই যেনেকৈ পাবলগীয়া সমাদৰ নাপালে বহুত দিনৰ মূৰত কোঠাৰী আয়োগে দাখিল কৰা কৰ্ম অভিজ্ঞতাৰ আঁচনিও বিফল হ'ল। এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ কৰ্মৰ প্ৰতি ধাউতি আৰম্ভণী পৰা সৃষ্টি কৰাত কৰ্মঅভিজ্ঞতাৰ আঁচনি এই বিদ্যালয়ত পাল মৰা ধৰণৰ নহৈ প্ৰকৃত ভাবে সফল হৈছিল। ঘৰত বিভিন্ন ধৰণৰ কাম-কাজ ছাত্ৰ-ছাত্ৰীক কৰি আনিবলৈ দিয়াৰ উপৰিও ছাত্ৰ ছাত্ৰীয়ে প্ৰকৃততে কামবোৰ নিজে কৰিব পাৰিছেনে স্কুলত তেনে কাম কৰিবলৈ

দি পৰীক্ষা লোৱা হৈছিল। শিক্ষকৰ পৰিচালনাত ছাত্ৰ-ছাত্ৰীয়ে চলোৱা সমবায় অনুষ্ঠান আজিও ভাল ভাবে চলি আছে, তাত বছৰি প্ৰায় হাজাৰ টকাৰ ওপৰ লাভ হৈছে।

এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ শ্ৰমৰ প্ৰতি থকা আগ্ৰহ লক্ষ্য কৰি অসম চৰকাৰৰ শিক্ষাধিকাৰ শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাদেৱৰ অনুমোদন মতে ভাৰত চৰকাৰৰ শিক্ষা দপ্তৰে ১৯৬০ চনত বিদ্যালয়ত প্ৰেক্ষাগৃহ এটা নিৰ্মাণ কৰিবৰ কাৰণে ৩৫০০০ হাজাৰ (পয়ত্ৰিশ হাজাৰ) টকা মঞ্জুৰী দিছিল। প্ৰেক্ষাগৃহত হ'ব লগা খৰচৰ ভিতৰত চৰকাৰী মঞ্জুৰীৰ আধাভাগ বিদ্যালয় পৰিচালনা সমিতিয়ে বহন কৰিব লাগিছিল আৰু সম্পূৰ্ণ খৰচৰ শতকৰা ২০ ভাগ মূল্যৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে শ্ৰম দান দিছিল। শনিবাৰে ছাত্ৰ আৰু শিক্ষকক ছুটীৰ পিচত ৰাখি শিক্ষকসকলৰ পৰিচালনাত ওপৰ শ্ৰেণীৰ ছাত্ৰৰ হতুৱাই প্ৰেক্ষাগৃহৰ কাৰণে আঁতৰৰপৰা বালি কঢ়িওৱা, ইটা, শিলগুটি আদি খোৱা বেৰৰ কামকৰা, ইটাৰ গাঠনি কৰা, পকাত পানী দিয়া, বাটামত ৰং আদি লগোৱা কাম কৰাইছিল, ছাত্ৰসকলে উৎসাহেৰে সেই কামবোৰ কৰিছিল; তাৰ ফটো আজিও আছে। আগতীয়াকৈ খবৰ নিদিয়াকৈ অতিৰিক্ত শিক্ষাধিকাৰ শ্ৰীগোলাপ চন্দ্ৰ শৰ্মা ৰকুৱা আৰু অসম চৰকাৰৰ শিক্ষা বিষয়ৰ বিশেষ বিষয়া মঃ মুকুল ইচলাম্ ডাণ্ডৰীয়া চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়লৈ আহি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক শনিবাৰে ছুটীৰ পিচত কাম কৰি থকা দেখি বৰ আচৰিত হৈছিল আৰু বৰ আনন্দ পাইছিল; এইদৰে শ্ৰীশৰ্মাৰকুৱাই টোকা লিখি থৈ গৈছিল—"স্কুলখনে কৰা ভাল কামৰ বাবে মই মোহিত হৈছোঁ, প্ৰেক্ষাগৃহ আৰু ৰঙ্গমঞ্চ নিৰ্মাণ কাৰ্য্যত ছাত্ৰসকলে কৰা কাম বৰ প্ৰশংসনীয়। অতি কম সময়ৰ ভিতৰত ক্ষিপ্ৰগতিত এই কাম আগবাঢ়িছে।" ভাৰত চৰকাৰৰ আংশিক অনুদান, পৰিচালনা সমিতিৰ আৱশ্যকীয় পুঁজি সংগ্ৰহ আৰু ছাত্ৰ আৰু শিক্ষকৰ শ্ৰমদানৰ বিনিময়ত চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত এহেজাৰ দৰ্শক ধৰা এটা প্ৰেক্ষাগৃহ আৰু লগতে এটা ৰঙ্গমঞ্চ এই অঞ্চলৰ ভিতৰত

লেখত নৱকগীয়া হিচাবে গঢ়ি উঠিল। পঢ়িকে মোৰ অভিমত এই যে প্ৰধান শিক্ষকজন যদি শাৰীৰিক পৰিশ্ৰমৰ প্ৰতি উৎসাহী হয় শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে কেতিয়াও শাৰীৰিক পৰিশ্ৰম অৱহেলা নকৰে, সকলো নিয়াৰিকৈ হৈ যায়।

১৯৪৮ চনত চতিয়াত অসম চৰকাৰে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ এটা আৰম্ভ কৰিছিল। এবছৰমান চলাৰ পিচত এই কেন্দ্ৰ তুলি দি তাতে চতিয়া নৰ্মাল স্কুল পাতে। চতিয়া বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ অধীনত ১৩ খন প্ৰাথমিক বিদ্যালয় (চতিয়াৰ) বুনিয়াদী প্ৰাথমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰিছিল। চতিয়াৰ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ উঠি যোৱাত সেই বিদ্যালয়বোৰৰ পৰিচালনা আৰু পৰিদৰ্শনৰ ভাৰ লওঁতা নোহোৱা হ'ল। ইফালে বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক আৰু সহ পৰিদৰ্শক সকলৰ বুনিয়াদী শিক্ষাত প্ৰশিক্ষণ নাছিল। সেই সময়ৰ শিক্ষামন্ত্ৰী ৺মাননীয় অমিয় কুমাৰ দাসে সেই বুনিয়াদীলৈ ৰূপান্তৰিত কৰা প্ৰাথমিক বিদ্যালয়সমূহ মাজে মাজে চাবলৈ আৰু সেইখিনি পৰিচালনা কৰিবলৈ মোক ভাৰ দিলে। মই স্কুলবোৰ পুৱা পাতি মাজে মাজে পৰিদৰ্শন কৰিছিলো। তাৰ পিচত পুৱা ৯ বজাৰ আগে আগে ঘৰলৈ ঘূৰি গৈ পুনৰ ১০ বজাৰ আগে আগে নিজৰ চতিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত হাজিৰ হৈ কাম আৰম্ভ কৰিছিলো। সামান্য বানচ লৈ এই বুনিয়াদী বিদ্যালয়সমূহ ১৯৫২ ৰপৰা ১৯৫৮ চনলৈ পৰিচালনা কৰিছিলো। এইবোৰ উপকৰা দায়িত্ব লোৱা স্বত্বেও মই নিজৰ বিদ্যালয়লৈ কেতিয়াও পলমকৈ অহা নাছিলো আৰু কোনো বিষয়ত অৱহেলা কৰা নাছিলো।

বিদ্যালয়ৰ পুথিভঁৰাল যাতে টনকিয়াল হয় তাৰ প্ৰতি মই সদায় যত্ন লৈছিলো। প্ৰায়ে দহ হাজাৰ বচা বচা বিভিন্ন বিভাগৰ কিতাপ পুথিভঁৰালৰ কাৰণে কিনা হৈছিল। এই কিতাপ বিলাক প্ৰথমতে প্ৰতি শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ শ্ৰেণীত একোটাকৈ আলমাৰিত ৰাখি শ্ৰেণীৰ একোজন ছাত্ৰৰ দায়িত্বত দিয়া হৈছিল, ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়িবলৈ নি এসপ্তাহৰ মূৰত ঘূৰাই দিছিল।

বাহিৰা কিতাপ পঢ়া অভ্যাস ছাত্ৰ-ছাত্ৰীৰ মাজত হৈছিল। কিছুদিন পুথিভঁড়াল চলাৰ পিচত কিতাপ-পত্ৰ বেচিকৈ হেৰোৱাত শ্ৰেণী পুথি-ভঁড়াল উঠাই দি ছাত্ৰ-ছাত্ৰীক মূল পুথিভঁড়ালৰ পৰা কিতাপ নিবলৈ দিয়া হয়। এই বিষয়টো পৰীক্ষা কৰি চোৱা হ'ল।

এই বিদ্যালয়ৰ বৈশিষ্ট হৈছে ছাত্ৰসকল আৰু শিক্ষক সকল নিয়মানুবৰ্তিতা আৰু সময়ানুবৰ্তিতা ৰক্ষা কৰাত সদায় পটু। মই নিজে সদায় ১০ বজাৰ ১৫ মিনিট থকাত স্কুলত হাজিৰ হওঁ। গোটেই ৩৮ বছৰ শিক্ষকতা জীৱনত এদিনো পলম কৰা নাই। শিক্ষক সকলো ১০ বজাৰ আগে আগে বিদ্যালয়ত হাজিৰ হয়। কৰবাত দুই এজন শিক্ষকৰহে কেতিয়াবা দুই-তিনি মিনিট পলম হোৱা দেখা যায়। তেখেত সকলক কেতিয়াও মই পলম হোৱা বাবে একো কোৱা নাই। নিজে নিজে যাতে শুদ্ধ হয়, তাৰ প্ৰতিহে মই সজাগ থাকোঁ। ছাত্ৰ-ছাত্ৰীয়ে আৰু সকলো শিক্ষকে ১০ বাজিবলৈ ৫ মিনিট থাকোতে সতৰ্ক ধ্বনি বাজোতে বিদ্যালয়ৰ সমুখত থিয় দি প্ৰাৰ্থনা কৰে; মই সদায় তাত উপস্থিত থাকো। ৫ মিনিট প্ৰাৰ্থনা কৰাৰ পিচত ছাত্ৰ-ছাত্ৰী শ্ৰেণীলৈ যায়। কোনোবা ছাত্ৰ-ছাত্ৰী বা শিক্ষক প্ৰাৰ্থনাৰ আগত স্কুল আহি নাপালে তেওঁলোক বিদ্যালয়ৰ চৌহদৰ সমুখত প্ৰাৰ্থনা শেষ নহয় মানে বৈ থাকে। প্ৰাৰ্থনা শেষ হ'লে ছাত্ৰ-ছাত্ৰী শ্ৰেণীত সোমায়। কেতিয়াবা পলম হোৱা ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতে তেনে নকৰিবৰ কাৰণে সতৰ্ক কৰি দিয়া হয়। ছাত্ৰ-ছাত্ৰী বা শিক্ষক বিদ্যালয়লৈ পলম কৰি অহা কথাটো প্ৰায় নহয়।

বিদ্যালয়ৰ বটা বিতৰণী সভা, পৰিচালনা সমিতিৰ বৈঠক, অভিভাৱক সমিতি আদি নিৰ্দিষ্ট সময়ত পতা হৈছিল। প্ৰথম অৱস্থাত কিছু মানুহ পলমকৈ অহা হৈছিল, কিন্তু যেতিয়া দেখিলে যে নিমন্ত্ৰণী চিঠিত দিয়া সময় মতে সভা আৰম্ভ হৈছে; সময়ৰ অলপো হেৰফেৰ হোৱা নাই। তেতিয়াৰ পৰা এই বিদ্যালয়ৰ সভা-সমিতি নিৰ্দিষ্ট সময়ত পাতিবৰ কাৰণে অলপো অসুবিধা নহৈছিল। এদিন বিদ্যালয়ৰ

বঁটা বিতৰণী সভা এখনলৈ তেজপুৰত থকা বিভাৰে বিদ্যালয় সমূহৰ পৰিদৰ্শকক নিমন্ত্ৰণ কৰা হৈছিল, সভাপতি হিচাবে। তেখেত দুই বজাত হ'ব লগীয়া সভাৰ কাৰণে ২ বাজি ১০ মিনিট যাওঁতে তেখেতৰ গাড়ী লৈ বিদ্যালয়ত হাজিৰ। ইতিমধ্যে ১০ মিনিট সময় সভাৰ কাম চলি আছে। আৰম্ভণিতে মই ৰাইজক ক'লো যে সভাপতি পোৱাহি নাই যদিও আমি সভা নিৰ্দিষ্ট ২ বজাত আৰম্ভ কৰিছো, মইয়ে বৰ্ত্তমান সভাপতিৰ অনুপস্থিতত সভাৰ কাম চলাই যাম, যেতিয়া সভাপতি আহিব তেতিয়া তেখেতক সভাপতিৰ আসন এৰি দিম; সেইমতে মই পৰিদৰ্শক মহোদয়ক সভাপতিৰ আসনত বহুৱাই সভাৰ কাৰ্য্য চলাবৰ কাৰণে অনুৰোধ কৰিলো। তেখেতে আসন গ্ৰহণ কৰাৰ লগে লগে উপস্থিত জনসমাজত জনালে যে নিৰ্দিষ্ট সময়ত সভা আৰম্ভ হ'ব আৰু নিৰ্দ্দিষ্ট সময়ত গোটেই প্ৰেক্ষাগৃহ ভৰি থকাকৈ দৰ্শক উপস্থিত থাকিব তেখেতে এই কথা ভাবিব পৰা নাছিল, তথাপি তেখেত নিৰ্দ্দিষ্ট সময়ত চতিয়া পাব বুলি ভাবিছিল। কিন্তু মাৰ নাৱঁত গাড়ী পাৰ কৰোঁতে তেখেতৰ পলম হ'ল। তেতিয়া ভৰলী দলং হোৱা নাছিল। এনেধৰণে একমিনিটো সময় হেৰফেৰ নোহোৱাকৈ নিৰ্দ্দিষ্ট সময়ত সভা আৰম্ভ হোৱা তেখেতে অন্য ঠাইত দেখা নাই বুলি ক'লে। এই বিদ্যালয়ৰ সভা সমিতিৰ কাৰণে দৰ্শকৰ উপস্থিতিৰ বাবে আমি কেতিয়াও অপেক্ষা কৰি থাকিব নালাগে, নিৰ্দ্দিষ্ট সময়ৰ আগেয়ে দৰ্শক আহি বৈ থাকে। সময়ৰ ব্যৱহাৰ যে উচিত মতে এই বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে কৰে এই কথা এতিয়া চাৰিওফালে সদৰি হৈছে। এই বিদ্যালয়ত শিক্ষালাভ কৰি কিছুমান অন্য উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক আৰু অধ্যক্ষ হিচাবে দায়িত্ব লোৱা লোক বৰ্ত্তমান এঘাৰজন আছে। বিদ্যালয়ত এই প্ৰধান সকলে ইয়াতে ছাত্ৰ অৱস্থাত শিকি যোৱা সময়ৰ প্ৰতি লক্ষ্য তেওঁলোকৰ বিদ্যালয়বোৰত যথা নিয়মে পালন কৰা মই দেখিবলৈ পাইছো। তেওঁলোকৰ বিদ্যালয়ৰ সভা সমিতিলৈ মোক নিমন্ত্ৰণ কৰিলে সেই সভা সমিতি নিৰ্দ্দিষ্ট সময়ত

তোৱা দেখিছোঁ। মই অন্যান্য ঠাইলৈ সভা সমিতিৰ বিভিন্ন দায়িত্বত প্ৰায়েই নিমন্ত্ৰণ পাই থাকোঁ, সেইবোৰ ঠাইত সভাসমিতি নিৰ্দ্দিষ্ট সময়ত পাতিব লাগে বুলি ধৰা বন্ধা কোনো নিয়ম নাই। তথাপি নিমন্ত্ৰণী চিঠিত দিয়া সময়ৰ পাচ মিনিট হ'লেও আগেয়ে গৈ সভা স্থান পোৱা মোৰ নিয়ম, তাৰফলত প্ৰায়ে ডেৰ-দুঘণ্টা সময় খাপ লৈ থাকিব লাগে। এনেকৈ বহুত সময় মোৰ জীৱনত নষ্ট হৈছে।

অসমত কংগ্ৰেছ চৰকাৰ হোৱাৰ দিনৰ পৰা সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ উন্নতিৰ কাৰণে যথাবিহিত ভাবে যত্ন কৰি আহিছে। দৰমহা পাতিৰ বৃদ্ধি হৈছে। বিদ্যালয়ৰ ঘৰ-দুৱাৰ সাজিবৰ কাৰণে আৱশ্যকীয় টকা মঞ্জুৰ কৰিছে, বিজ্ঞানৰ সা-সজুলি আৰু অন্যান্য আচবাব কিনিবৰ বাবে টকা পইচাৰ যোগান ধৰিছে। ১৯৫৯ চনৰ পৰা চৰকাৰী বিদ্যালয়ৰ শিক্ষকৰ দৰে সাহায্যপ্ৰাপ্ত বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰীক বেতন দি আহিছে। ১-১০-৭৭ তাৰিখৰ পৰা পাঠ্যক্ৰমে সাহায্যপ্ৰাপ্ত বিদ্যালয়বোৰ প্ৰাদেশীকৰণ কৰিছে। আমাৰ বিদ্যালয় খনেও ওপৰৰ সা-সুবিধা পাইছে।

মই একালে যেনেকৈ এই বিদ্যালয় খনৰ উন্নতিৰ কাৰণে আৰম্ভণিৰ পৰা অশেষ যত্ন কৰিব লাগিছিল। তাৰ উপৰি অসম সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষক সম্মিলনী বৰ্ত্তমান অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ১৯৪৬ চনৰ পৰা ১৯৭৯ চনলৈ প্ৰধান শিক্ষক হিচাবে কাম কৰা সময়খিনিত কাৰ্য্যকৰী সভাৰ সদস্য হিচাবে আমাৰ শিক্ষক সকলৰ বিভিন্ন দাবী পূৰণৰ বাবে সন্থাৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ কাম কৰিব লাগিছিল। ৪৬ বছৰৰ আগত আমি কাম আৰম্ভ কৰা সময়ত সাহায্যপ্ৰাপ্ত হাইস্কুলৰ শিক্ষকৰ অৱস্থা আৰু আজি হাইস্কুলবোৰ প্ৰাদেশীকৰণ হোৱাৰ পিছত সেই স্কুলবোৰৰ শিক্ষকৰ অৱস্থাৰ ভাল পৰিবৰ্ত্তন আমি দেখিবলৈ পাইছোঁ। চাকৰিৰ অন্তত পেঞ্চন আদিৰ ব্যৱস্থা কৰাটো বৰ আনন্দৰ কথা। আমাৰ চাকৰি জীৱনত আমি গোটেইবোৰ সুবিধা নাপালো যদিও সন্থাৰ ভবিষ্যতে

আমি চৰকাৰৰ লগত আলোচনা-বিলোচনাৰ মাজেদি কামবোৰ আদায় কৰি শিক্ষক সকলক আৰ্থিক আৰু অন্যান্য বিষয়ত কিছুলৈ আগবঢ়াই নিব পৰাত আমাৰ মনত যথেষ্ট আনন্দই দেখা দিছে। আমি কৰা পৰিশ্ৰমৰ ফল শিক্ষক সকলে কিছু পাইছে বাবে আমি নিজেই গৌৰব অনুভৱ কৰিছোঁ।

বিদ্যালয় বুলিলে নানা ধৰণৰ সমস্যা বিভিন্ন সময়ত উদ্ভৱ হয়, তেনে অৱস্থাত মই বিদ্যালয়ৰ শিক্ষক গোটক লগ ধৰি সমস্যা সমূহ তেখেত সকলক অৱগত কৰাওঁ। সমস্যা সমাধানৰ উপায় আদি উলিযাবৰ বাবে শিক্ষক সকলক দায়িত্ব দিওঁ, তেখেত সকলে তেনে দায়িত্ব পালে মনত আনন্দ পায় আৰু সমস্যা সমাধানৰ বাবে তৎপৰ হয়। কিবা নতুন আচনি বিদ্যালয়খনত প্ৰয়োগ কৰাৰ আগতে শিক্ষক সকলৰ লগত আলোচনা কৰি লওঁ। প্ৰধান শিক্ষক হিচাবে বিভিন্ন কামৰ মাজত দিনটো ব্যস্ত হৈ থকাৰ মাজতে সপ্তাহত দুই এদিন শিক্ষকে শ্ৰেণীত পাঠদান দিওঁতে লক্ষ্য কৰোঁ। তেওঁ পাঠদান আৰু কেনেকৈ উন্নত কৰিব পাৰিব সেই বিষয়ে এটা টোকা লিখি শিক্ষক জনক মোৰ কাৰ্যালয়লৈ মাতি আনি জনাই দিওঁ। এই পৰিদৰ্শনৰ বহী বিদ্যালয়ত আজিও আছে। এইদৰে ডেকা শিক্ষক সকলক মই উৎসাহ দি আগুৱাই নিছিলোঁ। আমি প্ৰধান শিক্ষকৰূপে কাম কৰি থকা অৱস্থাত শিক্ষা বিভাগৰ তৰফৰ পৰা বিভিন্ন জনে বিভিন্ন সময়ত বিদ্যালয় পৰিদৰ্শন কৰি বিচিত্ৰ টোকা লিখি পঠাইছিল। সেই পৰিদৰ্শন বিলাকে বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু সহকাৰী শিক্ষক সকলক বৰ উৎসাহিত কৰিছিল। শিক্ষাধিকাৰ সকলে সাহায্য-প্ৰাপ্ত হাইস্কুল পৰিদৰ্শন কৰা কথা আজিৰ দিনত ভাবিলে সপোন যেন লাগে, তথাপি সেই দিনত তেখেত সকলে কামৰ মাজতে সময় উলিয়াই বিদ্যালয়লৈ আহি বিদ্যালয়ৰ কাৰ্য্যালয়ৰ তথ্য-পাতি চোৱাৰ উপৰিও দুই-এটা শ্ৰেণীত সোমাই শিক্ষকে পঢ়োৱা চাইছিল। তেখেত সকলৰ ভিতৰত আছিল শিক্ষাধিকাৰ ৺সতীশ চন্দ্ৰ ৰয়, ৺উমাকান্ত

গোস্বামী, ৺দিবাকৰ গোস্বামী বিদ্যালয়ৰ পৰিদৰ্শক হিচাবে মাজে মাজে আহি বিদ্যালয়ত উপস্থিত হৈ শিক্ষক সকলৰ পাঠদান চাই-ছিল, বিদ্যালয় সমূহৰ পৰিদৰ্শক শ্ৰীসুৰেশ চন্দ্ৰ বাৰুখোৱা, শ্ৰীগোপাল চন্দ্ৰ শৰ্মা বৰুৱা, ৺অশ্বিনী কুমাৰ বৰকাকতী, মিচেচ্ বেচিলেইচ, আলহাজ চৈয়দ চামচুল হুদা, শ্ৰীকৰুণানন্দ দত্ত, শ্ৰীপ্ৰভাত চন্দ্ৰ দাস শ্ৰীবিষ্ণু দেৱ শৰ্মা প্ৰভৃতিয়ে সহকাৰী পৰিদৰ্শক ৺দেবেন্দ্ৰ নাথ ভট্টাচাৰ্য্য, ৺শঙ্খধৰ বৰুৱা, শ্ৰীসুৱৰ্ণ প্ৰভা বৰা প্ৰভৃতিয়ে বিদ্যালয়লৈ আহি শিক্ষক সকলৰ পাঠদান চাইছিল। এতিয়া বিদ্যালয়ৰ সংখ্যা বাঢ়িল, পৰিদৰ্শক, সহকাৰী পৰিদৰ্শক সকলে কাৰ্য্যালয়ৰ কামত ব্যস্ত গতিকে পৰিদৰ্শন কৰিবলৈ সময় নাপায়। বিদ্যালয়ৰ শিক্ষাৰ মান-দণ্ড বঢ়াবৰ কাৰণে পৰিদৰ্শনৰ নিতান্ত আৱশ্যক। উপায় উলিয়াই এই ব্যৱস্থা চৰকাৰে কৰিব লাগে।

মই শিক্ষকতা জীৱনত অৰ্থনৈতিক ক্ষেত্ৰত লাভবান নহ'ব পাৰোঁ. কিন্তু এই বিদ্যালয়ত শিক্ষকৰ অভাৱ, আচবাবৰ অভাৱ, ভগা ঘৰ দুৱাৰত পঢ়ি যোৱা ছাত্ৰ-ছাত্ৰীয়ে পিচৰ জীৱনত বিভিন্ন দিশত উচ্চ শিক্ষা লাভ কৰি নাম কৰা দেখি ভাল লাগিছে। সেই প্ৰাক্তন ছাত্ৰসকলেই শিক্ষকৰ গৌৰৱ আৰু আনন্দৰ বিষয়। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ভালেমান, তাৰ ভিতৰত অসমত পৰি-চিত কেইজনমানৰ নাম উল্লেখ কৰিব খুজিছোঁ। তলত নাম দিয়া সাতজন প্ৰাক্তন ছাত্ৰই বিভিন্ন বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছে— (১) ডঃ যজ্ঞেশ্বৰ হাতীবৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয় আৰু লণ্ডন বিশ্ববিদ্যালয়ত মুঠ দুটা বিষয়ত ডক্টৰেট ; (২) ডঃ পবিত্ৰ কুমাৰ শৰ্মা (মস্কো বিশ্ববিদ্যালয়ৰ ডক্টৰেট) (৩) ডঃ মহেশ ভূঞাঁ, (৪) ডক্টৰেট ডাক্তৰ হিৰণ্য খাটনিয়াৰ, (৫) ডক্টৰেট ডাক্তৰ মনোৰঞ্জন বৰকাকতী, (৬) ডঃ দ্বীপেন বৰা, (৭) ডঃ পদুম আজাদ।

তলত নাম দিয়া প্ৰাক্তন ছাত্ৰকেইজনে বিলাতত চিকিৎসা বিজ্ঞানৰ উচ্চ পৰ্য্যায়ৰ উপাধি লৈ আহি চিকিৎসা মহাবিদ্যালয়ত অধ্যাপনা কৰি আছে। (১) ডাঃ দুলাল বৰবৰটকী, (২) ডাঃ সুধীৰ

শীল (এওঁ অৱসৰ পাইছে), (৩) ডক্টৰেট ডাঃ হিৰণ্য খাটনিয়াৰ, (৪) ডাঃ কদম আজাদ (বিলাতত উচ্চ পৰ্য্যায়ৰ চিকিৎসাৰ উপাধি লৈ বিলাততে চাকৰি কৰি আছে।)

চতিয়া নৰ্মাল স্কুলৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ প্ৰাক্তন ছাত্ৰ শ্ৰীখোগ্যকেশ হাতীবৰুৱা আৰু চতিয়া বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাক্তন ছাত্ৰ শ্ৰীপুণ্যপ্ৰসাদ শইকীয়াই কৃতী শিক্ষক হিচাবে ৰাজ্যিক চৰকাৰৰ পুৰস্কাৰ লাভ কৰিছে।

মই কলিয়াবৰ উচ্চ মাধ্যমিক বিদ্যালয়ত কিছুদিন শিক্ষকতা কৰোঁতে বৰ্তমান নগাওঁ বি, বি, মহাবিদ্যালয়ৰ সুযোগ্য অধ্যক্ষ শিক্ষাবিদ শ্ৰীহৰেশ্বৰ গোস্বামীক তাত পঢ়াবলৈ পাইছিলোঁ। তেওঁও মোৰ প্ৰাক্তন ছাত্ৰ। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰাক্তন অধ্যক্ষ মুক্তি যোদ্ধা, সাংবাদিক শ্ৰীবীৰেন বৰকটকী, অসমৰ সুপ্ৰসিদ্ধ গীতিকাৰ, কবি, মুক্তিযোদ্ধা শ্ৰীকেশৱ মহন্ত, সাম্যবাদী লিখনীৰ বাবে চোভিয়েট লেণ্ড নেহেৰু বঁটা বিজয়ী, অসম খাদী বৰ্ডৰ প্ৰাক্তন বিষয়া, মুক্তিযোদ্ধা শ্ৰীপোৱাল বৰুৱা, বিশ্বনাথ মহাবিদ্যালযৰ প্ৰবক্তা বিভিন্ন বাতৰি কাকত, আলোচনী আদিত শিক্ষামূলক আৰু অন্যান্য উৎকৃষ্ট প্ৰবন্ধপাতিৰে সঘনে যোগান ধৰোতা, কেবাখনো পুথি ছপা কৰি প্ৰকাশ কৰি সাহিত্য চৰ্চাত এই অঞ্চলত আগবঢ়া শ্ৰীফটিক হাজৰিকা অসম সাহিত্য সভাৰ কাৰ্য্যকৰী কমিটিৰ প্ৰাক্তন সদস্য, চাহ বনুৱা সম্পৰ্কে গীত, প্ৰবন্ধ কিতাপ আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়াললৈ বৰঙণি যোগাওঁতা প্ৰাক্তন বনুৱাৰ উঠি অহা শিক্ষিত যুৱক শ্ৰীসুশীল কুৰ্মী, প্ৰবীন নাট্যকাৰ আৰু অভিনেতা অনাতাঁৰ তথা আলেখ্যৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত খ্যাতি আৰ্জি বঁটা লাভ কৰোঁতা বিলাতত অনাতাঁৰ কেন্দ্ৰ পৰিচালনাৰ উচ্চখাপৰ প্ৰশিক্ষণ লৈ আহি বৰ্ত্তমান ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ সঞ্চালক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি থকা হেলেমৰ শ্ৰীঅৰুণ শৰ্ম্মা; কথাছবিৰ সুদক্ষ পৰিচালক আৰু প্ৰযোজক শ্ৰীজনচ মহল্লীয়া আমাৰে ছাত্ৰ আছিল।

অসম চৰকাৰৰ প্ৰশাসনীয় বিভাগত কাম কৰা উচ্চ পৰ্য্যায়ৰ প্ৰশাসৰ বিষয়া শ্ৰীক্ষীৰ প্ৰসন্ন বৰুৱা প্ৰাক্তন গৃহ সচিব আৰু আয়ুক্ত (বৰ্তমান অৱসৰ পোৱা), (২) শ্ৰীকমল চন্দ্ৰ দাস উপ সচিব (বৰ্তমান অৱসৰ পোৱা), (৩) শ্ৰীসদানন্দ দাস জিলাৰ উপায়ুক্ত আয়ুক্তে প্ৰাক্তন হোৱা, (৪) অসম চৰকাৰৰ ৰাজহ বিভাগৰ উপ সচিব হিচাবে অৱসৰ গ্ৰহণ কৰা বিহালীৰ শ্ৰীভৱানী উপাধ্যায় আৰু (৫) অসম ৰাজ্যিক বিদ্যুৎ পৰ্ষদত অতিৰিক্ত মুখ্য অভিযন্তা ৰূপে কাৰ্য্য নিৰ্বাহ কৰি থকা তেজপুৰৰ শ্ৰীপ্ৰবোধ শৰ্মা তেজপুৰ একাডেমীত মই শিক্ষকতা কৰি থকা কালত দুয়োকে ওপৰ শ্ৰেণীত পঢ়াবলৈ পাইছিলো। (৭) শ্ৰীশৈলেন্দ্ৰ কুমাৰ শীল অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ বৰ্তমান উপসচিব আৰু চতিয়া হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ত ২য় স্থান লাভ কৰোতা (এতিয়ালৈকে কোনো ছাত্ৰই তেওঁৰ বাহিৰে প্ৰবেশিকা পৰীক্ষাত স্থান এই বিদ্যালয়ৰপৰা পোৱা নাই) (৮) ভাৰতীয় পৰিসংখ্যা বিজ্ঞান সেৱাত উত্তীৰ্ণ হৈ বৰ্তমান ভাৰত চৰকাৰৰ যোজনা মন্ত্ৰালয়ত সহকাৰী সঞ্চালক পদত চাকৰি কৰি থকা শ্ৰীহিৰণ্য কুমাৰ বৰা, কটন মহাবিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ প্ৰৱক্তা হিচাবে কাম কৰি থকা চতিয়াৰ একমাত্ৰ লোক শ্ৰীবঙ্গীন শৰ্মা, মৰাপাট শিল্পৰ উচ্চ পৰ্য্যায়ৰ প্ৰশিক্ষণ বিলাতত লৈ আহি শিলঘাট সমবায় মৰাপাট কলত আদিৰে পৰা সেৱা আগবঢ়াই বৰ্তমান উক্ত অনুষ্ঠানৰ পৰিচালক সঞ্চালক হিচাবে গুৰি ধৰোতাঁ জামুগুৰীৰ শ্ৰীপৰমানন্দ গোস্বামী; ফুটবল খেলৰ কাৰণে অসমৰ বাহিৰত খেলিবলৈ যোৱা কৃতী খেলুৱৈ শ্ৰীজয় খাটনীয়াৰ আৰু শ্ৰীমাখন হাজৰিকাই চতিয়া হাইস্কুলতে শিক্ষা লাভ কৰিছিল। এই বোৰেই মোৰ শিক্ষক জীৱনৰ আনন্দৰ ছবি। বিদ্যালয়ৰ মেধাবী ছাত্ৰ সকলৰ ঘৰলৈ মাজে মাজে মই গৈ অভিভাৱক আৰু ছাত্ৰক লগধৰি পঢ়া শুনা কৰিবলৈ উৎসাহ আৰু উপদেশ দি মই যেনে ভাল পাইছিলো, সেইদৰে বিপথগামী ছাত্ৰক সজ পথলৈ আনিবৰ কাৰণে ও অভিভাৱকক লগধৰি বুদ্ধি পৰামৰ্শ দিও আনন্দ পাইছিলোঁ।। এইবোৰ মোৰ কৰ্তব্যৰ ভিতৰত

ৰাখিছিলোঁ। সেইদৰে তেওঁলোকৰ লগত নিবিৰ আৰু সৌহার্দ্য পূর্ণ সম্বন্ধ ৰাখিছিলোঁ, তেওঁলোকৰ প্ৰতিগৰাকীৰ অকুৰন্ত মৰম আছিল বিদ্যালয়ৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ নাম, ঠিকনা, অভিভাৱক সম্পৰ্কে বিতং খবৰ মই হৃদয়ঙ্গম কৰিবৰ কাৰণে যত্ন কৰিছিলোঁ। অভিভাৱকৰ সভাসমিতি সঘনে পাতি তেওঁলোকৰ ল'ৰা ছোৱালীৰ পৰীক্ষাৰ ফলাফল আলোচনা কৰিছিলো। মই সহকৰ্মী সকলৰ প্ৰতি সহানুভূতিশীল আৰু উদাৰ তেওঁলোকৰ গুণৰ মই প্ৰকাশ্যভাৱে শলাগ লওঁ। ইমান কৰ্মব্যস্ততাৰ মাজত থাকি মই কেতিয়াবা কেতিয়াবা শিক্ষক দুই এজনৰ শ্ৰেণীত পাঠদান কৰাৰ সময়ত তেওঁলোকৰ পাঠদানৰ প্ৰতি শ্ৰেণীৰ বাহিৰৰ পৰা লক্ষ্য কৰো, পিচত মোৰ কাৰ্য্যালিপি তেওঁলোকক মাতি নি মই পৰিদৰ্শন বহীত তেওঁলোকৰ পাঠদানৰ উন্নতিৰ বাবে লিখা কথাখিনি মাতি শুনাওঁ। তেওঁলোকে ভাল পায় বিদ্যালয়ৰ আয় ব্যয়ৰ হিচাব পাতি যাতে সদায় পৰিস্কাৰ হৈ থাকে তাৰ বাবে কাৰ্য্যালয়ৰ সহকাৰী সকলক উপদেশ দি থাকোঁ। চৰকাৰী হিচাব পৰীক্ষকে সেইবোৰ চাই ভাল মন্তব্য দিয়ে।

মুঠতে শিক্ষকতা সেৱাকে ব্ৰত হিচাবে লৈ অবসৰ গ্ৰহণ কৰাৰ আগমুহূৰ্তলৈকে প্ৰকৃতাৰ্থত সেই সেৱা কাৰ্য্যকৰী ৰূপ দিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো। ***

সংবাদ পত্র আৰু সাংবাদিকতা

জাতীয়, আন্তৰ্জাতিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক এই সকলো ক্ষেত্ৰতে সংবাদ পত্ৰই অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সভ্যতাৰ বিকাশৰ ধাৰাত সমাজৰ যোগাযোগৰ যি বোৰ মাধ্যম গঢ়ি উঠিছে তাৰ মাজত সংবাদ পত্ৰৰ কৰ্মক্ষেত্ৰ আৰু প্ৰভাৱ অধিক বেছি। ই সকলোতকৈ শক্তিশালী মাধ্যম। শিক্ষা আৰু সংস্কৃতিৰো গণতান্ত্ৰিক মাধ্যম হৈছে সংবাদ পত্ৰ। জন গণৰ মাজত শিক্ষাৰ ক্ৰম বিস্তাৰ, ৰাজনৈতিক সচেতনতাৰ ক্ৰম বিকাশ আৰু সংবাদ পত্ৰৰ মানৰ ক্ৰমোন্নতিৰ লগে লগে সংবাদ পত্ৰৰ ব্যৱহাৰ বাঢ়ি গৈছে। গণতান্ত্ৰিক জীৱনত সংবাদ পত্ৰৰ অপৰিহাৰ্য্যতা আৰু বেছি। গণতন্ত্ৰৰ অৰ্থই হৈছে ৰাইজৰ শাসন, ৰাইজৰ দ্বাৰা শাসন আৰু ৰাইজৰ বাবে শাসন। এনে শাসনত ৰাইজৰ স্বাধীন ভোটেৰে নিৰ্ব্বাচিত প্ৰতিনিধি সকলে ৰাইজৰ মত আৰু স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰি থাকিব লাগে। কিন্তু প্ৰশাসক মণ্ডলী হিচাবে এওঁলোক ৰাইজৰ পৰা কিছু পৰিমাণে শাৰীৰিক আৰু মনস্তাত্বিক ভাৱে সুকীয়া হৈ পৰে; এওঁলোকে কেতিয়াবা ৰাইজৰ মত আৰু স্বাৰ্থ অনুসৰি কাম নকৰি ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ হকে কাম কৰাৰ সম্ভাৱনা থাকে। ৰাইজৰ প্ৰতিনিধিয়ে যাতে ক্ষমতাৰ অপব্যৱহাৰ নকৰে আৰু ক্ষমতাই যাতে তেওঁক বিকাৰগ্ৰস্ত নকৰে তাৰ বাবে তেওঁৰ কাৰ্য্যকলাপৰ ওপৰত সদায় চকু দিয়া আৰু কাৰ্য কলাপ সমালোচনাৰ মাধ্যম হিচাবে সংবাদ পত্ৰই যথেষ্ট কাম কৰে। নিৰ্দ্দিষ্ট কালৰ মূৰত এবাৰ ভোট দি প্ৰতিনিধি নিৰ্ব্বাচন কৰাই যদি ৰাইজৰ কাম হয় তেনে হলে মধ্যবৰ্ত্তী কালছোৱাত ৰাইজ সম্পূৰ্ণ সুপ্ত অৱস্থাত থকাৰ সম্ভাৱনা। এই কালছোৱাত ৰাজহুৱা মন অবিৰাম সজাগ কৰি ৰাখে। ইংলণ্ডৰ শাসন যন্ত্ৰত হাউচ অৱ. কমনচ, হাউচ অৱ্ লৰ্ডচ আৰু জুডি

চিয়াৰী অৰ্থাৎ ন্যায় বিভাগ প্ৰত্যেকটোৱেই স্বতন্ত্ৰ বিভাগ আৰু ইটোৱে সিটোৰ ওপৰত চকু দি থাকে, তাৰ বাহিৰে সংবাদ পত্ৰ সমূহে fourthstate অৰ্থাৎ চতুৰ্থ ৰাষ্ট্ৰ হিচাবে ৰাইজৰ প্ৰহৰী স্বৰূপে সকলোৰে ওপৰত চকু দি ৰাষ্ট্ৰৰ গণতান্ত্ৰিক জীৱনক ৰক্ষা কৰি আছিছে। Ideas rule the world ভাবধাৰাই জগতক শাসন কৰে, অৰ্থাৎ সমাজ যন্ত্ৰৰ ভেটি মতামত, জনমত অতি শক্তিশালী বস্তু আৰু ই সদায় শাসনৰ মূল উপাদান, সংবাদ পত্ৰৰ জনমত গঢ়ি তোলে।

স্বাধীন গণতান্ত্ৰিক ভাৰতৰ কথা ভাবিলে আপেমা আপুনি সংবাদ পত্ৰৰ অধিকাৰ আৰু কৰ্ত্তব্যৰ কথা মনত পৰে। আয়তন আৰু লোক সংখ্যালৈ চাই ভাৰত বৰ্ত্তমান যি গণতন্ত্ৰৰ পৰীক্ষা চলিছে ই গণতন্ত্ৰৰ বুৰঞ্জীত আটাইতকৈ ডাঙৰ কথা বুলি কব পাৰি। ভাৰতত এতিয়ালৈকে শিক্ষিতৰ সংখ্যা নিচেই কম। যেতিয়ালৈকে ভাৰতৰ জনসাধাৰণ উপযুক্ত হিচাবে শিক্ষিত নহয় তেতিয়ালৈকে গণ-তন্ত্ৰৰ মুখপাত্ৰ আৰু মুখ্য প্ৰহৰী হিচাবে কাম কৰাৰ দায়িত্ব সংবাদ পত্ৰৰ ওপৰত পৰিছে। এচিয়া আৰু আফ্ৰিকাৰ ন-কৈ স্বাধীন হোৱা প্ৰায়বোৰ গণতন্ত্ৰ ভাগি গৈ তাৰ এখনত স্বৈৰাচাৰী শাসন প্ৰতিষ্ঠা হৈছে। ইয়ালৈ লক্ষ্য ৰাখি ভাৰতত স্বাধীন আৰু সচেতন সাং-বাদিকতাৰ ঐতিহ্য গঢ়ি তোলাৰ বাবে প্ৰত্যেকে বৰঙণি যোগোৱা দৰকাৰ হৈছে। স্বতন্ত্ৰ, সত্যবাদী আৰু নিৰ্ভীক সংবাদ পত্ৰই এই বিচ্যুতিৰ প্ৰতি আঙুলিয়াই ৰাইজ আৰু শাসন কৰ্ত্তৃপক্ষক সজাগ আৰু সচেতন কৰি দেশৰ স্বাৰ্থ ৰক্ষা কৰে।

দায়িত্বপূৰ্ণ সাংবাদিকতাই দেশৰ উন্নতিত বিভিন্ন প্ৰকাৰে সহায় কৰে। সেই বাবেই উন্নত দেশবোৰত সাংবাদিকতাক এটা গুৰুত্বপূৰ্ণ বিষয় হিচাবে স্থান দিয়া হৈছে।

ইউৰোপ, আমেৰিকাৰ উন্নত দেশবোৰেও উপযুক্ত সাংবাদিক গঢ়ি তোলাৰ বাবে সাংবাদিকতাৰ শিক্ষাৰ প্ৰৰ্বত্ত জ্ঞান আৰু বিষয়ৰ সমাৰেশে গুৰুত্ব দিয়া হৈছে। আনকি বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমতো সাংবাদিকতা বিষয়বোৰে সমান ঠাই অধিকাৰ কৰিছে। আনকি সমাজবাদী আৰু সাম্যবাদী দেশবোৰতো সাংবাদিকতাৰ শিক্ষাৰ অৱহেলা কৰা হোৱা নাই। পৃথিৱীৰ বহুতো সমাজবাদী দেশত আধুনিক গৱেষণাৰ সা-সুবিধা আৰু আন সা-সজুলি থকা সাংবাদিকতাৰ বিভাগ খোলা হৈছে। সাংবাদিকতাৰ শিক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত মাৰ্কিন যুক্তৰাষ্ট্ৰ পৃথিৱীৰ আন সকলো দেশতকৈ আগবাঢ়ি গৈছে। তাত প্ৰায় প্ৰতিটো বিশ্ববিদ্যালয়ে সাংবাদিকতাৰ বিভাগ খুলিছে।

সাংবাদিকতাৰ শিক্ষাৰ প্ৰতি ভাৰততো সম্প্ৰতি মনোযোগ দিয়া দেখা গৈছে। অন্য দেশৰ তুলনাত অৱশ্যে ই চালুকীয়া অৱস্থাতে আছে। তথাপি বিভিন্ন জনসংযোগ মাধ্যমৰ যোগেদি বাতৰি আৰু মতামত পৰিবেশনৰ ক্ষেত্ৰত থকা সমস্যা সমূহ বিজ্ঞান সন্মত প্ৰণালীৰে শিক্ষা দিয়াৰ প্ৰতি ভাৰতত যি বিলাক অনুষ্ঠানত সাংবাদিকতাৰ ব্যৱস্থা কৰা হৈছে তাত যথেষ্ট মনোযোগ দিছে।

সাংবাদিকতাৰ শিক্ষানুষ্ঠান সমূহৰ লগত বহুতো সক্ৰিয় সাংবাদিক জড়িত আছে যদিও সক্ৰিয় সাংবাদিক সকলৰ বেছি ভাগৰ মাজতেই সাংবাদিকতাৰ শিক্ষাৰ প্ৰতি যি পৰিমাণৰ আগ্ৰহ আৰু মনোযোগ থকাটো বাঞ্ছনীয় সেই পৰিমাণৰ আগ্ৰহ বা মনোযোগ থকাটো দেখিবলৈ পোৱা নাযায়।

১৯৫২ চনত গঠিত ভাৰতৰ প্ৰেছ কমিশ্যনে তেওঁলোকৰ প্ৰতিবেদনত সাংবাদিকতাৰ শিক্ষাৰ গুৰুত্ব স্বীকাৰ কৰি লৈছে প্ৰতিবেদনত কোৱা হৈছে—"Other things being equal person's having a journalistic qualification should have preferencial claim in the matter of employment."

সাংবাদিকতাৰ শিক্ষাৰ প্ৰতি এতিয়ালৈকে ভাৰতত যেনে ধৰণৰ মনোযোগ আকৰ্ষিত হৈছে তাতকৈ অধিক মনোযোগৰ আৱশ্যক। জনসংযোগৰ মাধ্যমৰ সংখ্যা বাঢ়ি যোৱাৰ লগে লগে আৰু বৰ্তমান যুগৰ মানুহৰ ৰুচিক পূৰাবৈ এই সংযোগ ৰক্ষা কৰাৰ বাবে আন আন বৃত্তিৰ দৰে সাংবাদিকতাৰ ক্ষেত্ৰতো স্পেচিয়ালাইজেচনৰ আৱশ্যকতা ভাৰততো অনুভৱ কৰা হৈছে। তাৰোপৰি সাংবাদিকতাক বৃত্তি হিচাবে গ্ৰহণ কৰাত যি পৰিমাণৰ মানসিক প্ৰস্তুতিৰ আৱশ্যক সেই প্ৰস্তুতি গঢ়ি তোলাৰ বাবে আজি সাংবাদিক সকলৰ বিশেষ শিক্ষাৰ আৱশ্যকতা দুই কৰিব নোৱাৰি। ভাৰতৰ বিভিন্ন শিক্ষানুষ্ঠানৰ সাংবাদিকতাৰ বিভাগৰ মুৰব্বী বিষয়াসকলক লৈ ১৯৫৫ চনত "Indian Association for education in journalism" নামৰ এটা অনুষ্ঠান গঠিত হৈছে। ইয়াৰ লক্ষ্য হৈছে—

(১) ভাৰতৰ বৃত্তিমূলক সাংবাদিকতাৰ প্ৰশিক্ষণৰ প্ৰসাৰতা লাভ কৰা।

(২) ভাৰতৰ বিভিন্ন শিক্ষানুষ্ঠানৰ সাংবাদিকতাৰ বিভাগবোৰৰ মাজত সমন্বয় ৰক্ষা কৰা:

(৩) সাংবাদিকতাৰ নৈতিক মান উন্নত কৰা।

(৪) সাংবাদিকতাৰ শিক্ষা দিয়া বিভিন্ন অনুষ্ঠানৰ মাজত ভাব আৰু তথ্যৰ আদান প্ৰদান কৰা।

সাংবাদিকতাৰ শিক্ষা বহুবোৰ কাৰণত সীমাবদ্ধহৈ আছে যদিও ভাৰতৰ কেইটামান বিশ্ববিদ্যালয়ে আৰু অনুষ্ঠানে এই বিষয়ৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। মহীশুৰ, কলিকতা, মাদ্ৰাজ, নাগপুৰ ওচমানিয়া আদি বিশ্ববিদ্যালয়ৰ নাম উল্লেখনীয়।

ভাৰতবৰ্ষত বৰ্তমান বাতৰি কাকতৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে আৰু সিবিলাকৰ প্ৰচাৰৰ সংখ্যাও স্থিৰ গতিত বাঢ়িছে। শিক্ষা বিস্তাৰৰ লগে লগে সাংবাদিকতাৰ পৰিসৰ আৰু বহল হৈ পৰিব। বিভিন্ন বিষয়ৰ বিভিন্ন পাঠকৰ বাবে বিভিন্ন ৰুচিৰ সংবাদ পত্ৰৰ প্ৰয়োজনীয়তা আৰু বেছি অনুভৱ কৰা হব।

এতিয়ালৈকে সাংবাদিকতাৰ বৃত্তিত বিসকল লোক লাগি আছে তেওঁলোকে কেবাবছৰো কঠোৰ ভাবে কাম কৰাৰ পিচতহে এই বৃত্তি আয়ত্ব কৰি লৈছে। এই প্ৰণালীৰে সাংবাদিক হোৱাত অভাৱ থাকি যায়। সেইবোৰ পূৰণৰ বাবে যত্ন কৰিব লাগে।

পৰাধীন ভাৰতবৰ্ষত সংবাদপত্ৰ সমূহে দেশৰ স্বাধীনতাৰ কাৰণে বৰঙণি যোগাইছিল। এতিয়াও স্বাধীন গণতান্ত্ৰিক দেশ এখনৰ সকলো ক্ষেত্ৰতে যাতে সংবাদপত্ৰ সমূহে দেশৰ সাৰ্ব্বজনীন উন্নতিত সহায় কৰিব পাৰে তাৰ কাৰণে সদায় সংবাদ সমূহক সচেতন কৰি ৰখাই হৈছে আজিৰ স্বাধীন ভাৰতৰ সংবাদসেৱী সকলৰ আগশাৰীৰ কৰ্ত্তব্য। এইটো স্বীকাৰ কৰিব লাগিব যে ৪৭ কোটি জনসংখ্যাৰ এখন গণ-তান্ত্ৰিক দেশত সংবাদপত্ৰই যিমান আগস্থান লব লাগিছিল সিমান লোৱা নাই। এতিয়াও ভাৰতত মাত্ৰ ২০০০ জনৰ ভিতৰত ২০০ জনেহে দৈনিক কাগজৰ লগত সম্পৰ্ক ৰাখিছে। অথচ সিংহলৰ দৰে সৰু দেশ এখনত ১০০০ ভিতৰত ৩৬ জনে বাতৰি কাগজ পঢ়ে। পৃথিবীৰ বাতৰি সংবাদ পত্ৰসমূহৰ মাজত সমানে খোজ মিলাবলৈ ভাৰতৰ সংবাদ পত্ৰসমূহ দ্ৰুত গতিৰে আগবাঢ়িব লাগিব।

অসমৰ বাতৰি কাগজৰ অৱস্থা বৰ পিচ পৰা। অসমৰ প্ৰথম অসমীয়া সংবাদপত্ৰ অৰুণোদয় প্ৰকাশ হৈছিল ১৮৪৬ চনত। এই অসমীয়া কাকতৰ আৱন্তণী কেৱল আশাপ্ৰদই নহয়, ই উজ্জ্বল ভৱিষ্যতৰ ইঙ্গিত দিছিল। আনন্দৰাম ঢেকীয়ালফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ দৰে অসমীয়া ভাষা আৰু সাহিত্যৰ বাট দেখুৱাওতা সকলেই আছিল সাংবাদিকতাৰো বাট দেখুৱাওতা।

অৰুণোদয়ে আন কাকতৰো ছবি ধাৰ কৰিছিল আৰু অসমীয়া বাঢ়ৈৰ হতুৱাই Block কটাই চাপ মাৰিছিল। ১৮৮২-৮৫ চনলৈ আসাম নিউজ নামে কাকত সম্পাদন কৰিছিল অসমীয়া ওজা ৺হেমচন্দ্ৰ বৰুৱাদেৱে।

মাজলৈ বহুত সম্পাদক আছিল ৺গুণাভিৰাম বৰুৱা। কাকতখন চলিছিল ১৮৮৫-৮৬ চনত। অৰুণোদয়ৰ আদৰ্শত আসাম বিলাসিনী আসাম মিহিৰ আৰু আসাম দৰ্পণ কাগজো ওলাইছিল। এই কাকতোবোৰ কাকত আদৰ্শবান লোকৰ সম্পাদনা আৰু প্ৰেৰণাৰ ফল।

১৯০৩-৪ চনত অসমীয়া কাকত জোনাকী ওলাইছিল। জোনাকীৰ জন্মদাতা ৺চন্দ্ৰকুমাৰ আগৰৱালা আছিল। এই কাকতে অসমীয়া সাহিত্যত নৱজাগৰণ আনিলে। ১৯০৩ চনত অসমত তিনিখন ইংৰাজী কাকত চলিছিল। তাৰে এখন আছিল Times of Assam। এই কাকতখন প্ৰায় ৫০ বছৰ কাল চলি বন্ধ হয়। কাগজখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল ৺বন্ধিলাল চাংকাকতি। ইয়াৰ পিচত বাঁহী, বিজুলী চেতনা, মিলন এইকেইখন আলোচনীৰ সাহিত্যিক বৰঙণি উল্লেখযোগ্য। চেতনা আৰু মিলনত ৺কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ সহযোগে অসমীয়া সাংবাদিকতাত সাম্ৰাজ্যবাদ বিৰোধী জাতীয় আন্দোলনৰ স্পষ্ট প্ৰভাৱ ফুটি উঠাৰ কথাকে সূচায়। ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰকাশিত সাদিনীয়া অসমীয়াই বহুদিন ধৰি ৰাইজক সেৱা কৰিছিল। অসমৰ দৈনিক কাকতৰ প্ৰথম সম্পাদক আছিল নীলমণি ফুকন আৰু শ্ৰীদেৱকান্ত বৰুৱা। দুয়ো গৰাকী একেধাৰে কবি, ৰাজনীতিজ্ঞ আৰু সাংবাদিক। ইংৰাজী বাতৰি কাকত Times of Assam আৰু Assam Tribune ৰ সম্পাদক আছিল অসমীয়া সাংবাদিকতাৰ কৃতী সাধক শ্ৰীলক্ষ্মীনাথ ফুকন। তেওঁ অসমীয়া সাংবাদিকতাৰ প্ৰাণ প্ৰতিষ্ঠাত বৰঙণি যোগাইছে। কিছু দিনৰ পৰা অসমত প্ৰকাশ হোৱা বিভিন্ন আলোচনীসমূহে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি যোগাইছে।

আমাৰ সাংবাদিক হিচাপে শ্ৰীবেণুধৰ শৰ্মা, অম্বিকাগিৰি ৰায় চৌধুৰী, সুৰেন্দ্ৰনাথ বৰুৱা, ডিম্বেশ্বৰ নেওগ, কেদাৰনাথ গোস্বামী আৰু সতীশ কাকতিৰ নাম উল্লেখযোগ্য। বৰ্তমান অসমৰ বাতৰি কাকতৰ বুৰঞ্জীত নতুন যুগ এটা উদয় হোৱা যেন লাগে। অৱশ্যে এক কোটি মানুহৰ বাবে আমি দেখাত তিনিখন মাত্ৰ দৈনিক বাতৰি কাকত আৰু তাৰে

মচলা কথাটোৰে বাতৰি কাকত ভালভাৱে নপঢ়াটো বুজায়। গতানুগতিকন পৰা আঁতৰি অসমৰ বাতৰি কাকতসমূহে যি নতুন প্ৰচেষ্টা চলাইছে তাৰপৰা আশা কৰিব পাৰি যে অসমৰ বাতৰি কাকতৰ বুৰঞ্জীত নতুন অধ্যায় এটাৰ সূচনা হৈছে আৰু ভাঙৰ বাতৰি কাকতৰ বুৰঞ্জীত আমাৰ বাতৰি কাকতে নিজৰ উল্লেখযোগ্য স্থান লব। অসমত বাতৰি কাকতৰ প্ৰচলন বেছি যাতে হয় পঢ়ুৱৈ সমাজ যাতে বেছিকৈ পায় সেইটো সকলোৰে চেষ্টাৰ বিষয় হোৱা উচিত। অসমৰ সমস্যা সীমাহীন।

বিদেশী ৰাষ্ট্ৰসমূহে অসমৰ সীমা প্ৰায় চাৰিওফালে আগুৰি ধৰি আছে। এই ৰাজ্যৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত সংবাদপত্ৰ সমূহে কৰিবলগীয়া কাম যথেষ্ট আছে। চমুকৈ কব লাগিলে সংবাদ পত্ৰসমূহ আমাৰ দেশৰ প্ৰহৰী।

সাংবাদিকসকল অনুসন্ধানকাৰী হব লাগে। সাংবাদিকসকলে নতুন বাতৰিৰ সৃষ্টি কৰি দায়িত্বপূৰ্ণ জনসেৱা কৰিবৰ কাৰণে আগবাঢ়ি আহিব লাগে। অনুসন্ধানি বাতৰি যোগনীয়াৰ সকল সেৱামূলক উৎসাহৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেনে কামত প্ৰৱেশ কৰে। সাংবাদিক সকল চৰকাৰৰ বিষয়া নহয় যদিও তেওঁলোকৰ কাম-কাজ ফলাফল চৰকাৰে নিৰীক্ষণ কৰে। গতিকে তেওঁলোকে বৰ দায়িত্ব লৈ কামত আগবাঢ়িব লগীয়া হয়।

সাংবাদিকসকলে এটা ঘটনাৰ মূল্য আৰোপ কৰোতে আবেগ বা কু-সংস্কাৰৰ পৰা তেওঁৰ মন মুক্ত কৰি লব লাগে। সাংবাদিক সকলৰ কামৰ ফালটো বিবেচনা কৰি তেওঁক সকলোতকৈ বেছি বিৰতি আনন্দ লাগে বুলি নিশ্চয় স্বীকাৰ কৰি লব লাগিব। সমাজ সেৱা সাংবাদিকৰ ধৰ্ম। খেলি-মেলি সমাজক নতুন ৰূপ দিয়াটো সাংবাদিকৰ লক্ষ্য হব লাগে। সত্য আৰু ন্যায় সাংবাদিকসকলৰ মূল মন্ত্ৰ।

সকলো শ্ৰেণীৰ মানুহৰ মন জয় কৰিব পৰাটো সাংবাদিকৰ কৰ্তব্য। সাংবাদিকসকল সদায় আনৰ প্ৰভাৱৰ পৰা মুক্ত থাকিব লাগে। খেলি-মেলি হৈ থকা বা বাধাগ্ৰস্ত অৱস্থাৰ মাজত পৰি অসম্পূৰ্ণ বা অসত্য বাতৰি বা-বাতৰি যোগান ধৰাটো ভুল। পৰিষ্কাৰ চিন্তাধাৰা সাংবাদিক সকলৰ থাকিব লাগে।

সাংবাদিক সকলৰ অৱস্থাৰ উন্নতি হোৱাটো সকলোৱে বিচাৰে। ১৯৫৫ চনত ভাৰত চৰকাৰে Working journalist Act পাচ কৰিছে ২য় Wage Board গঠন হৈছে আৰু তেওঁলোকে সাংবাদিকসকলৰ দা-দৰমহা আৰু সা-সুবিধাৰ বিষয়ে। সংবাদপত্ৰ সমূহৰ গৰাকীসকলে মুদ্ৰাৰ মূল্য হ্ৰাস আৰু অন্যান্য বিভিন্ন কাৰণে সংবাদপত্ৰ সমূহ চলোৱাটো ক্ৰমে কঠিন হৈছে বুলি উক্ত কৰে। তেওঁলোকে লগতে এই কথাও স্বীকাৰ কৰিব লাগিব যে আগতকৈ সংবাদপত্ৰ সমূহৰ প্ৰচলন বাঢ়িছে। তাত দিয়া জাননীৰ মূল্য বাঢ়িছে, পৃষ্ঠাৰ মূল্য বাঢ়িছে গতিকে সাংবাদিক সকলে যাতে আজিৰ মহাৰ্ঘৰ দিনত উচিত মূল্য পায় তাৰ বাবে সংবাদ পত্ৰ সমূহৰ গৰাকীসকলে সদায় লক্ষ্য কৰিব লাগে।

সাংবাদিকসকলে নিজৰ অৱস্থাৰ উন্নতিৰ কাৰণে যেনেকৈ একালে যত্ন কৰক আনফালে তেওঁলোকে দেশৰ ন্যায়, সত্য আৰু সুন্দৰৰ হক ৰক্ষা কৰিবৰ কাৰণে আগবাঢ়ি আহক বাইজে স্বীকাৰ কৰক তেওঁলোকে সমাজৰ এটা মহৎ কাম সাধন কৰিছে। ***

মোৰ দৃষ্টিত স্বাধীনতাৰ দুকুৰি বছৰ

চাওঁতে চাওঁতে ভাৰতে স্বাধীনতা লাভ কৰা দুকুৰি বছৰ পাৰ হ'ল। ১৯৪৭ চনৰ ১৪ আগষ্টৰ ৰাতি ১২ বজাৰ অলপ পিচতে স্বাধীনতাৰ আনন্দত আপোন পাহৰা হৈ গোটেই ভাৰতবাসী উল্লাসিত হোৱাৰ লগতে আমাৰ চতিয়া অঞ্চলৰ বিপুল জনতাই তাল; খোল, ডবা, শংখ, ঘণ্টা বজাই মহাত্মা গান্ধীৰ জয়ধ্বনি স্বাধীন ভাৰতৰ জয়ধ্বনি দি দেশ প্ৰেমমূলক গীত গাই ৰাতিটো শোভাযাত্ৰা কৰি আনন্দত আপোন পাহৰা হোৱা কথা আজিও কাণত বাজি আছে। আজি দুকুৰি বছৰৰ মূৰত পতা স্বাধীনতা উৎসৱলৈ ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰী কৰ্মচাৰী সকলহে যোৱা দেখিছোঁ ৰাইজৰ সমাগম তাত বৰ নাই। ৰাইজে ভাবিছে এই উৎসৱৰ কোনো মাদকতা নাই। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিচত সাধাৰণ জনতাই বিচৰা কথা-বোৰ যেন নাপালে। আমাৰ মতে স্বাধীন ভাৰতে আমাৰ আশা ভাৰষা সম্পূৰ্ণ ভাৱে পূৰণ কৰিব নোৱাৰিলেও স্বাধীনতাৰ পিচত দেশ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈছে, সেইটো স্বীকাৰ নকৰিলেও ভুল হব। উদ্যোগীকৰণ, কৃষি, বিজ্ঞান, প্ৰযুক্তি বিদ্যা, শিক্ষা স্বাস্থ্য আদিৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিমাণে দেশত অগ্ৰগতি হৈছে। দুশ বছৰৰ পৰাধীন অৱস্থাত ভাৰতৰ গাওঁ ভুঁই একেবাৰে দুৰ্দশাগ্ৰস্ত অৱস্থাত আছিল। স্বাধীন ভাৰতত জন্ম গ্ৰহণ কৰা সকলে এই কথাবোৰ সাধু কথাৰ দৰেহে শুনিছে, দেখা নাই, এতিয়া তেওঁলোকে গাওঁ ভুইৰ ৰাষ্টা-ঘাট, দলং, শিক্ষানুষ্ঠান, স্বাস্থ্যকেন্দ্ৰ, পানী, বিজুলি বাতি আদিৰ যি ব্যৱস্থা দেখিছে তাৰ প্ৰায় সকলোখিনি স্বাধীন ভাৰতৰ অৱদান। [দলং নোহোৱা অৱস্থাত বাৰিষা ফেনে ফোটোকাৰে বাঢ়ি অহা ভৰলী নদী মাৰ নাৱেৰে পাৰ হব নোৱাৰি ঘৰলৈ ঘূৰি অহা কথা আমাৰ সৰ্বসাধাৰণৰ জীৱনত বহুবাৰ হৈছে। স্বাধীনতাৰ পিচত ভৰলী দলং হোৱাত আমি সেইবোৰ পাহৰিলোঁ।]

ব্ৰহ্মপুত্ৰৰ দুখন দলং আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ ডাঙৰ নদীবোৰৰ ওপৰৰ দলং স্বাধীনতাৰ কালতহে হৈছে। এইটো এটা সাধাৰণ উদাহৰণহে। দেশ স্বাধীন হোৱাৰ পিচতে ত্যাগ আৰু নিষ্ঠাৰে স্বাধীনতা যুদ্ধত অৱতীৰ্ণ হোৱা কংগ্ৰেছ অনুষ্ঠানৰ কৰ্ণধাৰ সকলে শাসনৰ দায়িত্ব লৈ ভালেমান গুৰুত্বপূৰ্ণ কাম কৰি গৈছিল। সাধাৰণ মানুহে সেইবোৰৰ বৰ গমগতি লোৱা নাছিল। আমাৰ ভাৰতৰ ভিতৰতে থকা প্ৰায় ৬০০ খন কেন্দ্ৰীয় ৰাজ্যৰ ৰাজন্যবৰ্গক তেতিয়াৰ গৃহমন্ত্ৰী চৰ্দাৰ পেটেলে হাতৰ মুঠিলৈ আনি বিনা ক্ষতিপূৰণে দেশীয় ৰাজ্যবোৰ আমাৰ ভাৰতৰ বিভিন্ন ৰাজ্যৰ লগত চামিল কৰিলে।

চীনা আক্ৰমণ, পাকিস্তানৰ আক্ৰমণ প্ৰতিহত কৰা বাংলা দেশৰ অভ্যুত্থানত ভাৰতীয় সৈন্যই সহায় কৰি ইতিহাসত এটা গৌৰৱ ময় অধ্যায় ৰচনা কৰিলে। পৃথিৱীৰ স্বাধীন ৰাজ্যবোৰৰ লগত ভাৰতে সদায় সৌহাৰ্দ্দাপূৰ্ণ সম্পৰ্ক ৰাখি আহিছে; আক্ৰমণ চুক্তিত উপনীত হৈছে। আনবিক অস্ত্ৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাৰতে মত দি আহিছে। গোষ্ঠী নিৰপেক্ষ দেশবোৰৰ মাজত ভাৰতে স্বকীয় স্থিতি লাভ কৰিছে। এনেবোৰ কাৰণত আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ সম্মান বাঢ়িছে।

আমি প্ৰাক্‌স্বাধীনতা কালত স্বাধীনতা সংগ্ৰামত অৱতীৰ্ণ হওঁতে অখণ্ড স্বাধীন সাৰ্ব্বভৌম ধৰ্ম নিৰপেক্ষ গণতান্ত্ৰিক কল্যাণকামী ৰাষ্ট্ৰ এখনৰ কথা ভাবি আছিলোঁ, কিন্তু চাহাবৰ আৰু গোঁজ মনোভাৱৰ কাৰণে স্বাধীনতা সংগ্ৰামৰ কংগ্ৰেছ অনুষ্ঠানৰ কৰ্ণধাৰসকলে মহাত্মাগান্ধীৰ মতৰ বিপৰীতে দ্বিখণ্ড ভাৰতত সম্মতি প্ৰকাশ কৰিলে। পাকিস্তান আৰু ভাৰতৰ সৃষ্টি সাম্প্ৰদায়িক সংঘৰ্ষত মুছলমান সকল ভাৰতৰ পৰা পাকিস্তানলৈ আৰু হিন্দুসকল পাকিস্তানৰ পৰা ভাৰতলৈ আহি স্বাধীনতাৰ আগে পিছে ভগনীয়া শিবিৰত আশ্ৰয় লব লগা হ'ল। ভাতৃবধী সাম্প্ৰদায়িক সংঘৰ্ষৰ বক্তস্নানৰ মাজেদি ভাৰতে

স্বাধীনতা লাভ কৰিলে। ভাৰত চৰকাৰে আৰহুণীতে পুনৰ্সংস্থাপন আদি কামত সহস্ৰ কোটি টকা ব্যয় কৰিব লগাত পৰিল। অহিংসা প্ৰেম আৰু শান্তিৰে যুজি স্বাধীনতা অনাৰ পিচত দেশখন সাম্প্ৰদায়িক অশান্তিত আগ্নেয়গিৰিত পৰিণত হ'ল। আমিও মনত অশান্তি পালোঁ।

গান্ধীজীয়ে বিচৰামতে সত্য, অহিংসা আৰু প্ৰেমৰ দোলেৰে বান্ধ খাই ঐক্য আৰু সংহতিৰ ধ্বনি দি খোজত খোজ মিলাই কৰিম কিম্বা মৰিম মন্ত্ৰৰে দেশ মাতৃকাৰ পূজাৰ বলি হ'বলৈ আগবঢ়া লোক আজি দেশ স্বাধীন হোৱাৰ ৪০ বছৰৰ পিচতো দেশত ধৰ্মৰ নামত, সম্প্ৰদায়ৰ নামত, স্বকীয়া ৰাজ্যৰ দাবীৰ নামত, ভাষাৰ নামত যুঁজ কৰি আছে। সন্ত্ৰাসবাদীয়ে দেশৰ নীৰিহ মানুহক গুলীয়াই হত্যা কৰিছে, ঐক্যসংহতি আৰু প্ৰীতিৰ এনাজৰী ছিগি গৈছে। দেশৰ আভ্যন্তৰিণ শৃংখলা আৰু প্ৰতিৰক্ষাৰ নামত ৰাষ্ট্ৰীয় আয়ৰ এক চতুৰ্থাংশ খৰচ হৈছে। এনে কোটি কোটি টকাৰে দেশৰ গঠনমূলক কাম কৰি চৰকাৰে দেশখনৰ অৰ্থ নীতি আগুৱাই নিব পাৰিলেহেঁতেন। দেশৰ ৰাজনীতি প্ৰশাসন, নৈতিকতা, ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় স্থিতিৰ যথেষ্ট অৱনতি হোৱা আমি দেখিবলৈ পাইছোঁ। প্ৰশাসনৰ সকলো দিশতে শিথিলতা আৰু দুৰ্নীতিয়ে গা কৰি উঠিছে। দুৰ্নীতি আৰু কেলেঙ্কাৰীৰ অভিযোগ ওপৰ মহলালৈকে উঠিছে বুলি শুনা যায়। দেশখন যে নিজৰ এই কথা প্ৰশাসক আৰু চৰকাৰী কৰ্মচাৰীয়ে চিন্তা কৰিবৰ সময় হ'ল।

দেশ স্বাধীন হ'ল, আমি ৰাজনৈতিক স্বাধীনতা পালোঁ। দৰিদ্ৰ জনসাধাৰণৰ অৰ্থনৈতিক স্বাধীনতা আজিও নহ'ল। চল্লিশ বছৰৰ পাচতো দেশৰ শতকৰা ৪৮ ভাগ লোক দৰিদ্ৰৰ সীমা ৰেখাৰ তলত। তেওঁলোকে দুবেলা পেট ভৰাই খাবলৈ নাপায়, ঘৰ-দুৱাৰ তেওঁলোকৰ একেবাৰে শোচনীয়, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে সাজ-পাৰ

আৰু কিতাপ পত্ৰৰ অভাৱত স্কুললৈ নোযোৱাকৈ থাকে, গলেও মাক-বাপেকক কাম কাজত সহায় কৰিবৰ কাৰণে সোনকালে স্কুল এৰে। অথচ দেশত ভাবিব নোৱাৰাকৈ স্কুল কলেজ বাঢ়িছে, সুযোগ থকা ল'ৰা ছোৱালীয়ে শিক্ষা লাভ কৰি বহুত ওপৰলৈকে গৈছে। চল্লিচ বছৰৰ পিচতো গণতান্ত্ৰিক দেশ এখনত শতকৰা ৬৪ ভাগ লোক নিৰক্ষৰ হৈ আছে। দেশ স্বাধীন হোৱাৰ পিচত দেশৰ পৰা দৰিদ্ৰতা সমূলি দূৰ হব বুলি আমি ভাবিছিলোঁ, স্বাধীন দেশৰ চৰকাৰে পঙ্গু, বেমাৰী কামৰ অযোগ্য লোকসকলৰ ভৰণ পোষণৰ দিহা কৰিব, পিচে সেইবোৰ আমাৰ সপোন হৈ থাকিল। আমি আন্দোলন কৰি থাকোতে ভাবিছিলোঁ। চৰকাৰে দেশ স্বাধীন হ'লে গান্ধীজীয়ে ভবাৰ দৰে পৰিকল্পনা কৰি দেশৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব। বহু শতাব্দীৰ অন্যায় শোষণৰ ওপৰত প্ৰতিষ্ঠিত পুৰণি ঘুণে ধৰা সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন নকৰাকৈ আমাৰ দেশৰ কম পুজি আৰু অধিক জনসংখ্যাৰ কথা চিন্তা নকৰাকৈ বিদেশী ধাৰ আৰু বিৰাট যন্ত্ৰাদিৰ সহায়ত ভুল পৰিকল্পনা গ্ৰহণ কৰিলে। এতিয়ালৈ ৫ বছৰীয়া পৰিকল্পনা ৭ টা হৈছে। বিপুল পৰিমাণৰ হাজাৰ হাজাৰ কোটি টকা পৰিকল্পনাত খৰচ কৰা সত্বেও দেশত অৰ্থনৈতিক উন্নতি হোৱা দেখা নাযায়। অলসতা, দায়িত্বহীনতা আৰু দুৰ্নীতিয়ে সকলো কথাতে গা কৰি উঠিছে, গতিকে চৰকাৰে কাৰোপৰা কাম আদায় কৰিব পৰা নাই।

স্বাধীনতা লাভ কৰাৰ পিচত দেশত এখন সংবিধান ৰচনা হ'ল। সেইমতে ভাৰত এখন স্বাধীন সাৰ্ব্বভৌম, সমাজবাদী লোক তান্ত্ৰিক গণৰাজ্য হিচাবে পৰিগণিত হ'ল। অৰ্থনৈতিক, ৰাজনৈতিক চিন্তা, অভিব্যক্তি বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, প্ৰতিস্থা আৰু সুযোগৰ সুবিধা, জনগণৰ মাজত ব্যক্তিৰ মৰ্য্যাদা, জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিত আৰু ভাতৃ ভাব বৃদ্ধিক ৰাষ্ট্ৰৰ লক্ষ্য হিচাবে সংবিধানত ঘোষণা কৰা হ'ল। এই মহৎ লক্ষ্যসমূহ পূৰণ হবলৈ হলে

ব্যক্তিৰ বহু সুবিধাৰ আৱশ্যক। জনগণৰ মাজত ব্যক্তিৰ মৰ্য্যাদা সংবিধানত দিয়া আছে। কাৰ্য্যক্ষেত্ৰত উচিত কথা চৰকাৰৰ বিপক্ষে ব্যক্ত কৰিলে পুলিচে ধৰি নি হাজোতত ৰাখি ব্যক্তিজনক অত্যাচাৰ কৰা আমি চকুৰ আগত দেখিছোঁ।

দেশ স্বাধীন হোৱাৰ পিচৰ পৰা বিভিন্ন ধৰণে শিক্ষাৰ সংস্কাৰৰ কাৰণে পৰামৰ্শ আয়োগে আগবঢ়াইছে যদিও পুৰণা পদ্ধতিতে শিক্ষা থকা যেন লাগে। পৰাধীন দেশত শিক্ষা লাভ কৰি চাকৰিৰ কাৰণে ধাবিত হোৱাৰ দৰে, এতিয়াও নতুন শিক্ষা পদ্ধতিত শিক্ষা লাভ কৰি হাজাৰ বিজাৰ ছাত্ৰ-ছাত্ৰীয়ে চাকৰি নাপায় নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে। মাধ্যমিক স্তৰতে এক কাৰিকৰী শিক্ষা লাভ কৰিবৰ কাৰণে ছাত্ৰসকলে সুবিধা নোপোৱাত তেওঁলোক সদায় চাকৰিমুখী হয়।

চিকিৎসাৰ কাৰণে যথেষ্ট চিকিৎসালয় স্বাধীনতা হোৱাৰ পিচত হৈছে যদিও ঔষধ-পাতি চৰকাৰে আৱশ্যক মতে যোগান ধৰিব পৰা নাই। সংক্ৰামক ব্যাধি চিকিৎসাৰ যত্নত কমিছে বাবে এতিয়া গড় হিচাবত ভাৰতীয় আয়ুস ৫৬ বছৰ হৈছে। পৰাধীন অৱস্থাত গড় শতকৰা ২৩ বছৰ আছিল। স্বাধীন ভাৰতত জনগণৰ সৃজনী শক্তিৰ বিকাশ বেছি হৈছে। সাংস্কৃতিক ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছে।

দেশৰ ডাঙৰ ডাঙৰ শিল্প প্ৰতিষ্ঠান সমূহ বিদেশী কোম্পানী আৰু ভাৰতৰ পুঁজিপতি সকলৰ হাতৰপৰা আনি জাতীয়কৰণ কৰিব বুলি আমাৰ আগতে আশা আছিল, পিচে সেইবোৰ তেনেদৰেই থাকিল। তাৰ ফলত কোটিপতিসকলে ভাৰতৰ অৰ্থনীতিৰ ভাৰসাম্য নিয়ন্ত্ৰণ কৰাত সুবিধা পাইছে। গান্ধীজীৰ মতে অধিক জনসংখ্যাৰ দেশ ভাৰতবৰ্ষত বৃহৎ যন্ত্ৰ চালিত উদ্যোগ প্ৰতিষ্ঠা কৰিলে দেশত নিবনুৱা সংখ্যা বাঢ়িব। গতিকে তেনে উদ্যোগ দেশত প্ৰতিষ্ঠাৰ ক্ষেত্ৰত

সীমাবদ্ধতা থাকিব লাগে। গান্ধীজীৰ অৰ্থনৈতিক আঁচনি পলাম মকৰাকৈ গ্ৰহণ কৰিলেহে দেশ অৰ্থনীতিত আগবাঢ়িব বুলি আমাৰ বিশ্বাস। ১৯৬৯ চনত কংগ্ৰেছ দুভাগ হোৱাৰ দিনবপৰা নিষ্ঠাবান কংগ্ৰেছ কৰ্মী সকল সেই অনুষ্ঠানৰ পৰা আঁতৰ হোৱাত কংগ্ৰেছ অনুষ্ঠানত ত্যাগ, নিষ্ঠা আৰু আদৰ্শৰ লোক সকলৰ ঠাই ভাগ স্বাৰ্থপৰ আৰু লালসাৰ লোকে ললে। দেশত দৰিদ্ৰ সাধাৰণ লোকৰ হৈ কাম কৰা লোকৰ সংখ্যা কমি গ'ল।

পৃথিবীৰ ভিতৰত খ্যাত অসমৰ খনিজ তেল আৰু চাহপাতৰ শুল্ক দেশ স্বাধীন হোৱাৰ পিচত ক্ৰমে বেচি পৰিমাণে অসম চৰকাৰক দিছে যদিও ভালেমান কোটি কোটি টকা কেন্দ্ৰীয় চৰকাৰে আজিও নি আছে, অসমৰ অৰ্থনীতি টনকিয়াল কৰিব লাগিব কেন্দ্ৰীয় চৰকাৰে সহানুভূতিৰ মনোভাবেৰে অসমক ন্যায্যপ্ৰাপ্য অংশ দিব লাগে। অসমৰ পৰা পাহাৰীয়া অংশ সমূহ বাদ কৰাত অসম ক্ৰমে সৰু আৰু নিশকটীয়া হৈ গৈছে, পাহাৰীয়া লোক সকলৰ লগত ক্ৰমে ঐক্য সংহতি নাশ হৈ গৈছে, তেওঁলোকৰ লগত সীমা বিবাদ বাঢ়িছে, প্ৰাক্ স্বাধীনতা কালত এনে নাছিল। দেশ স্বাধীন হোৱাৰ পিচৰে পৰা বিদেশীৰ সংখ্যা অসমত ক্ৰমে বাঢ়িছে। ৬ বছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ লগত কৰা চুক্তি এতিয়াও ভাল ভাবে কাৰ্য্যকৰী হোৱা নাই। ব্ৰহ্মপুত্ৰ নদীৰ বানপানী আৰু গড়াখহনীয়াই প্ৰতি বছৰ লাখ লাখ লোকৰ সা-সম্পত্তি নাশ কৰিছে। বহুত লোকৰ প্ৰাণ হানি হৈছে। কেন্দ্ৰীয় চৰকাৰে আজিও ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ভাল ব্যৱস্থা কৰি বানপানীৰ কবলত পৰা অসমক ৰক্ষা কৰিব নোৱাৰাটো বৰ পৰিতাপৰ কথা। চীন আৰু আমেৰিকাত তেওঁলোকৰ দেশৰ নদীবোৰ নিয়ন্ত্ৰণ কৰি বানপানীৰ কবলৰ পৰা দেশ ৰক্ষা কৰিব পাৰিছে, আমাৰ চৰকাৰে নোৱাৰে। অসমৰ প্ৰতিটো সমস্যা সমাধানৰ বাবে ইয়াৰ ৰাইজ আৰু ছাত্ৰ-ছাত্ৰী আন্দোলন কৰিলেহে হয়, এনেয়ে একো নহয়। আমি স্বাধীনতা যুঁজত লাগি

থাকোতে এনে কথা চিন্তা কৰা নাছিলোঁ। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমৰ প্ৰতি সদায় সহানুভূতিশীল মনোভাব বিচাৰোঁ।

দেশত উৎপাদন বাঢ়িছে যদিও জনসংখ্যা নিয়ন্ত্ৰণত সৰ্ব্ব-সাধাৰণ মানুহৰ হাত জনসংখ্যা ক্ৰমাৎ বাঢ়িছে আৰু লগে লগে সকলো বস্তুৰ দাম উৰ্দ্ধগামী হৈছে, ব্যৱসায়ী সকলক চৰকাৰে হাতৰ মুঠিত ৰাখিব পৰা নাই। ভূমিৰ সৰ্ব্বোচ পৰিমাণ বান্ধি দিছে যদিও প্ৰকৃত খেতিয়ক এতিয়াও ভূমিহীন হৈয়ে আছে।

আমি শোষণ বিহীন এখন সমৃদ্ধিশালী ভাৰত বিচাৰিছিলো। য'ত একেবাৰে নিঃকিন জনেও দুবেলা দুমুঠি খাই ল'ৰা-ছোৱালীক শিক্ষা, দিক্ষা, স্বাস্থ্য সকলোতে আগবঢ়াই নি দেশখন নিজৰ বুলি ভাবি আনন্দৰে দিন নিয়াব পাৰি। চৰকাৰেও ৰাইজৰ সহযোগত শুদ্ধ পথেৰে আগবাঢ়ি দেশৰ জনগণক অৰ্থনৈতিক ক্ষেত্ৰত আগবঢ়াব বুলি আমি আশা কৰিছো। অৰ্থনৈতিক স্বাধীনতা পালেহে ৰাজ-নৈতিক স্বাধীনতাৰ সাৰ্থক হব। প্ৰাক্‌স্বাধীনতা কালত নিস্বাৰ্থ আৰু শুদ্ধ পথেৰে দেশৰ স্বাধীনতাৰ কাৰণে আগবঢ়াৰ দৰে এতিয়াও আমি দেশৰ অৰ্থনৈতিক স্বাধীনতা আৰু দেশৰ সৰ্ব্বময় কল্যাণৰ বাবে নিষ্ঠা আৰু উদ্যমেৰে আগবাঢ়ো আহক। ***

স্বাধীনতা সংগ্ৰামত চৰিয়াৰ অৱদান

[ভাৰতীয় জাতীয় কংগ্ৰেছৰ শতবাৰ্ষিকীৰ উদ্দেশ্যে যুগুতোৱা]

১৮৮৫ চনত বোম্বাই চহৰত উমেশ চন্দ্ৰ বন্দোপাধ্যায়ৰ সভাপতিত্বত বহা সভাত সৰ্ব্ব প্ৰথম ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হয়। আজি ১৯৮৫ চনত ভাৰতত ভাৰতীয় জাতীয় কংগ্ৰেছৰ শত বাৰ্ষিকী নানান ধৰণে উদযাপিত হৈছে। ১৮৮৫ চনত স্থাপিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছে লক্ষ্য সাধন কৰিব নোৱাৰালৈকে সুদীৰ্ঘ ৬২ বছৰ কাল বিপ্লৱী ভূমিকা গ্ৰহণ কৰিব লগীয়া হৈছিল ছটা দশকৰ অধিককাল চোৱাত কংগ্ৰেছৰ লক্ষ্য ও নিজস্ব ভাৱে গঢ় লৈছিল। ইয়াৰ মূল লক্ষ্য আছিল বিদেশী বগা চাহাবৰ হাতৰ পৰা দেশীয় লোকৰ হাতলৈ চৰকাৰৰ কৰ্ত্তৃত্ব হস্তান্তৰ। এই লক্ষ্য সাধন হয় ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে। সেইদিনা বিদেশী শাসকে আত্ম সমৰ্পন কৰি যথা সৰ্ব্বস্ব লৈ ভাৰতৰ উপকূল এৰি গ'ল।

আৰম্ভণীতে কংগ্ৰেছ আছিল দেশৰ জনসাধাৰণৰ দাবী আৰু অভাৱ অভিযোগবোৰৰ আবেদন নিবেদনৰ দ্বাৰা চৰকাৰৰ ওচৰত উত্থাপন কৰা এটা নিয়মতান্ত্ৰিক অনুষ্ঠান, কিন্তু আবেদনৰ বাহ্যিক ৰূপটো যিয়েই নহওক, প্ৰাৰ্থনা অনুৰোধ আদি যি নম্ৰ আৰু মাৰ্জ্জিত ভাষাৰেই লিখা নহওক প্ৰস্তাব বিলাকৰ বিপ্লৱী ৰচনা প্ৰণালী বাৰ্ষিক অধিবেশন বিলাকত বক্তৃতাৰ তেজস্বিতা আৰু তীব্ৰতা সদায় পৰিস্ফুট হৈছিল। বাৰ্ষিক অধিবেশন বোৰত শোচনীয় দাৰিদ্ৰ, অৰ্থনৈতিক বিসংগতি, ভাৰতীয়ক সামৰিক শিক্ষাৰ পৰা বঞ্চিত কৰা নীতি, অস্ত্ৰ শস্ত্ৰ ব্যৱহাৰত নিষেধাজ্ঞা, প্ৰশাসনৰ বিষয়বাবৰ পৰা ভাৰতীয় লোকক বিৰত কৰা ব্যৱস্থা আৰু ফলত প্ৰশাসন স্বেচ্ছাচাৰী আৰু উৎপীড়ন মূলক হৈ পৰা অৱস্থা আৰু বহুতো ভাৰতীয়ৰ জীৱন আৰু

কাৰ্য্য কলাপৰ ওপৰত প্ৰভাব বিস্তাৰ কৰা সমস্যা বাস্তৱবাদী দৃষ্টি ভঙ্গীৰে আলোচনা কৰা হৈছিল। সেইদিনৰ বুৰঞ্জীৰ উক্তি চালে দেখিবলৈ পোৱা হয় যে স্বাধীনতাৰ দাবী উত্থাপন নকৰাকৈ চৰমপন্থী আৰু বিপ্লৱী সকলৰ অভিযোগ নোতোলাকৈ, কংগ্ৰেছ অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সকলে সংবিধানিক নিয়ম কানুন ভঙ্গ নকৰাকৈ কংগ্ৰেছে পিচৰ যুগত চলোৱাৰ দৰেই স্বাধীনতা সংগ্ৰাম চলাই গৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ সামৰণি পৰিল। এই সময়ত বৃটিছে যদি যুদ্ধ চলি থকা দুৰ্যোগৰ কালচোৱাত ভাৰতক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে হেঁতেন ভাৰতৰ ইতিহাসৰ গতিয়েই হয়তো সলনি হৈ গ'লহেঁতেন কিন্তু বৃটিছৰ সেই সুমতি নহ'ল। কাৰ্জনে বঙ্গ বিচ্ছেদ নকৰাহেঁতেন কংগ্ৰেছ শান্ত আৰু অপ্ৰত্যক্ষ কাৰ্য্য পন্থাৰ অনুষ্ঠান হৈয়ে থাকিল হেঁতেন। বোম্বাই চৰকাৰৰ প্ৰতিহিংসামূলক বোষত পৰি তিলক নিৰ্য্যাতিত নোহোৱা হলে চৰমপন্থীদলে মূৰতুলি উঠিলহেঁতেন। বেচান্ট্ৰে নকৰাহলে হমৰুল আন্দোলনৰ জনপ্ৰিয়তা বৃদ্ধি নাপালেহেঁতেন সেইদৰে মহাযুদ্ধৰ পিছত খিলাফতৰ অবিচাৰৰ দ্বাৰা ভাৰতৰ মুচলমান সকলক ক্ষুণ্ণ নকৰাহলে মুৰ্খ অ'ডায়াৰৰ সম্মতি সাপেক্ষে নিৰ্ব্বোধ ডায়াৰে পাঞ্জাবৰ জালিয়া বাগত নৃশংস হত্যাকাণ্ড সংঘটিত নকৰা- হেঁতেন অসহযোগ আন্দোলন আৰম্ভ নহলহেঁতেন গান্ধীজীও হয়তো কুৰলীৰ মাজতে পৰি ৰ'লহেঁতেন। কিন্তু ইতিহাসৰ পুনৰাভিনয়ৰ এটা ধাৰা আছে। ঘটনাই মানুহ গঢ়ি, তোলে মানুহে আন্দোলনৰ সংগঠন কৰে। সেইদৰে বুৰঞ্জীৰ সৃষ্টি হয়।

অসংখ্য যুদ্ধ অশেষ বিজয় গৌৰবেৰে বিভূষিত বীৰ গান্ধী দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি আহিছে। ভাৰতলৈ আহি গান্ধীজীৰ বিবেক বুদ্ধি জাগি উঠিল। ব্ৰিটিছৰ বিশ্বাসৰ আমূল উচ্ছেদ হ'ল। বিপ্লৱৰ অগ্নিশিখা জ্বলি উঠিল আৰু গান্ধীজী হ'ল ভাৰতৰ স্বৰাজ প্ৰতিষ্ঠাৰ কাৰণে আৰম্ভ কৰা অহিংসা বৈপ্লৱিক আন্দোলনৰ

নেতা ১৯২১ চন অসহযোগ; আদালতৰ পৰা আইন ব্যৱসায়ী সকলৰ অপসাৰণ। চৰকাৰী কৰ্মচাৰীৰ কাৰ্য্যালয় ত্যাগ, ছাত্ৰৰ স্কুল কলেজ বৰ্জ্জন কৰ দিবলৈ অস্বীকাৰ, মদৰ দোকানত পিকেটিং আদি অসহযোগ আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীৰে মহাত্মা গান্ধীয়ে বৃটিছ শাসকৰ মেৰুদণ্ড আতঙ্কত কঁপাই তুলিলে। সত্য আৰু অহিংসাৰ ওপৰত আত্মাৰ শক্তি আৰু আধ্যাত্মিক বলৰ ওপৰত গুৰুত্ব দিয়া বাবে এই অভিনৱ আন্দোলনৰ প্ৰতি জনসাধাৰণ আকৰ্ষিত হ'ল। যি আইনে ব্যক্তিৰ আত্মসম্মান ক্ষুন্ন কৰে, স্বাধীনতা খৰ্ব কৰে তেনে আইন অমান্য কৰা হ'ল। তাৰ পৰিণতি স্বৰূপে কাৰাগাৰ, নিৰ্য্যাতন, শ্বহীদ, লাঠিচালনা আৰু গুলিত আহত হোৱা লোকৰ সংখ্যা অগণনহৈ পৰিল শাসকদলে ভাবিব পৰা না ছিল যে সেই নিশকতীয়া মানুহজন গান্ধীয়ে এই বিৰাট অভিযানৰ শক্তি নিজৰ মাজত লুকুৱাই ৰাখিছে। চৰকাৰৰ আতঙ্ক অসম্ভৱ ৰূপে বৃদ্ধি পালে। অসমলৈও এই অসহযোগ আন্দোলন বিয়পি পৰিল। গান্ধীজীৰ আহ্বানমতে অসহযোগ আন্দোলনৰ গঠনমূলক দিশটোৰ ওপৰত বেচি জোৰ দিয়া হৈছিল। বিলাতী কাপোৰ পৰিত্যাগ কৰি তাতজুই লগাই দিয়া সূতা কাটি কাপোৰ বোৱা, খদ্দৰ ব্যৱহাৰ কৰা আদিৰ বাবে অসম আগবাঢ়ি আহিল। ১৯২১ চনত গান্ধীজী অসমলৈ আহিল, তেওঁৰ আগমনে অসমীয়া জাতিৰ প্ৰাণত নতুন প্ৰেৰণা দিলে। বিলাতী বৰ্জ্জনৰ কাৰণে অসমত বিলাতী কাপোৰ অগ্নিকুণ্ডত জাহ দিয়া ঘটনা গান্ধীজীয়ে নিজে চকুৰে দেখি কৃতাৰ্থ মানিলে। তেজপুৰত গান্ধীজীয়ে মৌনব্ৰতৰ দিনা 'মনোৰম অসম' বুলি লিখা এটা প্ৰবন্ধ ইয়ং ইণ্ডিয়াত প্ৰকাশ কৰা হয়। অসম আৰু অসমীয়া মানুহৰ প্ৰতি গান্ধীজী আকৃষ্ট হৈছিল অসমৰ বিষয়ে থকা আগৰ ভুল ধাৰণা গুচিছিল। অসমৰ ছাত্ৰসকলে ইতিমধ্যে ১৯১৬ চনতে স্বৰ্গীয় কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত ছাত্ৰ আন্দোলন সংগঠন কৰিছিল। তেওঁলোকে ১৯২১ চনত গান্ধীজীৰ অসহযোগ আন্দোলনত অবিলম্বে সহাৰি দিলে। দেশবন্ধু চি আৰ দাসে নিয়া অসমৰ ছাত্ৰ সকলে নাগপুৰ কংগ্ৰেছত যোগ দিলে।

১৯২১ চনৰ জানুৱাৰী মাহ শেষ হোৱাৰ আগতে অসমৰ শিক্ষানুষ্ঠান প্ৰায় উদং হৈ গ'ল। গান্ধীজীৰ আহবানত চতিয়াবাসী ৰাইজেও এই অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিবৰ কাৰণে আগবাঢ়ি আছিল। এই অঞ্চলৰ ৰাইজ আগৰে পৰা সঙ্গবদ্ধ আৰু পোষক। এই অঞ্চলৰ শেষ আহোম শাসনকৰ্ত্তা চতিয়াৰ শলালগাঁৱত বাস কৰা শলাল বৰগোঁহাইক বৃটিছে পোন প্ৰথম শাসন প্ৰতিষ্ঠা কৰিবলৈ আহি ভবিষ্যৎ ভৰণ পোষণৰ কাৰণে তেওঁক এটা বৃত্তি দিব খোজাত বৰগোঁহাই দেৱে স্পষ্ট উত্তৰ দিছিল "বিশ্বনাথলৈকে এই অঞ্চলটো মোৰ শাসনৰ তলত। তোমালোকে মোক বৃত্তি দিবা, আজি দেশ তোমালোকে লৈছা আমিও এদিন ঘূৰাই লম। স্বাধীন দেশৰ লোকে পৰৰ অনুগ্ৰহ আশা নকৰে, মোৰ ৰাজ্যৰ অন্যান্য প্ৰজাসকল যেনেকৈ থাকে ময়ো তেনেকৈয়ে থাকিম।" বৰগোঁহাইৰ শাসনাধীনত থকা চতিয়াৰ ৰাইজো তেনে স্বাধীন মনৰ আছিল। এই অঞ্চলৰ ৰাইজে আগৰপৰাই খাজানা উঠাওঁতে তহ্‌চিলদাৰে কৰা অত্যাচাৰৰ বিৰুদ্ধে আৰু বৰচাহাবৰ কৰ্মচাৰী আহিলে ৰচদ পাতি দিব লগা নিয়মৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আহিছিল। সাধাৰণ পঞ্চায়ত, বাৰেচহৰীয়া পঞ্চায়ত আদিত গাঁৱলীয়া বিচাৰ পাতি চলি আহিছিল।

ইয়াতে বৃটিছ চৰকাৰে প্ৰথমে দৰং জিলাৰ অস্থায়ী সদৰ পাতি কিছুদিন কাম চলাইছিল, পিচত মঙ্গলদৈ অঞ্চলটো দৰং জিলাৰ ভিতৰ সুমুৱাই মঙ্গলদৈত মহকুমা পাতি তেজপুৰ সদৰ কৰে। ইয়াত সদৰ থকা সময়ত কছাৰী গাঁৱৰ নামঘৰত কাছাৰী পাতি বিচাৰ কৰাৰ ব্যৱস্থা কৰিছিল।

চৰকাৰী মজলীয়া স্কুল তেজপুৰতকৈও আগতে ইয়াত প্ৰতিষ্ঠা কৰিছিল; ভৰলীৰ পৰা হাৰাজানলৈ এইখনেই মাত্ৰ মজলীয়া শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। অসমত ইংৰাজী বিশেষ প্ৰচাৰ নোহোৱাত চৰকাৰী চাকৰি আৰু কোম্পানীৰ চাহ বাগিছাৰ চাকৰিত বিদেশীয়ে ঠাই পাইছিল।

এইকথা অনুভৱ কৰিয়েই চতিয়াৰ মুকুন্দ দেশকৰ্মী ৺প্ৰসন্ননাথ বৰকটকী আৰু থনাগুৰিৰ ৺গোলোকচন্দ্ৰ শইকীয়াই চতিয়াত এখন ইংৰাজী মাইনৰ স্কুল খোলাৰ কথা ৰাইজক বুজায়। তেওঁলোক দুয়ো চাহ বাগিছাৰ চাকৰি এৰি আহি স্বাধীন ব্যৱসায়ত লাগে। প্ৰসন্ননাথ বৰকটকীয়ে দোকান আৰম্ভ কৰি সেই দোকানৰ মাটিতে ৰাইজৰ সহযোগত এখন মাইনৰ স্কুল স্থাপন কৰে। পাচত এতিয়া য'ত চতিয়া উচ্চতৰ মাধ্যমিক শিক্ষানুষ্ঠান আছে, তালৈ মাইনৰ স্কুল তুলি নিয়ে।

মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন গোটেই ভাৰততে বিয়পি পৰাৰ লগে লগে অসমতো নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা প্ৰভৃতি নেতাসকলৰ চেষ্টাত এই আন্দোলন বিয়পি পৰিল। বহুতো উকিলে ওকালতি এৰি চৰকাৰী চাকৰিয়াল চাকৰি এৰি আৰু প্ৰায় স্কুল কলেজৰ ছাত্ৰই স্কুল কলেজ ত্যাগ কৰি এই আন্দোলনত জপিয়াই পৰিল। সেই সময়ত তেজপুৰ চৰকাৰী হাইস্কুলত ৬ষ্ঠ মান শ্ৰেণীত পঢ়ি থকা ১৩ বছৰীয়া ছাত্ৰ শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীকো কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাই তেজপুৰৰ পৰা লৈ আহি চতিয়াত কংগ্ৰেছৰ অসহযোগৰ কামত লগায়। তেওঁক কিছুদিনৰ কাৰণে মৌজুলি অঞ্চলত থকা কছাৰী, মিকিৰ, বনুৱা আদিৰ মাজত কংগ্ৰেছৰ কাম কৰিবলৈ দিয়ে। তেওঁ তাত মাদক দ্ৰব্য নিবাৰণৰ কাৰণে যত্ন কৰিছিল। চতিয়ালৈ পোনপ্ৰথমে এই আন্দোলনৰ বতৰা লৈ আহিছিল কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, দেশপ্ৰাণ লক্ষীধৰ শৰ্মা, ত্যাগবীৰ হেমবৰুৱা, অমিয় কুমাৰ দাস প্ৰভৃতি দেশনেতা আৰু ছাত্ৰনেতা সকলে। চতিয়া মাইনৰ স্কুলৰ বাৰৰিত বিৰাট ৰাজহুৱা সভা বহে। কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্ম্মাৰ উদ্দীপনাময়ী বক্তৃতাত ৰাইজৰ মন উতলি উঠিল। সকলোৱে কংগ্ৰেছত যোগ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেই সময়ত নাগশঙ্কৰৰ নবীনচন্দ্ৰ বৰুৱাই কলিকতাৰ পৰা আন্দোলনৰ কাৰণে কলেজ এৰি আহিছিল। তেওঁক বাঁহবাৰী অঞ্চলত কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্যৰ কাৰণে বলীৰাম শইকীয়াৰ লগত দিয়ে। হাজি আবদুৰ

আলিয়ে তেজপুৰ চৰকাৰী স্কুলত পঢ়ি আছিল। তেওঁকো পুলিচে ধৰি আনি তেজপুৰ জেইল হাজোতত ৰাখে। সেই সময়ত তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়ি থকা ছাত্ৰ শ্ৰীৰবিচন্দ্ৰ হাজৰিকা, ৺ৰূপৰাম শইকীয়া, পদ্মনাথ বৰুৱা, গজেন্দ্ৰনাথ হাজৰিকা, ধনেশ্বৰ দাস, টুবাকান্ত হাজৰিকা, চাৰু হাজৰিকা, বেণুধৰ দাস (নাগশঙ্কৰ) প্ৰভৃতিয়ে বৃটিছ চৰকাৰৰ অধীনৰ স্কুলত নপঢ়ো বুলি স্কুল ত্যাগ কৰি গুছি আহি চ'তিয়াত কংগ্ৰেছৰ অসহযোগ আন্দোলনত যোগ দিয়ে। কটন কলেজ এৰি অহা ছাত্ৰ ৺তিলক চন্দ্ৰ শৰ্ম্মা প্ৰধান সেৱক নিৰ্ব্বাচিত হয়। চ'তিয়াৰ গঙ্গানাথ বৰকটকী আৰু খনাগুৰিৰ গোলোক চন্দ্ৰ শইকীয়াই আন্দোলনত সক্ৰীয় অংশ গ্ৰহণ কৰিলে। সেৱাদল গঠন, কংগ্ৰেছ সভা ভৰ্তি, তিলক সাহায্য পুঞ্জিলৈ দান সংগ্ৰহ, গাঁৱে গাঁৱে আৰু কেন্দ্ৰীয় ভাৱে পঞ্চায়ত গঠন কাৰ্য্য, জোৰেৰে চলিবলৈ ধৰে। সেই আন্দোলনত প্ৰায় ডেৰ হাজাৰ সেৱক সমবেত হৈছিল। গাঁৱে গাঁৱে সেৱকসকলে বিদেশী বস্ত্ৰ বৰ্জ্জন, সূতাকটা, মাদকদ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জ্জনৰ প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰিলে। সেৱক কৰ্ম্মী হিচাবে নবীনচন্দ্ৰ বৰুৱা (নাগশঙ্কৰ), শ্ৰীৰবিচন্দ্ৰ হাজৰিকা, ৺ৰত্নেশ্বৰ ৰায়, গোলোকচন্দ্ৰ শইকীয়া, ৰূপৰাম শইকীয়া, মোলানচন্দ্ৰ বৰা, লোকনাথ হাজৰিকা, মণিৰাম বৰা, শ্ৰীবিষ্ণু কিঙ্কৰ কলিতা, ৺ৰমেশচন্দ্ৰ ফুকন, আবদুৰ আলি, গজেন্দ্ৰনাথ হাজৰিকা, দেবেন্দ্ৰনাথ সন্দিকৈ, হগুৱা কছাৰী, বিষ্ণু বৰা, হৰকান্ত বৰা, কিনাৰাম বৰা, শ্ৰীখগেশ্বৰ বৰা, শ্ৰীকামাখ্যা হাজৰিকা প্ৰভৃতিয়ে পৰিচালনা কৰিছিল।

স্থানীয় মজলীয়া আৰু মাইনৰ স্কুলৰ পৰা বহুতো ছাত্ৰই স্কুল এৰিছিল। তাৰে কিছুমানে একেবাৰে স্কুললৈ নগ'ল কিছুমানে পুনৰ স্কুলত যোগ দিলে। চতিয়া কংগ্ৰেছৰ কাৰণে এটা স্থায়ী অফিচ ঘৰৰ বাবে সুবিধাজনক ঠাইত মাটি নোহোৱাত গঙ্গানাথ বৰকটকীয়ে নিজৰ দোকানৰ চৌহদৰ ভিতৰত কেম্পৰ কাৰণে ঠাই দিয়াত সেৱক সকলে তাতে অফিচ আৰু কেম্প সাজি লয়। চতিয়া কংগ্ৰেছে প্ৰচাৰৰ

সুবিধাৰ কাৰণে ইটাখোলা আৰু খেৰবাৰীত দুটা কেম্প কৰি লয়। খেৰবাৰী অঞ্চলত থকা বনুৱা মিৰি কছাৰী আদি জনজাতীয় লোক সকলৰ বসতি। বেছি ভাগেই কানি মদ ভাং আদি খায়। তাত খড়্গেশ্বৰ ৰায়ৰ নেতৃত্বত সেৱক সকলে আশাতীত ভাবে কাম কৰে। বিলাতী কাপোৰৰ অশ্বমেধ যজ্ঞ হৈছিল। দোকানী বিলাকে নিজৰ দোকানৰ বিলাতী কাপোৰ আপোন মনে পুৰিবৰ কাৰণে উলিয়াই দিছিল। কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ তেজী বক্তৃতাত মানুহে পিন্ধি থকা বিলাতী কাপোৰ গাৰ পৰা খহাই জুইলৈ পেলাই দিছিল। বিপুল জয়ধ্বনিৰ মাজত বিদেশী বস্ত্ৰৰ ধোঁৱাই আকাশ ঢাকি ধৰিছিল।

সেৱক সকলৰ কৰ্ত্তব্য আছিল গাঁৱত কপাহ বিক্ৰীকৰা, সূতা কাটিবলৈ শিকোৱা কানি মদ ভাং আৰু বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰা তিলক সাহায্য পুঞ্জিলৈ দান সংগ্ৰহ কৰা। সেৱক সকলৰ ভৰণ পোষণৰ কাৰণে মুষ্টি ভিক্ষা সংগ্ৰহ কৰা। অসহযোগ আন্দোলনত যদিও গঙ্গানাথ বৰকটকী আৰু গোলোক চন্দ্ৰ শইকীয়াই কংগ্ৰেছ পৰিচালনা কৰিছিল বলিষ্ঠ কৰ্ম্মী হিচাবে হৰনাথ চৌধুৰী, কনক চন্দ্ৰ বৰুৱা, হৰিদাস ফুকন, ইসাহাক মুন্সি, শ্ৰীধৰ শইকীয়া, ৰংনাথ চেলেং, ৰমাহাজৰিকা, ভূমিধৰ বৰদলৈ, বলোৰাম ভূঞা, বাপাৰাম শইকীয়া, ৰূপৰাম বৰুৱা, থানেশ্বৰ বৰকটকী; শ্ৰীকান্ত ভটাচাৰ্য্য, ৰাধাকান্ত হাজৰিকা, হৰিবিলাস বৰকটকী, মোলাই কটকী, ৰসাই হাজৰিকা, ৰত্নেশ্বৰ গোস্বামী, ফণী হাজৰিকা, ৰবিচন্দ্ৰ সন্দিকৈ, কৃষ্ণৰাম সন্দিকৈ, তোলন ভূঞা, কমলা ভূঞা (বাৰ ভূঞা) আদিয়ে কাম কৰিছিল কংগ্ৰেছৰ কামত সহযোগ কৰা বাবে চৰকাৰে ৰাধাকান্ত হাজৰিকা, শ্ৰীধৰ শইকীয়াৰ বন্দুক জব্দ কৰিছিল।

মহিলা সকলৰ মাজতো সংগঠন হৈছিল। ৺ইন্দুপ্ৰভা দেৱী, বৰকটকী, বৃন্দা বৰকটকী, বৃন্দা শইকীয়া, ভুবনেশ্বৰী দেৱী বৰকটকী, মকৰা হাজৰিকা, ৰূপন হাজৰিকা, বৃন্দা কাকতি আদিৰ নাম উল্লেখ কৰিব পাৰি।

মহাত্মাগান্ধী তেজপুৰলৈ আহোতে বাইজে আৰু সেৱকে ১৮ মাইল খোজ কাঢ়ি যোৱা বিবাট শোভাযাত্রাৰ দৃশ্য আজিও পাহৰিব নোৱাৰা হৈ আছে। হাতত জাতীয় পতাকা লৈ জাতীয় গীতেৰে গগন মুখৰিত কৰি বিপুল জয়ধ্বনি আৰু উদ্দীপনাৰ মাজত বাইজে দুখকো দুখ নুবুলি যাত্রা কৰিছিল। মদ, কানি, ভাং আদিৰ দোকানত পিকেটিং কৰোতে ভলন্টিয়াৰৰ ওপৰত পুলিচে আৰু মহলদাৰে কৰা অত্যাচাৰ অবর্ণনীয় আছিল। সংগঠনৰ কাম সুচাৰু ৰূপে চলা দেখি চৰকাৰ পক্ষ আৰু কংগ্রেছ বিৰোধী পক্ষ বৰ আচৰিত হৈছিল।

জাতীয় হাইস্কুল : শিক্ষানুষ্ঠানৰ ক্ষেত্রতো বাইজে জাতীয় বিদ্যালয় স্থাপন কৰিহে ল'ৰা-ছোৱালীক পঢ়াইছিল। চতিয়া মাইনৰ স্কুলে মাহিলি ১৫৲ টকীয়া লোকেল বর্ডৰ সাহায্য এৰি দি চতিয়া মাইনৰ স্কুলকে জাতীয় স্কুললৈ পৰিবর্ত্তন কৰি, হাইস্কুলৰ ৭ম মান শ্রেণী খোলে। জাতীয় স্কুলৰ ৭ম শ্রেণীত ১২ জন ছাত্র ভর্ত্তি হৈছিল। তেওঁলোক হ'ল— শ্রীবিজয় চন্দ্র ভাগৱতী (তেওঁ তেজপুৰ চৰকাৰী হাইস্কুল বর্জ্জন কৰি, জাতীয় হাইস্কুলৰ ৭ম মান শ্রেণীত ভর্ত্তি হয়) ৺লোকনাথ শইকীয়া, শ্রীকামাখ্যা চৰণ হাজৰিকা, ৰাধানাথ গোহাঁই, মহেন্দ্র নাথ শইকীয়া, ৰমেশ চন্দ্র ফুকন, আনন্দিৰাম হাজৰিকা, শ্রীথাম্বু ৰাম বৰা, (বর্ত্তমান চাৰি আলিত) চুচেন বৰুৱা, শ্রীবিষ্ণুকিঙ্কৰ কলিতা, মানিক চন্দ্র শর্ম্মা, (জামুগুৰি) আৰু জয়ৰাম নাথ। চতিয়া চৰকাৰী এম, ভি স্কুলৰ পৰা ৫৮ জন ছাত্রৰ নাম অভিভাৱকে কটাই আনি জাতীয় হাইস্কুলৰ ৩য় মান শ্রেণীত ভর্ত্তি কৰালে। অভিভাৱকৰ দাবীত এই জাতীয় হাইস্কুলৰ ক, খ শ্রেণীৰ পৰা আৰম্ভ কৰি প্রাথমিক খাপো খুলিছিল। হৰনাথ চৌধুৰী জাতীয় হাইস্কুলৰ সভাপতি আৰু সোনাৰাম বৰা সম্পাদক আছিল। চিপাঝাৰৰ অমূল্য চৰণ বৰুৱা জাতীয় হাইস্কুলৰ হেড্ মাষ্টৰ আছিল। তেওঁ তাৰ আগতে মাইনৰ স্কুলৰ হেড আছিল। তিলক চন্দ্র শর্ম্মা, নবীন চন্দ্র বৰুৱা, বগীৰাম শইকীয়া, কুমুদ চন্দ্র শর্ম্মা, লক্ষ্মীনাথ চৌধুৰীয়ে অবৈতনিক ভাবে

চতিয়া জাতীয় হাইস্কুলত শিক্ষকতা কৰিছিল। তাৰ বাহিৰেও কেইবা-গৰাকীও স্থানীয় শিক্ষকে অবৈতনিক ভাৱে শিক্ষকতা কৰিছিল। ছাত্ৰৰ লগতে ১৯২২ চনত গোলাপী শইকীয়া, মালতী শইকীয়া, চপলা হাজৰিকা, সৰস্বতী হাজৰিকা আদি ছাত্ৰী সকলে জাতীয় হাই-স্কুলত সহশিক্ষা লৈছিল। ছাত্ৰ সকলে সূতাকটাৰ উপৰিও পিকেটিং শোভাযাত্ৰা আদিতো যোগ দিছিল। ৺বংশীধৰ হাজৰিকাই যতৰ তৈয়াৰ কৰিছিল। সেই সময়ত কংগ্ৰেছৰ প্ৰচাৰ কামৰ কাৰণে জিলাৰ পৰা চতিয়ালৈ অহা চন্দ্ৰনাথ শৰ্ম্মা, লক্ষীধৰ শৰ্ম্মা, অমিয় কুমাৰ দাস আদি নেতাসকলে এই বিদ্যালয় প্ৰায়ে পৰিদৰ্শন কৰিছিল। ছাত্ৰসকলক সাকৰা উপদেশ দি জাতীয় ভাবৰ প্ৰেৰণা দিয়ে। প্ৰায় ৩ বছৰ চলাৰ পিছত জাতীয় হাইস্কুল ভাগি যায়। পুনৰ মাইনৰ স্কুল চলিবলৈ আৰম্ভ কৰে।

দলে দলে সৰ্ব্ব ভাৰতীয় আৰু প্ৰাদেশিক নেতা সকলক গ্ৰেপ্তাৰ কৰিবলৈ ধৰিলে। তেজপুৰ জিলা কংগ্ৰেছৰ নেতাসকলক আটক কৰাৰ পিছত স্থানীয় কৰ্ম্মী সকলক গ্ৰেপ্তাৰ কৰিবলৈ আৰম্ভ কৰে। প্ৰথমতে চতিয়াৰ গঙ্গানাথ বৰকটকী আৰু খনাগুৰিৰ গোলোক চন্দ্ৰ শইকীয়াক গ্ৰেপ্তাৰ কৰে। ৰাইজে ফুলৰ মালা পিন্ধাই গায়নে বায়নে আগবঢ়াই দিয়ে। বিচাৰত দুয়োজনৰ এবছৰলৈ ফাটেক হয়।

কংগ্ৰেছী সকলক বাগিছাৰ চাহাবে আটক কৰাত হাট বজাৰ বন্ধ: চতিয়াৰ আশে-পাশে থকা চাহ বাগিছাৰ মেনেজাৰ সকলে কংগ্ৰেছী ভলণ্টিয়াৰ দেখিলে চৌকিদাৰ লগাই আটক কৰি ৰাখে। বজাৰলৈ কংগ্ৰেছী লোক যাবলৈ নিদিয়ে, সেই বাবে চতিয়া কংগ্ৰেছ অনুষ্ঠানৰ তৰফৰ পৰা চাহ বাগিছাৰ বজাৰ বন্ধ আন্দোলন আৰম্ভ কৰিলে। তাৰকাৰণে পিকেটিং কৰে। চাহ বাগিছাৰ বজাৰ বন্ধ হোৱা বাবে পিছত মেনেজাৰ সকলে আপোচ কৰি মিটমাট কৰে।

বাবে চহৰৰ ভাওনা: চতিয়া ৰাইজৰ মাজত সম্প্ৰীতি স্থাপন

কৰিবৰ কাৰণে কংগ্ৰেছ কৰ্মী সকলৰ যত্নত ১৯২৩ চনৰ ৭ বহাগৰ দিনা চতিয়াৰ বিভিন্ন গাঁৱৰ ২১ খন খেল পাতি বাবে চহৰৰ ভাওনা কৰে।

ৰায়ত সভা ঃ ইয়াৰ পাচতে চতিয়াত ৰায়ত সভা এখন প্ৰতিষ্ঠা হয়। তলত দিয়া সমস্যা কেইটাৰ প্ৰতিকাৰৰ বাবে ৰায়ত সভাখনৰ আৱশ্যকতা ৰাইজে উপলব্ধি কৰিলে। (১) মৈমনচিঙীয়া পমুৱা অবাধ গতিৰে ব্ৰহ্মপুত্ৰৰ পাৰ বিলাক ভৰি পৰিছিল। (২) চাহবাগিছাৰ চাহাবসকলে চৰকাৰী মাটিবোৰ বেচি পৰিমাণে চৰকাৰৰ পৰা লৈ বাগিছাৰ অন্তৰ্ভুক্ত কৰাত ৰাইজৰ কাঠ, বেট, ইকৰা, খেৰ আদিৰ হাঁহাকাৰ অৱস্থা কৰিছিল। (৩) বিদেশীয়ে আহি অবাধ গতিৰে চৰকাৰী মাটি দখল কৰিছিল (৪) ৰাইজৰ মাজত সামাজিক সংস্কাৰৰ আৱশ্যকতা (৫) ৰাইজৰ অভাৱ অভিযোগৰ কথা চৰকাৰৰ আগত দাঙি ধৰা। এইখনেই অসমৰ ভিতৰত স্থাপিত প্ৰথম ৰায়ত সভা। ইয়াৰ পিচত জামুগুৰি, চতিয়া আৰু চাৰিআলিৰ ৰায়তসভা মিলি নতুৱাৰ ৰায়ত সভা গঠন হয়।

পাণ্ডু কংগ্ৰেছ ঃ ১৯২৬ চনত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অভ্যৰ্থনা সমিতিৰ বাবে দান বৰঙণি বিচাৰি ৺দেশভক্ত তৰুণৰাম ফুকন, ৰোহিণী হাতীবৰুৱা, কুলধৰ চলিহা আদি চতিয়ালৈ আহিছিল আৰু চতিয়াৰ ৰাইজে ঘৰমূৰি বৰঙণি তুলি পাণ্ডু কংগ্ৰেছলৈ যথেষ্ট বৰঙণি দিছিল। ৰত্নেশ্বৰ ৰায়ৰ নেতৃত্বত এশজনৰ এটা সেৱক দল খোজকাঢ়ি পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ গৈছিল। এই সেৱক সকলে যথেষ্ট তৎপৰতাৰে কাম কৰি খ্যাতি লাভ কৰিছিল। তাৰ বাহিৰেও ভালেমান দৰ্শক পাণ্ডু কংগ্ৰেছলৈ গৈছিল।

মহিলা সভা ঃ ১৯২৮ চনত চতিয়াত নৱজাগৰণৰ সূচনা হয়। চতিয়া ছাত্ৰ সভা, চতিয়া মহিলা সভা, চতিয়া যুৱক সংঘ, চতিয়া সাহিত্য সভা, কৰ্ম্মবীৰ চন্দ্ৰনাথ স্মৃতি লাইব্ৰেৰী আদি গঠিত হয়।

এই অনুষ্ঠান বিলাকে চতিয়া কংগ্ৰেছক সবল কৰিবৰ কাৰণে বাহিৰৰ পৰা ইন্ধন যোগাইছিল। মহিলা সমিতি গঠনত আগভাগ লৈছিল ৺ইন্দুপ্ৰভা দেৱী, সোণেশ্বৰী ৰায়, পূৰ্ণদা দেৱী, কোহেশ্বৰী দেৱী, প্ৰেমদা দাস, বৃন্দা বৰকটকী, বৃন্দা শইকীয়া, ফেদেলী হাজৰিকা, পুৱাদৈ হাজৰিকা, পতানি হাজৰিকা, মকৰা হাজৰিকা, পখিলী চেলেং, ৰূপন হাজৰিকা। এই মহিলা সকলে বাহিৰতৈগে শোভাযাত্ৰা আদি কৰি কংগ্ৰেছ অধিবেশনবোৰত যোগ দিছিল। গান্ধীজী প্ৰমুখ্যে নেতা সকলৰ শুভাগমনত শোভাযাত্ৰা কৰি তেজপুৰলৈ খোজ কাঢ়ি গৈছিল।

১৯৩০ চনৰ ৬ এপ্ৰিল তাৰিখত কংগ্ৰেছে আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ লগে লগে চতিয়াতো এই আন্দোলন চলাবলৈ স্থিৰ কৰিলে। মদৰ দোকানত পিকেটিং কৰা অপৰাধত প্ৰতি দিনে দলে দলে সত্যাগ্ৰহী গ্ৰেপ্তাৰ কৰি দিনটো থানাত ৰাখি গধূলি এৰি দিয়ে। ৺ৰত্নেশ্বৰ ৰায় আৰু শ্ৰীজগন্নাথ বৰুৱাক গ্ৰেপ্তাৰ কৰি ৬ মাহলৈ ফাটেক দিয়ে। তেওঁলোকক মদৰ মহলদাৰে লাঠিৰে প্ৰহাৰ কৰাৰ ফলত গা ফাটি তেজ ওলাইছিল। বজাৰত পিকেটিং কৰা অপৰাধত গঙ্গানাথ বৰকটকী আৰু ৰত্নেশ্বৰ ৰায়ক ধৰি নি তেজপুৰ কাৰাগাৰত হাজোতত কিছুদিন ৰাখি খালাচ দিযে।

টোকাৰী সংঘ : এই সময়তে শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, ৰত্নেশ্বৰ ৰায়, ধনেশ্বৰ বৰকাকতি, লোকনাথ শইকীয়া, গজেন হাজৰিকা আৰু গোলোক শইকীয়াৰ যত্নত চতিয়াত কংগ্ৰেছ আৰু অন্যান্য যুৱক সকলৰ দ্বাৰা এটা টোকাৰী সংঘ স্থাপিত হয়। এই সংঘই বিভিন্ন ঠাইত হুচৰি গাই বহুতো টকা-পইচা সংগ্ৰহ কৰে। গোলোক শইকীয়াই টোকাৰি সংঘত সঙ্গীত পৰিচালনা কৰিছিল। তেজপুৰ নগৰতো এই টোকাৰি সংঘই টকা-পইচা সংগ্ৰহ কৰিছিল। এই সংগ্ৰহৰ এভাগ চতিয়া কংগ্ৰেছৰ পুজিলৈ আৰু এভাগ নতুৱাৰ হাইস্কুললৈ দান দিছিল।

নতুৱাৰ হাইস্কুল : নতুৱাৰ ৰায়ৰ সভাৰ প্ৰস্তাৱ মতে চতিয়াত ১৯২৯

চনৰ ২১ মাৰ্চ তাৰিখে ১৯ জন ছাত্ৰৰে নতুবাৰ হাইস্কুল প্ৰতিষ্ঠা কৰি পম মান শ্ৰেণী খোলে। এই স্কুলৰ সৰ্ব্বপ্ৰথম শিক্ষক আছিল হেমচন্দ্ৰ হাজৰিকা। শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, মোহনচন্দ্ৰ শৰ্মা, খঞ্জনচন্দ্ৰ শৰ্মা প্ৰভৃতিয়ে শিক্ষকতা কৰিছিল। এই সকলৰ তলত শিক্ষা পাই নতুবাৰ হাইস্কুলৰ ছাত্ৰসকল জাতীয় ভাৱত আপ্লুত হৈছিল। ইয়াৰ ছাত্ৰ সকলে কংগ্ৰেছৰ সকলো কামতে সহযোগ কৰিছিল। গাঁৱত এওঁ-লোকে কংগ্ৰেছৰ প্ৰচাৰ, সূতাকটা, বাগীয়াল বস্তু বৰ্জ্জন আৰু অস্পৃশ্যতা বৰ্জ্জন আদিৰ কাম কৰিছিল। ঘনকান্ত কলিতা, শ্ৰীমাণিকচন্দ্ৰ শইকীয়া, শ্ৰীহৰনাথ বৰকাকতি, শ্ৰীকমলা ভাগৱতী, স্বৰ্গীয় খগেন্দ্ৰনাথ শৰ্মা, শ্ৰীদীননাথ শৰ্মা, শ্ৰীজীৱনচন্দ্ৰ বৰুৱা, স্বৰ্গীয় ধীৰেশ্বৰ শৰ্মা প্ৰভৃতিয়ে ছাত্ৰসকলৰ পৰিচালনাৰ দায়িত্ব লৈছিল।

বিশ্বনাথ ৰায়ত সভা ঃ ১৯৩১ চনত ডাঃ স্বৰ্গীয় হৰেকৃষ্ণ দাসৰ সভাপতিত্বত চতিয়াত বিশ্বনাথত বহা নতুবাৰ ৰায়ত সভালৈ কংগ্ৰেছ কৰ্মী মহিলা ছাত্ৰ-ছাত্ৰী সকলো ১২ মাইল বাট শোভাযাত্ৰা কৰি গৈছিল। শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীয়ে তাত দেশৰ পৰিস্থিতি সম্পৰ্কে বিবৰি এটা বক্তৃতা দিয়ে। ১৯৩০ চনৰ আন্দোলনত কংগ্ৰেছ আৰু ভলন্টিয়াৰ সংগঠন বে-আইনী বুলি ঘোষণা কৰিলে। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ পৰা অসমৰ নেতাসকল ঘূৰি আহি পুনৰ আন্দোলন চলোৱাৰ তেওঁলোকৰ মত নাই বুলি প্ৰকাশ পালে। প্ৰদেশ কংগ্ৰেছ কমিটিৰ পৰা কোনো নিৰ্দ্দেশ নোপোৱা স্বত্বেও অসমৰ বাইজে লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱৰ মৰ্ম্মে ১৯৩০ চনৰ ২৬ জানুৱাৰীত পূৰ্ণ স্বাধীনতাৰ সঙ্কল্পলৈ স্বাধীনতা দিৱস পালন কৰিলে। অসমত আন্দোলন আৰম্ভ হ'ল। ইয়াৰ আগতে ৺তৰুণৰাম ফুকন ৺নবীনচন্দ্ৰ বৰদলৈ আদি কংগ্ৰেছৰ কৰ্ণধাৰ সকলে পুনৰ প্ৰদেশ কমিটিৰ দায়িত্ব ল'বৰ কাৰণে অস্বীকাৰ কৰিলে। ১৯৩০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি পদ যাচি ফুৰিবলগীয়া হৈছিল। মানুহ বিচাৰি নোপোৱা

হ'ল। অমিয় কুমাৰ দাস আৰু হেমচন্দ্ৰ বৰুবাদেৱে অশেষ যত্ন কৰি ডেকা খ্যাতনামা উকিল স্বৰ্গীয় বিষ্ণুৰাম মেধি ডাঙৰীয়াক অসম প্ৰদেশ কমিটিৰ সভাপতিৰ দায়িত্ব দিয়ে। সেই সময়ত কানিংহাম চাৰ্কুলাৰ চহী নকৰি শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী দেৱে ৪ৰ্থ বাৰ্ষিক বি, এ শ্ৰেণীৰ পৰা কটন কলেজ এৰি আহি কলেজৰ ছাত্ৰ সকলৰ মাজত স্বাধীনতা সংগ্ৰামৰ বীজ সিঁচে। কটন কলেজত ছাত্ৰই ধৰ্মঘট কৰিলে। ১৯৩০ চনত ৺নবীনচন্দ্ৰ বৰদলৈৰ ঘৰৰ চোঁহদত এটা সৰু ঘৰ ভাৰা কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্য্যালয় পতা হয়। শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে ২২/২৩ বছৰ বয়সতে অসম প্ৰদেশ কংগ্ৰেছ Action Committee ৰ সম্পাদক হিচাবে সেই ঘৰতে থাকি কেইজন মান কলেজীয়া ছাত্ৰ লগত লৈ গুৱাহাটীত আন্দোলন চলাবলৈ আৰম্ভ কৰিলে। তেওঁক কিছুদিনৰ পাছত পুলিচে গ্ৰেপ্তাৰ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড দিয়ে।

কানিংহাম চাৰ্কোলাৰৰ বিপক্ষে স্কুল-কলেজ এৰা ছাত্ৰসকলে নিজ নিজ ঠাইত আন্দোলন আৰম্ভ কৰিলে। চতিয়াতো ছাত্ৰসকলে আন্দোলনত যোগ দিলে।

কামৰ সুবিধাৰ বাবে ১৯৪২ চনৰ আন্দোলনত চতিয়াৰ কংগ্ৰেছৰ অধীনত নাগশঙ্কৰ কংগ্ৰেছৰ এটা শাখা খোলা হয়। সভাপতি গণেশ চন্দ্ৰ বৰঠাকুৰ, সম্পাদক পূৰ্ণ মহন্ত আৰু জয়নাথ হাজৰিকা।

১৯৩০ চনত গণেশ চন্দ্ৰ বৰঠাকুৰ (আগৰ জামুগুৰি) পিচৰ নাগশঙ্কৰ, চাহবাগিছাৰ চাকৰি এৰি কংগ্ৰেছৰ আন্দোলনত যোগ দিয়ে। ১৯৪৫ চনলৈকে নাগশঙ্কৰ চতিয়া একেখন কংগ্ৰেছ আছিল। ১৯৪৫ চনত নাগশঙ্কৰত বেলেগ কংগ্ৰেছ কমিটি গঠন হয়। অমিয় কুমাৰ দাস ডাঙৰীয়া আহি নাগশঙ্কৰ কংগ্ৰেছ কমিটি প্ৰতিষ্ঠা কৰে। সভাপতি গণেশ চন্দ্ৰ বৰঠাকুৰ, সম্পাদক জয়নাথ হাজৰিকা। কামাগুৰ প্ৰথমে শ্ৰীৰজনী শইকীয়া আৰু পিছত শ্ৰীঅৰবিন্দ ভূঞা।

১৯২১ চনৰ আন্দোলনত নাগশঙ্কৰৰ বিষ্ণু খনিকৰ, হৃৰকান্ত গোহাঁই, ধনীৰাম ভূঞা, নালীয়া শইকীয়া, মিঠাই নাথ এইসকলে যোগ দিয়ে। ইতিমধ্যে নবীন বৰুৱাই কলিকতাৰ কলেজ এৰি কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্ম্মাৰ পৰিচালনাত বাঁহবাৰীত সংগঠনৰ কাম কৰি আছিল। ১৯২৬ চনত জয়নাথ হাজৰিকাই নাগশঙ্কৰত কংগ্ৰেছ অনুষ্ঠানৰ কাৰণে পুজি সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। জয়নাথ হাজৰিকা কংগ্ৰেছ কমাণ্ডাৰ আছিল। এওঁ পূৰ্ব্বতে নগাঁৱৰ মানুহ। দেউতাকে তেজপুৰত চাকৰি কৰিছিল। এওঁ ১৯২১ চনত নগাওঁ জেইলত আছিল। ১৯৩৯/৪০ চনৰ ব্যক্তিগত যুদ্ধ বিৰোধী সত্যাগ্ৰহত যিবোৰ আছিল তলত দিয়া সকলৰ ফাটেক হয়— শ্ৰীৰজনী শইকীয়া, পূৰ্ণকান্ত মহন্ত, চন্দ্ৰ বৰা, সমীধান মেছ, দধি খাউণ্ড। ১৯৪২ চনত ইটাখোলাৰ কিৰণ ভূঞা, নাগশঙ্কৰৰ হৰ শৰ্ম্মা, চন্দ্ৰ বৰা, নোমল শইকীয়া, বলো শইকীয়া, ডিম্বেশ্বৰ বৰা, শ্ৰীৰজনী শইকীয়া, শলাই কলিতা, আনন্দ বৰা, জয়নাথ হাজৰিকা, খিৰেশ্বৰ গগৈ আদিয়ে পলাতক হিচাবে কংগ্ৰেছৰ কাম-কাজ কৰি আছিল। ১৯৪২ চনৰ আন্দোলনত খিৰেশ্বৰ গগৈ বতিয়া বোকা পামত কুশল কোঁৱৰ এসপ্তাহ মান পলাতক হিচাবে আছিল বুলি গগৈয়ে কৈছিল।

চতিয়াত কংগ্ৰেছ কমিটি মহিলাসভা ৰায়ত সভা যুৱক সঙ্ঘ ছাত্ৰ সভা সকলোৰে মাজত সম্প্ৰীতি গঢ়ি উঠিছিল আৰু সকলোৰে লক্ষ্য আছিল ভাৰতৰ স্বাধীনতা ঘূৰাই অনা।

১৯৩১ চনত চতিয়া কংগ্ৰেছ কমিটিৰ সভাপতি আছিল গঙ্গানাথ বৰকটকী আৰু সম্পাদক আছিল লক্ষ্মীনাথ বৰুৱা। নগাঁৱৰ সেৱাদল ট্ৰেইনিং কেম্পত প্ৰশিক্ষণলৈ আহি ভলণ্টিয়াৰ সেৱাদলৰ পৰিচালনাৰ ভাৰ লৈছিল শ্ৰীভূষণ চন্দ্ৰ বৰুৱাদেৱে।

১৯৩২ চনত জ্যোতি প্ৰসাদ আগৰৱালাই চতিয়া ৰগলীবাৰীত (য'ত এতিয়া শ্ৰীকমলা ভাগৱতীৰ ঘৰ আছে) সেৱাদলৰ এটা প্ৰশিক্ষণ

শিৰিৰ খুলি পৰিচালনা কৰিছিল। তাত কংগ্ৰেছ সেৱক সকলক কুচ কাৱাজ শিকোৱাৰ উপৰিও লাঠি খেল শিকাইছিল। আগৰৱালা দেৱৰ গীত গাই গাই সেৱাদল বাহিনী গাঁৱে গাঁৱে শোভাযাত্ৰা কৰাৰ দৃশ্যই স্বাধীনতা সংগ্ৰামৰ প্ৰতি মন আকৰ্ষণ কৰিছিল। ৰত্নেশ্বৰ ৰায় বাপাৰায় গগৈ এই শিবিৰৰ পৰিচালক আছিল।

ইয়াৰ পিচতে চতিয়া মালৰ গাৱৰ ভূমিধৰ বৰদলৈয়ে তেজপুৰ কাছাৰী চলি থকা অৱস্থাত হাকিম মুঞ্চিফে আদালতত বিচাৰ কৰি থাকোঁতেই কংগ্ৰেছৰ ত্ৰিৰঙ্গপতাকাৰে কছাৰী ঘৰৰ ওপৰলৈ উঠি গৈ ইউনিয়ন জেক নমাই কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা বন্দেমাতৰম্ ধ্বনিৰে উত্তোলন কৰি নামি আহে। তেওঁক তেতিয়াই গ্ৰেপ্তাৰ কৰি পিচত এৰি দিয়ে।

লক্ষ্মী ভাণ্ডাৰ : ৰত্নেশ্বৰ ৰায়, ৰমেশ চন্দ্ৰ ফুকন, লক্ষীনাথ বৰুৱা, গঙ্গানাথ বৰকটকী প্ৰমুখ্যে কেইজনমান কংগ্ৰেছ কৰ্ম্মীয়ে চতিয়াত লক্ষ্মী ভাণ্ডাৰ নামে এনে অনুষ্ঠান খোলে। এই অনুষ্ঠানৰ লগে লগে গাঁৱৰ মানুহে সূতা-কটাৰ সুবিধাৰ বাবে কপাহ, যঁতৰ-যঁতৰী সস্তা দামত যোগান ধৰিছিল। নিবনুৱা কংগ্ৰেছ লোক সকলক কামৰ যোগান ধৰিছিল। ১৯৩২ চনৰ আন্দোলনত এই অনুষ্ঠান ধ্বংস হয়।

১৯৩২ চনত দেশজুৰি পুনৰ স্বাধীনতা লাভৰ কাৰণে অসহযোগ আন্দোলন গান্ধীজীয়ে কংগ্ৰেছৰ জৰিয়তে আৰম্ভ কৰে। চতিয়াতো এই আন্দোলন পুৰ্ণোদ্যমে চলে। দলে দলে কংগ্ৰেছৰ পুৰুষ মহিলা গাঁৱে গাঁৱে গৈ শিপিনী সঙ্ঘ প্ৰতিষ্ঠা কৰি বিদেশী সূতাৰ তাত কাটি, হাতে কটা সূতাৰ তাঁত বৰৰ কাৰণে শিপিনী সকলক উৎসাহ দিয়ে। দলে দলে কংগ্ৰেছ ভলাণ্টিয়াৰ মদ কানি ভাং আৰু মদৰ দোকানলৈ গৈ পিকেটিং আৰম্ভ কৰে। কংগ্ৰেছ ভলণ্টিয়াৰ সকলে গোটেই নদুৱাৰ অঞ্চলতে শোভাযাত্ৰা কৰি কংগ্ৰেছ আন্দোলনৰ প্ৰচাৰ কাৰ্য্য চলায়। মুষ্টি ভিক্ষা তুলি চাউল তোলা হয়। সেইসময়ত পাভৈ চাহ বাগিছাত কেৰাণী কাম কৰি থকা ৺তুলসী দাস হাতী

বৰুৱাদেৱে, মাহে মাহে চতিয়া কংগ্ৰেছ ভড়াললৈ তেওঁ পোৰা দৰমহাৰ আধা টকা দান দি আছিল। শেষত কাম এৰি সক্ৰিয় ভাবে চতিয়া কংগ্ৰেছত যোগ দিয়ে। সেই আন্দোলনত সংগঠক হিচাবে কাম কৰিবৰ কাৰণে শ্ৰীকামাখ্যা হাজৰিকাক চাৰিআলিলৈ আৰু ৺গোলক শইকীয়া, আৰু শ্ৰীভূষণ বৰুৱাক, জামুগুৰিলৈ পঠোৱা হয়।

সেইসময়তে প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়া চতিয়ালৈ আহে। তেওঁক চতিয়াৰ কংগ্ৰেছ কৰ্মী ৰাইজ মহিলা আৰু ছাত্ৰ ছাত্ৰী লগ লাগি এখন বিৰাট ৰাজহুৱা সভাত অভ্যৰ্থনা জনোৱা হয়। সেই সভাত যোগদান কৰা বাবে চতিয়া মাইনৰ স্কুলৰ শিক্ষক ৺কমলেশ্বৰ দাস, লোকনাথ শইকীয়া; শ্ৰীৰবিচন্দ্ৰ হাজৰিকা, চতিয়া বালিকা মজলীয়া স্কুলৰ শিক্ষক ধনেশ্বৰ বৰকাকতিক নিলম্বিত কৰা হয়। ২মাহ ২২দিনৰ মূৰত সেইসময়ত বেতন নোপোৱাকৈ কামত যোগ দিবৰ কাৰণে অনুমতি দিয়ে। চতিয়াৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্ম্মা, স্মৃতি পুথিভড়ালৰ খানাতালাচ কৰি পুলিচে কিতাপ পত্ৰ নষ্ট কৰে আৰু পুথিভৰাল প্ৰায় ধ্বংস প্ৰাপ্ত হয়।

১৯৩২ চনত আগভাগত কলিয়াবৰত গনেশ চন্দ্ৰ বৰঠাকুৰ আৰু তেখেতৰ পৰিবাৰ গুণেশ্বৰী দেবীয়ে সেৱক সেৱিকাৰ এটা দললৈ চতিয়াত থাকি জাতীয় গীত গাই গাই কংগ্ৰেছ পুজিলৈ অৰ্থ সংগ্ৰহ কৰিছিল। শ্ৰীৰত্মকান্ত মহন্তও লগত আছিল। ১৯২৩ চনৰ এপ্ৰিলৰ দিনা জালিয়ানাবাগৰ স্মৃতি দিৱস উপলক্ষে চতিয়াৰ মৰনৈ বাকৰিত হোৱা বিৰাট ৰাজহুৱা সভাত উদ্দীপনাময়ী বক্তৃতা দিয়া বাবে শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীৰ ২½ বছৰ জেইল হয়। ইমান দীঘলীয়া ম্যাদৰ জেইল ৰাজনৈতিক কাৰণৰ বাবে ভাৰতৰ ভিতৰতে সেইসময়ত দুই এজনৰহে হৈছিল। ১৯৩৫ চনত তেখেত একেবাৰে শেষত চিলচৰ জেইলৰ পৰা ওলাই আহে।

এই আন্দোলনত চতিয়াৰ বহুতো লোকৰ জেইল জৰিমনা

হৈছিল। খাজানা বন্ধ কৰিবলৈ দুই চাৰিজনে যত্ন কৰিছিল। সেইবাবে মালৰ গাঁৱৰ ৰংনাথ চেলেঙৰ, ঘৰ পুলিচে খানাতালাচ কৰি সা-সম্পত্তি লৈ গৈছিল। গঙ্গানাথ বৰকটকীয়ে জেইলৰ উপৰি যি জৰিমনা হৈছিল জৰিমনা আদায় দিবলৈ তেওঁ অমান্তি হোৱাত পুলিচে তেওঁৰ ঘৰৰ ভড়ালৰ ধান, কাঁহি, বাতি, চকি, চালপিৰা সকলো সম্পত্তি নীলাম কৰিছিল। পৰিয়ালে তেতিয়া বাঁহৰ চাঙত শুইছিল আৰু কলপাত কাটি ভাত খাইছিল। মাগুৰমৰাৰ ঘৰৰ পৰা থানালৈ গোটেই বাট ধানেৰে সিচৰিত হৈছিল। ইয়াৰ উপৰি ৰূপৰাম বৰুৱা, ৰাপাৰাম গগৈবৰুৱা, অভজা শইকীয়া, ৰত্নেশ্বৰ ৰায়, পদ্মনাথ শইকীয়া আদিৰ অবৰ্ণনীয় ভাৱে জৰিমনাৰ বাবে ঘৰ ক্ৰোক্ কৰি যাবতীয় স-সম্পত্তি গৰু ম'হ আদি লৈ গৈছিল। চতিয়াল গাঁৱৰ শ্ৰীপদ ৰাম হাজৰিকাই খাজানা দিবলৈ অমান্তি হোৱাত তেওঁৰ খেতিৰ মাটি, হালৰ গৰু আৰু কাঁহি, বাতি নীলাম হয়। ৰাপাৰাম শইকীয়াকো (চতিয়াল) তেনে ধৰণে কৰা হয়।

চতিয়াৰ তলত দিয়া লোকসকলৰ এই আন্দোলনত ফাটেক হয়। (১৯৩২) থনাগুৰিৰ—৺কনকচন্দ্ৰ বৰা, কনচন্দ্ৰ কোঁচ, সোমেশ্বৰ বৰা, খগেশ্বৰ বৰা, শ্ৰীভূষণ চন্দ্ৰ বৰুৱা। চতিয়াল গাওঁ— ৰবিৰাম শইকীয়া, ৺ৰূপৰাম বৰুৱা, আভজা শইকীয়া, শ্ৰী·নেশ্বৰ হাজৰিকা। শলালগাওঁ— শ্ৰীকামাখ্যা হাজৰিকা, শ্ৰীউমা বৰকাকতি, শ্ৰীগঙ্গাই শইকীয়া, ৺ৰজনী বৰা, সোবোধ বৰকাকতি, ৰূপৰাম শইকীয়া, ৰবিৰাম হাজৰিকা। মালৰগাওঁ—৺ৰংনাথ চেলেং, ভূমিধৰ বৰদলৈ। বগলীবাৰী— শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, ৺ৰত্নেশ্বৰ ৰায়। কছাৰীগাওঁ—গোলোচন্দ্ৰ শইকীয়া মাগুৰমৰা— গঙ্গানাথ বৰকটকী, কনক চন্দ্ৰ বৰুৱা, বাবুলীৰাম গগৈ, গণিৰাম গগৈ, গোবিন্দ বৰুৱা, ঠগীৰাম বৰুৱা, সৰুৰাম সন্দিকৈ, ভোলোক শইকীয়া, শ্ৰীপদ্মনাথ শইকীয়া,। বেজবহোলা—ফণীধৰ সন্দিকৈ, নগেন সন্দিকৈ, নাৰায়ণ বৰুৱা, শ্ৰীলোকনাথ বৰুৱা শ্ৰীআনন্দ লাহন,

কনক বৰুৱা, দুর্গা বৰুৱা। মুদৈগাওঁ— লক্ষ্মীনাথ বৰুৱা। গেৰেকীগাওঁ— শ্ৰীবাপাৰাম গগৈ বৰুৱা, ৺নৰনাথ ফুকন, শ্ৰীজগন্নাথ বৰুৱা, বিষ্ণুৰাম বৰুৱা, পৰমানন্দ কোঁচ, পূৰ্ণকান্ত দুৱৰা, বনমালি বৰুৱা, কনক বৰুৱা, কনক চন্দ্ৰ বৰা, হেমচন্দ্ৰ লস্কৰ।

এই আন্দোলনৰ আৰম্ভণীতে শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু অমিয় দাসে সদলবলে খোজকাঢ়ি প্ৰচাৰ কাৰ্য্যত তেজপুৰৰ পৰা কলাবাৰী পৰ্য্যন্ত ঠায়ে ঠায়ে বৈ কৰ্মীসকলক লগ ধৰে আৰু কংগ্ৰেছ অনুষ্ঠানবোৰ সজীৱ কৰে। জাহাজেৰে ঘূৰি অহাৰ পিছত তেজপুৰত ভাগৱতী দেৱক গ্ৰেপ্তাৰ কৰি ২½ বছৰ জেইল দিয়ে। তেওঁ শিলচৰ জেইলত আছিল।

নগাওঁ কংগ্ৰেছৰ অনুৰোধ ক্ৰমে চতিয়াৰ পৰা বাবুলিৰাম গগৈৰ নেতৃত্বত এটা সেৱক দলে নগাওঁ কলিয়াবৰ অঞ্চলত প্ৰচাৰ কাৰ্য্য চলাইছিল।

মুঠতে ১৯৩২ চনৰ আন্দোলনত অকল চতিয়াৰ পৰা ৬৫ জনে কাৰাদণ্ড ভোগ কৰিছিল। ইয়াৰ বাহিৰে কিছুমানক হাজোতত ৰাখি এৰি দিয়ে।

১৯৩৫ চনৰ শাসন সংস্কাৰ আইনমতেক ংগ্ৰেছ নিৰ্ব্বাচনত নামে। ভৰলীৰ পৰা কলাবাৰীলৈ এই অঞ্চলত ৺মহাদেৱ শৰ্ম্মা বিধান সভাৰ নিৰ্ব্বাচনত নামে। তেওঁৰ কাৰণে এই অঞ্চলত কংগ্ৰেছ কৰ্মীসকলে নিৰহ নিপালীকৈ লাগে। তেওঁক বিপুল ভোটত জয়লাভ কৰায়। ৰামপ্ৰসাদ আগৰৱালা, গঙ্গানাথ বৰকটকী, লক্ষ্মীনাথ বৰুৱা, নবীনচন্দ্ৰ ভট্টাচাৰ্য্য, চেনিৰাম দাস এই অঞ্চলৰ পৰা ক্ৰমে কংগ্ৰেছ প্ৰাৰ্থী হৈ তেজপুৰ লোকেল বৰ্ডলৈ নিৰ্ব্বাচিত হয়। চতিয়াৰ কংগ্ৰেছ কৰ্মীসকলে নিৰ্ব্বাচনৰ প্ৰচাৰ কাৰ্য্য চলাই জয়যুক্ত কৰাইছিল।

১৯৩৬ চনত বেছেৰীয়াত ভোলাভাই দেশাইৰ সভাপতিত্বত বহা

অসম জাতীয় সন্মিলনত চতিয়াৰ পৰা স্বেচ্ছা সেৱকসকলে শোভাযাত্রা কৰি যোগ দিয়ে। ১৯৩৭ চনত তেজপুৰ পৰ্ব্বতীয়াত ভিলাৰ প্ৰশিক্ষণ শিবিৰত ট্ৰেইনিং দিবৰ কাৰণে ৰাপাৰাম গগৈ বৰুৱাৰ গাত সহকাৰী জিলা কামাণ্ডাৰৰ ভাৰ পৰিছিল। গীত আদি শিকাবৰ কাৰণে চতিয়াৰ গোলোক চন্দ্ৰ শইকীয়াৰ গাত দায়িত্ব পৰিছিল। সেৱক হিচাবে খগেশ্বৰ বৰা, গোলোক কটকী, শ্ৰীধনেশ্বৰ হাজৰিকা আৰু শ্ৰীভোলা বৰুৱাই (চতিয়াল) ট্ৰেইনিং লয়। ৰাপাৰাম গগৈ বৰুৱাদেৱে সহকাৰী জিলা কামাণ্ডাৰ হিচাবে কেম্পবিলাক পৰিদৰ্শন কৰে। তাৰ উপৰি কেইটাও কেম্পত নিজে শিক্ষা দান দিয়ে। ১৯৪০ চনত গোলাঘাটত হোৱা অসম সেৱা দল শিবিৰত প্ৰশিক্ষণ লৈ চতিয়াৰ পৰা ৰাপাৰাম গগৈ বৰুৱা জিলা কামাণ্ডাৰ হয় আৰু গোলোক কটকী চেক্‌শ্যনেল কমাণ্ডাৰ হয়। ১৯৪০ চনত তেজপুৰত হোৱা শান্তি সেনা ট্ৰেইনিং কেম্পত শ্ৰীভূমিধৰ ডেকা, শ্ৰীধনেশ্বৰ হাজৰিকা, গোলোকচন্দ্ৰ কটকীয়ে প্ৰশিক্ষণ লয়।

যুদ্ধবিৰোধী, সত্যাগ্ৰহ : ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ পিছত মহাত্মা গান্ধীয়ে বচা বচা সত্যাগ্ৰহীৰ তালিকা প্ৰকাশ কৰি যুদ্ধবিৰোধী সত্যাগ্ৰহ আৰম্ভ কৰে। চতিয়াতো বিভিন্ন জনে বিভিন্ন সময়ত সত্যাগ্ৰহত যোগ দি কাৰাবৰণ কৰে। পুৰ ভৰলীৰ তেতিয়াৰ বিধান সভাৰ সদস্য মহাদেৱ শৰ্ম্মা ডাঙৰীয়াই চতিয়া বহাগী মেলা বাকৰিত সত্যাগ্ৰহ কৰে। পুলিচে তেখেতক সেই ঠাইতে গ্ৰেপ্তাৰ কৰি তেজপুৰ কাৰাগাৰত বন্দী কৰি ৰাখে।

চতিয়াত তলত নাম দিয়া সকলে যুদ্ধবিৰোধী সত্যাগ্ৰহ কৰে। ৺বোধন চন্দ্ৰ শইকীয়া, শ্ৰীধনেশ্বৰ হাজৰিকা, শ্ৰীভূমিধৰ ডেকা, গোলোক কটকী, ভূমিধৰ বৰদলৈ, দুৰ্গাৰাম বৰা, বনমালী বৰুৱা, কলিঙ্গ বৰুৱা, কনক চন্দ্ৰ বৰুৱা, দুৰ্গাৰাম বৰুৱা, তুলসীচন্দ্ৰ হাতীবৰুৱা, শ্ৰীকনক চন্দ্ৰ সন্দিকৈ, শ্ৰীকামাখ্যা চৰণ হাজৰিকা, নৰনাথ

ফুকন, মোলাই কটকী, শ্ৰীভূষণ বৰুৱা, বকুল ভূঞা, শম্ভুৰাম হাজৰিকা, শ্ৰীজগন্নাথ বৰুৱা, গুণকান্ত ভূঞা। ইয়াৰ ভিতৰত তুলসী হাতীবৰুৱা, গুণাৰাম ভূঞা, শ্ৰীকামাখ্যা চৰণ হাজৰিকা আৰু শ্ৰীভূষণ বৰুৱাৰ ফাটেক হয়। বাকী সকলক পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। নাগশঙ্কৰৰ শিৱেশ্বৰ গগৈ, ৰজনী শইকীয়া, চন্দ্ৰ বৰুৱা, বনমালী শইকীয়া, পূৰ্ণ মহন্ত, ৰামেশ্বৰ নেওঁগ, চন্দ্ৰ হাজৰিকা এই সকলৰ ফাটেক হয়।

উত্তৰ লক্ষীমপুৰত সত্যাগ্ৰহ : উত্তৰ লক্ষীমপুৰত সত্যাগ্ৰহীৰ সংখ্যা আশানুৰূপ নোহোৱাত জিলা কংগ্ৰেছৰ নিৰ্দ্দেশ মতে চতিয়াৰ ৫ জন আৰু জামুগুৰিৰ ৩জন সত্যাগ্ৰহী উত্তৰ লক্ষীমপুৰত গৈ সত্যাগ্ৰহ কৰে। চতিয়াৰ পৰা যোৱা কেইজন হ'ল শ্ৰীগণেশ্বৰ হাজৰিকা, ভূমিধৰ ডেকা, কলিঙ্গ বৰুৱা, দুৰ্গা বৰুৱা, শ্ৰীকনক চন্দ্ৰ সন্দিকৈ। তেওঁলোকক গ্ৰেপ্তাৰ কৰি এবছৰকৈ ফাটেক দিয়ে।

এইখিনি সময়ত চতিয়াৰ তুলসী চন্দ্ৰ হাতীবৰুৱা, তেজপুৰ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিল।

১৯৪২ চনৰ গণ আন্দোলন : ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বোম্বাইত গ্ৰহণ কৰা বৃটিছৰ ভাৰত ত্যাগ প্ৰস্তাৱ আৰু ৯ আগষ্ট তাৰিখে নেতাসকলৰ গ্ৰেপ্তাৰৰ বাতৰি গোটেই অসমত বিয়পি পৰিল। চতিয়ালৈ এই বাতৰি লৈ আহিল ৯ আগষ্টৰ সন্ধ্যা শ্ৰীবিজয় চন্দ্ৰ ভাগৱতীদেৱে। বাতৰি পোৱাৰ লগে লগে গোটেই চতিয়া অঞ্চলৰ ৰাইজ আৰু কংগ্ৰেছ কৰ্মীসকলৰ গাত ৰণজেউতি লাগিল। ১০ আগষ্টৰ দিনা চতিয়াত সকলো মিলি এটা অভূতপূৰ্ব্ব শোভাযাত্ৰা কৰিলে। ১১ আগষ্টৰ দিনা কছাৰী গাঁৱৰ নামঘৰত বিৰাট জনসমাবেশত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীয়ে উদ্দীপনাময়ী বক্তৃতাৰে ৰাইজক গণসংগ্ৰামলৈ আহ্বান

জনালে। শ্ৰীভাগৱতী আৰু ত্ৰিপাঠীক তাৰ পাছতে গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাবে জেলত ৰাখিলে। ছাত্ৰ-ছাত্ৰীয়ে স্কুল বাদ দি আন্দোলনত নামিল। চতিয়া হাইস্কুলৰ শিক্ষক শ্ৰীবিমান বৰা, শ্ৰীবলো বৰমুদৈ, শ্ৰীমহেন্দ্ৰ বৰকটকী, শ্ৰীধুলেশ্বৰ হাজৰিকাই শিক্ষকতাৰ কাম ইস্তফা দি স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিল। অগণন ৰাইজ কংগ্ৰেছ কৰ্মী, মহিলা ছাত্ৰ-ছাত্ৰীৰ এটা বিৰাট শোভাযাত্ৰাই চতিয়া থানাত ২০ আগষ্টৰ দিনা প্ৰৱেশ কৰি থানাৰ চৌহদত শ্ৰীবিমান বৰাৰ সভাপতিত্বত এখন সভাপাতি স্বাধীনতাৰ কাৰণে আৰম্ভ হোৱা গণসংগ্ৰামৰ কথা ব্যাখ্যা কৰে। চতিয়া থানাৰ ভিতৰত শোভাযাত্ৰাত নিয়া ত্ৰিৰঙ্গ পতাকা উৰি আছিল। পুলিচ চিপাহী থানাৰ ভিতৰতে নিতাল মাৰি থাকিল। বিহালী হাইস্কুলত কাম কৰি থকা শ্ৰীডিম্বেশ্বৰ হাজৰিকা ৺কুলধৰ হাজৰিকাই কাম ইস্তফা দি আন্দোলনত লাগিল। ২৩ আগষ্টৰ দিনা ৰাতি নৌপুৰাওঁতেই শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মা বৰকটকী, কুলধৰ হাজৰিকা, মহেন্দ্ৰ বৰকটকী, শ্ৰীবীৰেন বৰকটকী, শ্ৰীবিমান বৰা, শ্ৰীচেনীধৰ দাস, শ্ৰীবলো বৰমুদৈ, শ্ৰীপোৱাল বৰুৱা, শ্ৰীচন্দ্ৰ বৰা, শ্ৰীকেশৱ মহন্তক গ্ৰেপ্তাৰ কৰি তেজপুৰ জেইললৈ নিয়ে। বিচাৰ কৰি শিক্ষক সকলক ১½ বছৰকৈ, ছাত্ৰসকলক ৯ মাহকৈ. আৰু বাকী সকলক ১ বছৰকৈ সশ্ৰম কাৰাদণ্ড দিয়ে। এওঁলোকক জেললৈ নিয়াৰ পিছত চতিয়াত আন্দোলনৰ উত্তেজনা আৰু বাঢ়িল। তেজপুৰৰ পৰা গহন গোস্বামী, পুষ্পলতা দাস, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰভৃতি নেতৃস্থানীয় লোকসকল চতিয়ালৈ আহি ৰাইজক স্বাধীনতা সংগ্ৰামলৈ আহ্বান জনালে। শ্ৰীপুষ্পলতা দাস, ইন্দুপ্ৰভা দেৱী, শ্ৰীস্বৰ্ণ মহন্ত, পূৰ্ণনা দেৱী, কোমেশ্বৰী দেৱী, শ্ৰীগোলাপী ভূঞা, শ্ৰীবানেশ্বৰী শইকীয়া, শ্ৰীপদ্মী গগৈ বৰুৱা, মৰুৱা হাজৰিকা, ৰূপন হাজৰিকা, বৃন্দা কাকতি এইসকলক লগত লৈ চতিয়াৰ মহিলাসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলায়। এওঁলোকক সেই সময়ত পোষ্টাৰ আদি লিখি আন্দোলন আগবঢ়াই নিয়াত সহায় কৰিছিল। শ্ৰীলাৱণ্য ফুকন, কনকলতা শইকীয়া,

শ্ৰীভবমাই শইকীয়া, শ্ৰীমহেশ্বৰী বৰা, শ্ৰীফুলেশ্বৰী ভূঞা, বেণুবালা দেৱী, জাহ্নৱী দেৱী, বসুমতী কোচ, প্ৰজ্ঞা ববকাকতি, পঙ্কজ বৰকাকতি, শ্ৰীঅৰুণা বৰুৱা আদিয়ে।

আন্দোলন দমন কৰিবৰ কাৰণে চৰকাৰে বেচি পুলিচ মিলিটেৰীৰ ব্যৱস্থা কৰিলে। আন্দোলনত কাম কৰি থকা আগশাৰীৰ কংগ্ৰেছ কৰ্মী গঙ্গানাথ বৰকটকী, তুলসী চন্দ্ৰ হাতীবৰুৱা, শ্ৰীৰাৰচন্দ্ৰ হাজৰিকা, বাপাৰাম গগৈ বৰুৱা, শ্ৰীভূষণ চন্দ্ৰ বৰুৱা, ভূমিধৰ বৰদলৈ, শ্ৰীকামাখ্যা হাজৰিকা প্ৰভৃতিক গ্ৰেপ্তাৰ কৰি জেইল হাজোতত ৰাখিলে। আৰু বিচাৰ কৰি তেওঁলোকক ফাটেক দিলে।

মহিলা কৰ্মী গ্ৰেপ্তাৰ : মহিলা কৰ্মীৰ মাজৰ পৰা শিক্ষয়িত্ৰী পূৰ্ণদা দেৱী, কোষেশ্বৰী দেৱী, গোলাপী ভূঞা আৰু শ্ৰীপদুমী গগৈ বৰুৱাক গ্ৰেপ্তাৰ কৰি বিচাৰত ফাটেক দিয়ে। সেই সময়ত অসমত বৰ কম সংখ্যক মহিলাকে গ্ৰেপ্তাৰ কৰিছিল। চাতয়াৰে ৪ গৰাকী মহিলা জেললৈ যোৱাতো বৰ আগশাৰীৰ কথা আছিল। আন্দোলন যিমানেই প্ৰখৰ গতিত চলিল, পুলিচে সভা-সমিতি শোভাযাত্ৰা আদিত বাধা দিবলৈ ধৰিলে। আমাৰ কৰ্মী সকলে গোপনে সভা-সমিতি পাতি চিঠি পত্ৰ প্ৰচাৰ আদিৰ আদান প্ৰদান কৰি আন্দোলন চলাই আছিল। গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পোৱাত আমাৰ ভলন্টিয়াৰ আৰু অন্যান্য কৰ্মী সকলে পলাতক হিচাবে কাম কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকক পুলিচৰ হাতৰ পৰা ৰক্ষা কৰিবৰ কৰেণে গাঁৱৰ মূৰত গেটৰ ব্যৱস্থা ৰাইজে কৰিলে। তাত ৰাতিয়ে দিনে পহৰাৰ দিহা কৰিলে। পুলিচেও এই গেটবোৰ দেখি গাঁৱত সোমাবৰ কাৰণে শঙ্কাবোধ কৰিছিল। পুলিচ অহা দেখিলেই পহৰা দিয়া জনে শিঙা ফুকাই, লগে লগে কৰ্মীসকল পথাৰে সমাৰে লুকাবলৈ আৰম্ভ কৰে। কিছুদিন এনেদৰে থকাৰ পিছত পুলিচে সেইবোৰ ভাঙি পেলালে। তেওঁলোকে কংগেছ ভলন্টিয়াৰ আৰু অন্যান্য কৰ্মী বিচাৰি গাঁৱত সোমাই

তেনে প্ৰেণ্ডাৰি পবোৱাৰা থকা লোক লগ নাপালে দৈউতাৰিকক বা ঘৰত থকা অন্যান্যপৰীয়া লোকৰ ওপৰত মাৰধৰ কৰি অত্যাচাৰ কৰে। বস্ত্ৰ-বাহানি ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰে। ৰহিম বৰকাকতি নামৰ এজন বৃদ্ধ লোকক পুতেক শ্ৰীকমল বৰকাকতিক নাপায় বৰ বেয়াকৈ মাৰ-ধৰ কৰে, তাৰ ফলত তেওঁ ঘূৰ্ণীয়া হয়। এনে উদাহৰণ ভালেমান আছিল।

২০ চেপ্তেম্বৰত পতাকা উত্তোলন ঃ ৺জ্যোতি প্ৰসাদ আগৰৱালাই, থানাত পতাকা উত্তোলনৰ আচনি এটা কংগ্ৰেছ কৰ্মীসকলৰ আগত ডাঙি ধৰিলে। গহপুৰ, চতিয়া, ঢেকিয়াজুলী আদি থানাত সমদল লৈ পতাকা উত্তোলন কৰিব। তাৰ কাৰণে তেওঁ এইবোৰ ঠাইত মৃত্যু বাহিনী গঠন কৰিলে। প্ৰায় ডেৰমাহ ধৰি এই বাহিনীবোৰক শিক্ষা দিয়া হৈছিল। কৰিম কিম্বা মৰিম এই মন্ত্ৰেৰে মৃত্যু বাহিনীক দীক্ষা দিয়া হৈছিল। থানাত মিলিটাৰীৰ হাতত বন্দুক সঙ্গীন আদি সাজু থাকিব। সদলবলে জনতা আগবাঢ়ি যাব, আগত মৃত্যু বাহিনী থাকিব। তেওঁলোকে জাতীয় পতাকা হাতত লৈ থানালৈ আগবাঢ়ি যাব বন্দুকৰ গুলীত এজনৰ পিচত এজন ঢলি পৰিলেও পিচৰজনে থানাত পতাকা উত্তোলন কৰিবলৈ আগবাঢ়ি যাব। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে থানাত পতাকা উত্তোলনৰ কাৰণে দিন ঠিক হ'ল। চতিয়া থানাতো সেইদিনা পতাকা উত্তোলন হ'ব। চাৰিআলি আৰু জামুগুৰিৰ পৰা মৃত্যুবাহিনী আহি চতিয়াৰ মৃত্যুবাহিনীৰ লগত সহযোগ কৰি থানাত পুনৰ পতাকা উত্তোলন কৰিব। সেইসময়ত থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ দায়িত্বত থকা হলিৰাম ডেকা, আৰু পুলিচ সহকাৰী পৰিদৰ্শক শ্ৰীভিমচান্দ দাসৰ উদাৰতাৰ গুণত চতিয়াৰ মৃত্যু বাহিনীয়ে বেলি ওলোৱাৰ আগতে ২০ চেপ্তেম্বৰ তাৰিখে চতিয়া থানাত কংগ্ৰেছৰ জাতীয় পতাকা তুলিলে। পুলিচ মিলিটাৰীৰ থকা বন্দুক বাইফল থকাতে থাকিল। চাৰিআলি আৰু জামুগুৰিৰ পৰা অহা মৃত্যু বাহিনীয়ে তেওঁ লোকৰ অনুপস্থিতিত এনে ঘটনা হোৱা বাবে মনত দুখ পালেও কামটো সুকলমে হৈ উঠিল।

কংগ্ৰেছ কৰ্মী সকলক গ্ৰেপ্তাৰ ক'ৰি বিভাগত কাৰ্টৈক দিব লাগিলে সাক্ষীৰ প্ৰয়োজন হ'ব। পুলিচৰ প্ৰৰোচনাত যাতে কোনো সাক্ষী দিবলৈ নাযায় তাৰ কাৰণে কোনো কোনোৱে চতিয়াত কিছু ধ্বংস মূলক কাম কৰিছিল। সেইবোৰ কাৰণে চতিয়াত প্ৰায় ভেবল কংগ্ৰেছ কৰ্মী গ্ৰেপ্তাৰ হৈ হাজোতলৈ যোৱাৰ পিচত কেইজন মাৰ্বহে ফাটেক হ'ল। সাক্ষীৰ অভাৱত বাকী সকলক চৰকাৰে দোষী সাব্যস্ত কৰিব নোৱাৰিলে। ২০ চেপ্তেম্বৰ তাৰিখে গহপুৰ থানাত গুলি চালনাত আহতহোৱা লোকসকলক চিকিৎসাৰ কাৰণে ঔষধপাতি লৈ চতিয়াৰ পৰা শ্ৰীযোগেশ্বৰ হাজৰিকা, শ্ৰীধানেশ্বৰ হাজৰিকা, প্ৰভৃতি তাত থাকি আহত সকলক চিকিৎসা আৰু পৰিচৰ্য্যা কৰিছিল।

১৯৪২ চনৰ আন্দোলনত চতিয়াত প্ৰায় ডেৰশজন লোকক পুলিচে গ্ৰেপ্তাৰ কৰিছিল। তাৰে কিছুমানক থানাত কিছুসময় ৰাখি এৰি দিছিল। কিছুমানক জেইলৰ হাজোতত কিছুদিন ৰাখি সাক্ষীৰ অভাৱত খালাচ দিছিল। ইয়াৰ আগতে উল্লেখ ক'ৰা অহা সকলৰ বাহিৰেও তলত নাম দিয়া চতিয়া আৰু নাগশঙ্কৰৰ লোকসকলৰ ৪২ চনত ফাটেক হৈছিল। শ্ৰীবলোভদ্ৰ চেত্ৰী, পদ্ম প্ৰসাদ ঘোষেল, নৰপতি উপাধ্যায়, ধৰ্ম্মানন্দ মিশ্ৰ, শ্ৰীগিৰিশ চন্দ্ৰ ফুকন, শ্ৰীতীৰ্থনাথ বৰুৱা, গোলোক চন্দ্ৰ কটকী, শ্ৰীকনক চন্দ্ৰ দাস, খগেশ্বৰ বৰা, শ্ৰীচন্দ্ৰ শইকীয়া, শ্ৰীধনেশ্বৰ হাজৰিকা, মোহন চন্দ্ৰ শইকীয়া, ভূমিধৰ ডেকা, শ্ৰীভোলা বৰমুদৈ (চাৰিঙীয়া), শ্ৰীযোগেশ্বৰ বৰমুদৈ, ভূমিধৰ বৰমুদৈ, মাধৱ হাজৰিকা, ভবেশ্বৰ হাজৰিকা, শ্ৰীকনক চন্দ্ৰ বৰা, শ্ৰীক্ষেমচন্দ্ৰ শইকীয়া, শ্ৰীঋষভ বৰমুদৈ, জয়নাৰায়ণ উপাধ্যায়।

ইয়াৰ বাহিৰেও তলত দিয়া সকল হাজোতী হিচাবে কিছু-দিনতে খালাচ পায়। ভূমিধৰ বৰদলৈ. ৰমেশ চন্দ্ৰ ফুকন, শ্ৰীডালিম চন্দ্ৰ শইকীয়া, সকল'ৰা শইকীয়া, শ্ৰীহোদোৰা বৰুৱা, মহেন্দ্ৰ নাথ বৰুৱা, খগেন্দ্ৰ নাথ শৰ্মা, ভদ্ৰেশ্বৰ বৰা, ধনাই বৰা, কনক বৰুৱা,

ভুবণ শইকীয়া, কিনাৰাম ৰবা, যোগেন বৰুৱা, মোলাই কটকী, ভুগি-ৰাম ৰবা, শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া, দীননাথ বৰকটকী, দুৰ্গাৰাম ৰবা, ধনেশ্বৰ বৰকাকতি, শ্ৰীবংশীধৰ শইকীয়া, শ্ৰীকমলা কান্ত ভাগৱতী, ৰজনীকান্ত সন্দিকৈ, শ্ৰীদেবেন হাজৰিকা, গোলোক চন্দ্ৰ শইকীয়া বাবুলিৰাম হাজৰিকা, শ্ৰীবনমালি শইকীয়া (নাগশঙ্কৰ), শ্ৰীমন্মথ চৰণ হাজৰিকা, শ্ৰীত্ৰিদীপ বৰকাকতি।

১৯৪২ চনৰ আন্দোলনত অসংখ্য কৰ্মীয়ে পলাতক হিচাবে কাম কৰি আছিল। তাৰ ভিতৰত ৬ মাহৰ ওপৰ কাল তেনেদৰে থকা লোক সকলৰ নাম তলত দিয়া ধৰণে পুলিচ থানাৰ নথিত আছে।

১। শ্ৰীত্ৰিনয়ণ বৰকাকতি ২। শ্ৰীকমল চন্দ্ৰ বৰকাকতি
৩। শ্ৰীথানেশ্বৰ হাজৰিকা ৪। শ্ৰীকমলা কান্ত ভাগৱতী

৺পিতাম্বৰ ভাগৱতী নামৰ ডেকা কংগ্ৰেছ কৰ্মী এজন পলাতক হিচাবে কাম কৰি থাকোতে বেমাৰত পৰি ঘৰত আহি ঢুকায়। তেওঁৰ ঘৰ বগলীবাৰীত।

শ্ৰীত্ৰিনয়ণ বৰকাকতি ১৯৪২ চনত পলাতক হিচাবে থাকোতে তেওঁক ভবলীৰ পৰা হাৰাজানলৈ এই অঞ্চলটোৰ কংগ্ৰেছ সম্পাদক পাতে। তেওঁ সম্পাদক হিচাবে এই অঞ্চলত যোগাযোগ ৰক্ষা কৰি আন্দোলন সজীৱ কৰি ৰাখিছিল।

পাইকাৰী জৰিমনা : এই আন্দোলনত কিছু ধ্বংসমূলক কামকাজ হোৱাত চৰকাৰে ৰাইজৰ ওপৰত পাইকাৰী জৰিমনা নিৰ্দ্ধাৰণ কৰি খাজানাৰ লগত আদায় কৰে। সোতৰ হাজাৰ টকা পাইকাৰী জৰি-মনা হৈছিল। দেশ স্বাধীন হোৱাৰ পিছত আমাৰ চৰকাৰে সেই পাইকাৰী জৰিমনা ঘূৰাই দিয়ে। ব্যক্তিগত ভাবে টকা নলৈ তিনি ভাগ কৰি এভাগ চতিয়া হাইস্কুল, এভাগ চতিয়া ডাক্তৰখানা আৰু

এভাগ চতিয়া, বালিকা মজলীয়া স্কুলৰ কাৰণে বাহিৰে দান হিচাপে দিলে।

১৯৪২ চনৰ আন্দোলনত বহুতো ছাত্ৰই স্কুল এৰিলে। ১৯৪৪ত জেইলৰ পৰা ওলাই আমি যেতিয়া নতুনকৈ স্কুল আৰম্ভ কৰিলো, তেতিয়া গাৱে-ভূয়ে স্কুল এৰি হাল-কোৰত লাগি থকা ল'ৰাবোৰৰ খবৰ লৈছিলো, কিছু কিছু স্কুললৈ আহিল, যিসকল অলপ বয়সীয়া হ'ল তেওঁলোক ঘূৰি নাহি খেতিবাতিত লাগি থাকিল। স্কুল এৰা ছাত্ৰসকলৰ নাম বিচাৰি পাবলৈ অসুবিধা। তেওঁলোকে শিক্ষাৰ পৰা বঞ্চিত হৈ দেশৰ কাৰণে কৰা মহান ত্যাগ আমি শ্ৰদ্ধাৰে সদায় সুঁৱৰি থাকিব লাগিব। ১৯৪২ চনৰ আন্দোলনত লাগি থকা বাবে চতিয়া হাইস্কুলৰ দশম মান শ্ৰেণীৰ ছাত্ৰসকলে ১৯৪৩ চনত মেট্ৰিক পৰীক্ষা বৰ্জ্জন কৰিলে। আন্দোলনত লাগি থাকি মেট্ৰিক পৰীক্ষা বৰ্জ্জন কৰা স্কুল অসমৰ ভিতৰত মাত্ৰ এইখনেই। এই অঞ্চলৰ ছাত্ৰৰ স্বাধীনতাৰ কাৰণে এইটো কম ত্যাগ নহয়। দশম মানৰ ছাত্ৰসকল হ'ল— জীতেন বৰকটকী, শ্ৰীকেশৱ মহন্ত, শ্ৰীচন্দ্ৰ নাথ বৰা, শ্ৰীবলোভদ্ৰ ছেত্ৰী, তিলক কাকতি, সোমনাথ বৰা, শ্ৰীআনন্দ গায়ন, শ্ৰীগোলাপ চন্দ্ৰ বৰঠাকুৰ, শ্ৰীগণেশ্বৰ হাজৰিকা, শ্ৰীনবকান্ত হাজৰিকা। এওঁলোকৰ ত্যাগৰ আমি শলাগ লৈছো।

যিসকল ছাত্ৰই ১৯৪২ চনৰ আন্দোলনত স্কুল এৰি পুনৰ স্কুললৈ নাহি ছাত্ৰ জীৱনৰ যৱনিকা পেলালে তেওঁলোকে কংগ্ৰেছ কমিটিক জনোৱা মতে নামখিনি এনে ধৰণৰ— শ্ৰীপদ্মকান্ত শইকীয়া, শ্ৰীনৰবাহাদুৰ ছেত্ৰী, শ্ৰীচন্দ্ৰ হাজৰিকা, শ্ৰীবলো বৰুৱা, শ্ৰীহেমধৰ গগৈ, শ্ৰীদেবেন হাজৰিকা, শ্ৰীশৰৎ হাজৰিকা, শ্ৰীবাবুলি হাজৰিকা, শ্ৰীবাবুলি ৰাম বৰা।

১৯৪২ চনৰ আন্দোলনত ত্যাগবীৰ হেমবৰুৱা গুৱাহাটীত ভুৱনেশ্বৰ বৰুৱাৰ ঘৰত ৰোগশয্যাত পৰি থাকিও বিভিন্ন ঠাইৰ

আন্দোলনৰ তুন্দা লৈ আছিল। বুদ্ধি পৰামৰ্শ দি আছিল। আমাৰ মাজৰ শ্ৰীকমলাকান্ত ভাগৱতীয়ে সেই সময়ত আন্দোলনৰ কাম-কাজ গোপনে কৰি আছিল। বৰুৱাদেৱৰ পৰামৰ্শ মতে চিঠি-পত্ৰ লৈ জ্যোতি প্ৰসাদ আগৰৱালাদেৱক কলিকতাত লগ ধৰি তেওঁ আন্দোলন পৰিচালনা কৰিবৰ কাৰণে টকা পইচা সংগ্ৰহ কৰি আনিছিল।

১৯৪৭ চনত দেশ বিভাজন হোৱাৰ সময়ত কিছুমান প্ৰদেশত সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল। পমুৱা আৰু স্থানীয় লোকৰ মাজত যাতে তেনেধৰণৰ কথাবোৰ আহিব নোৱাৰে তাৰবাবে চতিয়া কংগ্ৰেছ সেই খনি সময়ত বৰ তৎপৰ হৈছিল। নানান কৌশলেৰে সম্প্ৰীতি ৰক্ষা কৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত চতিয়া কংগ্ৰেছে উলহ-মালহেৰে পালন কৰিছিল। সেই দিন ধৰি প্ৰতিটো স্বাধীনতা দিৱস গণতন্ত্ৰ দিৱস, ৩০ চেপ্তেম্বৰ, শ্বহীদ দিৱস, গান্ধীজয়ন্তী, সমূহীয়াকৈ বিভিন্ন গাঁৱৰ নামঘৰত পালন কৰি আহিছে। দেশ স্বাধীন হোৱাৰ পিচত অন্যান্য ঠাইত হোৱাদি চতিয়াতো পঞ্চায়ত আদি চলি আছে। কংগ্ৰেছৰ লোক সকলে সেইবোৰ নিৰ্ব্বাচনত নামি জয়যুক্ত হৈ কাম-কাজ কৰি আছে। পঞ্চায়তবোৰে গাঁৱৰ আলি-পদূলি আদি আছল-বহল কৰাত জোৰ দি আগবাঢ়িছে। হাট বজাৰৰ উন্নতি সাধন কৰিছে।

প্ৰতিটো বিধানসভা আৰু লোকসভা নিৰ্ব্বাচনত কংগ্ৰেছ প্ৰাৰ্থীক জয়যুক্ত কৰিবৰ কাৰণে চতিয়া কংগ্ৰেছ কমিটি সদায় তৎপৰ। নিৰ্ব্বাচনী অভিযান আৰম্ভ হলে চতিয়াৰ কংগ্ৰেছ কৰ্মীসকল প্ৰাৰ্থীৰ লগত গৈ নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্য চলায় আৰু ভোট লোৱাৰ দিনা প্ৰাৰ্থীজনক যথেষ্ট সহায় কৰে। ১৯৭৮ চনৰ বিধানসভা নিৰ্ব্বাচনৰ বাহিৰে বাকী আটাইবোৰ নিৰ্ব্বাচনত চতিয়া সমৰ্থিত কংগ্ৰেছ প্ৰাৰ্থী বিধানসভালৈ নিৰ্ব্বাচিত হৈছে। চতিয়া কংগ্ৰেছৰ সৌভাগ্য সৰ্ব্বভাৰতীয় খ্যাতি থকা বিশিষ্ট গান্ধীবাদী কংগ্ৰেছ নেতা শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী চতিয়াৰ লোক। যেখেত ১৩/১৪ বছৰ বয়সৰ পৰা ৰাজনীতি আৰম্ভ কৰি প্ৰতিটো

স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল। সৰ্ব্বমুঠ ৬ বছৰ কাৰাবৰণ কৰিলে। ১৯৪৬ চনৰ পৰা ১৯৫৭ চনলৈ ১১ বছৰ অসম বিধানসভাৰ সদস্য, ১৯৫৭ চনৰ পৰা ১৯৭৮ লৈ প্ৰায় ২২ বছৰ লোকসভাৰ সদস্য, তাৰ উপৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, সম্পাদক, ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ কমিটিৰ সভাপতি আৰু কেন্দ্ৰীয় মন্ত্ৰী সভাতো স্থান লাভ কৰিছিল।

৺ৰবিচন্দ্ৰ হাজৰিকাই তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। তেওঁ কংগ্ৰেছ অনুষ্ঠানৰ লগত গোটেই জীৱন জড়িত। চতিয়া কংগ্ৰেছ কমিটিত ভালেমান বছৰ সভাপতি, সম্পাদক, প্ৰাথমিক শিক্ষা বৰ্ডৰ চেয়াৰমেন আছিল। শ্ৰীস্বৰ্ণ মহন্ত চতিয়া সমষ্টিৰপৰা বিধানসভাৰ সদস্যা নিৰ্ব্বাচিত হৈ ৰাজ্যিক মন্ত্ৰী হয়।

১৯৪২ চনৰ নাগশঙ্কৰ কংগ্ৰেছ কমিটিৰ বিষয়ববীয়া সকল আৰু বিভিন্ন সময়ৰ সভাপতি সকল— ৺গনেশ চন্দ্ৰ বৰঠাকুৰ, নবীনচন্দ্ৰ বৰুৱা, শ্ৰীৰজনী শইকীয়া, শ্ৰীঅৰবিন্দ ভূঞা, ৺জয়ৰাম নাথ, দধি খাউণ্ড, শ্ৰীহেম বৰা।

বিভিন্ন সময়ৰ সম্পাদক সকল— ৺জয়নাথ হাজৰিকা, পূৰ্ণ মহন্ত, শ্ৰীঅৰবিন্দ ভূঞা, শ্ৰীচন্দ্ৰ ভূঞা, ৺তাৰানাথ শৰ্ম্মা, শ্ৰীত্ৰিলোচন শইকীয়া।

১৯২১ চনৰ পৰা চতিয়া কংগ্ৰেছৰ বিষয়ববীয়া সকল, বিভিন্ন সময়ৰ সভাপতিসকল— ৺লক্ষ্মীনাথ বৰুৱা, তুলসী হাতীবৰুৱা, গঙ্গানাথ বৰকটকী, ৰবিচন্দ্ৰ হাজৰিকা, শ্ৰীমহেন্দ্ৰনাথ বৰকটকী, শ্ৰীপদ্মকান্ত শইকীয়া, শ্ৰীকমলাকান্ত ভাগৱতী।

বিভিন্ন সময়ৰ সম্পাদক সকল—৺ৰূপৰাম শইকীয়া, ৰমেশচন্দ্ৰ ফুকন, লক্ষীনাথ বৰুৱা, দুৰ্গাৰাম বৰা, শ্ৰীতৰুণ চন্দ্ৰ শইকীয়া, শ্ৰীখগেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীপদ্মকান্ত শইকীয়া, শ্ৰীখগেশ্বৰ চেলেং, শ্ৰীমহীকান্ত বৰা, শ্ৰীনৱ

বাহাদুৰ চেত্ৰী, শ্ৰীলক্ষী গুজা। বৰ্ত্তমান চতিয়াত কংগ্ৰেছ দুখন। এখন ট্ৰাঙ্কৰোডৰ উত্তৰে আৰু আনখন ট্ৰাঙ্কৰোডৰ দক্ষিণে। পঞ্চায়ত হিচাবে সীমা কৰা হৈছে। পুৰণা কংগ্ৰেছ কৰ্মীসকল আজিও পুৰণা কংগ্ৰেছ কমিটিত আছে আৰু কংগ্ৰেছ-ই লৈ মাত্ৰ দুই চাৰিজনহে গৈছে।

যোৱা ৬ বছৰত বিদেশী বহিষ্কাৰ আন্দোলনত চতিয়াৰ বয়-সীয়া কংগ্ৰেছীসকলে আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচী যেনে সত্যাগ্ৰহ, অনশন আদিত সক্ৰিয় সহযোগ কৰিছিল আৰু তাম্ৰপত্ৰও ঘূৰাই দিছিল। তাৰফলত প্ৰবীণ মুক্তি যুজাৰু শ্ৰীকমলাকান্ত ভাগৱতী, শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মা বৰকটকী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মহিলা সমিতিৰ আগশাৰীৰ কৰ্মী শ্ৰীপুষ্পদা দেৱীৰ ওপৰত পুলিচৰ নানান ধৰণৰ কষ্ট নিৰ্য্যাতন চলিছিল। যিসকলে নানা ধৰণৰ কষ্ট স্বীকাৰ কৰি দেশৰ স্বাধীনতা ঘূৰাই অনাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল, স্বাধীন দেশৰ চৰকাৰে-পুলিচৰ হতুৱাই তেনেলোককে বিনাদোষত, থানাৰ হাজোতত আটক কৰি অভদ্ৰ ব্যৱহাৰ কৰি এক অভিনৱ দৃষ্টান্ত সমাজত দাঙি ধৰিলে। এইবোৰ বৰ্ব্বৰোচিত কাহিনী স্বাধীন দেশৰ বুৰঞ্জীত চিৰ সেউজীয়া হৈ ৰ'ব।

আমি কংগ্ৰেছ কৰ্মীসকলে পৰাধীন ভাৰতবৰ্ষত স্বাধীনতা লাভৰ কাৰণে অশেষ কষ্ট বৰণ কৰি যেনে ধৰণে কৰ্ত্তব্যত আগ-বাঢ়িছিলোঁহক (আজিৰ এই মহামানৱ মহাত্মা গান্ধীৰ জন্ম জয়ন্তীৰ পবিত্ৰ দিনত) আমি কংগ্ৰেছ কৰ্মীসকল এতিয়া সংঘবদ্ধ হৈ অসততা, দুৰ্নীতি, অন্যায় অবিচাৰ এইবিলাকৰ বিৰুদ্ধে ঠিয় দিব লাগিব। গণতান্ত্ৰিক দেশৰ স্বাধীন নাগৰিক হিচাবে আমাৰ কৰ্ত্তব্য অসীম। আহক আমি সকলো দৃঢ়ভাৱে আগবাঢ়োঁ। ***

অসমীয়া ভাষাৰ ক্ৰমবিকাশ

কোনো জনসমষ্টিয়ে স্পষ্ট ধ্বনি উচ্চাৰণৰ জৰিয়তে মনোভাৱ প্ৰকাশ কৰি পাৰস্পৰিক সহযোগিতা আৰু দৈনন্দিন জীৱনত কাৰ্য্য পৰিচালনাৰ বাবে অৱলম্বন কৰা প্ৰণালীক ভাষা বোলে। সংক্ষেপতে কবলৈ গলে উচ্চাৰিত ধ্বনি প্ৰতীকৰ সহায়ত ভাৱৰ পূৰ্ণ অভি ব্যক্তিৰ নাম ভাষা। ভাষাৰ মূল ধ্বনি বুলি কব পাৰি স্পষ্ট ধ্বনিৰ নিজৰ কোনো অৰ্থ নাই। এটা নাইবা তাতোকৈ অধিক ধ্বনিৰ সংযোগত একোটা অৰ্থ প্ৰকাশিত হয়। ইয়াৰ নাম ৰূপ। এটা বা অধিক ৰূপৰ সংযোগত আৰু সেই বোৰৰ পাৰস্পৰিক সম্পৰ্কৰ ফলত একোটা স্পষ্ট মনোভাৱ প্ৰকাশ হয়। ইয়াকে সাধাৰণতে বাক্য বুলি কোৱা হয়। বাক্যৰ সমষ্টিয়ে সুদীৰ্ঘ মনোভাৱ প্ৰকাশ কৰে। এইদৰে পাৰস্পৰিক সহযোগিতাৰ সৃষ্টি হয়। অৰ্থাৎ একোখন ঠাইৰ একোটা ভাষাই গঢ লয়। গতিকে কোনো এটা ভাষা জানিবলৈ হ'লে সেই ভাষাৰ ধ্বনি, ধ্বনিৰ সংযোগ বা ৰূপৰ গঠনৰ আৰু ৰূপৰ সংযোগ বা বাক্য গঠনৰ বিষয়ে অৱগত হব লাগিব।

যি পুথিত কোনো এটা ভাষাৰ গঠন প্ৰণালী আলোচনা কৰা হয় সেই পুথিক সেই ভাষাৰ ব্যাকৰণ বোলে। আমাৰ প্ৰায় ভাগ অসমীয়া ব্যাকৰণত আছে—যি পুথি পঢ়িলে ভাষা শুদ্ধকৈ লিখিব পাৰি সেই পুথিকে ব্যাকৰণ বোলে। মাত্ৰ ৺সত্যনাথ বৰাৰ বহল ব্যাকৰণৰ পাতনিত ব্যাকৰণ সম্পৰ্কে এটা স্পষ্ট আৰু বৈজ্ঞানিক দৃষ্টি ভঙ্গী ডাঙি ধৰা হৈছে। তেওঁ লিখিছে ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি। ই-ভাষা এটা খণ্ড খণ্ড কৰি তাৰ গঠন প্ৰণালীটোক ডাঙি ছিঙি ভিন্ ভিন্ কৰি দেখুৱাই দিয়ে আৰু ভিন্ ভিন্ খণ্ড বিলাকৰ ভিন্ ভিন্ নাম দিয়া হৈছে।

মানুহ সামাজিক প্ৰাণী। মানুহ কথা কোৱা প্ৰাণী। কথা

বা ভাষাই মানুহক আন প্ৰাণী বা জীৱ জন্তুৰ পৰা পৃথক কৰিছে। মানুহৰ কথা কোৱা বা ভাষা কোৱা এটা আচৰিত ক্ষমতা। জগতৰ বিভিন্ন ঠাইত ভিন্ ভিন্ ভাষাৰ প্ৰচলন আছে। কিন্তু প্ৰত্যক ভাষাৰে একোটা নিজস্ব শৃংখলা আছে। প্ৰত্যেকৰে গঠন প্ৰণালীৰ একোটা বৈশিষ্ট আছে। সেই প্ৰণালীৰ আবিষ্কাৰৰ দ্বাৰা কোনো এটা ভাষাকে সুষম ভাৱে তন্ন তন্নকৈ আলোচনা কৰিব পাৰি।

ডঃ মহেশ্বৰ নেওগৰ মতে সম্ভৱত ১০০০ খৃষ্টাব্দৰ ওচৰা ওচৰি সময়ত আন নব্য ভাৰতীয় আৰ্য্য সভ্যতাৰ লগে লগে অসমীয়া ভাষাৰো উৎপত্তি ঘটে। বিশেষকৈ ভোট কৰ্মী ভাষা ভাষী অধ্যুষ্ট কামৰূপত আৰ্য্য সভ্যতাৰ পতন কেতিয়াৰ পৰা হ'ল খাটাংকৈ কবৰ উপায় নাই। কালিকা পুৰাণত এটি ইঙ্গিত আছে যে নৰকাসুৰে কামৰূপৰ কিৰাত ম্লেচ্ছ সকলক দূৰৰ পৰ্ব্বত আৰু সাগৰ পৰ্য্যন্ত খেদি আৰ্য্য সভ্যতা কামৰূপত প্ৰতিষ্ঠা কৰে। ডঃ বাণীকান্ত কাকতিয়ে এই নৰকাসুৰক নাৰকীয় তৃতীয়ৰ পৰা পঞ্চম শতিকাৰ ভিতৰত কামৰূপৰ ৰজা বুলি কব খোজে। খৃষ্টীয় প্ৰথম দুই এটা শতিকাৰ ভিতৰতে কামৰূপত আৰ্য্য সংহতি আৰু ভাৰতীয় আৰ্য্য ভাষাৰ বিস্তাৰ হয় বুলি অনুমান কৰিব পাৰি। এই সমস্ত কাল ছোৱাত কামৰূপৰ ভাষাৰ অৱস্থা জানৰৰ কাৰণে দুটা মাথোন অতি দূৰণিৰটীয়া ইঙ্গিত পোৱা যায়। এটা হ'ল ৰজাসকলৰ সংস্কৃত ভাষাত লিখা তাম্ৰশাসন সমূহ আৰু আনটো হ'ল কামৰূপৰ ভাষা সম্পৰ্কে চীন পৰিব্ৰাজক হিউয়েনচাঙৰ মন্তব্য। তাম্ৰশাসনবোৰত অনেকবোৰ ঠাই আৰু মানুহৰ নাম পোৱা যায়। যিবোৰৰ প্ৰতিৰূপ পৰবৰ্ত্তী অসমীয়া ভাষাত দেখা যায়। হিউয়েন চাং সপ্তম শতিকাত কামৰূপলৈ আহোতে ইয়াৰ ভাষা মধ্য-ভাৰত তথা মগধৰ ভাষাৰ পৰা সামান্য ভাৱে পৃথক পাইছিল। সেই সময়ত নিশ্চয় ভাৰতীয় আৰ্য্য ভাষা কামৰূপতো বিয়পি আছিল। কামৰূপত যি তাৰ ধ্বনিগত পাৰ্থক্য আছিল। তাকে হিউয়েন চাঙে স্পষ্টভাৱে ধৰিব পাৰিছিল। হিউয়েন চাঙে দক্ষিণ-পশ্চিম

চীনৰ জনজাতি সকলৰ সগোত্ৰ জনজাতি কামৰূপৰ প্ৰত্যন্তত নিবাস কৰিছিলি বুলি উল্লেখ কৰিছে। সম্ভৱতঃ তেতিয়াৰ পৰা কামৰূপত থকা ভোট-বৰ্মী ভাষা-ভাষী সকলৰ প্ৰভাৱত তেওঁলোকৰ ভাষাৰ পৰা কিছুগুণ ইতিমধ্যে কামৰূপীয় ভাৰতীয় আৰ্য্য সভ্যতাই গ্ৰহণ কৰিছিল।

চতুৰ্দ্দশ শতিকাৰ পৰা অসমীয়া সাহিত্যৰ মুক্ত অবাৰিতধাৰা বৰলৈ আৰম্ভ কৰে। ইয়াৰ আগতে অসমীয়া ভাষাৰ পৰিস্কাৰ ৰূপৰ নিদৰ্শন পোৱা নাযায়। কিন্তু চতুৰ্দ্দশ শতিকাৰ কাব্যত আমি অসমীয়া ভাষা সম্পূৰ্ণ পূৰ্ণাঙ্গ সাহিত্যিক ভাষাৰূপে পাওঁ। ডঃ কাকতিয়ে অসমীয়া ভাষাৰ বুৰঞ্জীক প্ৰাচীন অসমীয়া, মধ্য অসমীয়া আৰু আধুনিক অসমীয়া এই ৩ ভাগত ভাগ কৰিছে। প্ৰাচীন অসমীয়াক প্ৰাগ্ বৈষ্ণৱ আৰু বৈষ্ণৱ। এই দুই অনুপৰ্ব্বত বিভাজন কৰিছে। মধ্য অসমীয়াক পূৰ্ব্ব সপ্তদশ শতিকাৰ পৰা আৰম্ভ কৰি ঊনবিংশৰ প্ৰাৰম্ভলৈকে ধৰি আধুনিক যুগ তাৰ পিছৰপৰা ধৰা হৈছে।

শঙ্কৰদেৱৰ যুগত অসমীয়া ভাষাৰ ঠাচ সাহিত্যত সম্পূৰ্ণ প্ৰতিষ্ঠিত। এই সময়ত আৰবী-ফাৰ্চী মূলীয় শব্দৰ ব্যৱহাৰ মুকলি হয়।

সাহিত্যৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ অভিনৱ ৰূপ ধাৰণ হয় সপ্তদশ শতিকাৰ আৰম্ভণিৰ পৰা। এই সময়তে আহোম সকলৰ ঐতিহাসিক অভিৰুচিৰ প্ৰভাৱত ৰাজধানীৰ উচ্চ মহলত কথা ভাষাত বুৰঞ্জী লিখা আৰম্ভ হয়। বৈষ্ণৱ সত্ৰসমূহত সত্ৰীয় শৈলীৰ কথা ভাষাত কথা গুৰুচৰিত্ৰ সমূহ ৰচিত হবলৈ ধৰে। এই দুটি নতুন প্ৰথাৰ দ্বাৰা ভাষাৰ কথা আৰু সাহিত্যিক ৰূপৰ ব্যৱধান আঁতৰি যায়। তদুপৰি উত্তৰ ভাৰতৰ ভাৰতীয় আৰ্য্য তথা ছেমীয় ইন্দো ইৰানীয় আৰবী ফাৰ্চীৰ প্ৰভাৱান্বিত ভাষাৰ আলহী শব্দ অসমলৈ অবাৰিত ভাবে আহিবলৈ ধৰে। আনফালে শঙ্কৰদেৱপন্থী বৈষ্ণৱ তীৰ্থযাত্ৰী

সকলেও পশ্চিমৰ পৰা মাত বলি (বুলি) বোলা ফাৰ্চীৰ আহি লৈ আহিছিল। হুমেছা, চকেদ, হাৰামজাদী চাক, জগো, খাৰাপ, পাভছা, থানথানা হুজুৰ, কাৰামতি, খিৱাল, খিলাইীত পাকুৰ, তিয়াৰ, মলুক, আচবাৱ দপদৰ দোপদৰ, কটি, পাছি, হাচিল, চিতাৰৌ, হৰিগত। একেখন বুৰঞ্জীতে এনেবোৰ শব্দ পোৱা যায়।

আহোম যুগত অসমৰ অসমীয়া ভূমিত ইচলামৰ প্ৰতিষ্ঠা হয়। আজান ফকিৰ চাহাবৰ নামত প্ৰচলিত জিকিৰ আদিৰ যোগে এই মুছলমানী গীতবোৰত ইচলাম ধৰ্ম সম্পৰ্কীয় প্ৰভূত আৰবী ফাৰ্চী মূলীয় শব্দৰ প্ৰয়োগ হৈছে। তদুপৰি অনেক তেনে শব্দ সাধাৰণ লোকৰ শব্দ সম্ভাৰত বোধহয় তেতিয়াই সোমাই পৰিছিল। দুনিয়াই আচমান চিন মোকাম ইত্যাদি। আহোম যুগত টাই ভাষাৰ দুই এটি শব্দ অসমীয়া ভাষাত সোমায়। বুৰঞ্জী কাৰেং ৰং, বনি (কাহী বাটি) ইত্যাদি।

বিভিন্ন ভোট বৰ্মী ভাষী জাতিয়ে অতি প্ৰাচীন কালৰপৰা অসমত বাস কৰি আহিছে। তেওঁলোকৰ দুই একে অসম উপত্যকাৰ ঠায়ে ঠায়ে ৰাজ্য প্ৰতিষ্ঠা কৰি শাসনো কৰিছিল। আহোম যুগৰ প্ৰাৰম্ভৰ কালতে অসমীয়া ভাষাই আষ্ট্ৰিক ভোট বৰ্মী আদি উপাদান সংগ্ৰহ কৰি নিজা বৈশিষ্ট্যত প্ৰতিষ্ঠিত হৈছিল।

১৮১৩ চনত আহোম ৰাজত্ব চলি থকা অৱস্থাত শ্ৰীৰামপুৰৰ খৃষ্টীয়ান পাদুৰী সকলে অসমীয়া বাইবেল পুথি ছপা কৰি উলিওৱাৰ লগে লগে অসমীয়া ভাষাৰ আধুনিক পৰ্ব্ব আৰম্ভ হয়। আমেৰিকাৰ বেপ্তিষ্ট মিছনৰ পাদুৰীসকলে শিৱসাগৰত ছপাশাল পাতি ১৮৪৬ চনৰ পৰা অৰুণোদয় কাকত উলিওৱাত এই আধুনিক স্তৰ সু-প্ৰতিষ্ঠিত হয়। ১৮৪৮ চনত ডাঙৰীয়া নাথান ব্ৰাউনৰ অসমীয়া ব্যাকৰণ আৰু ১৮৬৭ চনত প্ৰকাশিত মাইলচ ব্ৰনচনৰ অসমীয়া অভিধানে অসমীয়া

ভাষাক আৰু প্ৰতিষ্ঠা দিয়ে। পাতৃৰী সকলৰ প্ৰভাৱত শিৱসাগৰক কেন্দ্ৰ কৰি এচাম অসমীয়া লিখক ওলাই অসমীয়া ভাষাক আধুনিক ভাবে আগবঢ়াত সহায় কৰে। শেষত ৺হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ আৰু অভিধানে আধুনিক অসমীয়াৰ ধ্বনি তাত্বিক ৰূপ গঢ়ৰ মানদণ্ড নিৰূপন কৰি দিয়ে। উনবিংশ শতিকাৰ মাজ ভাগৰ পৰা বিশেষকৈ শব্দমালাৰ কালৰ পৰা অসমীয়া ভাষা দ্ৰুতভাবে প্ৰচাৰিত হবলৈ হৰে। অসমীয়া ভাষাৰ উন্নতিৰ কাৰণে কিতাপ পত্ৰ লিখি ছপা কৰি প্ৰকাশ কৰা বৰ্ত্তমানৰ জীৱিত সাহিত্যিক সকলৰ নাম মই উল্লেখ কৰিব খোজা নাই। তেখেতসকল আপোনালোক সকলোৰে বিদিত। যিসকলৰ আপ্ৰাণ চেষ্টাত অসমীয়া ভাষা আজিৰ অৱস্থালৈ আহিল। তেখেত সকল আমাৰ মাজৰপৰা আঁতৰ হ'ল। তেখেত সকলৰ কৰ্ম্ম প্ৰেৰণা কৰা আছে আমি শ্ৰদ্ধাৰে সুঁৱৰিছো। তেখেতসকল হ'ল—৺আনন্দৰাম বৰুৱা, গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, লম্বোদৰ বৰা, চন্দ্ৰ কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঁইবৰুৱা, আনন্দচন্দ্ৰ আগৰৱালা, বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধুৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্ম্মা, যতীন্দ্ৰনাথ দুৱৰা, সূৰ্য্য কুমাৰ ভূঞা, ডাঃ বাণীকান্ত কাকতি, দণ্ডিনাথ কলিতা, ডিম্বেশ্বৰ নেওগ, অতুলচন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, ৰত্নকান্ত বৰকাকতি, প্ৰসন্নলাল চৌধুৰী, গনেশ গগৈ, কৃষ্ণকান্ত সন্দিকৈ, ৰজনীকান্ত বৰদলৈ, শৰৎ চন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, বিৰিঞ্চি কুমাৰ বৰুৱা, বেণুধৰ শৰ্ম্মা, ৰাধাকান্ত সন্দিকৈ, মিত্ৰদেৱ মহন্ত, নবীনচন্দ্ৰ বৰদলৈ, ত্ৰৈলোক্যনাথ গোস্বামী।

আমি মনত ৰাখিব লাগিব অসমীয়া ভাষাৰ উন্নতি, অসমীয়া সাহিত্যৰ উন্নতিৰ প্ৰথম ঢাপ। আমি একান্তমনে পৰিশ্ৰম কৰি তাৰ উন্নতিৰ অৰ্থে লাগি গলে নিশ্চয় আমাৰ যত্নৰ ফল ফলিব। আজি কালি অসমীয়া ভাষাৰ লিখিত আৰু কথিত ৰূপত বিশেষকৈ নতুন পুৰুষৰ এক অৰুচিপূৰ্ণ পৰিবেশ সৃষ্টি হৈছে। এই পৰিবেশত পৰি অসমীয়া

ভাষাই বিকৃত ৰূপ লবলৈ আৰম্ভ কৰিছে। হাটে-বজাৰে বিয়াই-সবাহে ঘৰে বাহিৰে নতুন চামৰ ল'ৰা-ছোৱালীয়ে যি অসমীয়া ভাষা কয়, সেই অসমীয়া ভাষাই বিকৃত ৰূপ লৈছে। এই বিকৃত ৰূপত যদি চলি থাকিবলৈ দিয়া হয়, তেনেহলে ভাষা একেবাৰে বিজতৰীয়া হব।

বৰ্ত্তমান আমাৰ কথিত আৰু লিখিত ভাষাৰ যি বিপৰ্য্যয় হৈছে তাৰ পৰা উদ্ধাৰ পাবৰ কাৰণে সাহিত্য সভা, ভাষা বিজ্ঞান সমিতি, প্ৰকাশন পৰিষদ, শিক্ষা বিভাগ আদিয়ে প্ৰণালীবদ্ধ ভাবে আচনি লৈ এতিয়াৰ পৰা কামত আগবাঢ়িব লাগে, হাজাৰ-বিজাৰ বিজতৰীয়া শব্দই আমাৰ নিভাজ শব্দাৱলীক কথিত ৰূপৰ কথাই নাই, লিখিত ৰূপকো বহু তললৈ নিব।

আমি বহুতে নিজৰ ভাষা নিজে ব্যৱহাৰ কৰিব নাজানো আৰু কওঁ আমাৰ মাতৃভাষা দুখীয়া। আমাৰ মাতৃভাষাৰ পুৰণি অভিধান হেমকোষৰ পাত এটা মেলি চালে দেখা পাওঁ তাত থকা ৪ ভাগৰ এভাগ শব্দৰ অৰ্থ বুজি নাপাওঁ আৰু সেইবোৰ ব্যৱহাৰ কৰিব নাজানো। ২০/৩০ বছৰৰ ভিতৰত আমাৰ ভাষাত থকা বহুত শব্দ আমি হেৰুৱালোঁ। আজি কালি দেখা যায় বহুতো অসমীয়া লিখকে অসমীয়া ভাষাৰ ব্যাকৰণ, বৰ্ণ বিন্যাস আৰু বাক্য ৰচনা ভুলকৈ লিখে। দুই এটা উদাহৰণ স্বৰূপে মই শব্দ একবচন তাৰ বহুবচন আমি, আমালোক বহুতে ব্যৱহাৰ কৰে, ই অশুদ্ধ তোমালোক শব্দৰ আৰ্হি লৈ এনেদৰে লিখে। সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ কৰ্ত্তাত এ কাৰ আৰু অ ব্যৱহাৰ কৰাত ভুল কৰে। সমাপিকা আৰু অসমাপিকা ক্ৰিয়াত য় আৰু ই ব্যৱহাৰ কৰিব নাজানে।

আমাৰ মহাবিদ্যালয় সমূহত শিক্ষকৰ মাধ্যম অসমীয়া হোৱা কেইবা বছৰো হ'ল। সন্মান বিষয়লৈকে দুয়োখন বিশ্ব-বিদ্যালয়ে অসমীয়া মাধ্যমত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু দুখৰ বিষয় যেনেধৰণে

কিতাপ পত্র ইমান দিনে শুদ্ধকৈ উলিয়াব লাগিছিল, তেনে ধৰণে নোলাল। সেই বোৰৰ বহুতবে ভাষা দুৰ্বোধ্য হৈ থাকিল। প্ৰকৃত আচনি কৰি ভৱিষ্যতলৈ বিশেষজ্ঞ আৰু ভাষাৰ জ্ঞান থকা লোককহে কিতাপ ৰচনাৰ ভাৰ দিব লাগে।

প্ৰযুক্তি বিদ্যা আৰু চিকিৎসা আদি বিদ্যাৰ অসমীয়া কিতাপ এতিয়াও ওলোৱা নাই, তাৰ ফলত ইংৰাজী মাধ্যমত সেই বোৰৰ শিক্ষা দি থকা হৈছে। অসমীয়া ভাষাক সমৃদ্ধিশালী ভাষা হিচাবে গণ্য কৰি সেই বোৰৰ ক্ষেত্ৰত উদাৰ আৰু বৈজ্ঞানিক দৃষ্টি গ্ৰহণ কৰি এনেধৰণক কিতাপ পত্ৰ ৰচনাৰ কাৰণে অভিজ্ঞলোক আগবাঢ়ি অহাৰ সময় হ'ল।

ইংৰাজী ভাষাৰ সহায় নোলোৱাকৈ নিজৰ মাতৃভাষাৰ জৰিয়তে ছাত্ৰ ছাত্ৰীক শিক্ষা দি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত চীন জাপান আদি দেশ পৃথিৱীত আগবাঢ়ি যোৱা আমি সকলোৱে দেখিছো।

বৰ্ত্তমান অসমত সৰু সৰু লৰা ছোৱালীৰ পৰা আৰম্ভ কৰ বয়সীয়া লোকৰ উপযোগী যথেষ্ট কিতাপ অসমীয়া ভাষাত ছপা হব ধৰিছে। সাহিত্যিক সকলে নিজৰ অভিৰুচি মতে কিতাপ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰিছে। ৫০ বছৰৰ আগতে আমি যেতিয়া কটন কলেজৰ ছাত্ৰ আছিলোঁ, অসমীয়া ভাষাৰ স্বকীয়া অধ্যাপকেই নাছিল, সংস্কৃত বিষয়ৰ অধ্যাপক ৺দিবাকৰ গোস্বামী দেৱে সপ্তাহত ৩ দিনকৈ অসমীয়া ভাষা I A শ্ৰেণীত পঢ়াইছিল। অসমীয়া সাহিত্যৰ কিতাপ নাছিল বুলিলেই হয়। হৰনাথ বৰুৱা সদৰ আমিনৰ বুৰঞ্জী গদ্য সাহিত্য আৰু কুমাৰ হৰণ কাব্য আছিল কবিতাপুথি।

এতিয়া দেশ প্ৰগতিৰ পথত বহু দূৰ আগবাঢ়ি গৈছে। আজিৰ দিনত ছাত্ৰ ছাত্ৰী ডেকা গাভৰু সকলো শিক্ষিত শ্ৰেণীক কব খুজিছো তেওঁলোকে যেন মাতৃভাষাৰ উন্নতিৰ কাৰণে যেয়ে যি ধৰণে পাৰে বৰঙনি যোগাব। ***

ভূদান আন্দোলন আৰু তাৰ উদ্দেশ্য

[ভূদান যজ্ঞৰ ৰূপালী জয়ন্তীৰ (১৯৭৫) অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আদৰণি ভাষণৰ পৰা]

১৯৫১ চনৰ ১৮ এপ্ৰিল তাৰিখটো ভাৰতৰ স্বাধীনোত্তৰ ইতিহাসত বিশেষ ভাৱে উল্লেখযোগ্য। দুখ-দুৰ্দ্দশা আৰু কষ্টৰ মাজেদি স্বাধীনতাৰ প্ৰায় পাচোটা বছৰ যোৱাৰ পিচত এই দিনটোৰ পৰাই ভাৰতত গান্ধীজীৰ অনুসৃত অহিংসা আৰু অন্তৰ পৰিবৰ্ত্তনৰ নীতিৰ দ্বাৰা আৰ্থিক সমতা স্থাপনৰ নতুন পৰীক্ষাৰ সূত্ৰপাত হয়। বাপুজীৰ অন্তিম আহ্বান অনুসৰি আৰ্থিক আৰু সামাজিক বিপ্লৱ সাধন কৰি গ্ৰামৰাজ অৰ্থাৎ প্ৰকৃত স্বৰাজ স্থাপনৰ কাৰণে গান্ধীজীৰ প্ৰিয় শিষ্য বিনোৱাজী ভূদান যজ্ঞৰ মহাবানী লৈ আহিল আৰু মুমূৰ্ষ ৰাইজৰ দুৰ্দ্দশা মোচনৰ সংকল্প লৈ গাঁৱে গাঁৱে পদ যাত্ৰা আৰম্ভ কৰিলে। সন্ত বিনোৱাৰ ভূদান আন্দোলনে আজি সমগ্ৰ ভাৰতত প্ৰচাৰ লাভ কৰিলে। চৰকাৰে অৱশেষত বিনোৱাৰ ভূদান নীতি মানি ল'লে।

বাপুজীৰ তিৰোধানৰ পিচত তেওঁৰ পৰিকল্পিত ৰামৰাজ্য স্থাপনৰ দায়িত্ব পৰিল গঠনমূলক কৰ্মী সকলৰ ওপৰত। বাপুৰ শ্ৰেষ্ঠ অনুগামী সন্ত বিনোবাৰ ওপৰত পোনপটীয়া ভাৱে ইয়াৰ নেতৃত্বৰ দায়িত্ব পৰিল। ১৯৪৮ চনৰ ১৩ মাৰ্চত সেৱাগ্ৰামত গান্ধীজীৰ অনুগামী সকলৰ এখন সভা হয়। এই সভাই সৰ্ব্বসেৱা নামে এটি অনুষ্ঠান গঠন কৰে। ইয়াৰ পিচত বিনোবাই সৰ্ব্বোদয় সমাজৰ আঁচনি ডাঙি ধৰে। সৰ্ব্বোদয় মানে সকলোৰে মঙ্গল সাধন। ১৯৪৯ চনৰ এপ্ৰিল মাহত সৰ্ব্বোদয় সমাজৰ প্ৰথম সম্মিলন মধ্যপ্ৰদেশৰ ৰাউত অনুষ্ঠিত হয়। উৰিষ্যাৰ অঙ্গুলত দ্বিতীয় সম্মিলন আৰু ১৯৫১

চনৰ এপ্ৰিলত হায়দৰাবাদৰ শিৱৰাম পল্লীত সৰ্ব্বোদয় সমাজৰ ৩য় সন্মিলন সমাধা হয়। ৮ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ সমাজৰ কাৰ্য্য অনুষ্ঠিত হয়। এই সময়ত হায়দৰাবাদৰ তেলেঙ্গনাত কমিউনিষ্ট সকলে জমিদাৰৰ বিপক্ষে হিংসাত্মক কাৰ্য্য চলাই ভূমি সমস্যা সমাধানৰ চেষ্টা চলাইছিল। চৰকাৰেও এই হিংসাত্মক বিপ্লৱ দমনৰ বাবে পুলিচৰাজ প্ৰৱৰ্ত্তন কৰে। ফলত তেলেঙ্গনাৰ জনসাধাৰণৰ জীৱন অতি দুৰ্ব্বিল হৈ পৰে। অহিংসাৰ পূজাৰীসকলৰ প্ৰতি তেলেঙ্গনাই প্ৰত্যাহ্বান জনালে। শান্তি অহিংসা আৰু প্ৰেমৰ পূজাৰী বিনোবাৰ দৃষ্টি তেলেঙ্গনাৰ এই শোকাবহ অৱস্থাৰ প্ৰতি আকৰ্ষিত হ'ল। অৱশেষত সন্ত বিনোবাই শান্তিৰ বাণীলৈ তেলেঙ্গনালৈ যাত্ৰা কৰিলে। ১৯৫১ চনৰ ১৮ এপ্ৰিল তাৰিখে হায়দৰাবাদ নগৰৰ ৩৪ মাইল দূৰৰ নলগোণ্ডা জিলাৰ পোচম পল্লী গাৱঁত উপনীত হ'লগৈ। তুপৰীয়া তাৰ হৰিজন সকলে বিনোবাৰ ওচৰত তেওঁলোকৰ দুঃখ নিবেদন কৰিলে। বিশেষকৈ খেতি কৰা মাটিৰ অভাবৰ কথাই তেওঁলোকে জনালে। গাৱৰ জনসংখ্যা প্ৰায় তিনিহাজাৰ আৰু খেতি কৰা মাটিৰ মুঠ পৰিমাণ আছিল ১৪৮০ একৰ অৰ্থাৎ জনেপতি ½ একৰতকৈ অলপ বেছি। গাৱঁৰ হৰিজন সকলে জমিদাৰৰ মাটিত কৃষি মজুৰ হিচাবে কাম কৰি উৎপাদিত শস্যৰ কুৰি ভাগৰ এভাগ মাত্ৰ পায়। মাটি পালে তেওঁলোকে খেতি বাতি কৰি সুখেৰে থাকিব পাৰিলেহেঁতেন। ৮০ একৰ মাটিৰ আৱশ্যকতাৰ কথা গাঁৱৰ বাইজে বিনোবাজীক জনালে। তেওঁৰ মনত খেলালে যে ভূমিহীন কৃষকৰ প্ৰতি তেওঁৰ অন্তৰত যি সহানুভূতিৰ উদ্ৰেক হৈছে একে ভগৱানৰ সৃষ্টি একে তেজ মঙহেৰে গঠিত অন্য মানুহৰ মনত সহানুভূতিৰ উদয় নহয় কিয়? তেওঁ গাৱঁৰ মানুহৰ ওচৰত মাটিৰ কাৰণে গোহাৰি জনালে। শ্ৰীৰাম চন্দ্ৰ ৰেড্ডীয়ে তেওঁৰ পিতৃ সভাপতিৰ পৰা এশ একৰ মাটি দৰিদ্ৰ হৰিজন সকলৰ উদ্দেশ্যে বিনোবাৰ হাতত অৰ্পন কৰিলে। এনে আপুৰুগীয়া সম্পদ বিনা চৰ্ত্তে দান পোৱাত বিনোবা আচৰিত হ'ল। এই দানে তেওঁৰ

অন্তৰত নতুন ৰেখাপাত কৰিলে। ভাৰতৰ ভূমি সমস্যা সমাধানৰ পথৰ ইংগিত আচাৰ্য্য ভাবেই বিচাৰি পালে। ৮০ একৰ বিচাৰোঁতে এশ একৰ মাটি দান হিচাবে পালে। এই এশ একৰ মাটিৰেই পচম পল্লীত ভূদান যজ্ঞৰ প্ৰথম জন্ম হয় ১৯৫১ চনৰ ১৮ এপ্ৰিল তাৰিখে। ৰাইজে বিনোৱাৰ ওচৰত মাটি বিচাৰিলে আৰু ৰাইজৰ এজনে মাটি দান দিলে। এইদৰে মাটি লাভ কৰাতো অভূতপূৰ্ব্ব ঘটনা। তেলেঙনাত শান্তি স্থাপনৰ কাৰণে চৰকাৰে মিলিটাৰিৰ বাবে ৫ কোটি টকা খৰচ কৰিবলগীয়া হৈছিল। বিনোৱাজী এনে ব্যৱস্থাৰ বিৰোধী। তেওঁ ঘোষণা কৰিলে যে এনে সমস্যাৰ সমাধান সামৰিক শক্তি প্ৰয়োগৰ দ্বাৰা সম্ভৱ নহয়। হিংস্ৰ জন্তু চিকাৰৰ ক্ষেত্ৰতহে বন্দুকৰ গুলি কামত আহিব পাৰে—মতবাদৰ সন্মুখীন হোৱাতো মতবাদৰ দ্বাৰাহে সম্ভৱ। তেওঁ ইয়াকো ঘোষণা কৰিলে যে ভূমিৰ বাবে তেলেঙনাত কমিউনিষ্টে প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল। কালিলৈ সমগ্ৰ ভাৰততে একে সমস্যাই দেখা দিব। সেই কাৰণেই ইয়াৰ অহিংসা সমাধানৰ বাবে তেওঁ যত্ন কৰিছে। এনে ৰাজনৈতিক বা সামাজিক বিপ্লৱ সাধনৰ বাবে মনোবৃত্তিৰ পৰিবৰ্ত্তন কৰা অতীব প্ৰয়োজন। বিনোৱাই তেলেঙনাত প্ৰেম আৰু দানৰ অভূতপূৰ্ব্ব পৰিৱেশ সৃষ্টি কৰিলে। তেওঁ বিশ্বাস কৰিলে যে জনসাধাৰণৰ অন্তৰ পৰিবৰ্ত্তন কৰিব লাগিলে তেওঁলোকৰ মনৰ লগত পৰিচিত হৈ প্ৰকৃত অৱস্থাৰ সন্ধান লোৱা উচিত। এই কাৰণেই বিনোৱাজীয়ে সুদীৰ্ঘ ১৪ বছৰ কাল সমগ্ৰ ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ গাঁৱে গাঁৱে পদযাত্ৰা কৰি তেওঁ দৰিদ্ৰ ৰাইজৰ অৱস্থাৰ লগত পৰিচিত হোৱাৰ চেষ্টা কৰিছিল আৰু লগে লগে ভূদান সংগ্ৰহ কৰিছিল। তেওঁ ১৯৬১ চনৰ ৫ মাৰ্চ তাৰিখে অসম সোমাই গোৱালপাৰা জিলাৰ হালাকুৰাত ভূদান যজ্ঞ আৰম্ভ কৰে। গোটেই অসমত পদব্ৰজে ১৮ মাহ ভ্ৰমণ কৰি ১৯৬২ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে অসম ভ্ৰমণ শেষ কৰি উলটি যায়। অসমত মুঠ ৩৩ হাজাৰ বিঘা ভূদান সংগ্ৰহ কৰে, ৮ হাজাৰ বিঘাৰ দান পত্ৰ ঘোষণাৰ বাবে চৰকাৰৰ

ওচৰত দাখিল কৰে তাৰে ২০১৭ বিঘা বিতৰণ হয়।

ভূদান আন্দোলন কেৱল ভূমি গ্ৰহণ আৰু বিতৰণৰ কাম মাথোন নহয়। ই এটা আন্দোলন। জীৱনৰ সামগ্ৰিক মূল্য পৰিবৰ্ত্তনেই ইয়াৰ উদ্দেশ্য। ভূদান যজ্ঞক কেৱল দান ধৰ্ম্ম বুলি ভাবিলে ভুল কৰা হব। ভূদান আন্দোলন অহিংসা বিপ্লৱৰ নতুন ৰূপ বিনোবাজীয়ে ইয়াক প্ৰজাসূয় যজ্ঞ বুলি অভিহীত কৰিছিল। ইয়াত প্ৰজাৰ অভিষেক হব। ইয়াত মজদুৰ কৃষক হৰিজন আদি সকলোৱে দেখিবলৈ পাব যে তেওঁলোকৰ কাৰণে কিছু কাম হৈছে। এই সমাজৰ নামেই সৰ্ব্বোদয়। এই উক্তিৰ পৰা এইটো স্পষ্ট হৈছে যে ভূদান সৰ্ব্বোদয় সমাজ স্থাপনৰ কাৰণে অহিংসাত্মক বিপ্লৱ। ব্যক্তিগত আৰু জাতিগত লালসাই পৃথিৱীত ক্ষুদ্ৰ আৰু বৃহৎপৰ্য্যায়ৰ সংঘৰ্ষৰ মূল। মানুহৰ এই লালসা জলাঞ্জলি দি পৃথিৱীত জাতিবিহীন শান্তিৰ সমাজ প্ৰতিষ্ঠা কৰাই ভূদান যজ্ঞৰ লক্ষ্য। শ্ৰেণীৰ সংঘৰ্ষৰ নামত বৰ্ত্তমান যি শক্তি আৰু ক্ষমতাৰ অপচয় হৈছে বিনোবা তাৰ বিৰোধী। তেওঁ ধনীক বিনাশ কৰিবলৈ বিচৰা নাই। দেশৰ মূলধন কামত লগোৱাই তেওঁৰ লক্ষ্য। তেওঁ কৈছে গৰীবৰ শ্ৰম শক্তি আৰু ধনীৰ বুদ্ধি শক্তি এই দুটাৰ সংযোগ সাধন কৰি দেশৰ কল্যান সাধিব লাগিব। ব্যাপক অৰ্থত বিশ্বত যি বিপদৰ সূচনা হৈছে তাৰ বিৰুদ্ধাচৰণ কৰাই ভূদান আন্দোলনৰ কাম। বিনোবাজীয়ে কৈছে মই পৰিবৰ্ত্তন বিচাৰিছোঁ, প্ৰথমে হৃদয় পৰিবৰ্ত্তন, তাৰ পিচত জীৱন পৰিবৰ্ত্তন আৰু তাৰ পিচত সমাজ ৰচনাৰ পৰিবৰ্ত্তন। ভাৰতত সামাজিক অসঙ্গতি আৰু আৰ্থিক বৈষম্যই ছাটি ধৰিছে, এই আৰ্থিক অসঙ্গতি আৰু সামাজিক অন্যায় দূৰীকৰণৰ বাবেই ভূদান আন্দোলনৰ জন্ম। ভূদান আন্দোলনৰ জৰিয়তে মানুহৰ মনোভাবৰ যি পৰিবৰ্ত্তন হৈছে সি যুগান্তকাৰী ঘটনা। নানা প্ৰতিকূল অৱস্থাৰ মাজেদিও এই আন্দোলন আগবাঢ়ি আজিৰ অৱস্থা পাইছে। বিনোবাজীয়ে কৈছে সমাজ ৰচনাৰ অবিলম্বে পৰিবৰ্ত্তন নঘটিলে আমাৰ সৰ্ব্বনাশ হ'ব। অন্যান্য দেশত যি উপায়ে ভূমি সমস্যা সমাধান হৈছে

সি আমাৰ দেশৰ পক্ষে কল্যানকৰ নহয়। বিনোবাজীয়ে বুজাপৰাৰ মাজেৰেহে বিপ্লৱ আনিব পাৰি বুলি বিশ্বাস কৰে, হিংসাৰ জৰিয়তে বিপ্লৱ নহয়, কেৱল বাহিৰৰ আকাৰ বোৰ হে পৰিবৰ্ত্তন হয়। মানৱ হৃদয়ত এজনৰ প্ৰতি আন জনৰ সহানুভূতি থাকে, এই সহানুভূতিয়েই ভূদান আন্দোলনৰ মূল তত্ত্ব। বিনোবাজীৰ মূলতত্ব খিনিৰ মৰ্ম্ম উপলব্ধি কৰি ভূদান আন্দোলনক সফল কৰি তুলিবলৈ আমি সকলো আগবাঢ়ি আহোঁ, আহক। ভূদান যজ্ঞ সফল হওঁক। ***

বিহুৰ তাৎপৰ্য্য বিচাৰি

পৃথিবীৰ মানৱ সমাজৰ মাজত কথা-বতৰা নীতি নিয়ম আচাৰ ব্যৱহাৰ খোৱা-পিন্ধা সকলো বিষয়তে কিছু নহয় কিছু বিভিন্নতা দেখিবলৈ পোৱা যায়। কিন্তু এই অনৈক্য, এই পাৰ্থক্য আৰু এই বিভিন্নতাৰ মাজতো যে সকলো বিষয়ৰ মূলতঃ একে ঐক্য বিৰাজমান তাক কোনেও নুই কৰিব নোৱাৰে। বিভিন্ন ধৰ্ম্ম, দৰ্শন আৰু বিজ্ঞানৰ নানা বিভাগ সমূহৰ সকলো সত্য বৃত্তৰ ব্যাসাৰ্দ্ধ সমূহৰ কেন্দ্ৰাভিমুখী গতিৰ দৰে কেৱল মাত্ৰ এক মহাসত্যৰ ফাললৈ গতি কৰাই ইয়াৰ প্ৰমাণ। সেইবাবে বিভিন্ন আচাৰ ব্যৱহাৰত থকা বিভিন্ন সম্প্ৰদায়ৰ মাজতো এনে কিছুমান সামাজিক বা ধৰ্ম্ম বিষয়ক প্ৰথা দেখিবলৈ পোৱা যায়, যিবোৰৰ মূল কাৰণ একেই। বিশ্বৰ সকলো মানৱৰ দেহ মন প্ৰাণ আত্মা একেই। আনন্দ লাগিলে মোৰ যি ঠাইত তাৰ চিন ফুটি উঠে সকলোৰে তেনেদৰেই হয়। সেই বাবেই নৃত্য গীত আদি প্ৰধান কলা বিলাক কোনো ব্যক্তি বা কোনো দেশৰ স্বকীয়া বস্তু নহয়, ই বিশ্বজনীন আৰু চিৰন্তন। সেইবাবেই মানৱ সমাজৰ বিভিন্ন জাতি বিশেষৰ মাজত যিমানবোৰ নীতি-নিয়ম দেখিবলৈ পোৱা যায় সেইবোৰ আজি কোনেও নতুনকৈ সৃষ্টি কৰিবলগীয়া হোৱা নাই। ইহঁত স্বাভাৱিক কিছুমান নিয়ম আৰু সামাজিক আৱশ্যকতাৰ মাজেদি উদ্ভৱ হৈছে। অসমীয়াৰ বিহুও তেনে এটি জাতীয় জীৱনৰ অভিব্যক্তি সূচক সামাজিক প্ৰথা। স্বজাতি প্ৰেম অন্তৰৰ অন্যান্য ভাবৰ ওপৰত। জাতীয় উৎসৱ জাতিৰ প্ৰাণত প্ৰেৰণা যোগাবলৈ একোটা সম্বল। মানুহৰ অন্তৰত জাতীয় ভাব প্ৰকাশ কৰি তুলিবৰ কাৰণে জাতীয় উৎসৱৰ লগত কৰ্ম্মভাবৰ সংমিশ্ৰণ সামাজিক প্ৰথাই কিছু হবলৈ দিছে। এনে ধৰণৰ জাতীয় উৎসৱৰ সূচনাত নৰ-নাৰীৰ প্ৰাণ আনন্দত উৰুলীকৃত হৈ নাচিবলৈ ধৰে। হৃদয়তন্ত্ৰী সুমধুৰ সুৰত বাজি উঠে। উৎসৱৰ

বিপুল সমাৰোহত জগৎ মুখৰিত হৈ উঠে। অমৰাৱতীৰ প্ৰমোদ কাননৰ মাজত স্বৰ্গৰ অপচৰা সকলৰ সুললিত গীতৰ ধ্বনীত দেৱতা সকলে যিদৰে সুখ উপভোগ কৰে সেইদৰে প্ৰাকৃতিক মনোহৰ দৃশ্যৰ মাজত বসন্তৰ শুভ আগমনত গাঁৱলীয়া জীৱনৰ মধুৰতা সনা অসমীয়া মনৰ প্ৰাণ কেইটিয়েও জাতীয় উৎসৱত গা-ঢালি দি মনত অদম্য উৎসাহ লাভ কৰে। এনে ধৰণৰ জাতীয় উৎসৱ সকলো দেশৰ মাজতে প্ৰচলিত আছে। বিশেষকৈ কৃষি প্ৰধান সভ্যতাৰ যুগত সকলো দেশত খেতি উঠাত এনে ধৰণৰ উৎসৱৰ আভাস পোৱা যায়। ইউৰোপত বিশেষকৈ স্কান্দিনেভিয়া দেশ সমূহৰ মে' পোল নাচ এনে ধৰণৰ জাতীয় উৎসৱ। ভাৰতৰ সকলো ঠাইতে দক্ষিণ ভাৰততো এনে উৎসৱ হয়। খেত উঠাৰ পিছত বসন্ত ঋতুত আমাৰ ইয়াতো কেইবাবিধো উৎসৱ পালন কৰা হয়। বসন্ত উৎসৱ আৰম্ভ হয় মাঘৰ বিহুতেই। ইংৰাজীতে Harvest Home বা খেতি উঠাৰ উৎসৱ বুলি এটা কথা আছে। আমাৰ মাঘৰ বিহুত মেজি পোৰাৰ দৰে তাতো Bonfire কৰা নিয়ম প্ৰচলিত আছে। খৃষ্টান পঞ্জিকাৰ বৰদিন বা খৃষ্টমাচ্ উৎসৱ প্ৰকৃততে আদি যুগৰ Harvest Home ৰ ৰূপান্তৰ মাথোন। খৃষ্টান পুৰোহিতসকলে খৃষ্ট জন্মৰ লগত তাৰ সম্বন্ধ ঘটাই দিলে। ফাগুন মাহৰ ফলগু উৎসব বসন্ত উৎসৱৰ পূৰ্ণ পৰিণতি মাথোন। পৃথিবীৰ সাৰ বৃদ্ধি কৰিবৰ বাবেই মাঘৰ বিহুত মেজি পোৰা নিয়ম প্ৰচলিত আছে। বহাগৰ বিহুও বসন্ত উৎসৱৰ সামৰণি উৎসৱ। মাঘৰ বিহুৰ পৰা আৰম্ভ কৰি বহাগৰ বিহুলৈকে হোৱা এই উৎসব বোৰৰ আতিগুৰি বিচাৰিলে মানৱ সভ্যতাৰ এক আদি যুগৰ কৃষ্টিত উপস্থিত হোৱা যায়। বিহু উৎসৱ অসমীয়া সমাজে কেনেদৰে পালন কৰি আহিছে তাক নতুনকৈ বৰ্ণনা কৰিবৰ প্ৰয়োজন নাই। ঢেকাৰ ঢোলৰ চেও, পেপাঁৰ মোহনীয় সুৰত গাভৰুহঁতেও কেতেকী তগৰৰে ভৰি উঠা খোপাৰে আনন্দত মতলীয়া হৈ দেহ দি ফুৰা আজি নতুন কথা নহয়। বসন্তৰ আগমণত বহাগী বায়ু ছাটিত আন্দোলিত নতুন

বিবিধ বৰণীয়া কুঁহিপাতেৰে জাকজমক হোৱা গছৰ ওপৰত পৰি কুলিয়ে মাতিলে মন কেনে লাগে তাক উপলব্ধি কৰি প্ৰকাশৰ যি সম্পূৰ্ণ উপায় গাভৰুহঁতে পাই সিয়েই বিহুনামত পূৰ্ণতাপ্ৰাপ্ত হৈ প্ৰতিফলিত হয়। নতুন তেজাল আৰু প্ৰাণপূৰ্ণ শক্তিৰ প্ৰতীক ৰঙা জেতুকাৰ ৰঙে সকলো সুঠাম লনী হাতত নতুন উদ্যম সঞ্চয় কৰি থৈ যায়। পবিত্ৰ গৰু জাতি যাৰ অবিহনে অসমীয়াৰ গৃহস্থালি সৰ্ব্বশূণ্য (যাৰ নাই গৰু সি সবাতোকৈ সৰু) তেনে গো জাতিক অসমীয়াই কি দৰে আদৰ কৰে তাৰ চিনাকিয়ে এই বিহুক বিশিষ্ট স্থান দিছে। গৰু মহৰ কাৰণে পিঠাৰ আয়োজন, মাহ হালধীৰে ধুৱাবলৈ আয়োজন; সিহঁত সকলোকে ভৰাৰ নতুন পঘা দিয়া; মাহ হালধীৰে ফোট দি বহাগৰ বৰষুণৰ পানী পৰা নদীত সিহঁতক নোৱাই লাও বেঙেনাৰ ছাটেৰে সিহঁতৰ তৃপ্তি গুচাই ফুলাম মাখীৰতী পাতেৰে মাখি দাঁহ গুচাই ঘৰলৈ আদৰি অনা হয়। যাৰ ওপৰতে পৰিয়ালৰ সমস্ত নিৰ্ভৰ কৰিছে সি কিমান আপোন তাক চিৰস্মৰণীয় কৰি ৰাখিবলৈ সামাজিক এনে নিয়ম জগতত বিৰল। বিহুৰ দিনকেইটা সঁচাকৈয়ে পবিত্ৰ। যিমানেই নিচলা নহওক এখনি নতুন কাপোৰ বিহুৰ বাবে দিবই। তিৰোতা সকলৰ কি আশা— পৰিয়ালৰ সকলোকে নিজহাতে বৈ চাদৰ গামোছা দিছে, নিজহাতে নানা তৰহৰ জলপান কৰি খুৱাইছে, কেনে প্ৰীতিৰ চানেকি, সামাজিক বান্ধোনৰ মধুৰ সোৱাদ, চেনেহৰ এনাজৰিৰ বান্ধনি অতি আপোন জনলৈ আৰু সাদৰৰ জনলৈ মনত পৰে সেইদিনা। সেইবাবেই বিহুৱাই নীৰৱে কান্দে, পুত্ৰহাৰা জননীয়ে চকুলো টোকে। পৰিয়ালৰ মানীজনক তলৰজনে সন্মান স্বৰূপে সেৱা কৰে।

এতিয়া বিহুগীতৰ বিষয়ে আলপ কোৱা যাওক। বিহুগীতৰ ধ্বনীত আমাৰ জান-জুৰি প্ৰতিধ্বনিত কৰি বিহুগীত গোৱা লোক সকলৰ যদি আতিগুৰি বিচৰা হয় তেনেহলে পোৱা যাব নিৰক্ষৰ সৰল গাঁৱলীয়া খেতিয়ক কেইজন। বিহুগীতৰ বিশেষত্বও তাতে। শিক্ষাৰ

নাম গোষ্ঠকে নোপোৱা ক'ব, অথচ কেনে সুললিত আৰু অৰ্থযুক্ত গীতবোৰ, বনগীতবোৰ যদিও গাঁৱলীয়া মানুহৰ ৰচিত; তথাপি ইয়াৰ ভিতৰতে দাৰ্শনিকৰ দৰ্শন, মীমাংসকৰ মীমাংসা উপনিষদৰ গভীৰ তত্ব নিহিত আছে। কেতিয়াবা যদি অসমীয়াৰ মুখে মুখে শুনা বিহুগীত, বনগীত বোৰ সংগ্ৰহ কৰে তেনেহলে ই অসমীয়া সাহিত্যৰ ভৰাল যথেষ্ট চহকী কৰিব। এই বিহুনামৰ প্ৰতি অসমীয়া ডেকা-গাভৰুৰ যি আসক্তি সোমাই আছে তাক বুজিবৰ হলে অসমীয়া গাভৰুৰ বিহুতলীত গোৱা গীত ফাঁকিলৈ—

বহাগৰ বিহু ঐ কোনে উলিয়ালে
কোনেনো ৰচিলে নাম
মৰণৰ পিছতো অ' মোৰ লাহৰী
চেনেহী বিহু নাম গাম।

ঋতুৰাজ বসন্তৰ শুভ আগমণত মুক প্ৰকৃতিয়েও চৰাই চিৰিকতিৰ গীত মাতৰ মাজেদি সজীৱ আৰু মুখৰ হৈ উঠাৰ দৰে যৌবনৰ আগমণত যুৱক যুৱতীৰো গা চঞ্চল আৰু মন বিকল হৈ উঠে। তেতিয়া নেদেখাকো দেখে, নুবুজাকো বুজে, নুশুনাটোও শুনে। বিহুগীতৰ অনেক ঠাইত চহা প্ৰেমিক প্ৰেমিকাৰ চতুৰালিৰ কথা লক্ষ্য কৰিব পাৰি।

মই থাকো চোতালত আই থাকে আখলত
তই থাক ভৰালৰ মুখত
বোপাই বাৰীত থাকে ককাই পানত লাগে
দেখাও নিদিও পাকত।

আজি গধুলিকৈ গামে ঐ মইনা বাটৰে নঙলা খুলি
কুকুৰে ভুকিলে ওলাই তই আহিবি ক'ত কি দেখিছ বুলি।

এই বিহুগীত বোৰত অনেক ঠাইত আদৰ্শ নাৰী সৌন্দৰ্য্যৰ আভাষ পোৱা যায়।

হাতলৈ কি চাবা হাতীৰ শুৰে যেন
ভৰিলৈ কি চাবা গোট
মুখলৈ কি চাবা দোলা দাপোন যেন
ককালটি ধানৰে গোট।

বিহুগীত বোৰৰ মাজেদি যুৱক যুৱতীৰ যি যৌন মিলনৰ উদ্দাম বাসনা ফুটি উঠিছে তাক লুই কৰিব নোৱাৰি। নাৰী পুৰুষৰ এই মিলন বাসনাকে কেন্দ্ৰ কৰিয়েই উৎকৃষ্ট সাহিত্যৰ সৃষ্টি হৈছে আৰু আমাৰ বিহুগীত বোৰক অসমীয়া ডেকাৰ প্ৰেমগীত বুলিবৰ যথেষ্ট কথা আছে। অনেক বিহুগীতৰ মাজেদি যে অতীতৰ মিলনৰ কথাও বিৰিঙি পৰিছে তাক অস্বীকাৰ কৰিব নোৱাৰি। যেনে ....

বৰ আলি ওপৰে বেলি মাৰ গ'ল
ঘিলা মাৰে গলে পাকত
তোমাৰে আমাৰে কথা মাৰে গলে,
প্ৰথম কুকুৰা ডাকত।

বিহুগীতৰ কবিয়ে গীত ৰচনা কৰাৰ সময়ত সাহিত্যলৈ চকু দিয়া নাছিল। এক অতৰ্কিত মূহূৰ্ত্তত আদি কবি বাল্মীকিৰ মুখৰ পৰা মা নিষাদ শ্লোকৰ নিচিনা প্ৰেমাপ্লুত বিহু কবিৰ অন্তৰৰ পৰাও বিহুগীত নিজৰি ওলাইছিল। বনৰ মুকলি মুৰীয়া চৰায়ে যেতিয়া মনৰ উলাহত গীত গায় তেতিয়া সি বুজিব নোৱাৰে তাৰ গীত বৈজ্ঞানিক প্ৰনালী মতে গীতৰ কোন ৰাগ-ৰাগিনীত পৰে। বিহুগীতৰ কবিৰ বিষয়েও সেই একে কথাই খাটে। তথাপি গীত বোৰৰ মাজৰ ভাব আৰু সৌন্দৰ্য্য দেখি অবাক হব লাগে।

লীলাই পথাৰতে ছিলাই ধানে দালে
খিলা ফাকলিয়া মুঠি
ধান গল উছলি মন গল পিছলি
লগত গল হৃদালি খৰি

ৰচনাৰ অনুপ্ৰাস আৰু ছন্দ খিনি মন কৰিব লগীয়া। বিহুতলী ডেকা গাভৰুৰ অবাধ মিলনৰ স্থল হোৱা কাৰণে সকলো অসমীয়াই ইয়াক ভাল চকুৰে নাচায়। যেয়ে যি চকুৰেই নাচাওক প্ৰকৃতিত প্ৰাণৰ প্ৰতি প্ৰাণৰ আকৰ্ষণ অস্বীকাৰ কৰিব নোৱাৰি। এই প্ৰাণৰ টানতে এদিন শৰৎ কালৰ পূৰ্ণিমাৰ ৰাতি শ্ৰীকৃষ্ণৰ বংশী ধ্বনিত গোপ বালাই লাজ অপমান ভয় সঙ্কোচ সকলো ত্যাগ কৰি স্বামী পুত্ৰক ঘৰত এৰি যমুনাৰ পাৰৰ কদম তললৈ লৰি গৈছিল আৰু আজি বসন্ত কালৰ বিহুতলীৰ অসমীয়া ডেকাৰ পেপাৰ সুৰত অসমীয়া জীয়াৰী বিহুতলী পোৱা কোনো বিচিত্ৰ কথা নহয়। বিহুতলীৰ ক্ষন্তেকীয়া মিলন বহুতৰ মাজত নাগ পাশত পৰিণত হয়। মাক বাপেকৰ তত্বাৱধানত থকা গাভৰুৱে যি কন সময় বিহুতলীলৈ যোৱাৰ সুযোগ আছে সেই কম সময়ত প্ৰেমৰ পুলিটি কবলৈ বিচাৰে সেয়ে মাক বাপেকে জীয়ৰীক অনবৰত কামত ব্যস্ত থাকিবলৈ কয়। সেই বাবে জীয়াৰীয়ে কয় ই-বোলে জীয়াৰী সি বোলে জীয়াৰী, জীয়াৰীৰ ওৰনী নাই। বাহী বন কৰোঁতে পাতৰ তাত বওঁতে জীয়াৰীৰ জনমে যায়। তথাপি জীয়াৰী মনটো বান্ধি ৰাখিব নোৱাৰে। এই বিদ্ৰোহী মনে আকৌ গায়—

কেলৈ লাগিছে মোৰ ভাই ককাই
কেলৈ লাগিছে আই
কেলৈ লাগিছে মোৰ সমনীয়া
প্ৰেমৰ লগৰী নাই।

প্ৰেমিক-প্ৰেমিকাৰ বাহ্যিক আড়ম্বৰত যাতে ভোল নাযায় তাৰ কাৰণে গায়—

কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ
কেলৈ পেলালি কলি
গুৰুকো নালাগে ভকতক নালাগে
থাক তলে ভৰি সৰি।

প্ৰেমৰ কবলত যেতিয়া প্ৰেমিক প্ৰেমিকা বান্ধ খায় তেতিয়া জাত কুলৰ প্ৰশ্ন নাহে। সেইহে প্ৰেমিক প্ৰেমিকাই গায়——

তোমালৈ চাওঁতে জপনা দেওঁতে
বিন্ধিলে এথৈয়া ছলে
তোমাৰ মনে গ'লে মোৰ মনে গ'লে
কি কৰিব কলিতা কুলে।

নাওঁ হেঙ্গুলীয়া ব'ঠা হেঙ্গুলীয়া
আৰু হেঙ্গুলীয়া হৈছে
তোমাৰ লগতে এৰি জাতে কুল
আহা যাঁও বৰাগী হৈ।

বিহুগীত বনগীতক বহুতে অশ্লীল আৰু হোয় বুলি উপেক্ষা কৰে। এই বিহুগীত বিলাকৰ ৰচক কোন কোৱা টান। কিন্তু এই গীত বিলাকৰ ৰচনা অতীতৰ পৰা আজিলৈকে হৈ আছে। এই গীত বিলাকৰ ৰচক নিৰক্ষৰ অসমীয়া। বিহুমৰা আৰু হুচৰি গোৱা নিৰক্ষৰ অসমীয়া সমাজৰ মাজতে অতীজৰ পৰা সীমাবদ্ধ। এই নিৰক্ষৰ অসমীয়া ৰচকৰ বনগীতত অসমীয়া সমাজৰ ৰীতি নীতি আৰু গভীৰ দাৰ্শনিকৰ তথ্য লুকাই আছে।

দেউতা ওলালে বৰচ'ৰাৰ মুখলৈ
তুলীয়াই পাতিলে দোলা
কাণত জিলিকিলে নৰা জাংফাই
গাতে গোম চেঙৰ চোলা

এই বনগীত ফাঁকিত পোৱা যায় অসমীয়া অভিজাত বংশৰ গৌৰৱ তেওঁৰ এটা চ'ৰা ঘৰ থাকে, তেওঁ দোলাত উঠি ফুৰে, কাণত নৰা দেশৰ জাংফাই কেৰু আৰু গাত গোমচোলা পিন্ধে।

অসমীয়াৰ ঘৰ-দুৱাৰ কি কি বস্তুৰে শুৱনী কৰে তাৰ আভাস তলৰ বনগীত ফাঁকিৰ পৰা পোৱা যায়।

আগফাল শুৱনী কাকিনী তামোলে
পাচফাল শুৱনী পাণ
বৰ ঘৰ শুৱনী জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান।

বিহুগীত বোৰৰ ৰূপক আৰু উপমা একে পোৱা যায়। যেনে

বাঁহৰ পাচিতেঁ সৰিয়হ পিচলে নিয়ৰত পিচলে ভৰি।
কথাৰ লাচতে কথাটি পিচলে কথাতে খোপনি ধৰি॥

পানীত জকেমকাই পানীৰে পৰুৱা
ফুলত জকেমকাই পাহি;
চেনাইৰ গাল দুখনত তেজে জকেমকাই
মুখত মিচিকিয়া হাঁহি॥

আবেগ অনুভূতিৰ ফালৰ পৰা চালে বিহুগীত বোৰ বৰ্ত্তমান যুগৰ আপোন স্বকীয়া অসমীয়া কবিতাতকৈ কোনো গুণে নৰম নহয়। ডাক্তৰ ভূঞা দেৱে বিলাতত কেইটামান বিহুগীতৰ ইংৰাজী ভাঙনি দেখুৱাত কেইজনমান ইংৰাজ সাহিত্যিকে কৈছিল যে সেইবোৰ শ্ৰেণি আদিৰ আত্ম প্ৰকাশৰ উচ্চ শ্ৰেণীৰ কবিতাতকৈ কোনো গুণে হীন নহয়। এনে বিহুগীত আমাৰ হাবিয়ে বননিয়ে দিনে ৰাতিয়ে প্ৰতিধ্বনিত হৈ আছে কিন্তু সেইবোৰ বিশেষ ভাবে গোটোৱাৰ যত্ন এতিয়াও হোৱা নাই।

আজি আমি মহিলা সকলক সূতা কটাৰ কথা নতুনকৈ কবলগীয়া হৈছে— বিহুৰ বিহুৱান নিজহাতে কৰা সূতাৰে যোগোৱা সকলো স্ত্ৰীয়াৰী লোকৰৰে কৰ্ত্তব্য আছিল। পৃথিৱীৰ কইন জাতিৰ লগত নিমিলা অসমীয়া তিৰোতাৰ ৰিহা মেখেলা আৰু চাদৰ, পুৰুষৰ চেলেং গামোচা গনৰ বাবেই অসমীয়াৰ পানীপোতাত তাতশালে বিৰাজ কৰিছে। যি অসমীয়া তিৰোতাই একে নিশাতে কপাহ নেওঁটি পাজি কাটি সূতা কাটি কাপোৰ বৈ সেই কাপোৰেৰে নিজ স্বামীক সজাই যুদ্ধলৈ পঠাইছিল আজি সেই অসমীয়া তিৰোতাই কাপোৰৰ কাৰণে লোকৰ হাতলৈ মুখলৈ চাই থাকিবলগীয়া হৈছে। এসময়ত জীয়াৰী ছোৱালীক জোকাই গাইছিল --

যতৰত কাটি যাবা পাজি ঐ মইনা
যতৰত কাটি যাবা পাজি

যদি মনে আছে পাতৰ চেলেং লবলৈ
ছোৱালী আনিবা কাজি।

সেইহে আমাৰ জীয়াৰী বোৱাৰীৰ মুগাৰ মহঁৰা আৰু মাকো চেনেহৰ বস্তু আছিল। এতিয়া আমি দেখিবলৈ পাইছো যে ক্ৰমাৎ অসমীয়া কৃষ্টি সভ্যতা ৰক্ষা কৰিবলৈ বিহুৰ আদৰ বাঢ়িছে। আজি যিদৰে অসমৰ গাঁৱে ভূঞে বিহু সন্মিলন পাতি জাতীয় উৎসৱৰ মৰ্য্যদা অক্ষুন্ন ৰাখিবলৈ যত্ন কৰিছে আগৰ কালত তেনে নাছিল। ই এটা শুভ লক্ষণ। সেইবুলি আমি কেৱল বিহু সন্মিলন পাতি-য়েই আমাৰ কৰ্ত্তব্য শেষ হৈছে বুলি ভাৱিলে নহব। যুৱক সকলৰ আজিৰ দায়িত্ব ক্ৰমাৎ বাঢ়িছে। দেশখন স্বাধীন হোৱাৰ পিছত দেশৰ ভাল বেয়া নিৰ্ভৰ কৰিছে এই স্বাধীন দেশৰ যুৱক সকলৰ কৰ্ত্তব্য নিষ্ঠাৰ ওপৰত। গতিকে জাতীয় উৎসৱ পাতিলেই আমাৰ কৰ্ত্তব্য শেষ হ'ল বুলি যুৱক সকল নিচিন্ত মনেৰে বহি থাকিলে নহব। দেশ এখনৰ স্বাধীনতা ঘূৰাই অনা যেনে মহৎ কাম তাৰ তুলনাত দেশৰ স্বাধীনতা ৰক্ষা কৰাতো তাতোকৈ মহৎ কাম এই কথা আমি এতিয়া পাহৰিলে নহব। এই জাতীয় উৎসৱৰ শুভ মুহূৰ্ত্তত আমি মনে মনে সকলোৱে মনস্থ কৰিব লাগিব যে আমি স্বাধীনতা যুজত যি দৰে প্ৰত্যেকেই আংশিকভাৱে হলেও যি যৎসামান্য বৰঙণি দি আহিছো এতিয়া দেশখন গঠন কৰোতে তাতোকৈ বেচি বৰঙণি দিম। দলীয় স্বাৰ্থ ত্যাগ কৰি দেশৰ স্বাধীনতাক আগশাৰীত দিম দেশ খন ইমান দিন বিদেশী শাসনৰ হাতত থাকি শিক্ষা, বিজ্ঞান আদি সকলো আৱশ্যকীয় বিষয়তে বহুদূৰ বাট পিচ পৰি আছিল এই কথা আমি এতিয়া পাহৰিলে নহ'ব। পৃথিবীৰ সভা স্বাধীন জাতি-বোৰে যিবোৰ বিষয়ত আজি দুশ বছৰে আগবাঢ়ি গ'লগৈ আমি সিদিনা মাত্ৰ স্বাধীন হৈ সেইবোৰৰ অখৰাহে আৰম্ভ কৰিছো। গতিকে দেশখন অন্যান্য জাতিৰ সমপৰ্য্যায়লৈ নিবলৈ সকলোৱে ঐক্যবদ্ধ হৈ কাম কৰিব লাগিব। আহক আমি আজিৰ শুভ দিনত এই সংকল্প গ্ৰহণ কৰো।

***

৺বৰকটকীদেৱৰ বংশাৱলী

৺সন্তুৰাম

↓

৺বিকাৰাম

↓

৺যতুৰাম

↓

৺পদ্মকান্ত

↓

শ্ৰীৰামেন্দ্ৰ | ৺মহেন্দ্ৰ | শ্ৰীবীৰেণ

↓ (৺মহেন্দ্ৰ)

মিনতি | প্ৰণতি | ভাৰতী | অদিতি